# মহীয়সী

## শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মহিলা আলোচনী

দশম সংখ্যা

কাতি-৫৬৩ শঙ্কৰাব্দ, নৱেম্বৰ-২০১১

# Mahiyashi

## Women Magazine

**ISSN-2249-2674-Mahiyashi**

**ISSUE NO . 10, NOVEMBER-2011**

**SRIMANTA SANKARADEVA SANGHA**

**Head office : Haladhar Bhuyan Path, Kalongpar**

**NAGAON-782001**

**ASSAM : INDIA**

**Editor**

***DR. INDIRA SAIKIA BORA***

**MAHIYASHI :** ***10th Issue,2011***

*Women Magazine of Srimanta Sankaradeva Sangha, Edited by Dr. Indira Saikia Bora and published by Sahitya Sakha Samittee (Pradhan Sampadak) of Srimanta Sankaradeva Sangha, November : 2011*

*Price ₹ 25.00 (Twenty five only)*

---

© **শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

কাতি ঃ ৫৬৩ শঙ্কৰাব্দ ঃ নবেম্বৰ, ২০১১

**প্ৰকাশক ঃ সাহিত্য শাখা সমিতি ঃ**

সভাপতি ঃ শ্ৰীজীৱকান্ত নাথ

সম্পাদক ঃ ড° জগত চন্দ্ৰ কলিতা

**সদস্যসকল ঃ** শ্ৰীভূপেন শইকীয়া

শ্ৰীৰূপেশ্বৰ নেওগ

শ্ৰীবোধেশ্বৰ কাকতি

শ্ৰীপ্ৰদীপ কুমাৰ শইকীয়া

শ্ৰীভবেন দুৱৰী

শ্ৰীহেমপ্ৰসাদ বৰা

ড° মহেশ্বৰ কলিতা

**সম্পাদিকা ঃ ড° ইন্দিৰা শইকীয়া বৰা**

**সদস্যাদ্বয় ঃ** শ্ৰীঅপৰাজিতা বৰকাকতি

শ্ৰীকল্পনা বৰা

**মূল্য** ঃ ২৫.০০ (পঁচিশ) টকা

ছপা সংখ্যা ঃ ২,০০০ (দুই হাজাৰ)

**প্ৰাপ্তিস্থানঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যালয় ঃ কলংপাৰ, নগাঁও

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ৰূপনগৰ, গুৱাহাটী

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ যোৰহাট

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ লখিমপুৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ গৌৰীপুৰ, ধুবুৰী

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ডিব্ৰুগড়

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সকলো জিলা শাখাৰ কাৰ্যালয়

**অক্ষৰ বিন্যাস ঃ** সত্যসন্ধা প্ৰেছ

শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী-৩২

**মুদ্ৰণ ঃ** মাতৃ অফ্‌ছেট প্ৰেছ,

হেদায়েৎপুৰ, গুৱাহাটী ঃ ৭৮১০০৩

জয় গুৰু শঙ্কৰ



# শুভেচ্ছাবাণী

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সপ্তদশ বাৰ্ষিক কেন্দ্ৰীয় শিশু-আইমাতৃ সমাৰোহত প্ৰকাশিতব্য 'মহীয়সী'লৈ স্বাগত সম্ভাষণ জনোৱাৰ লগতে হিয়াভৰা শুভেচ্ছা জনাইছোঁ।

'মহীয়সী' এনে এটি সংজ্ঞা যাৰ প্ৰচ্ছায়াত সমগ্ৰ জাগতিক সত্তাই সাৰ পাই উঠে, জীৱনৰ প্ৰতিটো প্ৰভাতে বৰ্ণিল ৰূপ পায়। আই, মাতৃ, জননী আৰু জন্মদাত্ৰী শব্দবোৰ সঁচাই অতুল। মাতৃত্বৰ মহা মহিমাৰে জগত ধুনীয়া কৰা, অনিন্দিত আবেশেৰে স্বপ্নীল জীৱনত মধুৰৰ পৰা মধুৰতৰ স্তৰলৈ উত্তৰণ ঘটোৱা সেইসকল চেনেহী আই। তাৰাসকলৰ কোমল হস্ত পৰশত জীৱনৰ গোলাপ ফুলে, চকুৰ অন্তৰ্হিত দৃষ্টিত পদুমে সাৰ পাই উঠে। জগত ধুনীয়া হয়, জীৱন মধুৰ হয়।

যুগে যুগে মহীয়সী মাতৃ ৰূপত সমাজ জীৱন উজ্জীৱিত হয়, সমাজৰ আকাংক্ষিত লক্ষ্য সাধনত সোণত সুৰগা চৰায়। এই ৰূপ প্ৰকৃতপক্ষে ছন্দিত ৰূপ। কল্পনাই ঢুকি নোপোৱা অনন্ত ব্যঞ্জনাৰে ওপচা এই ৰূপত মহাসমুদ্ৰৰ অটল গভীৰতা আছে। বিস্তীৰ্ণ আকাশৰ পৰিধিভঙা ব্যাপকতা আছে। ব্যক্তি সত্তাই এই ৰূপৰ ওচৰত নতশিৰ হৈ সামাজিক সত্তাৰ জীৱন্ত প্ৰকাশত আৱেশ সানে।

যুগে যুগে মহীয়সীসকলৰ মহা মহিমাৰে মানুহৰ সমাজে ন ন ৰূপ পৰিগ্ৰহ কৰে, শুই নিঃপালি দিয়া অচেতন ব্যক্তি সত্তাক জাগৃতিৰ মহৎ আদৰ্শ প্ৰদান কৰে।

'মহীয়সী'ৰ অন্য নাম 'মাতৃ'। মাতৃ হ'ল স্ৰষ্টা, সুন্দৰৰ শিল্পী, শিল্পী মনৰ পূজাৰী। এনে মনৰ মাজত লুকাই থাকে অনন্ত যাত্ৰাৰ পৰম তৃপ্তি, জীৱন জীয়াৰ মহান মানসিকতা।

'মহীয়সী' দীৰ্ঘজীৱী হওক।

'মহীয়সী'ৰ প্ৰেম মন্ত্ৰই সৰ্বজনৰ বাবে প্ৰেম বাৰ্তা কঢ়িয়াই আনক।

'মহীয়সী'ৰ লগত জড়িত সকলো পক্ষলৈ শুভেচ্ছা নিৱেদন কৰিছোঁ।

জয়তু 'মহীয়সী'

ইতি

সেৱাৰে--

**শ্ৰীৰজনীকান্ত দত্ত**

পদাধিকাৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

**২৪-১০-২০১১**

**মূল কাৰ্যালয়, নগাঁও**

জয় গুৰু শঙ্কৰ

# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰধান সম্পাদকৰ একাষাৰ



শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই তাৰাৰ ৰচনাৱলীৰ অনেক ঠাইত স্ত্ৰী-জাতিৰ প্ৰতি সহৃদয়তা দেখুৱাইছে। বৈদিক যুগত নাৰীৰ প্ৰাধান্য প্ৰত্যক্ষ হয় যদিও স্মৃতিকাৰসকলৰ দিনত নাৰীৰ প্ৰাধান্য লোপ পোৱাই নহয়, নাৰীৰ প্ৰতি বিদ্বেষ ভাৱে চূড়ান্ত পৰ্যায় পাইছেগৈ। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে স্পষ্টভাৱে ঘোষণা কৰিছে যে— ‘স্ত্ৰী শূদ্ৰে কৰে যদি আম্মাত ভকতি। তাসম্বাক দিবো ইটো জ্ঞান মহামতি।।’ পুনৰ কৈছে-- ‘যক্ষ ৰক্ষ স্ত্ৰী শূদ্ৰ যত ব্ৰজবাসী। পক্ষী মৃগ বিষ্ণু ভৈল কৃষ্ণক উপাসি।।’ অঙ্কীয়া নাটকৰ যোগেদি ‘পত্নী প্ৰসাদ’ নাটকত কৰ্ম গৰ্বী বিপ্ৰসকলৰ অহঙ্কাৰ চূৰ্ণ কৰি বিপ্ৰ পত্নীসকলৰ কৃষ্ণভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰি দেখুৱাইছে। এনেদৰে গুৰুজনাই মাতৃজাতিক শ্ৰেষ্ঠতা প্ৰদান কৰি সামাজিক বৈষম্য আঁতৰাবলৈ সক্ষম হৈছিল। নিজৰ বাস্তৱিক জীৱনতো দেখুৱাইছিল যে, আইতাকৰ তত্বাৱধানত ডাঙৰ-দীঘল হোৱা আৰু শিক্ষা-দীক্ষা গ্ৰহণ কৰি বৈবাহিক জীৱনত প্ৰবেশ কৰা, ‘চিহ্নযাত্ৰা’ৰ পট আকোঁতে চন্দৰী আইৰ নিৰ্দেশনা মতে কল্পতৰুবৃক্ষৰ স্থানাঙ্ক নিৰ্দ্ধাৰণ কৰা আদি লৌকিক দৃষ্টান্তৰে সমুজ্বল হৈ আছে।

এনেদৰে চালে দেখা যায় যে, গুৰুজনাই ৬৭ বছৰ বয়সত এৰি থৈ যোৱা বৰদোৱা থান অটব্য অৰণ্যৰ গ্ৰাসত পৰি পৰৱৰ্তী প্ৰজন্মৰ স্মৃতিৰ পৰা হেৰাই যোৱাৰ উপক্ৰম হোৱাত নাতি-বোৱাৰী কনকলতা আইৰ প্ৰচেষ্টাত পুনৰ উদ্ধাৰ হোৱালৈ চাই মহাপুৰুষীয়া ধৰ্মত নাৰীশক্তিৰ মহিমা অপৰাজেয় হৈ থকাৰ প্ৰমাণ আছে।

বৈপ্লৱিক দৃষ্টিভঙ্গীৰে তদানীন্তন কালৰ সমাজ সংস্কাৰত একমাত্ৰ গুৰুজনাৰ অৱদান অতুলনীয়। অস্পৃশ্যতাৰ হেঙাৰ ভাঙি শান্তি ৰাধিকাক সামাজিক মৰ্যদাৰে সন্মান জনোৱা মহাপুৰুষ জনাই সমাজ সংস্কাৰৰ দিশত প্ৰভূত সফলতা দেখুৱাই থৈ গ'ল। সামন্তবাদ, অৰ্দ্ধ সামন্তবাদ, ৰাজতন্ত্ৰ এই সকলোকে বিনীত বাক্য বচনেৰে মানুহৰ মাজত ভাব-ভক্তিৰে সৰ্বজনৰ হৃদয় জয় কৰি একশৰণ হৰিনামধৰ্মৰ বিজয় ধ্বজা কেনেকৈ উৰাব পাৰি তাৰ কলা কৌশল সহযোগী, সহকৰ্মী আৰু বিশেষকৈ প্ৰপন্ন শিষ্য মাধৱদেৱৰ জৰিয়তে প্ৰতিষ্ঠা কৰিব পৰাকৈ আশু ব্যৱস্থা গ্ৰহণ কৰি থৈ গ'ল।

এইগৰাকী মহান আত্মাৰ পৱিত্ৰ স্মৃতিৰে নামাঙ্কিত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই আজি সমাজ-সংস্কাৰৰ বাবে বহুমুখী আঁচনি গ্ৰহণ কৰিছে। মহিলাসকলৰ বাবে আত্মনিৰ্ভৰশীলতাৰ কাৰ্যক্ৰম আৰ্থিক বিকাশ সমিতিৰ পৰিকল্পনা কৰিছে। বস্ত্ৰ উদ্যোগ, ক্ষুদ্ৰ উদ্যোগ, আদি খোলাৰ বাবে ঋণ প্ৰদানৰ ব্যৱস্থা কৰিছে। প্ৰাথমিক পৰ্যায়ৰ পৰা কেন্দ্ৰীয় পৰ্যায়লৈ আইমাতৃসকলক সুসংগঠিত কৰাৰ বাবে বিভিন্ন পৰিকল্পনা গ্ৰহণ কৰা হৈছে। গ্ৰন্থ আলোচনী আদিত সৃষ্টিশীল প্ৰবন্ধ, কবিতা আদি লেখাৰ পৰিবেশ গঢ়ি তোলাৰ ব্যৱস্থা কৰা হৈছে। শঙ্কৰী সঙ্গীত বিদ্যালয়ৰ যোগেদি শিশু-যুৱতী-আইমাতৃসকলোকে সঙ্গীত শিক্ষাৰ অনুশীলন আৰু পৰীক্ষা ব্যৱস্থাৰ জৰিয়তে গুণগত মান নিৰ্দ্ধাৰণৰ ব্যৱস্থা কৰা হৈছে। জিলা আঞ্চলিক আৰু মাণ্ডলিক পৰ্যায়ত প্ৰতিযোগিতাৰ মাধ্যমেৰে উপযুক্ত শিল্পীসাধক, কলা-কুশলী ব্যক্তিৰ সন্ধান কৰা হৈছে। ধৰ্মীয় তথা নৈমিত্তিক অনুষ্ঠানসমূহ পৰিচালনা কৰিবলৈ সাংবিধানিকভাৱে আইসকলক আগবঢ়াই দিয়া হৈছে। সভা-সমিতিত বক্তৃতা প্ৰদান কৰা, আলোচনা চক্ৰত গৱেষণামূলক প্ৰবন্ধ-ৰচনা পাঠ কৰা সভা-সমিতি পৰিচালনা কৰাৰ দায়িত্ব আইসকলক অৰ্পণ কৰাৰ ফলত আইসকলে সৎ সাহসেৰে সকলো কাম সম্পাদন কৰাৰ কৌশল আয়ত্ব কৰিব পাৰিছে। প্ৰাথমিক শাখা পৰিচালনাৰ বাবে সভাপতি-সম্পাদকৰ দায়িত্বও গ্ৰহণ কৰিছে। প্ৰচলিত আপ্তবাক্য “তীৰিয়ে পুৰুষে হৈবা একমতি। তেবেসে সিজিব হৰিভকতি।।” প্ৰতিফলিত হৈছে।

বৰ্তমান বছৰত শিশু-আইমাতৃ সমাৰোহ ৰঙিয়া জিলাৰ আমন্ত্ৰণক্ৰমে শঙ্কৰদেৱ নগৰ ৰঙিয়াত অনুষ্ঠিত হৈছে। মহীয়সী আলোচনীখন পূৰ্বৱৰ্তী বছৰৰ দৰেই এইবাৰো সমাৰোহ স্থলীতে উন্মোচন কৰা হৈছে। এইবাৰ যুৱ-সমাৰোহৰ সৈতে শিশু আইমাতৃ সমাৰোহ একত্ৰে অনুষ্ঠিত হোৱাত সমাৰোহৰ গুৰুত্ব আৰু গাম্ভীৰ্য যথেষ্ট বৃদ্ধি পাইছে। সম্পাদিকা আইগৰাকীয়ে বিশেষ প্ৰযত্ন কৰি ‘মহীয়সী’ক সৰ্বাঙ্গ সুন্দৰকৈ সজাই তুলিছে। তেখেতৰ শ্ৰমে নিশ্চয় সাৰ্থকতা লাভ কৰিব। লেখক-লেখিকাসকলকো কৃতজ্ঞতা জনাই আমাৰ কলমৰ সামৰণি মৰা হ'ল।

সেৱাৰে--

২১-১০-২০১১
মূল কাৰ্যালয়, নগাঁও

**শ্ৰীহৰিপ্ৰসাদ হাজৰিকা**

জয় গুৰু শঙ্কৰ

# সম্পাদকীয়...

কেৱল ভকতি পুৰুষক তাৰে
সহায় কাকো নচাৰে।
জ্ঞানে কৰ্ম্মে তাৰে তাৰিতে নপাৰে
ভকতি নপাৰে যাৰে।। —নাম-ঘোষা- ২০০

'জ্ঞাতুম্, দ্ৰষ্টুম্ আৰু প্ৰৱেষ্টুম্' *শ্ৰীমদ্ভগৱদ্গীতাই* সত্যসন্ধানীসকলৰ বাবে তিনিটা নিৰ্দ্দেশ স্পষ্ট কৰিছে যে অনন্য ভক্তিৰ দ্বাৰাই একমাত্ৰ ভগৱানৰ স্বৰূপ জানিবলৈ (জ্ঞাতুম্), তেওঁক সাক্ষাৎ দৰ্শন কৰিবলৈ(দ্ৰষ্টুম্) আৰু অৱশেষত তাদাত্ম্যভাৱে অভিন্ন হৈ তেওঁত প্ৰৱেশ কৰিবলৈ সক্ষম হ'ব পাৰে (প্ৰৱেষ্টুম্)। 'জ্ঞা' ধাতুৰ অৰ্থ 'জনা' (to know), পৰমাত্মাৰূপে পৰমসত্যক জনাটোৱেই শ্ৰেষ্ঠ জনা। জ্ঞানে পূৰ্ণতা লাভ কৰিলে আত্মাৰ ভেদ নাইকিয়া হয়, তেতিয়াই সৰ্বত্ৰ সমদৰ্শন হয়। মানৱ শৰীৰৰ পঞ্চতত্ত্বক বিভাজন কৰিলে অন্নময়, প্ৰাণময়, মনোময়, বিজ্ঞানময় আৰু আনন্দময় কোষৰ সন্ধান পোৱা যায়। 'জনা' কামটো 'বিজ্ঞানময়' কোষৰ পৰা আৰম্ভ হয়। নিৰ্মল বুদ্ধি আৰু প্ৰজ্ঞা বা জ্ঞানৰ যোগেদি সত্যানুসন্ধানীসকলে পৰমসত্যক জানিবলৈ বিচাৰে। উপনিষদত ইয়াকে কোৱা হৈছে 'হিৰণ্যগৰ্ভ'। হিৰন্ময় পাত্ৰৰ দ্বাৰা যি সত্য আবৃত হৈ আছে জ্ঞান স্বৰূপ সূৰ্যৰ আৱিৰ্ভাৱত সেই পাত্ৰৰ মুখ উন্মুক্ত হয় অৰ্থাৎ সত্য প্ৰকাশিত হয়।

হিৰন্ময়েন পাত্ৰেণ সত্যস্যাপিহিতং মুখম্।
তত্ত্বং পূষন্নপাবৃণু সত্যধৰ্মায় দৃষ্টয়ে।। — ঈশাবাস্যোপনিষদ-১৫

সত্যসন্ধানী সাধক সকলৰ জীৱনলৈ আহে সাক্ষাৎকাৰৰ ব্যাকুলতা আৰু তেতিয়াই সত্তাৰ সাক্ষাৎ, আত্মসাক্ষাৎ আৰু শেষত ভগৱৎ সাক্ষাৎ হয়। এনেদৰে জ্ঞান মাৰ্গেৰে ভগৱৎ সাক্ষাৎ বা দৰ্শন হয়। আনহতে গীতাত শ্ৰীকৃষ্ণই অৰ্জুনক নিজৰ বিশ্বৰূপ দৰ্শন কৰাই কৈছে-

ভক্ত্যা ত্বনন্যয়া শক্য অহমেবংবিধোহৰ্জ্জুন।
জ্ঞাতুং দ্ৰষ্টুঞ্চ তত্ত্বেন প্ৰবেষ্টুঞ্চ পৰন্তপ।। — গীতা, ১১/৫৪

"হে পৰন্তপ, হে অৰ্জুন ! কেৱল অনন্য ভক্তিৰ দ্বাৰাই হে ভগৱানক স্বৰূপতঃ জানিব পৰা যায়, সাক্ষাৎ দেখিবলৈ পোৱা যায় আৰু অৱশেষত তেওঁত প্ৰৱেশ কৰিব পৰা যায়।"

'জন্মাদ্যস্য য়তো' ক লৈয়ে *শ্ৰীমদ্ভাগৱতপুৰাণ* আৰম্ভ হৈছে। ভাগৱত ব্ৰহ্মসম্মিত আৰু বেদতুল্য। বেদৰ প্ৰতিপাদ্য পৰব্ৰহ্ম, আনহাতে ভাগৱতৰ আস্বাদ্য শ্ৰীভগৱান। বেদ আৰু ভাগৱতৰ লক্ষ্যবস্তু একেই। যিদৰে কুণ্ডলী পকোৱা সৰ্প আৰু ধাৱমান সৰ্প একেই। প্ৰথমটোত বেগ নাই আৰু দ্বিতীয়টো গতিশীল, পৰব্ৰহ্ম সৰ্বগত। শ্ৰীভগৱান লীলাধামত অৱস্থিত। পৰব্ৰহ্ম নিৰ্গুণ, নিৰাকাৰ, নিষ্ক্ৰিয় কিন্তু শ্ৰীভগৱান সগুণ সাকাৰ, ক্ৰিয়াশীল। (*শ্ৰীমদ্ভাগৱত*/দশম স্কন্ধ/দ্বিতীয় অধ্যায়)

*শ্ৰীমদ্ভাগৱত*দ্বাদশ স্কন্ধত বিভক্ত। তাৰ মাজত দশমস্কন্ধক কোৱা হৈছে শ্ৰীকৃষ্ণৰ অধৰৰ মধুৰ হাঁহি (মঞ্জুহাস্যতাম্)। সকলো শাস্ত্ৰৰ মাজত যদি ভাগৱতক শ্ৰেষ্ঠ বুলি কোৱা হয় তেতিয়া ভাগৱতৰ মাজত দশমস্কন্ধই হৈছে সৰ্বশ্ৰেষ্ঠ। কাৰণ তাত কোৱা হৈছে ভগৱানৰ মানৱলীলাৰ কথা, ইচ্ছা- অনিচ্ছা আৰু ভগৱানৰ মাধুৰ্যৰ কথা। বেদত কোৱা হৈছে তেওঁ সৃষ্টি, স্থিতি ব্ৰহ্মাণ্ডৰ কাৰণ স্বৰূপ। তেওঁ অনন্তকোটি ব্ৰহ্মাণ্ডৰ অধীশ্বৰ। ভাগৱতে কৈছে ভগৱান মধুৰ, তেওঁৰ প্ৰাণ মনোহৰ, প্ৰাণপ্ৰিয়তম, তেওঁ প্ৰাণনাথ -"আনন্দৰসৈক মূৰ্ত্তিঃ।"

দশমস্কন্ধ আকৌ তিনিভাগত বিভক্ত ব্ৰজলীলা, মথুৰালীলা, দ্বাৰকালীলা। ব্ৰজলীলাত ভগৱানৰ মাধুৰ্যৰ প্ৰকাশ, প্ৰিয়ত্বৰ প্ৰকাশ, মথুৰা আৰু দ্বাৰকালীলাত তেওঁৰ ঐশ্বৰ্যৰ প্ৰকাশ, তেওঁ পৰমানন্দ স্বৰূপ বাসুদেৱ আৰু ব্ৰজ-বৃন্দাবনত তেওঁ কাৰোবাৰ পুত্ৰ, কাৰোবাৰ সখা আৰু কাৰোবাৰ দয়িত। আত্ম সমাহিত স্বতন্ত্ৰ ঈশ্বৰ ভাগৱতত নিৰন্তৰ ক্ৰীড়াপৰায়ণ

মাধুৰ্য বিগ্ৰহ। ভাগৱতৰ সাধনা আত্মসমৰ্পণ আৰু সম্বন্ধস্থাপনৰ সাধনা। আত্মসমৰ্পণ আৰু সম্বন্ধস্থাপনৰ গুঢ় কথাটোৱেই হৈছে 'ভক্তি'। ভাগৱতে কৈছে ভক্তিৰ দ্বাৰা ঈশ্বৰক কেৱল জনাই নহয়, তেওঁক একান্ত আপোন কৰি পোৱা যায়। *শ্ৰীভাগৱতে* মানুহৰ ওচৰত ভগৱানক বন্ধন কৰাৰ অভিনৱ প্ৰক্ৰিয়া বিস্তাৰ কৰিছে।

পুৰণি সাহিত্য দ্ব্যয়াত্মক অৰ্থযুক্ত। সেয়া হৈছে আদৰ্শ আৰু প্ৰেৰণা। প্ৰেৰণাৰ বশবৰ্তী হৈ কবিসকলে গীত, কাব্য, নাটক, আদি লৌকিক সাহিত্যৰ প্ৰধান অঙ্গবোৰৰ সহায়েৰে জন সমাজত শিক্ষা আৰু আনন্দ বিলাইছিল। চাণক্য শ্লোক, ডাকৰ বচন আদিৰ নিচিনা নৈতিক উপদেশপূৰ্ণ পুথিয়ে মানুহৰ মন আকৰ্ষণ কৰিব নোৱাৰে। সাহিত্য শিক্ষাৰ প্ৰণালীয়েই সুকীয়া। সুখ-দুখ, আশা- নৈৰাশ্য আদিৰ চিত্ৰেৰে মনক কোমলাই সজ সাহিত্যই প্ৰথমে মনক ভাৱগ্ৰহনোন্মুখী কৰি তোলে। *শ্ৰীমদ্ভাগৱদ্‌গীতা* এখন দুৰ্বোধ্য দৰ্শন শাস্ত্ৰ হ'লেও সকলো শ্ৰেণীৰ মানুহৰ ভিতৰত ই ইমান প্ৰিয় হোৱাৰ এটি প্ৰধান কাৰণ হৈছে ইয়াৰ অন্তৰ্গত আদৰণীয় ৰমণীয় কাব্য চিত্ৰ। শত্ৰুৰে কাঢ়িলোৱা নিজ ৰাজ্য উদ্ধাৰৰ বাবে দৃঢ়ব্ৰতী অৰ্জুনৰো ৰণক্ষেত্ৰত বিপুল মৰণোন্মুখ সেনানী দেখি মন ভাগিল। অৰ্জুনৰ মনত গভীৰ বিষাদ, এফালে ৰাজ্য আকাঙক্ষাৰ তাড়নাত আত্মীয়স্বজন বধ আৰু আনফালে ইমানবোৰ নিৰপৰাধী প্ৰাণীৰ হত্যাৰ আগত ক্ষুদ্ৰ ৰাজ্য কামনাৰ ঠাঁয়েই বা ক'ত?

অৰ্জুনৰ মনত যি দুৰ্বলতাৰ আবেশ হৈছিল, তেনে অৱস্থাত সকলো সহৃদয় সেনাপতিৰ মনত তেনেভাৱ উদয় হ'ব পাৰে। দোধোৰ- মোধোৰত পৰি অৰ্জুনৰ মনত যি বৈৰাগ্য, সেই বৈৰাগ্যৰ চিত্ৰ আগত দাঙি নধৰি গীতাৰ কবিয়ে (ব্যাসদেৱে) যদি নিৰলে সুস্থিৰ অৱস্থাত শ্ৰীকৃষ্ণই অৰ্জুনৰ আগত গীতা-তত্ত্ব ব্যাখ্যা কৰা বুলি ক'লেহেতেন, তেনেহ'লে গীতাশাস্ত্ৰৰ সৌন্দৰ্য বহুপৰিমাণে কমিলহেতেন। সাহিত্যৰ এনে সুকীয়া শিক্ষা প্ৰণালী পুৰণি কবিসকলে ভালকৈয়ে উপলব্ধি কৰিছিল আৰু আমাৰ পুৰণি গীত, নাট, কাব্য আদি এই উপলব্ধিৰেই ফল । কাৰণ পুৰণি সাহিত্য জাতীয় জীৱনৰ এটি সঙ্কটময় সন্ধিক্ষণত ৰচিত হয়। জাতীয় জীৱনৰ সঙ্কটময় অৱস্থাত গুৰুজনা শঙ্কৰদেৱে কাব্য, নাট, গীত আদি ৰচনা কৰি ভক্তি ধৰ্ম প্ৰচাৰ কৰি সৰ্বভাৰতীয় মহাজাতীয় চৈতন্যৰ লগত ঐক্য ভাৱ স্থাপন কৰে। ভক্তিৰ দ্বাৰাই যে ঈশ্বৰৰ অনুগ্ৰহ লাভ কৰিব পাৰি সেইকথা দেখুৱাইছে পুৰাণসূৰ্য *শ্ৰীমদ্ভাগৱতৰ* নৱমস্কন্ধ চতুৰ্থ অধ্যায়ত মহামতি শুকে ৰজা পৰীক্ষিতৰ আগত কোৱা ৰজা অম্বৰীষৰ কাহিনী যোগেদি।

ৰজা অম্বৰীষ ভাগৱত পুৰাণৰ এটি উজ্জ্বল চৰিত্ৰ। আখ্যান মতে ৰজা অম্বৰীষে যজ্ঞৰ আয়োজন কৰি হৰিৰ আৰাধনা কৰিছিল। ভোগ-বাসনা, মুক্তি বাসনা ত্যাগ কৰি ভগৱদ্ সেৱাত নিৰত হৈছিল। ৰজাই বৃন্দাৱনত পত্নীৰে সৈতে কৃষ্ণ আৰাধনাত তৎপৰ হৈ ব্ৰত কৰিছিল আৰু দ্বাদশী তিথিত ব্ৰত সমাপনৰ সময়তে দুৰ্বাসা ঋষি সেই ঠাইত উপস্থিত হয়। ৰজা অম্বৰীষৰ অনুৰোধ উপেক্ষা কৰি আতিথ্য গ্ৰহন নকৰাকে তেওঁ যমুনা নদীত স্নানাদি মধ্যাহ্নিক কৃত্য কৰিবলৈ গ'ল। ভোজনৰ বাবে অম্বৰীষে ঋষিলৈ বহুসময় বাট চাই ইতিমধ্যে দ্বাদশী তিথি শেষ হ'বলৈ ক্ষণমাত্ৰ বাকী থকাত জ্ঞানীসকলৰ পৰামৰ্শমতে তেওঁ জলমাত্ৰ পাণ কৰি ব্ৰত ভঙ্গ কৰিলে। ঋষি দুৰ্বাসাই এই কথা জানি ক্ৰোধিত হৈ নিজ জটা চিঙি তাৰে এক কৃত্য (অগ্নিশিখা) তৈয়াৰ কৰি অম্বৰীষক ভস্ম কৰিবলৈ আগবাঢ়িল। জ্বলন্ত কৃত্য হাতত লৈ খঙত পৃথিৱী কঁপাই আগবাঢ়ি অহা দুৰ্বাসাক দেখিও ৰজা একপদো বিচলিত নহ'ল। তেওঁ জানে যে ভগৱান মঙ্গলময় আৰু ভক্তজনৰ ৰক্ষক। এই বিশ্বাসতে অম্বৰীষে হৰিক ধ্যান কৰিলে। দুৰ্বাসাৰ সৃষ্ট কৃত্যই তেওঁক দগ্ধ কৰিবৰ উপক্ৰম হ'ল। কিন্তু বিষ্ণু চক্ৰই ক্ৰুদ্ধ সৰ্পৰ দৰে দুৰ্বাসাক আক্ৰমণ কৰিলে। দুৰ্বাসাই শ্ৰীহৰিৰ চৰণত আশ্ৰয় ল'লৈগে। ভগৱানে নিজকে ভক্তৰ পৰাধীন বুলি দুৰ্বাসাক জনালে আৰু অম্বৰীষক ক্ষমা প্ৰাৰ্থনা কৰিবলৈ দুৰ্বাসাক উপদেশ দিলে।

এই আখ্যানৰ মূলভাৱ এয়ে যে ভক্তই যেতিয়া সকলো ত্যাগ কৰি কেৱল ভগৱানত আশ্ৰয় লয় তেতিয়া ভগৱানে ভক্তৰ হিতৰ বাবে কাম কৰিবলৈ উৎসাহিত হয়। তদুপৰি দুৰ্বাসাই আত্মহিংসা আৰু অবিনীত স্বভাৱৰ বাবেও শাস্তি পোৱা উচিত। অনন্ত্ৰ ব্যক্তিৰ আত্মাভিমানেই নিজৰ শত্ৰু হয়। তেনেদৰে পৰমভক্ত অম্বৰীষ ৰজাই হৰি ভক্তি কৰি ভগৱানৰ কৃপা লাভ কৰিছিল। ভগৱানত ভক্তি ৰাখি তেওঁৰ গুণ শ্ৰৱণ-কীৰ্ত্তন কৰিলেহে জন্ম সফল হয়।

**কেন্দ্ৰীয় শিশু আৰু আইমাতৃ কল্যাণ সমিতি আৰু "মহীয়সী"ৰ দশম সংখ্যাৰ সম্পৰ্কত ঃ** পৃথিৱীৰ সকলো ধৰ্মৰে ভাষাৰে নিজা কিছুমান শ্ৰেষ্ঠ সাহিত্য আছে। এই শ্ৰেষ্ঠ সাহিত্যবোৰ কবিসকলে হৃদয়ঙ্গম কৰি সৰল ভাষাৰে-প্ৰকাশ কৰে

যাতে তাৰ যোগেদি সমাজ বিভিন্ন দিশত আগবাঢ়িব পাৰে। অসমতো মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেখেতৰ অনুগামীসকলে আগবঢ়োৱা সাহিত্যৰাজিয়ে অসমীয়া ভাষা- সাহিত্যৰ লগতে জাতীয় জীৱনত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছে।

মহাপুৰুষসকলৰ ধৰ্মীয় আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ আৰু মাতৃসকলৰ চিন্তন মনন আদিৰ বিকাশ ঘটাবৰ বাবেই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই আইমাতৃসকলৰ কাৰণে 'মহীয়সী' নামৰ বছেৰেকীয়া মহিলা আলোচনী কেন্দ্ৰীয় শিশুআইমাতৃ সমাৰোহত প্ৰকাশৰ ব্যৱস্থা কৰে। মাতৃসকলৰ মহান দায়িত্ব হৈছে নিজৰ ঘৰখনৰ লগতে সমাজতো গুৰু আদৰ্শ প্ৰচাৰ কৰি সন্তানক সুসংস্কৃত কৰি গঢ়ি তোলা। এই ক্ষেত্ৰত মাতৃসকলে আগবঢ়োৱা সেৱাৰ স্বীকৃতি ৰূপে প্ৰতি বছৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই বিভিন্ন বঁটাৰেও আইসকলক সন্মানিত কৰি আহিছে।

**কৃতজ্ঞতা জ্ঞাপন ঃ** 'মহীয়সী'ৰ দশম সংখ্যাটি প্ৰকাশ কৰি উলিওৱাত যি সকল গুণী- জ্ঞানী ব্যক্তিয়ে বৌদ্ধিক দিশত সহায় আগবঢ়াইছে সেইসকলক পোনপ্ৰথমে আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। প্ৰবন্ধসমূহ একেলগে গোট নোখোৱাত ক্ৰম সজোৱাত আসোঁৱাহ থাকি যাব পাৰে। তাৰোপৰি কলেৱৰ বৃদ্ধিৰ সীমাবদ্ধতাৰ বাবে আমাৰ হাতত পৰা সকলো প্ৰবন্ধ প্ৰকাশ কৰিব নোৱাৰাৰ বাবে আমি ক্ষমা প্ৰাৰ্থী।

সম্প্ৰতি সপ্তদশ (১৭) বাৰ্ষিক কেন্দ্ৰীয় শিশু আৰু আইমাতৃ সমাৰোহখনি ৰঙিয়া জিলাশাখাৰ ব্যৱস্থাপনাত 'শ্ৰীমন্ত শঙ্কৰদেৱ ক্ষেত্ৰ' শঙ্কৰদেৱ নগৰ, ৰঙিয়াত ২০১১ বৰ্ষৰ ১৮, ১৯, ২০ কাতি (৫৬৩ শঙ্কৰাব্দ) ইংৰাজী ৫, ৬, ৭ নৱেম্বৰ, ২০১১ খ্ৰীষ্টাব্দৰ শনি, দেও আৰু সোমবাৰে অনুষ্ঠিত হ'ব। ইয়াৰ দ্বাৰাই সমাৰোহত সমবেত সমূহ ভক্তপ্ৰাণ ৰাইজলৈ সশ্ৰদ্ধ প্ৰণিপাত জনালোঁ।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ শ্ৰদ্ধেয় শ্ৰীৰজনীকান্ত দত্ত বাপ, প্ৰধান সম্পাদক শ্ৰীহৰিপ্ৰসাদ হাজৰিকা বাপ, সাহিত্য শাখাৰ সভাপতি শ্ৰীজীৱকান্ত নাথ বাপ, সম্পাদক ড° জগত চন্দ্ৰ কলিতা বাপ, মহীয়সীৰ সদস্যা শ্ৰীযুতা অপৰাজিতা বৰকাকতি আই, শ্ৰীযুতা কল্পনা বৰা আই, প্ৰমুখ্যে সাহিত্যশাখাৰ মাননীয় সদস্যসকলে আগবঢ়োৱা সহযোগিতা তথা গঠনমূলক পৰামৰ্শৰ বাবে আমি তেখেত সকলৰ প্ৰতি সশ্ৰদ্ধ সেৱা নিৱেদন কৰিলোঁ।

শঙ্কৰী সংস্কৃতি কেন্দ্ৰ (ৰূপনগৰ, গুৱাহাটী) সত্যসন্ধা প্ৰেছৰ কৰ্মী শ্ৰীৰমেন মেধিৰ লগতে মাতৃ অফছেটৰ স্বত্বাধিকাৰ মণিকাঞ্চন বাৰ্তালোচনীৰ সম্পাদক মাননীয় কমলাকান্ত বৰা বাপ আৰু কৰ্মচাৰীবৃন্দলৈ আন্তৰিক শলাগ যাচিলোঁ। সাৱধানতা অৱলম্বন কৰা সত্বেও অজানিতে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে পাঠক সমাজৰ ওচৰত ক্ষমা-প্ৰাৰ্থনাৰে সেৱা জনালোঁ।

আগম পুৰাণ যত বেদান্তৰ তাতপৰ্য্য
জানি কৰা ভকতিক সাৰ।
শ্ৰৱণ-কীৰ্ত্তন বিনা আন পুণ্যে নপায় জানা
ইটো ঘোৰ সংসাৰৰ পাৰ।।
— কীৰ্ত্তন-ঘোষা/ বেদস্তুতি/১৬৭৩

সেৱাৰে--
ইন্দিৰা শইকীয়া বৰা

গুৱাহাটী
২৭/১০/১১

# সূচীপত্ৰ


| | | পৃষ্ঠা |
|---|---|---|
| ***কবিতা ঃ*** | | |
| ◆ পাঞ্চজন্য বাজে আকাশত | ঃ শ্ৰীৰজনীকান্ত দত্ত | ১ |
| ◆ নাৰী শক্তি | ঃ শ্ৰীকৰুণাকান্ত কলিতা | ২ |
| ◆ বৰদোৱা | ঃ জীৱেশ্বৰী বৰা | ৩ |
| ◆ শৰণ | ঃ ভৱেন দুৱৰী | ৩ |
| ◆ মায়া | ঃ ক্ষীৰদা প্ৰভা দাস | ৪ |
| ◆ শঙ্কৰদেৱ | ঃ পল্লৱী দাস | ৪ |
| ◆ মাতৃ | ঃ স্বৰ্ণলতা বণিক্য | ৫ |
| ◆ সুৰৰ ৰূপালী মহীয়সী | ঃ প্ৰদীপ্তি ডেকা | ৫ |
| ***প্ৰবন্ধ ঃ*** | | |
| ◆ কঠোপনিষদত পৰমতত্ত্ব | ঃ অঞ্জলি দেৱী | ৬ |
| ◆ কৃষ্ণভক্তিধাৰা আৰু মধ্যযুগীয় ঃ ভক্তি সাহিত্যত তাৰ অভিব্যক্তি | ঃ ড° প্ৰফুল্ল কুমাৰ নাথ | ১০ |
| ◆ ভট্টদেৱৰ কথা-ভাগৱত আৰু কথা-গীতাৰ গদ্যৰীতি | ঃ ড° কল্পনা তালুকদাৰ | ১৭ |
| ◆ কীৰ্ত্তনৰ 'বেদস্তুতি' | ঃ জীৱকান্ত নাথ | ২১ |
| ◆ ভাওনা সংস্কৃতি ঃ পৰম্পৰা আৰু পৰিৱৰ্তন | ঃ ড° বেবীমনি গগৈ | ২৩ |
| ◆ ধৰ্ম আৰু আধ্যাত্মিকতাত নাৰীৰ ভূমিকা | ঃ অপৰাজিতা বৰকাকতি | ২৯ |
| ◆ মাধৱদেৱৰ নাম-ঘোষাত দাস্যভাৱ | ঃ ড° অৰ্চনা পূজাৰী | ৩৪ |
| ◆ শঙ্কৰদেৱৰ ৰচনাৱলীৰ পুথিচিত্ৰ | ঃ ড° নাৰায়ণ দাস | ৩৭ |
| ◆ শ্ৰীমন্ত শঙ্কৰদেৱৰ অমৰ সৃষ্টি 'নামঘৰ' | ঃ নিৰ্মলা দাস | ৪৫ |
| ◆ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ কালিয়দমন নাট | ঃ ড° প্ৰণতি শৰ্মা গোস্বামী | ৪৯ |
| ◆ বৈষ্ণৱ গুৰু শঙ্কৰ-মাধৱৰ সান্নিধ্যত নাৰায়ণ দাস ঠাকুৰ আতা ('গুৰু-চৰিত-কথা'ৰ আধাৰত) | ঃ ড° গোলকেশ্বৰ গোস্বামী | ৫৩ |
| ◆ যুৱ উচ্ছৃঙ্খলতা নিৰাময়ত এগৰাকী মাতৃৰ ভূমিকা আৰু কৰ্তব্য | ঃ কল্পনা বৰা | ৬০ |
| ◆ অসমৰ তাঁতশিল্পত এভূমুকি | ঃ ভানুমতী নাথ বৰা | ৬৪ |
| ***সাক্ষাৎকাৰ ঃ*** | | |
| ◆ ড° মামণি ৰয়চম গোস্বামী | ঃ ড° ইন্দিৰা শইকীয়া বৰা | ৬৬ |
| ***চৰিত্ৰ চিত্ৰণ ঃ*** | | |
| ◆ পুত্ৰবৎসলা দৈৱকী | ঃ প্ৰদীপ কুমাৰ শইকীয়া | ৭০ |
| ◆ মাধৱদেৱৰ নাটৰ স্নেহময়ী যশোদা | ঃ ড° মঞ্জু গোস্বামী | ৭৩ |
| ◆ গীতগোৱিন্দৰ ৰাধা | ঃ নীলাক্ষী দেৱী | ৭৭ |
| ◆ নিঃসঙ্গিনী মনস্বিনী নাৰী কুন্তী | ঃ ড° শিপ্ৰা পাইক | ৭৯ |
| ◆ মহাভাৰতৰ আধাৰত- অম্বা ঃ বিদ্ৰোহৰ এক অনিৰ্বাপিত স্ফুলিঙ্গ | ঃ ড° সোণালী বুঢ়াগোহাঁই | ৮৩ |
| ◆ চন্দৰী আই | ঃ ৰূবী বৰা | ৮৮ |
| ***আইন ঃ*** | | |
| ◆ বৈদিক যুগত নাৰীৰ অধিকাৰ ঃ এক অৱলোকন | ঃ ড° বীণিমা বুজবৰুৱা | ৮৯ |
| ◆ শিক্ষাৰ অধিকাৰ আইন আৰু আমাৰ শিশুসকল | ঃ উৎপলা বৰা | ৯৩ |
| ◆ তথ্য জনাৰ অধিকাৰ | ঃ মুকুট শইকীয়া | ৯৫ |
| ***স্বাস্থ্য ঃ*** | | |
| ◆ পাৰিপাৰ্শ্বিক বিজ্ঞান আৰু স্বাস্থ্য বিজ্ঞানৰ দৃষ্টিত শ্ৰীমন্ত শঙ্কৰদেৱ | ঃ ড° পৰশমণি দাস | ৯৮ |
| ◆ হাৰ্ট এটেক (**Heart Attack**) | ঃ ডাঃ নগেন্দ্ৰ নাথ ডেকা | ১০৫ |
| ◆ কঁকালৰ বিষৰ বনৌষধ | ঃ ভেষজ ৰত্ন গুণাৰাম খনিকৰ | ১১০ |
| ◆ বগাস্ৰাৱ ৰোগ আৰু হোমিঅ'পেথিক চিকিৎসা | ঃ ডাঃ নিপ কুমাৰ দত্ত | ১১২ |

# পাঞ্চজন্য বাজে আকাশত

**শ্ৰীৰজনীকান্ত দত্ত, পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

আই!
মাতৃত্বৰ মহা মহিমাৰে গৰ্বিত আকাশ
বিস্তীৰ্ণ, বিশাল, উদাৰ।
তুমি খেৰসুতি
কিমান যে তৰালি, জোন জোনাকীৰ মেল।
আমাক এচমকা ৰ'দালিৰে তিৰ্‌বিৰ কৰালা
আমি তোমাৰ বাবেই
তুমিওতো আমাৰ বাবেই।
প্ৰৌঢ়ত্বৰ প্ৰজ্ঞা সাধনাৰে জীৱন জীপাল
প্ৰান্তে প্ৰান্তে অমৰ প্ৰশ্বাস,
ধ্বনিত, ৰণিত, প্ৰতিধ্বনিত যুগৰ আহ্বান।
হে মাতৃ!
কুন্তী তুমি, অবিনাশী বিশল্য কৰণিৰ সন্ধানৰতা।
অতীন্দ্ৰিয় প্ৰেৰণাৰ এচমকা ডাৱৰ।
দ্বাৰকাৰ প্ৰতিচটা ইটাৰ পিঠিত 'এপিটাফ'
জিজ্ঞাসাৰ পদধ্বনি আজিও শুনিছোঁ।
আৰ্ত, বুভুক্ষু জনতাৰ প্ৰতিবাদী কণ্ঠস্বৰে
তোমাৰ হৃদয় কঁপায়।
নোপোৱাৰ বেদনাত চকিত জীৱন।
পাঞ্চজন্য বাজে আকাশত।
হে জাননী!
সুনীতিৰ আঁচলত মৈত্ৰীৰ মন্ত্ৰ বান্ধি
আমি যাওঁ আগুৱাই।
শান্তি ৰাধিকা তুমি, টেৰেছাৰ পূৰ্বসুৰী
এজোপা বটবৃক্ষ, বুদ্ধৰ সপোন সনা,
বৃক্ষৰ ছাঁয়াত জিল্‌মিল শত পদ্মৰাগ।
মানুহ, কেৱল মানুহ
আঁতৰত এজাক শুধবগা উৰন্ত বগলী।
আকাশ মাৰ্গত গতি
দূৰলৈ, বহুদূৰলৈ
পাঞ্চালী তুমি
মাতৃমূৰ্তি দ্ৰোপদ নন্দিনী
তোমাৰ মুক্ত কেশত মুক্তিৰ তাণ্ডৱ
তোমাৰ দুচকুত দৃষ্টি ৰঞ্জন— আন্ধাৰৰ পাৰ ভঙা।
উল্কাপিণ্ডৰ দৰে ভাঙি-ছিঙি শেষ কৰা
এজাক ধুমুহা।
নতুন দিগন্ত ৰচনাৰে এনে আকুতিত
লুকাই আছে গান্ধাৰীৰ শাপভৰা অভিশপ্ত কঙাল পৃথিৱী।
সকলো থাকিও একো নোপোৱাৰ ধূসৰ স্বপ্ন
মহীয়সী তুমি!
তোমাৰ নিষ্কম্প ওঁঠৰ মাজত বিপ্লৱৰ শিখা,
জ্বলি জ্বলি শেষ হোৱা
যুগান্তৰৰ এমুঠি ক্ষুধা।
বসুধাৰ বুকু ভেদি এই যাত্ৰাৰম্ভ
সতীত্বৰ জয়গান।
বিপ্লৱ, পৰিৱৰ্তন, একোচপৰা যেন ভমকাফুলীয়া ডাৱৰ।
গৈ থাকে, গৈ থাকে, শান্তি সুষমা বিচাৰি।
আই কনকলতা তুমি!
তোমাৰ স্বপ্নত ভূমাৰ সাধনা
প্ৰেম আৰু প্ৰেমানন্দৰ মহামিলনত জাগে
সুষুপ্ত পৃথিৱী।
নন্দন বনৰ অনিন্দ্য পাৰিজাত তুমি,
শ্ৰেয়স সাধনাৰে পুষ্ট
ৰঙা, নীলা, হালধীয়া— ৰামধেনু।
আকাশ বিয়পি পৰা সৌন্দৰ্যৰ পেড়া।
মানুহৰ পৃথিৱীত তাৰেই সুষমা।
চন্দৰী তুমি!
নিজৰ কথা নভবা
আত্মকেন্দ্ৰিকতাৰ পাৰ ভাঙি আগবঢ়া এটা জীৱন,
সেৱা, কেৱল সেৱাই জীৱন
তুমি মাতৃ হৃদয় ৰঞ্জিত, অতি সুকোমল।
এইখন পৃথিৱী ইমান বহল
এই বসুধাৰ পৃষ্ঠভূমি ইমান মসৃণ,
মাতৃ তুমি বসুমতী
তোমাক প্ৰণাম।
সৃষ্টিৰ প্ৰভাতী সুৰুযৰ প্ৰথম কিৰণত
তুমি ঢালি দিয়া হিয়াৰ উম,
আমি সদায় মনত ৰাখিম।
তোমাৰ উমাল বুকুৰ উমেৰে আমাৰ জীৱন ধন্য হ'ব।■

# নাৰী শক্তি

**শ্ৰীকৰুণাকান্ত কলিতা**
প্ৰাক্তন পদাধিকাৰ, শ্ৰীমন্তশঙ্কৰদেৱ সঙ্ঘ

নাৰী তুমি
আছে শক্তি
আছে তোমাতে
সুপ্ত হৈ
জাগ্ৰত কৰা
প্ৰভাৱ দেখুৱা
গুৰু শ্ৰীমন্তশঙ্কৰৰ
আদৰ্শ লৈ
সমাজত জ্বলিছে
প্ৰচণ্ড জুই
কাৰো নাই শান্তি
মনৰ প্ৰশান্তি
তথাপি অচেতন
নাই জাগৰণ
চকু মুদি
অন্ধৰ দৰেই
কৰিছে গমন
যাতনা নদীত যেন
বুৰ মাৰিবলৈ
ডুবি যাবলৈ
সমাজৰ উত্তৰণ
ঘটিব কেনেকৈ ?
ৰূপান্তৰী শক্তি
চোৱা জুখি
আনা জাগৃতি
মাত মাতা, প্ৰতিবাদ কৰা
হিংসাশূন্য সমাজ গঢ়াত
দিয়া মন ঃ
বোৱাৰী হত্যা
ধৰ্ষণ নিৰ্যাতন
শিশু হত্যা
অপহৰণ
মদ ড্ৰাগছ সেৱন
দুৰ্নীতি ভ্ৰষ্টাচাৰ
আৰু য'ত
সমাজ ক্ষয়কাৰী কাম
প্ৰতিৰোধ কল্পে
চলোৱা মহা অভিযান
হোৱা বিদ্যাৱতী
গুণৱতী
হোৱা তুমি
ভক্তিমতী
তোমাৰ সন্তানক
দিয়া কৃষ্ণভক্তি
সুচৰিত্ৰ কৰোৱা গঠন
নৈতিক শিক্ষা
আধ্যাত্মিক শিক্ষাৰে
কৰোৱা স্নান
উজ্জ্বল ভৱিষ্যৎ
কৰা নিৰ্মাণ
গুৰু শ্ৰীমন্তশঙ্কৰৰ
বিলোৱা আদৰ্শ
ধন্য কৰা সন্তানৰ
দুৰ্লভ মনুষ্য জনম
জনালো আহ্বান
তোমাৰ চৰণত
সহস্ৰ প্ৰণাম ।।■■

# বৰদোৱা

**জীৱেশ্বৰী বৰা**

বৰদোৱা, বৰদোৱা স্বৰ্গধাম
স্বয়ং ঈশ্বৰ সাক্ষাতত
জীৱৰ পৰিত্ৰাণ ।
শঙ্কৰ নামে তুমি
জনমি অসমীত
দিবলৈ নাই বাকী
স্বদেশ স্বজাতিক ।
বহু পৰিশ্ৰমৰ মাজে
প্ৰভু ! তৰিলা জননীক
সমন্বয় সংহতিৰে বান্ধিলা অসমীক।
সাহিত্যৰ ভেঁটিকো
কৰিলা যুগমীয়া
কলা-সংস্কৃতি হ'ল
যাউতি যুগীয়া।
সেয়ে,
বৰদোৱা,বৰদোৱা
পুণ্যৰ ভূমি
যেন,
শ্ৰীকৃষ্ণৰ জনমভূমি
দ্বাৰকা নগৰী।■■

**লেখিকা সত্যসন্ধা প্ৰাথমিক শাখাৰ সঙ্গী (নগাঁও)**

# শৰণ

**ভৱেন দুৰৰী**

শৰণ কেৱল আশ্ৰয়েই নহয়
শৰণ এটি বিস্তীৰ্ণ পথ।
আৰম্ভণিৰ পৰা শেষলৈ।
শৰণ এক যাত্ৰা
গন্তব্য স্থানলৈ।
পৰমাত্মাৰ লগত জীৱাত্মাৰ।
শৰণ মানে স্থিতি
দুখানি অভয় চৰণ কমলত।
শৰণ এক নীতি
জীৱ আৰু জীৱনৰ।
শৰণ মানে প্ৰীতি
সেৱক আৰু সেৱাজনৰ।
শৰণ মানে প্ৰজ্ঞা
আধ্যাত্মিক আৰু পাৰমাৰ্থিক।
শৰণ মানে আস্থা আৰু নিষ্ঠা
ঐহিক আৰু পাৰত্ৰিক।■■

**লেখক শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ**
**'শিশুমঞ্জৰী'ৰ-সম্পাদক**

# মায়া

**ক্ষীৰদা প্ৰভা দাস**

মায়াময় মৰীচিকা এই সংসাৰ খনি
সৰ্ব্বক্ষণে মোৰ বুলি  ফুৰো আনন্দ কৰি
পুত্ৰ-ভাৰ্য্যা ধন সম্পত্তি সকলো অসাৰ
বুজিও নুবুজো তাক কৰো বাৰে বাৰে সাৰ
জীৱন নাটৰ ভাৱৰীয়া আমি,
খেলিছো জীৱনৰ খেলা
গ্ৰাসি আছে কাল সৰ্পে
দংশিব জীৱনৰ কোনোবা এটা বেলাত
এদিন উপজি, এদিন মৰে
ঘূৰি আছে কালৰ চকৰি
সুখ- দুখ পাপ-পুণ্য
ৰৈ যাব এই পৃথিৱীত।
অহা আহিছে, যোৱাবোৰ গ'ল,
কাৰো যে আঁহৰি নাই
জীৱন নদীৰ নাওঁ খনি বাই
দেহাৰ ভৰষা জীৱৰ তৰণি নাই ।
কল্পনাৰ মায়াজাল মাথোঁ নহয় এয়া
নহয় মাথোঁ ক্ষণিকৰ আবেগ উদ্দীপনা
বাস্তৱ জগতৰ জীৱন্ত অভিলেখ
সুখ-দুখ, হাঁহি-কান্দোনৰ পৰিপূৰ্ণ মানৱ জীৱনৰ।
তিনি তাপত তাপিত হৈ যাতনাৰ নপৰে ওৰ
যাতনাতে সৃষ্টি যাতনাতে লয়
যাতনা জীৱনৰ চিৰ-লগৰী
মায়াৰ ৰচনা ভৱ সাগৰত বুৰি থাকো কক্-বক্ কৰি
জীৱন জুৰি যাতনা গচকি ফুৰোঁ আশাৰ সফুঁৰা মেলি
এই ভৱ-সাগৰ আলহী ঘৰ বিনন্দীয়া ৰূপ
বিষয় সিন্ধুত উটি-ভাহি নুগুছে মনৰ দুখ।।■■

**লেখিকা বৰপেটা জিলাৰ শিশু-আইমাতৃ কল্যাণ সমিতিৰ সভানেত্ৰী**

# শঙ্কৰদেৱ

**পল্লৱী দাস**

লৈছিলাহি জনম তুমি আলিপুখুৰীত
অতিকে পৱিত্ৰ স্থান।
পাপ কালিমা আঁতৰাই, হিংসাবিনাশি
জীৱক দিবলে পৰিত্ৰাণ।।
মহেন্দ্ৰ কন্দলিৰ টোলত
শিক্ষা জীৱনৰ পাতনি মেলিলা।
ব্যঞ্জনবৰ্ণ শিকিয়েই কবিতা লিখি
জগতবাসীক চমক লগালা
কীৰ্ত্তন, দশম, নাট-কাব্য
গুণমালা, ৰত্নাকৰ।
আজিও যে প্ৰতিজন অসমীয়াৰ
পোহৰাই তুলিছে ঘৰ।
তোমাৰ প্ৰৱৰ্তিত  বৈষ্ণৱ ধৰ্ম'ত নাই কোনো উচ্চ-নীচ
য'ত সকলো সমান।
হে সৰ্বগুণাকৰ, শ্ৰীমন্ত শঙ্কৰ
তোমাৰ যে এয়া শ্ৰেষ্ঠ দান।
তুমি সৃষ্টি কৰা বৰগীতৰ সুৰে
মধুৰ মূৰ্চ্ছনা তোলে।
প্ৰাতঃ স্মৰণীয় হৈ ৰ'বা তুমি
চন্দ্ৰ-দিবাকৰ থাকে মানে।।■■

**লেখিকা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ একান্ত সেৱিকা।**

# মাতৃ

## স্বৰ্ণলতা বণিক্য

চিৰ চেনেহী জননী, আইমাতৃ
কি নামেৰে মাতিম তোমাক
কি ফুলেৰে পূজিম তোমাক
তুমি মহীয়সী, তুমি ভক্তিমতী
তুমি কয়াধু, তুমি সুনীতি, তুমি জয়মতী
অথবা কনকলতা।
মাতৃ,
তুমি মহা মহা পুৰুষৰ জন্মদাত্ৰী
তুমি সুখৰ সংসাৰৰ স্ৰষ্টা
উত্তৰ পুৰুষৰ দিক দ্ৰষ্টা
হেঁপাহৰ বৰ অসম গুৰু শঙ্কৰৰ
সপোনৰ ৰাম-ৰাজ্য গান্ধী মহাত্মাৰ
মাতৃ,
তোমাৰ হাততে আছে মহামন্ত্ৰ, মহাঅস্ত্ৰ
দিঠকৰ ফুল ফুলক তোমাৰ হাততে
মহাত্মা দুজনাৰ.......।
শাস্ত্ৰ মেলি চাওঁ
উজুতিহে খাওঁ
তোমাৰ গুণৰ সীমা বিচাৰি নাপাওঁ
মাতৃ তুমি অনন্যা
অন্তহীন তোমাৰ মহিমা
দেৱতাই ঢুকি নাপায় যাৰ সীমা
তুমি নাৰী, তুমি মাতৃ, তুমি ভাৰ্য্যা
তুমি ভগ্নী, তুমি কন্যা.......
দয়াৰ সাগৰ, সৃষ্টিৰ আকৰ
ক্ষমাৰ প্ৰতিভু, ধৃতিৰ ধ্বজা
মাতৃ তুমি হোৱা যুগে যুগে
গুণী জনৰ চিৰ নমস্যা।■■

**লেখিকা বঙাইগাওঁ মণ্ডলৰ উপদেষ্টা**

# সুৰৰ ৰূপালী মহীয়সী

## প্ৰদীপ্তি ডেকা

নাৰী তুমি সঙ্গী ৰঙ্গী ইহ সমাজত
জুই পানী ৰ'দ বৰষুণ বতৰত
গোপিনী তুমি প্ৰেম ভাবে কৃষ্ণ ভকতি
আকুল আবেগ অমৃত ৰস আজলি
হঁহা কন্দা দুখ কষ্ট জীৱন যুঁজত
চকুপানী টুকি ধৃতি এই ভাৰস্তত
আশাৰ মালিতা ৰচা স্বামী হৃদয়ত
স্নেহৰ মুকুতা ঢালা সন্তান গৰ্ভত
আই-পেহী-খুৰী-মাহী-বাই-ভনী
সংসাৰ লগৰী য'ত তুমি জননী
মানুহৰ প্ৰাণত প্ৰেম খোদালি লেপি
মন সুৰমাৰে পখলা সুৱৰ্ণ কান্তি
শিশু আই মাতৃ কল্যান সমিতি গঢ়ি
মাত-কথা সুৰৰ ৰূপালী মহীয়সী।।■■

লখিকা গীতা নগৰ (গুৱাহাটী) প্ৰাথমিক শাখাৰ সঙ্গী

প্ৰবন্ধ

# কঠোপনিষদত পৰমতত্ত্ব

অঞ্জলি দেৱী

মানৱ ইতিহাসৰ সৰ্বোৎকৃষ্ট চিন্তাধাৰা, সভ্যতা-সংস্কৃতিৰ প্ৰাচীনতম তথ্যসমৃদ্ধ প্ৰামাণিক তত্ত্ব আৰু জ্ঞানৰ এক অমূল্য ভঁৰাল হ'ল চতুৰ্বেদ। পুৰাতত্ত্ব ইতিহাসৰ আটাইতকৈ মনোগ্ৰাহী বিষয়বস্তু সমূহৰ বিষয়ে আমাক প্ৰচুৰ তথ্যৰ যোগান ধৰে এই বেদসমূহেই। প্ৰত্যেকখন বেদেই প্ৰধানকৈ চাৰিটা ভাগত বিভক্ত— সংহিতা, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ। উপনিষদসমূহ বেদৰ চূড়ান্ত আৰু সামৰণি অংশ। সেয়েহে ইয়াৰ আন এটা নাম 'বেদান্ত'। এই উপনিষদবোৰেই পৰৱৰ্তী সময়ত বিভিন্ন ভাৰতীয় চিন্তাধাৰাৰ আধাৰ আৰু ভেটি সৃষ্টি কৰে। কেৱল ভাৰতীয় দৰ্শনতে নহয়, পাশ্চাত্য চিন্তা জগততো উপনিষদৰ প্ৰভাৱ যথেষ্ট।

প্ৰায় দুশতকৈও অধিক উপনিষদ আছে যদিও মাত্ৰ দহ (১০) খনহে কৰ্তৃত্বশীলৰূপে প্ৰাচীন আৰু পৰম্পৰাক্ৰমে স্বীকৃত হৈছে। সেই মুখ্য দহখন উপনিষদক *'মুক্তিকোপনিষদ'*ত এনেদৰে দিয়া আছে—

"ঈশা-কেন-কঠ-প্ৰশ্ন-মুণ্ডক-মাণ্ডুক্য তৈত্তিৰীয়
ঐতৰেয়ম্ চ ছান্দোগ্যম্ বৃহদাৰণ্যকামেবচ।।"

ব্ৰহ্মজ্ঞানাত্মক শাস্ত্ৰই উপনিষদ। উপ-নি-যদ্ ধাতুৰ যোগত ক্বিপ্ প্ৰত্যয় যোগ হৈ উপনিষদ শব্দ নিষ্পন্ন হৈছে। পূজ্যপাদ অদ্বৈতবেদান্তিন শ্ৰীমৎ শঙ্কৰাচাৰ্য্যই *'কঠোপনিষদ'*ৰ ভাষ্যভূমিকাত উপনিষদ শব্দটো এনেদৰে ব্যাখ্যা কৰিছে—সদ্ ধাতুৰ অৰ্থ জীৰ্ণ কৰা, বিনাশ কৰা আৰু গমন। নি মানে নিশ্চয় বচন। যি বিদ্যাই অবিদ্যা বা অজ্ঞানতা নাশ কৰি মুমুক্ষু জীৱক পৰম ব্ৰহ্মৰ কাষলৈ লৈ যায় সেই পৰমব্ৰহ্ম প্ৰাপক সাধনৰূপ পৰা বিদ্যাকেই উপনিষদ বোলে। অৰ্থাৎ উপনিষদ হ'ল ব্ৰহ্মপ্ৰাপক পৰা বিদ্যা। ব্ৰহ্মবিদ্যা, আত্মতত্ত্ব, সৃষ্টিৰহস্য, পৰলোক তত্ত্ব, কাৰ্য্য-কাৰণবাদ জীৱ-ব্ৰহ্মৰ ঐক্য প্ৰভৃতি যিবিলাক গভীৰ তত্ত্বৰ আলোচনা উপনিষদত পোৱা যায়, তেনে আলোচনা আন ক'তো পোৱা নাযায়। সেয়েহে জীৱনৰ অন্তিম কালত দুঃসহ ব্যধিগ্ৰস্ত অৱস্থাত উপনিষদৰ গভীৰ তত্ত্ব, পৰমৰস আস্বাদন কৰি বিশ্ববিশ্ৰুত জাৰ্মান দাৰ্শনিক চোপেনহাৱে উপনিষদ সম্বন্ধে এই অমৰ উক্তি কৰি থৈ গৈছে— "Upanisad has been the solace of my life, it will be the solace of my death"[১]। আমাৰ প্ৰবন্ধৰ আলোচনাৰ বিষয় হৈছে কঠোপনিষদৰ পৰমতত্ত্ব।

*'কঠোপনিষদ'*মুখ্য দহখন উপনিষদৰ ভিতৰত অন্যতম। এইখন উপনিষদ কৃষ্ণযজুৰ্বেদ সংহিতাৰ কথাস্কুলভাগৰ ভিতৰত পৰে। *'কৃষ্ণযজুৰ্বেদ'*ত কঠ বা কাঠক নামে এজন ব্ৰাহ্মণ আছে। এই উপনিষদ তাৰেই অন্তৰ্গত বাবে ইয়াৰ নাম *কঠ উপনিষদ* বা *'কঠোপনিষদ'*। পৰম সত্যৰ গভীৰ সত্যতা বিৱৰণাত্মক ৰূপে প্ৰদৰ্শন কৰা হেতুকে উপনিষদবোৰৰ ভিতৰত *'কঠোপনিষদ'* সৰ্বপেক্ষা মুখ্য বা প্ৰসিদ্ধ। ইয়াৰ ভাষা বৰ মধুৰ আৰু প্ৰাঞ্জল। তত্ত্বগধুৰ কথাকো কাব্যত্ব দান কৰিব পৰাৰ উৎকৃষ্ট নিদৰ্শন *'কঠোপনিষদ'*। কাব্যত্বৰ মধুময় ছটিয়নিত *কঠোপনিষদ'*ৰ কিছুমান শ্লোক পৰস্পৰ শুনিয়ে কণ্ঠস্থ হয়। নচিকেতাৰ উপাখ্যানটোও তেনেকুৱা সৰ্বজনবিদিত।

উপনিষদখন আৰম্ভ হৈছে নচিকেতা নামৰ এক অদ্ভুত কুমাৰৰ কাহিনীৰে। পূৰ্বজন্মৰ সাধনাৰ ফলত বা পিতাক ৰাজশ্ৰৱসৰ যজ্ঞাদি সৎকৰ্মৰ সুপ্ৰভাৱৰ ফলতে হওঁক শ্ৰদ্ধা বা আস্তিক্য বুদ্ধি নচিকেতাৰ হৃদয়ত জাগ্ৰত হৈছিল। কাহিনীটো এনেকুৱা ৰাজশ্ৰৱস নামৰ ঋষিয়ে বিশ্বজিৎ বা সৰ্বদানী যজ্ঞ নামে এক ডাঙৰ যজ্ঞ কৰিছিল। সেই যজ্ঞ নিয়ম মতে কৰিব পাৰিলে স্বৰ্গলাভ নিশ্চিত। ঋষিয়ে যজ্ঞত নিজ ধনসম্পত্তি সকলো দান দিবলৈ

সংকল্প কৰিছিল। যজ্ঞৰ শেষৰ অনুষ্ঠান দক্ষিণাপৰ্ব। সৰ্বস্ব দান কৰাৰ পাছত যিবোৰ গাইগৰু দক্ষিণা দিবলৈ অনা হ'ল সেইবোৰ দেখিহে বিবেকবান ঋষিপুত্ৰ নচিকেতাৰ মনত শাস্ত্ৰবিধিৰ প্ৰতি শ্ৰদ্ধাৰ উদ্ৰেক হ'ল।

যিবোৰ গাইগৰুৱে জনমটো লৈ পানী পি ল'লে, ঘাঁহখাই ল'লে, যাৰ গাখীৰ দিয়া দিন উকলিল, প্ৰজনন ক্ষমতা লোপ পালে সেই নিশকতীয়া গাই দান কৰি যজ্ঞকৰ্তা আনন্দহীন যি লোক যি আছে, তালৈ যায়।[২] শাস্ত্ৰানুসাৰে পেলনীয়া বা নকল বস্তু দান কৰিলে যজমানৰ দুঃখময় গতি হয়। গতিকে নচিকেতাৰ শাস্ত্ৰৰ এই বচন মনলৈ অহাত পিতাকৰো তেনে দশা হ'ব বুলি ভাবি তাৰ পৰা উদ্ধাৰৰ উপায় বিচাৰিলে। তেওঁ ভাবিলে পিতৃ সম্পত্তিৰ ভিতৰত ময়ো এক সম্পত্তি, মোক দান দিলে অবস্তু দানৰ যি দোষ সেয়া খণ্ডন হ'ব। গতিকে পিতাকৰ ওচৰলৈ গৈ ক'লে—'কস্মৈ মাং দাস্যামি?'[৩] অৰ্থাৎ মোক কাক দান কৰিবা? প্ৰথমতে পিতাকে সৰু ল'ৰাৰ প্ৰশ্ন বুলি একো মতা নাছিল যদিও বাৰে বাৰে সেই একে কথাকেই শুনি ঋষি ৰাজশ্ৰৱসে খঙৰ ভমকতে কৈ পেলালে— 'মৃত্যুৱে ত্বা দদামি'[৪]। অৰ্থাৎ তোক যমলৈ দিম। খঙৰ ভমকত ওলোৱা এযাৰি অমঙ্গলীয়া কথাই ঋষি তথা নচিকেতাৰ জীৱনলৈ পৰিৱৰ্তন সাধিলে। ৰাজশ্ৰৱস যজ্ঞত দীক্ষিত যজমান। গতিকে মুখৰ পৰা ওলোৱা কথা মানিবই লাগিব। ঋষি অনুতপ্ত হ'ল। কিন্তু নচিকেতাই ক'লে— পিতা, দুখ কৰিব নালাগে। সাধুলোকে কেতিয়াও সত্যৰ পৰা বিচলিত নহয়। মানুহ মৰণশীল। এই অনিত্য সংসাৰত সত্য পালন নকৰি নিজৰ অপকাৰ কৰিব নালাগে। এতেকে মই যমৰ ঘৰলৈ যাওঁ, তোমাৰো মুখৰ বাক্যাৰূপ সত্য ৰক্ষা পৰক। এইবুলি কৈ নচিকেতা সত্য ৰক্ষাৰ্থে যমগৃহলৈ গ'ল।

যমগৃহলৈ গৈ নচিকেতা তিনিৰাতি যমৰ কাৰণে অপেক্ষা কৰিব লগা হ'ল। কাৰণ সেই সময়ত যম ঘৰত নাছিল। যম প্ৰবাসৰ পৰা উভতি আহি বিনিদ্ৰ তথা অভুক্ত অতিথিৰ তিনিৰাতি বাসৰ কথা শুনি মৰ্মাহত হ'ল। অতিথিক অভুক্ত ৰাখি ভোজন কৰাৰ অপৰাধ স্খালন কৰিবলৈ যমে নচিকেতাক পাদ্যঅৰ্ঘ্য দি সন্তুষ্ট কৰাৰ উপৰিও তিনিৰাতিৰ বাবে তিনিটা বৰ দিবলৈ ইচ্ছা কৰিলে।

নচিকেতাই প্ৰথমটো বৰ পিতাকৰ মনৰ শান্তি আৰু তেওঁৰ নিজৰ শান্তিৰ বাবে ল'লে। দ্বিতীয়টো বৰেৰে অগ্নিবিদ্যাৰ প্ৰাৰ্থনা— যি বিদ্যা স্বৰ্গপ্ৰাপ্তিৰ উপায়। যমেও তথাস্তু বুলি ক'লে। তৃতীয়টো বৰ লোৱাৰ সময়তহে যমৰ হাহাকাৰ লাগিল। কিয়নো তৃতীয় বৰেৰে নচিকেতাই মৃত্যুৰ গূঢ় ৰহস্য সম্পৰ্কে জানিব বিচাৰিলে। যমে বাৰম্বাৰ বুজাইয়ো নচিকেতাক এই প্ৰশ্নৰ পৰা সমূলি লৰাব নোৱাৰিলে আৰু অৱশেষত বাধ্য হৈ মৃত্যুৰ গূঢ়াৰ্থ অৰ্থাৎ পৰম পুৰুষাৰ্থ মুক্তিতত্ত্বৰ বিষয়ে কয়।

এইখিনি হ'ল *কঠোপনিষদ*ৰ নচিকেতাৰ চমু উপাখ্যান। ইয়াত উপাখ্যানৰ ছলেৰে ঋষিয়ে দুটা মহৎ প্ৰয়োজনীয় গুণৰ ইঙ্গিত দিছে। প্ৰথম কথা শ্ৰদ্ধা। গুৰু উপদেশৰ প্ৰতি শ্ৰদ্ধা থাকিলেহে সিদ্ধ গুৰুৰ উপদেশ ফলদায়ক হয়। সেয়েহে উপনিষদৰ প্ৰাথমিক শিক্ষাই হৈছে 'শ্ৰদ্ধ্যস্ব'। নচিকেতাৰ হৃদয়ত শ্ৰদ্ধা আছিল। সেই কাৰণে যমৰ নিচিনা এজন প্ৰবক্তাৰ পৰা গূঢ়বিদ্যা গ্ৰহণ কৰাৰ সামৰ্থ্য হৈছিল।

দ্বিতীয় মহৎ গুণ হ'ল সত্যপালন। খঙৰ ভমকত মুখৰপৰা ওলোৱা পিতৃসত্য পালন কৰিবলৈ নচিকেতা বদ্ধপৰিকৰ আৰু পিতাকেও অনুমতি দিবলৈ বাধ্য হ'ল। উপনিষদৰ ঋষিয়ে পাকে প্ৰকাৰে বুজালে যে ব্ৰহ্মজিজ্ঞাসু সত্যত প্ৰতিষ্ঠিত হ'ব লাগিব। সৰ্বোপৰি লাগতিয়াল গুণ হ'ল বৈৰাগ্য- ইহামুত্ৰফল ভোগ বিৰাগ- ইহলৌকিক আৰু পাৰলৌকিক ভোগৰ প্ৰতি আসক্তিহীনতা। নচিকেতাৰ এই সকলোবোৰ গুণে আছিল, নহলে এযাৰ কথাতেই সকলো এৰি মৃত্যুৰাজ্য নাপালেহেঁতেন।

*কঠোপনিষদ*ত দুটা অধ্যায় আছে আৰু একোটা অধ্যায়ত তিনিটাকৈ উপবিভাগ আছে। এই উপবিভাগবোৰক বল্লী বোলা হয়। সেয়েহে ইয়াৰ আন এটা নাম কাঠবল্লী উপনিষদ। প্ৰথম অধ্যায়ৰ তিনিটা বল্লীত নচিকেতাৰ উপাখ্যান আৰু তাৰ আলমত যমে দিয়া তত্ত্বোপদেশ আছে। দ্বিতীয় অধ্যায়ত যমৰ শিক্ষাবোৰৰ জৰিয়তে বেদান্ত দৰ্শনৰ শ্ৰেষ্ঠতম তত্ত্ববোৰক সামৰিছে। ব্ৰহ্ম আৰু জীৱৰ স্বৰূপ, ব্ৰহ্মক উপলব্ধি কৰাৰ উপায় আৰু জীৱনমুক্তিৰ স্বৰূপৰ বিষয়ে আমাক এটা সম্যক জ্ঞান দিয়ে। নচিকেতাক এজন সত্যান্বেষণকাৰী ৰূপে আৰু মৃত্যু ঈশ্বৰক ব্ৰহ্মবিদ্যা গুৰুৰূপে ৰাখি বেদান্ত দৰ্শনৰ তত্ত্ব

আৰু যোগচৰ্চাবোৰ উপনিষদে প্ৰকাশ কৰে।

আন উপনিষদৰ নিচিনা *কঠোপনিষদে*ও আত্মতত্ত্ব সম্বন্ধেই আলোচনা কৰিছে। ইয়াৰ ভিতৰত পৰলোক, জন্মান্তৰ ইত্যাদি আলোচিত হ'লেও মুখ্যতঃ এই জীৱনতেই কেনেদৰে অমৰত্ব বা জীৱন্মুক্তি লাভ কৰা যায় তাৰ ওপৰতেই সৰ্বাধিক গুৰুত্ব দিয়া হৈছে। যিদৰে *ছান্দোগ্য উপনিষদত* শ্বেতকেতুক পিতাকে 'তত্ত্বমসি'ৰ উপদেশ দিছিল।

নচিকেতাই লোৱা প্ৰথম বৰটোৰ তাৎপৰ্য হ'ল নচিকেতাই জানে পিতাকৰ মনত পুত্ৰ হেৰোৱা অশান্তি আছে আৰু পিতাকৰ মনৰ অশান্তিৰ কথা ভাবিলে তেওঁৰ মনৰ শান্তিৰো ব্যাঘ্যাট জন্মিব। নচিকেতা ব্ৰহ্মজিজ্ঞাসু, ব্ৰহ্মজিজ্ঞাসু শান্ত আৰু নিৰুদ্বেগ হ'ব লাগে। পিতাকৰ দুখৰ কথা ভাবি নিজৰ অশান্তিৰ চঞ্চলতা গুচাই লোৱাটোৱেই প্ৰথম বৰৰ উদ্দেশ্য।

দ্বিতীয় বৰেৰে নচিকেতাই ব্ৰহ্মজিজ্ঞাসুৰ পদুলিমুখত সোমায়। নচিকেতাই দ্বিতীয় বৰৰূপে যি অগ্নিবিদ্যাৰ প্ৰাৰ্থনা কৰিছে সেয়া হ'ল অগ্নিক অৱলম্বন কৰি কৰা এক প্ৰকাৰ উপাসনা— স্বৰ্গপ্ৰাপ্তিৰ এক সাধন। সেই বিদ্যাৰ প্ৰধান বক্তা যমৰাজ নিজেই। উপনিষদুক্ত বিদ্যা শিকিবলৈকে প্ৰথম আহিলা বা গুণ লাগে শ্ৰদ্ধা। শ্ৰদ্ধাৰে যে নচিকেতা অগ্নিবিদ্যাৰ অধিকাৰী তাক বুজাবলৈ 'শ্ৰদ্দধানায় মহ্যম্' কথাষাৰ লগাই দিছে। আত্মশ্লাঘাৰ লেশমাত্ৰই ইয়াত নাই।

প্ৰথম, দ্বিতীয় বৰ আত্যন্তিক মুক্তিৰ হেতু নহয়, সেয়া প্ৰবৃত্তিমূলক। ব্ৰহ্ম আৰু আত্মাৰ একত্ব জ্ঞানহে আত্যন্তিক মুক্তিৰ হেতু। আত্মজ্ঞান হলেহে ব্ৰহ্মজ্ঞান সম্ভৱ। গতিকে যমৰ পৰা নচিকেতাই ৰহস্যবাদী মৃত্যুৰ ৰহস্য সম্বন্ধে তৃতীয় বৰৰ দ্বাৰা জানিব বিচাৰিছে। এজন মানুহৰ মৃত্যুৰ পিচত পৰম অমৰত্ব সত্ত্বাৰূপে থাকিব পাৰেনে? এজন মানুহৰ মৃত্যু কেৱল মানুহৰ মন, বুদ্ধি, অহংকাৰৰ পৰা স্থূল শাৰীৰিক দেহৰ পৃথকীকৰণ, য'ত স্থূল ভৌতিক দেহৰ অৱগমন ঘটে আৰু অহংকাৰ, মন বুদ্ধি অৰ্থাৎ আত্মপৰিভ্ৰমণ কৰে বা জন্মান্তৰ ঘটে। কিন্তু নিৰ্বাণৰ পিচৰ স্তৰ বা অৱস্থা কি সেয়া মৃত্যু ঈশ্বৰৰ পৰা জানিব বিচাৰিছে। এয়া ভগৱদ্‌গীতাৰ দ্বিতীয় অধ্যায়ৰ শ্ৰীকৃষ্ণৰ বাণী ব্ৰাহ্মীস্থিতিৰ উপলব্ধিৰ নিচিনা— "This is the realisation of the state of Brahmisthiti"। শেষ মুহূৰ্তত এই স্তৰ প্ৰতিষ্ঠা কৰি এজন সাধকে ব্ৰহ্ম নিৰ্বাণ লাভ কৰে।

কঠোপনিষদত পোৱা অগ্নিবিদ্যা সগুণ উপাসনা। সকলো উপনিষদত নিৰ্গুণ ব্ৰহ্মবিদ্যাৰ স্বৰূপ আভাস দিয়াৰ আগতে সগুণ উপাসনাৰ কথা আলোচনা কৰা হয়। কাৰণ সগুণ ব্ৰহ্মৰ জ্ঞান লাভ হলেহে নিৰ্গুণ ব্ৰহ্মবিদ্যা লাভ হয়। সগুণ উপাসনা অগ্নিৰ চয়ন কৰি লগতে বেদধ্যায়ন, যজ্ঞ, দান এই তিনি কাম সমাধান কৰি ব্ৰহ্মযজ্ঞ অৰ্থাৎ হিৰণ্য গৰ্ভসম্ভুত জ্ঞানাদি সম্পন্ন হৈ আত্মৰূপ উপলব্ধি কৰিব। কাৰণ আত্মজ্ঞান লাভ হলেহে সাধক পৰমাত্মাৰ অমৃতত্বৰ দুৱাৰত উপস্থিত হয়। কিন্তু দেহেন্দ্ৰিয় ব্যতিৰিক্ত আত্মাক কেনেকৈ জানিব পাৰি? *কেনোপনিষদ*ৰ দ্বিতীয় খণ্ডৰ চতুৰ্থ শ্লোকত কোৱা আছে— "প্ৰতিবোধাৱিদিতং মতম্" —অৰ্থাৎ প্ৰতিটো বুদ্ধি প্ৰত্যয়ৰ যোগে আত্মাৰ সম্যক দৰ্শন হয়। আত্মাৰ বোধ হ'লেহে অমৃতত্ত্বৰ দুৱাৰ মুকলি হয়। 'অমৃতত্ত্বংহি ৱিন্দতে'। আত্মজ্ঞানৰ যি সামৰ্থ বা বল দৃঢ়তা বা ভয়হীনতা আহে তাৰপৰাই পৰমাত্মজ্ঞানৰ সম্ভৱ হয়। স্বীয় আত্মাৰ জ্ঞান প্ৰথমতে হ'লে যি আধ্যাত্মিক শক্তি জন্মে তাৰ ফলত ক্ৰমাৎ পৰমাত্ম জ্ঞান হয়। এই পৰমাত্ম জ্ঞান অনুভৱাত্মক হলেই মুক্তিৰ উচ্চতম সোপানত ভৰি দিয়ে। সেয়েহে নচিকেতাই পোনে পোনে ব্ৰহ্মবিদ্যা মোক শিকোৱা বুলি নকৈ মনুষ্যাত্মাৰ কথাহে সুধিছে। নচিকেতাই জানে আত্মতত্বৰ পৰাই ব্ৰহ্মবিদ্যাৰ ওচৰ পাব পাৰি। আত্মতত্ব মোক্ষ সাধনৰ উপযোগী।

নচিকেতাই আত্মতত্বৰ কথা সুধিলেও যমে আৰম্ভ কৰিলে ওঁঙ্কাৰৰ মহিমা কীৰ্ত্তনেৰে। ওঁঙ্কাৰ ব্ৰহ্মৰ বাচক আৰু প্ৰতীক। ওঁঙ্কাৰতকৈ শ্ৰেষ্ঠ অৱলম্বন একো নাই— "এতদেৱালম্বনং শ্ৰেষ্ঠম্, এতদেৱালম্বনং পৰম।" এই অবলম্বন অপৰ ব্ৰহ্ম, হিৰণ্যগৰ্ভ আৰু অক্ষৰ পৰমব্ৰহ্ম দুয়োটাৰ ক্ষেত্ৰতে প্ৰযোজ্য। ওঁঙ্কাৰ সোপাধিক কাৰ্য্যব্ৰহ্ম আৰু নিৰূপাধিক নিৰ্বিশেষ উভয়াত্মক ব্ৰহ্ম। ওঁঙ্কাৰ অৱলম্বনত পৰব্ৰহ্মৰ ধ্যান কৰিলে সাধকৰ পৰমব্ৰহ্মজ্ঞান হয়, অপৰ ব্ৰহ্মৰ ঈশ্বৰ বা হিৰণ্যগৰ্ভ প্ৰাপ্ত হয়। ব্ৰহ্মবিদ্যা সাধনৰ বাবে ওঁঙ্কাৰ পৰম উপকাৰী। সেয়েহে যমৰাজে ব্ৰহ্মবিদ্যা বেকত কৰিবলৈ যাওঁতে নচিকেতাক প্ৰথমতে

ওঁঙ্কাৰ মন্ত্ৰত দীক্ষিত কৰি লয়। *কঠোপনিষদত* আত্মাৰ স্বৰূপ সম্বন্ধে এনেদৰে পোৱা যায়— "আত্মাৰ কেতিয়াও জন্ম নহয় বা নমৰে। এইটো নহয় যে ই আগতে নাছিল আৰু ইয়াৰ আৱিৰ্ভাৱ হৈছে। এই আত্মা জন্মৰহিত, নিত্য, অবিকাৰী, চিৰবিৰাজমান। শৰীৰ নিহত হ'লেও আত্মা নমৰে।"[৫] এই ক্ষেত্ৰত কঠোপনিষদৰ বিষয়বস্তুৰ লগত ভগৱদ্গীতাৰ বহুত সাদৃশ্য আছে। উভয়তে প্ৰায় একে শব্দ আৰু প্ৰকাশবোৰত উৎকৃষ্ট দৰ্শন পোৱা যায়। আনকি গীতাৰ বাবে প্ৰেৰণাৰ মুখ্য উৎস হ'ল *কঠোপনিষদ*। *কঠোপনিষদেই* একমাত্ৰ উপনিষদ, যাৰ গীতাৰ নিচিনা সাৰ্বিক ৰূপে আবেদন আছে। কঠোপনিষদত আত্মা সম্পৰ্কে আৰু কৈছে যে আত্মা সূক্ষ্মৰো সূক্ষ্ম, বিশালতকৈও বিশাল এই মহান আত্মা প্ৰাণীসকলৰ হৃদয় গুহাত নিহিত আছে। কামনা ৰহিত পুৰুষে ধাতু অৰ্থাৎ মনকে ধৰি ইন্দ্ৰিয়বিলাক বিশুদ্ধ হলে, চিত্ত নৈৰ্মল্য সাধিত হলে, সেই আত্মাৰ অজত্ব, নিত্যত্ব, স্বাশ্বতত্ব আদি মহিমা উপলব্ধি কৰে। প্ৰাণীসমূহৰ শৰীৰত অশৰীৰীৰূপে থাকে, অনিত্যবস্তুৰ মাজত নিত্যৰূপে বিৰাজমান। মহান সৰ্বব্যাপী আত্মাক জানি, উপলব্ধি কৰি ধীৰ বা আত্মবিদ্ লোকে শোক নকৰে। অৰ্থাৎ মুক্তি পায়। আত্মবিদ্সকলৰ 'অয়মাত্মা ব্ৰহ্ম' এই সাক্ষাৎ জ্ঞানৰ উদয় হয়। 'হৃদয়ত থকা আত্মাই পৰমাত্মা' এই বোধেই আত্মাৰ মহিমা। আত্মাৰ অস্তিত্ববোধ হয় শ্ৰৱণ, মনন আৰু নিদিধ্যাসনৰ যোগেদি। আত্মা বুলি মুখ্যতঃ প্ৰত্যগাত্মা অৰ্থাৎ অন্তৰাত্মা বা জীৱকে বুজায় আৰু এই প্ৰত্যাগাত্মাই পৰমাত্মা আৰু সেয়া জ্ঞানৰ উপলব্ধি বা সাক্ষাৎকাৰ। শ্ৰৱণ, মনন আৰু গভীৰ অভিধ্যানৰ দ্বাৰা আত্মাক নিৰ্ণয় কৰিব পাৰিলে অবিদ্যাৰূপ মৃত্যুৰ হাত সাৰিব পাৰি। অবিদ্যা আঁতৰ হলেই আত্মা স্ব-স্বৰূপে উপলব্ধি হয়। আত্মাৰ এই সৰ্বস্ব উপলব্ধি হলেই বিষ্ণুপদ বা পৰমধাম লাভ কৰিব পাৰি।

*কঠোপনিষদত* নচিকেতাৰ দৃষ্টান্তৰেই ব্ৰহ্মবিদ্যাৰ উৎকৃষ্টতা নিৰূপণ কৰিছে। অকল নচিকেতাই নহয়, আনেও এনেভাবে বিৰাজ আৰু ৰিমৃত্যু হৈ ব্ৰহ্মলাভ কৰিব পাৰে যদিহে আত্মাক সাক্ষাৎৰূপে, নিৰূপাধিক স্বৰূপে উপলব্ধি কৰে।■■

**সহায়ক গ্ৰন্থ ঃ**


১। উপনিষদ সংগ্ৰহ ঃ গ্ৰন্থিক সংস্কৰণ

২। উপনিষদ অষ্টক ঃ পণ্ডিত তীৰ্থনাথ শৰ্মা।

৩। কঠোপনিষদ বা
ৰহস্যবাদী মৃত্যুৰ ৰহস্য
মূল ঃ দেৱী বসন্তানন্দ আৰু এন. ৰামচন্দ্ৰণ
অনুঃ সতীশ চন্দ্ৰ দাস।

৪। কঠোপনিষদ ঃ শ্ৰীপণ্ডিত কীৰ্তানন্দঝা ন্যায়-বেদান্তচাৰ্য, চৌখম্বা কৃষ্ণদাস একাডেমী, বাৰানসী।


**পাদটকা ঃ**

১। বেদৰ পৰিচয়— ড০ যোগীৰাজ বসু, অসম প্ৰকাশন পৰিষদ, পৃঃ ১৬, ২০০৪

২। কঠোপনিষদ- ১/১/৩

৩। প্ৰাগুক্ত গ্ৰন্থ

৫। প্ৰাগুক্ত গ্ৰন্থ ১/২/১৮

৬। প্ৰাগুক্ত গ্ৰন্থ, ১/২/১২০, ২২


**লেখিকা প্ৰাগ্জ্যোতিষ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ সহকাৰী অধ্যাপিকা।**

# কৃষ্ণভক্তিধাৰা আৰু মধ্যযুগীয় ভক্তি সাহিত্যত তাৰ অভিব্যক্তি

ড° প্ৰফুল্ল কুমাৰ নাথ

মধ্যযুগীয় ভক্তি আন্দোলনৰ সগুণ ভক্তিধাৰাত ভক্তসকলৰ আৰাধ্য দেৱতাৰ ভিতৰত ভগৱান শ্ৰীকৃষ্ণই এক বিশিষ্ট স্থান লাভ কৰিছে। ভাৰতীয় সাহিত্যত বিশেষকৈ পুৰাণসমূহত সগুণ ব্ৰহ্ম হিচাবে কৃষ্ণৰ সৰ্বাধিক বৰ্ণনা পোৱা যায়।

বৈদিক ঋষিসকলৰ ভিতৰত ঋগ্বেদৰ অষ্টম তথা দশম মণ্ডলৰ কেইটামান সূক্তৰ ৰচয়িতা হিচাবে ঋষি কৃষ্ণৰ নাম পোৱা যায়। তেওঁ অষ্টম মণ্ডলৰ ৮৫ নং আৰু দশম মণ্ডলৰ ৪২, ৪৩ আৰু ৪৪ নং সূক্তৰ দ্ৰষ্টা। একেখন বেদৰে প্ৰথম মণ্ডলতো কৃষ্ণৰ উল্লেখ আছে। সেইদৰে *কৌশিতকী ব্ৰাহ্মণত* আঙ্গিৰস ঋষিৰ শিষ্য শ্ৰীকৃষ্ণৰ বৰ্ণনা পোৱা যায়— “কৃষ্ণহতদাঙ্গিৰসৌ ব্ৰাহ্মণান্ ছন্দসীয়ং তৃতীয়াং সবনং দদৰ্শ।”

*ছান্দোগ্য উপনিষদতো* আঙ্গিৰসৰ শিষ্য কৃষ্ণৰ উল্লেখ পোৱা যায়।[১] উপনিষদকাৰে ইয়াত কৃষ্ণক দৈৱকীৰ পুত্ৰ বুলিছে। মহাভাৰততো কৃষ্ণক দৈৱকীপুত্ৰ আৰু আঙ্গিৰসৰ শিষ্যৰূপে দেখুওৱা হৈছে যদিও বৈদিক সাহিত্যত উল্লেখিত এই কৃষ্ণৰ সৈতে মহাভাৰতীয় সাহিত্যৰ কৃষ্ণৰ সম্বন্ধ স্থাপনত কিছু অসুবিধা আছে। ভাণ্ডৰকাৰ আদি পণ্ডিতসকলে এই সম্পৰ্কত স্পষ্ট কৰি দিয়ে যে বৈদিক কৃষ্ণৰ সৈতে মহাভাৰতীয় কৃষ্ণৰ কেনো সম্পৰ্ক নাই। লোকমান্য তিলকৰ মতো তাৰ অনুৰূপ।

মানৱৰূপেই *মহাভাৰতত* বৰ্ণিত কৃষ্ণৰ প্ৰাৰম্ভিক ৰূপ। বৃষ্ণি বংশসম্ভূত বাবে তেওঁ বাৰ্ষ্ণেয় ৰূপেও পৰিচিত। মহাভাৰতৰ বিভিন্ন ঠাইত এই নামৰ পুনৰাবৃত্তি লক্ষ্য কৰা যায়।[২] *মৎস্যপুৰাণতো* বৃষ্ণিবংশৰ কৃষ্ণ আৰু বলোৰামে বসুদেৱৰ পুত্ৰৰূপে জন্ম গ্ৰহণ কৰা বুলি উল্লেখ কৰিছে।[৩] *মহাভাৰতত* কৃষ্ণ যদুবংশীয়, ক্ষত্ৰিয়। গ্ৰীয়াৰ্চনৰ মতেও *ছান্দোগ্য উপনিষদৰ* দৈৱকীপুত্ৰ শ্ৰীকৃষ্ণ আৰু বসুদেৱৰ পুত্ৰ কৃষ্ণ-বাসুদেৱ অভিন্ন।[৪] পৰৱৰ্তী কালত কৃষ্ণই বিষ্ণু-নাৰায়ণ, পৰমব্ৰহ্ম আদি ৰূপত প্ৰতিষ্ঠা লাভ কৰিছে।

*শ্ৰীমদ্ভগৱদ্গীতাৰ* আধাৰত কৃষ্ণ চৰিত্ৰৰ বিশ্লেষণ কৰিলে দেখা যায় যে তেওঁ এক দাৰ্শনিক ব্যক্তিত্বৰ অধিকাৰী আছিল আৰু বেদ-বেদান্তৰ জ্ঞাতাৰূপে তেওঁ আছিল পৰম দেৱত্বৰ পৰিচায়ক। *মহাভাৰত* আৰু *গীতাৰ* পাছতেই পুৰাণসমূহত কৃষ্ণ চৰিত্ৰৰ বিকাশৰ এক বিশেষ ধাৰা পৰিলক্ষিত হয়। বিশিষ্ট গৱেষক হেমচন্দ্ৰ ৰায়চৌধুৰীয়ে কৃষ্ণক ঐতিহাসিক ব্যক্তিৰূপে স্বীকাৰ কৰিছে আৰু মত প্ৰকাশ কৰিছে যে উপনিষদৰ দৈৱকীপুত্ৰ কৃষ্ণ *মহাভাৰত* আৰু *পুৰাণৰ* কৃষ্ণ অভিন্ন।[৫]

বাসুদেৱ ধৰ্ম প্ৰসঙ্গত প্ৰাচ্য-পাশ্চাত্যৰ বিভিন্ন পণ্ডিতে বিভিন্ন মত পোষণ কৰা দেখা যায়। পাশ্চাত্য পণ্ডিত গীয়াৰ্চন, কেনেডী আদিয়ে গোপালকৃষ্ণৰ বাললীলাৰ সৈতে যীশুখ্ৰীষ্টৰ বাল্য চৰিত্ৰৰ সাদৃশ্য দেখা পাইছে। কোনো কোনো পণ্ডিতে অনুমান কৰে যে গোপালকৃষ্ণ মূলতঃ শূৰসেন প্ৰদেশৰ বৃষ্ণিবংশী পাশুপালক ক্ষত্ৰিয় সকলৰ কুলদেৱতা। কিন্তু, ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত অৱস্থিত বিভিন্ন শিলালেখ, স্থাপত্য ভাস্কৰ্য আৰু মৃৎ শিল্পৰ পৰা এটা কথা দৃঢ়ভাৱে প্ৰতীয়মান হয় যে গোপালকৃষ্ণৰ লীলাৰ সৈতে বালমূৰ্ত্তিৰ কোনো সম্পৰ্ক নাই।

কোনো কোনো পুৰাণৰ মতে কৃষ্ণ ভগৱানৰ পূৰ্ণ অৱতাৰ। ভাগৱত পুৰাণৰ শ্ৰীকৃষ্ণৰে গুৰুত্ব অধিক। সকলো বেদেই কৃষ্ণৰ আৰাধনা কৰে। সমস্ত সাধনা, তপস্যা আৰু গতিৰ মূল লক্ষ্যত তেঁৱেই। পুৰাণৰ মতে তেওঁ যোগেশ্বৰ, সচ্চিদানন্দ, অবিনাশী। এয়ে *ভাগৱতপুৰাণৰ* মত। ইয়াৰ বাহিৰেও *ভাগৱত পুৰাণ,*

*হৰিবংশ, বিষ্ণুপুৰাণ, পদ্মপুৰাণ, ব্ৰহ্মবৈৱৰ্তপুৰাণ* আদিত শ্ৰীকৃষ্ণৰ মাহাত্ম্যৰ বৰ্ণনা পোৱা যায়। পুৰাণসমূহত শ্ৰীকৃষ্ণৰ দুটি ৰূপৰ উল্লেখ পোৱা যায়— ঐশ্বৰ্যময় আৰু মাধুৰ্যময়। ঐশ্বৰ্যময় ৰূপৰ মাজেদি তেওঁ অসুৰ, ৰাক্ষস আদি দুষ্টক দমন কৰি লোকৰক্ষাৰ ভূমিকা পালন কৰিছে। ঐশ্বৰ্যময় ৰূপ পৰমেশ্বৰৰ দ্যোতক, যি জ্ঞান, শক্তি, বল, ঐশ্বৰ্য, বীৰ্য আৰু তেজ আদি ছয় গুণযুক্ত। মাধুৰ্যময়ৰূপৰ দ্বাৰা লোক-ৰঞ্জনৰ যোগেদি মধুৰ ভাৱনাৰ নানান লীলা সম্পন্ন কৰি ভক্তসকলৰ মনত আনন্দ প্ৰদান কৰিছে।

*মহাভাৰতত* শ্ৰীকৃষ্ণৰ পাৰিবাৰিক দিশৰ বিশেষ উল্লেখ পোৱা নাযায়। আনহাতে, পুৰাণকাৰসকলে কৃষ্ণ চৰিত্ৰৰ বিবিধ দিশৰ ওপৰত আলোকপাত কৰিছে। এইখিনিতেই এটা কথা মন কৰিবলগীয়া যে মধ্যযুগীয় সাহিত্যত ৰাধা চৰিত্ৰৰ যি মহত্ব, তাৰ বৰ্ণনা শ্ৰীকৃষ্ণ বিষয়ক মুখ্যপুৰাণ *ভাগৱতপুৰাণত* নাই। অৱশ্যে *ব্ৰহ্মবৈৱৰ্ত্তপুৰাণ* প্ৰভৃতি অন্যান্য পুৰাণত ৰাধা চৰিত্ৰৰ উল্লেখ পোৱা যায়। *ভাগৱতপুৰাণৰ ৰাসপঞ্চাধ্যায়ত* গোপীসকলৰ সৈতে শ্ৰীকৃষ্ণৰ ৰাসৰ বিস্তৃত বৰ্ণনা থাকিলেও ৰাধাৰ চৰিত্ৰৰ বিশেষ সংকেত পোৱা নাযায়। তথাপিও, মধ্যযুগত বিভিন্ন ভক্ত কবিৰ ৰচনাত ৰাধাই শ্ৰীকৃষ্ণৰ হ্লাদিনী শক্তিৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়। ভাৰতবৰ্ষৰ অন্যান্য প্ৰান্ততকৈ বঙ্গদেশত ৰাধাকৃষ্ণৰ যুগল উপাসনাই অধিক উজ্জ্বল ৰূপত ধৰা দিয়াটো মন কৰিবলগীয়া।

ভাৰতীয় সাহিত্যৰ ভিতৰত শ্ৰীকৃষ্ণলীলাৰ প্ৰথম উল্লেখ পোৱা যায় কবি অশ্বঘোষৰ *বুদ্ধচৰিতত*। হাল বিৰচিত *গাহাসত্তসইত*ʻ কৃষ্ণৰ চৰিত্ৰ অংকিত হৈছে। অৱশ্যে শৃঙ্গাৰ ভাৱৰ মাত্ৰাধিক্যই কাব্যখনিৰ ভক্তিভাৱৰ পৰিপুষ্টিত বাধাৰ সৃষ্টি কৰিছে। খ্ৰীষ্টীয় অষ্টম শতিকাৰ মাজভাগত ৰচিত *গৌড়বহো*ʻ কাব্যত শ্ৰীকৃষ্ণ আৰু ৰাধাৰ শৃঙ্গাৰৰ বৰ্ণনা পোৱা যায়। সংস্কৃত নাট্যকাৰ ভাসৰ *বালচৰিততো* শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ মনোৰম বৰ্ণনা সন্নিবিষ্ট হৈছে।

সংস্কৃত কাব্যশাস্ত্ৰত প্ৰসিদ্ধ গ্ৰন্থ *ধ্বন্যালোকৰ* এটি শ্লোকতো কৃষ্ণৰ উল্লেখ পোৱা যায়। ইয়াৰ বাহিৰেও *নাট্য দৰ্পণ, অলংকাৰ কৌস্তুভ, কন্দৰ্পমঞ্জৰী, কৃষ্ণকৰ্ণামৃত, শ্ৰীশ্ৰীকৃষ্ণলীলামৃত* ইত্যাদি সংস্কৃত গ্ৰন্থত কৃষ্ণ চৰিত্ৰৰ বিবিধ প্ৰসঙ্গৰ উল্লেখ পোৱা যায়। জয়দেৱৰ *'গীতগোবিন্দ'* শ্ৰীকৃষ্ণলীলা সংক্ৰান্ত এখনি শ্ৰেষ্ঠ পুথি। ভাৰতীয় সাহিত্যত দ্বাদশ শতিকাৰ পাছত কৃষ্ণকাব্যৰ প্ৰাচুৰ্য পৰিলক্ষিত হয়। বোপদেৱৰ *হৰিলীলা* আৰু *বেদান্তদেশিকৰ যাদৱাভ্যুদয়* এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য। ইয়াৰ পাছতেই খ্ৰীষ্টীয় ত্ৰয়োদশৰ পৰা পঞ্চদশ শতিকাৰ ভিতৰত ৰচিত কেইখনমান উল্লেযোগ্য কৃষ্ণকাব্য হ'ল *হৰিচৰিত কাব্য, গোপলালা, কংস নিধন মহাকাব্য, ব্ৰজবিহাৰী, গোপালচৰিত, হৰিবিলাস* কাব্য ইত্যাদি। ষষ্ঠ শতিকাত ৰূপগোস্বামী, সনাতন গোস্বামী আৰু জীৱগোস্বামী আদিয়ে কৃষ্ণভক্তিক শাস্ত্ৰীয় ৰূপ প্ৰদানৰ বাবে চেষ্টা কৰে। ৰূপ গোস্বামী বিৰচিত *উজ্জ্বল নীলমণি, হৰিভক্তি ৰসামৃতসিন্ধু* আৰু সনাতন গোস্বামীৰ *ষটসন্দৰ্ভ* আদি কৃষ্ণভক্তি বিষয়ক গ্ৰন্থই কৃষ্ণভক্তি ধাৰাক শাস্ত্ৰীয় দিশৰপৰা উচ্চাসনত প্ৰতিষ্ঠা কৰে। মধ্যযুগীয় কৃষ্ণভক্ত কবিসকল গোস্বামীদ্বয়ৰ ওচৰত বহু পৰিমাণে ঋণী।

মৈথিল-কোকিল বিদ্যাপতিৰ সময়ৰপৰাই আধুনিক ভাৰতীয় ভাষাত কৃষ্ণকাব্যৰ সূচনা হোৱা বুলি সমালোচকসকলে মত প্ৰকাশ কৰিছে। বিদ্যাপতিয়ে ৰাধা-কৃষ্ণ বিষয়ক ভালেমান গীত-পদ ৰচনা কৰিছিল। এই পদাৱলীসমূহ প্ৰায়েই শৃঙ্গাৰ ৰসাত্মক।

প্ৰখৰ কাব্য প্ৰতিভাসম্পন্ন বিদ্যাপতি আছিল মিথিলাৰ কবি। অকল বঙ্গ বা বিহাৰতেই নহয়, সমগ্ৰ হিন্দী প্ৰধান অঞ্চলতেই তেওঁৰ জনপ্ৰিয়তা আছিল অসাধাৰণ। চতুৰ্দশ-পঞ্চদশ শতিকাৰ এগৰাকী শ্ৰেষ্ঠ গীতিকবি বিদ্যাপতিৰ পদাৱলীৰ সৰসতা, কোমলতা আৰু আকৰ্ষণীয় শক্তিত মোহিত হৈ পণ্ডিতসকলে তেওঁক অভিনৱ জয়দেৱ, মৈথিল, কোকিল, নৱকবিশেখৰ ইত্যাদি উপাধিৰে বিভূষিত কৰিছে।

বিদ্যাপতিয়ে একাধাৰে সংস্কৃত, অৱহট্‌ঠ আৰু মৈথিল ভাষাত কাব্য ৰচনা কৰিছিল। অৱশ্যে মৈথিল ভাষাত ৰচিত তেওঁৰ গীতসমূহৰ জনপ্ৰিয়তা সৰ্বাধিক।

বিদ্যাপতিৰ পদাৱলীত ৰাজস্তুতি জ্ঞাপক শব্দ থাকিলেও তেওঁৰ সৰহভাগ পদতেই ভক্তি আৰু শৃঙ্গাৰৰ সমাহাৰ লক্ষ্য কৰা যায়। চৈতন্যদেৱে বিদ্যাপতিৰ অমৰ

পদাৱলীৰ প্ৰতি তীব্ৰ আকৰ্ষণ অনুভৱ কৰিছিল। তেওঁৰ দ্বাৰা ৰচিত ৰাধাকৃষ্ণ বিষয়ক পদাৱলীৰ ওপৰত ভিত্তি কৰি পণ্ডিতসকলে বিদ্যাপতিক 'পৰম বৈষ্ণৱ' আখ্যা দিছে।[৮] কোনো কোনো পণ্ডিতে বিদ্যাপতিৰ পদাৱলীত ৰহস্যবাদৰ চিটিকনি থকা বুলিও মন্তব্য কৰিছে।

আচাৰ্য বল্লভৰ মতে শ্ৰীকৃষ্ণই পূৰ্ণানন্দস্বৰূপ, পূৰ্ণপুৰুযোত্তম, পৰম ব্ৰহ্ম। তেওঁ সৎ চিৎ, আনন্দস্বৰূপ, ব্যাপক, নাশৰহিত, সৰ্বশক্তিমান, স্বতন্ত্ৰ, স্বজাতীয়-বিজাতীয় ভেদৰহিত আৰু অনন্তৰূপা, তেঁৱেই জগতৰ নিমিত্ত কাৰণ। লীলাৰ বাবেই তেওঁ জগতত অৱতাৰ ধাৰণ কৰে।

বল্লভাচাৰ্যই 'শুদ্ধাদ্বৈত' দৰ্শনৰ ভিত্তিত ব্ৰজমণ্ডলত কৃষ্ণভক্তিধাৰাক প্ৰতিষ্ঠিত কৰে। সাধনা আৰু ব্যৱহাৰৰ ক্ষেত্ৰত শুদ্ধাদ্বৈত দৰ্শনৰ সৈতে যি ভক্তিৰ স্থান দিয়া হৈছে, তেওঁলোকে তাৰ আধাৰ 'পুষ্টিমাৰ্গ' বুলিছে। ভগৱানৰ অনুগ্ৰহ বা কৃপাকেই পুষ্টি আৰু এই পুষ্টিৰ ওপৰত আধাৰিত ভক্তি পদ্ধতিয়েই পুষ্টিমাৰ্গ। এই মাৰ্গত ভক্তিৰ বাবে প্ৰেমৰ প্ৰয়োজন। প্ৰেমৰ অবিহনে অবিদ্যাৰ নাশ সম্ভৱ নহয়, ভক্তি এনে অবিদ্যা নাশৰ সহায়ক।

যি ভক্তই নিজকে ভগৱানৰ ওচৰত সম্পূৰ্ণৰূপে এৰি দিয়ে তেঁৱে আচল ভক্ত। গীতাতো শ্ৰীকৃষ্ণই কৈছে— "সৰ্বধৰ্মান্ পৰিত্যাজ্য মামেকং শৰণং ব্ৰজ।"[৯] বল্লভাচাৰ্যই তিনিবিধ সাধনমাৰ্গৰ ভিতৰত পুষ্টিমাৰ্গকেই শ্ৰেষ্ঠমাৰ্গ বুলিছে। পুষ্টিমাৰ্গীয় ভক্তি ৰাগানুগাভক্তি। এই প্ৰকাৰৰ ভক্তিত কোনো ধৰণৰ সাধন নাইবা কৰ্মকাণ্ডৰ প্ৰয়োজন নহয়। এনে ভক্তই ঈশ্বৰৰ কৃপাৰ যোগেদিয়েই প্ৰাৰব্ধ কৰ্মৰপৰা নিবৃত্তি লাভ কৰিব পাৰে।

বল্লভাচাৰ্যৰ দ্বাৰা প্ৰৱৰ্তিত পুষ্টিমাৰ্গীয় ভক্তি সম্প্ৰদায়ক যি কেইজন ভক্তকবিয়ে পৰিপুষ্ট কৰাত সহায় কৰিলে, তেওঁলোকক 'অষ্টছাপ'ৰ কবি আখ্যা দিয়া হয়। এওঁলোক আটায়ে গোস্বামী বিট্‌ঠলনাথৰ আশীৰ্বাদপ্ৰাপ্ত কবি আছিল। এওঁলোক হ'ল— কুম্ভনদাস, সুৰদাস, পৰমানন্দদাস, কৃষ্ণদাস (বল্লভাচাৰ্যৰ শিষ্য), গোৱিন্দস্বামী, নন্দদাস, ছীতস্বামী আৰু চতুৰ্ভুজদাস (বিট্‌ঠলনাথৰ শিষ্য)। অষ্টছাপৰ এই কবিসকলে পুষ্টিমাৰ্গীয় সেৱাবিধৰ সকলোবোৰ নিয়ম মানি চলিছিল। নিম্বাৰ্ক সম্প্ৰদায়ত ৰাধা-কৃষ্ণৰ যুগল উপাসনাৰ বিধান প্ৰচলিত। এনে উপাসনাৰ মূল স্ৰোত হৈছে কৃষ্ণব্ৰহ্ম। এৰেঁই ভক্তৰ প্ৰতি অনুগ্ৰহ প্ৰদৰ্শনৰ বাবে পৃথিৱীত অৱতাৰ ধাৰণ কৰে। কৃষ্ণৰ প্ৰতি থকা একান্ত প্ৰেম ভক্তিয়ে জীৱনৰ কল্যাণ সাধন কৰে। এই সম্প্ৰদায়ৰ বহুতো কবিয়ে ব্ৰজভাষাত কৃষ্ণলীলা বিষয়ক গীত-পদ ৰচনা কৰে।

ৰাধা বল্লভ সম্প্ৰদায়ত ৰাধাইহে মুখ্য ভূমিকা গ্ৰহণ কৰিছে। অৱশ্যে এই বৰ্ণনাত কৃষ্ণৰ অন্তৰ্নিহিত শক্তিৰ স্বকীয়ত্ব পৰিলক্ষিত হয়। বৃন্দাবন বিহাৰী কৃষ্ণই একমাত্ৰ নিত্যবিহাৰী পুৰুষ। ৰাধাই তেওঁৰ পৰা-প্ৰকৃতি, যি চিত-অচিত বিশিষ্ট আহ্লাদিনী, নিজা শক্তিৰূপা। সমগ্ৰ জগত প্ৰপঞ্চই এই যুগল-কিশোৰৰ প্ৰতিবিম্ব। কৃষ্ণই ব্ৰহ্ম বা সৃষ্টিৰ আদি কাৰণ পৰমেশ্বৰ। ঐশ্বৰ্য, জ্ঞান, শক্তি আৰু পৰাক্ৰমৰ অধিকাৰী হৈয়ো তেওঁ প্ৰেম আৰু মাধুৰ্যৰ সাক্ষাৎ মূৰ্তি হৈ গোপ-গোপীৰ সৈতে লীলাৰত। তেওঁ ৰাধাপতি হৈও সৌন্দৰ্যমণ্ডিত ৰূপৰ বিস্তাৰত সহায় কৰে। এই সম্প্ৰদায়ত শ্ৰীকৃষ্ণৰ উপাস্য নাম 'ৰাধা-বল্লভ'।

হৰিদাসী সম্প্ৰদায়ত স্বামী হৰিদাসে নিত্যবিহাৰী শ্ৰীকৃষ্ণৰ নিকুঞ্জলীলাৰ গুণ-গান কৰিছে। এওঁলোকৰ দৃষ্টিত কৃষ্ণ সৃষ্টি প্ৰক্ৰিয়া নাইবা সাংসাৰিক কাৰ্যকলাপৰ সৈতে জড়িত নহয়, অন্য অৱতাৰৰ দৰে দুষ্ট দমনৰ কামতো জড়িত নহয়। সেয়ে 'সহজ শৃঙ্গাৰ ৰসত মত্ত হৈ লীলাপৰায়ণ কৃষ্ণৰ উপাসনা আৰু নিত্য বিহাৰ দৰ্শনেই এই সম্প্ৰদায়ৰ কাম্য।'

গৌড়ীয় বৈষ্ণৱ সম্প্ৰদায়ৰ প্ৰৱৰ্তক চৈতন্যদেৱে শ্ৰীকৃষ্ণক ব্ৰজেন্দ্ৰ কুমাৰ নামেৰে অভিহিত কৰিছে। তেওঁৰ মতে কৃষ্ণই পৰমতত্ব, পূৰ্ণজ্ঞান তথা পূৰ্ণানন্দ স্বৰূপ। শ্ৰীকৃষ্ণৰ অনন্ত শক্তিৰ ভিতৰত ৰাধা হ'ল হ্লাদিনী শক্তি স্বৰূপ। *চৈতন্যচৰিত্ৰামৃত* গ্ৰন্থত উভয়ৰে স্বৰূপ তথা ভক্তিৰ সাৱলীল বৰ্ণনা পোৱা যায়।[১০] এই গ্ৰন্থৰ মূলভাৱ মধুৰ।[১১]

হিন্দী সাহিত্যত কৃষ্ণভক্তি ধাৰাটোকে সৰ্বতোপ্ৰকাৰে প্ৰবাহিত কৰোঁতা কবিসকলৰ ভিতৰত সুৰদাসৰ নামটো শ্ৰদ্ধাৰে উল্লেখ কৰিব লাগিব। হৰিৰায়ৰ লেখনিৰ পৰা জনা যায় যে সুৰদাসে ঘৰৰ পৰা কিছু আঁতৰত সঙ্গীত বিদ্যা চৰ্চা কৰিছিল আৰু ভক্তসকলে একান্তমনে তেওঁৰ গীতত মুগ্ধ হৈ শুনিছিল। সুৰদাসৰ প্ৰথম অৱস্থাৰ

গীতসমূহ দাস্য আৰু বিনয়ভাৱেৰে পৰিপূৰ্ণ যদিও বল্লভাচাৰ্যৰ সান্নিধ্যলৈ অহাৰ পিছৰেপৰা তেওঁ সখ্য, বাৎসল্য আৰু মধুৰ ভাৱৰ গীত ৰচনাত মনোনিৱেশ কৰে।

সুৰদাসৰ নামত কেবাখনো গ্ৰন্থ পোৱা গৈছে। তাৰ ভিতৰতে *সুৰসাগৰ, সুৰসাৱাৱলী, সাহিত্যলহৰী, সুৰ-পঁচিশী, সুৰৰামায়ণ, সুৰসাঠী, ৰাধাৰসকেলি* আদি বিশেষভাৱে উল্লেখযোগ্য। *সুৰ-সাগৰ* আৰু *সাহিত্য লহৰী* তেওঁৰ সাহিত্যিক জীৱনৰ শ্ৰেষ্ঠকীৰ্তিস্তম্ভ।

সুৰদাসৰ কাব্য কৃষ্ণভক্তি প্ৰধান। সুৰসাগৰত ৰাধা-কৃষ্ণৰ অনেক লীলাৰ মনোৰম বৰ্ণনা পোৱা যায়। *ভাগৱতপুৰাণৰ* অনুকৰণত দ্বাদশ স্কন্ধত সমাপ্ত হ'লেও সুৰদাসৰ সুৰসাগৰত কবিৰ মৌলিকতা বিদ্যমান। এইখনি গ্ৰন্থত কবিয়ে ভগৱান শ্ৰীকৃষ্ণৰ শিশু আৰু কৈশোৰৰ বিবিধ লীলাৰ অনুভূতিৰ চিত্ৰ অঙ্কন কৰিছে। তেওঁৰ দৃষ্টি জনগণৰ মনোৰঞ্জনৰ প্ৰতি অধিকভাৱে নিক্ষেপিত হোৱাত কৃষ্ণচৰিত্ৰৰ ভাৱাত্মক দিশৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা দেখা যায়। তেওঁৰ ৰচনাত বাৎসল্য ভাৱে বিশেষ স্থান অধিকাৰ কৰিছে। সুৰদাসৰ কাব্যৰ বাল্যলীলাৰ লগতে মাতৃ আৰু শিশু চৰিত্ৰৰ মনোবৈজ্ঞানিক চিত্ৰ অঙ্কিত হৈছে। সুৰদাসৰ যশোদাই কৃষ্ণক শুৱাবলৈ গীত জুৰিছে— “মেৰে লাল কৌ আউ নিন্দৰিয়” ইত্যাদি।

ভক্তিৰ লগে লগে শৃঙ্গাৰৰ বৰ্ণনাতো কবিয়ে অসাধাৰণ দক্ষতা প্ৰদৰ্শন কৰিছে। প্ৰবাসজনিত বিৰহ প্ৰসঙ্গত ‘ভ্ৰমৰগীত’ সুৰদাসৰ উৎকৃষ্ট নিদৰ্শন। ইয়াত আধ্যাত্মিকতাৰ লগতে কাব্যিকতাও আছে। সুৰকাব্যৰ অন্তৰ্গত *‘গোপী-উদ্ধৱ-সংবাদ’*ৰ বৰ্ণনা অত্যন্ত জীৱন্ত আৰু চিত্ত চমৎকাৰী।

সুৰদাসে পুষ্টিমাৰ্গীয় ভক্তি পদ্ধতিৰ অনুসৰণ কৰিছিল। ভগৱদ্ কৃপা প্ৰাপ্তিৰ বাবে সুৰদাসৰ ভক্তি পদ্ধতিত অনুগ্ৰহৰ প্ৰাধান্য অধিক। ভগৱদ্ অনুগ্ৰহক মুখ্য কৰি কবিয়ে বাৎসল্য প্ৰেমৰ গীত গাইছে।

ভগৱদপ্ৰেমকেই ভক্তিৰ মূল বুলি স্বীকাৰ কৰি কবিৰ প্ৰেমভক্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। নিৰ্গুণ ব্ৰহ্মৰ সাধনা সৰ্বসাধাৰণ লোকৰ বাবে সহজ নহয় বাবে সুৰদাসে সগুণ কৃষ্ণভক্তিৰ পথ প্ৰশস্ত কৰিছে।

বল্লভাচাৰ্যৰ শিষ্য কুম্ভনদাস অতি প্ৰভাৱশালী কবি আৰু সুগায়ক আছিল। তেওঁৰ দ্বাৰা ৰচিত কোনো স্বতন্ত্ৰ গ্ৰন্থ পোৱা নাযায় যদিও ভালেমান পদ *‘ৰাগ কল্পদ্ৰুম’, ৰাগ-ৰত্নাকৰ, বৰ্ষোৎসৱ-কীৰ্ত্তন* আদি সংকলিত হৈছে। তেওঁৰ কাব্যত ব্যৱহৃত ব্ৰজভাষা।

পৰমানন্দ দাসে বল্লভাচাৰ্যৰ শিষ্যত্ব গ্ৰহণ কৰি শ্ৰীকৃষ্ণৰ বাললীলা সম্পৰ্কীয় পদ ৰচনাত মনোনিৱেশ কৰে। পৰমানন্দ সাগৰ তেওঁৰ উল্লেখযোগ্য ৰচনা। ব্ৰজভাষাত ৰচিত তেওঁৰ পদসমূহ প্ৰাঞ্জল, চিত্ৰাত্মক আৰু অলঙ্কাৰপূৰ্ণ।

অষ্টছাপৰ আন এগৰাকী প্ৰসিদ্ধ সাধক হৈছে কৃষ্ণদাস। এওঁ কাব্য, সংগীতৰ অনুৰাগী হোৱাৰ লগতে সুকবিত্বৰ অধিকাৰী আছিল। তেওঁ শিশুলীলা আৰু ৰাধাকৃষ্ণৰ প্ৰেমবিষয়ক ভালেমান গীত ৰচনা কৰিছে।

নন্দদাসো অষ্টছাপৰ কবিসকলৰ ভিতৰত আন এগৰাকী বহুমুখী প্ৰতিভাসম্পন্ন কবি। বিট্‌ঠলনাথৰ সান্নিধ্যলৈ আহি তেওঁ পুষ্টিমাৰ্গত দীক্ষা গ্ৰহণ কৰে। এওঁৰ নামত পোন্ধৰখন গ্ৰন্থ পোৱা যায়। এই গ্ৰন্থসমূহৰ ভিতৰত *‘ৰাস-পঞ্চাধ্যায়ী’* কবিৰ শ্ৰেষ্ঠ সাহিত্যকৰ্ম বুলি ঠাৱৰ কৰিব পাৰি।

গোৱিন্দস্বামী এগৰাকী প্ৰখ্যাত গায়ক, গীতিকাৰ আৰু কবি আছিল। এওঁ বিট্‌ঠলনাথৰ শিষ্যত্ব গ্ৰহণ কৰি পুষ্টিমাৰ্গৰ অন্তৰ্ভুক্ত হয়। এওঁৰ গীতসমূহৰ সৰহভাগেই ৰাধা-কৃষ্ণৰ শৃঙ্গাৰ লীলাবিষয়ক। অৱশ্যে শিশুলীলা বিষয়ক কিছু পদো আছে। কৃষ্ণভক্তিধাৰাৰ সৈতে সম্পৰ্কিত আন এজন প্ৰসিদ্ধ বৈষ্ণৱ সম্প্ৰদায়ৰ কবি হৈছে ‘নিম্বাৰ্ক সম্প্ৰদায়’। এই সম্প্ৰদায়ক বৈষ্ণৱ সম্প্ৰদায়ৰ প্ৰাচীনতম সম্প্ৰদায় বুলি বিশ্বাস কৰা হয়। নিম্বাকাচাৰ্যই নাৰদমুনিৰ পৰা ভক্তিৰ উপদেশ লাভ কৰা বুলি প্ৰসিদ্ধি আছে। অৱশ্যে ভাণ্ডাৰকাৰ আদি পণ্ডিতে এই মত অস্বীকাৰ কৰিছে। নিম্বকাচাৰ্যই গোৱৰ্দ্ধন, বৃন্দাবন আদিত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল।

নিম্বকাচাৰ্যৰ নামত পাঁচখন গ্ৰন্থ পোৱা গৈছে। তাৰ ভিতৰত *বেদান্ত পাৰিজাত সৌৰভ, দশশ্লোকী* আৰু *মন্ত্ৰ ৰহস্য ষোড়ষী* প্ৰধান। তেওঁৰ সিদ্ধান্তক দ্বৈতাদ্বৈতবাদ ৰূপে জনা যায়। বেদান্ত-পাৰিজাত সৌৰভ তেওঁৰ দাৰ্শনিক ভাৱধাৰাৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁৰ মতে জীৱ ব্ৰহ্মৰ অংশ। ঈশ্বৰেই সকলোৰে নিয়ন্তা। জীৱ বদ্ধ

গতিকে জীৱৰ গতি সীমিত। ভক্তিৰ দ্বাৰাহে জীৱই ব্ৰহ্ম বা ঈশ্বৰৰ কৰুণা লাভ কৰিব পাৰে। কৃষ্ণই সগুণ ব্ৰহ্ম। গতিকে তেওঁৰ উপাসনা কৰা উচিত। তেওঁৰ বাহিৰে অন্যত্ৰ জীৱনৰ গতি নাই। এই সম্প্ৰদায়ত ৰাধা-কৃষ্ণৰ যুগল উপাসনা স্বীকৃত হৈছে। নিম্বাৰ্ক সম্প্ৰদায়ত ৰাধাৰ সুকীয়া ৰূপ স্বীকাৰ কৰা হৈছে আৰু 'উজ্জ্বল ভক্তি'কেই শ্ৰেষ্ঠ ভক্তি হিচাবে মানি লোৱা হৈছে।

ভক্তমাল গ্ৰন্থত সুকবি হৰিভক্তি প্ৰচাৰক শ্ৰীভট্টৰ নাম পোৱা যায়। এওঁৰ নামত কেবাখনো গ্ৰন্থ পোৱা গৈছে। তাৰ ভিতৰত 'যুগশতক' বিশেষভাৱে উল্লেখযোগ্য। গ্ৰন্থখনি ব্ৰজভাষাত ৰচিত আৰু প্ৰায় এশটা পদত সম্পূৰ্ণ হৈছে।

ৰাধা-কৃষ্ণৰ প্ৰেমৰ মধুৰ অভিব্যঞ্জনা, সভ্যভাৱ আদিৰ লগতে ৰাধা-কৃষ্ণৰ যুগল লীলাৰ বিবিধ মনোৰম চিত্ৰ গ্ৰন্থখনিৰ মন কৰিবলগীয়া বৈশিষ্ট্য।

হৰিব্যাসদেৱে নিম্বাৰ্ক সম্প্ৰদায়ক নতুন ৰূপত সংগঠিত কৰি পুনঃ প্ৰতিষ্ঠা কৰে। ভক্তমাল গ্ৰন্থত এওঁক শ্ৰীভট্টৰ শিষ্য বোলা হৈছে। হৰিব্যাসদেৱৰ নামত সংস্কৃত ভাষাত চাৰিখন আৰু ব্ৰজভাষাত এখন গ্ৰন্থ পোৱা গৈছে। তেওঁৰ দ্বাৰা ৰচিত 'মহাবাণী' গ্ৰন্থত ৰাধা-কৃষ্ণৰ দাৰ্শনিক ৰূপৰ চিত্ৰ অংকিত হৈছে। গ্ৰন্থখনিত শ্ৰীকৃষ্ণক পৰমব্ৰহ্ম আৰু ৰাধাক তেওঁৰ আহ্লাদিনী শক্তিৰূপত স্বীকাৰ কৰা হৈছে। ৰাধা-কৃষ্ণৰ সৰস লীলাৰ চিত্ৰ গ্ৰন্থখনিত মন কৰিবলগীয়া বৈশিষ্ট্য। ব্ৰজভাষাত ৰচিত কাব্যখনি শব্দবিন্যাস কোমল আৰু সাঙ্গীতিক সুষমাৰে পৰিপূৰ্ণ।

মধ্যযুগীয় বৈষ্ণৱ সম্প্ৰদায় সমূহৰ ভিতৰত কৃষ্ণভক্তি শাখাৰ এটি উল্লেখযোগ্য সম্প্ৰদায় হৈছে ৰাধাবল্লভ সম্প্ৰদায়। এই সম্প্ৰদায়ৰ প্ৰৱৰ্তক হৈছে আচাৰ্য হিতহৰিবংশ গোস্বামী।

ৰাধাবল্লভ সম্প্ৰদায়ত প্ৰেমকেই ভক্তিৰ মূলধাৰা হিচাবে স্বীকাৰ কৰা হৈছে। এই প্ৰেমত ভক্তি-সিদ্ধান্তৰ কোনো ধৰণৰ বিধি-নিষেধ মানি চলা নহয়। প্ৰেমৰ যোগেদি নিত্যবিহাৰী ৰাধা-কৃষ্ণৰ বিহাৰ দৰ্শনকে আন্তৰিক সুখৰূপে বিবেচনা এই মাৰ্গৰ মন কৰিবলগীয়া বৈশিষ্ট্য। প্ৰেমজনিত মিলন-বিৰহৰ বিচিত্ৰ অনুভূতিক এই সম্প্ৰদায়ৰ কবিসকলে অতি চিত্তাকৰ্ষক ৰূপত অঙ্কন কৰিছে।

ৰসেই এই সম্প্ৰদায়ৰ মূল উপাসনাৰ আধাৰ, গতিকে বাহ্যিক বিধি নিষেধক অস্বীকাৰ কৰা হৈছে। ৰাধাক কৃষ্ণতকৈয়ো উচ্চাসনত ৰাখি উপাস্য ৰূপত প্ৰতিষ্ঠা কৰা হৈছে। ৰাধাৰ উপাসনাৰ সৈতে আনুষঙ্গিকভাৱে কৃষ্ণৰো উপাসনা কৰা হয়। ৰাধা আনন্দস্বৰূপা নিত্যৰূপা, সেয়ে 'ৰসোপাসনা' বিধেয়। নামসেৱা, সমাজ, অষ্টয়াম্ সেৱা, নৈমিত্তিক উৎসৱ আদি এই সম্প্ৰদায়ত মানি চলা হয়।

এই বংশৰ প্ৰতিষ্ঠাতা হিতহৰিবংশৰ নামত কেবাখনো গ্ৰন্থ পোৱা গৈছে। তেওঁৰ *'হিতচৌৰাসী'* গ্ৰন্থ চৌৰাশীটা পদত ৰচিত এখন কাব্যগ্ৰন্থ।

ৰাধা-কৃষ্ণৰ নিত্যবিহাৰ শৃঙ্গাৰাত্মক পদ্ধতিৰ বৰ্ণনাই মাধুৰ্যভক্তিৰ সাৰ। ৰাধা-কৃষ্ণ, বৃন্দাবন আৰু বৃন্দাবনৰ সহচৰীসকলক একেডালি প্ৰেমৰ সূতাৰে বান্ধি ৰাখি ৰাধাকৃষ্ণৰ নিকুঞ্জলীলাৰ বৰ্ণনা কৰাই হৈছে এই ভক্তি পদ্ধতিৰ মূলকথা। এই প্ৰসঙ্গত ৰাধাকৃষ্ণৰ নিকুঞ্জলীলাৰ সৈতে চৈতন্য সম্প্ৰদায়ৰ বিয়োগ পক্ষক আৰু নিম্বাৰ্ক তথা ৰাধাবল্লভ সম্প্ৰদায়ত সংযোগ পক্ষৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। ৰাধাবল্লভ সম্প্ৰদায়ৰ আদৰ্শ অনুযায়ী ব্যাসে নিত্য-কিশোৰ ৰাধা-কৃষ্ণৰ লীলা বৰ্ণনা কৰিছে। *ব্যাসবাণী* শৃঙ্গাৰাত্মক মাধুৰ্য ভক্তিপূৰ্ণ এখনি উচ্চ পৰ্যায়ৰ গ্ৰন্থ। শৃঙ্গাৰ আৰু শান্ত উভয় ৰসৰ প্ৰাধান্য গ্ৰন্থখনিত লক্ষ্য কৰা যায়।

ধ্ৰুৱদাস এই সম্প্ৰদায়ৰ আন এগৰাকী উল্লেখযোগ্য কবি। স্বামী হৰিদাসৰ দ্বাৰা প্ৰৱৰ্তিত সখী সম্প্ৰদায়েই হৰিদাসী সম্প্ৰদায়ৰূপে পৰিচিত। এই সম্প্ৰদায়ৰ ধৰ্মীয় সিদ্ধান্ত অন্য বৈষ্ণৱ সম্প্ৰদায়ৰ সৈতে নিমিলে। এই মত দ্বৈতাদ্বৈত আদিৰ পৰা মুক্ত।

নাহি দ্বৈতাদ্বৈত হৰি, নাহি বিশিষ্টাদ্বৈত।
বঁধে নহী মতবাদ মেঁ, ঈশ্বৰ ইচ্ছাদ্বৈত।।

এই সম্প্ৰদায়ৰ প্ৰতিষ্ঠাতা স্বামী হৰিদাস এগৰাকী বিখ্যাত সঙ্গীতজ্ঞ আৰু ৰসমাৰ্গৰ পথিক আছিল। তেওঁৰ *'সিদ্ধান্তকে পদ'*ত কোনো দাৰ্শনিক সিদ্ধান্ত প্ৰতিপাদনৰ পৰিৱৰ্তে ভক্তিৰ সাধাৰণ সিদ্ধান্তৰ পৰিচয় পোৱা যায়। এই গ্ৰন্থত হৰিক স্বতন্ত্ৰ আৰু জীৱক তেওঁৰ অধীন বোলা হৈছে। জীৱই সংসাৰ সাগৰৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে হৰিনামেই একমাত্ৰ সহায়ক।

এই মাৰ্গত ভক্তৰ প্ৰধান অৱলম্বন হৈছে কৃষ্ণ

চৰিত্ৰৰ মধুৰ প্ৰেম আৰু সখীভাৱৰ উপাসনা। এই ৰসোপাসনাৰ বাবেই সখী সম্প্ৰদায়ৰ উপাস্য তত্ব হৈছে 'প্ৰেম'। এই প্ৰেম নিত্য আৰু ৰাধাহৰি ৰূপত নিত্য প্ৰকটিত। এই প্ৰেমলীলাৰ তৃতীয় ৰূপ ভোক্তা সখীসকল আৰু চিদঘন ৰূপ নিত্যধাম বৃন্দাবন।

অন্য সম্প্ৰদায়ৰ কৃষ্ণলীলাৰ সৈতে স্বামী হৰিদাসৰ নিকুঞ্জলীলাৰ কিছু ভেদ বিদ্যমান। অন্যান্য সম্প্ৰদায়ৰ কৃষ্ণৰ দৰে হৰিদাসৰ কৃষ্ণ অৱতাৰী পুৰুষ নহয়, তেওঁৰ লীলাৰ সৈতে ব্ৰজধাম, গোপ-গোপীৰ কোনো সম্বন্ধ নাই, হৰিদাস সেই নিত্যলীলাৰ পক্ষপাতী।

সখী সম্প্ৰদায়ৰ প্ৰেম-সৌন্দৰ্য ভক্তিকাব্যৰ বাবে মনোগ্ৰাহী ভাৱৰ তীব্ৰতা প্ৰদানতো ই সক্ষম। সখীভাৱে তৎকালীন ভাৰতীয় ভক্ত সমাজত তীব্ৰ আকৰ্ষণৰ সৃষ্টি কৰিছিল। হৰিদাসৰ নামত *সিদ্ধান্তকে* পদ আৰু *কেলিমাল* নামৰ দুখনি গ্ৰন্থ পোৱা গৈছে। কেলিমালত ৰাধা-কৃষ্ণৰ বিচিত্ৰ লীলাৰ বিভিন্ন চিত্ৰ অঙ্কিত হৈছে। তেওঁৰ ৰচনা শৃঙ্গাৰ ৰস প্ৰধান।

জগন্নাথ গোস্বামী, বিট্‌ঠল বপুল, বিহাৰীদাস, নাগৰিদাস, সৰসদাস আদি কেবাগৰাকী কবিৰ নাম পোৱা গৈছে। বিট্‌ঠলৰ ৰচনাতো হৰিদাসৰ দৰে কথোপকথন শৈলী বিদ্যমান। কাব্যিক ব্যঞ্জনা আৰু ভাষাৰ সজীৱতা আৰু ৰসময়তাৰ কাৰণে এওঁক 'ৰসসাগৰ' আখ্যা দিয়া হৈছে।

'বিহাৰীদাস' এই সম্প্ৰদায়ৰ শ্ৰেষ্ঠ কবি। হৰিদাসী সম্প্ৰদায়ত এওঁ 'গুৰুদেৱ' ৰূপে প্ৰসিদ্ধ। এওঁ বিট্‌ঠলৰ শিষ্য আছিল আৰু ভক্তিৰ মহত্ব তথা সখীভাৱৰ উপাসনা তত্ত্বৰ ওপৰত ভালেখিনি কথা লিপিবদ্ধ কৰি গৈছিল। এই সম্প্ৰদায়ৰ দুগৰাকী মুখ্য সাধক নাগৰীদাস আৰু সৰসদাস বিহাৰীদাসৰ শিষ্য আছিল।

চৈতন্যমতৰ প্ৰৱৰ্তক চৈতন্যদেৱৰ জন্ম হয় বঙ্গদেশৰ নৱদ্বীপত। বাল্যকালত তেওঁৰ নাম আছিল বিশ্বম্ভৰ। কেশৱ ভাৰতীৰ ওচৰত দীক্ষা গ্ৰহণ কৰি তেওঁ চৈতন্যদেৱ ৰূপে পৰিচিত হয়। তেওঁ ভক্তিমাৰ্গ, প্ৰেম, মমতা আৰু ভাবুকতাৰে পৰিপূৰ্ণ। চৈতন্যদেৱৰ দাৰ্শনিক মত 'অচিন্ত্য ভেদাভেদ' ৰূপে পৰিচিত। এই সম্প্ৰদায়ৰ ভালেমান ভক্তৰ উল্লেখ পোৱা যায়।

অসমতো মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱ আৰু তেওঁলোকৰ শিষ্য-প্ৰশিষ্যসকলে কৃষ্ণভক্তি ধাৰাটোক পৰিপুষ্ট কৰি ভক্তিধৰ্মৰ প্ৰচাৰত গুৰুত্ব দিয়াৰ লগে লগে গ্ৰন্থাদি ৰচনাতো মনোনিবেশ কৰে। মন কৰিবলগীয়া যে ৰামানুজ, মাধৱাচাৰ্য, নিম্বাকাচাৰ্য, বল্লভাচাৰ্য প্ৰভৃতি বৈষ্ণৱ দাৰ্শনিকসকলে গঢ়ি থৈ যোৱা ভক্তিধৰ্মৰ তাত্ত্বিক দিশতকৈ অসমৰ বৈষ্ণৱ আচাৰ্যসকলে মূলতঃ শ্ৰীধৰস্বামীৰ ভাগৱত ভাৱাৰ্থ দীপিকাৰ দ্বাৰা অধিকভাৱে প্ৰভাৱান্বিত হৈছিল।

মহাপুৰুষ শঙ্কৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত নৱ-বৈষ্ণৱ ভক্তিধৰ্মত একশৰণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। 'এক শৰণ' মানে একমাত্ৰ কৃষ্ণৰ বাহিৰে আন কোনো দেৱতাতে অনুৰক্তি নথকাকে বুজায়। মাধৱদেৱে *নাম-ঘোষাত* পুৰুষোত্তম কৃষ্ণৰ একমাত্ৰ শৰণ গ্ৰহণকে একশৰণ বুলিছে।[১২] এক পৰমেশ্বৰত সুদৃঢ় বিশ্বাস, সকলো ধৰ্ম-কৰ্ম তেওঁতে সমৰ্পণ, কায়মনোবাক্যে একশৰণ, তেওঁৰ প্ৰতি অব্যভিচাৰী ভক্তি এয়ে একশৰণ।[১৩]

একশৰণ বা অনন্যা ভক্তি নৱধাভক্তি সিদ্ধিৰ এটা প্ৰধান চৰ্ত। অনন্যা মানে পৃথক নোহোৱা, একমাত্ৰ ভগৱন্ততে অবিচলিত ভক্তি—

"অনন্যয়া অপৃথগ্‌ভূতয়া ভগৱতো অন্যত্ৰ পৃথগ্ ন কদাচিদপি যা ভৱতি সা ত্বনন্যা ভক্তিঃ।"[১৪]

গতিকে পুৰুষোত্তম কৃষ্ণৰ প্ৰেম ভকতিয়েই যাৰ একান্ত, তেওঁৰ বাহিৰে আন কোনো বিষয় বা সুখত যাৰ ৰতি নাই, তেৱেঁই একান্ত বা একশৰণীয়া ভক্ত।

শঙ্কৰদেৱৰ পাছত মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ, গোপাল আতাদেৱ, ভট্টদেৱ, অনিৰুদ্ধদেৱ আদিৰ প্ৰচেষ্টাত নৱ-বৈষ্ণৱ ভক্তি-ধৰ্ম অসমৰ চুকে-কোণে বিয়পি পৰে।

শঙ্কৰদেৱে নামঘৰ প্ৰতিষ্ঠাৰ যোগেদি ভক্তিধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্ব দিয়ে। একেশ্বৰবাদ, আচাৰবিধিৰ সৰলতা, জাতিভেদ প্ৰথাৰ প্ৰতি উদাসীন, মানৱীয় প্ৰমূল্যৰাজিৰ বিকাশ সাধনত গুৰুত্ব আদিয়েই আছিল একশৰণ নামধৰ্মৰ প্ৰধান বৈশিষ্ট্য। *কীৰ্ত্তন-ঘোষা, নাম-ঘোষা, ভক্তিৰত্নাৱলী, দশমস্কন্ধ ভাগৱত* মহাপুৰুষদ্বয়ৰ এই চাৰিখনি প্ৰধান গ্ৰন্থ অসমৰ নৱ-বৈষ্ণৱ ভক্তিধৰ্মৰ তত্ত্বপ্ৰকাশক ধৰ্মগ্ৰন্থ।■■

**পাদটীকা ঃ**

১। ছান্দোগ্য উপনিষদ— ১/১৭/৬

২। মহাভাৰত- আদি-২১৯/৮, সভা-৩৬/২৭, ৩৭/২৩।

৩। মৎস্যপুৰাণ-৪৪

৪। Indian Antiquary-1908, pp. 251-253

৫। Raychoudhury, Hemchandra, "Political History of Ancient India", p.12

৬। গাথা সত্তসই-১/৮৯

৭। গৌড়বহো-১.২২

৮। ......... বিদ্যাপতি আধ্যাত্মিকতা বর্জিত নহয়, কিন্তু তেওঁৰ আধ্যাত্মিকতা প্ৰেমৰ উন্নয়নৰ সৃষ্টি (শঙ্কৰী প্ৰসাদ বসু— মধ্যযুগৰ কবি ও কাব্য)

৯। শ্ৰীমদ্ভগৱদ্গীতা- ১৮/৬৬

১০। কৃষ্ণৰ যতেক লীলা সর্বোত্তম নৰলীলা
নৰবপু কৃষ্ণেৰ স্বৰূপ।।
(চৈতন্য চৰিত্ৰামৃত)

১১। কৃষ্ণৰ মাধুৰ্যৰূপ উপলব্ধিজনিত এই লীলাত নিখিল বিশ্বই নহয় স্বয়ং কৃষ্ণও আত্মবিভোৰ ঃ
আপন মাধুর্য হরে আপনার মন
আপনে আপনা চাহে করিতে আঙ্গিন।।
(চৈতন্য চৰিত্ৰামৃত)

১২। সমস্ত সুখক ত্যেজি পুৰুযোত্তমৰ প্ৰেম
ভকতিক কৰিলে আশ্ৰয়।
ভকত সৱৰ এহি পৰমাৰ্থ মনোনীত
আনো সুখ অধিক পাৱয়।।
(নাম-ঘোষা, পদ-১২৪)
আকৌ—
'পুৰুযোত্তমৰ প্ৰেম ভকতি সুখক মাত্ৰ
নিশ্চয় কৰিলে যিটো জনে।
শৰণ কালৰেপৰা বিধিৰ কিঙ্কৰ গুছি
কৰে সদা শ্ৰৱণ কীৰ্ত্তন।।
(নাম-ঘোষা, পদ-১২৭)

১৩। শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ, পৃ. ৩১৬। (বেজবৰুৱা, লক্ষ্মীনাথ)

১৪। শ্ৰীমদ্ভাগৱত পুৰাণৰ টীকা- শঙ্কৰাচাৰ্যকৃত।

**লেখক গুৱাহাটী মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ সহযোগী অধ্যাপক**

# ভট্টদেৱৰ কথা-ভাগৱত আৰু কথা-গীতাৰ গদ্যৰীতি

ড° কল্পনা তালুকদাৰ

অসমীয়া গদ্য সাহিত্যৰ ইতিহাসত বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য অৰ্থাৎ ভট্টদেৱৰ (১৫৫৮-১৬৩৮) নাম উল্লেখযোগ্য। অসমীয়া গদ্য সাহিত্যৰ ক্ৰমবিকাশৰ ইতিহাস অতি প্ৰাচীন। অসমীয়া গদ্য সাহিত্যৰ উদ্ভৱ কেতিয়াৰপৰা প্ৰথমতে কেনেকৈ হৈছিল সেয়া একেষাৰতে ক'ব নোৱাৰি। নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ ভিতৰত প্ৰথমতে অসমীয়া গদ্য সাহিত্যৰেই উদ্ভৱ হৈছিল।[১] অসমীয়া গদ্য সাহিত্যৰ ক্ৰমবিকাশৰ গতিপথৰ প্ৰথম অৱস্থাতে মন্ত্ৰৰূপী গদ্য দেখা পোৱা যায় যদিও মন্ত্ৰৰ মাজেৰে অসমীয়া গদ্যৰ আদি স্বৰূপটো নিৰ্ণয় কৰিব নোৱাৰি। খ্ৰীষ্টীয় যোড়শ শতিকাৰ মাজভাগত মহাপুৰুষ শঙ্কৰদেৱৰ কাপেৰে সৃষ্টি হোৱা অঙ্কীয়া নাটসমূহৰ মাজতেই প্ৰথম অসমীয়া গদ্যৰ সাহিত্যিক বিকাশ অনুধাৱন কৰিব পাৰি। গুৰুজনাই পূৰ্বসূৰী কবিসকলৰ পৰম্পৰা ভঙ্গ কৰি এক নতুন আঙ্গিকৰ মাধ্যমত অঙ্কীয়া নাটসমূহ লিখিছিল, সেই দৃষ্টিকোণৰ পৰা অসমীয়া গদ্যৰ বুৰঞ্জী মহাপুৰুষ শঙ্কৰদেৱৰ অঙ্কীয়া নাটতেই সূচনা হয়। অসমীয়া গদ্যৰ প্ৰথম নিদৰ্শন স্বৰূপে শঙ্কৰদেৱ মাধৱদেৱ আদিৰ নাটৰ নাটকীয় গদ্যকেই ল'ব পাৰি।[২] অঙ্কীয়া নাটসমূহৰ মাজতেই প্ৰথম অসমীয়া গদ্যৰ সাহিত্যিক ৰূপৰ পৰিচয় পোৱা যায় যদিও সি কিন্তু শুদ্ধ অসমীয়া গদ্য নহয়। বাক্য বিন্যাসগত ক্ৰমৰ মাজেদি যি গদ্য গঢ় লৈ উঠিব লাগে, তেনে ধৰণৰ নিয়ম অঙ্কীয়া নাটসমূহত থাকিলেও প্ৰকৃতাৰ্থত সেই ক্ৰম ৰক্ষিত হোৱা নাই। মন্ত্ৰপুথি আৰু অঙ্কীয়া নাটৰ মাজেৰে অসমীয়া গদ্যৰ প্ৰাচীনতম ৰূপটোহে প্ৰতিফলিত হৈছে। কিন্তু প্ৰকৃত অসমীয়া গদ্যৰ উদ্ভৱ হয় যোড়শ শতিকাৰ শেষ দশকত ভট্টদেৱৰ হাতত।

ভট্টদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ হ'ল— কথা-ভাগৱত, কথা-গীতা আৰু কথা-ৰত্নাৱলী। ভট্টদেৱে এনে গভীৰ তত্ত্বমূলক গ্ৰন্থসমূহ অসমীয়া গদ্যলৈ ভাঙি অসমীয়া গদ্যৰীতিৰ বান্ধ দৃঢ় কৰিলে। ভট্টদেৱৰ লিখনীৰ গুৰিতেই আছিল গুৰু দামোদৰদেৱ। তেওঁৰ আদেশতেই ভাগৱত, গীতা, ভক্তি-ৰত্নাৱলীৰ দৰে তিনিখনকৈ দুৰ্বোধ্য সংস্কৃত গ্ৰন্থৰ অসমীয়া গদ্যলৈ ভাঙনি কৰে।[৩] অঙ্কীয়া নাটৰ সূত্ৰধাৰ তথা নাটকীয় চৰিত্ৰৰ কথাতহে গদ্য দিয়া হৈছে। কিন্তু ভট্টদেৱৰ ৰচনা সম্পূৰ্ণ গদ্যত লিখিত। কথা-ভাগৱত ভট্টদেৱৰ আদি ৰচনা। এইখন মূল ভাগৱতৰ সংক্ষিপ্ত সংস্কৰণ। কথা-গীতা ইয়াৰ পিছৰ ৰচনা। সুদূৰ যোড়শ শতিকাতে ভট্টদেৱৰ কথা-ভাগৱত আৰু কথা-গীতাই অসমীয়া গদ্যক এটা প্ৰতিষ্ঠিত ৰূপ দিলে। কথা-ভাগৱত আৰু কথা-গীতা অসমীয়া সাহিত্যৰ দুটি অমূল্য সম্পদ। অকল অসমীয়া সাহিত্যৰেই নহয়, ভাৰতীয় প্ৰাদেশিক ভাষাসমূহৰ ভিতৰতেই ই আদি গদ্য সাহিত্য।[৪] কথা-ভাগৱতৰ তুলনাত কথা-গীতাৰ গদ্য মধুৰ হোৱাৰ লগতে উন্নত বিধৰো। কথা-গীতা সম্বন্ধে আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায়ে দিয়া মন্তব্য এই প্ৰসঙ্গতে প্ৰণিধানযোগ্য। "Indeed the prose Gita of Bhattadeva composed in the sixteenth century is unique of its kind ............ It is priceless treasure. Assamese prose literature developed to a stage of the far distant sixteenth century which no other literature of the world reached except the writings of Hooker and Latimer in England"।[৫] কথা-গীতা প্ৰসঙ্গতে বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে পণ্ডিত হেমচন্দ্ৰ গোস্বামীলৈ লিখিছিল— "You may very well be proud of the author of this book who would handle prose in such a remarkable lucid style more than a

century before we had any prose in Bengali."[৬] আচাৰ্য আশুতোষ মুখাৰ্জীয়ে এই সন্দৰ্ভত কৈছিল— "The people who could write Gita in such prose in the sixteenth century was not a small people."[৭] পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে তেওঁৰ সম্পাদিত কথা-গীতাৰ পাতনিত এনেদৰে লিখিছে— "কথা-ভাগৱতৰ ভাষাতকৈ কথা-গীতাৰ ভাষা বেছি কোমল আৰু সৰল। কথা-ভাগৱতত যিমান পুৰণি অপ্ৰচলিত শব্দৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়, কথা-গীতাত সিমান নাই। কথা-ভাগৱতৰ ৰচনাতকৈ কথা-গীতাৰ ৰচনাও বেছি প্ৰাঞ্জল আৰু মধুৰ।"[৮] সেই ফালৰ পৰা কথা-গীতা কথা-ভাগৱতকৈ পিছত ৰচিত।

কথা-ভাগৱতৰ ৰচনাশৈলী সংস্কৃতীয়া। গহীন আৰু উচ্চ-পৰ্যায়ৰ ভাষাৰে সমৃদ্ধ হোৱা বাবে কথা-ভাগৱতৰ গাম্ভীৰ্য বৃদ্ধি পাইছে। "ভট্টদেৱৰ কথা-ভাগৱতে যে অকল সেই যুগৰ সৰ্বসাধাৰণৰ আধ্যাত্মিক জ্ঞান লাভৰ পথকেই উজু কৰি দিছিল এনে নহয়, ই পৰৱৰ্তী লেখকসকলৰ কাৰণেও গদ্য-সাহিত্যৰ বাট মুকলি কৰি দিছিল। ইয়াৰ সৰল ৰচনা-ৰীতি, চুটি চুটি বাক্য-বিশিষ্ট লেখা আৰু কথোপকথনমূলক (Conversational) ৰচনা-ভঙ্গিমা আদিয়ে পৰৱৰ্তী চৰিতকাৰসকলক প্ৰভাৱান্বিত কৰিছিল।"[৯]

ভট্টদেৱৰ হাততেই অসমীয়া কথ্য ভাষাই প্ৰাণ পাই উঠে। কথোপকথনমূলক ৰীতিৰে চুটি চুটি বাক্যত কথা-ভাগৱতখন লিখা হৈছে। উদাহৰণ স্বৰূপে—

"নাৰদে বোলন্ত ঃ হে মহাৰাজ তুমি কাহাকো লাগি শোক নকৰিবা। যাতো ঈশ্বৰাধীন সকল জগত। আৰো আত্মা নিত্য, দেহ নশ্বৰ ঃ ব্ৰহ্ম শুদ্ধ ঃ এতেকে অজ্ঞানকৃত শোক এৰা। আপুন কাল কৰ্ম্ম গুণাধীন। কেমনে আনক ৰাখিবা। যাতো জীৱে জীৱৰ জীৱিকা হৈয়া আছে। এতেকে জানিবা সৰ্ব্বৰূপে ভগৱন্ত প্ৰকাশ কৰা। সেই ভগৱন্ত দ্বাৰকাৰ কৃষ্ণ ঃ তেঞ্ৰ দেৱৰ সকলে কাৰ্য্য কৰিলা। কিছো মাত্ৰ অৱশেষ আছে। পাছে বৈকুণ্ঠ যাইবা ঃ তেবে তোৱায়ো চলিবা।"[১০]

ভট্টদেৱৰ গদ্যত এক ছন্দোময় লালিত্য আছে। সেই কাৰণে বহুতে ভট্টদেৱৰ গদ্যক প্ৰকৃত গদ্য নুবুলি ছন্দোময় উক্তি"[১১] বুলিও ক'ব খোজে। কিয়নো তত্ত্বগধুৰ তিনিওখন গ্ৰন্থৰ মূল সংস্কৃত তথা সেইবোৰ কাব্যিক গুণেৰে সমৃদ্ধ হোৱা বাবে তেওঁৰ গদ্য ছন্দযুক্ত বুলি ক'ব পাৰি। তেওঁৰ ৰচনাত গদ্যৰ বাক্য-বিন্যাসগত ক্ৰমৰ সলনি ছন্দৰ লয়লাস ভঙ্গী অনুভৱ কৰিব পাৰি এইদৰে—

"কেমন ৰূপ? —শ্যাম-সুন্দৰ-পীতাম্বৰ; প্ৰসন্ন-বদন; কমল-নয়ন; নাসা তিলফুল, অধৰ ৰাতুল; মুখে মন্দ হাস; কটাক্ষ-বিলাস; পৰম নিৰুজ; চাৰু চতুৰ্ভুজ; শঙ্খ-চক্ৰধৰ; গদা-পদ্ম-কৰ; সৰ্ব্বাঙ্গ-সুন্দৰ; ৰূপ-মনোহৰ; কিৰীটিৰ কান্তি; অলঙ্কাৰ-পান্তি; কৰ্ণত কুণ্ডল; শোভে গণ্ডস্থল; কৌস্তুভ কণ্ঠত; শ্ৰীবৎস বক্ষত; কটিত কিঙ্কিনী-ৰঞ্জিত; চৰণ-দুতয় নূপুৰে শোভয়; ৰঙ্গা পদতল, অঙ্কুশ-কমল-ধ্বজ-ব্ৰজ-পান্তি; নখ-চন্দ্ৰ-কান্তি; জঙ্ঘা-জানুবৰ, উৰু-কৰিকৰ; কিশোৰ বয়স, আছে সৰ্ব্বৰস; ভকত-বৎসল, পৰম উজ্বল; ভক্ত হৃদয়ত থাকন্ত সতত।"[১২]

গীতা শাস্ত্ৰৰ অসমীয়া অনুবাদ ভট্টদেৱৰ আগতে কোনেও কৰা নাছিল। এনে ভাৰগধুৰ জটিল শাস্ত্ৰ এখন সাধাৰণ পাঠকে যাতে হৃদয়ঙ্গম কৰিব পাৰে সেই উদ্দেশ্যেৰে অতি চমুকৈ সহজ-সৰলভাৱে ব্যাখ্যা কৰি গৈছে। "কথা-গীতা পঢ়িলে এনেহে লাগে যেন নামঘৰত ৰাইজ গোট খাইছে আৰু ভাগৱতীয়ে শাস্ত্ৰ পাঠ কৰি টীকাসহ ব্যাখ্যা কৰিছে; মাজে মাজে গভীৰ বিষয়ৰ প্ৰশ্ন তুলি নিজেই যেন তাৰ সমাধান কৰিছে। অন্তৰালৰ এই কথকতাৰ অৱস্থালৈ লক্ষ্য নকৰিলে কথা-গীতাৰ ৰচনা সৌন্দৰ্য্যৰ সম্যক সোৱাদ পাব নোৱাৰি। কথোপকথন, প্ৰশ্ন-উত্তৰ আৰু তৰ্ক-পদ্ধতিৰ ৰীতিৰে গোটেই পুথিখনি ৰচনা কৰা হৈছে।"[১৩] উদাহৰণ স্বৰূপে কথা-গীতাৰ কিয়দাংশ তলত উদ্ধৃত কৰা হ'ল—

"যদি বোলা স্বৰ্গাদি যেবে পৰম ফল নহে, তেবে কেনে বেদে তাৰ সাধন কৰি, কৰ্ম্মসব বিধান কৰে, তাত শুনা। সকামী লোককে প্ৰতিসে বেদে কৰ্ম্মফল কহে। তুমি নিষ্কামী হ'বা। নিষ্কামী হৈবাৰ উপায় শুনা। সুখ-দুখ সহা, মহাধৈৰ্য্যক আশ্ৰয় কৰা, অপ্ৰাপ্ত বস্তুক স্বীকাৰ এড়া, প্ৰাপ্ত বস্তুকো ৰক্ষা তেজা, তেবে নিষ্কামী অৱশ্যে হৈবা। যদি বোলা, বেদোক্ত নানা ফল এড়ি নিষ্কাম হুয়া পৰমেশ্বৰৰ আধাৰত যি ব্যৱসায় বুদ্ধি কহিলা; আক কুবুদ্ধিসে বুলি, তাত শুনা।"[১৪]

ভট্টদেৱৰ গদ্য ব্যাখ্যামূলক হ'লেও তাৰ মাজতেই

তেওঁৰ মৌলিকতা প্ৰকাশ পাইছে। কথা-গীতাৰ গদ্য সাৱলীল আৰু প্ৰাঞ্জল। মূলৰ গধুৰ দাৰ্শনিক তত্ত্বসমূহ সৰ্বসাধাৰণে বুজিব পৰাকৈ নিজৰ ভাষাৰে বৰ্ণিত কৰিছে এনেদৰে—

মূল শ্লোক ঃ
ন জায়তে ম্ৰিয়তে ৱা কদাচিন্
নায়ং ভূত্বা ভৱিতা ৱা ন ভয়ঃ।
অজো নিত্যঃ শাশ্বতোহয়ং পুৰাণো
ন হন্যতে হন্যমানে শৰীৰে।।[১৫]

অনুবাদ ঃ "স্বৰূপত আত্মাৰ জন্ম নাই, মৰণো নঘটে, আছে হেনো নোহে, টুটনো নাই পৰিণামো নেদেখি, বৃদ্ধিয়ো নহয়; এতেকে শৰীৰ নষ্ট হৈলে, আত্মাৰ নাশ নাই।"[১৬]

বক্তব্য বিষয়ক চমুকৈ চিত্ৰধৰ্মী ৰূপত ৰূপায়িত কৰিব পৰাটো ভট্টদেৱৰ লেখাৰ এটা বৈশিষ্ট্য। নিদৰ্শন স্বৰূপে—

"হৰি কথা নুশুনিলে দুয়ো কৰ্ণ গৰ্ত্ত-সম ঃ হৰি-নাম নলৈলে বেঙ্গৰ জিহ্বা সম জিহ্বা। হৰিক প্ৰণাম নকৰিলে কিৰীটি-যুক্ত শিৰো কেৱলে ভাৰ। হৰিৰ কৰ্ম্ম নকৰিলে কঙ্কণ-যুক্ত হস্তো মৃতকৰ হস্ত সম। হৰিৰ মূৰ্ত্তি নেদেখিলে দুই চক্ষু ময়ুৰৰ পুচ্ছ। হৰিৰ ক্ষেত্ৰ নগৈলে বৃক্ষ-মূল-সম দুই চৰণ। বৈষ্ণৱৰ পদ-ৰেণু নলৈলে জীৱন্তে মৰা শৱ। হৰিৰ নিৰ্মাল্য তুলসীৰ ঘ্ৰাণ নলৈলে সাক্ষাতে শৱ বুলি। হৰিৰ গুণ-নাম গাইতে যদি হৃদয় নদ্ৰৱে, প্ৰেম-পুলক নহে, তেৱে সি হৃদয় শিলা-সম। এতেকে আমাক তুমি হৰিৰ চৰিত্ৰ কহ, যাক-শুকে ৰাজাত কহিছা।"[১৭]

ভট্টদেৱ সংস্কৃত শাস্ত্ৰ তথা ব্যাকৰণৰ অগাধ পণ্ডিত আছিল। সংস্কৃত পুথি লিখা আৰু অনুবাদ কৰা বাবেই তেওঁৰ লেখাত সংস্কৃত বাক্যৰীতিৰ প্ৰভাৱ পৰিদৃশ্যমান। তৎসম শব্দ প্ৰচুৰ থাকিলেও সিয়ে তেওঁৰ গদ্যক শক্তিশালীহে কৰি তুলিছে—

"যেন মনুষ্যে জীৰ্ণবস্ত্ৰক পৰিত্যাগ কৰি, নবীন বস্ত্ৰক গ্ৰহণ কৰে, এমনে আত্মায়ো পুৰাণ দেহক এড়ি, নবীন দেহক স্বীকাৰ কৰে; কৰ্ম্মনিবন্ধন নতুন দেহ অৱশ্যে হৈব। জীৰ্ণ দেহ নাশত শোক কৰিতে নালাগে। এই আত্মাক অস্ত্ৰেয়ো নাকাটে, অগ্নিয়ো নদহে, জলেয়ো কোমল নকৰে, বায়ুয়ো নুশুখাৱে। এতেকে অছেদ্য অদাহ্য অক্লেদ্য অশোচ্য নিত্য সৰ্ব্বগত অচল সনাতন অব্যক্ত অচিন্ত অপ্ৰাপ্য কৰি কহে।"[১৮]

ভট্টদেৱৰ গদ্যৰীতিৰ মাজত সংস্কৃত সন্ধি-সমাসবদ্ধ ৰূপো বিৰাজমান। যেনে— কায়বাক্যমনে, সৰ্ব্বজন প্ৰবোধসঞ্চাৰ-শক্তিযুক্ত, যুদ্ধোৎসৱ, লুপ্তপিণ্ড-জলাঞ্জলি, ইষ্টসংযোগবিয়োগাদিয়ো, শীতোষ্ণাদি, ঈশ্বৰাৰ্পিত, বিঘ্নিবৈগুণ্য, শোকপঙ্কমগ্ন ইত্যাদি।

ভট্টদেৱৰ গদ্যত তৎসম শব্দৰ উপৰিও অৰ্দ্ধতৎসম, তদ্ভৱ, ব্ৰজবুলি, কামৰূপী, বিদেশী শব্দ চয়নৰ কৌশল প্ৰশংসনীয়। উদাহৰণ স্বৰূপে— ভকতি, তৃপিতি, হৰিষ, পৰশ (অৰ্দ্ধতৎসম); বধিলা, উঠিলা, মথন, পুনু (তদ্ভৱ); পুছন্ত, কয়ল, কহিতে, দেখল (ব্ৰজবুলি); নাইকা, নেদা, চাৱা, ভিজ, তোঠেৰ, শুখায় (কামৰূপী) আৰু চাবুক, হাজাৰ, চাকৰ (বিদেশী) ইত্যাদি।

ভট্টদেৱৰ গদ্যত সৰল, জটিল আৰু যৌগিক— তিনিওবিধ বাক্যৰ প্ৰয়োগ দেখা যায়। তেনেদৰে ভাবৰ ফালৰ পৰা বৰ্ণনাত্মক, আজ্ঞাসূচক, প্ৰশ্নসূচক বাক্যৰ ব্যৱহাৰো দেখা যায়। যেনে—

বৰ্ণনাত্মক বাক্য ঃ "ঘোৰ অখণ্ড তপস্যাত সনক, সনন্দন, সনাতন, সনতকুমাৰ, চাৰি ৰূপ হয়া আত্মজ্ঞান কহিলা।"[১৯]

আজ্ঞাসূচক বাক্য ঃ "বুদ্ধ-অৱতাৰ হয়া পাষণ্ডৱাদে অসুৰ মুহিবা।"[২০]

প্ৰশ্নসূচক বাক্য ঃ "এতেকে তান্ত বিনে কাত শৰণ পশিবো ?"[২১]

"মুঠতে সংস্কৃত শব্দাৱলী তথা ব্যাকৰণ আৰু পুৰণি অসমীয় পদ-কাব্যৰ প্ৰভাৱৰ পৰা সম্পূৰ্ণ মুক্ত নোহোৱা সত্বেও ভট্টদেৱৰ কথাশৈলীৰ মাজে মাজে উজলি উঠা ঠায়ে ঠায়ে কথিত ৰূপৰ কাষ চাপি যাব খোজা নিখুঁত গদ্যই তেওঁক অসমীয়া গদ্যৰ প্ৰথম সুঁতিটোৰ এগৰাকী সৰ্বশ্ৰেষ্ঠ প্ৰতিভাশালী গদ্য লেখক হিচাপে প্ৰতিষ্ঠিত কৰিছে।"[২২] তত্ত্বপ্ৰধান তিনিওখন গ্ৰন্থই সুদূৰ যোড়শ শতিকাতে অসমীয়া গদ্য সাহিত্যিক যি স্তৰত উপনীত কৰালে সিয়েই অসমীয়া গদ্য সাহিত্যৰ এক মাইলৰ খুঁটি স্বৰূপ।■■

**পাদটীকা ঃ**

১। বিৰিঞ্চি কুমাৰ বৰুৱা; অসমীয়া কথা সাহিত্য, ১৯৯৭, আগকথা, পৃঃ ১

২। মহেশ্বৰ নেওগ; অসমীয়া সাহিত্যৰ ৰূপৰেখা, ১৯৮৬, পৃঃ ৯৩

৩। হৰিনাথ শৰ্ম্মা বৰদলৈ (সম্পাদিত); কথা-ভাগৱত (১ম স্কন্ধ), ১৮৯২ শক, পৃঃ ২০

৪। উক্ত গ্ৰন্থ, পৃঃ ২১

৫। বিৰিঞ্চি কুমাৰ বৰুৱা; অসমীয়া কথা সাহিত্য, ১৯৯৭, পৃঃ ১৬

৬। হৰিনাথ শৰ্ম্মা বৰদলৈ (সম্পাদিত); কথা-ভাগৱত (১ম স্কন্ধ), ১৮৯২ শক, পৃঃ ২১

৭। উক্ত গ্ৰন্থ, পৃঃ ২১

৮। বিৰিঞ্চি কুমাৰ বৰুৱা; অসমীয়া কথা সাহিত্য, ১৯৯৭, পৃঃ ১৬

৯। হৰিনাথ শৰ্ম্মা বৰদলৈ (সম্পাদিত); কথা-ভাগৱত (১ম স্কন্ধ), ১৮৯২ শক, পৃঃ ২৪-২৫

১০। উক্ত গ্ৰন্থ, পৃঃ ৭৪

১১। উক্ত গ্ৰন্থ, পৃঃ ২২

১২। মহেশ্বৰ নেওগ (সম্পাদক); শ্ৰীভাগৱত-কথা (দ্বিতীয় আৰু তৃতীয় স্কন্ধ), ১৯৫৯, তৃতীয় স্কন্ধ, অষ্টাবিংশ অধ্যায়, পৃঃ ৭৮

১৩। বিৰিঞ্চি কুমাৰ বৰুৱা; অসমীয়া কথা সাহিত্য, ১৯৯৭, পৃঃ ১৮

১৪। ভৃগুমোহন গোস্বামী (সম্পাদনা); ভট্টদেৱৰ কথা-গীতা, ২০১১, পৃঃ ৩৫

১৫। কিৰণ শৰ্ম্মা (অনুবাদক); শ্ৰীমদ্ভগৱদ্গীতা, ১৯৯৯, পৃঃ ৪৫

১৬। ভৃগুমোহন গোস্বামী (সম্পাদনা); ভট্টদেৱৰ কথা-গীতা, ২০১১, পৃঃ ৩৩

১৭। মহেশ্বৰ নেওগ (সম্পাদক); শ্ৰীভাগৱত কথা (দ্বিতীয় আৰু তৃতীয় স্কন্ধ), ১৯৫৯, দ্বিতীয় স্কন্ধ, তৃতীয় অধ্যায়, পৃঃ ১০

১৮। ভৃগুমোহন গোস্বামী (সম্পাদনা); ভট্টদেৱৰ কথা-গীতা, ২০১১, পৃঃ ৩৩

১৯। মহেশ্বৰ নেওগ (সম্পাদক); শ্ৰীভাগৱত কথা (দ্বিতীয় আৰু তৃতীয় স্কন্ধ), ১৯৫৯, দ্বিতীয় স্কন্ধ, সপ্তম অধ্যায়, পৃঃ ২১

২০। উক্ত গ্ৰন্থ, পৃঃ ২৪

২১। উক্ত গ্ৰন্থ, তৃতীয় স্কন্ধ, দ্বিতীয় অধ্যায়, পৃঃ ৬

২২। লীলাৱতী শইকীয়া বৰা; ভাষা-সাহিত্যৰ সুবাস, ১৯৯২, পৃঃ ৬৩

**লেখিকা প্ৰাগ্জ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা**

# কীৰ্ত্তনৰ ‘বেদস্তুতি’

**জীৱকান্ত নাথ**

বাদৰায়ণ বেদব্যাসকৃত শ্ৰীমদ্ভাগৱতৰ দশম স্কন্ধৰ ৮৭তম্ অধ্যায়নৰ নাম ‘বেদস্তুতি’। সংস্কৃত ভাগৱতৰ ‘বেদস্তুতি’ পঞ্চাশটি শ্লোকেৰে ৰচিত। অসমীয়া ভাগৱতত মূলৰ শ্লোকসমূহৰ কথাখিনি শেষ দশমত অনন্ত কন্দলিয়ে ১১৬টি শ্লোকেৰে সামগ্ৰিকভাৱে অনুবাদ কৰিছে। মহাপুৰুষ শঙ্কৰদেৱে ‘কীৰ্ত্তন-ঘোষা’ত সংস্কৃত ভাগৱতৰ দশম স্কন্ধৰ ৯—৪১ সংস্কৃত শ্লোকসমূহৰ ওপৰত ভিত্তি কৰি সহজ-সৰল ভাষাত ‘বেদস্তুতি’ খণ্ডটি তিনিটা অধ্যায়ত ৰচনা কৰিছে। পদ, দুলড়ী আৰু ছবি ছন্দেৰে মাত্ৰ একুৰি ছটি পদত বেদস্তুতিৰ মূল কথাখিনি প্ৰকাশ কৰিছে। অৱশ্যে শঙ্কৰদেৱে ‘বেদস্তুতি’ ৰচনা কৰোঁতে ভাগৱতৰ উপৰি প্ৰসিদ্ধ টীকাকাৰ শ্ৰীধৰ স্বামীৰ ‘ভাগৱত ভাৱাৰ্থ দীপিকা’ৰো কিছু শ্লোক অনুবাদ কৰিছে।

ভাগৱত পুৰাণতেই হওক বা কীৰ্ত্তন-ঘোষাতেই হওক ‘বেদস্তুতি’ শব্দটিৰ অৰ্থ পোনে পোনে বিচাৰিলে বোধগম্য হয় যে বেদে ভগৱানক স্তুতি কৰিছে। বেদ বুলিলে যিহেতু চাৰিখন গ্ৰন্থৰ ধাৰণাই সকলোৰে মনলৈ আহে; তেনেক্ষেত্ৰত গ্ৰন্থই ভগৱানক স্তুতি কৰাটো এক অলৌকিক কথা। এনেক্ষেত্ৰত আমি এটা সিদ্ধান্তৰেই সন্দেহ নিৰসন কৰিব পাৰোঁ যে এক মহৎ সাহিত্য কৰ্ম হিচাপে বেদে বাস্তৱ জগতৰ পৰা আঁতৰি ৰূপকাত্মকভাৱে আত্মপ্ৰকাশ কৰিছে। সমালোচনাৰ দৃষ্টিভঙ্গীৰে ক'বলৈ গ'লে— ‘Every book is a man’ মানে বেদৰ সৃষ্টিকৰ্তাই আত্মদৰ্শন অৰ্থাৎ নিজৰ জীৱন-দৰ্শন প্ৰকাশ কৰিছে। বেদে ভগৱানক স্তুতি কৰাৰ অন্তৰালত প্ৰকৃততে লুকাই আছে এটা বিশেষ মতাদৰ্শ প্ৰকাশৰ কৌশল। ইয়াত বেদৰ কৰ্মকাণ্ড আৰু জ্ঞানকাণ্ডৰ গৌণ স্থান দি ‘বেদৰ গুপুত বিত্ত নাৰায়ণ’ৰ ভক্তিমাৰ্গক শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছে। বেদত মুকলিভাৱে থকা যাগ-যজ্ঞ, পূজা-পাতল, তন্ত্ৰ-মন্ত্ৰক অৰ্থাৎ কৰ্মকাণ্ডী কৰ্মবোৰৰ বহু হাজাৰ বছৰৰ পিছত প্ৰণয়ন কৰা ভক্তিবাদী মহাপুৰাণ শ্ৰীমদ্ভাগৱতে অস্বীকাৰ কৰি ভক্তিমাৰ্গকহে জগতৰ একমাত্ৰ সাৰ বুলি স্বীকাৰ কৰিছে। জীৱনৰ শেষ বয়সত বদৰিকাশ্ৰমত মনত শান্তি নাপাই উগুল-থুগুল মন লৈ বহি থকা ব্যাসক সেয়েহে মহামুনি দেৱৰ্ষি নাৰদে তত্ত্বজ্ঞান দিবলগীয়া হৈছিল। শ্ৰীমদ্ভাগৱত পুৰাণৰ প্ৰথম স্কন্ধত সেই কথা উল্লেখ আছে—

> “নাৰদ বদতি শুনা মহামুনি ব্যাস।
> তুমিসে কৰিলা সৰে জগতকে নাশ।।
> নিৰন্তৰে পশুৰ লোৱাইলা তুমি প্ৰাণ।
> নাহি মন্দ কৰ্ম্ম আৰ ইহাৰ সমান।।৩২।।
> আকস্মিকে লোকক কৰাইলা হিংসা ধৰ্ম্ম।
> নুবুজিলা তুমিও বেদৰ তত্ত্ব মৰ্ম্ম।।
> গৰিহিত কৰ্ম্মকো কহিলা ধৰ্ম্ম বুলি।
> তোহ্মাৰ কাৰণে লোক নাশিল সমূলি।।৩৩।।”[১]

সেয়েহে ব্যাসে জীৱনৰ শেষ পৰ্বত নিজৰ মতাদৰ্শৰ ৰূপান্তৰ ঘটাই বেদস্তুতিৰ যোগেদি এক নতুন মতাদৰ্শ স্থাপন কৰিছে। মহাপুৰুষ শঙ্কৰদেৱে ‘কীৰ্ত্তন-ঘোষা’ৰ বেদস্তুতিত একশৰণ তত্ত্বত গুৰুত্ব দি কৰ্মকাণ্ড আৰু জ্ঞানকাণ্ডক অসাৰ বুলি কৈছে আৰু বেদক ৰূপকাত্মকভাৱে ব্যক্তিৰূপে থিয় কৰাই শ্ৰৱণ-কীৰ্তনক মূল আধাৰ ৰূপেলৈ ভক্তিধৰ্মৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছে।[২]

ভক্তিবাদৰ পিছতে কীৰ্ত্তনৰ বেদস্তুতিৰ বিশেষত্বসমূহৰ ভিতৰত এটি প্ৰধান বিশেষত্ব হৈছে অদ্বৈতবাদ। দাৰ্শনিক শঙ্কৰদেৱে বেদস্তুতিত বেদান্ত তথা উপনিষদৰ অদ্বৈতবাদৰ তত্ত্ব অতি স্পষ্টভাৱে উত্থাপন কৰিছে। বেদান্তৰ মতে সমস্ত জগতবাসী যিসমূহ নিৰ্গুণ ব্ৰহ্মৰ বিভূতিৰ দ্বাৰাই সত্বাৱান। আদি-অন্তহীন নিৰ্গুণ ব্ৰহ্মায়ে গুণক আশ্ৰয় কৰি জীৱজগত সৃষ্টি কৰিছে আৰু আত্মাৰূপে জীৱজগতক চৈতন্য তথা প্ৰাণদান কৰিছে। বৰগীতত “তুমি প্ৰভু নিৰ্গুণ গুণৰ সীমা নাই নিৰ্গুণ হোৱয় জীৱ সেহি গুণ গাই”তো উপৰিউক্ত বেদান্ত দৰ্শনৰ তত্ত্বৰেই শঙ্কৰদেৱে কীৰ্ত্তন-ঘোষাক ‘বেদস্তুতি’ খণ্ডত ব্ৰহ্ম আৰু জীৱৰ অভেদত্ব নিৰূপণ কৰিছে। মায়াৰ অধীন হোৱাৰ বাবেহে জীৱসমূহ ব্ৰহ্মৰ পৰা পৃথক যেন ধাৰণা হয়। শঙ্কৰদেৱে অদ্বৈতবাদৰ এই তত্ত্ব বেদস্তুতি খণ্ডৰ প্ৰতিটো অধ্যায়তে অৰ্থাৎ তিনিওটি অধ্যায়তে প্ৰকাশ কৰিছে। বেদে

অৰ্থাৎ জীৱজগতে প্ৰভু নাৰায়ণক স্তুতি কৰিছে—

"জীৱ অংশে তুমি প্ৰৱেশিলা গাৱে গাৱে।
আৱে আমি তোহ্মাক ভজোহো সৰ্ব্ব ভাৱে।।৫৫
তোহ্মাৰেহে অংশ আমি যত জীৱজাক।
তোহ্মাৰ মায়াৱে প্ৰভু বান্ধিলে আহ্মাক।।[৩]

আকৌ শঙ্কৰদেৱ গুৰুজনাই কৈছে যে তুমিহে একমাত্ৰ সত্য, তোমাৰ ব্যতিৰেকে সমস্ত অসন্ত অৰ্থাৎ মায়াধীন। মায়াৰ অধীন হৈ আমি সমস্ত জগতখনকে সঁচা বুলি জ্ঞান কৰোঁ আৰু বেদৰ মূল অভিপ্ৰায়ও নাজানো।[৪]

অদ্বৈতবাদৰ ধাৰণা স্পষ্ট কৰিবৰ কাৰণে শঙ্কৰদেৱ গুৰুজনাই সোণৰ আ-অলংকাৰ আৰু সোণৰ মাজত থকা পাৰস্পৰিক সম্পৰ্কৰ তুলনা দাঙি ধৰিছে। মুকুট, কুণ্ডল আদি সোণৰ আ-অলংকাৰ ভাঙি পেলালে যিদৰে পুনৰ এডোখৰ সোণলৈ ৰূপান্তৰিত হয় তেনেদৰে নামৰূপী জীৱাত্মাসমূহো পুনৰ পৰমাত্মাতে বিলীন হয়।[৫]

সেয়েহে গুৰুজনে এনে ধাৰণা 'তোহ্মাৰ অদ্বৈতৰূপ পৰম আনন্দ পদ' বুলি কৈ তাতে মন-প্ৰাণ সমস্ত মগ্ন হ'বৰ কাৰণে ভগৱন্তক প্ৰাৰ্থনা জনাইছে। এনে ৰহস্যবাদী ধাৰণা আধুনিক যুগৰ বিশ্ব সাহিত্যৰ বহু মহৎ কবি সাহিত্যিকৰ লেখনিত স্পষ্ট ৰূপত প্ৰকাশ কৰিছে। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ, ইংৰাজী ৰোমাণ্টিক যুগৰ কবি ৱৰ্ডচ্‌ৱৰ্থ, কীটচ্ আৰু অসমীয়া ৰোমাণ্টিক যুগৰ কবি নলিনীবালা, অম্বিকাগিৰি ৰায়চৌধুৰী আদি অনেকজন কলাকাৰৰ ৰচনাত এনে অদ্বৈতবাদী তথা ৰহস্যবাদী ধ্যান-ধাৰণাৰ প্ৰকাশ ঘটিছে। ৰবীন্দ্ৰনাথৰ ভাষাত—

"সীমাৰ মাঝে অসীম তুমি
বাজাও আপোন সুৰ।
তোমাৰ মধ্যে আমাৰ প্ৰকাশ
তাই এত মধুৰ।।"— গীতাঞ্জলি

গীতা-ভাগৱত, কীৰ্ত্তন, নাম-ঘোষা অধ্যয়ন কৰা নলিনীবালাই অতি সুন্দৰ এটি তুলনাৰে এনে অদ্বৈতবাদী ধাৰণা এনেদৰে ব্যক্ত কৰিছে—

"দূৰণিৰ পখিজাক
উৰি যায় ৰিঙিয়াই
বিয়াকুল উদাসী সুৰত
প্ৰতিধ্বনি বাজে সুদূৰত
মোৰো এই পিজৰাৰ
অশান্ত পখীটি দেখো
মিলি যাব খোজে অনন্তত
অসীমৰ অচিন বাটত।

বেদস্তুতিৰ আন এটি উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ভাৰতভূমিৰ উল্লিখন। মহাপুৰুষ শঙ্কৰদেৱে তাৰাই সৃষ্টি কৰ্মৰ বিভিন্ন স্থানত ভাৰতভূমিৰ প্ৰশংসা কৰিছে। কীৰ্ত্তন-ঘোষাৰ অজামিল উপাখ্যান, বলিছলন, শিশুলীলা, ৰাসক্ৰীড়া, মচুকুন্দ স্তুতি, নাৰদৰ কৃষ্ণ দৰ্শন আৰু বেদস্তুতিত ভাৰতবৰ্ষৰ কথা উত্থাপন কৰিছে। বেদস্তুতিৰ প্ৰথম কীৰ্ত্তনতে ভাৰত প্ৰসঙ্গ উত্থাপন হৈছে, এনেদৰে—

"ভাৰতে মনুষ্য জন্ম নুহিকে খেষ্টৰে।
তোহ্মাক নভজি আত্মঘাত কৰি মৰে।।"

শঙ্কৰদেৱৰ সমগ্ৰ ৰচনাৱলীৰ দুকুৰি সাতটা স্থানত ভাৰতৰ প্ৰশংসা পোৱা যায়। ভাৰতবৰ্ষ, কলিযুগ, হৰিনাম আৰু নৰতনু— এই চাৰিৰ সংযোগৰ ওপৰত গুৰুত্ব দি তাৰাই কৈছে যে এবাৰ ভাৰতত জন্মলাভ কৰাৰ পিছত অতি সোনকালে আৰু পুনৰ ভাৰতত জন্মলাভ কৰাৰ আশা নাই। গুৰুজনে বাৰে বাৰে কৈছে যে ভাৰতত জন্ম লাভ কৰিবৰ বাবে দেৱতায়ো বাঞ্ছা কৰে। এনে অভিমতৰ প্ৰধান কাৰণ হ'ল যে বিশ্ব সভ্যতা সংস্কৃতিৰ কাহিলী পুৱাতেই বেদান্ত তথা উপনিষদৰ দৰে গ্ৰন্থত বৌদ্ধিক সাধনাই চূড়ান্ত পৰ্যায় পাইছেগৈ। আনহাতেদি কৃষ্ণ সংস্কৃতিৰ ৰসময় ভক্তিমাৰ্গৰ পথ এই ভাৰতবৰ্ষতেই ৰচিত হৈছে। ভাৰতীয় দৰ্শনৰ এনে সত্যই এতিয়াও বিশ্বৰ বিদ্বানমণ্ডলীক আকৰ্ষণ কৰি আহিছে। শঙ্কৰদেৱে অসমক ভাৰতৰ বুকুলৈ আৰু ভাৰতক অসমৰ বুকুলৈ টানি আনি ভাৰতীয় সংস্কৃতিৰ বৈচিত্ৰ্যতা আৰু বৈশিষ্ট্য অক্ষুণ্ণ ৰাখিছে। এনেদৰে ভিনভিন বৈশিষ্ট্যৰে গুৰুজনে বেদস্তুতি ৰচনা কৰি তাৰাৰ মতাদৰ্শক স্পষ্ট ৰূপত জনমানসত দাঙি ধৰিবলৈ প্ৰয়াস কৰিছে।■■

**পাদটীকা ঃ**

১. প্ৰথম স্কন্ধ, শ্ৰীমদ্ভাগৱত, পৃ. ৩—৪
২. কীৰ্ত্তন-ঘোষা ঃ বেদস্তুতি, পৃ. ৪২৬
৩. বেদস্তুতি ঃ প্ৰথম কীৰ্ত্তন, পৃ. ৪১৯
৪. বেদস্তুতি ঃ দ্বিতীয় কীৰ্ত্তন, পৃ. ৪২৫
৫. বেদস্তুতি ঃ তৃতীয় কীৰ্ত্তন, পৃ. ৪২৫

**লেখক শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য শাখাৰ সভাপতি আৰু মৰিগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক।**

# ভাওনা সংস্কৃতি ঃ পৰম্পৰা আৰু পৰিৱৰ্তন

ড° বেবীমনি গগৈ

ভাওনা সংস্কৃতি শঙ্কৰদেৱৰ অভূতপূৰ্ব সৃষ্টি। মূলতঃ একশৰণ ভাগৱতী নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাহনৰূপে সৃষ্ট এইবিধ কলাৰ এটি অবিচ্ছিন্ন ধাৰা আজি পৰ্যন্ত প্ৰৱাহিত হৈ আহি এহাতে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে, অন্যহাতে অসমীয়া সংস্কৃতিৰ স্বকীয়তা প্ৰতিপাদনত এক বিশিষ্ট সাংস্কৃতিক সম্ভাৰ হৈ পৰিছে। শঙ্কৰদেৱে সমসাময়িক সমাজত চহা, নিৰক্ষৰ, অৰ্ধশিক্ষিত, সহজ-সৰল জনসাধাৰণৰ মাজত কৃষ্ণভক্তি মাহাত্ম্য প্ৰচাৰ কৰাৰ উদ্দেশ্যে অঙ্কীয়া নাট ৰচনা তথা ভাওনা প্ৰথা প্ৰৱৰ্তন কৰে।

তীৰ্থ ভ্ৰমণৰ অভিজ্ঞতা, থলুৱা লোক-নাট্যকলাৰ উপাদান, সংস্কৃত নাটৰ অভিনয় আৰু কৌশল, বিভিন্ন ভাৰতীয় নাট্যকলাৰ সমল আৰু নিজস্ব সৃজনী প্ৰতিভাৰ সমন্বয়ত শঙ্কৰদেৱে অঙ্কীয়া ভাওনা প্ৰৱৰ্তন কৰিলে। তেৰাৰ প্ৰথম প্ৰচেষ্টা চিহ্নযাত্ৰা অভিনয়ৰ সফলতাৰ পিছত কাহিনী, সংলাপ, শ্লোক, গীত, ভটিমা, নাট বা নাচ আদি উপাদানেৰে ছয়খনকৈ অঙ্কীয়া নাট লিখি উলিয়ালে। শঙ্কৰদেৱক অনুসৰণ কৰি তাৰাৰ অনুগত শিষ্য মাধৱদেৱেও নাট ৰচনাত হাত দিয়ে। শঙ্কৰদেৱ আৰু মাধৱদেৱে চুঙাই দিয়া বাটেদি পৰৱৰ্তী কালত সপ্তদশ, অষ্টাদশ আৰু ঊনবিংশ শতিকাৰ আগছোৱালৈকে ভালে সংখ্যক নাটক ৰচনা হৈ ভাওনা সংস্কৃতিৰ বিকাশ সাধন হয়। অৱশ্যে পৰৱৰ্তী কালত উত্তৰ শঙ্কৰকালীন যুগৰ পৰা অধুনা কাললৈকে ভাওনা সংস্কৃতিৰ আঙ্গিক আৰু পৰিৱেশন ৰীতিৰ ভালেখিনি পৰিৱৰ্তন ঘটিল আৰু ধৰ্মীয় গণ্ডীৰ বাহিৰেও ৰজাঘৰ, প্ৰজাঘৰত, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক দিশতো ভাওনা সোমাই পৰিল।

পঞ্চদশ-ষাড়শ শতিকাৰ পৰৱৰ্তী কালত সপ্তদশ শতিকাৰ পৰা অষ্টাদশ আৰু ঊনবিংশ শতিকাৰ আগছোৱালৈকে ৰচিত অঙ্কীয়া নাটৰ বিকাশৰ যিটো ধাৰা তালৈ লক্ষ্য কৰিলে নাসমূহৰ কেইটামান প্ৰকাৰভেদ লক্ষ্য কৰা যায়। যেনে—

(১) **ঊনবিংশ শতিকাত অঙ্কীয়া নাটৰ আৰ্হিত পদত ৰচিত ধুৰা নাট ঃ** "ধুৰা নাটৰ ভাষা ব্ৰজাৱলীযুক্ত, গদ্যৰ ব্যৱহাৰ নাই। চৰিত্ৰ বিশেষৰ বচন পদত ৰচিত। সেইদৰে সূত্ৰধাৰৰ নিৰ্দেশ আৰু সংযোগসূত্ৰ গীতত ৰচিত। সূত্ৰধাৰে সুগৰী পহুৰ চোঁৰৰ এটি ঘূৰাই নাচি নাচি গীতেৰে নাট আৰম্ভ কৰি কাহিনী আগবঢ়াই নিয়ে।"[১] ধুৰা ভাওনাৰ সূত্ৰধাৰে সাধাৰণতে ধুতি, চাদৰ, এঙাচোলা বা কুৰ্টা পিন্ধে আৰু সাধাৰণ পাগ মাৰে।

(২) **মাতৃভাষাত ৰচিত অসমীয়া নাট ঃ** এই শ্ৰেণী নাট অঙ্কীয়া নাটৰ ভাওনাৰ দৰে নৃত্য-গীতপ্ৰধান নহয়। এইবোৰ নাট সংলাপ প্ৰধান। ব্ৰজাৱলীৰ ব্যৱহাৰ নাই আৰু কেতিয়াবা দুই তিনিটা অঙ্কবিভাগো দেখা যায়। বৰ্তমান সময়ত সাধাৰণতে ভাওনা বুলিলে মাতৃভাষাত ৰচিত ভাওনাৰ জনপ্ৰিয়তাহে অধিক দেখা যায়।

(৩) **ফৌজীয়া ভাওনা ঃ** ভৌজীয়া ভাওনা হৈছে একশ্ৰেণীৰ অঙ্কীয়া ভাওনাৰ পৰা কিছুদূৰ পৃথক নাট। বিশেষকৈ কমলাবাৰী সত্ৰত ফৌজীয়া ভাওনাৰ প্ৰচলন আছে। সংস্কৃত, ব্ৰজাৱলী আৰু অসমীয়াৰ এটি সংমিশ্ৰিত ৰূপৰ ভাষা ইয়াত ব্যৱহাৰ হয়। সূত্ৰধাৰৰ কাম ইয়াত বেছি।

(৪) **অষ্টাদশ শতিকাত আহোম ৰাজপৃষ্ঠপোষকতাত ৰচিত অঙ্কীয়া নাটৰ কৌশলযুক্ত সংস্কৃত নাটক ঃ** এইবোৰ নাটত সংস্কৃত নাটকৰ দৰে অঙ্কবিভাগ আছে যদিও সূত্ৰধাৰ, শ্লোক, ভটিমা আৰু গীত অঙ্কীয়া নাটৰ আৰ্হিত ৰচিত।

গতিকে দেখা যায় শঙ্কৰদেৱ-মাধৱদেৱ আৰু দুই এজন অনুগামী নাট্যকাৰৰ হাতত জন্ম লাভ কৰা অঙ্কীয়া

ভাওনাৰ জনপ্ৰিয়তাৰ পিছত পৰৱৰ্তী কালত যিবিলাক নাট ৰচিত হ'ল সিবিলাকৰ গাঁথনিক আৰু অভিনয় ৰীতিত ভালেখিনি পাৰ্থক্য আহি পৰিল। এনে পাৰ্থক্যৰ বাবে বিজ্ঞজনে শঙ্কৰদেৱৰ ৰীতি আৰু আদৰ্শৰ অনুসৰণত প্ৰচলিত নাট-ভাওনাক 'অঙ্কীয়া ভাওনা' আৰু মহাপুৰুষদ্বয়ৰ গাঁথনিক ৰীতি আৰু অভিনয়ৰীতি পৰিহাৰ কৰা নাটৰ অভিনয়ক কেৱল 'ভাওনা' আখ্যা দিছে। যিয়েই নহওক, এই দুইটি ধাৰাৰ বিশেষত্বৰ আধাৰতে আমাৰ আলোচ্য বিষয়বস্তু ভাওনা সংস্কৃতিৰ পৰম্পৰা আৰু পৰিৱৰ্তনৰ দিশসমূহ বিচাৰ কৰি চোৱা হ'ব। ইয়াত 'পৰম্পৰা' শব্দটিয়ে শঙ্কৰদেৱৰ ৰীতি আৰু আদৰ্শক মানি চলা ভাওনাৰ বিশেষত্বক আৰু 'পৰিৱৰ্তনে' উত্তৰ শঙ্কৰকালীন কালৰপৰা অধুনাকাললৈকে প্ৰচলিত ভাওনাৰ বিশেষত্বক পোহৰাবলৈ যত্ন কৰা হ'ব।

**ভাওনা সংস্কৃতিৰ পৰম্পৰা ঃ** পৰম্পৰা (Tradition) সংস্কৃতিৰ কেন্দ্ৰস্থ বস্তু। সেয়ে সাংস্কৃতিক সম্পদসমূহৰ অধ্যয়নৰ ক্ষেত্ৰত 'পৰম্পৰা' শব্দটি ওতপ্ৰোতঃভাৱে জড়িত হৈ পৰে। "পৰম্পৰা শব্দটিয়ে পূৰ্ববৰ্তী পুৰুষৰপৰা পৰৱৰ্তী পুৰুষলৈ, আগৰ চামৰপৰা পিছৰ চামলৈকে হস্তান্তৰিত হৈ বাহিত হৈ থকাক বুজায়। অতীতৰ লগত ইয়াৰ সম্পৰ্ক নিবিড় যদিও অতীত সৰ্বস্বতাই পৰম্পৰাৰ মূল কথা নহয়।"[২] গতিকে পৰম্পৰা স্থবিৰ নহয়, ই গতিশীল আৰু পৰিৱৰ্তনশীল।

অসমত শঙ্কৰদেৱৰ নেতৃত্বত গঢ় লৈ উঠা ভাওনা সংস্কৃতিৰ পৰম্পৰালৈ লক্ষ্য কৰিলে আঙ্গিক আৰু পৰিৱেশন ৰীতিত ভালেখিনি বৈশিষ্ট্য দৃষ্টিগোচৰ হয়।

**আঙ্গিকৰ বৈশিষ্ট্য ঃ** মূলতঃ শঙ্কৰদেৱৰ অঙ্কীয়া নাট ৰচনাৰ উদ্দেশ্য আছিল ধৰ্ম প্ৰচাৰ কৰা। সৰ্বসাধাৰণ নিৰক্ষৰ জনসাধাৰণেও যাতে অঙ্কীয়া ভাওনা চাই নৱবৈষ্ণৱ ধৰ্মৰ কথা আৰু কৃষ্ণভক্তি মাহাত্ম্য উপলব্ধি কৰিব পাৰে, সেই উদ্দেশ্য আগত ৰাখি বিষ্ণুৰ অৱতাৰী পুৰুষ ৰাম আৰু কৃষ্ণৰ লীলা প্ৰদৰ্শনৰ নাট সৃষ্টি হৈছিল। নাটক যিহেতু শ্ৰুয়মান দৃষ্টিবেদ্য শিল্পকৰ্ম। গতিকে নাট্যাভিনয় বা ভাওনাৰ জৰিয়তে সহজে মানুহৰ মন জয় কৰিব পাৰিছিল। ভক্তি প্ৰচাৰত অধিক মনোনিৱেশ কৰাৰ বাবে শ্ৰীকৃষ্ণ বা ৰামৰ ঐশ্বৰিক লীলা প্ৰদৰ্শনত বেছি গুৰুত্ব দিয়া হৈছিল অঙ্কীয়া ভাওনাত। তাৰ বিপৰীতে মনোৰঞ্জন বা বিনোদনৰ উপকৰণ কম পৰিমাণে আছিল। নাটসমূহত নৃত্য-গীতৰ প্ৰাধান্য দিয়া হৈছিল আৰু সংলাপৰ পৰিমাণ আছিল কম। শঙ্কৰদেৱে লিখা অঙ্কীয়া নাটৰ গাঁথনিৰ দিশটো আছিল এনে ধৰণৰ— আৰম্ভণিত নান্দীশ্লোক, সূত্ৰধাৰৰ আৰম্ভণিৰ ভটিমা, বিষয়বস্তু বিকাশৰ বিভিন্ন অৱস্থা প্ৰকাশক ৰাগ-তালযুক্ত গীত, শ্লোক আৰু নাটৰ শেষত মুক্তিমঙ্গল ভটিমা। নাটকৰ ভাষা বিশুদ্ধ ব্ৰজাৱলী। কেৱল শ্লোকবোৰহে সংস্কৃত ভাষাত দিয়া হয়। সূত্ৰধাৰে দৰ্শক আৰু ভাৱৰীয়াসকলৰ মাজত মধ্যস্থ ব্যক্তিৰূপে কাৰ্য সম্পাদন কৰে। আৰম্ভণিৰ নান্দীশ্লোক গোৱাৰে পৰা অন্তিমৰ মুক্তিমঙ্গল ভটিমা গাই নাটখন সামৰণি মৰালৈকে সূত্ৰধাৰৰ হাতত বহুতো দায়িত্ব ন্যস্ত কৰা হয়।

নাট্যবস্তু নিৰ্বাচনৰ ক্ষেত্ৰত দেখা যায় প্ৰথম অৱস্থাত নাটৰ বিষয়বস্তু ঘাইকৈ ৰামায়ণ, মহাভাৰত, ভাগৱত পুৰাণ আদিৰ পৰা গ্ৰহণ কৰা হৈছিল। মাধৱদেৱে অৰ্জুনভঞ্জনৰ বাহিৰে অন্য কেইখন নাটৰ বিষয়বস্তু কৃষ্ণ-কৰ্ণামৃত পুথিৰপৰা আহৰণ কৰিছে। শঙ্কৰদেৱৰ কীৰ্ত্তন-দশমৰ আধাৰতো কিছু সংখ্যক নাটকৰ সৃষ্টি হৈছিল।

**ভাওনাৰ পৰিৱেশনৰীতি ঃ** পৰিৱেশন ৰীতি সম্পৰ্কত ভাওনা অনুষ্ঠিত কৰা সময় আৰু উদ্দেশ্য, অভিনয় ৰীতি, অভিনয় থলী, অভিনয়ৰ আহিলা আৰু ভাওনাৰ পৰিৱেশ— এই কেইটি দিশ আলোচনা কৰি চাব বিচৰা হৈছে।

পৰম্পৰাগতভাৱে ভাওনা যেতিয়াই তেতিয়াই অনুষ্ঠিত কৰা নহয়। বিশেষভাৱে বৈষ্ণৱ ধৰ্মীয় উৎসৱ-অনুষ্ঠান যেনে— জন্মাষ্টমী, ফাকুৱা আদি উপলক্ষে ভাওনা অনুষ্ঠিত কৰা হয়। শঙ্কৰদেৱ আৰু মাধৱদেৱৰ তিৰোভাৱৰ পাছত তেৰাসৱৰ তিথি, জন্মজয়ন্তী উপলক্ষে ভাওনা পতা হয়। সত্ৰাধিকাৰৰ অভিষেক উৎসৱত, শ্ৰাদ্ধ তিথি উপলক্ষত ভাওনা অনুষ্ঠিত কৰা পৰম্পৰা আছে। গাঁও অঞ্চলত বৰসবাহ পাতিলে ভাওনাৰ আয়োজন কৰা হয়। মধ্যযুগীয়া অসমত ৰাজঅভিষেক, যুদ্ধজয় আৰু ৰাজকীয় উৎসৱত, অতিথি অভ্যাগতৰ আগমনত তেওঁলোকৰ অভ্যৰ্থনাৰ্থে ভাওনা পতা হৈছিল। এই সম্পৰ্কে তুংখুঙীয়া বুৰঞ্জীত ৰাজেশ্বৰ সিংহৰ দিনত মণিপুৰী আৰু কছাৰী ৰজাৰ অভ্যৰ্থনা উপলক্ষে ৰাজসভাত

‘ৰাৱণবধ’ ভাওনা কৰা হৈছিল বুলি উল্লেখ আছে। “সেই সময়তে মণিপুৰীয়া ৰজাকে, কছাৰী ৰজাকে দেখায় ‘ৰাৱণবধ’ ভাৱনা কৰিলে। সেই সময়ৰ পৰাহে বৰবৰুৱা চ’ৰাৰ ফুকামৰ তলত বহে। বৰফুকনক মুখ্য কৰি ফুকনসকল ভাৱনা ঘৰত বহে। সেই ভাৱনাত ডেকা বৰুৱা ওস্তাজ লাগিছিল ........ ভাৱনাও অতি বিশেষ হৈছিল।”[৩]

নাট্যশাস্ত্ৰোক্ত আঙ্গিক, বাচিক, আহাৰ্য আৰু সাত্তিক এই চাৰি প্ৰকাৰে ভাওনাত অভিনয় ক্ৰিয়া সম্পন্ন হয়। ভাওনাৰ প্ৰাৰম্ভতে সংস্কৃত নাটকৰ পূৰ্বৰঙ্গ সদৃশ গায়ন-বায়নৰ যোৰা বা গাণিকা গোৱা হয়। যোগ্যতা অনুসৰি সমাজৰ সকলো বৰ্ণৰ লোকেই ভাওনাত ভাও দিব পাৰে, অংশ গ্ৰহণ কৰিব পাৰে। নৃত্য-গীতত পাৰ্গত লোকক সূত্ৰধাৰী ভাও; ভালকৈ খোল, তাল, বাদ্য বজাব জনা লোকক বায়নৰ বাব; সুন্দৰকৈ বচন মাতিব পৰা লোকক নাটৰ বিভিন্ন ভাও দিয়া হয়। ভাওনাত মাহলা ভাৱৰীয়াৰ প্ৰৱেশ নিষিদ্ধ কৰা হৈছিল। অৱশ্যে ভাওনা চাবলৈ যোৱাত মহিলাসকলৰ বাধা নাই। সূত্ৰধাৰে অঙ্কীয়া ভাওনাৰ ধেমালি অনুষ্ঠানৰ অন্তত অভিনয়থলীত প্ৰৱেশ কৰে আৰু নৃত্য আৰম্ভ কৰে। নান্দী পাঠ কৰি নাটিকাখনৰ নাম ঘোষণা কৰি প্ৰাৰম্ভিক ভটিমাৰ আবৃত্তি কৰে। ভটিমাৰ শেষত গায়ন-বায়নে বাদ্য বজাই সংগীত পৰিৱেশন কৰে। প্ৰৰোচনা আৰু প্ৰস্তাৱনাৰ জৰিয়তে সূত্ৰধাৰে নাটৰ প্ৰধান চৰিত্ৰক ৰঙ্গস্থলীত প্ৰৱেশ কৰায়। তাৰ পাছত নাটকৰ পাত্ৰ-পাত্ৰীৰ প্ৰৱেশ কৰণ, পৰিচয়কৰণ, চৰিত্ৰৰ কাৰ্যাৱলী, বিভিন্ন ঘটনাৰ সংযোগসূত্ৰ ৰক্ষা কৰা আৰু শেষত মুক্তিমঙ্গল ভটিমা গাই ভাওনাৰ সামৰণি মৰা আদি সকলো ক্ষেত্ৰতে সূত্ৰধাৰৰ ভূমিকা থাকে। সূত্ৰধাৰৰ কাৰ্যাৱলীৰ মন কৰিলে প্ৰথম অৱস্থাত সম্ভৱতঃ সূত্ৰধাৰজন ভাওনাথলীত আৰম্ভণিৰপৰা সামৰণিলৈকে উপস্থিত থাকিব লগা হৈছিল। সূত্ৰধাৰ প্ৰমুখ্যে সকলো চৰিত্ৰ ভাওনা থলীত নৃত্যভঙ্গীমাৰে প্ৰৱেশ কৰে আৰু অভিনয় কৰে। পদচালনা, হস্তচালনা কৰি চকু, মুখ, ভ্ৰূ, ডিঙি আদিৰে অভিনয় প্ৰকাশক ভাৱ ফুটাই তোলা হয়। মূলতঃ শঙ্কৰদেৱ প্ৰৱৰ্তিত অঙ্কীয়া ভাওনা হ’ল নৃত্য-গীত প্ৰধান, সংলাপ প্ৰধান নহয়।

নামঘৰ নাইবা নামঘৰৰ কাষত নিৰ্মাণ কৰি লোৱা আয়তক্ষেত্ৰাকাৰ ৰভাঘৰত ভাওনা পতা পৰম্পৰা। নামঘৰৰ দৰেই পূৱা-পশ্চিমাকৈ ৰবা নিৰ্মাণ কৰি লোৱা হয়। নামঘৰত ভাওনা পাতিলে মণিকূটৰ থাপনাৰ ওচৰত এখনি শৰাই স্থাপন কৰা হয়। ৰভাঘৰত কৰিলে পূৱ মূৰে সোঁমাজত বেদী নিৰ্মাণ কৰি থাপনা পতা হয়। থাপনাৰ বিপৰীত দিশত গায়ন-বায়নে স্থান লয়। নামঘৰ বা ৰভাঘৰৰ দুয়োকাষে সোঁমাজৰ দুশাৰী খুটাৰ মাজত মুকলি ঠাইখনেই সাধাৰণতে অভিনয়থলী। ৰঙ্গভূমিৰ দুয়ো কাষৰ বাকী অংশত কঠ, কুহিলাৰ আসনত দৰ্শকমণ্ডলী বহে। পুৰুষ আৰু মহিলাৰ বাবে সুকীয়া আসনৰ ব্যৱস্থা কৰা হয়। অভিনয়থলীৰ দুয়োমূৰে পোহৰ বিকিৰণ ব্যৱস্থা আৰু নৱধা ভক্তিৰ প্ৰতীকস্বৰূপ অগ্নিগড় এযোৰ স্থাপন কৰা হয়। অগ্নিগড়ে মঞ্চ আৰু নেপথ্যৰ কাম কৰে। গায়ন-বায়নৰ পিছফালে এখন শুভ্ৰ বৰণৰ আঁৰকাপোৰ থাকে। তাৰ নাতিদূৰত ভাৱৰীয়াসকলৰ অঙ্গসজ্জা কৰা আৰু আহিলা-পাতি ৰখাৰ বাবে এটা চোঁঘৰ সজা হয়। আহোম ৰাজপৃষ্ঠপোষকতাত ভাওনাৰ থলী ৰাজসভালৈও প্ৰসাৰিত হ’ল।

অভিনয়ৰ আহিলাপাতিৰ ভিতৰত পোহৰ বিকিৰণৰ আহিলা, ভাৱৰীয়াৰ সাজপাৰ আৰু প্ৰসাধন, যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ, মুখা, বাদ্যযন্ত্ৰ আদিয়েই প্ৰধান। ভাওনাৰ সময় সাধাৰণতে ৰাতিভাগত হোৱা বাবে পোহৰৰ বাবে অগ্নিগড়, আঁৰিয়া, ডলা-চাকি, মহতা, ভোটা আদি ব্যৱহাৰ কৰা হয়। ভাওনাৰ আহিলাপাতি নিৰ্মাণত শঙ্কৰদেৱে থলুৱাভাৱে উৎপাদিত দ্ৰব্যৰ ব্যৱহাৰ কৰিছিল। এই ক্ষেত্ৰত নিজে হাতে-কামে কৰি আৰু আনকো কৰিবলৈ উদ্‌গনি দি মহাপুৰুষজনাই অসমৰ জনগণক এক কৰ্মমুখী সংস্কৃতিৰে সংস্কৃতিবান কৰি গঢ়ি তলিছিল। পোহৰ বিকিৰণৰ আহিলা বাঁহ, কাঠ আৰু মাটি আদি সামগ্ৰীৰে নিৰ্মাণ কৰিছিল। মাটিৰ চাকিত সৰিয়হৰ তেল, এৰাগুটিৰ তেল আৰু কেতিয়াবা নাহৰ গুটিৰ তেল ব্যৱহাৰ কৰা হয়।

হেঙুল, হাইতাল, ঢলমাটি, বেলগুটিৰ আঠা, বালিচন্দা, কলা ছাই, জ-খাৰ, গন্ধক, লোহাৰ গুৰি, বঙালী এৰাগছত মূঢ়া পুৰি লোৱা এণ্ডাৰ আদিৰে ভাৱৰীয়াৰ প্ৰসাধন দ্ৰব্য প্ৰস্তুত কৰি লোৱা হৈছিল। কাঠ, বাঁহ, বেতেৰে ধনু-কাঁড়, ত্ৰিশূল, তৰোৱাল, টুপ, গদা

আদি তৈয়াৰ কৰা হয়। মৰাপাটেৰে ঋষি-মুনিৰ দাড়ি-চুলি, জটা আদি প্ৰস্তুত কৰা হয়। মুখা নিৰ্মাণৰ সামগ্ৰী আছিল বাঁহ, বেত, কাঠ, মাটি, গোবৰ, ধান খেৰ আদি আৰু থলুৱা উপায়ে প্ৰস্তুত কৰা বিবিধ ৰঙ।

ভাৱনাৰ ভাৱৰীয়া, গায়ন-বায়ন, সূত্ৰধাৰ আদিৰ সাজ-পোছাক, আ-অলংকাৰ আদি মাৰ্জিত আৰু ভক্তিভাৱ প্ৰকাশক। বিষয়ববীয়া আৰু ভাৱৰীয়াৰ সাজ-পাৰ নিৰ্দ্ধাৰিত কৰি দিয়া হয়। "বিষয়ববীয়াই মাটিত ওলমি পৰাকৈ থোৰ মৰা চুৰিয়া পিন্ধে। গায়ন-বায়নে বচোৱাল নামৰ এবিধ সাজ পিন্ধে আৰু পাগুৰি মাৰে। সূত্ৰধাৰে পাগুৰি মাৰে আৰু শুভ্ৰ কাপোৰৰ ধুতি পিন্ধে। পাগুৰি সমুখৰ ফালে জোঙা। হাতত গামখাৰু, ভৰিত জুনুকা আৰু ডিঙিত সোণৰ মনিমালা পিন্ধে। ঋষি-মুনি, ব্ৰাহ্মণে শুভ্ৰ বসন, সন্যাসীয়ে গেৰুৱা বসন; ৰজা, বীৰ, দেৱতাই বালিচন্দাৰে কাম কৰা বুকুচোলা, ধুতি, কিৰিটি; কৃষ্ণই হালধীয়া বস্ত্ৰ, মূৰত মৈৰাৰ পাখি, কাণত কুণ্ডল, ৰাক্ষস, অসুৰ দানৱ আদিয়ে ঘোৰ ৰঙা বা কলা বস্ত্ৰ পিন্ধা পৰম্পৰা। সৰ্বসাধাৰণ স্ত্ৰী চৰিত্ৰৰ প্ৰধান সাজ আছিল ৰিহা-মেখেলা। ৰাৱণ, গণেশ, বৰাহ, ব্ৰহ্মা, কুলাচল, অসুৰ আদি দেখাত অস্বাভাৱিক যেন লগা চৰিত্ৰৰ ক্ষেত্ৰত মুখা পৰিধান কৰা পৰম্পৰা।"[৪] সম্ভ্ৰান্ত মহিলাই পাটৰ শাড়ী ব্যৱহাৰ কৰা কথা উল্লেখ কৰা আছে।"[৫] বুলি ড০ কেশৱানন্দ দেৱগোস্বামীয়ে উল্লেখ কৰিছে।

ভাওনাত ব্যৱহৃত পৰম্পৰাগত বাদ্যযন্ত্ৰ হৈছে খোল, মৃদঙ্গ, বৰতাল, ডবা, খুটিতাল, কাঁহ, শঙ্খ, কালী, ঘণ্টা আৰু নাগেৰা। অৱশ্যে ভাৱৰীয়া ভেদে প্ৰৱেশৰ বেলিকা আৰু পৰিস্থিতি সাপেক্ষে নিৰ্দ্ধাৰিত বাদ্যহে বজোৱা হয়। উদাহৰণ স্বৰূপে তাল-খোল সকলো ক্ষেত্ৰতে বজোৱা হয়। যুদ্ধাদিৰ বাজনাত খুটিতালৰ প্ৰয়োগ আৰু নাটকৰ নায়কৰ বেলিকা শঙ্খ, কাঁহ, ঘণ্টা আদিও বজোৱা হয়।

মুঠতে ক'বলৈ গ'লে ভাওনাত প্ৰয়োজনীয় আহিলাপাতি অসমৰ কলাকুশলী শিল্পীৰ দ্বাৰাই থলুৱাভাৱে উৎপাদিত হৈছিল। ইয়াৰ দ্বাৰাই ভাওনা সংস্কৃতিত আত্মনিৰ্ভৰশীলতাৰ উমান পোৱা যায়।

ভাওনাৰ পৰিৱেশ মূলতঃ ধৰ্মীয় বা আধ্যাত্মিক আৰু পবিত্ৰ। বিবিধ ধৰ্মীয় উৎসৱ উপলক্ষে পালিত ভাওনা অনুষ্ঠানত জাতি-বৰ্ণ, উচ্চ-নিম্ন নিৰ্বিশেষে সকলো শ্ৰেণী আৰু সকলো স্তৰৰ লোকেই অংশ গ্ৰহণ কৰিব পাৰে আৰু ভাওনা চাই ধৰ্ম, অৰ্থ কাম মোক্ষ চৰিতাৰ্থ কৰে। ভাওনাৰ যাৱতীয় আহিলাপাতি সমূহকো স্বৰ্গীয় বা অপাৰ্থিৱ বুলি ধাৰণা কৰা হয়। ভাৱৰীয়াসকলে ভাওনা দিনা উপবাসে থাকিব লাগে। ভাওনা থলীত জোতা-চেণ্ডেল পিন্ধি প্ৰৱেশৰ অধিকাৰ নাই। মাদকদ্ৰব্য ব্যৱহাৰ কৰা ব্যক্তিয়ে ভাওনাথলীত প্ৰৱেশ কৰিলে উপযুক্ত দণ্ড বিহা হয় আৰু ভাওনা থলীৰপৰা বহিষ্কাৰ কৰা হয়। ভাওনাক কলা সাধনাৰ কেন্দ্ৰৰূপে গণ্য কৰা হয় আৰু সেয়ে ডেকা-বুঢ়া সকলোৰে ভাওনা সংস্কৃতিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰে।

**ভাওনা সংস্কৃতিৰ পৰিৱৰ্তন ঃ** সংস্কৃতিৰ মূল বৈশিষ্ট্য হৈছে পৰিৱৰ্তনশীলতা। সময়ৰ অপ্ৰগতিত সমাজৰ প্ৰয়োজন বা মানুহৰ ৰুচিৰ অনুকূলে সংস্কৃতিৰ পৰিৱৰ্তন হয়। সময় আৰু পৰিস্থিতিৰ লগত খাপ খুৱাই চলিবলৈ যাওঁতে ভাওনা সংস্কৃতিৰো পৰিৱৰ্তন হৈছে। ৰচনাৰীতি আৰু পৰিৱেশন ৰীতি উভয়তে ভাওনাৰ পৰিৱৰ্তন দৃষ্টিগোচৰ হয়।

**ৰচনাৰীতি বা আঙ্গিক পৰিৱৰ্তন ঃ** ভাওনাৰ নাটসমূহত নাট্যকাৰসকলৰ মৌলিকতাৰ পৰিমাণ কমি আহিল। একেখন নাটৰ কাহিনীক লৈয়ে বেলেগ বেলেগ নাটৰ সৃষ্টি হ'ল। শ্লোক, গীত, পদ, সংলাপ আদিত অনুকৰণধৰ্মীতাই দেখা দিলে। নাটবোৰ নৃত্য-গীত প্ৰধানতাৰ পৰিৱৰ্তে সংলাপ প্ৰধান হৈ পৰিল। জন-মনোৰঞ্জনৰ দিশত অধিক গুৰুত্ব দিয়া প্ৰচেষ্টা চলিল আৰু ৰামায়ণ, মহাভাৰত, কীৰ্ত্তন, দশম আৰু বধকাব্যৰ আধাৰত ভাওনাৰ নাট ৰচিত হ'বলৈ ধৰিলে। সংলাপ ব্যৱহাৰৰ ক্ষেত্ৰত নাট্যকাৰসকলে ৰামায়ণ, মহাভাৰত, কীৰ্ত্তন আদিৰ পদৰ পৰা চয়ন কৰিবলৈ ল'লে। যুদ্ধ-বিগ্ৰহৰ আদিতে চৰিত্ৰ বিশেষৰ বাক্‌যুদ্ধৰ সংলাপ হুবহু অনুকৰণ কৰা হৈছে। উদাহৰণ স্বৰূপে 'সীতাহৰণ' নাটত শূৰ্পণখাৰ বচন— 'হে লক্ষ্মণ, কামদেৱ সদৃশ তোমাৰ ৰূপ দেখি কথাহন্তে এথা আৱলো। ইহা জানি দণ্ডকাবনত তোমাৰ আমাৰ ক্ৰীড়া হৌক।" এই উক্তিটো মাধৱ কন্দলীৰ ৰামায়ণত থকা পদত গদ্যৰূপ—

শূৰ্পনখা বোলে শুনা লখাই মহাবীৰ।

কামদেৱ যেন শোভে তোমাৰ শৰীৰৰ.দণ্ডুকাৰ বন তিনি ভূৱনত সাৰ।

ইহাত ৰমণ হৌক তোমাৰ আমাৰ।।"[৬]

নাটৰ আৰম্ভণিৰ নান্দীশ্লোকৰ প্ৰয়োগৰ ক্ষেত্ৰত অনুকৰণধৰ্মীতাই দেখা দিলে। কেতিয়াবা সাধাৰণ স্তুতিগীত এটিৰে আৰম্ভ কৰা পৰিলক্ষিত হ'ল। সেইদৰে শেষত মুক্তিমঙ্গল ভটিমাৰ প্ৰয়োগ বহু নাটত নোহোৱা হ'ল। উদাহৰণ স্বৰূপে 'জৰাসন্ধ বধ', 'সুভদ্ৰা হৰণ নাট' আদিলৈ আঙুলিয়াব পাৰি। ব্ৰজাৱলী ভাষাৰ ব্যৱহাৰ নাটত কমি আহিল। গীত আৰু পয়াৰবোৰ ব্ৰজাৱলী মিশ্ৰিত অসমীয়া নাইবা কেৱল অসমীয়াত ৰচিত হ'বলৈ ধৰিলে। ভাওনাত যুদ্ধ-বিগ্ৰহৰ পৰিমাণ বৃদ্ধি পালে। জনমনোৰঞ্জনৰ বাবে 'বহুৱা' নামৰ এক শ্ৰেণীৰ চৰিত্ৰৰ সৃষ্টি হ'ল। আজিকালি মাতৃভাষাৰ ভাওনাত সূত্ৰধাৰৰ কাম চমু চাপিল। ভাৱৰীয়াৰ প্ৰৱেশৰ আগে আগে সূত্ৰধাৰৰ কাম শেষ হয়। নাটৰ মাজত চৰিত্ৰসমূহৰ প্ৰৱেশ-প্ৰস্থান সম্পৰ্কীয় এক-দুই শাৰী বাক্যৰ বাহিৰে বাকীবোৰ সূত্ৰধাৰৰ কাৰ্যাৱলী বৰ্তমান কালৰ নাট্যকাৰে পৰিহাৰ কৰিলে। তাৰ পৰিৱৰ্তে দৃশ্যসজ্জাৰ ওপৰত গুৰুত্ব দিয়া দেখা যায়। সূত্ৰধাৰৰ কাৰ্যাৱলী নাটৰ পৰৱৰ্তী পৰ্যায়ত নাট মেলোতাসকলৰ দ্বাৰা সম্পন্ন কৰা হ'ল। মুঠতে ক'বলৈ গ'লে শঙ্কৰোত্তৰ যুগৰপৰা অধুনা কাললৈকে অঙ্কীয়া নাটৰ আঙ্গিকগত ভালেমান পৰিৱৰ্তন ঘটিল আৰু ধুৰানাট, ফৌজীয়া নাট আৰু মাতৃভাষাৰ নাট আদি বিবিধ শ্ৰেণীৰ নাটকৰ সৃষ্টি হ'ল। তদুপৰি কাহিনী সৃষ্টি, পৰিৱেশ সৃষ্টি, চৰিত্ৰ আৰু কবিত্ব গুণ আদিত ভাওনাৰ নাট অধিক পৰিমাণে অনুকৰণধৰ্মী হৈ পৰিল।

**পৰিৱেশন ৰীতিৰ পৰিৱৰ্তন ঃ**

সাম্প্ৰতিক কালত ভাওনা সংস্কৃতিৰ পৰিৱৰ্তনশীলতাৰ বিশেষভাৱে মন কৰিবলগীয়া দিশ হৈছে পৰিশেন ৰীতি। ১৪৬৮ খৃষ্টাব্দত 'চিহ্নযাত্ৰা' অভিনয়ৰ পৰা সাম্প্ৰতিক কাললৈকে অসমৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি অৱস্থাৰ পৰিৱৰ্তন হোৱাৰ দৰেই ভাওনাতো ভালেখিনি পৰিৱৰ্তন আহিছে। ভাওনা পতা সময় আৰু উদ্দেশ্যৰ ক্ষেত্ৰত কিছু শিথিলতা আহি পৰিল। আজিকালি ভাওনা বৈষ্ণৱ ধৰ্মীয় অনুষ্ঠানৰ বাহিৰেও আন যি কোনো সময়তে আয়োজন কৰা হয়। কোনো লোকে ব্যক্তিগত ভাৱেও দেৱ-দেৱীৰ আশীৰ্বাদ কামনা কৰি পূজা-পাতল, নাম-কীৰ্ত্তন আদিৰ লগতে ভাওনা আয়োজন কৰে। ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ বাৰ্ষিক অধিৱেশন, চাকৰিয়াল সকলৰ বাৰ্ষিক সমাৰোহ আদিতো ভাওনা পতা হয়। ভাওনাৰ উদ্দেশ্য কেৱল ভক্তিধৰ্ম প্ৰচাৰতে আৱদ্ধ হৈ নাথাকি সাম্প্ৰতিক কালত প্ৰতিযোগিতালৈ ৰূপান্তৰিত হৈছে। আজিকালি ঠায়ে ঠায়ে (বিশেষকৈ উজনি অসমত) ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত হয় আৰু ইয়াৰ লগত আৰ্থিক লাভালাভৰ কথাও জড়িত হৈ পৰিল। ভাওনাৰ সময় সাধাৰণতে গোটেই নিশা যদিও আজিকালি কৰ্মব্যস্ততাৰ বাবেই ভাওনাৰ কিছুমান অনুষ্ঠান চমু কৰা হৈছে আৰু ভাওনাৰ সময়ো চুটি হৈ আহিছে। গায়ন-বায়নৰ যোৰাগোৱা অনুষ্ঠান আৰু নৃত্য-গীতৰ পৰিমাণ কমিল। এই প্ৰসঙ্গত কেশৱানন্দ দেৱগোস্বামীয়ে উল্লেখ কৰিছে—"আজিকালি ভাওনাৰ আয়োজন কৰা একমাত্ৰ লক্ষ্য আৰু উদ্দেশ্য হ'ল সাধাৰণ লোকক অভিনয়ৰ যোগে আকৰ্ষিত আৰু মোহিত কৰা। আজিকালি গীত-মাত আদি অন্য শৈল্পিক দিশবোৰ সম্পূৰ্ণ উলঙ্ঘা কৰা হৈছে আৰু ফলস্বৰূপে বৰ্তমানৰ প্ৰায়বোৰ ভাওনাই ঐতিহ্য ৰক্ষাৰ পৰিৱৰ্তে এক মিশ্ৰিত ৰূপেৰে জনচিত্ত বিনোদনৰ আহিলা হিচাবে থিয় দিবলৈ চেষ্টা কৰিছে।[৭]"

আজিকালি কোনো কোনো ভাওনাত মহিলাৰ অভিনয়, মহিলাই কৰা দেখা যায়। তদুপৰি কেৱল মহিলাৰ মাজতে একোখন নাটৰ অভিনয় সম্পন্ন হোৱাও পৰিলক্ষিত হয়।

ভাওনাৰ থলী বা ৰঙ্গমঞ্চৰ পৰিৱৰ্তন হ'ল। ভাওনাই নামঘৰ বা ৰভাঘৰৰ মজিয়াতে আৱদ্ধ হৈ নাথাকি আধুনিক ৰঙ্গমঞ্চ বা প্ৰেক্ষাগৃহ, স্কুল-কলেজৰ চৌহদ, দূৰদৰ্শন, অনাতাঁৰ কেন্দ্ৰ আদিত ঠাই পালে। ভাওনাৰ বাবে ওখ মঞ্চ তৈয়াৰ কৰি লোৱাও দেখা যায়। ভাওনাথলীত দৃশ্যপট সজাইও ভাওনা কৰিবলৈ লৈছে।

অভিনয়ৰ আহিলাপাতিৰ ক্ষেত্ৰতো বহুতো পৰিৱৰ্তন সাধিত হৈছে। পোহৰ বিকিৰণ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন ঘটিল। আৰিয়া, অগ্নিগড় আদি দুই এখনি সত্ৰৰ বাহিৰে অন্যান্য ঠাইত নোহোৱা হ'ল। ঘাইকৈ বিজুলীবাতি,

পেট্ৰ'মাক্স আদিৰ জৰিয়তে পোহৰ বিকিৰণৰ ব্যৱস্থা কৰা হৈছে। ধৰ্মীয় অনুষ্ঠান হিচাপে থাপনাৰ ওচৰত দুই-এগছ মাটিৰ চাকি জ্বলোৱা হয় যদিও এৰাগুটি বা নাহৰগুটিৰ তেল দিয়া নহয়। সৰিয়হৰ তেলহে ব্যৱহাৰ কৰা হয়।

ভাৱৰীয়াৰ সাজপাৰ আৰু প্ৰসাধন আদি অধিক জাকজমকতাৰে ৰূপান্তৰিত হৈছে। এই সম্পৰ্কত ড° কেশৱানন্দ দেৱগোস্বামীৰ মন্তব্য হ'ল— "পাওতাৰ ঠাইত মোজা, নেপূৰৰ ঠাইত জুনুকা, বিবিধ ৰঙীণ কাগজ, কলিকতিয়া পোছাক, ফিটা, বাৱৰি, ক্লেপহেয়োৰ, বেল বোৱালৰ ঠাইত স্পিৰিট গম, ধলৰ সলনি জিঙ্ক অক্সাইড, গ্লিচাৰিণ, মেক্স, কেষ্টৰ, পুৰৈগুটিৰ ৰসৰ ঠাইত আলতা, লিপষ্টিক আদি বিবিধ বস্তু সামগ্ৰী সোমাল।"[৮]

গতিকে দেখা যায়, অঙ্কীয়া ভাওনাৰ ভাৱৰীয়াৰ সাজপাৰ আৰু প্ৰসাধন থলুৱাভাৱে প্ৰস্তুত কৰি লোৱাৰ পৰিৱৰ্তে সহজলক্ষ্য বজাৰৰ সামগ্ৰী ব্যৱহাৰ কৰা প্ৰথা সোমাই পৰিল। গায়ন-বায়নৰ পৰম্পৰাগত সাজপাৰত শিথিলতা আহি পৰিল। বিশেষকৈ আঁঠুমুৰীয়া চুৰিয়া, হাফচাৰ্ট, চেলেং চাদৰ বা সাধাৰণ কাপোৰৰ পাগুৰি বা পাগুৰি নোহোৱাকৈয়ে যোৰা গোৰা প্ৰথাই গায়ন-বায়নৰ পূৰ্বৰ অনুষ্ঠানৰ গাম্ভীৰ্য বহুখিনি হ্ৰাস কৰিছে। তেনেদৰে ফটা লংপেণ্ট, কোট, চচমা আদি পৰিধান কৰি লাঠি বা কাঠৰ বন্দুকজাতীয় সামগ্ৰী লৈ ভাওনাথলীত প্ৰৱেশ কৰা অধুনাকালৰ ভাওনাৰ দূতৰ চৰিত্ৰই দৰ্শকক হাস্যৰসৰ যোগান ধৰে যদিও ভাওনাৰ পৰম্পৰাগত গাম্ভীৰ্য হ্ৰাস কৰিছে। ভাওনাত পৰম্পৰাগত বাদ্যযন্ত্ৰৰ উপৰিও আধুনিক বাদ্যযন্ত্ৰ যেনে— বাঁহী, হাৰমনিয়াম, চেটাৰ, এছৰাজ আদিৰ ব্যৱহাৰ হৈছে।

ভাওনাৰ পৰিৱেশ সলনি হৈছে। ভাওনাৰ জৰিয়তে সামাজিক ঐক্য, সম্প্ৰীতিৰ বান্ধোন কমি আহিল। অৰ্থনৈতিক, সামাজিক কাৰণত বহুতো গাঁৱত ভাওনা চৰ্চা-অনুশীলন কৰা মানহ নোহোৱা হৈ আহিছে। আধুনিক শিক্ষা, বৃত্তিমুখী নগৰকেন্দ্ৰিক মানসিকতা আৰু ব্যস্ততাপূৰ্ণ জীৱনধাৰাই ভাওনা সংস্কৃতিৰ পৰম্পৰাত বাধা জন্মাইছে। ভাওনাৰ আধ্যাত্মিক পৰিৱেশ কমি আহিছে। দৰ্শক-ভাৱৰীয়াই মাদকদ্ৰব্য ব্যৱহাৰ কৰি ভাওনা চোৱা, ভাও দিয়া, ভাওনাথলীত ডেকাসকলৰ কোনোৰে অশ্লীল ইংগিতেৰে চিঞৰা, মহিলাসকলে ভাওনা চাই থকা অৱস্থাত বাৰে বাংকৰা কথা পাতি ভাওনাৰ নামটোকে ক'ব নোৱাৰা আদি কু-অভ্যাস কিছুমান সততে দৃষ্টিগোৰ হয়। এনে অভ্যাসবোৰে ভাওনাৰ গাম্ভীৰ্য, মৰ্যাদা আৰু পবিত্ৰতা বহখিনি হ্ৰাস কৰিছে।

এনেকৈয়ে সময় আৰু পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বিভিন্ন আৰ্থ-সামাজিক কাৰণত ভাওনা সংস্কৃতিৰ পৰম্পৰালৈ পৰিৱৰ্তনৰ ঢল নামিছে। বিজ্ঞানসন্মত দৃষ্টিভঙ্গীৰে চালিজাৰি চাই এনে পৰিৱৰ্তন সমূহৰ কিছুমান অৱশ্যে গ্ৰহণ কৰিব পাৰি। কিন্তু তাকে কৰিবলৈ যাওঁতে ভাওনাৰ মূল ঐতিহ্য যাতে বিনষ্ট নহয় সেই কথা মন কৰিবলগীয়া। কিন্তু যিবোৰ অশুভ অপসংস্কৃতিৰ অপতৃণে ভাওনা সংস্কৃতিৰ বৰপথাৰখন চানি ধৰিছে সেইবোৰ উভালি পেলাবৰ হ'ল। তেতিয়াহে অসমীয়াৰ জাতীয় জীৱন তথা ধৰ্মীয় জীৱন আৰু সাংস্কৃতিক জীৱনক উজ্জীৱিত কৰি ৰখা মহাপুৰুষীয়া ভাওনা সংস্কৃতিৰ ঐতিহ্য আৰু স্বকীয়ত্ব বৰ্তি থাকিব।■■

**পাদটীকা ঃ**

১। সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া নাট্য সাহিত্য, পৃঃ ১০৫
২। বীৰেন্দ্ৰ নাথ দত্ত ঃ লোকসংস্কৃতিৰ স্বৰূপ আৰু অধ্যয়ন, ড০ লীলা গগৈ স্মাৰক বক্তৃতা, ৩০ নৱেম্বৰ, ১৯৯৬, পৃঃ ১৬
৩। সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া নাট্য সাহিত্য, পৃঃ ২৬
৪। বসন্ত কুমাৰ শৰ্মা ঃ নাট্য সমীক্ষা, পৃঃ ২২
৫। কেশৱানন্দ দেৱগোস্বামী ঃ অঙ্কীয়া ভাওনা, পৃঃ ৯৯
৬। বসন্ত কুমাৰ শৰ্মা ঃ নাট্য সমীক্ষা, পৃঃ ১৪
৭। উল্লিখিত গ্ৰন্থ, পৃঃ ২৮
৮। কেশৱানন্দ দেৱগোস্বামী ঃ অঙ্কীয়া ভাওনা, পৃঃ ১০৪

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। চহৰীয়া, কনকচন্দ্ৰ, চুতীয়া ধৰ্মেশ্বৰ (সম্পাঃ) ঃ স্বৰ্ণতীৰ্থ, স্মৃতিগ্ৰন্থ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, সপ্ততিতম বাৰ্ষিক অধিৱেশন, ধেমাজি, ২০০১
২। দেৱগোস্বামী, কেশৱানন্দ ঃ অঙ্কীয়া ভাওনা, ২য় সংস্কৰণ,১৯৯২
৩। দত্ত, বীৰেন্দ্ৰনাথ ঃ লোকসংস্কৃতিৰ স্বৰূপ আৰু অধ্যয়ন, ড০ লীলা গগৈ স্মাৰক বক্তৃতা, ৩০ নৱেম্বৰ,১৯৯৬
৪। শৰ্মা, বসন্ত কুমাৰ ঃ নাট্য সমীক্ষা, জানুৱাৰী, ২০০৪
৫। শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া নাট্য সাহিত্য, ৬ষ্ঠ সংস্কৰণ

**লেখিকা মৰিধল মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা, ধেমাজি**

# ধৰ্ম আৰু আধ্যাত্মিকতাত নাৰীৰ ভূমিকা

**অপৰাজিতা বৰকাকতি**

সমাজ জীৱন, ভাষা, সাহিত্য-সংস্কৃতি, আচাৰ-ব্যৱহাৰ আদিৰ অপূৰ্ব সমাহাৰেই এটা জাতিৰ গঢ় দিয়ে, শৃঙ্খলাবদ্ধভাৱে বিৱৰ্তনৰ পথত উটি নাযাবলৈ যিটি বস্তুয়ে ধৰি বা বান্ধি ৰাখে তাকে 'ধৰ্ম' বুলিব পাৰি। 'ধৰ্ম ৰক্ষতি সৰ্বদা'। বিশ্বৰ প্ৰতিটো ধৰ্মৰ উদ্দেশ্যই হৈছে মানুহক সৎ, পৱিত্ৰ, জ্ঞানৱন্ত কৰি পৰম সত্য উপলব্ধ কৰিবলৈ পথ প্ৰদৰ্শন কৰা। ভগৱানেই পৰম সত্য 'The Eternal truth'। ধৰ্মই মানৱক, সমাজক সৰ্বতোপ্ৰকাৰে আধ্যাত্মিক, বৌদ্ধিক নৈতিক আৰু মানসিকভাৱে উৎকৰ্ষ সাধন কৰে। আধ্যাত্মিকতা প্ৰজ্ঞাৰ দ্বাৰা নিয়ন্ত্ৰিত। ধৰ্ম আৰু আধ্যাত্মিকতাৰ সেয়েহে অতি ওচৰ সম্পৰ্ক। ধৰ্মগুৰুজন আধ্যাত্মিক গুৰুও হ'ব পাৰে। কিন্তু সকলো ধৰ্মগুৰুয়েই আধ্যাত্মিক গুৰুলৈ উন্নীত নহ'বও পাৰে।

ভাৰতবৰ্ষত প্ৰাচীন কালত ঋগ্বেদক কেন্দ্ৰ কৰি সৃষ্টি হোৱা ধৰ্মই হ'ল বৈদিক সনাতন ধৰ্ম। 'হিন্দুধৰ্ম' বুলি কোনো ধৰ্মৰে প্ৰচলন হোৱা নাছিল। বিদেশীসকলৰ আগমনৰ পৰাই বৈদিক ধৰ্মই 'হিন্দুধৰ্ম' নাম ল'লে। সিন্ধু নদীৰ পাৰৰ বাসিন্দাসকলক হয়তো 'সিন্ধু'ৰ ঠাইত 'হিন্দু' উচ্চৰিত হোৱাত ধৰ্মযো নাম সলালে বুলি ভাবিব পাৰি।

বেদৰ প্ৰথম দুটা ভাগ, মন্ত্ৰ বা মন্ত্ৰৰাশিৰ সংগৃহীত (copilation) নাম সংহিতা আৰু ব্ৰাহ্মণ ভাগ। কামনাপূৰ্বক যাগ-যজ্ঞাদি অনুষ্ঠান একালত শিথিল হৈ পৰাত আৰণ্যক আৰু উপনিষদসমূহ 'ব্ৰহ্মজিজ্ঞাসা'ৰ নিচিনা কঠিন স্তৰলৈ গতি কৰিলে। অতীন্দ্ৰিয় পৰম জ্ঞান প্ৰাপ্তিৰ অৰ্থে সেই কালৰ ঋষিসকল দুৰ্নিবাৰ আকুতি লৈ শ শ বছৰ ধৰি নিবিড় ধ্যান আৰু উগ্ৰতপশ্চৰণ কৰিছিল। তীক্ষ্ণধী, অত্যন্ত মেধাৱী প্ৰখৰ স্মৃতিশক্তিৰ অধিকাৰী ঋষিসকলৰ উৰ্বৰ মস্তিষ্কত জ্ঞান-মূৰ্তিয়ে দেখা দিছিল। স্মৃতিশক্তিৰ প্ৰখৰতাৰ বাবে সেই পৰমজ্ঞান মানৱ স্মৃতিত বছৰ ধৰি বিধৃত হৈ আছিল। মন্ত্ৰ বা শ্লোকৰ আকাৰে শিষ্যসকলক গুৰুঋষিয়ে প্ৰদান কৰিছিল। কালক্ৰমত মন্ত্ৰৰ একোটা স্তৱক ঋক (verse)কে ধৰি চাৰিবেদৰ সংহিতাসমূহৰ লিখিত ৰূপ পৰিগ্ৰহণ কৰে। বেদৰ এই চৰম জ্ঞান, মৰ্ম বা ৰহস্য উপনিষদত নিহিত হৈ আছে। সেই বাবে উপনিষদৰ এটা ব্যাখ্যা হ'ল 'ৰহসি', সংগোপনে যি বিদ্যা দান কৰা হয় সেয়া 'ৰহস্য' জ্ঞান। আৰণ্যক শাখাতো ঋষিসকলে লোকালয়ৰ পৰা দূৰত নিবিড় বননিত ব্ৰহ্মজিজ্ঞাসু শিষ্যক অধ্যাত্ম-বিদ্যা দান কৰিছিল। ৰহস্য অৰ্থই ব্ৰহ্ম-বিদ্যা, সৃষ্টি ৰহস্য, পৰলোকতত্ত্ব, কাৰ্য-কাৰণবাদ, জীৱব্ৰহ্মৰ ঐক্য প্ৰভৃতিবিলাকৰ গভীৰ তত্ত্বৰ আলোচনা উপনিষদত পোৱা যায়। 'আৰণ্যক' আৰু 'উপনিষদ'ৰ প্ৰতিপাদ্য বিষয় একে। ক্ৰিয়াবহুল যাগ-যজ্ঞ লুপ্ত হৈ অন্তৰৰ যাগ-যজ্ঞত পৰিণত হৈছে আৰণ্যকৰ এই আখ্যাটিও 'আধ্যাত্মিক আন্তৰ অগ্নিহোত্ৰ'। আৱহনীয়, গাৰ্হপত্য অগ্নিকুণ্ড— এই দুটা মানুহৰ শৰীৰ চালনা কৰা প্ৰাণ আৰু অপাণ বায়ুৰূপে ব্যাখ্যা কৰা হৈছে। যজ্ঞৰ গাখীৰেই শ্ৰদ্ধা, সমিধ (কাঠ) হ'ল বাক্য, আহুতি হ'ল সত্য আৰু প্ৰজ্ঞাই হ'ল আত্মা। এই গভীৰ অধ্যাত্মবিদ্যা প্ৰকৃত অধিকাৰী, শান্ত, মুমুক্ষু, বৈৰাগ্যশীল ব্যক্তিকহে আচাৰ্যই দান কৰিছিল।

আৰণ্যক যি অধ্যাত্মবিদ্যাৰ বৰ্ণনা আছে সেই বিদ্যাই পৰাকাষ্ঠা লাভ কৰিছে উপনিষদত। যি বিদ্যাই মানুহৰ জন্ম-মৃত্যুৰ কাৰণ অজ্ঞান বা অবিদ্যাক নিঃশেষভাৱে (উপ-নি অৰ্থ নিঃশেষ বা নিশ্চিতভাৱে) জীৰ্ণ কৰে (সদ্ বিনাশ কৰা) আৰু পৰম জ্ঞানে মুক্তিকামী জীৱক পৰম ব্ৰহ্মৰ ওচৰলৈ (উপ) লৈ যায়, সেই পৰমব্ৰহ্ম প্ৰাপিৰূপকেই পৰাবিদ্যা বা ব্ৰহ্মবিদ্যাই উপনিষদত স্থান পাইছে।

"আত্মা ঈশ্বৰক লাগ/প্ৰত্যক্ষে সততে পাই/ নপায় জানা তাঙ্ক অবিদ্যাত। অবিদ্যা নাশিলে লাগ/ কৃষ্ণক পাৱয় যেন/ কণ্ঠ লগ্ন বস্তুক সাক্ষাত।।"-নাম-ঘোষা, ৪১

উপনিষদৰ গভীৰতত্ত্ব আৰু পৰম ৰস আস্বাদন কৰিয়েই জাৰ্মান দাৰ্শনিক ছপেনহাৱে ব্যাধিগ্ৰস্ত আৰু অন্তিম সময়ত পৰম শান্ত্বনা লাভ কৰিছিল আৰু এজন জাৰ্মান দাৰ্শনিক মেক্স মুলাৰে ভাৰতবৰ্ষলৈ অহাৰ আগতেই বেদ আৰু উপনিষদখিনি অধ্যয়ন কৰি শেষ কৰিছিল।

কঠোপনিষদ, ছান্দোগ্যপনিষদ আৰু বৃহদাৰণ্যক উপনিষদত আখ্যায়িকাৰ সহায়ত সেই কালৰ আধ্যাত্মিক বিচাৰ বিতৰ্ক ব্ৰহ্মজ্ঞ ঋষিসকল আৰু তেখেতসকলৰ বিদুষী পত্নী, নাৰী ঋষি গাৰ্গীৰ মাজত সঘনাই হৈ থকা দেখুৱাইছে। বৈদিক ভাৰতৰ ব্ৰহ্মবাদিনী পৰম বিদুষী নাৰী লগত হোৱা উচ্চতম স্তৰৰ ব্ৰহ্মজ্ঞানৰ বিতৰ্ক সভাই নাৰী জাতিক উচ্চ আধ্যাত্মিক শিতানলৈ লৈ গৈছিল। বৈৰাগ্যশীলা যাজ্ঞবল্ক্যৰ পত্নী মৈত্ৰেয়ীৰ পাৰ্থিৱ সম্পদৰ প্ৰতি অনীহা আৰু চিৰন্তন অমৃতত্ব প্ৰাপ্তিৰ আকাংখ্যাই যি জ্ঞানমূৰ্তিৰ প্ৰকাশ পাইছে, সেয়া পশ্চিমীয়া দাৰ্শনিক আৰু সংস্কৃতজ্ঞৰ বিস্ময় কৰিছিল, মুক্তকণ্ঠে এনে দুৰ্লভ বিদুষী নাৰীক ভূয়সী প্ৰশংসা কৰিছে। যাজ্ঞবল্ক্য, গাৰ্গী, মৈত্ৰেয়ীৰ কাহিনী সত্য ঘটনাৰ ওপৰত প্ৰতিষ্ঠিত। কঠোপনিষদৰ ব্ৰহ্মজিজ্ঞাসু বালক নচিকেতা আৰু যম নামৰ আচাৰ্যৰ মাজত হোৱা কথোপকথনখিনি আখ্যায়িকাৰ জৰিয়তে দেখুৱাইছে। দুৰ্বিজ্ঞেয় আত্মজ্ঞান বিষয়ক প্ৰশ্ন তুলি নচিকেতাই নিপুণ ব্ৰহ্মনিষ্ঠ আচাৰ্যৰ পৰা উপদেশ বা উত্তৰ বিচাৰিছে। যুৱা কালত প্ৰৱেশ কৰা ব্ৰহ্মচাৰী বালকৰ মুখত পূৰ্ণ ব্ৰহ্মবাদীলোকৰ প্ৰশ্ন শুনি আচাৰ্য কিছু স্তম্ভিত হ'ল। নচিকেতাই পৰলোকত আত্মা আছে নে নাই, এনে সংশয়ৰ কথা প্ৰথমে অৱতাৰণা কৰি পৰলোক সম্বন্ধীয় মহৎ পৰয়োজনীয়তা আত্মবিজ্ঞান কেনেকৈ নিৰ্ণয় হয় সেয়া জানিবলৈ বিচাৰিলে। আচাৰ্যই বহুত সাংসাৰিক প্ৰলোভন দেখুৱাই তেওঁ আত্মজ্ঞান প্ৰাপ্তিৰ অধিকাৰী হয়নে নহয় পৰীক্ষা কৰি চালে। সত্যধৃতি, অৰ্থাৎ দৃঢ়তা বা নেৰানেপেৰা চেষ্টা দেখি যমৰাজ সন্তুষ্ট হ'ল। তেওঁ সম্পূৰ্ণ নিষ্কামী মোক্ষমাৰ্গী পুৰুষ, সেয়া জানি লৈ আচাৰ্যই নিৰ্গুণ ব্ৰহ্মই পৰব্ৰহ্ম বা ব্ৰহ্মতত্ত্ব ব্যাখ্যা কৰিলে। এই জ্ঞানময় আত্মাৰ জন্মও নাই মৃত্যুও নাই, অন্য কোনো কাৰণৰ পৰা এই আত্মাজাত হোৱা নাই—

"ন জায়তে ম্ৰিয়তে বা বিপশ্চিন্নায়ং
কুতশ্চিন্ন বভূৱ কশ্চিৎ।
অজো নিত্যঃ শাশ্বতোহয়ং পুৰাণো
ন হন্যতে হন্যমানে শৰীৰে।।

— কঠোপনিষদ, ১৮

এই নিত্য আত্মা অপক্ষয়ৰহিত আৰু পুৰণি। শৰীৰৰ মৃত্যু হ'লেও আত্মাৰ মৰণ নাই। আত্মা বিপশ্চিৎ অৰ্থাৎ সৰ্বজ্ঞ, মেধাবী আৰু আত্মাৰ চৈতন্যময়তা কেতিয়াও লুপ্ত নহয়। এই সূক্ষ্মতৰ আত্মা হৃদয়ত থাকে— "অনোৰনীয়ান/ মহতো মহীয়ান/ আত্মাস্য জন্তোৰ্নিহিত্যে/ গুহায়াম" মহততকৈয়ে মহৎ এই আত্মা প্ৰাণীৰ হৃদয়ত লুকাই থাকে। 'অক্ৰতু' অৰ্থাৎ নিষ্কামীজনেহে আত্মাৰ দৰ্শন হয়। আত্মকাম ব্যক্তিৰে এই (এষং আত্মা) নিজৰ স্ব-স্বৰূপ বুজি পায়, মহিমা দৰ্শন কৰে। 'হৃদয়ত থকা আত্মাই পৰমাত্মা'— এই বোধেই মহিমা (আত্মাৰ)। নিজৰ স্বৰূপ বা পৰমাৰ্থিক স্বৰূপ দৰ্শন কৰে।

ভক্তিমাৰ্গীয়ে আন প্ৰকাৰেও অৰ্থ কৰে (যম্ এৰ বৃণুতে —২৩/কঠো) এষ অৰ্থাৎ ভক্তিত ঈশ্বৰ যাৰ সহায় হয় বা প্ৰসন্ন হয় তেওঁৰ প্ৰতি পৰমাৰ্থিক তত্ত্ব (আত্মা পৰমাত্মা একাত্মতাৰ) আপোনা আপুনি প্ৰকাশিত হয়। বৈদিক যুগৰ পাছৰ পুৰাণৰ যুগত বেদৰ গুপ্তভাৱে নিহিত একেশ্বৰবাদৰ পুনৰ উত্থান হয়। পুনৰোত্থান মানে ঋগ্বেদীয় ঋষিসকলৰ বহুদেৱতা বিশ্বাসৰ মাজত সমস্ত দেৱতাৰ সেই এজন পৰম দেৱতাৰে বিভিন্ন প্ৰকাশৰূপে চিন্তা কৰিছিল। সেইজনক 'প্ৰজাপতি' 'হিৰণ্যগৰ্ভ', 'ক' পুৰুষ প্ৰভৃতি নামেৰে অভিহিত কৰিছে। বহু শক্তি বা দেৱতাৰ ওপৰত এক সৰ্বশক্তিমান পৰমব্যোমৰ স্বমহিমাৰে অধিষ্ঠিত হৈ থকা তত্ত্ব ঋগ্বেদজ্ঞসকলে কেতিয়াও পাহৰি যোৱা নাই। এটা বিখ্যাত মন্ত্ৰৰে ঋষিসকলে একমাত্ৰ শাশ্বত সত্তাক অনেক ৰূপে বৰ্ণনা কৰিছে—

"ইন্দ্ৰং মিত্ৰং বৰুণগ্নিমাহুৰথো
দিব্যঃ স সুপৰ্ণোগডুৰাত্মান।
একং সদ্বিপ্ৰাঃ বহুধা বদন্ত্যগ্নি
যমং মাতৰিশ্বানামাহু।।"

— ঋক, ১/১৬৪/৪৬

অৰ্থাৎ— "একমাত্ৰ শাশ্বত সত্তাক জ্ঞানীসকলে অনেক ৰূপত বৰ্ণনা কৰে, ইন্দ্ৰ, মিত্ৰ, বৰুণ, অগ্নি সুপৰ্ণ, গড়ুৰাত্মন যম, মাতৰিশ্বা আদি নানা নামেৰে নামকৰণ কৰিছে।"

কিন্তু বেদাঙ্গৰ নিৰুক্তকাৰ যাস্কই বেদত বৰ্ণিত সকলো দেৱতাই মূলতে একো একোটা পাৰ্থিৱ পদাৰ্থৰ অধিষ্ঠাত্ৰী চৈতন্যসত্তা চৈতন্যময় পৰমাত্মাৰ শক্তিৰে শক্তিমান। যি শক্তি অৰ্থাৎ পৰমাত্মা বা পৰমেশ্বৰে চৰাচৰ জগত, জগতত যিবিলাক গতিশীল বস্তু আছে, সকলোতে ব্যাপ্ত হৈ আছে। "ঈশাবাস্যমিদং সৰ্বং যৎ কিঞ্চ জগত্যাং জগত।" সকলোতে যেতিয়া ঈশ্বৰ আছে তেন্তে এই ভুৱনৰ ভূমি ধন-সম্পদনো কাৰ? এতেকে ত্যাগৰ ভাৱেৰে অৱশিষ্টখিনি গ্ৰহণ কৰা।

ভক্তিমাৰ্গত এক ব্ৰহ্মাক অব্যক্ত শক্তি ৰূপে চিন্তা নকৰি। "তেওঁৰ অৰ্থাৎ নিৰ্গুণ নিৰাকাৰ ব্ৰহ্মাক সগুণ সাকাৰ ৰূপত ভজনা কৰিছে"। "প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।" শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই কীৰ্ত্তনৰ আদিতে এই বুলি নিত্য ব্ৰহ্মাক প্ৰণাম জনাইছে। সগুণ সাকাৰজনৰ লীলাৱতাৰত সপ্ৰেম আৰু নিষ্কাম ভকতিয়ে স্থান পাইছে। "পৰম দুৰ্ধ্বোধ্য/ আত্মতত্ত্ব তাৰ জ্ঞানঅৰ্থে/ লীলা অৱতাৰ ধৰা/ তুমি কৃপাময়।।" —ঘোষা, ৬৪৩।

ভাৰতীয় দৰ্শন আৰু জীৱনাদৰ্শ ধৰ্মৰ লৌকিতা আৰু প্ৰচাৰমুখী ধৰ্ম সংস্কৰণ প্ৰায় এককোৰ হৈছে। আধ্যাত্মিকতাত লৌকিকতা নাই সেয়ে ধৰ্মৰ নীতি-নিয়মৰ পৰা আঁতৰি আছে। আমাৰ প্ৰবন্ধত ধৰ্ম আৰু আধ্যাত্মিকতাত নাৰীসকলৰ অৱদান কিমান সেই বিষয়ে আলোচনা কৰা হ'ব।

বৃহদাৰণ্যকোপনিষদত দুগৰাকী আসামান্য নাৰীৰ যশ-কীৰ্তিৰ বৰ্ণনা আছে। ঋষিপ্ৰৱৰ যাজ্ঞবল্ক্য জনক ৰজাৰ ৰাজসভাৰ উজ্বল জ্যোতিষ্ক স্বৰূপ আছিল। গোটেই ভাৰতবৰ্ষৰ বিশিষ্ট পণ্ডিতসকলক নিমন্ত্ৰণ কৰি আনি ব্ৰহ্মবিদ্যা আৰু দাৰ্শনিক তত্ত্বৰ আলোচনা আৰু বিতৰ্ক সভা অনুষ্ঠিত হৈছিল। কৌতুহলবশতঃ ৰাজৰ্ষি জনকে ক'লে— 'যিজনে শ্ৰেষ্ঠ ব্ৰাহ্মণ বুলি নিজকে প্ৰমাণ কৰিব পাৰিব, তেওঁকেই সহস্ৰ সুশ্ৰী গাই গৰু আৰু যিবিলাকৰ শিং আৰু খুৰাত সোণ খটুৱা আছে সেই সকলোবোৰ দান কৰিম।"

সেই মহাসভাত উপস্থিত থকা ব্ৰাহ্মণসকলে নিজকে সৰ্বশ্ৰেষ্ঠ ব্ৰহ্মজ্ঞ বুলি ক'বলৈ সাহ নকৰিলে। নিতালমাৰি থকা পণ্ডিতসকলৰ মাজৰ পৰাই যাজ্ঞবল্ক্য উঠি শিষ্যক ক'লে যে এই গাই গৰুখিনি তেওঁৰ আশ্ৰমলৈ লৈ যোৱা। শিষ্যইও ততালিকে গুৰুৰ আদেশ পালন কৰিলে। পণ্ডিতসকলৰ অসন্তুষ্টিৰ ৰোল উঠিল। পুৰোহিত অশ্বল আৰ্তভাগ, কহোল আদিয়ে ব্ৰহ্মতত্ত্ব বিষয়ে বিভিন্ন প্ৰশ্ন কৰি তীক্ষ্ণধীজনক বিচলিত কৰিব খুজিছিল, কিন্তু যাজ্ঞবল্ক্যৰ গুৰু-গম্ভীৰ অভূতপূৰ্ব প্ৰশ্নোত্তৰত সকলোখিনি নিমাত-নীৰৱ হ'ল। কিন্তু ভাৰতবৰ্ষতে জ্ঞান-বিদ্যাত শ্ৰেষ্ঠ দান অধিকাৰ কৰা বিদুষী মনস্বিনী নাৰী গাৰ্গী অতি গম্ভীৰ অথচ বিনয়ভাৱে যাজ্ঞবল্ক্যক শ্ৰদ্ধা জনাই কোমল মাতেৰে সুধিলে যে তেওঁ প্ৰশ্ন কৰিব পাৰিব নে? যাজ্ঞবল্ক্যৰ শ্ৰদ্ধাৰ পাত্ৰী গাৰ্গীৰ প্ৰতি বিনয় ভাবৰ প্ৰত্যুত্তৰ দি সুধিবৰ বাবে অনুমতি দিলে। গাৰ্গীয়েও অতি ব্ৰহ্মবিষয়ক সূক্ষ্মতৰ প্ৰশ্ন যাজ্ঞবল্ক্য কিছু বিস্ময়াভূত বিশেষকৈ শেষ প্ৰশ্নটো— "ব্ৰহ্মলোক ক'ত ওতপ্ৰোত?" কাৰণ ইয়াৰ উত্তৰ কোনো ঋষিপণ্ডিতে দিব নোৱাৰে। এনে গূঢ়তত্ত্বৰ আলোচনা অৱশেষত পণ্ডিতসকলে ঋষিৰ লগতে গাৰ্গীকো শ্ৰেষ্ঠা বিদুষী বুলি অজস্ৰ প্ৰশংসা কৰিলে।

ইগৰাকী বিদুষী বৈৰাগ্যশীলা নাৰী মৈত্ৰেয়ী। যাজ্ঞবল্ক্যৰ পত্নী গাৰ্গীৰ আত্মীয়া ভতিজী। দুয়োগৰাকী একেটা পৰিয়ালৰ যেতিয়া সেই পৰিয়ালত নিশ্চয় নাৰীৰ আধ্যাত্মিক শিষ্যদানৰ সম্ভাৱনা থকা নুই কৰিব নোৱাৰি। ব্ৰহ্মবাদিনী গাৰ্গী আছিল চিৰকুমাৰী, ব্ৰহ্মচৰ্যই তেওঁক সংযমী,বিনয়ী, জ্ঞানপিপাসু গুণেৰে বিভূষিত কৰিছিল। মৈত্ৰেয়ী বিবাহিতা যদিও সাংসাৰিক বিষয় চিন্তা কৰাৰ মাজতো আধ্যাত্মিক চিন্তাইহে প্ৰভাৱান্বিত কৰিছিল। সেয়েহে স্বামীয়ে বানপ্ৰস্থ গ্ৰহণ কৰি তপোবনলৈ যাবলৈ ওলোৱাত আৰু সমৃদ্ধিশালী আশ্ৰমখনিৰ গাই-গৰুকে আদিকৰি সম্পদখিনি দুগৰাকী ভাৰ্যাৰ মাজত ভাগ কৰি ল'বলৈ কোৱাত মৈত্ৰেয়ীৰ মনে অসন্তুষ্টি প্ৰকাশ কৰিলে, ঋষিক সুধিলে যে— "এই ধন-সম্পত্তিয়ে মোক অমৃতত্ব দিব পাৰিবনে।' স্বামীয়ে ক'লে— এই ধন-সম্পদ ঐশ্বৰ্যই অমৃতত্ব দিব নোৱাৰে। "অমৃতত্বস্য তু ন আশা অস্তি বিত্তেন।" পত্নীৰ বহুকালৰ আকাংক্ষিত অমৰত্বৰ প্ৰাপ্তিৰ পথ বিচাৰি ক'লে— "যিবোৰে মোক অমৰত্ব দিব নোৱাৰে সেই অসাৰ দ্ৰব্য লৈ মই কি কৰিম?" মৈত্ৰেয়ীৰ আধ্যাত্মিক স্পৃহাৰ তৃপ্তিদান কৰিবলৈ ঋষিপ্ৰৱৰে প্ৰথমে অখণ্ড আত্ম-প্ৰীতিৰ পৰা হ'ব পৰা বৈৰাগ্য ভাৱোদয় তত্ত্বখিনি সহজভাৱে বুজালে। চিত্ত-শুদ্ধিৰ বাবে শ্ৰৱণ,

মনন্ আৰু নিদিধ্যাসন, অৰ্থাৎ একান্তমনে ধ্যান কৰোঁতে আত্মজ্ঞানৰ উদয় হয় তাকো ঋষিয়ে পত্নীক বুজালে। মহৰ্ষি অম্ভৃনৰ কন্যা বাক্‌দেৱী ব্ৰহ্ম বিদুষী হৈ ব্ৰহ্ম হ'ল। (ব্ৰহ্মবিদ্ ব্ৰহ্মৈব ভৱতি) এওঁ নিজকে পৰমাত্মাৰ পৰা অভিন্ন বুলি উপলব্ধি কৰি বুজিলে যে তেওঁ (ব্ৰহ্ম)ৰ সমস্ত জগতৰ আধাৰ আৰু আশ্ৰয় 'তেওঁ'ৰ বাহিৰে আৰু কোনো নাই— এইদৰে উপলব্ধি কৰি নিজৰ আত্মাক নিজে স্তৱ কৰিছে। অম্ভূনিবাক্ ঋষি কন্যাই আঠোটা মন্ত্ৰতে সমস্ত বেদ, বেদাঙ্গ, বেদান্ত, গীতা, শ্ৰীমদ্‌ভাগৱত পুৰাণ আদি সকলো শাস্ত্ৰৰ আচল প্ৰতিপাদ্য সোমাই আছে। প্ৰথম মন্ত্ৰটি তুলি দিয়া হৈছে—

"ওঁ অহং ৰুদ্ৰেভিৰ্বসুভিশ্চৰা,
মাহমাদিত্যেৰুত, বিশ্বদেৱৈঃ।
অহং মিত্ৰাবৰুণোভাবিভ
ৰ্ম্যহমিন্দ্ৰাগ্নী অহমশ্বিনোভা।।"

অনুবাদ ঃ "মই একাদশ ৰুদ্ৰ আৰু অষ্ট বসুৰূপে বিচৰণ কৰো, মইহে দ্বাদশ আদিত্য, বিশ্বদেৱগণ ৰূপে বিচৰণ কৰোঁ; মইহে মিত্ৰ আৰু বৰুণ উভয়কে ধাৰণ কৰোঁ।" গীতাৰ দশম অধ্যায় ২৩ নং শ্লোকৰ লগত যথেষ্ট মিল আছে—

"ৰুদ্ৰানাং শঙ্কৰশ্চাস্মি বিত্তেশো যক্ষৰক্ষসাম্।
বসূনাং পাৱকশ্চাস্মি মেৰুঃ শিখৰিণামহম্।।

একাদশ (গীতা)ৰ এই শ্লোকটিৰ লগতো সামঞ্জস্য আছে—

"পশ্যাদিত্যান বসূন্ ৰুদ্ৰানশ্বিনৌ মৰুতস্তথা।
বহূন্যদৃষ্ট পূৰ্ব্বানি পশ্যাশ্চৰ্য্যানি ভাৰত।।"৬।।

সংখ্যাত কম হ'লেও বেদৰ সংহিতাবিলাকত ভালেমান বেদৰ স্তুতি ৰচনাত নাৰী-ঋষিৰ নাম পাওঁ। তাৰ ভিতৰত সাতাইশ গৰাকীৰ নাম উল্লেখযোগ্য। ঘোষা, অপালা, বিশ্ববাৰা, লোপমুদ্ৰা, কাক্ষিৱতী, জাৰিতা ইত্যাদিয়ে ব্ৰহ্মবিষয়ক আলোচনাত ভাগ লৈছিল।

পাশ্চাত্যজগতৰ নাৰীসকলৰ মাজতো আধ্যাত্মিক চৰ্চা হৈছিল, সেয়া ১৯/২০ শতিকাৰ ইতিহাসে কয়। খ্ৰীষ্টধৰ্মত ইউৰোপৰ মধ্যযুগৰ কঠোৰ সন্ন্যাস-ব্ৰতী নাৰীসকলৰ নাম পোৱা যায়। এলিজাবেথ, মেৰী, হিলদোৰ্গাড আদিয়ে ভাৰতৰ মধ্যযুগৰ মীৰাবাঈৰ দৰে নিজকে ঈশ্বৰৰ বল্লভা বুলি কল্পনা কৰি ভক্তিৰসত বুৰ গৈছিল। উনৈশ আৰু কুৰি শতিকাত ইউৰোপৰ কেইবাগৰাকী নাৰী ভাৰতীয় আধ্যাত্মিকতা, ব্ৰহ্মজিজ্ঞাসাৰ প্ৰতি আকৰ্ষিত হৈছিল। প্ৰথমে আমি লণ্ডনৰ এনি বেছান্তৰ নাম ল'ব পাৰো। সৰুৰে পৰা ধৰ্মৰ প্ৰতি হেপাহে এনিক গিৰ্জা ঘৰলৈ টানি নিছিল। কিন্তু গিৰ্জাৰ গতানুগতিকতাই তেওঁৰ মনলৈ তৃপ্তি নানিলে। খ্ৰষ্টধৰ্মই সন্তুষ্ট কৰিব নোৱৰা লোকক বৌদ্ধ আৰু হিন্দুধৰ্মৰ সমল আহৰণ কৰি নতুন ব্যাখ্যাৰে আকৰ্ষণ কৰিবৰ উদ্দেশ্যে ১৮৭৫ খ্ৰীষ্টাব্দত নিউইয়ৰ্ক চহৰত থিয়ছফিকেল চ'ছাইটি স্থাপিত হয়। এনি বেছান্তে থিয়ছফিৰ কামত মন-প্ৰাণ সমৰ্পণ কৰিছিল। এই চ'ছাইটিয়ে ভাৰতীয় দৰ্শন চৰ্চাৰ পৰা যথেষ্ট প্ৰেৰণা পাইছিল। থিয়ছফিষ্টসকলে শ্ৰীমদ্ভগৱত গীতা আৰু উপনিষদক অতিকৈ সমাদৰ কৰিছিল। এনি এনে এটি সন্থাৰ সভাপতিত্বৰ দায়িত্ব লৈ ভাৰতলৈ আহিছিল আৰু ভাৰততো এনে সন্থা স্থাপন কৰে। এনি বেছান্তৰ থিয়ছফি বা ব্ৰহ্মবিদ্যাৰ পন্থ বা ধৰ্ম নিৰপেক্ষ এক পৰমব্ৰহ্ম আৰু পৰমেশ্বৰ, বিশ্বভাতৃত্ব, আত্মাৰ অমৰত্বৰ অনুশীলন (নহি সত্যাৎ পৰং) আদি আদৰ্শই মহাত্মা গান্ধীক বিশেষভাৱে আকৰ্ষিত কৰিছিল। ডেকা কালত গান্ধীজী লণ্ডনত থাকোতেই এই মহীয়সী নাৰীগৰাকীৰ মহান সংস্পৰ্শলৈ আহিছিল। এনিৰ 'How I became a theosophist' নামৰ গ্ৰন্থখনিয়ে নাস্তিকতালৈ মন মেলা গান্ধীক ঈশ্বৰৰ ওচৰলৈ ঘূৰাই অনাত যথেষ্ট সহায় কৰিছিল। মিছেছ বেছান্তৰ আত্মজীৱনী Through storm to peaceৰ মাজেদি সংঘৰ্ষপূৰ্ণ জীৱনত আধ্যাত্মিকাই কিদৰে প্ৰভাৱ বিস্তাৰ কৰিছে সেয়া প্ৰকাশ পাইছে। ১৮৯৩ খ্ৰীষ্টাব্দত এই মহান ত্যাগী মহিলাগৰাকীয়ে ৮৬ বছৰীয়া জীৱনৰ শেষ নিশ্বাস পেলালে ভাৰতৰ মাটিতে।

সেই একে সময়ৰ আৰু দুগৰাকী ইউৰোপৰ নাৰীৰ আধ্যাত্মিক জ্ঞানস্পৃহাৰ দৃষ্টান্ত উল্লেখযোগ্য। স্বামী বিবেকানন্দই আমেৰিকাৰ পৰা ইউৰোপলৈ আহি বেদান্ত দৰ্শনৰ গূঢ়তত্ত্ববোৰ ব্যাখ্যা কৰি যি লানি বক্তৃতা দিছিল, ফ্ৰান্স, আয়াৰলেণ্ডৰ ভালেমান নৰ-নাৰী মুগ্ধ হৈছিল। আয়াৰলেণ্ডৰ বিদুষী নাৰী মাৰ্গাৰেট এলিজাবেথে তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিল ভাৰতবাসীৰ সেৱা কৰিবলৈ আৰু নাৰী মুক্তিৰ বাবে ভাৰতলৈ আহিছিল। স্বামীজীয়ে তেওঁৰ

নাম থৈছিল ভগিনী নিৱেদিতা।

একে শতিকাতে জন্মগ্ৰহণ কৰা ইংৰাজ নৌ-বাহিনীৰ সেনাধক্ষ্যৰ জীয়ৰী মেডেলিন শ্লেড (Madeline Slade) ভাৰতৰ মহাত্মা গান্ধীৰ এগৰাকী একান্ত আৰু বিশ্বাসী শিষ্যা আছিল। জীৱনৰ প্ৰথম ছোৱাত মেডেলিনে ভাৰতৰ জনসাধাৰণ আৰু তেওঁলোকৰ আশা-আকাংক্ষাৰ লগত সামান্যও চিনাকি নাছিল। আনকি গান্ধীজীৰ নামকে শুনা নাছিল। কিন্তু ফ্ৰান্সৰ 'জাঁ খ্ৰীষ্টাফা'ৰ লেখক ৰোঁমাৰোলাৰ লেখনিয়ে বিশেষকৈ তেওঁৰ 'মহাত্মা গান্ধী' নামৰ পুথিখনিয়ে মেডেলিনৰ জীৱনৰ সুঁতি ঘূৰালে, ইংৰাজৰ উচ্চপদস্থ বিষয়াৰ জীয়ৰী 'মীৰা বেন' নামেৰে পৰিচিত হ'ল। লণ্ডনতে তেওঁৰ আধ্যাত্মিক অন্বেষণ আৰম্ভ হয়। কিয়নো তেওঁ গীৰ্জালৈ যাওঁতে সদায় শুনি থকা অনন্ত জীৱনৰ কথা। স্বৰ্গ আৰু নৰকৰ কথাবিলাকেও মেডেলিনক বিবুধিত পেলাইছিল। মানৱ সেৱাৰ যোগেদি ঈশ্বৰপ্ৰাপ্তি, আত্মশুদ্ধিৰ পথানুসন্ধানত ব্ৰতী হ'ল। পৰাধীন ভাৰতৰ নিঃপীড়িত আৰু নিৰ্যাতিত জন-গণক ৰাজনৈতিক, মানসিক আৰু আধ্যাত্মিক দিশত সম্পূৰ্ণ মুক্ত কৰিবৰ বাবে সত্য আৰু অহিংসাকে আশ্ৰয় কৰি গঢ়ি তোলা আন্দোলনটো মহামানৱজনে কিদৰে আগুৱাই নিব বা মেডেলিনে কিদৰে সহায়ৰ হাত আগবঢ়াব পাৰিব, দিনে-নিশাই তেওঁ চিন্তা কৰিলে। সৰ্বসাধাৰণ ৰাইজৰ দৰে এবছৰ ধৰি ক্লান্তিহীন সাধনাত ব্ৰতী হ'ল, সূতা-কটা, কাপোৰ বোৱাৰ অভ্যাস, নিৰামিষ আহাৰ গ্ৰহণ, পকা মজিয়াত শুবলৈ অভ্যাস কৰিবলৈ ধৰিলে। লগতে ভাৰতীয় ধৰ্ম, সাহিত্য-সংস্কৃতিৰ জ্ঞানো আহৰণ কৰিবলৈ ফৰাছী ভাষাত অনুদিত শ্ৰীমদ্ভগৱদ্ গীতা আৰু ঋক্‌বেদ অধ্যয়ন কৰিবলৈ একানপতীয়াকৈ লাগিল। গান্ধীজীৰ লগে লগে ধ্যান আৰু প্ৰাৰ্থনাই আত্মিক বল-শক্তি সবল আৰু দৃঢ় কৰিছিল।

মহাত্মা গান্ধীক প্ৰাৰ্থনা সভাত গুলী কৰি হত্যা কৰা খবৰটো পাই মীৰা বেনে ঋষীকেশৰ কুটীৰত বহি ৩ ঘণ্টা ধ্যানত নিমগ্ন হৈছিল। তেওঁৰ আত্মজীৱনী 'The Spirit's Pilgrimage'ত লেখিছে— "বাপুৰ জীৱনৰ দীঘলীয়া 'ক্ৰুচিফিকেচন'ক অন্ত পৰিল, শৰীৰ ক্ৰুচিফিকেশ্যৰ পৰিসমাপ্তি ঘটিল। বহুত বছৰ ধৰি অতিবাহিত হ'ব পাৰে, কেইবাটাও শতাব্দীও লাগিব পাৰে। কিন্তু আন সকলো ব্যৰ্থ হ'লেও বিশ্বমানৱৰ প্ৰেমত অনুপ্ৰাণিত হৈ স্বইচ্ছাৰে কৰা শেষবাৰৰ এই চৰণ ত্যাগে নিশ্চয় জয়লাভ কৰিব (অসীমৰ যাত্ৰী' অসমীয়া অনুবাদ, পৃ. ৩৬২)

ভাৰতীয় দৰ্শন বা আধ্যাত্মিকতা আৰু ধৰ্মৰ লৌকিকতা আৰু সংস্কাৰমুখী প্ৰচাৰৰ পৰা মুক্ত নহয় বুলি ক'ব পাৰি। ষড়দৰ্শনৰ মুক্তিবাদ (উত্তৰ মীমাংসা) আৰু পুৰাণ যুগৰ ভক্তিবাদ (শ্ৰীমদ্ভাগৱত পুৰাণ)ত উপনিষদৰ এক ব্ৰহ্মচিন্তা বা উপলব্ধিৰ পাছত নিষ্কাম ভকতিয়ে স্থান পাইছে যাক আমি সপ্ৰেম (ৰসময় ভকতি) ভকতি বুলি ক'ব পাৰো। অধ্যাত্মবাদৰ চিন্তাও মূলতে এক হৈছে। শ্ৰীমদ্ভগৱদ্ গীতাত ভগৱান কৃষ্ণই কৈছে—

"অক্ষৰং ব্ৰহ্ম পৰমং স্বভাৱোঽধ্যাত্মমুচ্যতে।
ভূতভাৱোদ্ভৱকৰো বিসৰ্গঃ কৰ্মসংজ্ঞিত।।

— অষ্টমোঽধ্যায়, ৩

অৰ্থ ঃ "পৰম অক্ষৰ যি বস্তু (জগতৰ মূল স্বৰূপ) তেওঁৰেই ব্ৰহ্ম, স্বভাৱেই অধ্যাত্ম বুলি উক্ত হয়। পৰমব্ৰহ্ম প্ৰত্যগাত্মভাৱ যি দেহত থাকে।"

ভগৱদ্ভক্তিৰ দ্বাৰায়ো ব্ৰহ্মজ্ঞানো লাভ হয়। আকৌ ব্ৰহ্মজ্ঞান হ'লেই ঈশ্বৰত পৰম ভক্তি হয়। (৯/৮ অধ্যায়)

"ঐকান্তিক মহামুনি যত/ নিৱৰ্ত্তিয়া বিধি নিষেধত/ নিৰ্গুণ ভাৱত থিতি হুয়া নিৰন্তৰে। জানি পুৰুষাৰ্থ সাৰতত্ত্ব/ কৃষ্ণ কথামৃত সাগৰত/ কথনে মথনে সদায়ে ৰমন কৰে।। —ঘোষা, ৬৪৭■■

**সহায়ক গ্ৰন্থ ঃ**
১. ৰাধানাথ ফুকনৰ ৰচনাৱলী।
২. শ্ৰীমদ্ভগৱদ্ গীতা
৩. সংস্কৃত সাহিত্যেৰ ৰূপকথা ঃ ড° বিমান চন্দ্ৰ ভট্টাচাৰ্য

**লেখিকা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ**
**নাৰায়ণদাস ঠাকুৰ আতা আঞ্চলিকৰ সাহিত্য শাখাৰ প্ৰাক্তন সভানেত্ৰী**

# মাধৱদেৱৰ নাম-ঘোষাত দাস্যভাব

ড° অৰ্চনা পূজাৰী

মহাপুৰুষ মাধৱদেৱৰ 'নাম-ঘোষা' গ্ৰন্থখন ভক্তিতত্ত্বৰ এক অনুপম কাব্যিক প্ৰকাশ 'মহাপুৰুষজনাৰ শেষ জীৱনৰ ৰচনা হিচাপে ই এক অমৰ শিল্পকৰ্ম। তেখেতৰ বিশাল ৰচনাসম্ভাৰৰ মাজত প্ৰায়সকলোতে দাস্যভাৱে ভূমুকি মৰা দেখিবলৈ পোৱা যায়। মহাপুৰুষজনাৰ বৰগীত, নাট-ভটিমা, ভক্তি-ৰত্নাৱলী, জন্মৰহস্য, নাম মালিকা, ৰাজসূয় কাব্য আদি ৰচনাতো দাস্যভক্তিৰ উল্লেখ পোৱা যায়। কিন্তু 'নাম-ঘোষা' পুথিখন মহাপুৰুষ মাধৱদেৱৰ আধ্যাত্মিক অভিজ্ঞতাৰ ছন্দোময় প্ৰকাশ। 'নাম-ঘোষা'খন মহাপুৰুষজনাই একে বহাতে ৰচনা কৰা পুথি নাছিল। চৰিত পুথিমতে মহাপুৰুষ শঙ্কৰদেৱৰ আজ্ঞা শিৰোধাৰ্য কৰি মাধৱদেৱে শঙ্কৰদেৱৰ জীৱন কালতে ভালেখিনি ঘোষা ৰচনা কৰিছিল যদিও শঙ্কৰদেৱৰ তিৰোভাৱৰ পিছত সুন্দৰীদিয়াত থাকোতে বাকীখিনি ৰচনা কৰি মাধৱদেৱৰ তিৰোভাৱৰ আগেয়েহে ভেলাদুৱাৰত গ্ৰন্থখনি সম্পূৰ্ণ কৰে। বিভিন্ন বৈষ্ণৱ সংস্কৃত গ্ৰন্থৰ পৰা চাৰিশমান ঘোষা মাধৱদেৱে অনুবাদ কৰি নাম-ঘোষা পুথিখনত অন্তৰ্ভুক্ত কৰিছে। কিন্তু সেইবোৰৰ অনুবাদ এনে সুন্দৰ আৰু প্ৰাঞ্জল হৈছে যে তাক অনুবাদ নুবুলি মৌলিক বুলিবৰহে থল বেছি। বাকীবোৰ ঘোষা অৱশ্যে তেখেতৰ নিজা সৃষ্টি। অনুদিত ঘোষাসমূহৰ উৎসসমূহ হ'ল— ভগৱদ্‌গীতা, ভাগৱত পুৰাণ, বৃহন্নাৰদীয় পুৰাণ, ব্ৰহ্মপুৰাণ, পদ্মপুৰাণ, বিষ্ণুপুৰাণ, বামনপুৰাণ, মৎস্যপুৰাণ, শ্ৰীধৰ স্বামীৰ ভাগৱত ভাৱাৰ্থ দীপিকা, শান্তিশতক, গীতা সুবোধিনী টীকা, শঙ্কৰদেৱৰ ভক্তি ৰত্নাকৰ, শঙ্কৰাচাৰ্যৰ মোহ মুদ্‌গৰ, বৈষ্ণৱামৃত লহৰী, ভক্তি-ৰত্নাৱলীৰ কান্তিমালা টীকা আদি শাস্ত্ৰৰ পৰা অনুবাদ কৰি মাধৱদেৱৰ পাণ্ডিত্যৰ পৰিচয় দাঙি ধৰিছে। এই গ্ৰন্থখনিৰ অন্যতম টীকাকাৰ বিনোৱাভাৱেৰ মতে, পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ধৰ্মগ্ৰন্থসমূহৰ ভিতৰত নাম-ঘোষাও অন্যতম।

নাম-ঘোষাত দৰ্শন বা তত্ত্বৰ কঠিনতা আমি কোনোদিনেই বিচাৰি পোৱা নাই। নাম-ঘোষা হ'ল আৱেগ আৰু অনুভৱৰ এক সূক্ষ্ম প্ৰকাশ। দাস্যভাৱৰ দৃঢ় প্ৰকাশ ঘটা মহাপুৰুষ মাধৱদেৱৰ নাম-ঘোষাত ভাৱৰ গাঢ়তা আৰু ভক্তিৰ আকুলতাই ভক্তজনক যিমানখিনি আনুভূতিক উন্মতা প্ৰদান কৰে, আনকোনো দাস্যভাৱৰ ৰচনাই সিমানখিনি গভীৰতা দিব নোৱাৰে।

মহাপুৰুষ মাধৱদেৱে 'মুক্তিত নিস্পৃহ' জনক প্ৰণামেৰে নাম-ঘোষা আৰম্ভ কৰিছে আৰু তাৰাৰ ভাৱনাৰ সিদ্ধিৰ যোগেদি নাম-ঘোষাৰ সমাপ্তি কৰিছে। পৰমপুৰুষ কৃষ্ণৰ প্ৰতি থকা ভক্তিভাৱত অৱগাহন কৰি ভগৱান কৃষ্ণৰ মাহাত্ম্য প্ৰচাৰৰ যোগেদি ভক্তিধৰ্মৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ উদ্দেশ্যেই নাম-ঘোষা সৃষ্টি কৰি গৈছে। বৈষ্ণৱধৰ্মৰ চাৰিবেদ বুলিলে সাধাৰণতে কীৰ্ত্তন, দশম আৰু মাধৱদেৱৰ নাম-ঘোষা আৰু ৰত্নাৱলীক বুজোৱা হয়।

ভক্তিতত্ত্ব প্ৰকাশৰ আৰু প্ৰচাৰৰ ক্ষেত্ৰত মহাপুৰুষীয়া ধৰ্মত নাম-ঘোষা সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ বুলি বিবেচিত হৈছে। শঙ্কৰী ধৰ্মৰ একশৰণবাদ, বিষ্ণু-কৃষ্ণৰ একমাত্ৰ উপাসনা নাম-ঘোষাৰ সহজ-সৰল পদবোৰৰ মাজতে মাধৱদেৱে সুমুৱাই থৈ গৈছে। ভাগৱত পুৰাণখন যিহেতু সমস্ত বেদান্তৰ সাৰবস্তু; সেয়ে বেদান্ত দৰ্শনে নাম-ঘোষাত ভূমুকি মৰাতো একো ডাঙৰ কথা নহয়। অৱশ্যে একত্ব বা অদ্বৈতত্বই বৈষ্ণৱ আদৰ্শত বিশেষ ভূমিকা পালন কৰিছে। এই অদ্বৈততা গৈ কৃষ্ণত কেন্দ্ৰীভূত হৈছে। কিন্তু মহাপুৰুষ মাধৱদেৱে হৰি বা কৃষ্ণক ভগৱন্তক নিৰ্গুণ বুলি কৈছে, সেয়ে তেওঁৰ ঈশ্বৰ বা কৃষ্ণ ব্ৰহ্মৰ বাহিৰে একো নহয়। আনহাতে বেদান্তই ব্ৰহ্ম আৰু আত্মা একে বুলি কৈছে। আমাৰ আলোচ্য বিষয় হ'ল— নাম-ঘোষাৰ

দাস্যভাব। দাস্যভাবৰ বহু উদাহৰণ নাম-ঘোষা গ্ৰন্থখনৰ আগৰপৰা গুৰিলৈকে ঠাইখাই আছে। তথাপিও ঘোষা-ছন্দৰ শেষৰ ফালেহে ইয়াৰ প্ৰকাশ বেছি। দাস্যভাৱৰ মধুৰ প্ৰকাশ স্বামী বা গৰাকীৰ উপস্থিতিয়ে আৰু অধিক মধুৰতৰ কৰি তোলে। এনে ধৰণৰ মানসিক স্থিতি এটা ঘোষা ছন্দত দেখিবলৈ পোৱা যায়—

"যাদৱ যদু নন্দন মাধৱ মধুসূদন।
তুমি নিজ নিৰঞ্জন নাৰায়ণ।
তোমাত লৈলো শৰণ।।"৬৮৪

ইয়াৰ পিছতে সন্মুখত থকা মানুহক এৰি নিদিয়াৰ দৰে 'মোক নেৰিবা' 'সত্যে সত্যে শৰণ পশিলো' বুলি ভগৱানকো ধৰি ৰখাৰ প্ৰয়াস কৰিছে।

মাধৱদেৱে তেখেতৰ গুৰু শঙ্কৰদদেৱক ভজনা কৰাৰ মাজেৰে ঈশ্বৰ-উপলব্ধিৰ পথ প্ৰশস্ত হয় বুলি ভাবিছে। আত্মনিৱেদন আৰু গুৰু-শৰণ লোৱাৰ মাজৰেই দাস্যভাব প্ৰকট হৈ উঠে। সেয়ে মাধৱদেৱে কৈছে—

হে দয়াশীল দেৱ দামোদৰ এ
তোমাৰ চৰণে বোলোহো কাকুতি বাণী
মোৰ দাস কৰি লৈলে হৰি এ।৮০১

দয়াশীল হে দামোদৰ তোমাৰ চৰণত কাকুতি কৰিছোঁ মোক তোমাৰ দাস কৰি লোৱা। মোক কৃপা কৰিলে ভগৱন্তৰ অকণো ক্ষতি নহয়।

মাধৱদেৱৰ নাম-ঘোষাত তেখেতে নিজকে অনাথ, আশ্ৰয়হীন, ভৃত্য বুলি কৃপাৰ সাগৰ ভগৱন্তৰ চৰণত আশ্ৰয় ভিক্ষা কৰিছে। ৮০৪ নং ঘোষাত তেখেতে কৈছে যে— প্ৰভুৰ সেৱা কৰাই হ'ল ভৃত্যৰ কাম আৰু ভৃত্যৰ প্ৰয়োজন পূৰণ কৰি দিয়াটোৱেই প্ৰভুৰ কাম। তথাপি তেখেতৰ মনত শঙ্কা উপজিছে। কিজানিবা ভৱগৱন্তই তেওঁক গ্ৰহণ নকৰেই। সেয়ে যেন মাধৱদেৱক দাস কৰি নল'লেও ভগৱন্তই দাসৰো দাস কৰিলেও সন্তোষ লভিব। সেয়ে মাধৱদেৱে নাম-ঘোষাৰ ৮০৬ নং ঘোষাত কৈছে—

"ভকতৰ বশ্য লুইবাৰ শঙ্কায় এ
জোনো মোক তুমি দাস পৰিহৰা হৰি।"

"আত্মনিৱেদন বা শৰণৰ লগতেই দাস্য ভাবৰ সম্বন্ধ বেছি। সখীত্ব বা বন্ধুত্বও আত্মনিৱেদনৰ বাবে প্ৰয়োজনীয় এটা পূৰ্বৰ অৱস্থা হ'ব পাৰে। প্ৰভু আৰু অন্তৰঙ্গ বন্ধু উভয়ৰে ওচৰত আত্মনিবেদন কৰিব পাৰি। আত্মসমৰ্পণ বা শৰণ গ্ৰহণৰ স্তৰটো আত্মনিৱেদনৰ পাছৰ স্তৰ।"[১] সেয়েহে সখী, বন্ধু, সুহৃদ আদি শব্দৰে ভগৱন্তৰ প্ৰতি গভীৰ আৱেগ প্ৰকাশ কৰিব পাৰি। 'গুৰু' হ'ল ঈশ্বৰৰ প্ৰতীক স্বৰূপ। গুৰুসেৱাৰ মাজেৰে ঈশ্বৰ প্ৰাপ্তিৰ পথ প্ৰশস্ত হয়। ৩৭৫ নং ঘোষাত সেয়ে মাধৱদেৱে কৈছে—

শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনায় নাই নাই নাই
আমাক পৰম গুৰু।।'

অদ্বৈত বেদান্তত জীৱকো ব্ৰহ্মৰ লগত একে বুলি কৈছে। 'নাম-ঘোষা'ত ঈশ্বৰক ব্ৰহ্ম বা পৰমাত্মা বুলি কৈছে, কিয়নো নিৰ্গুণ কৃষ্ণৰ সগুণ ভাবক মানৱৰ মনত ৰোপণ কৰা হৈছে। অনেদৰেই সসীম ৰূপৰ মাজতেই ব্ৰহ্মৰ নিৰ্গুণ ৰূপক উপলব্ধি কৰা যায়। "ভক্তিৰসত যেতিয়া চিত্তবৃত্তিবোৰ আলোড়িত হৈ উঠে, তেতিয়া ৰাম, কৃষ্ণ, নাৰায়ণ আদি সীমাবাচক মূৰ্তিৰ ভিতৰেদি এক বিৰাট অখণ্ড, আনন্দময়, জ্যোৰ্তিময়, সীমাহীন পদাৰ্থৰহে আভা দেখা যায়।"[২] এই আভাৰ ওচৰত বিনয়ী মাধৱদেৱে নিজকে অজ্ঞ কৰি আত্ম-নিৱেদন কৰিছে। পাপী ভকতে কিদৰে হৰিক ভকতি কৰিব—

নাজানোহো আৱাহন নাজানোহো বিসৰ্জন
পূজামন্ত্ৰ নাজানো কিঞ্চিত।
এতেকে পৰমেশ্বৰ দাসভৈলো চৰণৰ
মোৰ গতি সাধিবে উচিত।।১৩৯

হে হৰি তোমাক কিদৰে আৱাহন আৰু কিদৰে বিসৰ্জন দিব লাগে ভক্তই সেই কথা নাজানে। সেয়ে পৰমেশ্বৰৰ ওচৰত দাস হ'ব বিচাৰিছে ভক্তই। কল্পতৰু ভগৱন্তই ভকতৰ মঙ্গল কল্যাণৰ বাবে যেন নিশ্চয় সহায় কৰিব। পৰম ভক্তজন হ'ল ভগৱানৰ আশ্ৰিত। নাম-ঘোষাই সেৱাক কেৱল সাধনৰূপে গ্ৰহণ নকৰি, সি যে সকলোৰে বাবে সাধ্য সেই কথাৰো প্ৰমাণ দি গৈছে।

মাধৱদেৱৰ দাস্যভাৱৰ চূড়ান্ত নিদৰ্শন প্ৰকাশি উঠিছে নাম-ঘোষাৰ ৬৭০ নং ঘোষাটিত। ঘোষাটি এনে—

"নোহো জানা আমি চাৰি জাতি/ চাৰিও আশ্ৰমী নোহো আতি/ নোহো ধৰ্মশীল দান ব্ৰত তীৰ্থগামী। কিন্তু পূৰ্ণানন্দ সমুদ্ৰৰ/ গোপী ভৰ্ত্তা পদ কমলৰ/ দাসৰ দাসৰ

তান দাস ভৈলো আমি।।”

এয়াই দাস্যভক্তিৰ নমুনা। দৈস্যভাব শুদ্ধ ভক্তিভাবৰ লক্ষণ। শ্ৰীমাধৱদেৱে অত্যন্ত দৈন্যবাৱে নিজৰ পৰিচয় দিবলৈ গৈ চাৰি আশ্ৰম যেনে— ব্ৰহ্মচৰ্য, গাৰ্হস্থ্য, বানপ্ৰস্থ আৰু সন্ন্যাসৰ ভিতৰত নিজে নপৰে বুলি কৈ নিজৰ দীনতা প্ৰকাশ কৰিছে আৰু এনে দীনতাৰ মাজেৰেই, এনে তুচ্ছ ৰূপত নিজকে অভিষিক্ত কৰি মহাপুৰুষজনাই শান্তি অনুভৱ কৰিছে। শুদ্ধ ভক্তিভাৱৰ বাবে তেখেতে কেতিয়াও অহংভাব মনলৈ অনা নাছিল।

নাম-ঘোষাত প্ৰধানতঃ তিনিটা ভাবৰ ধাৰা মিহলি হৈ বিশাল আনন্দ সাগৰৰফালে প্ৰবাহমান হৈছে— পুণ্য শ্লোক শঙ্কৰৰ স্মৃতি, মাধৱদেৱৰ আত্মলঘিমা আৰু কৃষ্ণভক্তিৰ মাহাত্ম্য। কিন্তু হিমালয়ৰ নিভৃত শৃংগৰ ওপৰত স্তুপীকৃত হৈ থকা এক অনন্ত তুহিন ৰাশিয়েই গলি গৈ ভৈয়ামত নানান নদ-নদী স্বৰূপে অৱতীৰ্ণ হোৱাৰ দৰে, এই তিনিও ধাৰাৰেই মূল কাৰণ হৈছে মাধৱদেৱৰ ৰসময়ী ভক্তিৰ গভীৰ আৱেগ।”[৩] এই ৰসময়ী ভক্তি আৰু সদ্ভাৱৰ মাজেৰেই সেৱা সম্ভৱ। ভগৱানৰ নাম পৰমপুৰুষৰ প্ৰতি থকা সদ্ভাৱৰ পৰাহে পোৱা যায় আৰু তাৰ মাজেৰেই দাস্য বা সখীত্বৰ দ্বাৰা পৰমেশ্বৰক সেৱা কৰিব পাৰি।

“তুমি মোৰ অন্তৰ্য্যামী তযুভৃত্য ভৈলো আমি
জানি কৃপা কৰা হৃষীকেশ।
দান্তে তৃণ তুলি লঞো যিমতে সেৱাত ৰঞো
দিয়া মোক সেহি উপদেশ।।”১৩০

অন্তৰ্য্যামী পৰমাত্মা সকলোৰে হৃদয়তে আছে। সমস্ত বৃত্তিৰ নিয়ামক তেওঁ।

“মায়া আৰু অবিদ্যাৰপৰা মুক্ত হ'বৰ কাৰণে শৰণ গ্ৰহণ কৰিবলৈ হ'লে ভগৱানৰ নামক সাৰবস্তু বুলি ধৰা আৱশ্যক; কিন্তু ভগৱানত শৰণ লওঁ বুলি ভাবিলেই নহয়। আশ্ৰয়দাতা ভগৱানেও শৰণপ্ৰাৰ্থীক শৰণ দিব লাগিব।”[৪] সেয়ে তেখেতে কৈছে—

তোমাৰেসে অবিদ্যাই আমাক মুহিলে হৰি
নজানোহো তোমাৰ তত্ত্বক।
তোমাৰ চৰণে হৰি শৰণ পশিয়া সাৰ
কৰিলোহোঁ তোমাৰ নামক।।”৮৩

মহাপুৰুষীয়া সাধনমাৰ্গত আত্মসমৰ্পণ আৰু দীনতাই মাজেৰেই ভগৱানৰ বশ্য হৈ তাৰ মাজেৰেই ভক্তই নিজৰ দাস্যভাব প্ৰকট কৰি তোলে। মাধৱদেৱৰ ভক্তিৰ স্থায়ীভাব হ'ল দীনতা। 'দীন মাধৱদেৱ' আদি আদি শব্দ বহু ঠাইত মহাপুৰুষজনাই প্ৰয়োগ কৰিছে। ভগৱানক 'দীনবন্ধু' আৰু নিজকে 'দীন' বুলি নিজৰ অযোগ্যতা প্ৰকাশ কৰি দাস্য আৰু আত্মসমৰ্পণৰ যি স্পষ্ট ধাৰণা দি থৈ গৈছে, সিয়ে নাম-ঘোষাক কালজয়ী গ্ৰন্থৰূপে প্ৰতিষ্ঠিত কৰিছে।■■


**প্ৰসঙ্গ পুথি ঃ**

১. শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ১৯৮৯ চন।
২. শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ঃ নাম-ঘোষা, ২০১০ চন।
৩. ব্ৰহ্মচাৰী, শ্ৰীমৎস্বামী ঃ শ্ৰীশ্ৰীনাম-ঘোষা ভাবামৃত।
৪. মহন্ত, বাপচন্দ্ৰ ঃ নাম-ঘোষা তত্ত্বদৰ্শন, ১৯৯৭ চন।
৫. নাথ, জীৱকান্ত - নাম-ঘোষাৰ সমীক্ষাত্মক অধ্যয়ন (সম্পা.) ২০০২ চন।
৬. কাকতি, বাণীকান্ত ঃ পুৰণি অসমীয়া সাহিত্য, ১৯৬২ চন।
৭. ডেকা, হাজৰিকা কৰবী ঃ অসমীয়া সাহিত্যৰ ৰূপ-ৰস।
৮. চলিহা, ভৱপ্ৰসাদ ঃ মহাপুৰুষ মাধৱদেৱৰ বাক্যামৃত, ১৯৯৪ চন।


**পাদটীকা ঃ**

১. মহন্ত, বাপচন্দ্ৰ ঃ নাম-ঘোষা তত্ত্বদৰ্শন। পৃ. ১৬৯
২. প্ৰাগুক্ত গ্ৰন্থ পৃ. ১৬৯
৩. বাণীকান্ত ৰচনাৱলী, ১৯৯১, নাম-ঘোষা, পৃ. ৫২
৪. প্ৰাগুক্ত গ্ৰন্থ পৃ. ১৭৪


**লেখিকা আৰ্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা**

# শঙ্কৰদেৱৰ ৰচনাৱলীৰ পুথিচিত্ৰ

ড° নাৰায়ণ দাস

মহাপুৰুষ শঙ্কৰদেৱ নিজেই আছিল এজনা সুদক্ষ চিত্ৰকৰ। চিহ্নযাত্ৰা ভাওনাৰ বাবে তুলাপাতত তেওঁ সপ্তবৈকুণ্ঠৰ পট আঁকাৰ বৰ্ণনা একাধিক চৰিতকাৰে দিছে। গুৰুজনাই হেঙুল হাইতালেৰে তুলাপাতত হাতীৰ ছবি আঁকি কাঠৰ বাকচত ভৰাই মহাৰাজ নৰনাৰায়ণক উপহাৰ দিয়াৰ সংবাদো চৰিত পুথিসমূহত পোৱা যায়।[১] মহাপুৰুষজনাৰ হস্তাংকিত কোনো ধৰণৰ চিত্ৰই অদ্যাপি উদ্ধাৰ নহ'লেও তেৰাৰ শিষ্য প্ৰশিষ্যসকলে প্ৰতিষ্ঠা কৰা মন্ত্ৰসমূহে গুৰুজনাৰ ৰচনাৰাজিৰ চিত্ৰৰূপ দি পুৰণি অসমীয়া চিত্ৰকলাৰ বৰ্ণাঢ্য ক্ষেত্ৰত এক ৰেনাইছেন্সৰ সৃষ্টি কৰাটো কাৰো অবিদিত নহয়। মন্ত্ৰৰ লগে লগে ৰাজপৃষ্ঠপোষকতাত বিকশিত হোৱা গড়গঞা চিত্ৰশৈলীতো চিত্ৰকৰে মহাপুৰুষৰ একাধিক পুথিৰ চিত্ৰ ৰূপ দানত উৎসাহ দেখুৱায়। সত্ৰীয়া আৰু লোককলাৰ সুষম মিশ্ৰণৰ সুফল দৰঙী চিত্ৰশৈলীৰ যোগেদিও মহাপুৰুষৰ দশমৰ পুথিচিত্ৰই স্বমহিম্নি ৰূপত মূৰ্তিমান হোৱাটো উল্লেখযোগ্য।[২]

মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰায়খিনি গ্ৰন্থৰে আধাৰ হ'ল পুৰাণসূৰ্য, ভাগৱতপুৰাণ। পুৰ সূৰসীৰ দেশ অসমৰ কথাই নাই, সমগ্ৰ ভাৰত ভূমিত দ্বাদশস্কন্ধ ভাগৱত নাইবা ভগৱান শ্ৰীকৃষ্ণৰ ভিন্ন লীলা বৰ্ণিত দশম স্কন্ধটিৰ মূল আৰু তাৰ বিভিন্ন প্ৰাদেশিক ভাষাত হোৱা ভাঙনিৰ সচিত অনুলিপি বৰ্তমানলৈ যিমানখিনি উদ্ধাৰ হৈছে তাৰ তুলনা নাই। শঙ্কৰদেৱৰ ভাগৱতৰ ভিন্ন শৈলীৰ পুথিচিত্ৰ সমূহত উল্লিখিত সৰ্বভাৰতীয় সচিত্ৰ ভাগৱত পুৰাণৰ প্ৰৱাহমান স্ৰোতধাৰাৰ একো একোটি আলোক উজ্জ্বল সৰু বৰ লহৰ বুলিব পাৰি।[৩] বৰ্তমানলৈকে পদ ভাগৱতৰ মাত্ৰ দশম স্কন্ধৰ চিত্ৰমালাহে সম্পূৰ্ণ ৰূপত সাহিত্য ৰত্ন হৰিনাৰায়ণ দত্তবৰুৱা দেৱৰ সৌজন্যত পোহৰলৈ আহিছে (প্ৰথম প্ৰকাশ ৫০১ শঙ্কৰাব্দ) মূল তুলাপতীয়া পুথিখন নগাঁৱৰ বালিসত্ৰত সুৰক্ষিত (পুথিখনিৰ জোখ ৫৩×১৭ ছেঃমিঃ)। পুথিখনিত থকা ৰঙীণ চিত্ৰিকাৰ সংখ্যা ৩১২। তুলাপতীয়া পুথিখনিৰ এটি ফলকত ১৪৬১ শক (খ্ৰী. ১৫৩৯) বুলি লিখা থাকিলেও পুথিচিত্ৰসমূহ ইমান পুৰণি বুলিব নোৱাৰি।[৪] যিখনি সত্ৰত সচিত্ৰ পুথিখনি সংৰক্ষিত হৈছে, সেই সত্ৰখনি ১৫৩৯ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠা হোৱাৰ কোনো নজিৰ পোৱা নাযায়। পুথিচিত্ৰত গায়ন বায়ন আৰু আন চৰিত্ৰই মূৰত পৰিধান কৰা মোগলাই টুপী কংস আদিয়ে পৰিধান কৰা জামা সুদূৰ ষোড়শ শতাব্দীত অসমৰ সত্ৰীয়া পৰিৱেশত চলতি হোৱা বুলি মনে নধৰে। অসমত বৰ্তমানলৈকে উদ্ধাৰ হোৱা ভাস্কৰ্য সমূহত দেখিবলৈ পোৱা মোগলাই টুপীৰ অলংকৰণ সপ্তদশ অষ্টাদশ শতাব্দীৰ পূৰ্ববৰ্তী নহয়। ষোড়শ শতাব্দীৰ আদি ভাগত চিত্ৰিত উত্তৰ ভাৰতীয় *মৃগৱতী* আৰু মহাপুৰাণৰ চিত্ৰিকাৰ আলমত *চিত্ৰ ভাগৱত*ৰ চিত্ৰিকাসমূহ চিত্ৰিত কৰা যি সম্ভাৱনা ড০ ৰজতানন্দ দাসগুপ্তই দেখিছে,[৫] সেই সম্ভাৱনা অবিসম্বাদী নহয়। শঙ্কৰদেৱে উল্লেখ কৰা আখৰ আৰু চিয়াহী মূল পুথিখনিৰ আখৰ আৰু চিয়াহীৰে নিমিলে। সেইবাবে অনুমান কৰাত অসুবিধা নাই যে শঙ্কৰদেৱৰ উল্লিখন পৰৱৰ্তী কালৰ সংযোজনা। ড০ মোতিচন্দ্ৰই পুথিখনিৰ একাধিক ফলকৰ চিত্ৰ পৰীক্ষা কৰি ইয়াৰ চিত্ৰকৰ্ম সপ্তদশ শতাব্দীৰ শেষ অথবা অষ্টাদশ শতাব্দীৰ আৰম্ভণিত সম্পন্ন হোৱা বোলাটো তাৎপৰ্যপূৰ্ণ।[৬]

*চিত্ৰ ভাগৱত*ৰ চিত্ৰিকাসমূহৰ বৈশিষ্ট্য বৰ্ণাবলৈ গৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য বহুভাষাবিদ কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই লিখিছে—

The pictures of trees with flowers or birds have considerable charm; and animal life is vividly portrayed with observant sympathy and tenderness of feeding. The maneless Indian lion occurs more than once, and the bison (method in Assamese) which is almost extinct in the province will attract

the attention of the students. The costumes follow a conventional pattern, but it is interesting to find the drum and the horn the familiar auxiliaries of the Bihu festival, treatment of popular mythological topics in contacted sequence and represention of realistic scence of rural life constitute a gene in which Rajput painting excels and these features are exhibited to a considerable extent in the pictures in our manuscript, though not with a draughtsmanship comparable to the best examples of Rajput art.[৭]

*চিত্ৰ ভাগৱত*ৰ একোখন ফলকক ধেনুভিৰীয়াকৈ কেইবাটাও দ্বাগ কৰি প্ৰতিটো ভাগতে কৰা বিষয়বস্তুৰ চিত্ৰায়নে কলাৰসিকক জৈন *কল্পসূত্ৰ*সমূহৰ চিত্ৰলৈ মনত পেলাব। জৈন পুথিসমূহৰ দৰে চিত্ৰ ভাগৱতৰো পটভূমি উজ্জ্বল ৰঙা, হেঙুলীয়া অথবা নীলা। ত্ৰিমাত্ৰিক জ্ঞানৰ পৰিচয় ইয়াত শিল্পীয়ে প্ৰদৰ্শন কৰিব পৰা নাই। নৰ নাৰীৰ মুখায়বৰ প্ৰায়খিনিয়ে একাষৰীয়াকৈ অঁকা। আকৰ্ণ বিস্তৃত মৎস্যাকৃতিৰ চকু মুখ আৰু দেহাবয়ব অংকনত কৌণিক ৰীতিৰ সুষম প্ৰয়োগ তিলফুলীয়া জোঙা নাক, বহল আৰু এঢলীয়া কপাল ক্ষীণ কঁকাল আদিৰ চিত্ৰা ৰীতিয়ে গুজৰাট অথবা ৰাজপুত চিত্ৰশৈলীলৈ মনত পেলায়। ভৰিৰ আঙুলিৰ দৰে কঠিন কৰ্মৰ চিত্ৰাংকনতো আগ্ৰহ দেখুওৱা শিল্পীয়ে নৰদেহৰ বাহ্যিক ৰূপাংকনতেই অধিক গুৰুত্ব দিয়া দেখা যায়। ভিন্ন অভিব্যক্তি প্ৰদৰ্শনৰ প্ৰযত্ন ইয়াত পাবলৈ নাই। নৰ-নাৰীৰ ব্যক্তিসত্বাৰ স্বকীয়তা পৰিস্ফুৰণৰ প্ৰযত্নও ইয়াত দেখা নাযায়। অকল ইমানে নহয়, স্ত্ৰী পুৰুষ উভয়ৰে প্ৰশস্ত বক্ষদেশ দেখাত একে। সাজসজ্জাই স্ত্ৰী পুৰুষৰ পাৰ্থক্য অনা দেখা যায়। থিয় হৈ থকা নৰ-নাৰীসকলক সাধাৰণতে ত্ৰিভংগ আৰু আভংগ ভংগীৰ। মুখৰ পিনে চাই থকা চিত্ৰত চিত্ৰকৰে দক্ষতা দেখুৱাব পৰা নাই। ব্ৰহ্মা (৮পৃঃ) কাত্যায়নী দেৱী (৫৬পৃঃ) আৰু পৰমেশ্বৰৰ (১৯৯পৃঃ) চিত্ৰই তাৰ প্ৰমাণ।[৮]

স্ত্ৰী পুৰুষৰ সাজসজ্জাত চিত্ৰকৰে মনোযোগ দিয়াটো উল্লেখযোগ্য। গন্ধৰ্ব বিদ্যাধৰ আৰু মতা মানুহে সাধাৰণতে ধূতি, আটিল জামা (৬৯পৃঃ) চুৰীয়া আৰু মূৰত টুপী পিন্ধিছে। ড০ আনন্দ কুমাৰস্বামীৰ দৃষ্টিত, জামা প্ৰাক্ মোগল যুগীয় ভাৰতীয় পোছাক। মোগলৰ প্ৰভাৱত এইবিধ সাজে ৰাজপুতসকলৰ মাজত জনপ্ৰিয় হৈ উঠে।[৯] পুথিচিত্ৰৰ টুপীবোৰৰ পথালিকৈ মৰা পাটডালিলৈ দৃষ্টি আকৰ্ষণ কৰি ড০ মোতীচন্দ্ৰই[১০] সিবোৰ ছজ্জেদাৰ টুপীৰূপে চিনাক্ত কৰিবলৈ বিচাৰিলেও ড০ ৰজতানন্দ দাসগুপ্তই সিবোৰক সম্ৰাট আকবৰৰ কালত বহুলভাৱে প্ৰচলিত *অটপটী* পাগুৰী বুলিহে চিনাক্ত কৰিছে।[১১] সাধাৰণ ভাষাত মোগলাই টুপী আখ্যা দিয়া এইবিধ শিৰস্ত্ৰাণ ৰাজপুত, পাহাৰী, পশ্চিমীয়া আৰু দক্ষিণশৈলীৰ পুথিচিত্ৰতো দেখা যায়। আলোচিত পুথিখনিত শুকদেৱৰ প্ৰতিকৃতি সম্পূৰ্ণ নগ্ন ৰূপত অংকন কৰাটো মন কৰিবলগীয়া। শুকদেৱৰ চুলি দীঘলীয়া আৰু নিতম্বলৈকে বৈ পৰা। লগতে নীলবৰ্ণ কলেবৰত শুক্লবৰ্ণৰ পৱিত্ৰ উপবীতে শোভাবৰ্দ্ধন কৰিছে। পীতবৰ্ণৰ বহি থকা সিংহ দুটি চমকপ্ৰদ। পৰীক্ষিতৰ দেহবৰ্ণ ঈষৎ ৰঙা, উজ্জ্বল পংকজ নয়ন কলা ৰঙেৰে ৰঞ্জিত, কান্ধত পেলাই লোৱা বিচিত্ৰ ফুলবছা চাদৰ, কাৰ্ট বস্ত্ৰ, বিতোপন মুকুট, কাণৰ কুণ্ডল আৰু ডিঙিৰ মনিহাৰ অতি বিতোপন। অধিকাংশ পুৰুষে কান্ধৰ দুয়োফালে আঁঠুৰ তললৈ ওলোমাই লোৱা ফুলাম চাদৰখনি চকুত লগা। দৈত্য দানৱৰ মুখত দাড়ি গোফ দেখা যায়। ইয়াৰে দুই এখন মুখৰ চিত্ৰনত ইছলামিক চিত্ৰকলাৰ দাড়ি গোফৰ প্ৰভাৱ স্পষ্ট। তিৰোতাসকলে সাধাৰণতে শাৰী পৰিধান কৰিছে। শাৰী পিন্ধা পদ্ধতি ৰাজপুত ধৰণৰ। খোপাত আঁৰি লোৱা ফুলৰ মালাৰ অলংকৰণ মনোৰম। বিভিন্ন অংগৰ অলংকাৰে নাৰী চিত্ৰৰ সৌন্দৰ্য বঢ়াইছে। শিল্পী মাধৱ বৈশ্যৰ দৃষ্টিত নাৰীসকলৰ পিন্ধন উৰণত দেখা যায় তেওঁলোকে নানা অলংকৰণৰ কটিবস্ত্ৰ, গাৰ চোলা ফুলৰ মালাৰে অলংকৃত কৰা, সযতনে বন্ধা নেঘেৰী খোপা, মনোমোহা নক্সাৰ গাৰ চাদৰ আৰু সোণ ৰূপৰ অলংকাৰে নাৰী সৌন্দৰ্যৰ সুষমা দাঙি ধৰিছে।[১২]

চিত্ৰ ভাগৱতৰ ১৫৫ পৃষ্ঠাৰ পৰা আৰম্ভ হৈছে ৰাসক্ৰীড়াৰ চিত্ৰৰূপ। ১৫৬ পৃষ্ঠাত থকা মহাৰাসৰ ৰঙীণ চিত্ৰখনি আয়তাকাৰত সীমায়িত কৰি উপবৃত্তৰ সংগঠনেৰে চিত্ৰ ৰচনাৰ কলা কৌশল দেখুৱাই শিল্পী দক্ষতাৰ পৰিচয় দিছে। শ্ৰীকৃষ্ণই ৰূপ ধাৰণ কৰি প্ৰতি গোপীৰ লগত

একোজন কৃষ্ণ হৈ বিচিত্ৰ নৃত্য ভংগীমাৰ পৰমানন্দ মহাৰাসত প্ৰবৃত্ত হৈছে। চিত্ৰত আঠজন শ্ৰীকৃষ্ণ আৰু আঠগৰাকী ব্ৰজগোপীক নৃত্যৰ গতিছন্দত দেখা গৈছে। শ্যাম কলেবৰত পৰিধান কৰা চিত্ৰ বিচিত্ৰ অলংকৰণৰ আঁঠুৰ তললৈকে ওলমি পৰা পীতবৰণৰ চাদৰখনি আঁঠুৰ ওপৰলৈকে পিন্ধা পীত কটিবস্ত্ৰ, নিতম্ব শোভিত ৰঙচুৰা টঙালি আৰু দিব্য দেহৰ বিচিত্ৰ অংগত পৰিধান কৰা অমূল্য ৰত্নৰাজিয়ে শ্ৰীকৃষ্ণৰ অপূৰ্ব নৃত্যছন্দ মুখৰিত কৰি তুলিছে। এওঁৰ মুখখনি একাষৰীয়াকৈ থকা আৰু দেহভাগ নানা ছন্দৰ সন্মুখলৈ গতি কৰা। গোপীৰ বস্ত্ৰহৰণ দৃশ্যৰাজি (৭৫ ক, খ) নগ্ন যদিও অশ্লীল নহয়। দুই এটা দৃশ্যত ফুলৰ মালাৰে বক্ষদেশ আবৃত ৰখাৰ দৃশ্য মনোৰম।[১৩]

বৰযুণ, নদী, হ্ৰদ প্ৰভৃতিৰ চিত্ৰণ অবাস্তৱ। নীলৰঙৰ ওপৰত বগাৰেখাৰে খৰাহি মোৰ তুলি পানী বুৰোৱাৰ প্ৰচেষ্টা গুজৰাটী আৰু ৰাজপুত চিত্ৰশৈলীত দেখা যায়।[১৪] ভূতত্ত্বৰ গ্ৰন্থত থকাৰ দৰে পৰ্বত সমূহ এফাল কৰি চিত্ৰিত কৰা দেখা যায়। ডাঙৰ বস্তুক সৰু আৰু সৰু বস্তুক ডাঙৰ কৰি দেখুওৱাৰ প্ৰযত্ন চিত্ৰ ভাগৱতত আছে।[১৫] শৰৎকালত কৃষ্ণ বলোৰামৰ বৃন্দাবন লীলাৰ ক্ষেত্ৰত পৰ্বতৰ শিখৰত অংকন কৰা ময়ূৰৰ চিত্ৰখিনি পৰ্বততকৈ ডাঙৰ কৰি দেখুৱাটো তাৰ সাক্ষী (৫৩ খ) বৰষুণৰ পানী দ্যোতনা কৰিবলৈ নীলা ৰঙৰ মাজে মাজে সৰ্পিল বগা ৰেখাৰ অংকন প্ৰণালী শঙ্কৰী চিত্ৰশৈলীৰ অন্যতম বৈশিষ্ট্য।[১৬]

ঘৰবাৰীৰ চিত্ৰনত মধ্যযুগীয় স্থাপত্যশৈলীয়ে এঙামুৰি দিছে। সাধাৰণ ৰং মেলনত বিনে পটভূমি চিত্ৰণৰ আন ব্যৱস্থা চকুত নপৰে। গছ-লতিকাৰো চিত্ৰণ বাস্তৱানুগ নহয়। আকাশ বুজাবলৈ গাঢ়নীলা ৰঙৰ প্ৰয়োগ দেখা যায়, চৰাই চিৰিকতি আৰু জীৱজন্তুৰ অলংকৰণত শিল্পীয়ে বহু পৰিমাণে কুশল হস্তৰ পৰিচয় দিবলৈ সক্ষম হৈছে। গাহৰি (১৮খ), মহ (৭পৃষ্ঠা), হাতী (৭৩খ), ছাগলী (২৮ক), হৰিণ (৩০খ), মহিষ (৪৭খ) আদিৰ উপৰি সন্দিকৈ ডাঙৰীয়াই উল্লেখ কৰা কেশৰবিহীন সিংহ (২৮ ক, ৭৮ খ) আৰু মেঠোনৰ দৃশ্যই ইয়াক স্বকীয়তা প্ৰদান কৰিছে। গায়ে পোৱালীক গাখীৰ খুওৱা ছবিখনি (২৬ খ) শিল্পীয়ে আন্তৰিকতাৰে অংকন কৰাটো উল্লেখযোগ্য। চৰাইৰ ভিতৰত হাঁহ (২৫ ক) আৰু ময়ূৰে (৫০ খ) চিত্ৰকৰৰ হাতত জীৱন্ত ৰূপ পাইছে। শৰাই (২৭ খ), দীপাধাৰ আৰু কুকিৰ অংকনত থলুৱা প্ৰভাৱ স্পষ্ট। চাপৰ পীৰাৰ দৰে ৰথৰ অংকনতো এই কথা প্ৰযোজ্য।[১৭]

নৃত্যৰ দৃশ্যসমূহত ছন্দ আৰু গতিশীলতাক উপেক্ষা কৰিব নোৱাৰি (৩৯ ক, ৯৫ ক)। নৃত্য বিষয়ক দৃশ্যৰাজিত চিত্ৰিত মুদ্ৰামালাৰ উপযুক্ত অধ্যয়েৰে শঙ্কৰী নৃত্যকলাৰ পুনৰুদ্ধাৰত বিশেষ সাহায্য দান কৰিব পাৰে। খোল, তাল, পেঁপা, বাঁহী, বীণা প্ৰভৃতি মধ্যযুগৰ অসম ভূমিত প্ৰচলিত বাদ্যযন্ত্ৰৰ চিত্ৰণত চিত্ৰকৰৰ সফল হাতৰ পৰিচয় প্ৰোজ্জ্বল। এক কথাত, ‘গীতিময় ব্যঞ্জনা, সহজ সৰল গঠন ৰীতি, নাটকীয় বৰ্ণনা আৰু সুন্দৰ ৰঙৰ ব্যৱহাৰে *চিত্ৰ ভাগৱত*ক এনে এটি সৌন্দৰ্য দান কৰিছে, যাৰ লগত একে বিষয়ৰ ওপৰত চিত্ৰিত উদয়পুৰ বা আন ঠাইৰ চিত্ৰসমূহৰ কোনো তুলনা নহয়। শঙ্কৰী শৈলীত চিত্ৰিত পুথি চিত্ৰৰূপে *চিত্ৰ ভাগৱত*ৰ গুৰুত্ব আজিও মোলান পৰা নাই।[১৮]

*আদ্য দশম*ৰ সচিত্ৰ সাঁচিপতীয়া প্ৰতিলিপি এটা (পুথিৰ জোখ ৫০ ছেঃমিঃ ×১৭ ছেঃমিঃ) কামৰূপ জিলাৰ শ্ৰীহাটী সত্ৰৰপৰা নি বৰ্তমানে তাক নৱগঠিত গোৱালপাৰা জিলাৰ গোসাইবাৰি সত্ৰৰ অধিকাৰদেৰে সুৰক্ষা দিছে। পুথিখনিৰ সচিত্ৰ ৰূপৰ পৰিচয় দি ডঃ নবীন চন্দ্ৰ শৰ্মাই লিখিছে— পুথিখনিৰ প্ৰতিটো পৃষ্ঠাৰ বৰ্ণনীয় বিষয়ক বিভিন্ন ৰঙৰ সহায়ত চাক্ষুস ৰূপ দিয়া দেখা যায়। প্ৰতিটো পৃষ্ঠাৰ চাৰিওফালে দাঁতিত বিভিন্ন ধৰণৰ চিত্ৰ অংকিত কৰা হৈছে। লতা চিত্ৰৰ সোঁমাজত চিত্ৰ অৰু চিত্ৰৰ চাৰিওফালে বৰ্ণনীয় বিষয়ক বাঙ্ময় ৰূপ দিয়া দেখা যায়। অৱশ্যে মাজে মাজে দুই এটা পৃষ্ঠাত লতাকতা চিত্ৰ নাই; বৰ্ণনীয় বিষয়ৰ লগত সংগতি ৰাখি বিভিন্ন চিত্ৰহে অংকন কৰা হৈছে। (পৃঃ ১১৩ ক, ১২, ক, ১৩২ খ) ইত্যাদি।[১৯] হেঙুল হাইতালেৰে ৰঞ্জিত সাঁচিপাতত ৰঞ্জিত আদি দশম পুথিখনিৰ চিত্ৰশৈলীত নাৰী পুৰুষৰ শাৰীৰিক অৱয়ৱ, আ-অলংকাৰ, পোছাক-পৰিচ্ছদ যেনে— চক্ষু, বক্ষ, স্তন, ককাল, হাত-ভৰি, নাক-কাণ, ওঁঠ, কণ্ঠ আদি স্পষ্ট আৰু সূক্ষ্ম। তেনেদৰে কণ্ঠ আভৰণ (গলপতা, মণিমালা, হাৰ ইত্যাদি) খাৰু,

আঙঠি, কুণ্ডল আদি অলংকাৰ; কেশ বিন্যাস, কবৰী বন্ধন, তিলক, পাগুৰী, ডাঢ়ি-গোফ, শিৰস্ত্ৰাণ, অস্ত্ৰ-শস্ত্ৰ, ধনু-শৰ, তৰোৱাল, ঢাল, লৰু, ভাড়বাৰি আদিৰ চিত্ৰ বাস্তৱানুগ। বিভিন্ন জীৱজন্তু, যেনে— হাতী, ঘোঁৰা, গৰু, মাছ, সাপ আদিৰ চিত্ৰত সতৰ্কতাৰে অংকন কৰা দেখা যায়। কোনো কোনো চিত্ৰ বিশেষকৈ দৈত্য-দানৱাদিৰ চিত্ৰ অনেক ক্ষেত্ৰত লোকশৈলীৰ ওচৰ চপা। শঙ্কৰী শৈলীত চিত্ৰিত এই পুথিখনিৰ বহু গোপীয়ে পৰিধান কৰা মেখেলাত জনজাতীয় স্ত্ৰীয়ে পৰিধান কৰা পৰিধানেৰে অভিন্ন।[২০]

দশম স্কন্ধ পদ ভাগৱতৰ এখনি সাঁচিপতীয়া (১৬৭ টা ফলকত সম্পূৰ্ণ হোৱা ফলকৰ জোখ ৪৭×১৩ ছেঃমিঃ) সচিত্ৰ পুথি গোলাঘাটৰ দেৰৰাম শৰ্মাৰ ঘৰৰপৰা সংগ্ৰহ কৰি আনি হেমচন্দ্ৰ গোস্বামীয়ে কামৰূপ অনুসন্ধান সমিতিৰ পুথিভঁৰালত জমা দিছিল। ৰুচিবাপুৰ দ্বাৰা চিত্ৰিত এই পুথিখনিৰ ৰচনাকাল ১৬৮৭ শক বা ১৭৪৭ বুলি লেখাৰ উপৰি পুথিখনি কৃষ্ণৰ সেৱক বালি বাপু মহাভক্তৰ বুলি লিখি ৰখাটো মন কৰিবলগীয়া। পুথিখনিত কৃষ্ণ জন্মৰে পৰা গোপী উদ্ধৱ সংবাদলৈকে ভগৱান শ্ৰীকৃষ্ণৰ লীলামালা সুন্দৰকৈ চিত্ৰিত কৰা হৈছে যদিও মাজে মাজে তাৰ কেইখনমান ফলক পাবলৈ নাইকিয়া। ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে উক্ত পুথিখনিৰ দুটা ফলক (১০১ আৰু ১৬১ নং পুথিৰ নং ২১০১) নি কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰত হস্তলিখিত পুথিশালত জমা দিছিল। আন কেইখনমান ফলক সন্ধানহীন হোৱাত পৰৱৰ্ত্তী লেখকে হেৰোৱা ফলক কেইখনৰ কথাখিনি নতুনকৈ চিত্ৰবিহীন ভাৱে লিখি পুথিখনি সম্পূৰ্ণ কৰাৰ প্ৰযত্ন চকুত পৰে।[২১]

সময়ৰ অগ্ৰগতিৰ লগে লগে শঙ্কৰী শৈলীৰ চিত্ৰকলাত যে ৰাজকীয় গড়গঞা চিত্ৰশৈলীৰ একাধিক ৰূপাংগৰ মণি-কাঞ্চন সংযোগ সাধিত হৈছিল, তাৰ সুন্দৰ নিদৰ্শন হ'ল— ৰুচি বাপু চিত্ৰিত আলোচিত পুথিচিত্ৰখনি। ইয়াৰ প্ৰতিটো ফলকৰে চিত্ৰিকাৰাজি বিভিন্ন আকাৰৰ। দৃষ্টান্ত স্বৰূপে কোনোবাখনিৰ জোখ ১৭.৫×৫.৫ ছেঃমিঃ (৮ক), কোনোবাখনিৰ ১৬.৫×৬.৫ছেঃমিঃ (১২খ) আৰু আন কোনোবাখনিৰ ১৮×৬ ছেঃমিঃ (২২ক) ইত্যাদি। অনুসন্ধান সমিতিৰ পুথিখনিত বিভিন্ন আকাৰৰ ১৪৩ খন চিত্ৰিকা থকাটো উল্লেখযোগ্য। ডঃ ৰজতানন্দ দাসগুপ্তই তেওঁৰ বহুশ্ৰুত Eastern Indian Manuscript Painting (1972) গ্ৰন্থত জয়জয়তে আলোচিত পুথিখনিৰ একাধিক বহুৰঙী চিত্ৰিকা প্ৰকাশ কৰি চিত্ৰৰসিকসকলৰ দৃষ্টি আকৰ্ষণ কৰে।[২২] ইংৰাজী ২০০1 চনত ডঃ ৰবীন দেৱচৌধুৰী আৰু ডঃ নবেন কলিতাৰ যুগ্ম সম্পাদনাত কামৰূপ অনুসন্ধান সমিতিৰ দ্বাৰা প্ৰকাশিত Manuscript Paintings from Kamrup Anusandhan Samiti গ্ৰন্থতো ছখনি বহুৰঙী প্ৰকাশ হোৱাত ৰুচি বাপুৰ দ্বাৰা চিত্ৰিত *আদ্য দশম*ৰ চিত্ৰিকা সম্পৰ্কে অধ্যয়নৰ এটি সুযোগ ওলাইছে। পুথিচিত্ৰখনিৰ পটভূমি এফালে যদি ৰঙা আৰু উজ্জ্বল হালধীয়া ৰং বোলোৱা হৈছে, তেন্তে ফলকৰ আন ফলকটোত হালধীয়া আৰু ঈষৎ সেউজীয়া ৰং বলোৱাটো তাৎপৰ্যপূৰ্ণ।[২৩] পুথিচিত্ৰখনিৰ চিত্ৰিকাৰাজিৰ বৈশিষ্ট্য বৰ্ণাবলৈ গৈ ডঃ দেৱচৌধুৰী আৰু ডঃ কলিতাই লিখিছে— He exhibits his keen observation of human body. The movement and supportness of limbs, the way of limbs move or remote communicating different actions and inner emotional nature to be reflected through the manipulation of hand, legs and limbs. The brush of the artist was fine in depicting curves and bends in human body and in designing regional textiles, hair dyes and many others।[২৮] দুটিমান ফলকৰ চিত্ৰিকা চালেই উপযুক্ত মন্তব্যৰ সাৰ্থকতা বিচাৰি পোৱা যাব। ১৬১ নং ফলকৰ ক ফালে আছে— গৌৰবৰ্ণা গোপীৰ দেহাবৰণত মেখেলা চাদৰ আৰু কলডিলীয়া খোপা। ১০১ নং ফলকৰ ক ফালটোত চিত্ৰিত সেউজীয়া ঘাঁহনিৰ মাজে মাজে চৰি ফুৰা গভীৰ চিত্ৰণত গতিশীলতা বৰ্তমান। একেদৰে ৬৭ ফলকৰ খ ফালে চিত্ৰিত ইন্দ্ৰৰ আদেশত মহামেঘগনে মানৱীয় ৰূপত মূৰ্তিমান হৈ আকাশমাৰ্গত মুষলধাৰা বৰ্ষণ কৰিবলৈ অহা দৃশ্যও জীৱন্ত আৰু গতিশীল। শ্ৰীকৃষ্ণৰ হয়াসুৰ বধ, আৰু ৰামকৃষ্ণৰ ৰথত উঠি কৰা ৰণ, যাত্ৰাৰ চিত্ৰত শিল্পীৰ নৈপূণ্য পৰিস্ফুট।[২৫]

দক্ষিণপাট সত্ৰৰপৰা সংগ্ৰহ কৰি আনি কামৰূপ

অনুসন্ধান সমিতিৰ গ্ৰন্থাগাৰত সুৰক্ষা দিয়া ১৮০৪ খ্ৰীষ্টাব্দত চিত্ৰিত কৰা *আদ্য দশম*খনি মূলতঃ শঙ্কৰী চিত্ৰশৈলীৰ যদিও ইয়াত দুটামান ৰজাঘৰীয়া গড়গঞা চিত্ৰশৈলীৰো বৈশিষ্ট্য বিফলভাৱে অনুকৰণ কৰাটো উল্লেখ কৰিবলগীয়া। ৪৬×১৫ ছেঃমিঃ জোখৰ সাঁচিপতীয়া পুথিখনৰ অধিকাংশ ফলকেই পাবলৈ নাইকিয়া। *কালিয়দমন* খণ্ড চিত্ৰিত চিত্ৰপুথিখনি মাত্ৰ চৈধ্যখনি চিত্ৰিকাহে বৰ্তমানে দেখা যায়। পুথিচিত্ৰসমূহৰ বৈশিষ্ট বৰ্ণাবলৈ গৈ ড০ দেৱচৌধুৰী আৰু ড০ কলিতাই লিখিছে— It represent a new aesthetic sensibility in terms of compositon by distinguishing a number of paintings in the otherwise two dimensional surface. The paintings based for folk treatment of figures and the pictorial space are, however, significant in setting forth a new pictorical *idiom* not known to the artist of the satra school and attain of the Ahom court. প্ৰতিখনি ফলকৰ চৌদিশে লতাকটা পুথিচিত্ৰখনিৰ দুখন বহুৰঙী চিত্ৰিকাই Manuscript Paintings from Kamrup Anushandhan Samitee-ত প্ৰকাশ হৈছে।[২৬] দেৰগাঁৱৰ টেকেলা বৰুৱা গাঁৱৰ যোগেশ্বৰ কাকতিৰ ঘৰত সংৰক্ষিত ১৭২৭ শকৰ ১৭ শাওনত কৃষ্ণদাস খনিকৰে লেখা আৰু চিত্ৰিত কৰা 'সেনাৰ ওস্তাদ হাজৰিকা যদুবৰুৱাৰ পুস্তক' দশমখনিৰ চিত্ৰিকা সমূহত ড০ নৰেন কলিতাৰ দৃষ্টিত প্ৰশস্ত বুকু আৰু অতি হ্ৰস্ব দৈহিক গঠনৰ মানৱ ৰূপবন্ধবোৰৰ অংকনত লোকচিত্ৰৰ মাধুৰ্য আছে।[২৭]

ষষ্ঠ স্কন্ধ *ভাগৱত*ৰ অজামিলোপাখ্যানৰ মধ্যযুগীয় শঙ্কৰী আৰু গড়গঞা উভয় চিত্ৰশৈলীৰ ভিতৰেদি আত্মপ্ৰকাশ কৰা দেখা যায়। শঙ্কৰী চিত্ৰশৈলীৰ প্ৰথমখনি পুথিচিত্ৰ দক্ষিণপাট সত্ৰৰ গ্ৰন্থাগাৰত সংৰক্ষিত হোৱা বুলি জনা যায়। এই পুথিখনিৰ বৈশিষ্ট্য হ'ল কথা আৰু ছবিৰ চতুষ্পাশে ভিন্ন ৰঙৰ পুষ্প লতিকাৰ মণ্ডল কৰ্মৰ সংযোজন। এই শৈলীৰ দ্বিতীয়খনি সাঁচিপতীয়া পুথি কামৰূপ জিলাৰ পুৰণি বুৰ্কা সত্ৰত পোৱা। পুথিখনিৰ কিছু অংশ তেজপুৰৰ অসম চিত্ৰকলা সংগ্ৰালয়ত সংৰক্ষিত। এই পুথিৰ চিত্ৰৰ সৈতে *চিত্ৰ ভাগৱত*ৰ চিত্ৰৰ এটি চকুত পৰা পাৰ্থক্য হ'ল মোগলাই টুপীৰ পৰিৱৰ্তে জৈন পদ্ধতিৰ শিৰস্ত্ৰাণৰ প্ৰয়োগ আৰু ৰাজপুতী ধৰণৰ আগ কপাললৈকে নাৰীসকলে লোৱা ফুলাম ওৰণিৰ বহুল ব্যৱহাৰ।[২৮]

১৬৫৯ খ্ৰীষ্টাব্দত ৰাজপৃষ্ঠপোষকতা চিত্ৰিত গড়গঞা শৈলীৰ ষষ্ঠস্কন্ধ পদ *ভাগৱত*ৰ অন্তিম ফলকটি মাথো ব্ৰহ্মদেশৰ পৰা সংগ্ৰহ কৰি আনি অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগত সুৰক্ষা দিয়া হৈছে। ফলকখনিৰ এপিঠিত আছে— 'গায়ন বায়ন নৃত্যকৰী শ্ৰীশ্ৰীশিৱসিংহ মহাৰাজা ও শ্ৰীশ্ৰীঅম্বিকা নাম মহাদেৱীয়ে শ্ৰীশ্ৰীতিপাম ৰাজা সহিতে কৌতুক কৰা দৃশ্য আৰু অনেক দাৰমগন, শ্ৰীশ্ৰীশিৱসিংহ মহাৰাজক শ্ৰীশ্ৰীঅম্বিকা দেৱীয়ে সহিতে কেকোৰা দোলাত ৰংপুৰ নগৰত কৰা পৰিভ্ৰমণ। আনটো পিঠিত ১৬৫৯ শকৰ আহাৰ মাহৰ ১৫ দিন যাওঁতে কৃষ্ণ ত্ৰয়োদশী তিথিত ছবিৰ সৈতে বধ লিগিৰা নামে পণ্ডিত এজনে লিখি মহাৰাজ শিৱসিংহক অৰ্পণ কৰা দৃশ্য আছে।[২৯]

অষ্টম স্কন্ধ *ভাগৱত*ৰ পুথিচিত্ৰ কৰ্ম শঙ্কৰী আৰু দৰঙী উভয় শৈলীত সম্পন্ন হৈছিল। প্ৰথমটো শৈলীত চিত্ৰিত পুথিখনি শিৱসাগৰত থকাৰ কথা সদৰি কৰে শিল্পী যুগল দাসে। কলিয়াবৰৰ জিলাৰ পৰা সংগ্ৰহ কৰি বৰ্তমান অসম ৰাজ্যিক সংগ্ৰহালয়ত সুৰক্ষা দিয়া অষ্টম স্কন্ধ ভাগৱতৰ সাঁচিপতীয়া গ্ৰাহ-গজেন্দ্ৰ উপাখ্যান খণ্ডটোৰ ফলক সংখ্যা ৫৭। বগা, ৰঙা, ঈষৎ সেউজীয়া, হালধীয়া আৰু কলা ৰং সমন্বিত সত্ৰীয়া শৈলীৰ পুথি চিত্ৰখনিৰ সাতখনি বহুৰঙী চিত্ৰিকা মুদ্ৰিত হৈছে।[৩০] ড° ৰবীন দেৱচৌধুৰী আৰু চি নন্দ গোপাল সম্পাদিত Manuscript Paintings of Assam State Museum (1998) শীৰ্ষক গ্ৰন্থখনিত ৫৪×১৪ ছেঃমিঃ জোখৰ সাঁচিপতীয়া পুথিখনিৰ প্ৰতিটো ফলকৰ প্ৰতিপিঠিত চিত্ৰিত চিত্ৰিকাৰাজিৰ আকাৰ ভিন ভিন। ড০ দেৱচৌধুৰী আৰু নন্দ গোপালৰ দৃষ্টিত পুথিচিত্ৰখনৰ বৈশিষ্ট্য হ'ল— "Background of the art scenes are shown in red with a border in light grey. Female figures are impressively depicted. Women

of dignified status are shown with slim waist, raised bossom and wide hips. The river and the tank are shown in the common symbolic way, inside a square with fishes and geese." ।[৩১] দৰঙী শৈলীত চিত্ৰিত আলোচিত স্কন্ধটিৰ দুটি অনুলিপি পোৱা গৈছে। প্ৰথমটি মঙ্গলদৈ ঠাকুৰপাৰা গাঁৱৰ বিমলানন্দ ভট্টাচাৰ্যৰ ঘৰত, ১৭০৫ শকত দৰঙী ৰজা কুমাৰ সমুদ্ৰনাৰায়ণৰ আদেশত ই চিত্ৰিত হয়। দ্বিতীয়টো ১৭২৯ (?) শকত দৰঙী ৰজা কৃষ্ণনাৰায়ণৰ পৃষ্ঠপোষকতাত চিত্ৰিত। পিছৰ পুথিচিত্ৰখনি এতিয়া বুৰঞ্জী আৰু পুৰাতত্ব বিভাগে সুৰক্ষা দিছে। ৰঙতকৈ ৰেখাৰ প্ৰাধান্য আৰু লোক কলাৰ প্ৰবল প্ৰভাৱ দৰঙী চিত্ৰশৈলীৰ দুটি মন কৰিবলগীয়া বৈশিষ্ট্য। এই দুয়োটি গুণৰ সন্নিৱেশ বলিছলন আৰু অমৃত মন্থন পুথি দুখনিক স্বকীয়তা প্ৰদান কৰিছে।

*ভাগৱতপুৰাণৰ* তৃতীয় স্কন্ধৰ ভিতৰত *অনাদিপাতন* অংশটি অধিক জনপ্ৰিয়। মহাপুৰুষ শঙ্কৰদেৱৰ বিৰচিত এই গ্ৰন্থখনিৰ কেবাটাও সচিত্ৰ প্ৰতিলিপি উদ্ধাৰ হোৱাটো উল্লেখযোগ্য। এই ক্ষেত্ৰত জয়জয়তে মাজুলীৰ পুৰণি চামগুৰি সত্ৰত সংৰক্ষিত সাঁচিপতীয়া অনাদিপাতনৰ নাম উল্লেখ কৰিবলগীয়া। ৪৫×১৮ ছেঃমিঃ জোখৰ পুথিখনিৰ ফলক সংখ্যা ১৯ আৰু ৰঙীণ চিত্ৰৰ সংখ্যা হ'ল ৪২। প্ৰতিটো ফলকৰ এটা ফালে চিত্ৰিকাৰ সংখ্যা ১ অথবা ২। প্ৰতিটো চিত্ৰৰ আকাৰ ভিন ভিন। দৃষ্টান্ত স্বৰূপে প্ৰথম ফলকৰ চিত্ৰখনি ৩৭.৫×৬ ছেঃমিঃ জোখৰ অথচ দ্বিতীয় ফলকৰ প্ৰথমে ফালে থকা চিত্ৰখনিৰ জোখ ১৭×১৯ ছেঃমিঃ। পটভূমি উজ্জ্বল ৰঙেৰে বোলোৱা পুথিচিত্ৰবোৰত ৰঙাৰ উপৰি নীলা, ক'লা, সেউজীয়া, বগা আৰু হালধীয়া ৰঙৰ প্ৰয়োগ দেখা যায়। *চিত্ৰ ভাগৱতৰ* দৰে অধিকাংশ ছবিৰে মুখবোৰ একাশৰীয়াকৈ আঁকা। দ্বিতীয় ফলকৰ দ্বিতীয় ফালে চিত্ৰিত কৰা অতল, বিতল, সুতল, তলাতল, মহাতল আৰু ৰসাতলৰ চিত্ৰনত শিল্পীৰ দক্ষতা প্ৰকাশিত হৈছে। পুৰ্ণচক্ৰত দ্বাদশ ৰাশি চিত্ৰিত কৰাৰ ক্ষেত্ৰতো চিত্ৰকৰৰ কুশলহস্তৰ পৰিচয় প্ৰোজ্জ্বল। পুথিখনিৰ সাজপাৰ, গহনা-গাঁঠৰি, শৰাই, শিৰৰ মুকুট প্ৰভৃতিও পুৰণি অসমীয়া।[৩২]

সাংস্কৃতিক সম্পদসমূহে এঙামুৰি দিছে। ঘৰদুৱাৰ আদিৰ চিত্ৰণ ৰীতিতো তৎকালীন অসমীয়া গৃহনিৰ্মাণ পদ্ধতিৰ ছাপ নপৰাকৈ থকা নাই। কামৰূপ অনুসন্ধান সমিতিয়ে সুৰক্ষা দিয়া *অনাদিপাতনৰ* সাঁচিপতীয়া পুথিখনিৰ ফলক সংখ্যা ২৯ আৰু সৰ্বমুঠ চিত্ৰিকা সংখ্যা হ'ল ৩৯। প্ৰথমখনিৰ দৰে এইখনিৰ দৰে এইখনিৰো চিত্ৰিকাসমূহৰ আকাৰ বেলেগ বেলেগ। আলোচিত পুথিখনি মৰিগাঁৱৰ কুজী সত্ৰৰপৰা সংগৃহীত পুথিখনিৰ চিত্ৰ বৈভৱৰ ক্ষেত্ৰত ড০ নৰেন কলিতাই লিখিছে— "চিত্ৰশৈলী বহুলাংশে মানৱ ৰূপবন্ধ আৰু সামান্যভাৱে জীৱজন্তুৰ চিত্ৰ ৰচনাত সীমাবদ্ধ হৈ পৰিছিল।" ১৭০৪ শক অথবা ১৭৮২ খ্ৰীষ্টাব্দত চিত্ৰিক কৰা উক্ত পুথিচিত্ৰখনিৰ চিত্ৰিকাৰাজিৰ শৈলী দৰঙী চিত্ৰশৈলীত চিত্ৰিত *তীৰ্থকৌমুদীৰ* অভিন্ন গুণে ড০ ৰবীন দেৱচৌধুৰী আৰু ড০ নৰেন কলিতাই মন্তব্য আগবঢ়াইছে— "The Paintings of both the manuscripts might came from the brush of a single painter." Manuscripts Paintings from Kamrup Anusandhan Samiti গ্ৰন্থত আলোকচিত্ৰ পুথিচিত্ৰৰ দুখনি ৰঙীণ ছবি মুদ্ৰিত হৈছে।[৩৩]

মৰিগাঁও জিলাৰ কুজী সত্ৰৰ পৰা সংগ্ৰহ কৰি আনি অসম ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষণ কৰা *অনাদিপাতনৰ* তৃতীয়টো সচিত্ৰ প্ৰতিলিপি তুলাপাতত লিখা। ২৫ টা ফলকযুক্ত পুথিচিত্ৰখনিত মুঠতে আঠৈকুৰি চিত্ৰিকা বিদ্যমান। ২৭×৪২ছেঃমিঃ তুলাপতীয়া পুথিচিত্ৰখনিৰ চিত্ৰিকাসমূহ বিভিন্ন আকৃতিৰ। ইয়াৰে আঠখন বহুৰঙী চিত্ৰ।[৩৪] Manuscripts Paintings of Assam State Museum গ্ৰন্থত মুদ্ৰিত হৈছে। ইয়াৰ চিত্ৰিকাসমূহৰ বৈশিষ্ট্য ড০ দেৱচৌধুৰী আৰু অধ্যাপক নান্দগোপালে বৰ্ণাইছে এনেদৰে— "This great work of painting has enhanced the reputation and standard of Assamese manuscript painting at the national level.......... The present work must be a product of a master artist of high standard" ।[৩৫]

মহাপুৰুষ শঙ্কৰদেৱে *ভাগৱতপুৰাণৰ* সাৰ সংগ্ৰহ কৰি তাতে বিভিন্ন বৈষ্ণৱ গ্ৰন্থৰ প্ৰভাৱ পেলাই ছন্দোবদ্ধ কৰা *কীৰ্তন* পুথিখনৰ চিত্ৰৰূপ দানত চিত্ৰকৰ, খনিকৰসকলে উৎসাহ দেখুৱাইছিল। এনে সচিত্ৰ পুথিৰ

ভিতৰত যোৰহাট জিলাৰ কৰঙাৰ কাথবাপু সত্ৰৰ সচিত্ৰ পুথিখনিৰ নাম জয়জয়তে ল'ব পাৰি। পুথিখনিৰ চিত্ৰৰাজিৰ বৈশিষ্ট্যৰ কথা মাধৱ বৈশ্যই তেওঁৰ *বৈষ্ণৱ চিত্ৰৰ ধাৰা* গ্ৰন্থত বহলাই আলোচনা কৰিছে। সাঁচিপতীয়াৰ (জোখ ১৫-×৩৭.৫ ছেঃমিঃ) পুথিখনত মুঠ ফলক ১৪৭। শিল্পী বৈশ্যৰ গ্ৰন্থত উক্ত পুথিচিত্ৰৰ *'প্ৰহ্লাদ চৰিত'*, *'গ্ৰাহ-গজেন্দ্ৰ'* আৰু *'বিপ্ৰ দামোদৰ'* খণ্ডৰ তিনিখন ৰঙীণ চিত্ৰিকা প্ৰকাশ পাইছে। চিত্ৰিকাসমূহ শঙ্কৰী শৈলীত অংকিত যদিও পুৰুষৰ কিছু সংখ্যক পাগুৰী মোগলাই নহয়, জৈন কল্পসূত্ৰৰ দৰেই। লক্ষ্মী, সেৱকিনি আদিৰ মুখমণ্ডল একাষৰীয়াকৈ চিত্ৰিত কৰিলেও মুখৰ আকৃতিত বাস্তৱৰ পৰশ পৰিছে। নেঘেৰী খোপাৰ অৱস্থিতিও মন কৰিবলগীয়া।[৩৬] শিল্পী মাধৱ বৈশ্যৰ ভাষাত, মুখ্য নায়ক ভগৱান শ্ৰীকৃষ্ণই হাতত বংশী আৰু শিঙা ধাৰণ কৰিছে। পুৰুষসকলে ভুনি, খনীয়া কাপোৰ আৰু বিচিত্ৰ ৰঙৰ পাগুৰী পিন্ধিছে। নাৰীসকলৰ পিন্ধন উৰণত দেখা যায় ফুলবছা চাদৰ মেখেলা। মূৰৰ ওৰণি লোৱা ভংগী কিছু উন্নত ধৰণৰ। ধেনুভিৰীয়া বৃত্তৰ অন্তৰ্গত পটভূমিৰ ৰং ৰঙা তাৰ বাহিৰৰ চতুস্পাশৰ ৰং গাঢ় নীলা।[৩৭]

শিল্পী মাধৱ বৈশ্যই কামৰূপ জিলাৰ শুৱালকুছি গাঁৱৰ শ্ৰীশ্ৰীঈশ্বৰহাটী সত্ৰত সাঁচিপাতৰ সচিত্ৰ পুথি এখনি সংৰক্ষিত হোৱাৰ সংবাদ সদৰি কৰিছে। সৰু আকাৰৰ পুথিখনিৰ দৈৰ্ঘ ৪৭.৫ আৰু ১৫ ছেঃমিঃ। প্ৰতিটো ফলকৰ চাৰিওফালে লতাকটা। তাৰ ৰং নীলা আৰু হালধীয়া। ফুলবোৰ আঠপহীয়া। পুথিখনিৰ মুঠ ফলকৰ সংখ্যা ৫৪ যদিও তাৰে ৪৪ টা ফলকত ১১২ টা মূৰ্তি অংকিত হৈছে। পুথিচিত্ৰখনি বৰ পুৰণি নহয়।[৩৮] ৰঙিয়াৰ ওচৰৰ পুৰণি বুৰ্কা সত্ৰৰ পৰা নি ন-বুৰ্কা সত্ৰত সংৰক্ষণ কৰা তুলাপতীয়া চিত্ৰ কীৰ্তনখনিৰ দুখনি বহুৰঙী চিত্ৰ অসম সত্ৰ মহাসভাৰ চতুশ্চত্বাবিংশ দ্বিবাৰ্ষিক নবুৰ্কা অধিৱেশনৰ স্মৃতিগ্ৰন্থ *সত্ৰপ্ৰদীপৰ* বেটুপাতত প্ৰকাশ পায়।[৩৯] ১৭৫৯ খ্ৰীষ্টাব্দত চিত্ৰিত নগাঁও সাধআতা সত্ৰত সংৰক্ষিত ৰাঙলী কীৰ্ত্তনৰ এটি ফলকৰ ৰঙীণ আলোকচিত্ৰ ড০ নৰেন কলিতাৰ *অসমৰ পুথিচিত্ৰত* প্ৰকাশ পাইছে। (চিত্ৰ ফলক নং ৩২)। পুথিখনি লতাকটাৰ মাজত চিত্ৰ। হয়াসুৰ আৰু বকাসুৰ বধৰ ছবিটো চিত্ৰিত ফলকখনিৰ জৰিয়তে পৰিস্ফুট কৰা হৈছে। লতা মণ্ডল কৰ্মৰ ঠাইখিনি পাতল হালধীয়া মূৰ্তিসমূহৰ পশ্চাৎপট ৰঙা কিন্তু ধেনুভিৰীয়া ৰেখাৰ ওপৰ অংশ নীলা, হালধীয়া প্ৰভৃতি ৰঙেৰে বলোৱা। অসমৰ পুথিচিত্ৰৰে ৪৫ নং চিত্ৰ ফলক খনিও কীৰ্তনৰে। সেইখিনিতে ছয়জোৰা গোপী কৃষ্ণৰ মহাৰাসৰ চলমান ৰূপ চিহ্নিত হৈছে।

অসম ৰাজ্যিক সংগ্ৰালয়ৰ কলা বীথিকাত *কীৰ্ত্তনৰ* দুটি অসম্পূৰ্ণ সচিত্ৰ প্ৰতিলিপি সংৰক্ষিত হৈছে। যোৰহাটৰ পৰা সংগৃহীত প্ৰথমখনি সাঁচীপতীয়া *কীৰ্ত্তনৰ* ছটা ফলক আছে। তাৰেই ছখনি ৰঙীণ চিত্ৰ মুদ্ৰিত হৈছে— Manuscripts paintings of Assam State Museum-ত (চিত্ৰ ফলক নং ৩৩, গজেন্দ্ৰোপাখ্যান, নং ৩৪, হয়গ্ৰীৱ মাধৱ আৰু ধ্ৰুৱৰ তলত গোধিকা বক্ষত আদিনাৰায়ণ, ৩৫ নং- কপিল দত্তাত্ৰেয় যজ্ঞ পৃথু আৰু ধনন্তৰী অৱতাৰ ৩৬ নং- নৰক যাত্ৰা, ৩৭ নং নৰকযাত্ৰা আৰু ৩৮ নং বৈকুণ্ঠধামত বিষ্ণু)। চিত্ৰকেইখনৰ বৈশিষ্ট্য সম্পৰ্কে ড০ দেৱচৌধুৰী আৰু নন্দগোপালে লিখিছে— "The work can be treated as belonging to the 20th century. It must have been a copy of the original manuscript. Some local traits are visible in the paintings. Particularly the mekhela and chadar (worn by Lakshmi while distribution amrita are clearly visible" ।[৪০] দ্বিতীয়খনি অসম্পূৰ্ণ কীৰ্ত্তনখনি কাগজত লিখা। তেৰটা ফলক মাথো সুৰক্ষিত। ওপৰত উল্লেখ কৰা সংগ্ৰহালয়ে প্ৰকাশ কৰা পুথিখনিত মাত্ৰ দুখনি ৰঙীণ চিত্ৰ মুদ্ৰিত হৈছে। তাৰে এখনত 'বিষ্ণু অৱতা'ৰ আৰু দ্বিতীয়খনিত 'ৰাসলীলা' চিত্ৰিত হৈছে। পুথিখনিত পটভূমি চিত্ৰণৰ প্ৰচেষ্টা চকুত নপৰে। ড০ সূৰ্যকুমাৰ ভূঞাই উল্লেখ কৰা ব্ৰিটিছ মিউজিয়ামত সংৰক্ষিত *সচিত্ৰ কীৰ্ত্তনৰ* কিছু সংখ্যক ৰঙীণ আলোকচিত্ৰ ড০ সত্যেন্দ্ৰনাথ শৰ্মাদেৱে সংগ্ৰহ কৰিছিল। সেইখনিৰ চিত্ৰন ৰীতি *ৰাঙলী কীৰ্ত্তনৰ* চিত্ৰশৈলীৰ অভিন্ন। ইয়াৰ উপৰি মধুপুৰ সত্ৰৰ *চিত্ৰ কীৰ্ত্তন* নগাঁও জখলাবন্ধাৰ পৰা সংগ্ৰহ কৰি বৰদোৱাৰ শ্ৰীমন্ত শঙ্কৰদেৱ গৱেষণা কেন্দ্ৰত সুৰক্ষা দিয়া *কীৰ্ত্তন* আৰু মৰিগাঁৱৰ বাচনাঘাটত প্ৰাপ্ত লোককলাৰ প্ৰভাৱপুষ্ট *কীৰ্ত্তন*খনিয়ে চিত্ৰকৰ খনিকৰ সকলৰ চিত্ৰিত পুথিখনে কেনেদৰে প্ৰভাৱান্বিত কৰিছিল, তাৰ প্ৰমাণ দিয়ে।

*কীৰ্ত্তনঘোষা*ৰ শ্যামন্ত হৰণ খণ্ডটি বেচ জনপ্ৰিয়। সেই খণ্ডটিৰ এটি সচিত্ৰ ৰূপ কামৰূপ অনুসন্ধান সমিতিৰ গ্ৰন্থাগাৰত সংৰক্ষিত হৈছে। ২৬ টা ফলকৰ সম্পূৰ্ণ হোৱা পুথিখনিত ৩২ খনি চিত্ৰিকা আছে। তাৰে এখনি (১৪ ক) Manuscripts Painting from Kamrup Anusandhan Samiti গ্ৰন্থত ৰঙীণ ৰূপত মুদ্ৰিত হৈছে। চিত্ৰিকাসমূহত গড়গঞা চিত্ৰশৈলীৰ চাকচিক্য বৰ্তমান।

পদপুথিৰ দৰে গুৰুজনাৰ দ্বাৰা ৰচিত অংকমালাৰো চিত্ৰৰূপ দিয়াৰ প্ৰযত্ন সত্ৰসমূহত নচলা নহয়। এনে অংকৰ ভিতৰত ইং ১৮৩৬ চনত নগাঁৱৰ আইভেটি ন সত্ৰৰ অধিকাৰ শশধৰ আতাই চিত্ৰৰূপ দিয়া *পাৰিজাত হৰণ* উল্লেখযোগ্য। *অসমৰ পুথিচিত্ৰ* গ্ৰন্থত এই নাটখনিৰ চাৰিখনি বহুৰঙী চিত্ৰিকা মুদ্ৰিত। উল্লেখযোগ্য (চিত্ৰফলক নং ৫১, ৫২, ৫৩ আৰু ৫৪), নাটখনিৰ চিত্ৰবৈভৱৰ বিষয়ে ক'বলৈ গৈ কলা আলোচক ড০ নৰেন কলিতাই লিখিছে— "অসমৰ চিত্ৰৰ ইতিহাসত এইখন দ্বিতীয় পুথি, যাৰ চিত্ৰৰ বিষয় আছিল এখন নাটক। কোনো চিত্ৰ ৰচনাত নতুনত্ব আৰু অভিনৱত্ব (চিত্ৰ ৫১, ৫৪) দুইটাই আছে। চিত্ৰসমূহৰ বিষয় নাটৰ বিষয়বস্তু হলেও ভাওনাৰ নাটকীয়তা দাঙি ধৰাতকৈ এইবোৰ সুকুমাৰ চিত্ৰ হিচাপেই পৰিচিত হ'ব পাৰে।[৪১]

এনেদৰে দেখা যায় যে *শঙ্কৰ বাক্যামৃত*ৰ পুথিচিত্ৰয়ো অসমীয়া সংস্কৃতিৰ সাৰুৱা ক্ষেত্ৰত মানিকী মাধুৰীৰ বীজ ৰোপণত এক যুগান্তকাৰী অভিলেখৰ সৃষ্টি কৰাত কৃতকাৰ্য হৈছে।■■

পাদটীকা ঃ

১। কথা গুৰুচৰিত, পৃ ৩৬।
২। Geotz. H. : The Art and Architecture of Bikaner State, p.91, এন.চি. মেহতা আৰু মোতিচন্দ্ৰ ঃ The Golden Floot আৰু জি.ডব্লিউ আৰ্চাৰ The Love of Krishna, p.95
৩। নৰেন কলিতা ঃ অসমৰ পুথিচিত্ৰ, পৃঃ ২২
৪। Kala (Vol.11, 1995-96, The Journal of Indian Art and History Congress, p. 61
৫। R.Dasgupta : Eastern Indian Manuscripts Paintings (1972), p. 57
৬। Journal of the University of the Gauhati, Vol. V, p. 156
৭। Chitra Bhagavat forward, p. 11
৮। আৰ. মজুমদাৰ পৰিচয়, ১১ বৰ্ষ দ্বিতীয় খণ্ড, তৃতীয় সংখ্যা
৯। A. Coomerswami : Cataluge of the Indian Collection in the Museum of Fine Arts, Vol. V, p. 28
১০। Motichandra Article in Journal of the University of Gauhati, Vol. V, p. 156
১১। R. Dasgupta : Ibid., p. 60
১২। মহেশ্বৰ নেওগ ঃ মোগলাই পুখুৰী, যন্মাষিক নীলাচল, ১৯৭১, দ্বিতীয় সংখ্যা, পৃঃ ৪-৪৩
১৩। চিত্ৰ ভাগৱত, পৃঃ ০১
১৪। মাধৱ বৈশ্য ঃ বৈষ্ণৱ চিত্ৰৰ ধাৰা, পৃঃ ৫০
১৫। মাধৱ বৈশ্য ঃ একে গ্ৰন্থ, পৃঃ ৫০
১৬। মাধৱ বৈশ্য ঃ একে গ্ৰন্থ, পৃঃ ৫৬
১৭। তৰুণ দুৱৰা ঃ চিত্ৰ ভাগৱতৰ চিত্ৰ, অসম বাণী, ১৯৬৩, ১২ এপ্ৰিল
১৮। নাৰায়ণ দাস ঃ পুৰণি অসমৰ চিত্ৰকলা (১৯৭৯), পৃঃ ৮
১৯।। Motichandra : Ibid, p. 156
২০। নবীনচন্দ্ৰ শৰ্মা (সম্পাঃ) ঃ আদ্য দশম, আগলি পাত, পৃঃ ৮
২১। H. Goswami : Descriptive Catalogue of Assamese Manuscripts, No. 23
২২। R.D. Choudhury, Naren Kalita : Ibid, p. 66
২৪। Ibid, p. 26
২৫। R. Dasgupta : The Book Illustration in Assam in Pragjyotisha, pp. 77-81
২৬। R. d. Choudhury, Naren Kalita : Ibid, p. 61
২৭। নৰেন কলিতা ঃ অসমৰ পুথিচিত্ৰ, পৃঃ ৫৪
২৮। ৰাজমোহন নাথ ঃ গৌৰৱময় অসম চিত্ৰফলক, নং l৫৬
২৯। ১৩.৪×৩৫ ছেঃমিঃ জোখৰ এই সাঁচিপতীয়া সচিত্ৰ প্ৰতিলিপিটোৰ কিছু সংখ্যক ফলকৰ দুয়োমূৰে আংশিকভাৱে নষ্ট হৈছে
৩০। লীলা গগৈ আৰু হৰিপ্ৰসাদ নেওগ (সম্পাঃ) ঃ অসমীয়া সংস্কৃতি, পৃঃ ২৪২
৩১। R.D. Choudhyr, C. Nandagopal (ed.) : Manuscript Paintings of Assam State Museum, p. 30
৩২। মাধৱ বৈশ্য ঃ বৈষ্ণৱ চিত্ৰৰ ধাৰা, পৃঃ ৮৪-৮৭
৩৩। নৰেন কলিতা ঃ অসমৰ পুথিচিত্ৰ, পৃঃ ৪৫
৩৪। R. D. Choudhury, Naren Kalita : Manuscripts Paintings from kamrup Anusandhan Samiti, p. 115
৩৫। R.D. Choudhury, C. Nandagopal : Manuscripts Paintings of Assam State Mesuem, p. 56
৩৬। মাধৱ বৈশ্য ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৬৭-৭৫
৩৭। মাধৱ বৈশ্য ঃ উক্ত গ্ৰন্থ, পৃঃ ৭৫
৩৮। মাধৱ বৈশ্য ঃ উক্ত গ্ৰন্থ, পৃঃ ৭৫
৩৯। ৰাঙলী কীৰ্ত্তনৰ আলোকচিত্ৰ, ৰঙীণ চিত্ৰখনি অসম সত্ৰ মহাসভাৰ সত্ৰসূৰ্যতো (১৯৯৭) মুদ্ৰিত হৈছে।
৪০। R.D. Choudhury, C. Nandagopal : Ibid, p. 65
৪১। নৰেন কলিতা ঃ অসমৰ পুথিচিত্ৰ, পৃঃ ৫৭

**লেখক দক্ষিণ কামৰূপ (মিৰ্জা) কন্যা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ**

# শ্ৰীমন্ত শঙ্কৰদেৱৰ অমৰ সৃষ্টি 'নামঘৰ'

নিৰ্মলা দাস

**আৰম্ভণি ঃ** খৃষ্টীয় যোড়শ শতাব্দীৰ পৰা অৰ্থাৎ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্তিত নৱবৈষ্ণৱ আন্দোলনৰ যুগৰ পৰা নামঘৰে অতুলনীয় প্ৰভাৱ বিস্তাৰ কৰি আহিছে। পুণ্যভূমি অসমত শ্ৰীমন্ত শঙ্কৰদেৱৰ আবিৰ্ভাৱ প্ৰতিজন অসমীয়াৰ বাবে এক বিশেষ আশীৰ্বাদ। অসমৰ পাহাৰ-ভৈয়ামত সিঁচৰতি হৈ থকা বিভিন্ন জাতি-উপজাতিক ঐক্য ভাৱত আনিবলৈ মাধ্যম ল'লে সাহিত্য আৰু সংস্কৃতিৰ। এই বৃহৎ আৰু পবিত্ৰ আঁচনিৰ ৰূপায়ণৰ ক্ষেত্ৰত প্ৰথমতেই হাত দিলে 'নামঘৰ' প্ৰতিষ্ঠা কৰাত। তেখেতৰ বহুমুখী প্ৰতিভাৰ সৃষ্টিবোৰৰ ভিতৰত নামঘৰেই হ'ল অমৰ সৃষ্টি। 'নামঘৰ' বুলিলে আক্ষৰিক অৰ্থত নাম-কীৰ্তন কৰা গৃহই নহয়, নামঘৰৰ অন্যতম উদ্দেশ্য আছিল ঐক্য সংহতিৰ মাজেৰে মানুহক ভগৱৎমুখী কৰা। 'নামঘৰ' বুলিলে এখন সমাজৰ কথা, ইয়াত পৰিচালনা পদ্ধতিৰ লগতে ইয়াত প্ৰতিপাদিত বিষয়-বস্তুৰ কথাটিহে আহে। অৰ্থাৎ একশৰণ নৱবৈষ্ণৱ ধৰ্মৰ ধাৰাৰে বিধৌত অসমীয়া গ্ৰাম্য জীৱনৰ ই এটা চালিকাশক্তি আৰু অস্তিত্বৰ বৰভেটি।

নামঘৰৰ অপূৰ্ব আদৰ্শ গণতান্ত্ৰিক পদ্ধতি। এই আদৰ্শৰ মাজেৰেই সম্ভৱ হৈ উঠিছিল উচ্চ-নীচ ভেদাভাৱ আঁতৰাই সমন্বয়ৰ এনাজৰীৰে বান্ধ খোৱা এক বৃহৎ জাতি গঠনৰ প্ৰক্ৰিয়া। এই কাৰ্যত বিশেষভাৱে সহায় আগবঢ়াইছে গণতান্ত্ৰিকভাৱে পৰিচালিত 'নামঘৰ'ৰ নীতি আদৰ্শ গুৰুজনাৰ ধৰ্মপ্ৰচাৰৰ সুফল হ'ল সমঅধিকাৰ সাব্যস্ত হোৱা। গুৰুজনাই *চিহ্নযাত্ৰা* ভাওনা কৰি জাতি বৰ্ণ নিৰ্বিশেষে লোকসকলক বিমুগ্ধ কৰাৰ লগতে ভগৱন্ত কৃষ্ণৰ মহিমা প্ৰচাৰৰ পাতনি মেলিছিল। শিক্ষাগুৰু মহেন্দ্ৰ কন্দলিদেৱ আৰু ব্ৰাহ্মণসকলে শঙ্কৰদেৱক শৰণ মাগিলে। 'গোপী-উদ্ধৱ-সংবাদ' শাস্ত্ৰখনি ৰচনা কৰি নিজে উপদেশদাতা গুৰু হিচাবে তাৰাসৱক এক কৃষ্ণদেৱত শৰণ কৰালে। ইয়াৰ পিছৰেপৰা ভকতৰ সংখ্যা বৃদ্ধি হোৱাত হৰিনাম কীৰ্ত্তন আৰু চৰ্চাৰ বাবে আহল-বহল ঠাই নিৰ্বাচন কৰাৰ সিদ্ধান্ত লয়। এই সিদ্ধান্তমৰ্মে ১৪৬৯ (১৩৯১ শক)ত শঙ্কৰদেৱে প্ৰথম নামঘৰ নিৰ্মাণ কৰে বৰদোৱাত। বৰদোৱাৰ সমূহ ভক্তই হৰিনামত আত্মহাৰা হৈ মহা আনন্দত নামঘৰ (কীৰ্ত্তন ঘৰ)ৰ ভেটি তুলিবলৈ একগোট হ'ল।

শঙ্কৰে কীৰ্ত্তনঘৰ সাজিবাক লৈলা।<br>ভিঠি বান্ধিবাক লাগি সমস্তে আসিলা।।<br>(গুৰু চৰিত কথা, ৰামচৰণ)

শঙ্কৰদেৱৰ উদ্দেশ্য আৰু আদৰ্শ সফল হোৱাৰ আশা দেখি মনৰ আনন্দ প্ৰকাশ কৰিলে—

পূজিবো ঈশ্বৰ ঐত সিদ্ধি হৈব কাম। (গুৰু চৰিত কথা, ৰামচৰণ)

সামাজিক, ৰাজনৈতিক উত্থান-পতনৰ মাজেৰে গৈ থাকিলেও ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক চিন্তা-চৰ্চা কৰিবৰ বাবে অসমত নামঘৰৰ স্থান অতি উচ্চ। অসমৰ গাঁও, নগৰ-চহৰবোৰত সৃষ্টি হোৱা অসংখ্য নামঘৰ শঙ্কৰী সংস্কৃতিৰ বৰঘৰ স্বৰূপ আৰু ভক্তসকলৰ গৃহত থকা সৰু সৰু নামঘৰ (গোঁসাইঘৰ)বোৰ তাৰেই ক্ষুদ্ৰ সংস্কৰণ। অসমৰ কেইখনমান ঠাইত নামঘৰক 'কীৰ্ত্তনঘৰ' বোলা হয়। নামঘৰ আৰু কীৰ্ত্তনঘৰৰ মাজত প্ৰকৃতিগত পাৰ্থক্য লক্ষ্য কৰা যায়। কীৰ্ত্তন ঘৰত নিৰ্দিষ্ট প্ৰণালীৰে চৈধ্য প্ৰসঙ্গ কৰাৰ ব্যৱস্থা আছে। কিন্তু নামঘৰত নামঘৰীয়াই পুৱা গধূলি গুৰু আসনৰ সন্মুখত বন্তি জ্বলাই নাম প্ৰসঙ্গ কৰে। নিৰ্দিষ্ট দিনত ভাগৱত

পাঠৰো ব্যৱস্থা থাকে।

**নির্মাণ প্রণালী ঃ** নামঘৰৰ নির্মাণ প্রণালী তাৎপর্যপূর্ণ। একোটি নামঘৰৰ অংশ হিচাবে মণিকূট, নামঘৰ, ছোঁঘৰ আৰু বাটচ'ৰা এই চাৰিটা অংশ থাকিব লাগে যদিও স্থান আৰু আৰ্থিক দিশৰ প্রতি লক্ষ্য ৰাখি বহুত নামঘৰত ছোঁঘৰ আৰু বাটচ'ৰা থকা দেখা নাযায়। নামঘৰ পুৱা-পশ্চিমাকৈ আহল-বহল ঠাই লৈ সজা হয়। পশ্চিমফালে অৰ্দ্ধবৃত্তাকাৰ কৰি টুপ সাজে। এই টুপটোক ঘৰিয়াল টুপ বুলি কোৱা হয়। নামঘৰৰ প্রৱেশ পথত বাটচ'ৰা সাজে। বাটচ'ৰা নামঘৰৰ প্রৱেশৰ পহিলা স্তৰ। ইয়াতেই প্রথম সেৱা জনাই ভকতে ভগৱন্তৰ ওচৰত আত্মনিবেদন কৰে। ছোঁঘৰ বা মুখাঘৰ নামঘৰৰ লগতে দক্ষিণ-পশ্চিম দিশত থাকে। নামঘৰৰ পূব দিশত লগা-লগিকৈ উত্তৰ দিশত এটা সৰু গৃহ সজা হয়। এই গৃহটিকে 'মণিকূট' বোলা হয়। মণিকূটত তিনিটা কোঠালি সজোৱা হয়। ইয়াৰ মাজৰ কোঠালিত গুৰু আসন স্থাপন কৰি থাপনাত 'গুণমালা' পুথি বাঞ্ময় মূৰ্ত্তিস্বৰূপে স্থাপন কৰা হয়। দুয়োকাষৰ কোঠালী দুটাত নামঘৰৰ অত্যাৱশ্যকীয় সামগ্রীবোৰ যেনে— ডবা, কাঁহ, শৰাই, বৰতাল, নাগাৰা আৰু অত্যাৱশ্যকীয় সামগ্রীসমূহ থাকে। আনফালে কীৰ্ত্তন, দশমস্কন্ধ ভাগৱত, নামঘোষা, ভক্তিৰত্নাৱলী আদি পুথিসমূহ ৰখাৰ ব্যৱস্থা থাকে। এই ব্যৱস্থা থকাৰ বাবে নামঘৰক 'পুথিভঁৰাল' বা যাদুঘৰ বুলিও কোৱা হয়। উল্লেখযোগ্য যে 'মণি'ৰ অৰ্থ হৈছে 'ৰত্ন' আৰু 'কুট'ৰ অৰ্থ হৈছে 'ঘৰ'। ইয়াত মণি বা ৰত্ন হৈছে শঙ্কৰ-মাধৱৰ ৰচিত গ্রন্থ যাক সিংহাসনত বা থাপনাত উপাসনাৰ বস্তু হিচাবে থোৱা হয়। সুবিধা অনুযায়ী কিছুমান নাঘৰৰ সাতোটা কোঠালীৰে নিৰ্মিত হয়। এই সাতো কোঠালী সপ্ত বৈকুণ্ঠ আৰু চৈধ্যটি খুটি বৈকুণ্ঠৰ চৈধ্যজন পাৰিষদ বুলি ভক্তসমাজৰ মাজত প্রচলিত হৈ আহিছে।

নামঘৰৰ মূল দুৱাৰখন পশ্চিমফালে সোঁমাজতে সজা হয়। দুৱাৰ খুলিলেই বাহিৰৰ পৰা গুৰুআসন দৃষ্টিগোচৰ হোৱাৰ বাবেই এই ব্যৱস্থা। অসমৰ নামঘৰ সমূহৰ ভিতৰত বৰপেটাৰ কীৰ্ত্তনঘৰ ডাঙৰ বুলি খ্যাতি আছে। আদি অৱস্থাত এই নামঘৰটো মহাপুৰুষ শঙ্কৰদেৱে নৰনাৰায়ণ ৰজাৰ কাৰণে তাঁতীকুচীত তাঁতীৰ হতুৱাই বোওৱা বৃন্দাবনীয়া কাপোৰৰ জোখ অনুযায়ী দীঘলে ২২০ হাত আৰু পুতলে ৬০ হাত কৰি সজা হৈছিল বুলি কথিত আছে। পূৰ্বতে নামঘৰবোৰ সাজোতে মুঠ চাৰি শাৰী খুটা পোতা হৈছিল।

মণিকূটৰ পৰা পশ্চিমলৈ মুখ কৰি নামঘৰটোৰ প্রথম কোঠাৰ প্রথম খুটাযোৰ এৰি প্রথম আৰু দ্বিতীয় কোঠাৰ মাজত অৰ্থাৎ দ্বিতীয় খুটাযোৰৰ সোঁহাতৰ খুটাৰেই নামঘৰৰ প্রধান খুটা। ইয়াকে 'লাইখুটা' বোলে। মুঠতে নামঘৰ নিৰ্মাণ কাৰ্যত অসমীয়া স্থাপত্য ভাস্কৰ্যকলাৰ অপূৰ্ব নিদৰ্শন পোৱা যায়। জ্যোতি প্রসাদ আগৰৱালাদেৱে তেখেতৰ 'শিল্পীৰ পৃথিৱী'ত নামঘৰৰ বিষয়ে নিজৰ ভাৱ সুন্দৰভাৱে ব্যক্ত কৰিছে। নামঘৰৰ গছা, ঠগাৰ পৰা চতি, মাৰলি, খুটি আদি সকলোতে চিত্র-বিচিত্র লতাফুল, জয়-বিজয়, হনুমান আদি কৰি সকলোতে হেঙুল হাইতালৰ ৰহণেৰে প্রাণৱন্ত হোৱা চিত্রকলা অসমীয়া স্থাপত্য আৰু ভাস্কৰ্যৰ উজ্জ্বল নিদৰ্শন।

**গুৰু আসন ঃ** নামঘৰত প্রতিষ্ঠা কৰা গুৰু আসনৰ ভাগ তিনিটা— সিংহাসন, গড়ুৰাসন আৰু ম'ৰাসন। মণিকূটত সাধাৰণতে সিংহাসনহে স্থাপন কৰা হয়। ৰাজহুৱা নামঘৰবোৰত গুৰু আসন হিচাবে সাধাৰণতে সিংহাসন প্রতিষ্ঠা কৰা হয়। সিংহাসনৰ সাতোটা খাপ থাকে। প্রধান খুটা চাৰিটাৰ একেবাৰে তলত থাকে কাছ, কাছৰ ওপৰত হাতী আৰু হাতীৰ ওপৰত সিংহকটা থাকে। আধ্যাত্মিক বিচাৰত মণিকূট হ'ল বৈকুণ্ঠ আৰু গুৰু আসনভাগি ভগৱন্ত গুৰু কৃষ্ণ অৱস্থানৰ প্রতীক। সিংহাসনৰ সাতোটা খাপক ক্রমে— (ক) শ্বেতবিলাস, (খ) শান্তনুবিলাস, (গ) পুষ্পবিলাস, (ঘ) পঙ্কজ বিলাস, (ঙ) কনকদণ্ড, (চ) সনাতন আৰু (ছ) গোলোক বৈকুণ্ঠৰ লগত ৰিজোৱা হয়।

তেনেকৈ কাছ ভক্তৰ প্রতীক, হাতী পাপৰ প্রতীক আৰু সিংহ নামৰ প্রতীক। কাছই হৰিভক্তজনক সংযমী হবলৈ সকিয়াই দিয়ে। পাপৰ প্রতীক হাতীক হৰিনামৰ প্রতীক প্রমত্ত সিংহই দমন কৰে। অষ্টবিংশতি (২৮) তত্ত্বৰ ৰূপক সিংহাসনত বিদ্যমান বুলি ধৰা হয়।

সিংহাসনৰ সপ্তম খলপাৰ ওপৰত তিনিওফালে বেৰি থকা, সন্মুখৰ ফালে খোলা, চাৰিশিৰিয়া, ওপৰৰ ফালে জোঙা মুৰেৰে আবৃত্ত এতি কোঠালী থাকে, ইয়াক 'আমহী ঘৰ' বোলা হয়। এই আমহী ঘৰটিয়েই পূৰ্ণকৃষ্ণ

ভগৱন্তৰ স্থান। ইয়াতেই বাঙ্ময় মূৰ্তি স্বৰূপ 'গুণমালা' পুথি স্থাপিত হয়। 'গুণমালা' পুথিখন শঙ্কৰদেৱে ভাগৱত পুৰাণৰ সাৰ অংশ কুসুমমালা ছন্দত সংক্ষেপে ৰচনা কৰে। ভাগৱতলৈ মুখ কৰি বন্তি জ্বলোৱা হয়। আমহীঘৰৰ এই গুৰু আসনৰ ওপৰত চন্দ্ৰতাপ আঁৰি দিয়া হয় আৰু ফুলাম গামোছাৰে আসনৰ সন্মুখভাগ আবৃত্ত কৰি দিয়া হয়।

নামঘৰৰ লগত ভক্তপ্ৰাণ ৰাইজৰ আন্তৰিক সম্পৰ্ক আছে বাবে নামঘৰৰ ৰক্ষণাবেক্ষণৰ দায়িত্বও তেওঁলোকে অতি আদৰেৰে পালন কৰে। নামঘৰৰ পৱিত্ৰতা ৰক্ষাৰ বাবে প্ৰতিজন ভক্ত সদায় সজাগ থাকে।

**অসমীয়াৰ সৰ্বোত্তম জাতীয় অনুষ্ঠান নামঘৰ ঃ** নামঘৰ এনে এটি সামাজিক অনুষ্ঠান, য'ত পুৱা-গধূলি ডবা-কাঁহৰ ধ্বনিৰে মুখৰিত হৈ নাম-কীৰ্ত্তন কৰাৰ লগে লগে পাৰলৌকিক সেৱাৰো উত্তম থলী ৰূপে বিবেচিত হৈছে। নামঘৰত ন্যায় বিচাৰিলে ন্যায় পায়, সুৰক্ষা বিচাৰিলে সুৰক্ষা পায়। নামঘৰত ধনী-দুখীয়া, উচ্চ-নীচ, পাপী-তাপী, পুৰুষ-মহিলা, আৱাল-বৃদ্ধ-বণিতা সকলোৰে সম-অধিকাৰ আছে। সেইবাবে নামঘৰেহে একমাত্ৰ অসমীয়াৰ জাতীয় প্ৰতিষ্ঠান হিচাবে দাবী কৰিবৰ যোগ্যতা অৰ্জন কৰি আহিছে। ড° বিৰিঞ্চি কুমাৰ বৰুৱাই 'নামঘৰ অসমীয়া জাতীয় সংস্কৃতিৰ যাদুঘৰ' বুলি কৈছে।[১] নামঘৰক কেন্দ্ৰ কৰি প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে বহু শিল্প উদ্যোগ গঢ়ি উঠিছে। ব্যক্তিগত গোঁসাইঘৰ আৰু ৰাজহুৱা নামঘৰত লাগি থকা প্ৰয়োজনীয় সামগ্ৰী তৈয়াৰ কৰিবলৈ খনিকৰ, বাঢ়ৈ, কঁহাৰ, চমাৰ, কুমাৰ, শিপিনী আদি সকলোৱে আগবাঢ়ি আহে। নামঘৰতেই হেঙুল হাইতাল লগোৱা চিত্ৰশিল্প, নানাৰঙী আখৰেৰে সাঁচিপাতৰ পুথি লিখাৰ বিদ্যা চৰ্চা হৈছিল। নামঘৰক কেন্দ্ৰ কৰিয়েই চাৰুশিল্পৰ (সঙ্গী চিত্ৰকলা-স্থাপত্য-ভাস্কৰ্য) প্ৰভৃত উন্নতি সাধিত হৈছিল।

নামঘৰ পৰিচালনা ৰীতিত গণতান্ত্ৰিক আৰু সমবায় আদৰ্শও প্ৰতিফলিত হয়। ড° সৰ্বেশ্বৰ ৰাজগুৰুৱে এক গুৰুত্বপূৰ্ণ মন্তব্যও দিছে যে "নৱবৈষ্ণৱ আন্দোলনে প্ৰতিষ্ঠা কৰি যোৱা নামঘৰবোৰে প্ৰায় পাঁচশ বছৰৰো অধিক কাল ধৰি আমাৰ ৰাইজৰ মাজত একতা, সুৰক্ষা, সামাজিক সমতা ৰক্ষা, ন্যায় বিচাৰ কৰি অহাৰ উপৰিও পৰস্পৰে পৰস্পৰৰ উপকাৰৰ কাৰণে সমূহীয়া ভাৱে কাম কৰাৰ মনোভাৱ (Spirit of co-operation) আৰু সহঅৱস্থানৰ নীতিশিক্ষাও দি আহিছে।[২] আনকি ইয়াত বৰ্তমান কালৰ অতিশয় জনপ্ৰিয় সাক্ষৰতা অভিযান বা নিৰক্ষৰতা দূৰীকৰণৰ দৰে ব্যৱস্থাও আছিল। যাক ড০ সূৰ্যকুমাৰ ভূঞাই অনাক্ষৰী শিক্ষা *(Illiterate literacy)* বুলি অভিহিত কৰিছে।

নামঘৰে অসমীয়া মানুহৰ নৈতিক চৰিত্ৰ গঠনত পোনপটীয়া প্ৰভাৱ বিস্তাৰ কৰি আহিছে। অসমীয়া উৎসৱ-পাৰ্বণত গুৰুগৃহত নাম-কীৰ্ত্তন কৰাৰ পাছত জ্যেষ্ঠজনৰ দ্বাৰা উচ্চাৰিত হোৱা আশীৰ্বাদ বচন আদিৰ দ্বাৰা ধৰ্মীয় পৰিমাৰ্জিত ৰূপ প্ৰকাশ পায়। ই এটা আধ্যাত্মিক আৰু সামাজিক জাগৰণৰ ফল। লোকমানসত চেতনা জাগ্ৰত কৰিব পৰা ধৰ্মীয় চিন্তাধাৰাইহে এক সুস্থিৰ সমাজ গঠনত আৰু সংহতি অটুট ৰখাত সহায় কৰে।[৩] মহাপুৰুষজনাই অসমৰ মাটি-বায়ু-পানীৰ গোন্ধ লগাকৈ থলুৱা প্ৰলেপ সানি সংস্কৃত শাস্ত্ৰসমূহৰ ভক্তিতত্ত্ব সমূহৰ মৌলিক অনুবাদ কৰিলে। নাট-ভাওনা প্ৰদৰ্শন কৰি, ভক্তবৃন্দৰ দ্বাৰা গোৱাই নচুৱাই সাধাৰণ লোকৰো অন্তৰ জয় কৰিলে।[৪]

নৱবৈষ্ণৱ ধৰ্মত উচ্চ-নীচ, জাতি-অজাতি বুলি কোনো ভকতৰ বাচ-বিচাৰ নাই। এই জাতি ভেদহীন ব্যৱস্থা গঢ় লোৱাত অসমৰ থলুৱা জনজাতীয় সমাজৰ বিশেষ অৱদান আছে। আমাৰ নৃত্যধাৰাত প্ৰয়োগ হোৱা বহুতো বাদ্যযন্ত্ৰ জনজাতীয় বাদ্যৰ অনুৰূপ। আনকি বাদন পদ্ধতিৰো মিল আছে। অসমৰ মুখাশিল্প ভোট দেশৰ লগত মিল আছে। মুঠতে নামঘৰত অনুষ্ঠিত হোৱা শঙ্কৰী গীত-নৃত্য, বাদ্য আদি চৰ্চাৰ মাজেদি অসমৰ জনগোষ্ঠীসমূহক একতাৰ ডোলেৰে বান্ধিছিল। নামঘৰ অসমীয়াৰ প্ৰাণৰো প্ৰাণৰ আৰু অতি বিশ্বাসভাজন প্ৰতিষ্ঠান। নামঘৰ কেৱল ধৰ্মীয় প্ৰতিষ্ঠানেই নহয়, সমন্বয়ৰ থলী, বিপদৰ বন্ধু আৰু চুবুৰীৰ গৌৰৱ। সেয়েহে বৰ্ত্তমান নগৰীয়া যান্ত্ৰিকতাইও ইয়াক ওফৰাই পেলাব পৰা নাই। নগৰত যিমানে ন ন বসতি বিস্তাৰ হ'ব ধৰিছে, ভিন্ন ভাষা-ভাষী আৰু ভিন্ন ধৰ্মাৱলম্বী লোকৰ সহাৱস্থান হ'ব ধৰিছে সিমানেই এনে একোটা নামঘৰে গঢ় লৈ উঠিছে। ইয়াতেই বহি সকলোৱে নতুন

সভ্যতা-সংস্কৃতিৰ সৈতে খাপ খাই যাবলৈ মানসিক প্ৰস্তুতি ৰচনা কৰাৰ লগতে ধৰ্মীয় উদাৰতাকো মানি লৈছে। সেই কাৰণে নামঘৰ সমূহীয়া চিন্তাৰ উৎকৃষ্ট ফল আৰু সমূহীয়া স্বাৰ্থৰ অলিখিত দলিল।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে নামঘৰ স্থাপনৰ দ্বাৰা অসমীয়া সংস্কৃতি তথা জাতীয় জীৱনৰ স্বৰ্ণযুগ ৰচনা কৰি থৈ গৈছে। নামঘৰক কেন্দ্ৰ কৰিয়েই শঙ্কৰী সংস্কৃতিয়ে বহুধাবিভক্ত হৈ থকা অসমীয়া সংস্কৃতিক এক বিশাল ৰূপদান কৰিলে। ক্ষমা, দয়া, ঐক্য সংহতি, ভাতৃত্ববোধ, বিশ্বজনীনতা নামঘৰে বহন কৰি আহিছে আৰু আগলৈকো বহন কৰি থাকিব। নামঘৰবিহীন অসমীয়া সমাজ নিষ্প্ৰাণ।■■

**পাদটীকা ঃ**

১। মহাপুৰুষে ভাওনাক যেনেকৈ নৃত্য-গীত সংলাপেৰে সম্পূৰ্ণ কৰিলে সেইদৰে নামঘৰতেই তেখেতে অসমীয়া জাতীয় ৰঙ্গশালাৰ ভেটি বান্ধিলে। অসমীয়া সামাজিক, ধাৰ্মিক আৰু সাংস্কৃতিক জীৱনৰ অৱদান। (নামঘৰ ঃ জাতীয় নাটশাল' অসমীয়া ভাষা আৰু সংস্কৃতি, ১৯৭১, পৃঃ ১৪১)

২। 'অসমীয়া সামাজিক জীৱনৰ দুটি বিশিষ্ট অনুষ্ঠান নামঘৰ আৰু সত্ৰ'' শঙ্কৰী সংস্কৃতি অধ্যয়ন, (সম্পাঃ), ভৱপ্ৰসাদ চলিহা, ১৯৯৯, পৃঃ ১৪৯-১৫৫

৩। অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি, ১৯৮৮, পৃঃ ৬৪

৪। 'ভক্তি আন্দোলন আৰু শ্ৰীমন্ত শঙ্কৰদেৱ', ২০০৭, পৃঃ ১৬২

**সহায়ক গ্ৰন্থ ঃ**


১। 'শঙ্কৰী সংস্কৃতিৰ অধ্যয়ন' (সম্পাঃ) ভৱপ্ৰসাদ চলিহা, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ১৯৯৯

২। ভক্তি আন্দোলন আৰু শ্ৰীমন্ত শঙ্কৰদেৱ (সম্পাঃ) ড° প্ৰণতি শৰ্মা গোস্বামী, ২০০৭

৩। সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা, ড° নাৰায়ণ চন্দ্ৰ গোস্বামী, ১৯৭৯

৪। গুৰু চৰিত কথা ঃ ৰামচৰণ ঠাকুৰ

৫। 'ভক্তিমাতৃ', স্মৃতিগ্ৰন্থ, গোগামুখ, ধেমাজি, ২০১০



**লেখিকা শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ**

**শিশু-আইমাতৃ কল্যাণ শাখা সমিতিৰ সভনেত্ৰী**


---

## শঙ্খৰ নাম আৰু গৰাকী

| | | |
|---|---|---|
| পাঞ্চজন্য | ঃ | শ্ৰীকৃষ্ণ |
| দেৱদত্ত | ঃ | অৰ্জ্জুন |
| পৌণ্ড্ৰ | ঃ | ভীম |
| অনন্ত বিজয় | ঃ | যুধিষ্ঠিৰ |
| সুঘোষ | ঃ | নকুল |
| মণিপুষ্পক | ঃ | সহদেৱ |

— শ্ৰীমদ্ভগৱদ্‌গীতা, ১/১২—১৬

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কালিয়দমন নাট

ড° প্ৰণতি শৰ্মা গোস্বামী

খ্ৰীষ্টীয় ষোড়শ শতিকাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সংস্কৃত নাট্যৰীতি আৰু থলুৱা উপাদানৰ সমন্বয়ত এক শ্ৰেণী নাটকৰ জন্ম দিছিল। শংকৰদেৱৰ আগতে নাট ৰচনাৰ কোনো স্পষ্ট নিদৰ্শন এতিয়ালৈকে পোৱা হোৱা নাই। সেয়ে শংকৰদেৱকেই অসমীয়া নাটকৰ জনক আৰু তেওঁৰদ্বাৰা সৃষ্ট নাটসমূহকেই অসমীয়া নাটকৰ প্ৰথম নিদৰ্শন বুলি ধৰা হয়। এই নাটসমূহকে পৰৱৰ্তী সময়ত 'অঙ্কীয়া নাট' নামেৰে জনা যায়। পণ্ডিতসকলে অঙ্কীয়া নাট বুলি কোৱা সম্পৰ্কে নিজ নিজ মন্তব্য আগবঢ়াইছে।

'চিহ্নযাত্ৰা'খনকেই মহাপুৰুষজনাৰ প্ৰথম নাট বুলি ধৰা হয়। 'কথা-গুৰু-চৰিত'ৰ মতে শংকৰদেৱে প্ৰথমবাৰ তীৰ্থ ভ্ৰমণৰ পৰা উভতি আহি 'চিহ্নযাত্ৰা' অভিনয় কৰিছিল। 'চিহ্নযাত্ৰা'ৰ পাছত ক্ৰমে 'কালিয়দমন', 'পত্নীপ্ৰসাদ', 'কেলি-গোপাল', 'ৰুক্মিণী-হৰণ', 'পাৰিজাত হৰণ' আৰু 'শ্ৰীৰাম বিজয়' আদি কৰি আৰু ছখন নাট ৰচনা কৰে।[১]

তেওঁৰ শেষ নাট 'ৰাম-বিজয়' নাটৰ ৰচনাকাল ১৪৯০ শক। বাকী কেইখনৰ ৰচনাৰ সঠিক সময় জনা নাযায়। নাটকৰ ভিতৰৰ কথা আৰু চৰিত পুথিত থকা সামান্য বৰ্ণনালৈ চাই নাটবোৰৰ ক্ৰম এটা অনুমান কৰাৰ থল আছে। কালিৰাম মেধি ডাঙৰীয়াই 'কালিয়দমন' নাটখনকে মহাপুৰুষজনাৰ প্ৰথম নাট বুলি মত পোষণ কৰিছে। কাৰণ 'চিহ্নযাত্ৰা'খনক নাট হিচাপে ধৰা নাযায়। তেওঁ লিখিছে— "Sankaradeva composed his first extent plays The Kaliya Damana at the instance of Jagatananda, his cousin probably at Bordoa at about 1518 AD".[২]

কিন্তু দেখা গৈছে প্ৰাপ্ত কালিয়দমন নাটখনৰ মুক্তিমঙ্গল ভটিমাত জগতানন্দৰ নাম নাই, আছে ৰামৰায়ৰ নাম।

শ্ৰীৰাম ৰাই হৰি বিনে নাই
যাহেৰি হৃদয় ধিয়ান।
ভকতিক শকতি যাহেৰি মিলল
পৰম ঈশ্বৰ গিয়ান।।[৩]

ইয়াত ৰামৰায়ৰ গুণ বৰ্ণনা কৰিছে যিহেতু তেওঁৰ উৎসাহতে এই নাটক ৰচিত হৈছে।[৪] এই ভটিমা অংশৰ পৰা এটা কথা স্পষ্টকৈ জানিব পাৰি। যিজন জগতানন্দৰ কথা ইয়াত উল্লেখ কৰা হৈছে 'কথা-গুৰু-চৰিত'ৰ মতে সেইজনা জগতানন্দক আহোম ৰজাই তেওঁৰ কাম-কাজত সন্তুষ্ট হৈ 'ৰামৰায়' উপাধি প্ৰদান কৰিছিল। মহাপুৰুষ শংকৰদেৱে আৰু তেওঁৰ চৌপাশে থকা ভূঞাসকল ধুৱাহাট-বেলগুৰি অঞ্চলত থকা কালত আহোম ৰজাৰ লগত তেওঁলোকৰ আত্মীয়তা গঢ়ি উঠিছিল আৰু আহাম ৰজাই সেই সময়তে জগতানন্দক 'ৰামৰায়' উপাধিৰে বিভূষিত কৰিছিল। ইয়াৰ পৰাই এটা কথা নিশ্চিন্তভাৱে ক'ব পাৰি যে মহাপুৰুষজনা বৰদোৱাত থকা কালছোৱাত নিশ্চয় 'কালিয়দমন নাটখন ৰচিত হোৱা নাছিল। কাৰণ বৰদোৱাত থকা কালছোৱাত জগতানন্দই 'ৰামৰায়' খিতাপ পোৱা নাছিল।

তদুপৰি কথা-গুৰু-চৰিতত আৰু উল্লেখ আছে দশমৰ কালিয়দমনৰ কথাখিনিত ৰৰ সন্তুষ্ট হৈ সেইজনা ৰামৰায়ে মহাপুৰুষজনাক কৈ মানুহৰ মনত ভক্তিভাৱৰ সঞ্চাৰ কৰিব পৰাকৈ 'কালিয়দমন' নাটখন ৰচনা কৰালে।[৫] গতিকে এইটোও নিশ্চিত যে কালিয়দমন নাটখন 'দশম'খন ৰচনা কৰাৰ পাছততহে ৰচিত হৈছে। ড০ সত্যেন্দ্ৰনাথ শৰ্মাইও 'দশম' ৰচনাৰ পাছত আনুমানিক ১৫৫০ খৃষ্টাব্দ মানত এই নাটখন ৰচিত হোৱা বুলি কৈছে।[৬]

শ্ৰীমদ্ভাৰগতপুৰাণৰ দশম স্কন্ধৰ অন্তৰ্গত পঞ্চদশ অধ্যায়ৰ ৪৭-৫২ সংখ্যক শ্লোক আৰু ষোড়শ-সপ্তদশ অধ্যায়ত বৰ্ণিত হোৱা বিষয়বস্তুৰ ওপৰত নিৰ্ভৰ কৰি মহাপুৰুষজনাই নাটখন ৰচনা কৰে যদিও ইয়াৰ কাহিনীভাগ হৰিবংশ আৰু ব্ৰহ্মবৈৱৰ্ত পুৰাণতো সবিস্তাৰে বৰ্ণিত হোৱাৰ কথা জনা যায়। নাটখন মূলতঃ ভয়ানক ৰসৰ ওপৰত প্ৰতিষ্ঠিত যদিও ইয়াৰ মাজেৰে কৰুণ আৰু অদ্ভুত ৰসৰো প্ৰতিফলন ঘটিছে। গ্ৰীষ্মকালত এদিনাখন কৃষ্ণ আৰু গৰখীয়া গোপবালক সকলে দুপৰীয়া গৰু চৰাই থাকোতে পিয়াহত আতুৰ হৈ পৰিল আৰু ৰ'ব নোৱাৰি ওচৰতে থকা কালিয় হ্ৰদৰ পানী খালে। সেই হ্ৰদটোতে অহং আৰু অতি গৰ্বী কালিনাগে পত্নী পৰিয়ালসহ বাস কৰি আছিল। হ্ৰদটো আছিল কালিনাগৰ আয়ত্বাধীন। কালিনাগে সেই পানীখিনি যাতে কোনেও চুব নোৱাৰে, সেই ব্যৱস্থাৰে হ্ৰদটোৰ পানীখিনি বিষাক্ত কৰি ৰাখিছিল। কৃষ্ণৰ লগৰীয়াসকলে সেই বিষাক্ত পানী খাই অচেতন হৈ পৰিল। নিজৰ ভক্ত গোপ বালকবিলাকৰ এনে অৱস্থা দেখি কৃষ্ণ বিয়াকুল হৈ পৰিল আৰু তেওঁ গৰু আৰু গৰখীয়া সকলক তেওঁৰ অমৃত দৃষ্টি বুলাই জীয়াই তুলিলে আৰু কালিক এশিকনি দিয়াৰ মানসেৰে কৃষ্ণই কালিৰ ফণাৰ ওপৰত উঠি নাচিবলৈ ধৰিলে। কিন্তু কালিনাগেও কৃষ্ণক মেৰিয়াই ধৰি আচাৰি পেলাবলৈ উদ্যত হ'ল। সেই দৃশ্য দেখি লগৰীয়াসকলে কান্দিবলৈ ধৰিলে। ইপিনে গকুলত নানান অমংগলে দেখা দিবলৈ ধৰিলে। ঘনে ঘনে ভূমিকম্প আহিবলৈ ধৰিলে। বতাহ নোহোৱাকৈয়ে গছবোৰ উঘালি পৰিবলৈ ধৰিলে। সকলোৱে ভাবিবলৈ বাধ্য হ'ল ক'ৰবাত নিশ্চয় কিবা অথন্তৰ ঘটিছে। নন্দ-যশোদাই কৃষ্ণৰ প্ৰেমত বিগলিত হৈ কৃষ্ণক বিচাৰি বিচাৰি আহি হ্ৰদৰ পাৰত অচেতন অৱস্থাত কৃষ্ণক দেখা পালে। তেওঁলোকে বিনাই বিনাই কান্দিবলৈ ধৰিলে। গোপ বালকবিলাকেও বিলাপ কৰিবলৈ ধৰিলে যে কৃষ্ণই তেওঁলোকক জীৱন দান দি নিজে মৰিবলৈ ওলাইছে। ভক্তসকলৰ এনে হৃদয় বিগলিত কাতৰতা শুনি কৃষ্ণই কালিনাগৰ বন্ধনৰপৰা মুক্ত হৈ পুনৰায় নাগৰ ফনাৰ ওপৰত উঠি নৃত্য আৰম্ভ কৰিলে। নাগ মৃতপ্ৰায় হ'ল। তথাপিতো কালিনাগৰ অহমিকা অকণো নকমিল। নিজ স্বামীৰ এনে অৱস্থা আৰু অহমিকা দেখি কালিয়ৰ পত্নীসকলে কৃষ্ণক স্তুতি কৰি তেওঁলোকৰ স্বামীৰ সকলো দোষ মৰিষণ কৰি তেওঁৰ জীৱন দান দিবলৈ প্ৰাৰ্থনা জনালে। অৱশেষত যেনিবা কালিনাগে নিজৰ ভুল বুজিব পাৰিলে আৰু কৃষ্ণত শৰণ ল'লে। কৃষ্ণই কালিনাগৰ স্তুতিত সন্তুষ্ট হৈ পত্নী-পুত্ৰ সমন্বিতে কালিনাগক ৰমণক দ্বীপলৈ স্থানান্তৰ হবলৈ আজ্ঞা কৰিলে। কিন্তু গৰুড়পক্ষীৰ ভয়ত তালৈ যাবলৈ ভয় কৰা কালিয়ক কৃষ্ণই ক'লে যে কালিনাগৰ ফণাৰ ওপৰত কৃষ্ণৰ পদচিহ্ন বিৰাজ কৰিছে— সেই চিহ্ন দেখিলে গৰুড়ে তেওঁৰ কোনো অনিষ্ট নকৰে।

'নিশম্য নিৰ্ভয়াং ৱাণীং কৃষ্ণস্য ভুজগস্তদা।
নত্বা সপৰিবাৰেণ যযৌ ৰমণকং মুদা।।'

(কালিয়দমন, পৃঃ ১০৫৫)

কৃষ্ণৰ নিৰ্ভয় বাণী শুনি কালিনাগ সপৰিবাৰে ৰমণক দ্বীপলৈ আঁতৰি গ'ল। কালিয় তাৰপৰা আঁতৰি যোৱাৰ লগে লগে হ্ৰদটোৰ পানী বিষমুক্ত হ'ল।

ইপিনে সেইদিনা গধূলি হৈ যোৱাত সকলোৱে আলচ কৰি ৰাতিটো ঘৰলৈ উভতি নগৈ তাতে থকাৰ পৰিকল্পনা কৰিলে। কিন্তু হঠাৎ মাজনিশা চাৰিওফালৰ পৰা বনজুইয়ে আগুৰি ধৰিলে। ভয়ত কাতৰ হৈ সকলোৱে আৰ্তনাদ কৰিবলৈ ধৰিলে। কিন্তু গৰখীয়াৰূপী ত্ৰাণকৰ্ত্তা ভগৱানে সেই বনাগ্নি পান কৰি ভক্তসকলক ৰক্ষা কৰিলে আৰু নিজ মহিমা প্ৰকাশ কৰিলে। বনাগ্নিপানৰ এই ঘটনা অংশৰ লগত কালিয়দমন অংশৰ কোনো যোগসূত্ৰ নাই। মূল ভাগৱতত দুয়োটা ঘটনা একেটা অধ্যায়তে সাঙুৰি কৃষ্ণৰ ঐশ্বৰিক লীলা প্ৰকাশিত কৰিছে। ভাগৱতৰ প্ৰতি একান্ত ভক্তি পৰৱেশ হৈ শঙ্কৰদেৱেও নাটখনত দুয়োটা ঘটনা একেলগে সন্নিবিষ্ট কৰিছে। অৱশ্যে নাটকীয় প্ৰয়োজনে নিবিচাৰিলেও ভক্তিবাদে সেইখিনি অপ্ৰয়োজনীয় বুলি ভবা নাই।

কালিয়দমনৰ লৌকিক ব্যাখ্যা প্ৰসঙ্গত স্বৰ্গীয় ৰাজমোহন নাথে অনুমান কৰিছে যে কালিয় নাগ কালিয় বংশৰ এজন নাগ জাতিৰ চৰ্দাৰ। তেওঁ দল-বল লৈ বৃন্দাবনৰ ওচৰত যমুনাৰ পাৰত বাস কৰিছিল আৰু বৃন্দাবনবাসীৰ ওচৰত নানা অত্যাচাৰ কৰাত শ্ৰীকৃষ্ণই তাক যুদ্ধত ঘটুৱাই সেই ঠাইৰপৰা খেদি পঠায়।[৭]

শঙ্কৰদেৱৰ আন কেইখন নাটকৰ দৰে এইখনো

ভক্তিৰস প্ৰধান নাট। কৰুণ আৰু ভয়ানক ৰসে ইয়াত গৌণ স্থান লৈছে। দুষ্ট, দুৰ্দান্ত শক্তিৰ প্ৰতীক, উৎপীড়ক, অত্যাচাৰী কালিনাগক কৃষ্ণৰ দ্বাৰা দমন কৰা দেখুৱাই "পৰিত্ৰাণায় সাধুনাম্ বিনাশয় দুষ্কৃতম্" কথাষাৰৰ তাৎপৰ্য বুজাই দিয়া হৈছে। আধুনিক নাট্যচিন্তাৰ এটা মুখ্য দিশ হ'ল প্ৰতীক। মহাপুৰুষজনাৰ প্ৰায় প্ৰতিখন নাটকতে প্ৰতীকৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়। কালিনাগ মানুহৰ অহং ভাবৰ প্ৰতীক। কালিনাগে বিষাক্ত দেহ-মন লৈ বিষাক্ত পৰিৱেশ সৃষ্টি কৰি আছিল। স্বৰ্গীয় ৰাজমোহন নাথৰ মতে এই কালিয়নাগ পূৰ্বতে ৰমণক নামৰ সাগৰৰ এটা দ্বীপত আছিল। নাগসকলে কাতি মাহৰ পূৰ্ণিমাৰ দিনা গৰুড়ক পূজা দিয়াৰ ৰীতি আছিল। কালিনাগে এই পূজাৰ বিৰোধিতা কৰাত গৰুড়ৰ সৈতে যুদ্ধ হয় আৰু যুদ্ধত হাৰি এই হ্ৰদলৈ আহি তাতেই থাকিবলৈ লয়। কালিনাগৰ মনৰ অশুভ প্ৰবৃত্তিবোৰে সহস্ৰ ফণা তুলি জগতত অশান্তিৰ সৃষ্টি কৰে। যেতিয়ালৈকে ক্ৰুৰভাৱক মনৰপৰা বিসৰ্জন দিয়া নহয়, তেতিয়ালৈকে শান্তি আৰু ভক্তিৰ অনুকুল পৰিৱেশ সৃষ্টি নহয়। কৃষ্ণই নাগৰ ফণাৰ ওপৰত উঠি একো একোটা ফণা ভাঙি নাগটিৰ অহংভাৱ দূৰ কৰি কৃষ্ণত শৰণ লোৱা কথাখিনিক প্ৰকৃততে মানুহৰ মনৰ অহংভাৱ দূৰীকৰণৰ প্ৰতীক। জ্বালা-যন্ত্ৰণাময় সংসাৰৰ পৰা উদ্ধাৰ পোৱাৰ একমাত্ৰ উপায় হৰিভক্তি। হৰিৰ পদসেৱন কৰিলে সংসাৰী সকলৰ আপদ দূৰ হয়। কালিয়দমনৰ মাজেৰে কালিয়ৰ মনৰ পৰিৱৰ্তন দেখুওৱা হৈছে।

শ্ৰীকৃষ্ণক পৰম নিৰ্ভয় বাণি শুনিএ মহা হৰিষে কালি সপৰিআৰে কৃষ্ণক প্ৰণাম কয়লঃ চৰণক ধূলেলহঃ।[৮]

নাগপত্নীসকলৰ স্তুতিতো ভক্তিৰসে প্ৰাণ পাই উঠিছে। কালিনাগৰ মৃতপ্ৰায় অৱস্থা হোৱাত নাগপত্নীসকলে স্বামী ভিক্ষা কৰি কৃষ্ণৰ ওচৰত কৰা স্তুতি আৰু গোপ বালকসকলে কৰা স্তুতিৰ মাজেৰেও ভক্তিৰস উথলি উঠিছে। কৃষ্ণই গোপবালকসকলক জীয়াই তোলা দৃশ্য আৰু বনাগ্নি পান ঘটনাংশৰ মাজেৰে অদ্ভুত ৰসৰ প্ৰকাশ ঘটিছে। কালিনাগে কৃষ্ণক মেৰিয়াই ধৰাত কৃষ্ণৰ অচেতন অৱস্থা দেখি গোপ-গোপী আৰু নন্দ-যশোদাৰ শোকাতুৰ অৱস্থাই কৰুণ ৰসৰ সৃষ্টি কৰিছে। এনেকৈ বিভিন্ন ৰসৰ সহযোগত মূল ভক্তিৰস নাটখনত প্ৰকট হৈ জিলিকি আছে।

নাট্যকাৰে মূল কাহিনীত ক'তো চেকা নপৰাকৈ গ্ৰহণ-বৰ্জন ৰীতিৰে নাটখন এখন উপভোগ্য নাট কৰি তুলিছে। প্ৰয়োজন বিশেষে মূলৰ কোনো কথা দীঘল আৰু কোনো কথা চমু কৰিছে। নাটকীয় প্ৰয়োজনীয়তাৰ ফালে লক্ষ্য কৰি ভাগৱতৰ যশোদাৰ চমু বিলাপ অংশ নাটখনত কিছু বিস্তৃত ৰূপত উপস্থাপন কৰিছে। ভাগৱতত যশোদাই কালিনাগক একো কথা কোৱা নাই, ইয়াৰ বিপৰীতে নাটখনত যশোদাই কালিনাগক যথেষ্ট কটুবাক্য শুনাইছে। মূলত থকা সংক্ষিপ্ত বনাগ্নি পানৰ কথাভাগ নাটখনত কিছু বিস্তৃত ৰূপত উপস্থাপন কৰা হৈছে। এইদৰে মূলৰ কথা বঢ়া-টুটা কৰি শঙ্কৰদেৱে ভক্তিৰসত দ্ৰৱীভূত নাট এখনি আমাক উপহাৰ দিছে।

মহাপুৰুষজনাৰ নাট ৰচনাৰ মুখ্য উদ্দেশ্য আছিল বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰা। শ্ৰীকৃষ্ণৰ লীলা-মাহাত্ম্য যাতে জনসাধাৰণে স্বচক্ষে দেখা পায় আৰু তাৰ ফলশ্ৰুতিতে ভক্তি-ধৰ্মৰ প্ৰতি তেওঁলোকৰ মন আকৰ্ষিত হৈ পৰে সেয়াই আছিল মহাপুৰুষজনাৰ নাট সৃষ্টিৰ মুখ্য উদ্দেশ্য। গতিকে নাটকৰ মাজত সংঘাত সৃষ্টি কৰি চৰিত্ৰক উজ্বল কৰি তোলা তেওঁৰ উদ্দেশ্য নাছিল। সংঘাত যদিওবা আছিল, সেই সংঘাত আছিল বহিঃ সংঘাত। সেই সংঘাতৰ মাজেৰে ভক্তি-ধৰ্মক প্ৰকট কৰি তোলাৰহে প্ৰচেষ্টা দেখা গৈছিল। কৃষ্ণ নাটখনৰ মুখ্য চৰিত্ৰ হ'লেও তেওঁৰ চৰিত্ৰত অলৌকিকতাৰ চিত্ৰণে তেওঁক সাধাৰণ গৰখীয়া কৰি নাৰাখি এক ঐশ্বৰিক ৰূপ দিছে।

কালিনাগ নাটখনৰ আন এটা প্ৰধান চৰিত্ৰ। নাট্যকাৰে কালিনাগক এটা ভয়ংকৰ নাগ হিচাপে অংকিত কৰিছে যদিও কালিনাগ প্ৰকৃততে প্ৰতীকী অৰ্থতহে ব্যৱহাৰ হৈছে। কালিনাগ মানুহৰ মনত অশুভ শক্তিৰ প্ৰতীক। ড০ সত্যেন্দ্ৰনাথ শৰ্মাদেৱে কালিনাগ চৰিত্ৰটিত এটা বিসংগতি দেখিবলৈ পোৱা বুলি উল্লেখ কৰিছে। নাটখনত কালিয়ক হেজাৰ ফণাযুক্ত সৰ্প বুলি বৰ্ণনা কৰিছে। কিন্তু সৰ্প বুলি বৰ্ণনা কৰাৰ পাছত কৃষ্ণক 'কৰযোৰে জানুপাৰি' স্তুতি কৰা কথাটো মানি ল'ব নোৱাৰি। অৱশ্যে আমাৰ সমাজত 'নাগপুত্ৰ' আৰু 'নাগকন্যা'ৰ কথা মাজে মাজে শুনিবলৈ পোৱা যায়। সৰ্প আৰু মানৱ শৰীৰ একেলগে সম্ভৱ নহয়; কিন্তু নাগ

চৰিত্ৰৰ মাজেৰে নাট্যকাৰগৰাকীয়ে নিশ্চয় মানুহৰ মাজত থকা ক্ৰুৰ স্বভাৱৰ কথাকেই ক'ব বিচাৰিছে। সৰ্পক এনে প্ৰবৃত্তিৰ মানুহৰ 'টটেম' (পূৰ্ব উৎপত্তিৰ চিহ্ন) বুলি ধাৰণা কৰা হয়।[৯] অৱশ্যে তেনে বুলি ভাবিব পাৰিলে এই বিসংগতি দূৰ হয়। অৱশ্যে নাটখনত কৃষ্ণৰ অলৌকিকতা দেখুওৱাৰ দৰে কালিনাগৰ মাজেৰেও অলৌকিকতা দেখুওৱা হ'ব পাৰে।

যশোদা চৰিত্ৰটি নাটখনত স্পষ্ট ৰূপত প্ৰকাশ পাইছে। যশোদাৰ চৰিত্ৰত চিৰন্তন মাতৃ এগৰাকীৰ চিত্ৰ ফুটি উঠিছে। গকুলত বিভিন্ন অমঙ্গলৰ চিন দেখা দিয়াত পুত্ৰৰ কিবা অমঙ্গল হৈছে বুলি যশোদা বিয়াকুল হৈ পৰিছে। কালিনাগে কৃষ্ণক নেজেৰে মেৰিয়াই ধৰি অচেতন কৰি ৰখা দৃশ্য দেখি যশোদাৰ মাতৃ হৃদয় কান্দি উঠিছে। সেয়ে কালিয়ক দমন কৰি পাৰলৈ উঠি অহা কৃষ্ণক সম্বোধি যশোদাই কৈ উঠিছে—

"আহে পুতা, কি নিমিত্তেঃ হ্ৰদক মাঝে ঝাম্প দেলহঃ। অঃ হামাক মাৰিতে চাঅল, তোহাৰি সন্তাপে আজু প্ৰাণ ছাড়ল হোই।"[১০]

কালিনাগৰ পত্নীসকলকো নাটখনত প্ৰতীকী অৰ্থত ব্যৱহাৰ কৰা হৈছে। পত্নীসকলে কৃষ্ণক স্তুতি কৰি তেওঁলোকৰ স্বামীৰ সকলো দোষ মৰিষণ কৰি তেওঁৰ জীৱন দান দিবলৈ প্ৰাৰ্থনা কৰিছে। ইয়াত কালিয়ৰ পত্নীসকলক অহং ভাৱৰ বশৱৰ্তী কিছুমান প্ৰবৃত্তি হিচাপে দেখুওৱা হৈছে। নাট্যকাৰে দেখুৱাব খুজিছে এই যাতনাময় সংসাৰৰ পৰা নিজক পৰিত্যাগ কৰাৰ একমাত্ৰ উপায় ভগৱানৰ পূজা।

সংলাপ আধুনিক নাটকৰ এটা প্ৰধান উপাদান। কিন্তু অংকীয়া নাটত সংলাপৰ গুৰুত্ব নাই বুলিবই পাৰি। অংকীয়া নাটৰ চৰিত্ৰৰ মুখত দিয়া কথা-বতৰাক 'বচন' আখ্যা দিলেহে অধিক ৰজিতা খাই পৰে। অৱশ্যে কালিনাগ আৰু নাগপত্নীসকলৰ মুখৰ বচন সম্পূৰ্ণ মানৱ চৰিত্ৰৰ মুখৰ বচন।

নাটখনৰ উপস্থাপন ৰীতি বৰ্ণনাধৰ্মী। এক অঙ্কবিশিষ্ট হলেও সূত্ৰধাৰৰ বচন, মন্তব্য আৰু নিৰ্দেশনাৰ জৰিয়তে নাটখনৰ অঙ্ক বিভাজন সহজেই কৰি ল'ব পাৰি। নান্দী, প্ৰৰোচনা, প্ৰস্তাৱনা, সূত্ৰধাৰৰ বচন, চৰিত্ৰৰ কথোপকথন, গীত, শ্লোক, পয়াৰ আৰু সৰ্বশেষত মুক্তিমঙ্গল ভটিমাৰে নাটখন ৰমণীয় ৰূপত সজাই তোলা হৈছে। তেওঁৰ বাকীবোৰ নাটকৰ দৰে এইখন নাটকতো সংস্কৃত নাট্যৰুচিৰ সৌষ্ঠৱ দেখা যায়। কিন্তু আজিৰ নাটকৰ দৰে চৰিত্ৰ, সংঘাত, সংকট, নাটকীয় উৎকণ্ঠা, বিস্ময় আদি কালিয়দমন বা মহাপুৰুষৰ আন নাটত বিচাৰিলে হতাশ হ'ব লাগিব।

কালিয়দমন নাটখনক এখন ৰূপকাত্মক নাট বুলিব পাৰি। জগতত বিষ্ণু মাহাত্ম্য প্ৰতিষ্ঠা কৰিব বিচৰা উদ্দেশ্য আগত ৰাখি নাটখনত বৰ্ণিত ঘটানাংশৰ ব্যাখ্যা কৰা হৈছে। উদ্দেশ্য প্ৰণোদিত ভাৱে ৰচিত হলেও নাটখনত প্ৰত্যক্ষভাৱে ক'তো আনক বৈষ্ণৱ ধৰ্মলৈ আহ্বান জনোৱা হোৱা নাই। দৰ্শক বা পাঠকে গীতে-মাতে, কাহিনীৰ লগত গতি কৰি আপোনা আপুনি ধৰ্মৰ পিনে গতি কৰে। এয়ে মহাপুৰুষজনাৰ ধৰ্ম প্ৰচাৰৰ কৌশল।■■

**লেখিকা প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা**

# বৈষ্ণৱ গুৰু শঙ্কৰ-মাধৱৰ সান্নিধ্যত নাৰায়ণ দাস ঠাকুৰ আতা

## (‘গুৰু-চৰিত-কথা’ৰ আধাৰত)

ড° গোলকেশ্বৰ গোস্বামী

নাৰায়ণ দাস ঠাকুৰ আতা অসমীয়া নৱবৈষ্ণৱ ধৰ্মৰ বুৰঞ্জীৰ এগৰাকী উল্লেখযোগ্য ৰত্ন। পিতৃদত্ত নাম ভৱানন্দ আছিল যদিও অসমৰ বৈষ্ণৱ সমাজত নাৰায়ণ দাস ঠাকুৰ আতা হিচাপে জনাজাত এইগৰাকী ব্যক্তি আছিল মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰিয়তম শিষ্য আৰু মাধৱদেৱৰো আছিল পৰম সখি। এইগৰাকী ধৰ্মপ্ৰাণ আৰু ভক্তপ্ৰাণ ব্যক্তিৰ জীৱনৰ বহুতো কথা ‘গুৰু-চৰিত-কথা’ৰ’[1] পাতত সন্নিৱিষ্ট আছে। মহাপুৰুষ শঙ্কৰ-মাধৱৰ সান্নিধ্যত এইগৰাকী ধৰ্মপ্ৰাণ ব্যক্তিয়ে গুৰু আৰু ভক্তৰ কাৰণেই কিদৰে জীৱন অতিবাহিত কৰিছিল সেই কথাকেই ‘গুৰু-চৰিত-কথা’ৰ পাতৰপৰা এই আলোচনাত বিশ্লেষণ কৰা হৈছে।

‘গুৰু-চৰিত-কথা’ অনুসৰি উত্তৰ গুৱাহাটী অঞ্চলৰ মালৌ[2] নামৰ ঠাইত জন্মগ্ৰহণ কৰা ঠাকুৰ আতাই পাঁচ বছৰ বয়সৰেপৰা সমনীয়া শিশুসকলেৰে সৈতে খেলা-ধূলা কৰা সময়তো ‘ফুলে জলে হৰিকহে’ পূজা কৰিছিল। যৌৱনকালত ভৰি দিয়াৰ লগে লগে তেওঁ পিতৃক হেৰুৱায় আৰু তাৰপিছত পিতৃভূমি পৰিত্যাগ কৰি খুড়াক চতন আতৈৰ সৈতে ব্ৰহ্মপুত্ৰৰ বুকুৰে ভটিয়াই যায়। তেতিয়াই নাও ডুবি তেওঁলোকে অশেষ দুৰ্যোগ-যাতনা ভুঞ্জি বৰভুই, ডিঙ্গানগৰ এৰি ডিঙ্গানগৰৰ উত্তৰৰ হালধা গ্ৰামত কলিতা মানুহ এঘৰৰ আশ্ৰয়ত থাকিবলৈ লয়।[3] তাতেই খুড়াক চতন আতৈ আৰু ঠাকুৰ আতা দুয়োৰে বিবাহ হয়। ঠাকুৰ আতাই বিয়া কৰায় তেওঁলোকে আশ্ৰয় লোৱা বৰকলিতা ঘৰৰেই গহীন, গম্ভীৰ, ধীৰ, সৰ্বসুলক্ষণী, সুন্দৰী কন্যা এগৰাকীক (গু.চ.ক. ছেদ ১৭৩)।[4] এই বিবাহে ঠাকুৰ আতাৰ জীৱনলৈ সুস্থিৰতা আনে। তেওঁ ছজন লগৰীয়াৰ সৈতে বেহা-বেপাৰ কৰিবলৈ লয় আৰু সেই ঠাইৰ নিয়ম অনুসৰি চৈতন্য ধৰ্মত দীক্ষা ল’বলৈ যাৱতীয় আয়োজন কৰে যদিও তেওঁলোকৰ ঘৰলৈ অহা ‘এজন দিব্যপুৰুষৰ’ কথাই তেওঁৰ মনৰ ভাৱ-ধাৰাৰ সলনি কৰি দিয়ে (গু.চ.ক. ছেদ ১৭৭)।

‘গুৰু চৰিত-কথা’ অনুসৰি ইয়াৰ পিছত ঠাকুৰ আতাই সেই ঠাই সলনি কৰি নামানগৰ (?) নামৰ ঠাইত থাকিবলৈ লয়। তাতেই এদিনাখন লুইতৰ পাৰৰ সণ্ঢৰা গাঁৱৰ ঘাটত ভাস্কৰ গুৰুৰ সৈতে তেওঁৰ সাক্ষাৎ হয়। উজনিৰ ধুৱাহাটৰ শঙ্কৰ গুৰুৰ ওচৰৰ পৰা অহা ভাস্কৰ গুৰুৱে তেওঁৰ আগত মহাপুৰুষ শঙ্কৰদেৱৰ গুণ-গৰিমাৰ কথা কৈ তেওঁৰ মন-প্ৰাণ আকৰ্ষিত কৰে। ঠাকুৰ আতাই তাৰ পিছতেই শঙ্কৰ গুৰুৰ অন্বেষণত পূৰ্বৰ লগৰীয়াসকলৰ সৈতে উজনিলৈ যাত্ৰা আৰম্ভ কৰে যদিও সৌভাগ্যক্ৰমে ইতিমধ্যে চুণপোৰাত আহি উপস্থিত হোৱা শঙ্কৰদেৱক তেওঁ বাটতেই লগ পায়। ঠাকুৰ আতাৰ সৈতে হোৱা প্ৰথম সাক্ষাতৰ মুহূৰ্ততেই শঙ্কৰদেৱৰ মুখত আপোনা-আপুনি ‘নাৰায়ণ’ নাম উচ্চাৰিত হয়। সেয়েই শঙ্কৰদেৱে ঠাকুৰ আতাৰ পূৰ্বৰ নাম ভৱানন্দ গুছাই ‘নাৰায়ণ দাস’ ৰাখে। তেতিয়াৰ পৰা ঠাকুৰ আতাৰ লগতে তেওঁৰ সঙ্গী ছজনেও ‘মহাপুৰুষক গুৰু বুলি’ বৈষ্ণৱ ভক্ত হৈ পৰে। মহাপুৰুষ শঙ্কৰদেৱৰ উদ্যোগত মাধৱদেৱৰ সৈতে ঠাকুৰ আতাই সখিত্বৰ বন্ধনেৰেও বান্ধ খায় (গু.চ.ক. ছেদ ১৭৮—৮৬)

নাৰায়ণ দাস ঠাকুৰ আতাই ইয়াৰ পিছত মহাপুৰুষ শঙ্কৰদেৱৰ সঘন সান্নিধ্য লাভ কৰাৰ বাবে মনথৈলৈ আহি ঘৰ-বাৰী কৰে। মহাপুৰুষ শঙ্কৰদেৱক লগ পোৱাৰ সময়ৰে পৰা ঠাকুৰ আতাৰ মন-প্ৰাণ নৱ-বৈষ্ণৱ ধৰ্মীয় ভাৱ-ধাৰাৰ দ্বাৰা বাৰুকৈয়ে প্ৰভাৱিত হয়। সেই সময়ৰে পৰা তেওঁ মহাপুৰুষজনাক লগ ধৰি ধৰ্ম চৰ্চাত নিৰত হোৱাৰ উপৰি অন্যান্য কিছুমান লোককো শঙ্কৰদেৱৰ ওচৰলৈ আনিবলৈ সক্ষম হয়। ঠাকুৰ আতাৰ প্ৰচেষ্টাত

অহা এনে লোকসকলৰ ভিতৰত কোঁচৰজাৰ গৰমলি গোবিন্দ, জতিৰ মধাই আতৈ, দতকুছিৰ জটিৰাম আতৈ, তপাৰ বলোৰাম আতৈ, শিমলুৱাৰ শ্ৰীৰাম আতৈ, গাৰোৰ গোবিন্দ আতৈ আদিয়েই উল্লেখযোগ্য।

কোঁচৰজাৰ গৰমলি গোবিন্দই দেৱী পূজি সৰ্বস্বান্ত হৈ শেষত নিজৰ গাৰ তেজো দেৱীৰ আগত অৰ্পণ কৰি শুকাই-খীণাই হাড়-ছাল প্ৰাপ্ত হৈছিল যদিও ঠাকুৰ আতাই তেওঁৰ মানসিক ভাৱৰ পৰিৱৰ্তন কৰি তেওঁক শঙ্কৰদেৱৰ ওচৰ চপাই দিছিল। সময়ত গোবিন্দ গৰমলি শঙ্কৰদেৱৰ প্ৰিয় ভক্ত হৈ পৰিছিল (গু.চ.ক. ছেদ-১৮৮—৯০)। পথালিকুছিৰ এটি পৰিয়ালত বন্ধা হিচাপে কাম কৰি জীৱন-নিৰ্বাহ কৰা তপাৰ বলোৰাম আতৈকো ঠাকুৰ আতায়েই মুকলি কৰি আনিছিল। বলোৰাম পিছত এজন অনুগত ভক্ত হৈ পৰিছিল (গু.চ.ক. ছেদ-২০৩)। অসমৰ নৱবৈষ্ণৱ ধৰ্মত ‘জীৱন্মুক্ত’ পুৰুষ স্বৰূপে খ্যাতি লাভ কৰা শ্ৰীৰাম আতাকো শিমলুৱা গ্ৰামৰ পৰা ঠাকুৰ আতায়েই লৈ আহিছিল (গু.চ.ক. ছেদ-২০৪) ঠাকুৰ আতাই নিজ গাঁও মনথৈৰ পৰা গণককুছি হৈ পাটবাউসীলৈ আহোঁতে বাটতে লগ পোৱা হালোৱা গাৰো লোক এজনকো ‘ৰাম-নাম’ বোলাইছিল। সেই ‘ৰাম-নাম’ উচ্চাৰণ কৰা গাৰোৰ গোবিন্দয়ো পাছত মহাপুৰুষক গুৰু বুলিহে জীৱন সাৰ্থক কৰিছিল (গু.চ.ক. ছেদ-২১৬)। গঙ্গা-জগন্নাথ ক্ষেত্ৰ আদি তীৰ্থ ভ্ৰমণ কৰি উভটি অহা দতকুছিৰ জটিৰাম আতৈকো ঠাকুৰ আতায়েই ‘জটডাৰি খুৰাই কথা খন্তা পেলাই’ শঙ্কৰদেৱৰ ওচৰলৈ লৈ আহি মহাপুৰুষক গুৰু বোলাইছিল (গু.চ.ক. ছেদ-২৩৫)। চিলিগ্ৰামৰ (শিলা?) চক্ৰপাণি দ্বিজ ভট্টাচাৰ্যকো ঠাকুৰ আতায়ে মহাপুৰুষ শঙ্কৰদেৱৰ ওচৰলৈ আনি বৈষ্ণৱ ধৰ্মত দীক্ষিত কৰাইছিল (গু.চ.ক. ছেদ-২৪৪)। মহাপুৰুষ শঙ্কৰদেৱৰ পৰা ধৰ্ম গ্ৰহণৰ পিছৰে পৰা ঠাকুৰ আতাই এইদৰে বিভিন্ন লোকক এই ধৰ্মৰ পৰিসৰলৈ অনাৰ চেষ্টা অব্যাহত ৰাখিছিল।

মহাপুৰুষ শঙ্কৰদেৱে উজনি অসম পৰিত্যাগ কৰি নামনিলৈ আহিয়েই ঠাকুৰ আতাকেই প্ৰধান সঙ্গীভক্ত হিচাপে পাইছিল আৰু সেই সময়তে এদিনাখন সেই অঞ্চলৰ প্ৰধান প্ৰধান লোকৰ কথা ঠাকুৰ আতাকেই সুধিছিল। ঠাকুৰ আতাই তেতিয়াই চকিয়া সাজি, পীতাম্বৰ কবি আৰু জন্তিৰ (জতী) মধাই এই তিনিজনৰ কথা শঙ্কৰদেৱৰ আগত কৈছিল। চকিয়া মাজিয়ে সাধাৰণ গৃহাশ্ৰম ধৰ্মত প্ৰৱৰ্তা বাবে আৰু পীতাম্বৰ কবিৰ কবিতাত ‘কামসিকতা’ৰ ভাবৰ বাবে শঙ্কৰদেৱে তেতিয়া তেওঁলোক দুজনৰ প্ৰতি বিশেষ আকৰ্ষিত নহ’ল; পীতাম্বৰ কবি সম্পৰ্কে তেওঁ বিৰূপ মন্তব্যহে দিলে। কিন্তু জন্তিৰ মধাইয়ে সাংসাৰিক কামনা-বাসনাত লিপ্ত নহৈ ঘৰতেই এটি ‘হৰিগৃহ’ সাজি তাতেই বহি ভগৱানৰ নাম-গুণ কীৰ্তন কৰা কথাই শঙ্কৰদেৱৰ মনত আনন্দ দিলে। তেতিয়াই গুৰুজনৰ নিৰ্দেশত ঠাকুৰ আতাই মধাইক শঙ্কৰদেৱৰ ওচৰলৈ আনি উপস্থিত কৰালে। সময়ত জন্তিৰ মধাই মহাপুৰুষ শঙ্কৰদেৱৰ এগৰাকী পৰমভক্ত হৈ পৰিল (গু.চ.ক. ছেদ-১৯২)

মহাপুৰুষ শঙ্কৰদেৱে চূণপোৰাত থকা সময়ৰ ভিতৰতে ওচৰ-পাজৰৰ অঞ্চলবোৰত মাজে-সময়ে ফুৰা-চকা কৰিছিল আৰু শঙ্কৰ-মাধৱৰ সেই যাত্ৰাসমূহত ঠাকুৰ আতাও আছিল এজন বিশিষ্ট সঙ্গী। লুইতৰ বুকুৰে নাৱেৰে কৰা এনে যাত্ৰাৰ মাজতেই এদিনাখন শঙ্কৰদেৱে বৰাপো মাধৱদেৱ, নাৰায়ণ দাস ঠাকুৰ আতা আৰু জন্তিৰ মধাই আতৈ প্ৰত্যেককে একোটিকৈ কবিতা ৰচনা কৰিবলৈ কৈছিল। গুৰুজনৰ আজ্ঞা অনুসৰণ কৰি তিনিওজনে তিনিটা কবিতা ৰচনা কৰিছিল। সেই তিনিটা কবিতা সম্পৰ্কে শঙ্কৰদেৱৰ মন্তব্য আছিল এনে ধৰণৰ— “বোলে বৰাপোএ জি কবিতা কৰিলে সাত পাতাল স্বৰ্গ সাত বৈকুণ্ঠ ভেদি গল ঃ নৌকা চাদি উপচি গল ঃ ..... নাৰায়ণ দাসৰ কবিতা নাঞ চপচপিয়া হল।। মধাইৰ কবিতাহে তলিতে লুকাল।।” (গু.চ.ক. ছেদ-১৯৩) ‘গুৰু-চৰিত-কথা’ৰ কথাৰ পৰা বুজিব পাৰি যে মাধৱদেৱৰ কবিতাত আছিল গুৰু ভক্তি ভাৱৰ পৰাকাষ্ঠা; নাৰায়ণ দাসৰ কবিতাত আছিল গুৰু ভক্তিৰ ৰেঙনি। তাৰ বিপৰীতে মধাইৰ কবিতাত যেন সেই ভাৱৰ অভাৱ আছিল আৰু সেয়েই হয়তো কবিতা তিনিটা সম্পৰ্কে গুৰুজনৰ আছিল এনেধৰণৰ মন্তব্য। মহাপুৰুষ শঙ্কৰদেৱে মাধৱদেৱৰ কবিতা সম্পৰ্কে এনে ধৰণৰ উচ্চ মন্তব্য দিয়াৰ লগতে নাৰায়ণ দাস ঠাকুৰ আতা আৰু মধাই আতৈৰ কবিতাৰ বিষয়ে এনে মন্তব্য দিলেও নাৰায়ণ দাস আৰু মধাইৰ প্ৰতি তেওঁৰ স্নেহৰ ভাব কিন্তু সততে অটুট আছিল।

মহাপুৰুষ শঙ্কৰদেৱক লগ পোৱাৰ পিছৰে পৰা

একান্ত ভক্ত হৈ পৰা ঠাকুৰ আতাৰ বাবে শঙ্কৰদেৱ আছিল 'জগত গুৰু'। শঙ্কৰদেৱৰ ঠাইলৈ যাবলগীয়া হ'লেই সেয়েই ঠাকুৰ আতাই 'জগত গুৰু ঠাইলৈ জাঞ' বুলিহে কৈছিল ((গু.চ.ক. ছেদ-২১৮)। ঠাকুৰ আতাৰ এই ভক্তি ভাবত অভিভূত হৈ সেয়ে শঙ্কৰদেৱেও তেওঁক নিজৰ প্ৰাণ বুলিয়েই জ্ঞান কৰিছিল (গু.চ.ক. ছেদ-২৪৬)।

ঠাকুৰ আতাই ধৰ্মীয় বিষয়সমূহ অতি অন্তৰঙ্গভাৱে উপলব্ধি কৰিবলৈ চেষ্টা কৰিছিল আৰু এইক্ষেত্ৰত তেওঁ সমৰ্থও হৈছিল। কোনো কোনো সময়ত তেওঁ ধৰ্মীয় ব্যাখ্যাত মহাপুৰুষ শঙ্কৰদেৱক সহায়তাও কৰিছিল। গুৰু-চৰিত-কথাৰ পৰা গোবিন্দ গুৰু আৰু কাৰলা বাঢ়ৈয়ে একাদশ স্কন্ধ ভাগৱতৰ দুটি পদ সম্পৰ্কে লোৱা ভুল ধাৰণা আৰু সেই ক্ষেত্ৰত নাৰায়ণ দাসৰ যুক্তিৰ কথা এই প্ৰসংগতে উল্লেখ কৰিব পাৰি (গু.চ.ক. ছেদ-২২২, ২৫০—৫১)। গোবিন্দ গুৰুৱে এদিনাখন একাদশী তিথিত শঙ্কৰদেৱৰ ঘৰলৈ তিনিটা কুৰ্হি মাছ আনিছিল। সিদিনাখন একাদশী তিনি হিচাপে কুৰ্হি মাছ অনা বাবে শঙ্কৰদেৱে আপত্তিজনক মনোভাব প্ৰকাশ কৰাত গোবিন্দই একাদশ স্কন্ধৰ পদ মাতি কৈছিল— "বোলে বাপ তোম্ৰাঠৈৰ পদে দেখো কৈছে ঃ বোলে নপাই একাদশী উপবাসে ঃ নপাত্ৰ মোক যোগ সন্ন্যাসে।।" একাদশ স্কন্ধ ভাগৱতৰ পদৰ বিষয়ে গোবিন্দ গুৰুৱে লোৱা এই ভুল ধাৰণাৰ বাবে মহাপুৰুষজনাই তেতিয়াই শাস্ত্ৰখনৰ পৰা সেই পদটো কাটি গুচাবৰ বাবে হাতত নৰণি লৈ আগবাঢ়িছিল যদিও সেই সময়তে তেওঁৰ কাষত থকা নাৰায়ণ দাসৰ ব্যাখ্যা শুনিহে গুৰুজনাই শাস্ত্ৰখনৰ সেই পদটো কটাৰ পৰা বিৰত থাকিল। নাৰায়ণ দাসে যেতিয়া— "বোলে বাপ একাদশী ধৰ্মবাৰ তিথি ঃ আক কৰিব পাই তাৰ ফল বাঞ্ছাহে কৰিব নপাই।।" ইত্যাদি ধৰণে পদফাঁকিৰ ব্যাখ্যা কৰিলে; তেতিয়া গুৰুজন অতিশয় সন্তুষ্ট হ'ল। অনেক শ্ৰমকৈ শাস্ত্ৰৰূপী অৰণ্য কাটি পদ কৰা কষ্টকৰ বিষয়ৰ কথা উত্থাপন কৰি আনন্দ সন্তুষ্টিত উদ্বেলিত হৈ শঙ্কৰদেৱে তেতিয়া নাৰায়ণ দাসৰ কোচত গুৱা এমুঠি প্ৰদান কৰি নাৰায়ণ দাসৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলে।

মহাপুৰুষ শঙ্কৰদেৱৰ অন্য এজন ভক্ত কাৰলা বাঢ়ৈয়েও পিছত অনাচাৰত প্ৰৱৰ্তা দেখি শঙ্কৰদেৱ তেওঁৰ প্ৰতি বিতুষ্ট হৈছিল। সেইজন কাৰলা বাঢ়ৈয়ে এদিনাখন আহি শঙ্কৰদেৱক সেৱা কৰাত গুৰুজনাই তেওঁৰ তেনে কৰ্মৰ বাবে অসন্তুষ্টি প্ৰকাশ কৰাত কাৰলা বাঢ়ৈয়ে গুৰুজনাৰ আগতেই একাদশ স্কন্ধ ভাগৱতৰ পদ উদ্ধৃতি কৰি ক'লে— "বোলে বাপ তোম্ৰাৰে পদে দেখো কৈছে ঃ লোভ মোহ কাম ক্ৰোধ বিষয় আক্ৰোশে। মোৰ ভকতক নোচোএ একো দোষে।।" শঙ্কৰদেৱ কৃত পদৰ তেনে ধৰণৰ ভুল ধাৰণা দেখি সেইবাৰো তেওঁ সেই পদ কাটি দিবৰ বাবে ওলাল যদিওসেইবাৰো ঠাকুৰ আতাই বাধা আৰোপ কৰি সেই পদৰ ব্যাখ্যা এনেদৰে কৰিলে— "বোলে বাপ লোভে ধৰিলে ঃ পৰৰ অনেক আছে ঃ ঘিউ মউ চেনি চুৰা দুগ্ধ খিৰ লৱণু দৈ - আনো উপাধি দেখি সুনিমহে ঃ কিৰ পাব তাক।। আৰু মোহে ধৰিলে আপুনাৰে সোণ ৰূপ তাম কাহ পিতল বস্ত্ৰ গো মহ আকে চাই সামৰা জাই।। কামে ধৰিলে আপুনাৰে বিবাহিতা ভাৰ্য্যা আছে তাতে সাফলো ঃ আৰু মনৰ কামনা জি হই ঃ অৰ্থে বিতে কৰা জাই লঞ থঞ লগাই ভাঙ্গি ছিঙ্গি।। আৰু ক্ৰোধে ধৰিলে আপুনাৰে দাসী দাস ভাৰ্য্যা পুত্ৰবান্ধা আকে শপি মাৰি সাৰা জাই।।" নাৰায়ণ দাস ঠাকুৰৰ এই ব্যাখ্যাত সন্তুষ্ট নহৈ তেতিয়াই মাধৱদেৱে নিজৰ উদাসীন মনোভাৱৰ সাপেক্ষে কাম, ক্ৰোধ, লোভ, মোহ আদি বিষয়ে ভিন্ন দৃষ্টিভংগীৰে ব্যাখ্যা কৰিলে। দুয়োজনৰ দুই ধৰণৰ ব্যাখ্যা শঙ্কৰদেৱ অভিভূত হ'ল আৰু সন্তুষ্টিৰ মনোভাৱেৰে ক'লে— "বোলে উদাস হ'লে মোৰ বৰাপো দৰে চিত আশই হব ঃ আশ্ৰম হলে নাৰায়ণ দাসৰ ক্ৰমে হব ঃ"।

ভাগৱতৰ পদৰ এই ধৰণে ব্যাখ্যা আগবঢ়াই গুৰুজনাক সন্তুষ্ট কৰা নাৰায়ণ দাসে যে অসমৰ ভক্তিধৰ্ম বা গুৰু-ভক্তসকলৰ বিষয়েও ভাল ধৰণে জানিছিল; সেই কথাও শঙ্কৰদেৱৰ কথাতেই প্ৰকাশিত হৈছে। এদিনাখন ভক্ত আতৈসকলে 'ভক্তিৰ আগগুৰি' অৰ্থাৎ অসমৰ ভক্তিধৰ্মৰ লগত জড়িত গুৰু-শিষ্যসকলৰ ক্ৰম অনুসৰি আগত কোন আৰু গুৰি অৰ্থাৎ তলত কোন— এই বিষয়ে জানিবলৈ বিচৰাত সেই কথাও নায়াৰণ দাসৰ পৰাহে জানি ল'বলৈ কৈছিল। নাৰায়ণ দাসে তেতিয়া গুৰু-শিষ্যৰ মৰ্যাদালৈ চাই লোণ-দানৰ জৰিয়তে সেই কথা ভক্তসকলক বুজাই দিছিল বুলি কৈ মহাপুৰুষ

শঙ্কৰদেৱে নাৰায়ণ দাসৰ প্ৰশংসা কৰিছিল (গু.চ.ক. ছেদ-২৫২)।।[৫]

নামনি অসমত শঙ্কৰ-মাধৱৰ সৈতে নাৰায়ণ দাস ঠাকুৰ আতাই এইদৰে নৱ-বৈষ্ণৱ ধৰ্মৰ অনুৰাগী হিচাপে জীৱন-নিৰ্বাহ কৰি থকা সময়তে উজনিৰ ভক্ত কিছুসংখ্যকে এজন ধৰ্ম প্ৰচাৰক বিচাৰি শঙ্কৰদেৱৰ ওচৰত আহি উপস্থিত হৈছিল। মহাপুৰুষ শঙ্কৰদেৱে তেতিয়া মাধৱদেৱৰ সন্মতি সাপেক্ষে তেওঁকেই উজনিলৈ যাবলৈ আজ্ঞা কৰিছিল যদিও; সেই আজ্ঞাও নাৰায়ণ দাস ঠাকুৰ আতাই নিজৰ উপস্থিত বুদ্ধিৰে স্থগিত ৰাখিবলৈ সমৰ্থ হৈছিল (গু.চ.ক. ছেদ-২৬৩)।

শঙ্কৰদেৱৰ অনুগামী হিচাপে গুৰুজনাৰ দ্বিতীয় বাৰৰ তীৰ্থভ্ৰমণৰ সময়ত ঠাকুৰ আতাও এজন সঙ্গী হিচাপে ওলাইছিল যদিও এদিনৰ পথ গৈয়েই তেওঁ বৃদ্ধ খুড়াক চতন আতৈক ঘূৰাই আনিব লগা হোৱা বাবে সেই যাত্ৰা সম্পূৰ্ণ কৰিব নোৱাৰিলে (গু.চ.ক. ছেদ-২৭১)। তীৰ্থযাত্ৰা সম্পৰ্কে উদ্‌গ্ৰীৱ ঠাকুৰ আতাই কিন্তু শঙ্কৰদেৱৰ তীৰ্থযাত্ৰাৰ সমাপ্তিৰ পিছত আটাইবাৰে বা-বাতৰি মহাপুৰুষ মাধৱদেৱৰ পৰা সুধি লৈছিল (গু.চ.ক. ছেদ-২১২)।

ঠাকুৰ আতাই এইদৰে মহাপুৰুষ শঙ্কৰদেৱৰ সান্নিধ্যত ধৰ্মীয় জীৱন অতিবাহিত কৰিছিল যদিও এগৰাকী শিষ্য হিচাপে তেওঁৰ প্ৰকৃত প্ৰতিচ্ছবি ফুটি উঠিছে কোঁচৰজা নৰনাৰায়ণৰ আৰক্ষী বিষয়াৰ পৰা তেওঁ সহ্য কৰিবলগীয়া হোৱা অৱৰ্ণনীয় শাৰীৰিক অত্যাচাৰসমূহৰ পৰাহে (গু.চ.ক. ছেদ-৩২৬—৩৩)। মহাপুৰুষ শঙ্কৰদেৱে পাটবাউসীত থকা সময়তে কিছুসংখ্যক ব্ৰাহ্মণে গুৰুজনাৰ বিৰুদ্ধে ৰজা নৰনাৰায়ণৰ ওচৰত অভিযোগ দিছিল— "বোলে শঙ্কৰে কাকো নমানে দেউ দেৱী শ্ৰাধ বিধি ঃ মূৰ্ত্তি পানিত পেলাই ঃ ভাগৱত ভাঙ্গি পদ কৰে ঃ ব্ৰাহ্মণ গঙ্গা গীতা তুলসি শালগ্ৰাম নমানে নুপূজে ঃ ব্ৰাহ্মণ কৈৱত্ৰ দৈৱজ্ঞ কোচ শূদ্ৰ সবে ভজাই ঃ একত্ৰে খাই ঃ কূলশীল ধৰ্ম্ম কৰ্ম্ম বেদনীতি এৰি এৰুৱাই দেশ গোটে তোমাৰ অনাচাৰি কৈলে ঃ ....." এই ধৰণে। সেই অভিযোগৰ ভিত্তিতেই ৰজাই শঙ্কৰদেৱকধৰি নিবলৈ পাঁচজন গৰমলি নিযুক্ত কৰিলে। কিন্তু ইতিমধ্যে সেই কথা জানি আত্মগোপনভাৱে থকা শঙ্কৰদেৱক ৰজাৰ গৰমলিয়ে ধৰিব নোৱাৰিলে। ৰাজ গৰমলিয়ে তেতিয়া ঠাকুৰ আতা আৰু গোকুলচান্দ আতৈ নামৰ অন্য এজন ভকতকে ধৰি লৈ গ'ল। ঠাকুৰ আতাৰ লগত তেওঁৰ পত্নীও ওলাল। কোঁচৰজাৰ গৰমলিয়ে ঠাকুৰ আতা আৰু গোকুলচান্দ আতৈক বিভিন্ন ধৰণে শাস্তি প্ৰদান কৰিলে। গৰমলিয়ে দুয়োজনকে 'চেপাকুন্দা' দিলে ঃ কোৰ তপতাই পুৰিলে ঃ ওঠৰ জোৰ কঠাৰে কঠালে; গাৰ ছাল কমাৰ-সৰাহেৰে টানি ধৰিলে; 'চেপাকুন্দা'ৰ উপৰি 'পোতা কুন্দা', 'ডপলা কুন্দা' আদি প্ৰয়োগ কৰিও শাস্তি দিলে যদিও ঠাকুৰ আতাৰ মুখৰ পৰা কোনোপধ্যেই শঙ্কৰদেৱৰ বাতৰি উলিয়াব নোৱাৰিলে। ইয়াৰ উপৰি 'হাতীসালে এডিঙ্গিয়া গাতকৈ লাদ মুত জাবৰ ভেবেৰ চুচি পেলাই ঃ তাতে নি দুইকো পেলাই ঃ মাথাত ৰাবাহ দি হেচি বুৰাই" ধৰিও শাস্তি দিলে। সেই শাস্তি সহিব নোৱাৰি গোকুলচান্দ আতৈয়ে কওঁ বুলি ওলাইছিল যদিও ঠাকুৰ আতাৰ ধমকনিত তেওঁ মুখ বন্ধ কৰিলে। অৱশেষত কিন্তু ৰজাৰ গমলিয়ে নাৰায়ণ দাস ঠাকুৰ আতাৰ ঐশ্বৰিক শক্তি দেখি স্তম্ভিত হ'ল আৰু তেওঁক 'গুৰুবোধ' কৰি শৰণাপন্ন হ'ল। তাৰ পিছত ৰজাৰ আদেশত ঠাকুৰ আতাক পুনৰ ভোটৰ হাতত বেচিবলৈ লোৱা হয়, যদিও সেই প্ৰচেষ্টাত ব্যৰ্থ হয় আৰু শেষত মহাপুৰুষ শঙ্কৰদেৱৰ ধৰ্ম ৰক্ষা কৰি, শঙ্কৰদেৱৰ কৃপা লাভ কৰি গোকুল চান্দৰ সৈতে ঠাকুৰ আতা উভটি আহিবলৈ সক্ষম হয়। উভটি আহি যেতিয়া মহাপুৰুষ শঙ্কৰদেৱৰ সৈতে নাৰায়ণ দাস ঠাকুৰ আতৰ সাক্ষাৎ হ'ল, তেতিয়া নাৰায়ণ দাসে গুৰুজনৰ "পাৱতে পৰি কান্দিব ধৈলে।।" গুৰুজনেও নাৰায়ণ দাসক সাৱটি ধৰিলে। গুৰুজনৰ চকু লোতকেৰে ভৰি পৰিল। কোঁচৰজাৰ বন্দীশালত নাৰায়ণ দাস আৱদ্ধ হৈ থকা সময়তে পত্নী বাৰবাহীয়ে জন্ম দিয়ে আৰু দুঃখৰ দিনত ওপজা বাবে 'দুখিয়া' নাম পোৱা নাৰায়ণ দাসৰ পুত্ৰক গুৰুৱে "বোলে তোমাৰ দুখত আনন্দ দিছে ঃ পৰ্ম্মানন্দ দিচো।।" বুলি নতুনকৈ পৰ্মানন্দ নাম দিলে। গুৰু শঙ্কৰে তেতিয়াই নাৰায়ণ দাসৰ প্ৰতি অকুণ্ঠ মৰম-চেনেহ প্ৰকাশ কৰি ঘোষণা কৰিলে— "নাম একান্ত সৰ্ব্ব প্ৰভাএ মোৰ নাৰায়ণ দাস কৃত্যকৃত হ'ল সংসাৰ তিনি তাপৰ বেদনা লোমো নৰৱিল।।"

মহাপুৰুষ শঙ্কৰদেৱে জীৱনৰ শেষ ভাগত

কোচবেহাৰত থকা সময়তো ঠাকুৰ আতাই তেওঁৰ প্ৰতি অকুণ্ঠ ভক্তিভাব পোষণ কৰি গৈছিল। প্ৰথমবাৰ কোচবেহাৰৰ পৰা উভটি অহাৰ পিছতো গুৰুজনাৰ লগত তেওঁ ধৰ্মালোচনাত অংশগ্ৰহণ কৰিছিল (গু.চ.ক. ছেদ-৩৭৯)। গুৰুজনাৰ আজ্ঞা অনুসৰণ কৰিয়েই তেওঁ মাধৱদেৱৰ সৈতে হেৰেমেশ্বৰ ৰজাক (?) ধৰ্মীয় জ্ঞান দিবলৈ গৈছিল (গু.চ.ক. ছেদ-৩৮৫)। জীৱনৰ একেবাৰে শেষৰ সময়খিনি কোচবেহাৰত কটাবৰ বাবে শঙ্কৰদেৱ যাবলৈ ওলোৱা সময়তো বেপাৰৰ যোগেদি নৌকা-ভ্ৰমণত পাৰদৰ্শী ঠাকুৰ আতায়েই শঙ্কৰদেৱৰ নাৱৰ সকলোবোৰ বস্তু-বাহানি ঠিক-ঠাক কৰি দিছিল। শঙ্কৰদেৱৰ যাত্ৰাৰ মুহূৰ্তত অন্যান্য ভক্ত-শিষ্যসকলৰ সৈতে ঠাকুৰ আতাও মৰ্মাহত হৈ পৰিছিল (গু.চ.ক. ছেদ-৩৯১)।

মহাপুৰুষ শঙ্কৰদেৱৰ কোচবেহাৰত মৃত্যু হোৱাৰ পিছত শোক-বিহ্বল অন্তৰেৰে অন্যান্য ভক্তসকলৰ সৈতে লগ-লাগি পাটবাউসীত মহাপুৰুষজনাৰ মাহেকীয়া সৎকাৰ কৰ্মৰ লগতে বছৰেকীয়া উৎসৱ-অনুষ্ঠানতো ঠাকুৰ আতাই নিষ্ঠাৰে অংশগ্ৰহণ কৰি প্ৰকৃত শিষ্য জীৱনৰ পৰিচয় দিছিল (গু.চ.ক. ছেদ-৪০৯, ৪১১)।

শঙ্কৰদেৱৰ মৃত্যুৰ পিছত তেওঁৰ প্ৰিয় শিষ্য মহাপুৰুষ মাধৱদেৱৰ সৈতেও নাৰায়ণ দাস ঠাকুৰ আতাই মধুৰ সম্পৰ্ক ৰক্ষা কৰিছিল। শঙ্কৰদেৱৰ সৎকাৰ কৰ্ম দহাৰ শ্ৰাদ্ধানুষ্ঠানৰ দিনাখনেই শঙ্কৰ-পুত্ৰ ৰামানন্দ ঠাকুৰৰ মুখৰ পৰা মৃত্যুৰ আগমুহূৰ্তত শঙ্কৰে পুত্ৰক কোৱা "..... শক্তি ভক্তি বল পৰাক্ৰম সকলোখানি বৰপোতে থৈছো ঃ শিষ্যভাই নুবুলি গুৰুবোধকৈ সুধিবা ঃ সকলো আমাৰ সৰ্ব্বস পাবা ....."— এনে ধৰণৰ কথাবোৰ উলিয়াই নৱবৈষ্ণৱ ধৰ্মৰ গুৰি বঠাপাট ধৰি যাবলৈ নাৰায়ণ দাসে সখিয়েক মাধৱদেৱক অনুৰোধ কৰিছিল (গু.চ.ক. ছেদ-৪০৮)। নাৰায়ণ দাসৰ উদ্যোগপূৰ্ণ অনুৰোধতেই মাধৱদেৱে তেতিয়াৰে পৰা অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ গুৰু হিচাপে দায়িত্বভাৰ কান্ধ পাতি লৈছিল আৰু মাধৱদেৱৰ সান্নিধ্যত ঠাকুৰ আতায়ো বৈষ্ণৱ ধৰ্মৰ এগৰাকী প্ৰকৃত ভক্ত হিচাপে কাম কৰি গৈছিল। মাধৱদেৱৰ দক্ষিণকুলীয়া শিষ্য কংসাৰি বা বৰবিষ্ণু আতায়ো নাৰায়ণ দাসৰ সহযোগতেই মাধৱদেৱৰ ওচৰ পাইছিলহি আৰু সময়ত ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ মালচা, চমৰীয়া আদি অঞ্চলত ধৰ্মপ্ৰচাৰ কৰিবলৈ লৈছিল (গু.চ.ক. ছেদ-৪৩৩-৪০)। মাধৱদেৱৰ আজ্ঞা অনুসৰি বৰবিষ্ণু আতাৰ ঠাইতেই মাধৱদেৱ ৰচিত 'নৃসিংহ যাত্ৰা' (?) নাটৰ অভিনয় কৰা হৈছিল আৰু তেতিয়াই ঠাকুৰ আতাই বৰবিষ্ণু আতাৰ সহযোগত যাত্ৰাৰ বাবে প্ৰয়োজনীয় ছোঁ আদিও সাজি উলিয়াইছিল (গু.চ.ক. ছেদ- ৪৪৬—৪৭)। পৰৱৰ্তী সময়ত বৰবিষ্ণু আতাৰ ঠাইতেই 'অজামিল পক্ষান জাত্ৰা'ও (?) অনুষ্ঠিত হৈছিল আৰু তাতো মাধৱদেৱৰ নিৰ্দেশিত ঠাকুৰ আতাই সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল (গু.চ.ক. ছেদ-৭২৪)। মাধৱদেৱ কৃত 'ৰাম ভাওনা' নাটতো ঠাকুৰ আতাই দশৰথৰ ভাওত অভিনয় কৰাৰ কথা পোৱা যায় (গু.চ.ক. ছেদ- ৭৪৪)

শঙ্কৰদেৱৰ এগৰাকী অন্তৰতম শিষ্য হিচাপে পৰৱৰ্তী সময়ত শঙ্কৰ-নাতি পুৰুষোত্তমক ধৰ্মৰ আচাৰ্য পতাৰ ক্ষেত্ৰতো নাৰায়ণ দাস ঠাকুৰ আতাই বলিষ্ঠ ভূমিকা লৈছিল আৰু এইক্ষেত্ৰত মহাপুৰুষ মাধৱদেৱো নাৰায়ণ দাসৰ দ্বাৰা প্ৰভাৱিত হৈছিল। মাধৱদেৱ সুন্দৰীদিয়াত থকা সময়তে সেৱকীয়া গ্ৰামী ভকত অমৃতাকৰ দলৈৰদ্বাৰা আয়োজিত 'বৰসভা' এখনতেই নাৰায়ণ দাসৰ পৰামৰ্শমতে পুৰুষোত্তমক যোল্ল বছৰ বয়সত অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ এগৰাকী আচাৰ্যৰূপে বৰণ কৰি লোৱা হৈছিল (গু.চ.ক. ছেদ-৬১১—১৪)।

বৰপেটাৰ কীৰ্তনঘৰ নিৰ্মাণৰ ক্ষেত্ৰতো মহাপুৰুষ মাধৱদেৱৰ প্ৰতি নাৰায়ণ দাসে উপযুক্ত পৰামৰ্শ আগবঢ়াইছিল। মহাপুৰুষ মাধৱদেৱ সুন্দৰীদিয়াত থকা সময়তে পূব কোচৰাজ্যৰ ৰজা ৰঘুদেৱ নাৰায়ণৰ পৰা 'সত্ৰে সত্ৰে পূজা কৰক বুলি' পোৱা আজ্ঞা আৰু অন্যান্য কাৰণত মাধৱদেৱৰ মন যেতিয়া বিমৰ্ষ হৈ পৰিছিল; তেতিয়াই নাৰায়ণ দাস ঠাকুৰ আতাই মাধৱদেৱে অৱলম্বন কৰা 'সুদ্ধ-সত্ব কেৱল ধৰ্ম্মক' জাতি-হিং বুলি কৈ তাৰ মোল কোনেও নুবুজে বুলি কয়। নাৰায়ণ দাসৰ মতে মাধৱদেৱে কেৱলীয়া ধৰ্মলৈয়ো "বাজে হাতিহিঙ্গকৈ বৰঘৰ গাৱন-বায়ন নটুৱা জাত্ৰা মহোৎসৱ ভাবনা এই বোৰ কৈলেহে তাকে চাই দেখি আহি গৈহে পৰমাৰ্থত" জীৱ লাগিব আৰু তেতিয়াহে শঙ্কৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰ হ'ব। নাৰায়ণ দাসৰ এই পৰমাৰ্শত শঙ্কৰদেৱৰ পূৰ্বৰ বাধা-নিষেধৰ কথা অৱতাৰণা কৰি মাধৱদেৱে

প্ৰথমতে আপত্তি দৰ্শাইছিল যদিও (গু.চ.ক. ছেদ-৬৩৫-৩৯); পাছত কিন্তু মাধৱদেৱে অন্যান্য ভক্ত-শিষ্যসকলৰ সহযোগত বৰপেটাৰ কীৰ্তনঘৰ বা ৰঙ্গাৱন গৃহ নিৰ্মাণ কৰি উলিয়াইছিল। বৰপেটাৰ এই ৰঙ্গাৱন গৃহতে মাধৱদেৱৰ অন্যান্য ভক্তসকলৰ সৈতে ঠাকুৰ আতায়ো ধৰ্মীয় আলোচনাত অংশগ্ৰহণ কৰিছিল আৰু মাধৱদেৱক মাজত লৈ অনুষ্ঠিত এই আলোচনাত ঠাকুৰ আতাৰ স্থান আছিল দক্ষিণ দিশত (গু.চ.ক. ছেদ-৬৭৭, ৭৬৯)।

শঙ্কৰ-মাধৱৰ সান্নিধ্যৰ দ্বাৰা অনুপ্ৰেৰণা লাভ কৰি এইগৰাকী ঠাকুৰ আতায়েই মহাপুৰুষ মাধৱদেৱে ভক্তসকলৰ সৈতে সন্মুখীন হোৱা দুঃখৰ দিনত নিজৰ গুটিভঁৰালৰ ধানখিনিও আগবঢ়াইছিল আৰু এইক্ষেত্ৰত ঠাকুৰ আতাৰ পত্নী আৰু পুত্ৰ-বোৱাৰীয়েকেও ঠাকুৰ আতাৰ প্ৰস্তাৱত উপযুক্ত সঁহাৰি দিছিল। ঠাকুৰ আতাৰ সমগ্ৰ পৰিয়ালৰ এই ভক্তি-নিষ্ঠা দেখি মহাপুৰুষ মাধৱদেৱ আনন্দত অভিভূত হৈ পৰিছিল। মনৰ আনন্দৰ আতিশয্যত তেওঁ কৈছিল— "বাৰাবাহি পৰ্ম্মানন্দ বহাৰি ঃ ৰজত সুবৰ্ণে ৰত্নে উধান ঃ মোৰ সখি হল তাতে ৰামনামৰ থালি ঃ অমৃতৰ ভৰপূৰ।।" এইদৰে কোৱাৰ লগতে মাধৱদেৱে নাৰায়ণ দাসৰ প্ৰশংসাত পঞ্চমুখ হৈয়েই আকৌ ঘোষাগীত কৰি কৈছিল— "হৰিভক্তি মহাথালি ৰাম নাম অমৃতে আচে ভৰিয়া।। নাৰায়ণ মই তুৰা দাসকু দাস।।" (গু.চ.ক. ছেদ-৭৯৬)।

সখিয়েক ঠাকুৰ আতাক নিজৰ আত্মা হিচাপে জ্ঞান কৰা মাধৱদেৱে আনকি গো-বধৰ নিচিনা পাপৰ পৰাও যে ঠাকুৰ আতাক ৰক্ষা কৰিবলৈ কুণ্ঠিত নাছিল, তাৰ উল্লেখো 'গুৰু-চৰিত-কথা'ৰ পাতত আছে (গু.চ.ক. ছেদ-৭৬২)। মাধৱদেৱ সুন্দৰীদিয়াত থাকোঁতেই ঠাকুৰ আতাৰ ভাগৰ সিধা শ্ৰীৰাম আতাই লৈ যোৱা আৰু ভকত দুই-এজনক পাচি সেইভাগ ঠাকুৰ আতাৰ ঘৰলৈ পঠিওৱাক লৈ ভকতসকলৰ মাজত হোৱা বিৰূপ মনোভাৱৰ কথাও পুথিখনত আছে। এইক্ষেত্ৰত কিন্তু মাধৱদেৱে পুৰণি শাস্ত্ৰৰ উপযুক্ত উদাহৰণ দাঙি ধৰি গৃহী হোৱা সত্ত্বেও ঠাকুৰ আতাৰ উদাসীন মনৰ কথা ভকতসকলক ভালদৰে বুজাই দিছিল আৰু "নাৰায়ণ লীলা জানব কোই। সুৰপতি শঙ্কৰ চিন্তিতে আকুল হোই।।" এই ধৰণে গীত ৰচনা কৰি নাৰায়ণ দাসৰ প্ৰশংসা কৰিছিল (গু.চ.ক. ছেদ-৫৪৩-৪৬)। মাধৱদেৱ বৰপেটাত থাকোঁতে পুত্ৰ জগতানন্দৰ সৈতে যোৱা নাৰায়ণদাসক মনপুৰ ভাণ্ডাৰীয়ে বিৰূপ আচৰণ কৰা সময়তো মাধৱদেৱ অতিশয় উদ্বিগ্ন হৈ পৰিছিল আৰু তেতিয়াই পূৰ্বেই নৰনাৰায়ণৰ বন্দীশালত আৰক্ষীৰ দ্বাৰা ওঠৰ জোৰ কঠাৰ শাস্তি খায়ো গুৰু ধৰ্ম ৰক্ষা কৰা নাৰায়ণ দাসৰ অপৰিসীম ত্যাগৰ কথা সগৌৰৱে স্বীকাৰ কৰিছিল (গু.চ.ক. ছেদ-৭৭৪)। ঠাকুৰ আতাৰ প্ৰতি গভীৰ আস্থাৰ মনোভাব আছিল বাবেই মহাপুৰুষ মাধৱদেৱে তেওঁৰ বৃদ্ধ বয়সত চাউলমুঠি সিজাবলৈ ভকত এজন লোৱাৰ মনোভাৱ প্ৰকাশ কৰি এইক্ষেত্ৰত প্ৰথমতে নাৰায়ণ দাসৰ পৰামৰ্শকেই বিচাৰিছিল (গু.চ.ক. ছেদ-৫৬৬)। সেইদৰে সমভাৱাপন্ন ভকতৰ মাজত মিত্ৰতা বা সখিত্ব পাতি দিয়াৰ মনোভাব প্ৰকাশ কৰি ইয়াৰ ব্যৱস্থা কৰিবৰ বাবে মাধৱদেৱে সখিয়েক ঠাকুৰ আতাকেই ইয়াৰ দায়িত্ব দিছিল (গু.চ.ক. ছেদ-৭০২)।

মাধৱদেৱ আৰু ঠাকুৰ আতাৰ মাজত সৌহাৰ্দ্দ্যৰ মনোভাব আছিল বাবেই মাধৱদেৱে মাজে-সময়ে নাৰায়ণ দাসৰ খবৰ-বাতৰি ল'বৰ বাবে বৰপেটাৰ পৰা শ্ৰীৰাম আতাক ঠাকুৰ আতাৰ ঘৰলৈ পঠাইছিল আৰু আনহাতে একে ধৰণে নাৰায়ণ দাসেও পুত্ৰ পৰ্মানন্দক মাধৱদেৱৰ ঠাই বৰপেটালৈ লৈ গৈছিল (গু.চ.ক. ছেদ-৬৯৫, ৭৭০)। ইয়াৰ উপৰি মাধৱদেৱে শ্ৰীৰাম আতাৰে সৈতে একুৰি বাৰ ঠাকুৰ আতাৰ ঘৰলৈ যোৱাৰ উল্লেখ কৰিছে (গু.চ.ক. ছেদ-৭৪৫-৬৩)। মাধৱদেৱৰ এনে যাত্ৰাত ঠাকুৰ আতাই মাধৱদেৱৰ খোৱা-বোৱাৰ বাবেও বিশেষ গুৰুত্ব আৰোপ কৰিছিল আৰু মাধৱদেৱেও সম্পূৰ্ণ মুকলিমূৰীয়া পৰিৱেশত ঠাকুৰ আতাৰ পুত্ৰ-পত্নীৰে সৈতে মিলা-মিছা কৰাৰ লগতে ঠাকুৰ আতাৰ সৈতে ধৰ্মীয় বিষয়ৰ আলোচনাও কৰিছিল। ঠাকুৰ আতা আৰু পুত্ৰ পৰ্মানন্দৰ মাজত মাজে-সময়ে হোৱা বিৰোধৰ মীমাংসাও মাধৱদেৱে কৰি দিছিল (গু.চ.ক. ছেদ-৫৫১, ৭৬৭)।

মহাপুৰুষ মাধৱদেৱে জীৱনৰ অন্তিম সময়ত কোচবেহাৰলৈ যাত্ৰা কৰা সময়ত নাৰায়ণ দাসে বৰপেটাৰ ওচৰৰ গজিয়াঘাটত মাধৱদেৱক লগ ধৰি তেওঁৰে সৈতে যোৱাৰ মনোভাবো ব্যক্ত কৰিছিল যদিও সেই সময়ত মাধৱদেৱে তেওঁক কৈছিল— "বোলে সখি তোম্ৰা জাব নেলাগে থাকা ঃ তুমি গলে ইৰাজ্য সিৰাজ্য তিনিও

ৰাজ্যৰ সেৱক-বস্তু সুধিব লাগে ঃ আৰু শ্ৰীৰামচন্দ্ৰ বৈকুণ্ঠে গল ঃ হনুমন্তক থৈ গল ভক্তিবস্তু ৰাখি ঃ কৃষ্ণদেউ বৈকুণ্ঠে গল ঃ পৰমতত্ব থৈ উদ্দৰত পৃথিৱীত।। এতিয়াও গুৰুধৰ্ম্ম প্ৰৱৰ্ত্তাই থকা জক ঃ ....'' (গু.চ.ক. ছেদ-৮২৪)। সখিয়েক মাধৱদেৱৰ কথা অনুসৰণ কৰি নাৰায়ণ দাস নিজৰ ঠাইতেই ৰৈ গৈছিল; সখিয়েকৰ সৈতে তেওঁ মধুৰ সম্পৰ্ক ৰাখিয়েই পৰৱৰ্তী সময়ত পুত্ৰ পৰ্মানন্দক মাধৱদেৱৰ খবৰ ল'বলৈ কোচবেহাৰলৈ পঠাইছিল (গু.চ.ক. ছেদ- ৯০৩)। মহাপুৰুষ মাধৱদেৱে তেওঁৰ অন্যতম শিষ্য বদুলা পদ্ম আতাকো নিৰ্দেশ দিছিল নাৰায়ণ দাসক লগ ধৰি তেওঁৰ পৰাও ধৰ্মজ্ঞান লাভ কৰিবলৈ (গু.চ.ক. ছেদ- ৯৬০)। ১০৯ বছৰীয় জীৱনলীলা অতিক্ৰম কৰি কোচবেহাৰৰ ভেলা মধুপুৰত মাধৱদেৱৰ দেহাৱসান হোৱা সময়ত ঠাকুৰ আতা মৰ্মাহত হৈ পৰিছিল। মহাপুৰুষ মাধৱদেৱৰ মৃত্যুত বৰপেটা সত্ৰত অনুষ্ঠিত সাদিনীয়া বৰ মহোৎসৱত অন্যান্য ভক্ত-বৈষ্ণৱসকলৰ সৈতে ঠাকুৰ আতায়ো অংশগ্ৰহণ কৰিছিল (গু.চ.ক. ছেদ- ১০৯০)।

সম্পূৰ্ণ অৰ্থত এগৰাকী গৃহী লোক হৈয়ো নাৰায়ণ দাস ঠাকুৰ আতাই মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সান্নিধ্যত এগৰাকী পৰম ভক্ত বৈষ্ণৱ হিচাপে নিজকে পৰিচিত কৰাবলৈ সমৰ্থ হৈছিল। গুৰুধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত তেওঁ সাধাৰণতে মধ্যম পন্থা অৱলম্বন কৰিবলৈ বিচাৰিছিল আৰু সেইক্ষেত্ৰত আনকি সখিয়েক মাধৱদেৱকো বুজাইছিল। 'গুৰু-চৰিত-কথা'ত পঢ়িয়া আতৈৰ প্ৰসংগৰ উল্লেখেৰে নাৰায়ণ দাসৰ দৃষ্টিভঙ্গী উত্থাপন কৰিব পাৰি। পঢ়িয়া আতৈয়ে অজানিতভাৱে হ'লেও গুৰুধৰ্মৰ লগত নিমিলা কাৰ্য কৰি মাধৱদেৱৰ দ্বাৰা বহিষ্কৃত হৈ শাৰীৰিক কষ্ট ভোগ কৰি থকাটো নাৰায়ণ দাসে সমূলি সহ্য কৰিব পৰা নাছিল। সেয়ে মাধৱদেৱৰ প্ৰতি তেওঁৰ অনুৰোধমূলক প্ৰস্তাৱ আছিল যে ''জীৱৰ এনে দুখ হলে ধৰিব কোনে ৰব কোন গুৰুধৰ্ম্মই লোপহে হব আগলৈ আৰু ঃ'' (গু.চ.ক. ছেদ- ৫৯৬)। ঠাকুৰ আতাৰ এই প্ৰস্তাৱৰ প্ৰতি মাধৱদেৱে সঁহাৰি দিছিল আৰু পঢ়িয়া আতৈক পুনৰ আঁকোৱালি লৈছিল।

'গুৰু-চৰিত-কথা' অনুসৰি নাৰায়ণ দাস ঠাকুৰ আতাই এইদৰে মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সান্নিধ্যত ত্যাগৰ মনোভাৱেৰে নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। খ্ৰীষ্টান ধৰ্মগুৰু যীশুখ্ৰীষ্টৰ এগৰাকী প্ৰধান শিষ্য ছেইণ্ট পলৰ দৰে নাৰায়ণ দাস ঠাকুৰ আতায়ো নৱবৈষ্ণৱ ধৰ্মৰ অৰ্থে চৰম কষ্ট আৰু শাস্তি স্বীকাৰ কৰিছিল[৬] আৰু তাৰবাবেই অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ বুৰঞ্জীত নাৰায়ণ দাস ঠাকুৰ আতা চিৰকাললৈ অমৰ হৈ ৰ'ব।■■

**পাদটীকা ঃ**

১. বৰ্তমানে 'গুৰু-চৰিত-কথা' গ্ৰন্থখন ড° মহেশ্বৰ নেওগৰ সম্পাদনাত ১৯৮৭ চনত প্ৰকাশিত বৈষ্ণৱ গুৰু শঙ্কৰ-মাধৱৰ জীৱন-কাহিনী-সম্বলিত গদ্যৰ ভাষাত লিখা এখন গুৰু-চৰিত। এই গ্ৰন্থখন আগেয়ে উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ সম্পাদনাত 'কথা-গুৰু-চৰিত' নামত প্ৰকাশিত হৈছিল। ড° মহেশ্বৰ নেওগ সম্পাদিত পুথিখনৰ ছেদ সংখ্যাবোৰ এই ৰচনাত 'গু.চ.ক. ছেদ' হিচাপে বন্ধনীৰ মাজত উল্লেখ কৰা হৈছে।

২. অৰ্জুন চন্দ্ৰ দাস ঃ মহাপুৰুষীয়া ধৰ্ম্মৰ পঞ্চৰত্ন (১৯৬৬) গ্ৰন্থৰ ৫৬ পৃষ্ঠাত এই ঠাইখনৰ নাম 'মালভূই' বা 'মালবই' বুলি কোৱা হৈছে।

৩. অৰ্জুন চন্দ্ৰ দাস ঃ সদ্যোক্ত গ্ৰন্থ, পৃ,ঠা ৫৮—৬৫ ইয়াত ঠাকুৰ আতাই বৰভূই, নামানগৰ, ডিঙ্গানগৰ আদি ঠাইৰ পৰা গৈ শেষত বৰ্তমানৰ বৰপেটা জিলাৰ ময়নবৰী সত্ৰৰ দক্ষিণ-পশ্চিমফালে কিছু দূৰৰ হালধা বা হালধীয়া গাঁৱত থকাৰ উল্লেখ আছে।

৪. অৰ্জুন চন্দ্ৰ দাস ঃ সদ্যোক্ত গ্ৰন্থ, পৃষ্ঠা ৬৬— ইয়াত নাৰায়ণ দাসে উজনিৰ মাজুলী অঞ্চলৰ ভাণ্ডাৰী ডুবি বা ভৰালী ডুবিৰ দীঘল কায়থৰ কন্যা বাৰবাসীক বিয়া কৰোৱাৰ কথা আছে।

৫. অৰ্জুন চন্দ্ৰ দাস ঃ সদ্যোক্ত গ্ৰন্থ, পৃষ্ঠা ১০২—১০৩ দ্ৰষ্টব্য।

৬. মহেশ্বৰ নেওগ, সম্পাদিত 'গুৰু-চৰিত-কথা' (১৯৮৭) ভূমিকা, পৃষ্ঠা-১২৩।

**লেখক গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ অধ্যাপক**

# যুৱ উচ্ছৃঙ্খলতা নিৰাময়ত এগৰাকী মাতৃৰ ভূমিকা আৰু কৰ্তব্য

**কল্পনা বৰা**

ভাৰতীয় ধৰ্ম সংস্কৃতিত অতীজৰেপৰা মাতৃজাতিয়ে পৱিত্ৰতা, শুচিতা আৰু সহিষ্ণুতাৰ এক মহান শক্তিৰূপে পৰিচয় দি আহিছে। পৰমেশ্বৰৰ অপূৰ্ব সৃষ্টি হৈছে নাৰী। নাৰীৰ অবিহনে পুৰুষে সৃষ্টিৰ কথা চিন্তা কৰিব নোৱাৰে। এখন গৃহৰ মূল চালিকাশক্তি, লাইখুঁটা স্বৰূপ গৃহখনৰ নাৰী গৰাকী বা মাতৃ গৰাকী। এনে এগৰাকী নাৰীৰ যোগেদি এটা পৰিয়াল আৰু তেনে অসংখ্য পৰিয়ালৰ সমষ্টিয়েই একোখন বৃহৎ মানৱ সমাজ।

অতীজত নাৰীক শিক্ষা-দীক্ষা আৰু ধৰ্মীয় ক্ষেত্ৰত পুৰুষৰ লগত সম-অধিকাৰ দিয়া হৈছিল। গাৰ্গী, মৈত্ৰেয়ী, লোপামুদ্ৰা, ঘোষা আদি নাৰীসকলে বৌদ্ধিক আৰু আধ্যাত্মিক ক্ষেত্ৰত পুৰুষৰ সমানে অগ্ৰসৰ হৈছিল আৰু সমাজত ব্ৰহ্মজ্ঞানী হিচাপে অতি উচ্চ আসন পাইছিল। কিন্তু বৈদিক যুগৰ শেষৰফালে নাৰীসকলৰ মৰ্যাদা যথেষ্ট পৰিমাণে হ্ৰাস পাবলৈ ধৰিলে। পুৰুষ প্ৰধান সমাজত পুৰুষৰ ধৰ্মই নাৰীৰ ধৰ্ম বুলি কৈ নাৰীক কেৱল কৰ্তব্য আৰু দায়িত্ব পালনৰ আহিলা হিচাবে লৈ ঘৰৰ চাৰিবেৰৰ ভিতৰতে আৱদ্ধ কৰি ৰাখিলে। পুৰুষপ্ৰধান সমাজৰ সেই মানসিকতা আজিও চলি আছে যদিও তাৰ মাজৰেপৰা একোগৰাকী সৰ্বগুণসম্পন্ন মহীয়সী নাৰীয়ে নিজস্ব গুণ গৰিমাৰে সমাজ জীৱনলৈ অনবদ্য অৱদান আগবঢ়াই আহিছে।

বৰ্তমান বিশ্বায়নৰ প্ৰভাৱৰপৰা অসম তথা ভাৰতবৰ্ষ মুক্ত নহয়। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ লগে লগে সমগ্ৰ বিশ্বক আজি বস্তুবাদী চিন্তাধাৰাই আপ্লুত কৰি পেলাইছে। দেশৰ ভাষা সংস্কৃতি প্ৰদূষিত হ'ব ধৰিছে। প্ৰচাৰ মাধ্যমসমূহেও এইক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাইছে। সমাজ জীৱনত মানৱীয় গুণসমূহ যেনে— মৰম, সহানুভূতি, দয়া, ক্ষমা, অহিংসা, সত্যনিষ্ঠা আদিৰ বিলুপ্তি ঘটিছে। এনে মানৱীয় মূল্যবোধসমূহৰ অৱক্ষয় ঘটিলেই সমাজ ধ্বংসৰ দিশে আগবাঢ়ে আৰু এইসমূহৰ অভাৱত মানৱ মন হিংস্ৰ আৰু ভয়ানক হ'ব পাৰে। বৰ্তমান সময়ত এক বহু চৰ্চিত বিষয় হৈছে যুৱ উচ্ছৃঙ্খলতা। সমাজৰ অতি গুৰুত্বপূৰ্ণ অংশটো হৈছে যুৱ সমাজ। উচ্ছৃঙ্খল সমাজ এখন শৃঙ্খলিত আৰু প্ৰদূষণমুক্ত কৰাৰ বাবে ব্যক্তিৰ আধ্যাত্মিক জ্ঞানৰ উত্তৰণৰ বাহিৰে বিকল্প একো নাই। আজিৰ বিজ্ঞানে দৈনন্দিন সুখ স্বাচ্ছন্দ্যৰ বাবে ন ন সামগ্ৰী আৱিষ্কাৰ কৰিলেও মানুহৰ মনৰ বিকাৰসমূহ নিৰ্মূল কৰাৰ ক্ষেত্ৰত বিশেষ একো অগ্ৰগতি লাভ কৰা নাই। মনৰ গহন বনত উৎপত্তি হোৱা কাম, ক্ৰোধ, লোভ, অহংকাৰ আদি নিৰ্মূল কৰিবলৈ আধ্যাত্মিক চিন্তা-চৰ্চা অতি গুৰুত্বপূৰ্ণ। উচ্ছৃঙ্খল যুৱ সমাজৰ কাৰকতা হিচাপে প্ৰথমে আছে আধ্যাত্মিক জ্ঞানৰ অভাৱ আৰু লগতে দেশৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশ। এনেদৰে বিপথে পৰিচালিত যুৱ সমাজক উদ্ধাৰ কৰাত মাতৃসকলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। কাৰণ গৃহস্থীখনত এগৰাকী মাতৃয়ে সন্তান জন্ম দি লালন-পালন কৰাৰপৰা আৰম্ভ কৰি সন্তানৰ শিক্ষা-দীক্ষা খাদ্যৰ যোগান ধৰা আদি সমস্তখিনি মাতৃগৰাকীয়েই বহন কৰিবলগীয়া হয়। গৃহৰ পৰিচালিকা, স্বামীৰ পৰামৰ্শদাত্ৰী, সহধৰ্মিনী নাৰীগৰাকীৰ যোগেদি এটা পৰিয়াল আৰু তাৰ পিছত এখন সমাজ পৰিচালিত হ'ব পাৰে। আজিৰ পৰা চাৰে পাঁচশ বছৰৰো আগতেই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই জগতৰ কল্যাণৰ বাবে দান দি যোৱা ধৰ্মীয় দৰ্শন আৰু 'ধৰ্মবস্তু' প্ৰকৃতাৰ্থত মানৱ মনৰ অতি ওচৰচপা। গুৰুজনাৰ প্ৰচাৰিত ধৰ্মৰ মূল লক্ষ্য আছিল আধ্যাত্মিক উত্তৰণৰ যোগেদি

ব্যক্তিৰ চিত্ত শোধন। বৰ্তমান সমাজখনত গুৰুজনাৰ ধৰ্মীয় দৰ্শনৰ প্ৰাসঙ্গিকতা অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে।

শাৰীৰিক, মানসিক আৰু আধ্যাত্মিকভাৱে সংস্কাৰ সাধন কৰি যিখন গৃহস্থীৰ গৃহীসকল পৰমপুৰুষৰ সেৱক হয় সেইখন গৃহস্থীয়েই হয় আশ্ৰম। এই আশ্ৰমখনিয়েই ভৱিষ্যত আৰু পিতৃ-মাতৃ ইয়াৰ গুৰু। সমাজ সচেতন, চৰিত্ৰৱান অভিভাৱকৰ সংখ্যা সমাজত যিমানে বাঢ়িব সিমানে সমাজ জীৱন প্ৰদূষণমুক্ত হ'ব। সেয়েহে গাহৰ্স্থ্য জীৱনত প্ৰৱেশ কৰাৰ আগতেই প্ৰতিজন পিতৃ-মাতৃ বা যুৱক-যুৱতীয়ে আধ্যাত্মিকভাৱেৰে নিজক সংস্কাৰ কৰি লোৱাটো একান্ত প্ৰয়োজনীয়। পিতৃ-মাতৃক আদ্যগুৰু বোলা হয়। তথাপিও মাতৃৰ লগতহে সন্তানৰ নিবিড় সম্পৰ্ক গঢ় লৈ উঠে। এই বিষয়ে জীৱ-জন্তু আৰু পশু-পক্ষীবিলাকলৈ মন কৰিলেই আমি বুজিব পাৰো।

আমাৰ ধৰ্মশাস্ত্ৰসমূহতো দ্ৰৌপদী, কুন্তী, সীতা, সাৱিত্ৰী আদি মহীয়সী মাতৃসকলৰ ধৈৰ্য, সাহস, ক্ষমা আৰু সহিষ্ণুতাৰ কথা বৰ্ণিত হৈছে। জগতৰ ঈশ্বৰ কৃষ্ণইও নাৰীসকলৰ প্ৰতি নিজমুখে গীতাশাস্ত্ৰত ব্যক্ত কৰিছে এনেদৰে— "মই নাৰীসকলৰ গাত কীৰ্তি, শ্ৰী, বাণী, স্মৃতি, মেধা, ধৃতি আৰু ক্ষমা এই সপ্ত বিভূতিৰূপে থাকোঁ।"—গীতা-১০/৩৪। গতিকে এই বৃহৎ শক্তিৰ অধিকাৰিণী নাৰীসকলৰ অসাধ্য একো নাই। বিশ্ববৰেণ্য মনীষীসকল, বিজ্ঞানগুৰু, ধৰ্মগুৰু আনকি মহাপুৰুষসকলৰো বিপৰীতে থাকে এগৰাকী সৎ পৱিত্ৰপ্ৰাণা মাতৃ। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ জীৱনতো বুঢ়ীমাক খেৰসুতী আইৰএক অনৱদ্য অৱদান আছিল। "ৰাজাক স্বদেশে পূজে, বিদ্যাৱন্ত সৰ্বদেশে পূজ্য"— এই সুমঙ্গল, সুবচন শাৰীয়ে গুৰুজনাক মহাপুৰুষ তথা জগতগুৰুত পৰিণত কৰালে। জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীও অতি মাতৃভক্ত আছিল। বহুচৰ্চিত সম্ৰাট নেপোলিয়নে নিজ মাতৃৰ বাহিৰে আন কালৈকো ভয় নকৰিছিল। যাৰ বাবে তেওঁ কৈছিল— "মোক এগৰাকী ভাল মাতৃ দিয়া, মই তোমালোকক এটা ভাল জাতি দিম।" আমাৰ ধৰ্মশাস্ত্ৰসমূহত থকা প্ৰহ্লাদৰ মাতৃ দৈত্যপত্নী কয়াধূ, ধ্ৰুৱমাতৃ সুনীতি অনুকৰণীয় উদাহৰণ। প্ৰহ্লাদৰ মাতৃ কয়াধূৱে গৰ্ভাৱস্থাত দেৱৰ্ষি নাৰদৰপৰা ঈশ্বৰ ভক্তিতত্ত্ব জ্ঞানসমূহ পোৱাৰ বাবে প্ৰহ্লাদ দৈত্যপুত্ৰ হৈয়ো পৰম বিষ্ণুভক্ত হৈছিল। কৌৰৱৰ মাতৃ গান্ধাৰীয়ে এদিন প্ৰভু কৃষ্ণক প্ৰশ্ন কৰিলে যে— "হে প্ৰভু! মোৰ পুত্ৰসকলনো কিয় এনে অসৎ আৰু অনাচাৰী হ'ল?" উত্তৰত কৃষ্ণই ক'লে যে— "হে মাতৃ! তুমি তোমাৰ পুত্ৰসকলক দুচকুৰ বান্ধ খুলি এদিনলৈও অকণমান মাতৃৰ কৃপাদৃষ্টিৰে চাইছিলানে?" আনহাতে পাণ্ডৱৰ মাতৃ কুন্তী, যিগৰাকীয়ে মাতৃত্বৰ মহত্বৰে পুত্ৰসকলক ব্যক্তিত্বসম্পন্ন পুৰুষৰূপে গঢ় দিয়ে।

বৰ্তমান যুগৰ আহ্বানলৈ লক্ষ্য ৰাখি মহাপুৰুষীয়া ধৰ্মৰ আদৰ্শেৰে মাতৃসকলে বৰ্তমানৰ প্ৰদূষিত সমাজখন নিকা কৰিবৰ বাবে নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰিবলৈ আগবাঢ়ি অহা উচিত। আজিৰ এটি শিশুৱেই ভৱিষ্যতে সমাজ এখনৰ এক আৱশ্যকীয় অঙ্গ হৈ পৰে। এটি শিশুৰ শাৰীৰিক, মানসিক, নৈতিক আৰু আধ্যাত্মিক সকলো দিশৰে সৰ্বাঙ্গীণ বিকাশৰ বাবে শিশুটিৰ গৰ্ভস্থ অৱস্থাৰেপৰা মাতৃগৰাকী সচেতন হ'ব লাগিব। গৰ্ভাৱস্থাত মাতৃৰ লগত, শিশুৰ আপ্যায়নী নাড়ীৰ যোগেদি এক বিশেষ সম্পৰ্ক গঢ় লৈ উঠে। ভাগৱতত বৰ্ণিত কপিল আৰু মাতৃ দেৱহুতিৰ কথোপকথনৰ পৰা গৰ্ভস্থ শিশুৰ সামগ্ৰিক বিকাশৰ বিষয়ে আমি জানিব পাৰো। ভূমিস্থ হোৱাৰ পিছতো মাতৃৰ প্ৰতি শিশুটি আকৰ্ষিত হৈ পৰে আৰু মাতৃগৰাকীয়েও শিশুটিৰ দায়িত্ব বহু পৰিমাণে বহন কৰে। এগৰাকী মাতৃৰ চালচলন, কথাবাৰ্তা, আচৰণ সত্যবাদীতা, অতিথিপৰায়ণতা ঈশ্বৰভক্তি পৰায়ণতা আদি গুণসমূহৰ প্ৰভাৱ শিশু অৱস্থাতে সন্তানটিৰ ওপৰত পৰে। পুৱা গধূলি গুৰুগৃহত মাতৃগৰাকীয়ে সুলিলত কণ্ঠেৰে শাস্ত্ৰ আদি পাঠ কৰি এক আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰিব পাৰিলে শিশু মন অতি সহজে আকৰ্ষিত হয়। শিশুসকলক অতি সৰু অৱস্থাৰ পৰাই প্ৰাৰ্থনা কৰিবলৈ শিকোৱা উচিত। তাৰোপৰি আমাৰ ধৰ্মশাস্ত্ৰসমূহত থকা শিশু উপযোগী কাহিনীবোৰ সাধুকথাৰ আকাৰত মাজে মাজে তেওঁলোকক কৈ শুনাব পাৰি। এনেদৰে শাৰীৰিক পুষ্টিৰ লগতে শিশুটিৰ মানসিক পুষ্টিৰো যোগান ধৰিব পাৰে মাতৃগৰাকীয়ে। শাৰীৰিক পুষ্টিৰ বাবে যিদৰে আহাৰৰ প্ৰয়োজন, মানসিক পুষ্টিৰ বাবেও সেইদৰে নৈতিক আৰু আধ্যাত্মিক জ্ঞানৰ লগতে সামাজিক মূল্যবোধৰ শিক্ষা, সৎসঙ্গ, সৎ আলাপ আদিৰ প্ৰয়োজন। সৰুৰেপৰা সন্তানটিয়ে প্ৰাৰ্থনা কৰিবলৈ অভ্যাস কৰিলে প্ৰাৰ্থনাই মন

সংযম কৰে, সৎবুদ্ধি উদয় হয় আৰু সৎকৰ্ম কৰিবলৈ মনে প্ৰেৰণা পায় লগতে ভগৱন্তৰ কৃপা লাভ কৰি এক অন্তৰ্মুখী চৰিত্ৰৰ ব্যক্তি হিচাপে শিশুটিয়ে পিছত নিজকে গঢ় দিব পাৰে। নিজ সন্তানক সৎপথেৰে শিশুটিয়ে পৰিচালিত কৰিবলৈ হ'লে অভিভাৱকসকল সদায় শিশুটিৰ বিশ্বাসভাজন হ'ব লাগিব। দৈনন্দিন জীৱনত সাধাৰণতে দেখা যায় সন্তানসকলে মনৰ খুটি-নাটি, অভাৱ-অভিযোগ সমস্তখিনি কেৱল মাতৃগৰাকীৰ আগতহে ব্যক্ত কৰে। মাতৃগৰাকীয়েও এনেক্ষেত্ৰত মনোযোগ দি সমস্যাসমূহ সমাধান কৰিবলৈ চেষ্টা কৰিলে সন্তানসকলৰ বিশ্বাসভাজন হ'ব পাৰে। এনে সন্তানে কেতিয়াও পিতৃ-মাতৃৰ অগোচৰে অসৎ কৰ্মত লিপ্ত হ'বলৈ সুবিধা নাপায়। ছাত্ৰ অৱস্থাতে সন্তানসকলক আনুষ্ঠানিক শিক্ষাৰ লগতে বিভিন্ন ধৰণৰ নৈতিক, আধ্যাত্মিক আৰু বৌদ্ধিক জ্ঞানসমৃদ্ধ কিতাপ আলোচনী আদিৰ যোগান ধৰি তেওঁলোকৰ অধ্যয়নমুখী মানসিকতাৰ গঢ় দিয়া উচিত। কাৰণ অধ্যয়ণে মানৰ মনৰ পৰিধি বহল কৰি মানসিক উৎকৰ্ষ সাধন কৰাৰ লগতে ভৱিষ্যত জীৱনক শৃঙ্খলিত আৰু পৰিমাৰ্জিত ৰূপ দি এক সুস্থ জীৱনশৈলী আহৰণ কৰাত সহায়ক হ'ব পাৰে। এইখিনিতে এটা কথা উল্লেখনীয় যে আজিৰ অসমীয়া সমাজখনৰ শিশুসকলে বিভিন্ন কেন্দ্ৰীয় বিদ্যালয় আৰু ইংৰাজী মাধ্যমত অসমীয়া ভাষা পঢ়িব বা লিখিব নজনাকৈয়ে হয়তো শিক্ষা জীৱন পাৰ কৰিছে। এইচাম যুৱক-যুৱতীয়েই এসময়ত সমাজৰ গুৰি ধৰিব লাগিব। যুৱক-যুৱতীসকল এনে ধৰণেৰে আগবাঢ়ি গৈ থাকিলে অসমীয়া ভাষা সাহিত্যৰ ওপৰত যে এক বিৰূপ প্ৰভাৱ পৰিব ই ধ্ৰুৱৰূপ। এইক্ষেত্ৰত পিতৃ-মাতৃৰ লগতে সমাজৰ অন্যান্যসকল সচেতন হ'বৰ সময় আহি পৰিছে। আইমাতৃসকলো এইক্ষেত্ৰত সচেতন হৈ আমাৰ গুৰুজনাই দি যোৱা বিশাল সাহিত্য ভাণ্ডাৰৰ অন্ততঃ দৈনন্দিন জীৱনত ব্যৱহাৰ্য কীৰ্ত্তন, নাম-ঘোষা আদি পুথিকেইভাগ অধ্যয়ন কৰিব পৰাকৈ তেওঁলোকক অসমীয়া ভাষা জ্ঞান আয়ত্ত্ব কৰাবলৈ যত্ন কৰিব লাগে।

আজিৰ মাতৃগৰাকীও এসময়ত কাৰোবাৰ দুহিতা আছিল। যুৱতীসকলকো আনুষ্ঠানিক শিক্ষাৰ লগতে নৈতিক আৰু আধ্যাত্মিক জ্ঞানেৰে পুষ্ট কৰি তুলিব লাগে। সততা, পৱিত্ৰতা, মাৰ্জিত ৰুচিৰ সাজ-সজ্জা, সংযত আচৰণ, চালচলন, কথা-ৰ্বাতা আদি গুণসমূহ বিকশিত কৰাব পাৰে মাতৃগৰাকীয়েহে। এই গুণসমূহেৰে ব্যৱহাৰিক জীৱনত সেই যুৱতীগৰাকীয়েও এদিন বোৱাৰীৰ ৰূপত এটি সুস্থ পৰিয়াল আৰু সৎসন্তান সমাজলৈ আগবঢ়াব পাৰিব।

গৃহৰ পৰিৱেশ অনুকূল কৰি ৰখাৰ ক্ষেত্ৰত মাতৃগৰাকীৰ লগতে গৃহৰ মুৰব্বী পিতৃজনৰো যথেষ্ট কৰ্তব্য থাকে। এজন আদৰ্শবান পিতৃৰ সুস্থ ব্যক্তিত্ব চালচলন, কথা-বাৰ্তা, আচৰণ আদিয়েও সন্তানক আকৰ্ষিত কৰে আৰু সন্তানেও অনুকৰণ কৰে.

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ যি বিশ্বজনীন ধৰ্মীয়দৰ্শন, যি দৰ্শনে সাম্য, মৈত্ৰী, অহিংসাৰ বাণীৰে অসমীয়া সমাজৰ ভেঁটি সুদৃঢ় কৰি গ'ল সেই ধৰ্মীয় দৰ্শন পৰিৱৰ্তনশীল অসমীয়া সমাজখনত বৰ্তমানেও অটুত আছে। বৰঞ্চ সমাজৰ উচ্ছৃঙ্খলতা নিৰাময়ৰ ক্ষেত্ৰত শঙ্কৰী দৰ্শন বৰ্তমান অতি প্ৰাসঙ্গিক হৈ পৰিছে। ধৰ্মই ব্যক্তিক মানৱীয় মূল্যবোধৰ শিক্ষা দিয়ে। আধ্যাত্মিকভাৱে সম্পন্ন জনৰ জীৱন দয়া -কৰুণাৰে ভৰা। পৰমেশ্বৰৰ চৰণত দেহ-মন সমৰ্পণ কৰিলে দুঃচিন্তা উৎকণ্ঠা আদি দূৰ হয়, যাৰ ফলত দেহত পাৰ্শ্বক্ৰিয়াৰে প্ৰভাৱ নপৰে। এটি নৱজাত শিশুৱে ঈশ্বৰপ্ৰদত্ত বহুটো গুণ লৈ আহে আৰু উপযুক্ত পৰিৱেশ পালেহে সুপ্ত হৈ থকা প্ৰতিভাসমূহ সুন্দৰভাৱে বিকশিত হ'ব পাৰে। গুৰুজনাই কীৰ্ত্তনৰ প্ৰহ্লাদ চৰিত্ৰৰ যোগেদি সমাজলৈ আহ্বান জনাইছে— "ধৰিয়ো কুমাৰ কালে ভাগৱত ধৰ্ম।" তাৰোপৰি শঙ্কৰী ধৰ্ম আদৰ্শত আছে— "অন্ন যোনি বিচাৰৰ' ব্যৱস্থা। আহাৰৰ লগতো মনৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। সাত্ত্বিক আহাৰৰ যোগেদি মনৰ সাত্ত্বিক গুণসমূহে বিকশিত হয়। মানুহ দীৰ্ঘায়ু হয় আৰু পৰমেশ্বৰৰ প্ৰতি মন অতি সহজে আকৰ্ষিত হয়। আনহাতে ৰাজসিক আৰু তামসিক আহাৰে কাম, ক্ৰোধ, লোভ, মোহ, হিংসাপৰায়ণতা আদি অসৎ প্ৰবৃত্তিসমূহ মনত জাগ্ৰত হোৱাত সহায় কৰে। ইয়াৰ প্ৰমাণ মাংসহাৰী জীৱজন্তুবিলাকেই, যিবোৰ অতি ক্ৰোধী, হিংস্যক আৰু অপ্লায়ু। সেয়েহে গুৰুজনাই দি যোৱা আদৰ্শেৰে আইমাতৃ গৰাকীয়ে প্ৰথমে নিজক শুদ্ধ কৰি লৈ সন্তান লালন-পালন কৰোঁতে নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰ লগতে সাত্ত্বিক আহাৰৰ প্ৰতি সন্তানক আকৰ্ষিত

কৰিবলৈও যত্ন কৰা উচিত। মুষ্টিদানৰ জৰিয়তে আৰু ভগৱন্তত অৰ্পণ কৰা অন্নমুঠি প্ৰসাদত পৰিণত হয়। এই অন্নমুঠিৰ পৰাই শৰীৰে তেজ, বল, বীৰ্য সকলোখিনি লাভ কৰে। এনে অন্নৰ পৰাহে মনৰ পৱিত্ৰতা আৰু সাত্ত্বিকতাৰ বিকাশ হয়।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ শিশু, আইমাতৃ আৰু যুৱক-যুৱতীসকলৰ সৰ্বাঙ্গীন বিকাশৰ বাবে একোটিকৈ সুকীয়া মঞ্চ দিছে। শিশু আৰু আইমাতৃ কল্যাণ শাখা সমিতি, যুৱক-যুৱতীসকলৰ বাবে সেৱাবাহিনী আদি গঠন কৰি এইসকলৰ আধ্যাত্মিক, নৈতিক, বৌদ্ধিক বিকাশ সাধন কৰাৰ লক্ষ্যৰে সঙ্ঘই অবিৰত প্ৰচেষ্টা চলাই আহিছে। গুৰু পৰিচয়, গুৰু জয়ন্তী, শিশু সমাৰোহ, শিশু দিৱস, আইমাতৃ সমাৰোহ, যুৱ সমাৰোহ আদি অনুষ্ঠানৰ জৰিয়তে শিশু, যুৱক-যুৱতীসকলৰ আধ্যাত্মিক চেতনা জাগ্ৰত কৰাই সামাজিক অৱক্ষয়সমূহ ৰোধ কৰাৰ প্ৰয়াস কৰা হৈছে। শঙ্কৰী সাহিত্যৰ মণ্ডল ভিত্তিক প্ৰতিযোগিতা অনুষ্ঠিত কৰি গুৰুজনাৰ সাহিত্যৰ অধ্যয়ন আৰু অনুশীলনৰ প্ৰতি শিশু যুৱক-যুৱতীসকলক আকৰ্ষিত কৰাৰ যত্ন কৰা হৈছে। আইমাতৃসকলেও এইক্ষেত্ৰ সচেতনতা অৱলম্বন কৰি সন্তানসকলক এনে ধৰণৰ অনুষ্ঠানসমূহত সক্ৰিয় সহযোগিতা আগবঢ়াবলৈ উৎসাহ যোগাব লাগে।

যুৱশক্তিৰ ভূমিকা সমাজত অতি গুৰুত্বপূৰ্ণ। গতিকে সমাজখন বৰ্তি থাকিবলৈ হ'লে গুৰুজনাৰ পৰমশুদ্ধ নীতি-আদৰ্শেৰে সমৃদ্ধ হৈ থকা শাস্ত্ৰৰাজিৰ অধ্যয়ন আৰু অনুশীলনৰ যোগেদি বৰ্তমানৰ প্ৰদূষিত সমাজখনৰ বিকাৰগ্ৰস্ত যুৱ-প্ৰজন্মক ঈশ্বৰমুখী কৰাৰ গুৰু দায়িত্ব আজিৰ আইমাতৃসকলেই বহন কৰিব লাগিব।◆◆

**লেখিকা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ নাৰায়ণ দাস ঠাকুৰ আতা আঞ্চলিকৰ সাহিত্য শাখাৰ সম্পাদিকা**

---

# বাৰহাত জালৰ তেৰহাত ফটা...........

**শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামী**

মাধৱদেৱৰ দ্বাৰা ৰচিত ভক্তিৰস-তত্ত্ব সমৃদ্ধ ভক্তি-ৰত্নাৱলী পুথিখনৰ মাহাত্ম্যৰ বিষয়ে ফকৰা চৰিত পুথিতো উল্লেখ পোৱা যায়ঃ বাৰহাত জালৰ তেৰহাত ফটা/ ভাল মাছ মাৰিলি বাপৰ বেটা/ ৰৌ বৰালী সৰকি গ'ল/ পুথি খলিহা পাহে পাহে ৰ'ল//

শঙ্কৰী পাৰমাৰ্থিক বিচাৰ মতে ভাগৱতখন হেনো তেৰটা স্কন্ধৰ। কাৰণ ভাগৱতৰ সাৰভাগ 'ভক্তি-ৰত্নাৱলী'খনৰে সৈতে যোগদিলে তেৰস্কন্ধ পুৰ হয়। সেইকাৰণে ফকৰাত কোৱা হৈছে- 'বাৰহাত জালৰ তেৰ হাত ফটা।' অৰ্থাৎ বাৰস্কন্ধ ভাগৱতৰ বিপৰীতে তেৰস্কন্ধ বুলি কোৱা হয়- যাৰ নাম 'ভক্তি-ৰত্নাৱলী'। আনহাতে এই পুথিখনত তেৰটি অধ্যায় বা তেৰটি বিৰচন আছে। সেই কাৰণেও 'তেৰহাত ফটা' বুলি কোৱা হয়। 'ভাল মাছ মাৰিলি বাপৰ বেটা' মানে বাৰস্কন্ধ ভাগৱতৰ শুদ্ধ বা সাৰাংশখিনিক মাছৰ লগত তুলনা কৰা হৈছে। 'বাপৰ বেটা' অৰ্থাৎ 'বাপ' মানে 'পিতৃ' অৰ্থাৎ ভগৱান, 'বেটা' মানে তেওঁৰ সেৱক ভক্ত। ভগৱানৰ সেৱক ভক্তই (মাধৱদেৱে) বাৰ স্কন্ধ ভাগৱতৰ পৰা তেৰটি অধ্যায়- বিশিষ্ট সুন্দৰ সাৰভাগ গ্ৰহণ কৰিলে। 'ৰৌ বৰালী সৰকি গ'ল' মানে ভাগৱতখনৰ প্ৰধান প্ৰধান কাহিনীবোৰে আৰু ওঠৰ হাজাৰ শ্লোকৰ বহল ভিত্তিক কথাবোৰ এৰি পেলালে। 'পুথি খলিহা পাহে পাহে ৰ'ল' মানে ভাগৱতখনৰ সেই প্ৰধান আৰু বহল ভিত্তিৰ কথাবোৰৰ বিপৰীতে পুথিখলিহাস্বৰূপ দেখাত নিচেই সৰু অথচ পাৰমাৰ্থিক সাৰতত্ত্বখিনি তাত যোগ কৰিলে।

*"মাধৱদেৱ অধ্যয়ন ভূমিকা", শ্ৰীমন্তশঙ্কৰদেৱ সঙ্ঘ প্ৰকাশিত, ৰ পৰা পুনৰ্মুদ্ৰিত।— সম্পাদিকা*

# অসমৰ তাঁতশিল্পত এভূমুকি

**ভানুমতী নাথ বৰা**

অসমৰ তাঁতশিল্প কিমান বছৰ পুৰণি আৰু ই কেনেকৈ উৎপত্তি হৈছিল সেই বিষয়ে কোনো সঠিক তথ্য পোৱা নাযায়। অৱশ্যে মহাভাৰতৰ দিনৰেপৰা যে অসমৰ তাঁতশিল্পৰ এটা সুকীয়া স্বকীয়তা আছে তাৰ উমান পোৱা যায়।

অসমৰ তাঁত শিল্প অতি প্ৰাচীন যদিও এই শিল্পই ষষ্ঠদশ শতিকাৰ কামৰূপৰ ৰজা কুমাৰ ভাস্কৰ বাৰ্মাৰ দিনতহে অধিক প্ৰসাৰতা লাভ কৰে। অসমৰ এগৰাকী সু-সাহিত্যিক পুৰৱী বৰমুদৈৰ 'শান্তনু কুলনন্দন' নামৰ গ্ৰন্থখনিত এই কথা উল্লেখ কৰি তেখেতে কৈছে যে সেই সময়ত অসমৰ তাঁতত উৎপাদিত বস্ত্ৰসমূহ বিশ্বৰ বিভিন্ন দেশ যেনে— চীন, জাভা, সুমাত্ৰা আদি দেশলৈ ৰপ্তানি হৈছিল। ইয়াৰ পৰা এটা ধাৰণা স্পষ্ট হয় যে সেই অতীজৰেপৰা অসম তাঁত শিল্পত অতিকে চহকী।

অসমৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ দিনতো অসমৰ তাঁত শিল্পই যথেষ্ট সমাদৰ আৰু প্ৰসাৰতা লাভ কৰা দেখা যায়। অসমৰ আন এগৰাকী স্বনামধন্য সাহিত্যিক লক্ষ্মীনন্দন বৰাদেৱৰ 'যাকেৰি নাহিকে উপাম' আৰু 'সেহি গুণনিধি' নামৰ গ্ৰন্থ দুখনত গুৰুজনাৰ 'বৃন্দাবনী বস্ত্ৰ'ৰ কথা উল্লেখ কৰিছে। সেই সময়ৰ কোচৰজা নৰনাৰায়ণৰ অনুৰোধত গুৰুজনাই তাঁতীকুছিৰ শিপিনীৰ হতুৱাই পাট কাপোৰ তৈয়াৰ কৰি তাত সপ্ত বৈকুণ্ঠৰ পট অঁকাই বৃন্দাবনী বস্ত্ৰ প্ৰস্তুত কৰিছিল। কিন্তু অতি পৰিতাপৰ কথা যে এই বস্ত্ৰখনি অসমত নাই। এই বস্ত্ৰখনি বৰ্তমান ইংলেণ্ড, পেৰিছ, লণ্ডন, ৰেলছৰ আৰু আহমেদাবাদৰ সংগ্ৰাহলয়ত সংৰক্ষণ হৈ আছে। গুৰুজনাৰ এই বৃন্দাবনী বস্ত্ৰ অসমৰ বয়নশিল্পৰ এক উৎকৃষ্ট চানেকী। ইয়াৰ লগতে সেই সময়ৰ শিপিনীসকলৰ কৰ্ম দক্ষতাৰ আন এক উদাহৰণ হ'ল 'কবচ'। তেতিয়াৰ আহোম সমাজৰ বিশ্বাস মতে ৰণলৈ যোৱা ৰণুৱাক যদি একে ৰাতিৰ ভিতৰতে সূতা কাটি; সেই সূতাৰে কাপোৰ বৈ দিব পাৰিলে ৰণত ৰণুৱাজনৰ মৃত্যু হোৱাৰ ভয় নাথাকে। এই একে ৰাতিতে বৈ উলিওৱা কাপোৰখনেই হৈছে 'কবচ'।

অসমৰ তাঁতশিল্পৰ জনপ্ৰিয়তা সৌ তাহানিৰ দিনৰ পৰা এতিয়ালৈকে অকণো হ্ৰাস পোৱা নাই। বৰঞ্চ ইয়াৰ চাহিদা দুগুণ বাঢ়িছে বুলি ক'লেও ভুল কোৱা নহ'ব। বৰ্তমান অসমীয়া ছবি আৰু ভি.চি.ডিসমূহৰ অভিনেতা-অভিনেত্ৰীসকলেও হস্তনিৰ্মিত বস্ত্ৰৰ জনপ্ৰিয়তা বৃদ্ধিত এক উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছে। অভিজাত শ্ৰেণীৰ মাজতো ই জনপ্ৰিয় হোৱা পৰিলক্ষিত হয়। নিঃসন্দেহে এইটো অসমৰ তাঁত শিল্পৰ বাবে এক শুভ লক্ষণ। বৰ্তমান অসমৰ তাঁতশালসমূহ যথেষ্ট উন্নত হৈছে। উদাহৰণ স্বৰূপে আমি শুৱালকুছিৰ কথাকে আঙুলিয়াই দেখুৱাব পাৰোঁ। উন্নত শাল ব্যৱহাৰ কৰি বৃহত্তৰ শুৱালকুছিত উৎপাদিত পাট-মুগাৰ বস্ত্ৰ আজিৰ পৃথিৱীৰ বিভিন্ন দেশলৈ ৰপ্তানী হৈছে। এই বস্ত্ৰৰ বাবেই অসমে আজি বিশ্বৰ দৰবাৰত এক সুকীয়া আসন লাভ কৰিবলৈ সক্ষম হৈছে। শুৱালকুছিৰ তাঁতশিল্পই অসমৰ অৰ্থনীতিতো এক গুৰুপূৰ্ণ প্ৰভাৱ পেলাইছে।

অসমত যদি আৰু দুই-তিনিখন শুৱালকুছি সৃষ্টি কৰিব পৰা যায় তেতিয়া হ'লে অসমৰ অৰ্থনীতিৰ প্ৰতিচ্ছবিয়েই সলনি হৈ যাব। অসমৰ চৰকাৰে উচিত পদক্ষেপ গ্ৰহণ কৰিলে অসমৰ নিবনুৱা সমস্যাৰো কিছু পৰিমাণে হ'লেও সমাধান হ'ব বুলি দৃঢ়তাৰে ক'ব পৰা যায়।

এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে অসমত 'নাথ-যোগী' নামে এটি সম্প্ৰদায় আছে। তেওঁলোকে এৰী পাট পলু পালন কৰি তাৰ পৰা সূতা কাটি তাঁতশালত কাপোৰ তৈয়াৰ কৰে। এই কাৰণেই বোধহয় তেওঁলোকক

'কাটনী নাথ যোগী' বুলিও কোৱা হয়। মঙ্গলদৈৰ বৃহত্তৰ ছিপাঝাৰ অঞ্চলৰ নাথ যোগী লোকসকল এই ক্ষেত্ৰত বহু বেছি আগৰণুৱা। তেওঁলোকৰ দ্বাৰা উৎপাদিত (বিশেষকৈ নুনীপাটৰ) কাপোৰে বৰ্তমান বজাৰত যথেষ্ট সমাদৰ লাভ কৰিছে। কিন্তু দুখৰ কথা এইযে উন্নত মানৰ তাঁতৰ অভাৱত শিপিনীসকলে বহু কষ্ট ভোগ কৰিবলগীয়া হৈছে। হাতেৰে ফুল বাচিবলগীয়া হোৱা বাবে চাহিদা অনুসৰি তেওঁলোকে কাপোৰ উৎপাদন কৰিব পৰা নাই লগতে ইয়াৰ বাবে বহু শিপিনীৰ দৃষ্টিশক্তিও কমি গৈছে। তথাপিও তেওঁলোকে এই যাত্ৰা অব্যাহত ৰাখিছে। ব্যৱসায়িকভাৱে সম্পূৰ্ণ সফল হ'ব নোৱাৰিলেও তেওঁলোকে অশেষ দুখ-কষ্টৰ মাজেৰে অসমৰ তাঁতশিল্পক চহকী কৰাত নীৰৱে তেওঁলোকৰ অৱদান আগবঢ়াই আহিছে আৰু নিজেও আংশিকভাৱে স্বাৱলম্বী হৈছে। এই ক্ষেত্ৰত চৰকাৰ আৰু বিভাগীয় কৰ্ম-কৰ্তাসকলেও গুৰুত্ব দিলে অসমত দ্বিতীয়খন শুৱালকুছি গঢ় লৈ উঠাৰ পূৰ্ণ সম্ভাৱনা আছে।

'তাঁত' শব্দটো উচ্চাৰণৰ লগে লগে আমাৰ মানস পটত এখন সহজ-সৰল গাঁৱৰ ছবি ভাঁহি উঠে। প্ৰতিটো পৰিয়ালতে একোখন তাঁতশাল থকাটো গাঁৱৰ মানুহৰ এক বিশেষ বৈশিষ্ট্য। অসমৰ তাঁতশিল্পক জীয়াই ৰখা গাঁৱৰ শিপিনীসকলৰ ভূমিকা অপৰিসীম।

মহামানৱ মহাত্মা গান্ধীয়েও প্ৰাক্ স্বাধীন কালতেই বিশেষকৈ নাৰীসকলৰ আৰ্থিকভাৱে স্বাৱলম্বী কৰিবৰ বাবে খাদী উদ্যোগকেই প্ৰাধান্য দিছিল। এই ক্ষেত্ৰত অসমীয়া মহিলাসকল যথেষ্ট আগৰণুৱা। বৰ গৌৰৱৰ কথা যে গুৱাহাটীৰ পাণ্ডুত অনুষ্ঠিত কংগ্ৰেছৰ অধিৱেশনৰ মূল মণ্ডপটো খদ্দৰ কাপোৰেৰে তৈয়াৰ কৰা হৈছিল। এই অধিৱেশনলৈ গান্ধীজীও আহিছিল আৰু অসমৰ শিপিনীৰ ফুলৰ চানেকী দেখি কৈছিল— "অসমৰ শিপিনীয়ে কাপোৰত সপোন ৰচিব পাৰে।"

শেষত এটা কথাকে ক'ব পাৰি যে অসমৰ তাঁতশিল্পক আৰু অধিক উন্নত কৰিব পাৰিলে ই অসমৰ অৰ্থনৈতিক দিশটো টনকিয়াল কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰিব বুলি ভবাৰ থল আছে। তাঁতশিল্পৰ প্ৰসাৰতাৰ লগে লগে যিবোৰ কেচেৰু, নুনী বা এৰাগছৰ বাৰী স্থাপনৰ প্ৰয়োজন হ'ব, সেই বাৰীবোৰে আমাৰ পৰিৱেশৰ ওপৰতো যে এক ধনাত্মক প্ৰভাৱ পেলাব পাৰে সেইটো ধ্ৰুৱপ। অসমৰ তাঁত শিল্পক জীয়াই ৰাখিবলৈ তথা অসমৰ অৰ্থনীতিক অধিক চহকী কৰিবলৈ সকলোৰে সহায়-সহযোগিতা, সজ দিহা-পৰামৰ্শ আৰু চৰকাৰেও সহায় হাত আগবঢ়াওক— এয়াই আমাৰ কাম্য।◆◆

**লেখিকা বকলিয়াঘাটৰ কাৰ্বিআংলঙৰ**
**শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সদস্যা**

সাক্ষাৎকাৰ



# ড° মামণি ৰয়চম গোস্বামী

*(অগতানুগতিক ভিন্নসুৰী বিষয়বস্তু আৰু অবিস্ময়কৰভাৱে ব্যঞ্জনাক্ষম ভাষা আৰু প্ৰকাশভংগীৰে অসমীয়া কাহিনী সাহিত্যৰ দিগন্ত প্ৰসাৰিত কৰা দুৰূহ সত্যানুসন্ধান আৰু দুঃসাহসী কল্পনাৰ অধিকাৰী এইগৰাকী প্ৰতিভাময়ী লেখিকাক সুধিবলৈ মোৰ মনত বহুতো কথাই তোলপাৰ লগাইছিল। তেখেতৰ নানা ৰঙী শৈশৱ, কৈশোৰ আৰু যৌৱনৰ বিভিন্ন কাহিনী তেখেতে বহু ঠাইত লিখিছে আৰু মেলে-মিটিঙে কৈছেও। গল্প-উপন্যাসৰ ৰচনাৰ নেপথ্যৰ কাহিনীও ৰাইজে জানিব পাৰিছে। তেখেতৰ বিশ্বাস, সংশয়, সংকল্প, মানৱীয় সম্বন্ধৰ ধাৰণা, জীৱনত প্ৰেম-বিবাহ, যৌনতাৰ ভূমিকা, বিবাহ বহিৰ্ভূত নৰ-নাৰীৰ সম্পৰ্ক, আনকি ধৰ্ষণকাৰী আৰু হত্যাকাৰীৰ মৃত্যুদণ্ড হোৱা উচিত নে অনুচিত এনে ধৰণৰ বহুতো কথা তেখেতৰ সৈতে পাতিছিলোঁ। কিন্তু বাইদেউৰ সকলো কথা আৰু তেখেতৰ জীৱন আৰু কৃতিৰ সকলো দিশ সামৰিবলৈ নগৈ কেইটামান প্ৰাসংগিক বিষয়তহে তেখেতৰ মতামত আৰু সঁহাৰি বিচৰাৰ প্ৰয়াসহে কৰিছিলোঁ। এইগৰাকী লেখিকাই ২০০৪ চনৰ আগষ্ট মাহত ৰাইজৰ বাবে এটি অতিশয় গুৰুত্বপূৰ্ণ দায়িত্বভাৰ গ্ৰহণ কৰিছিল। সেয়া হৈছে সংযুক্ত মুক্তি বাহিনী, অসম (ULFA) আৰু চৰকাৰৰ মাজত মধ্যস্থতাকাৰীৰ ভূমিকা লৈ অসমত শান্তি স্থাপনৰ বাবে আগবাঢ়ি আহিছিল। এনে এগৰাকী প্ৰতিভাময়ী বাইদেউক ২০০৫ চনত আমাৰ মহাবিদ্যালয়ৰ (প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়) এটি অনুষ্ঠানৰ কাৰণে তেখেতৰ ওচৰলৈ যাওঁতে কথা-বতৰা পতাৰ সুযোগ পাইছিলো। ইয়াৰো আগতে ১৯৯৯ চনত মালয়েচিয়াত হোৱা ৰামায়ণ আৰু মহাভাৰতৰ প্ৰথম আনন্তৰ্জাতিক সন্মিলনত যোগদান কৰিবলৈ যাওঁতে ড০ মামনি বাইদেউক সেই সন্মিলনত কেইদিনমানৰ বাবে ওচৰৰপৰা লগ পাই সাহিত্য, জীৱন, সমাজ আদিৰ ওপৰত বহুতো কথা সুধিছিলোঁ। ডায়েৰীৰ পাতত লিখা সেই কথাসমূহৰ সৈতে মিল ৰাখি কেইটামান প্ৰশ্নৰ উত্তৰ পাঠকসমাজলৈ সাক্ষাৎকাৰৰ ৰূপত আগবঢ়োৱা হ'ল। কাৰণ বৰ্তমানে বাইদেউৰ শাৰীৰিক অসুস্থতা বাবে কথা পতাও সম্ভৱ নহ'ল। ভগৱানৰ ওচৰত বাইদেউৰ আৰোগ্যৰ বাবে প্ৰাৰ্থনা জনালোঁ। সাক্ষাৎকাৰটিৰ লগতে বাইদেউৰ জীৱন-পঞ্জীও ২০০২ চনলৈকে আগবঢ়োৱা হ'ল। —সম্পাদিকা)*

***প্ৰশ্ন*** *ঃ আপুনি লেখা উপন্যাস আৰু গল্পসমূহৰ সমল ক'ৰপৰা আহৰণ কৰে? 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা'ত আপুনি লিখিছেই কিদৰে সমল গোটাবৰ বাবে নিষিদ্ধ স্থানলৈকো যাবলগীয়া হয়?*

**উত্তৰ ঃ** মোৰ লেখাসমূহ যিমান পাৰো বাস্তৱ কৰিবলৈ চেষ্টা কৰোঁ। মোৰ লেখাসমূহৰ সকলো কাহিনীয়েই সঁচা ঘটনা আৰু অভিজ্ঞতাৰ ভিত্তিত ৰচিত। মোৰ 'হৃদয়' নামৰ গল্পটো লিখোঁতে এটা শৱগৃহৰ বৰ্ণনাৰ প্ৰয়োজন হৈছিল। তেতিয়া মই পুৰণা দিল্লীৰ 'সব্জীমণ্ডি' বৰফখানাৰ ওচৰত থকা এক শৱগৃহ চাবলৈ বন্ধু মহেশ গুপ্তাৰ লগত গৈছিলোঁ। তাত মই একেবাৰে ওচৰৰ পৰা বহি প্ৰত্যক্ষ কৰিছিলো। দিল্লীত জে.বি. ৰোডত থকা বেশ্যালয়ৰ বেশ্যাসকলৰ লগত একেখন বেঞ্চত বহি তেওঁলোকৰ সৈতে কথা বতৰা পাতিছিলো। সেই কথা 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা'ত উল্লেখ আছে। লেখাৰ সমল বিচাৰি নিষিদ্ধ স্থানলৈ যাওঁতে লঘু-লাঞ্ছনা আৰু বিপদৰো সন্মুখীন হৈছিলো। অৱশ্যে লেখাৰ সমল বিচাৰি যথেষ্ট পঢ়া-শুনাও কৰোঁ।

***প্ৰশ্ন*** *ঃ আপোনাৰ মতে মানৱীয় সম্পৰ্কৰ ভিত্তি কি? সুস্থ মানৱীয় সম্পৰ্ক মানে আপুনি কি বুজে?*

**উত্তৰ ঃ** মানৱীয় সম্পৰ্ক সদায় স্বতঃস্ফূৰ্ত। ই ভিতৰৰ পৰা নিজে নিজে আহিব লাগিব। মানুহৰ লগত অতি সহজে আত্মীয়তা গঢ়ি তুলিব পাৰোঁ। দলিত লোকৰ যান্ত্ৰণা দেখিলে মই কাতৰ হৈ পৰোঁ। ই মোক ভীষণ আঘাত কৰে। মোৰ নিজৰ শ্ৰেণীটোৰ লগত বা যিসকল মানুহৰ সৈতে মই উঠা-বহা কৰোঁ, তেওঁলোকৰ বিষয়ে

মোৰ এখনো উপন্যাস নাই। মোৰ সৰহসংখ্যক উপন্যাসেই জীয়াই থাকিবলৈ কৰা সংগ্ৰামৰ কাহিনী। দলিত, দীন-দুখীজনৰ জীৱনৰ কাহিনী। এওঁলোক শোষিত শ্ৰমিক নাইবা বঞ্চিত বিধবাও হ'ব পাৰে।

**প্ৰশ্ন ঃ** *নাৰীক সমাজৰ দুৰ্বল অঙ্গ বুলি আপুনি ভাবি পাৰেনে?*

**উত্তৰ ঃ** হয় ভাবো। নাৰীয়ে সমাজক বৰ ভয় কৰে। এই ভয়ে নাৰীক দুৰ্বল কৰি তোলে। তেওঁৰ ব্যক্তিত্বৰ বিকাশত বাধা হৈ পৰে। মোৰ পৰিয়ালৰ পেহী-খুড়াহঁতৰ কথা মনলৈ আহে। মাটিবাৰী সকলো তেওঁলোকৰ পৰা আনে টানি লৈ গ'ল। কিন্তু সত্ৰৰ গোঁসাইঘৰৰ তিৰোতা বুলিয়ে কেছ কৰিবলৈ গুৱাহাটীলৈ আহিবলৈকো তেওঁলোকে সাহস কৰিব নোৱাৰিলে। *'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'*ৰ বিধবা কেইগৰাকীয়ে সমাজৰ প্ৰতি থকা এই ভয়ৰ বাবেই তেওঁলোকক কৰা অন্যায়-অবিচাৰ অপমানৰ প্ৰতিবাদ কৰিব নোৱাৰিলে।

**প্ৰশ্ন ঃ** *নাৰী হৈ জন্ম লোৱাটো আপুনি আশীৰ্বাদ নে অভিশাপ বুলি ভাবে?*

**উত্তৰ ঃ** আশীৰ্বাদ বুলি ভাবো। নাৰী হৈ জন্ম ল'লে অৱশ্যে বহু বাধা-বিঘিনি আছে। কিন্তু এই বাধা-বিঘিনি অতিক্ৰম কৰিবলৈ প্ৰকৃতিয়ে নাৰীক শক্তিও দিছে। এই শক্তি বাহিৰৰ বা শাৰীৰিক শক্তি নহয়, ই ভিতৰৰ অন্তৰৰ শক্তি। সৎ হৈ আধ্যাত্মিক ভাৱেৰে থাকিলে সকলো কথাই সৰল আৰু সমাধানৰ যোগ্য হৈ পৰে আৰু তেতিয়াই মনত শক্তি পোৱা যায়। অৱশ্যে নাৰীৰ মাজত হিংসাৰ ভাৱ বেছি বুলি বহুতেই ক'ব খোজে। কিন্তু এই হিংসাৰ ভাৱকো জয় কৰিব পৰা যায়।

**প্ৰশ্ন ঃ** *নাৰীৰ আদৰ্শ ৰূপ আপোনাৰ লেখাত আছেনে?*

**উত্তৰ ঃ** মোৰ লেখাত স্পষ্টভাৱে কোনো নাৰীৰ আদৰ্শৰূপ দেখুৱাবলৈ চেষ্টা কৰা নাই। হয়তো নাৰীৰ আদৰ্শৰূপ মোৰ লেখাৰ মাজত সোমাই আছে।

**প্ৰশ্ন ঃ** *আপোনাৰ জীৱনত কিবা টাৰ্ণিং পইণ্ট আছেনে?*

**উত্তৰ ঃ** নাই। সৰুতে মোৰ কোনো এইম (aim) নাছিল। নিৰ্দিষ্ট কোনো ভৱিষ্যতৰ কথাও মই ভবা নাছিলোঁ। সকলো কথাই অস্পষ্ট, ধুৰঁলি-কুঁৰলি আছিল। কিন্তু মই লিখি গৈছিলোঁ। ভাল-বেয়া সকলো অৱস্থাতে লিখি গৈছিলোঁ। একেবাৰে প্ৰতিকূল পৰিস্থিতিতো মই লিখিবলৈ বাদ দিয়া নাছিলোঁ। লিখাই মোক সকলো পাহৰাই ৰাখিছিল। তেতিয়া মই ভাবিছিলো লিখিব যেতিয়া লাগিব ভালকৈয়ে লেখা ভাল।

**প্ৰশ্ন ঃ** *আপোনাৰ লেখাৰ কিবা ভুল ব্যাখ্যা হৈছে নেকি?*

**উত্তৰ ঃ** নাই হোৱা। বাহিৰততো একেবাৰে হোৱা নাই। আমাৰ ইয়াত *'আধালেখা দস্তাবেজ'*ৰ বিৰূপ সমালোচনা কোনো কোনোৱে কৰিছে বুলি শুনিছো। অথচ মহাৰাষ্ট্ৰৰ দৰে গোড়া ঠাইত তাৰ বিশ্ববিদ্যালয়ত *'আধালেখা দস্তাবেজ'* পাঠ্যপুথি হৈছে। সাতবাৰৰ বাবে *'আধালেখা দস্তাবেজ'*এ 'ৰেষ্ট ছেলাৰ' সন্মান পাইছে। *আধালেখা দস্তাবেজ*ৰ ভিত্তিতে ওৱাইছ কুৰ্ণী বৰাই এখন চিনেমাও যুগুত কৰিছে। ই এখন আত্মজীৱনী। ইয়াৰ চৰিত্ৰ আৰু ঘটনা একেবাৰে সত্য, সকলো মোৰ জীৱনত ঘটি যোৱা। মই বহুত সংযত কৰিহে লিখিছোঁ।

**প্ৰশ্ন ঃ** *লেখিকা হিচাবে আপুনি সম্পূৰ্ণ স্বাধীনতা পাইছেনে?*

**উত্তৰ ঃ** পাইছোঁ। মোৰ নিজৰ মতে পাইছোঁ। মই যেনেদৰে ইচ্ছা কৰো তেনেদৰেই মই জীৱন যাপন কৰিছোঁ। মোৰ মায়ে মোক সৰুৰেপৰাই তেনেদৰে শিকাইছে, তেনেদৰেই ডাঙৰ কৰিছে। আনৰ অজস্ৰ সমালোচনা, অজস্ৰ প্ৰশংসায়ো মোক কেতিয়াও তলাব পৰা নাই।

**প্ৰশ্ন ঃ** *আপোনাৰ নিৰ্দিষ্ট দৰ্শন আছেনে?*

**উত্তৰ ঃ** আছে। মই মানৱতাবাদী লেখিকা। কোনো নিৰ্দিষ্ট দৰ্শন বা ৰাজনীতিৰ প্ৰতি মই দায়বদ্ধ নহওঁ, সহানুভূতি হয়তো আছে। কিন্তু মই সদায় নিজৰ আদৰ্শৰে যাব বিচাৰোঁ।

**প্ৰশ্ন ঃ** *আপুনি ঈশ্বৰক বিশ্বাস কৰেনে?*

**উত্তৰ ঃ** মই ভগৱান ৰামচন্দ্ৰক বিশ্বাস কৰোঁ। তেওঁক মই ভীষণ ভাল পাওঁ। বাল্মীকিৰ ৰামহে প্ৰকৃত ৰাম। *মহাভাৰতত* যিখিনি ৰামৰ উপাখ্যান আছে, সেইখিনিহে আচল বস্তু। সীতা বনবাস, শূৰ্পণখাৰ নাক-কাণ কটা আদি পাছৰ সংযোজন। হাজাৰ হাজাৰ বছৰ ধৰি বাগৰি আহোঁতে বহু কথাই মূল ৰামায়ণৰ লগত যোগ হৈছে।

বিভিন্ন পণ্ডিতে বিভিন্ন কথাৰ সংযোজন কৰিছে।

***প্ৰশ্ন*** *ঃ ভাৰত তথা বিশ্বৰ বিভিন্ন প্ৰান্তৰৰ ভাষা উপভাষাত থকা* ৰামায়ণ*বোৰৰ সংকলন আৰু সম্পাদনাৰ সম্পৰ্কত আপোনাৰ মতামত কি?*

**উত্তৰ ঃ** অনুবাদত মূলৰ বিকৃতি হ'ব নালাগে। শ্ৰীমন্ত শঙ্কৰদেৱে মাধৱ কন্দলিৰ প্ৰতিভাৰ প্ৰতি সন্মান জনাই কন্দলিৰ ৰামায়ণখন হুবহু ৰাখিছে। এটা বাক্যও ইফাল সিফাল কৰা নাই। অনন্ত কন্দলিৰ ৰামায়ণত নথকা শৃঙ্গাৰ ৰসাত্মক বৰ্ণনাও মাধৱকন্দলিৰ *ৰামায়ণ*ত আছে। বনবাসলৈ শ্ৰীৰামচন্দ্ৰই সীতাক লৈ যাবলৈ নোখোজাত সীতাই ৰাঘৱক কৈছে—

*চম্পক কলিকা যেন মোৰ কলেৱৰ।*
*লুণ্ডিঘুণ্ডি আছিলাহা যেহেন ভ্ৰমৰ।।১৮৩৮*
*যেৱে আহি বিকশিত হৈল ফুল-ফল।*
*উপভোগ এৰি কেনে কৰাহা নিস্ফল।।*

গোটেই জীৱন মই ৰামায়ণক লৈ কাম কৰিছোঁ। মই সদায় শ্ৰীৰামচন্দ্ৰৰ উপস্থিতি অনুভৱ কৰোঁ। মোৰ ভাব হয় তেওঁ মোক সদায়ে সহায় কৰি আহিছে। ৰামায়ণৰ অধ্যয়নে মোক গভীৰভাৱে আলোড়িত কৰিছিল বাবেই হয়তো মোৰ এনে উপলব্ধি হৈছিল। এই উপলব্ধিৰ বাবেও সাধনা লাগে। যি সাধনাই মনত শান্তি দিয়ে, তেতিয়াই মনৰ পৰা সকলো দুঃখ গ্লানি আঁতৰি যায়।

## জীৱন-পঞ্জী ঃ

১৯৪২ ঃ জন্ম, ১৪ নবেম্বৰ, গুৱাহাটীত

পিতৃ ঃ শিক্ষাধিকাৰ উমাকান্ত গোস্বামী

মাতৃ ঃ অম্বিকা দেৱী

১৯৭৫ ঃ গুৱাহাটীৰ তাৰিণীচৰণ চৌধুৰী স্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ।

১৯৬১ ঃ কটন কলেজৰ পৰা স্নাতক।

১৯৬৩ ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ উপাধি লাভ।

১৯৬৫ ঃ মাধৱেন ৰয়ছম আয়েঙ্গাৰৰ লগত বিবাহ।

১৯৬৭ ঃ পথ দুৰ্ঘটনাত সামৰিক অভিযন্তা স্বামীৰ মৃত্যু।

১৯৬৯ ঃ বৃন্দাবনৰ Institute of Oriental Philosophyত অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ অধীনত গৱেষণা আৰম্ভ।

১৯৭১ ঃ দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা সাহিত্য অধ্যয়ন বিভাগত যোগদান।

১৯৭৩ ঃ 'মাধৱ কন্দলিৰ *ৰামায়ণ* আৰু গোস্বামী তুলসীদাসৰ *ৰামচৰিতমানস*-ৰ তুলনামূলক অধ্যয়ন' শীৰ্ষক গৱেষণাগ্ৰন্থৰ বাবে পি.এইচ.ডি. উপাধি লাভ।

১৯৮৩ ঃ সাহিত্য অকাডেমিৰ বঁটা লাভ।

১৯৮৮-২০০৩ ঃ বিদেশ ভ্ৰমণ— স্পেইন, বেলজিয়াম, ইংলেণ্ডকে ধৰি ইউৰোপৰ বিভিন্ন দেশ, থাইলেণ্ড, মালয়েছিয়া, ইন্দোনেছিয়া আৰু দক্ষিণ পূৱ এছিয়াৰ দেশবোৰ জাপান, হংকং, চীনদেশ, মৌৰিছাছ, আমেৰিকা যুক্তৰাষ্ট্ৰ, নেপাল আৰু পাকিস্তান।

২০০০ ঃ সামগ্ৰিক সাহিত্যকৰ্মৰ বাবে জ্ঞানপীঠ বঁটাৰে সন্মানিত।

## গ্ৰন্থপঞ্জী ঃ

চিনাকি মৰম ঃ ১৯৬২, লয়াৰ্ছ বুকষ্টল, গুৱাহাটী

কইনা ঃ ১৯৬৬, দত্তবৰুৱা এণ্ড কোম্পানী, গুৱাহাটী

হৃদয় এক নদীৰ নাম ঃ ১৯৯০, সাহিত্য প্ৰকাশ, গুৱাহাটী

মামনি ৰয়ছম গোস্বামীৰ স্বনিৰ্বাচিত গল্প ঃ ১৯৯৮, নেশ্যনেল বুক ট্ৰাষ্ট ইণ্ডিয়া, নতুন দিল্লী।

মামনি ৰয়ছম গোস্বামীৰ প্ৰিয় গল্প ঃ ১৯৯৮, জ্যোতি প্ৰকাশন, গুৱাহাটী

## উপন্যাস আৰু গল্পৰ সঙ্কলন ঃ

চেনাবৰ সোঁত ঃ ১৯৭২, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী। দ্বিতীয় সংস্কৰণ, বুক হাইভ, গুৱাহাটী, ১৯৯৮।

নীলকণ্ঠী ভাঁজ ঃ ১৯৭৬, লয়াৰ্চ বুক ষ্টল, গুৱাহাটী। তৃতীয় সংস্কৰণ, ষ্টুডেন্টচ্ ষ্ট'ৰচ্, গুৱাহাটী, ১৯৯৪।

অহিৰণ ঃ ১৯৮০, বাণী প্ৰকাশ, গুৱাহাটী। তৃতীয় সংস্কৰণ, ষ্টুডেন্টচ্ ষ্ট'ৰচ্, গুৱাহাটী, ১৯৯৪।

মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস ঃ ১৯৮৩,

শৰাইঘাট প্ৰিণ্টাৰ্চ্ছ, গুৱাহাটী। পঞ্চম সংস্কৰণ লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, ১৯৯২।

সংস্কাৰ, উদয়ভানুৰ চৰিত্ৰ ইত্যাদি ঃ ১৯৮৯, শ্ৰীভূমি পাবলিচিং কোম্পানী, কলিকতা। চতুৰ্থ সংস্কৰণ ষ্টুডেণ্ট ষ্ট'ৰচ্, গুৱাহাটী,১৯৯৩।

দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা ঃ ১৯৮৮, বাণী প্ৰকাশ, গুৱাহাটী, তৃতীয় সংস্কৰণ ১৯৯৭।

আধালেখা দস্তাবেজ ঃ ১৯৮৮ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্, গুৱাহাটী। চতুৰ্থ সংস্কৰণ ১৯৯৬।

ঈশ্বৰী জখমী যাত্ৰী ইত্যাদি ঃ ১৯৯১ জ্যোতি প্ৰকাশন, গুৱাহাটী।

তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা ঃ ১৯৯৪, ষ্টুডেণ্টচ্ ষ্ট'ৰচ্, গুৱাহাটী। দ্বিতীয় সংস্কৰণ, ১৯৯৮

উপন্যাস সমগ্ৰ ঃ ১৯৯৮, ১৩ খন উপন্যাসৰ সংকলন, ষ্টুডেণ্টচ্ ষ্ট'ৰচ্, গুৱাহাটী। ২য় সংস্কৰণ, ২০০১।

দাশৰথীৰ খোজ ঃ ১৯৯৯, বাণী প্ৰকাশ, গুৱাহাটী

চিন্নমস্তাৰ মানুহটো ঃ ২০০১, ষ্টুডেণ্টচ্ ষ্ট'ৰচ্, গুৱাহাটী।

## অনুদিত গ্ৰন্থ ঃ

প্ৰেমচান্দৰ চুটিগল্প ঃ ১৯৭৫, ন্যেশনেল বুক ট্ৰাষ্ট, নতুন দিল্লী।

আধাঘণ্টা সময় ঃ ১৯৭৮, মালয়ালম্ উপন্যাস, ন্যেশনেল বুক ট্ৰাষ্ট, নতুন দিল্লী।

কলম ঃ হিন্দী, উৰ্দু, পাঞ্জাৱী, বঙালী গল্পৰ অনুবাদ, ১৯৯৬, ষ্টুডেণ্টচ্ ষ্ট'ৰচ্, গুৱাহাটী।

আহ্নিক ঃ উৰিয়া কবি জে. পি. দাসৰ পুৰস্কৃত গ্ৰন্থ, ২০০০, সাহিত্য অকাডেমি, দিল্লী।

## জীৱনী গ্ৰন্থ ঃ

মহীয়সী কমলা ঃ ১৯৬৫, ড০ কমলা ৰত্নমৰ জীৱনী, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী।

গৱেষণা গ্ৰন্থ ঃ Ramayana from Ganga to Brahmaputra,1996, D. K. Publishers, New Delhi।

## সম্পাদিত গ্ৰন্থ ঃ

Indian Folklore, B. R. Publishing Corporation in Collaboration with Assam Sahitya Sabha, Delhi Branch, New Delhi.

এৰি অহা দিনবোৰ ঃ (ড০ মলয়া খাউণ্ডৰ স'তে সম্পাদিত), ষ্টুডেণ্টচ্ ষ্ট'ৰচ্, গুৱাহাটী।

## বঁটা আৰু সন্মান ঃ

১৯৭৪ ঃ দিল্লীৰ মানস চতুসৰ্দী সমিতিৰ দ্বাৰা তুলসীদাসৰ ৰামচৰিত মানস আৰু মাধৱ কন্দলিৰ অসমীয়া ৰামায়ণৰ অধ্যয়নৰ বাবে সন্মান।

১৯৮৩ ঃ সাহিত্য অকাডেমিৰ বঁটা (মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাসৰ বাবে)।

১৯৮৮ ঃ অসম সাহিত্য সভাৰ বিশেষ বঁটা (দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাৰ বাবে)।

১৯৮৯ ঃ ভাৰত নিৰ্মাণ বঁটা, দিল্লী।

১৯৯২ ঃ সৌহাৰ্দ্য বঁটা, উত্তৰ প্ৰদেশ হিন্দী সংস্থা, লক্ষ্ণৌ (নীলকণ্ঠ ব্ৰজৰ বাবে)।

১৯৯৩ ঃ কথা বঁটা, দিল্লী।

১৯৯৬ ঃ কমল কুমাৰী ফাউণ্ডেছন বঁটা (সাহিত্যিক অৱদানৰ বাবে)।

১৯৯৯ ঃ আন্তৰ্জাতিক 'তুলসী বঁটা' আমেৰিকাৰ ফ্ল'ৰিদা বিশ্ববিদ্যালয়ে আয়োজন কৰা 'তুলসীদাস আৰু তেওঁৰ সাহিত্যকৰ্ম' শীৰ্ষক সন্মিলনত প্ৰাপ্ত।

২০০০ ঃ জ্ঞানপীঠ বঁটা, ভাৰত চৰকাৰ, সামগ্ৰিক সাহিত্য কৰ্মৰ বাবে।

২০০২ ঃ ভাৰত চৰকাৰৰ পদ্মশ্ৰী সন্মান প্ৰত্যাখান।

পশ্চিমবঙ্গৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ ডি.লিট্. উপাধি প্ৰদান।

অসমৰ আহোম সভাৰ 'মহীয়সী জয়মতী বঁটা', স্বৰ্ণ সম্বৰ্দ্ধনা পত্ৰ প্ৰদান।

ওঠৰখনৰো অধিক ৰাষ্ট্ৰীয় আৰু এতিয়ালৈকে এঘাৰখন আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰত যোগদান আৰু সঞ্চালনা।■■

**সাক্ষাৎগ্ৰহণকাৰী— ড° ইন্দিৰা শইকীয়া বৰা**
**সম্পাদিকা, মহীয়সী**

চৰিত্ৰ চিত্ৰ

# পুত্ৰবৎসলা দৈৱকী

**প্ৰদীপ কুমাৰ শইকীয়া**

সৃষ্টিৰ প্ৰৱাহ চিৰ অক্ষুণ্ণ ৰাখিবৰ বাবেই পৰম পুৰুষে নাৰীৰ সৃষ্টি কৰিছিল। পুৰুষৰ অবিহনে নাৰীৰ যিদৰে কল্পনা কৰিব নোৱাৰি, সেইদৰে নাৰীৰ অবিহনেও পুৰুষ বৰ্তি থাকিব নোৱাৰে। সৃষ্টি অসম্ভৱ। সমাজো অসম্ভৱ। মানৱ সভ্যতাৰ আদিম স্তৰৰ পৰাই এই মহীয়সী নাৰীসকলে সমাজ আৰু সংস্কৃতি ৰক্ষাত মুখ্য ভূমিকা পালন কৰি আহিছে আৰু নাৰীসকলৰ স্নেহ, দয়া, ক্ষমা, ত্যাগ, ধৈৰ্য, কষ্টসহিষ্ণুতা, প্ৰেৰণা, কৃষ্ণভক্তি, স্বামীভক্তি, ব্ৰহ্মবাদী, তপস্বিনী আৰু ধৰ্মাদৰ্শত ব্ৰতী হৈ আধ্যাত্মিক আৰু নৈতিক দিশত অপ্ৰতিহত শক্তিৰে জগতত বিজয় ঘোষণা কৰি আহিছে।

এখন সংস্কৃতিৱান সমাজ, এটা সুস্থ-সবল কৰ্ম নিপুণ জাতি আৰু এজন মহৎ চৰিত্ৰৱান মানৱ গঠনত একো একোগৰাকী সতী নাৰীৰ অৱদান অপৰিহাৰ্য। ইতিহাসৰ পাত লুটিয়াইলে নাইবা মহৎলোকৰ জীৱনী গ্ৰন্থসমূহ অধ্যয়ন কৰিলেই জাতি গঠনত নাৰীৰ ভূমিকা কিমান গুৰুত্বপূৰ্ণ সেই কথাৰ উমান পাব পাৰি। প্ৰাগ্ঐতিহাসিক যুগৰ পৰা আৰম্ভ কৰি বৰ্তমান আধুনিক যুগলৈকে আৱিৰ্ভাৱ হোৱা মহান মহান যুগদ্ৰষ্টা মহাপুৰুষসকলৰ কথা ভবাৰ লগে লগে সেই সকলৰ জন্মদাতৃ মহীয়সী মাতৃসকলৰ মহানুভৱতা কথাই মানস পটত উজ্বলি উঠে।

তেত্ৰিশ কোটি দেৱতাৰ উৰ্দ্ধত সৰ্বশ্ৰেষ্ঠ সবাৰে পূজ্য দেৱতা শ্ৰীকৃষ্ণ, সৰ্বকালৰ সৰ্বযুগৰ সৰ্বক্ষণৰ সৰ্বশ্ৰেষ্ঠ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ, ইটালীৰ লিঅ'নাৰ্ড ডা ভিন্সি, ভগৱান বুদ্ধ, হজৰত মহম্মদ, যীশুখ্ৰীষ্ট, কপিলমুণি, প্ৰহ্লাদ, ধ্ৰুৱ, গেলিলিও, জৰ্জষ্টিফেনচন, স্বামী বিবেকানন্দ, জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধী, মাদাৰ টেৰেছা, ৰামানুজ আদি জ্ঞাত অজ্ঞাত অনেক গুণৱান পুত্ৰ একো একো গৰাকী মহীয়সী নাৰীয়েই জন্ম দি মানৱ জাতিৰকল্যাণ সাধন কৰি আহিছে।

মনুৱে তাৰাৰ 'মনুস্মৃতি'ত এযাৰ গুৰুত্বপূৰ্ণ বাক্য কৈছে— "য'ত নাৰীক সন্মান কৰা হয়, তাত দেৱতাইও ৰমন কৰে। য'ত সেৱা-পূজা নকৰে তাত সকলো কৰ্মই বিফল।" গতিকে নাৰীক সন্মান কৰাটো শ্ৰদ্ধা কৰাটো সকলো ব্যক্তিৰে কৰ্তব্য। নাৰীক উপযুক্ত সন্মান দেখুৱাব নজনাজনে নিজৰ দেশকো সন্মান জনাব নাজানে। নাৰী যেতিয়া বিপথে যায়, নাৰীৰ ওপৰত যেতিয়াই অত্যাচাৰ আৰু অবিচাৰ হয় তেতিয়াই এটা জাতি ধ্বংস হয়।

সুযোগ্য সন্তানৰ মাতৃহৈ দেৱতুল্য ঈশ্বৰ পুৰুষক জন্ম দিবলৈ নাৰীগৰাকী নিশ্চয় সত্য, শৌচ ক্ষমা, দয়াৰে বিভূষিত হোৱা উপৰি স্বামীভক্তি আৰু হৰি ভকতি পৰায়ণা হ'বই লাগিব। শান্তিজান বান্ধিবলৈ অহা সতী সাধবী ৰাধিকাই গুৰুজনাৰ প্ৰশ্ন-উত্তৰত তেওঁ যে এগৰাকী সতী নাৰী হয়, সেই কথা এনেদৰে বৰ্ণনা কৰিছে—

"জয়ন্তী বদতী আবে শুনিও গোসাঁই।
সমভাৱ ভূত দায়া কৰোহো সদায়।।
সত্য শৌচ ক্ষমা দয়া অতিথি সৎকাৰ।
কদাচিতো নকৰো কাকো তিৰস্কাৰ।।
স্বামী তপ স্বামী জপ স্বামী কৰো ধ্যান।
স্বামীৰ কুশল বিনে নিশ্চিন্তোহো আন।।"

— ভাগৱত

ভাগৱতৰ আৰম্ভণিৰ পৰা শেষলৈকে আমি সূৰ্যবংশীয় আৰু চন্দ্ৰবংশীয় অনেক প্ৰেৰণাদায়িনী, স্নেহময়ী, ধৈৰ্যশীল, পতিব্ৰতা, সহিষ্ণুতা স্বামীভক্তা, কৃষ্ণভক্তা, মানৱ দৰদী নাৰীৰ সমাৱেশ ঘটা দেখা পাওঁ। ভাগৱতৰ উল্লেখনীয় নাৰী চৰিত্ৰসমূহৰ ভিতৰত অন্যতম নাৰী চৰিত্ৰ হ'ল উগ্ৰসেনৰ জীয়াৰী দৈৱকী। জগতৰ ঈশ্বৰ, স্বয়ং ভগৱান কৃষ্ণৰ জন্মদাতৃ দৈৱকী ভাৰতীয় এগৰাকী সতীসাধবী নাৰী। দৈৱকী সচাকৈয়ে সৌভাগ্যৱতী নাৰী। এবাৰ নহয় দুবাৰ নহয় তিনিবাৰ জন্মগ্ৰহণ কৰি তিনিও বাৰতে ঈশ্বৰ পুৰুষক জন্ম দিব পৰাটো গৌৰৱৰ কথা।

ভাগৱত পুৰাণ (১০/৩/৩২)ত কোৱা হৈছে যে

দৈৱকী আৰু বসুদেৱ প্ৰথম জন্মত আছিল পৃষ্ণি আৰু সুতপা। ব্ৰহ্মাই দুয়োকে সৃষ্টি কৰিবলৈ কোৱাত তেওঁলোক বাৰ হেজাৰ বছৰ ব'দ-বৰষুণক নেওচি ঈশ্বৰক আৰাধনা কৰিছিল। ভগৱান সন্তুষ্ট হৈ তেওঁ লোকৰ মনোবাঞ্ছা পূৰণৰ হেতু 'পৃষ্ণিগৰ্ভ' নামে পুত্ৰ সন্তান হৈ জন্ম ল'লে। দ্বিতীয় জন্মত দুয়ো আছিল যথাক্ৰমে অদিতি আৰু কাশ্যপ। এই জন্মত অদিতিৰ গৰ্ভৰ পৰা বামনৰ জন্ম হৈছিল। তৃতীয় জন্মত তেওঁলোক দৈৱকী আৰু বসুদেৱ ৰূপে দ্বাপৰ যুগৰ অন্তত জন্ম লয়। এই জন্মত বসুদেৱৰ ঔৰসত আৰু দৈৱকীৰ গৰ্ভত পূৰ্ণব্ৰহ্ম কৃষ্ণৰ জন্ম হয়।

ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ শ্ৰীকৃষ্ণ জন্মখণ্ডত (৯/২৭/৪০) দৈৱকী আৰু বসুদেৱৰ জন্মৰ বিষয়ে অন্য প্ৰকাৰৰ উপাখ্যান পোৱা যায়। এবাৰ অদিতিয়ে কাম-কেলি কৰিবলৈ পতি কশ্যপৰ বাবে অপেক্ষা কৰি আছিল। কিন্তু কশ্যপ সেই সময়ত সৰ্পমাতা কদ্ৰুৰ সৈতে প্ৰণয়ত ব্যস্ত আছিল। তাতে অদিতিয়ে বিৰক্ত হৈ কদ্ৰুক এই বুলি শাও দিলেযে কদ্ৰু কেতিয়াও পূজাৰ যোগ্যা নহ'ব। অদিতিৰ শাও গ্ৰহণ কৰি কদ্ৰুয়েও তাৰ বিনিময়ত অদিতিক অভিশাপ দি ক'লে যে অদিতিয়ে অচিৰে মৰ্তলোকত নাৰী হৈ জন্মিব লাগিব। তাৰ ফলত অদিতিয়ে দৈৱকীৰূপে আৰু কশ্যপে বসুদেৱ ৰূপে মৰ্তলোকত জন্ম লৈছিল।

বহুগুণসম্পন্না দৈৱকীক যদুবংশৰে মথুৰাবাসীৰ এজন গুণৱন্ত পুৰুষ বসুদেৱলৈ ভাৰতীয় বিবাহ বিধিমতে বিয়া দিয়া হ'ল। কংসই মনৰ উল্লাহেৰে দৈৱকী আৰু বসুদেৱক ৰথত তুলি আগবঢ়াই থ'বলৈ বুলি যাত্ৰা আৰম্ভিলে। কিছুদূৰ যোৱা পাচত বাটতে আকাশীবাণী শুনিবলৈ পালে।

> "যাক লৈয়া যাস কংস শুনৰে অজ্ঞান।
> এহিৰ অষ্টম পুত্ৰে তোৰ লৈবে প্ৰাণ।।
> শুনিয়া নিষ্ঠুল কংসে খাণ্ডা লৈলা তুলি।
> দৈৱকীৰ কেশত ধৰিলা কাটো বুলি।।২৫ (দশম)

এনে অমংগলীয়া বাণী শুনি কংসৰ খং গৰজি উঠিল। এনে জটিল সন্ধিক্ষণত নৱবিবাহিতা পতি-পত্নী দুয়ো এক মতি হৈ তেওঁ বিলাকৰ গৰ্ভত জন্ম হোৱা অষ্টম পুত্ৰক ককায়েক কংসৰ হাতত অৰ্পণ কৰাৰ সিদ্ধান্ত ল'লে সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। সমস্যা সমাধানত দৈৱকী আৰু বসুদেৱ পাকৈত। এনে কাৰ্যত দৈৱকীৰ স্বামীভক্তি আৰু পুত্ৰ ত্যাগৰ কথা প্ৰকাশ পাইছে।

দৈৱকী ভগৱন্তৰ একান্ত ভক্তা। একান্ত ভকতসকলে পৰম ঈশ্বৰৰ বাহিৰে আন কথা চিন্তা নকৰে আৰু ভগৱানেও একান্ত ভকতসকলক সমস্ত সময়তে সমস্ত বিপদতে ৰক্ষা কৰি ফুৰে। পৰম ভাগ্যৱতী দৈৱকীৰ গৰ্ভত পূৰ্ণব্ৰহ্ম কৃষ্ণই স্থিতি গ্ৰহণ কৰাৰ লগে লগে দেৱকুল আনন্দিত হ'ল। দেৱতাসকলে দৈৱকীক ভয় নকৰিবলৈ আশ্বাস দিলে। "তোমাৰ পৰম আনন্দ বিষ্ণুৱে আহি তোমাৰ গৰ্ভত ঠাই ল'লেহি। তোমাৰ পুত্ৰই কংসক বধ কৰি যদুবংশক ৰক্ষা কৰিব।" কথামতে কাম। বিশ্বৰ পৰিৱেশ নিৰ্মল হ'ল। সুবাসিত সুমঙ্গল বতাহ বলিবলৈ ধৰিলে। প্ৰকৃতিয়েও মগ্ন হৈ কৃষ্ণ আগমনৰ বাবে যেন বাট চাই আছে এনে সুমধুৰ পৰিৱেশত—

> "মধ্য ৰাতি আতি অন্ধকাৰ ভৈল ছন্ন।
> সেহি সময়ত উপজিলা নাৰায়ণ।।৪৭
> দৈৱকীৰ গৰ্ভে আসি ভৈলন্ত বেকত।
> চন্দ্ৰ যেন প্ৰকাশন্ত পূৰ্ব্বৰ দিশত।। (দশম স্কন্ধ)

কংসৰ কাৰাগাৰত লৌহ শিকলিৰে আৱদ্ধ দৈৱকীৰ কোলাত নৱজাতক শিশুৰ আৱিৰ্ভাৱ হোৱাৰ লগে লগে দৈৱকী আৰু বসুদেৱৰ বন্ধন আপোনা-আপুনি বন্ধন মুক্তহৈ পৰিল। নৱজাত শিশু কোলাত দেখি আনন্দিত হ'ল যদিও আগৰ ছয়পুত্ৰৰ দৰে কংস দুচাৰাৰে মাৰি পেলাব বুলি ভাবি দৈৱকী অধিক শংকিত হৈ উঠিল। প্ৰসৱৰ বেদনা নিমিষতে পৰিত্যাগ কৰি শিশুটিক কোলাত সাৱটি ল'লে আৰু পুত্ৰক নিৰাপদে ৰাখিবলৈ পুত্ৰস্নেহা মাতৃয়ে চিন্তা কৰিলে। প্ৰত্যুৎপন্নমতি দৈৱকী আৰু বসুদেৱে অনেক স্তুতি কৰিলে। পৰমপুৰুষ কৃষ্ণৰ নিৰ্দেশ মতে কৃষ্ণক নন্দ যশোদাৰ ঘৰলৈ বসুদেৱে লৈ গ'ল। পুত্ৰস্নেহত অন্ধ নহৈ কোলাৰ দেৱ শিশুটি গকুললৈ নিবলৈ স্বামীৰ হাতত অৰ্পণ কৰা কাৰ্য প্ৰশংসনীয়। ইয়াৰ দ্বাৰা মাতৃগৰাকীৰ দূৰদৰ্শিতাৰ কথা প্ৰকাশ পাইছে।

নন্দ-যশোদাৰ গৃহত শ্ৰীকৃষ্ণ চন্দ্ৰকলা বঢ়াদি বাঢ়িবলৈ ধৰিলে। লগে লগে নন্দালয়ত কৃষ্ণই শিশু লীলা কৰিবলৈ আৰম্ভ কৰিলে। কৃষ্ণৰ অলৌকিক কৰ্ম দেখি ব্ৰজবাসী পৰম আনন্দিত হ'ল। ইফালে মাতৃ দৈৱকীয়ে পুত্ৰৰ সৰ্বমঙ্গলৰ হেতু দিনে-নিশাই ঈশ্বৰক চিন্তিবলৈ ধৰিলে। চকুৰ আঁতৰত থাকিলেও দৈৱকীৰ অন্তৰত আঁতৰত কৃষ্ণ থকা নাই। অন্তৰ দৃষ্টিৰে মাতৃয়ে

পুত্ৰ লীলা হৃদয়তে উপভোগ কৰি আছে। দৈৱকী পুত্ৰই নন্দ-যশোদাৰ মনত তৃপ্তি দিবলৈ সক্ষম হোৱা কাৰ্যত দৈৱকীয়ে আত্মসন্তুষ্টি লাভ কৰিছে। সাধাৰণ নাৰী হোৱা হ'লে হয়তো ঈৰ্ষা ভাৱত জ্বলি পুৰি মৰিলে হয় বা নানা বাক্‌বিতণ্ডাৰ সৃষ্টি হ'লহেঁতেন দৈৱকীয়ে ধৰ্ম ধৰি হৰি স্মৰণ কৰি আছে পুত্ৰ গকুলত হোৱাৰ্লৈ। কাৰণ পুত্ৰই দুষ্টক দমন কৰি সন্তক পালন কৰিব লাগিব আৰু তেওঁৰ প্ৰধান শত্ৰু কংসক বধ কৰি দুখনী মাতৃ পিতৃক বন্ধন মুক্ত কৰিবহি লাগিব। এগৰাকী নাৰী হিচাপে গোপনীয়তা ৰক্ষা কৰাত দৈৱকী নিশ্চয় সফল হ'ব পাৰিছে। দৈৱকীৰ মনোবল আৰু সুদৃঢ়তা শলাগিবলগীয়া।

সন্তানৰ প্ৰতি অপত্য স্নেহ থকাতো মাতৃসকলৰ চিৰন্তন ৰীতি। দৈৱকীৰ পুত্ৰৰ প্ৰতি থকা অপৰিসীম মৰম প্ৰকাশ পাইছে যেতিয়া পাপিষ্ঠ কংসই দৈৱকীৰ কোলাৰ পৰা অষ্টম পুত্ৰ অৰ্থাৎ যোগমায়াক মাৰিবলৈ আজুৰি আনিলে, তেতিয়া দৈৱকীয়ে শোকত বিহ্বল হৈ আউলি-বাউলি বেশেৰে কংসক অনেক কাকুতি-মিনতি জনালে যাতে কন্যাজনীৰ জীউ দান দিয়ে। বাকীবোৰক মাৰি মোৰ হৃদয়ত অগ্নি জ্বলাই থৈছা। এই কন্যাকণক মাৰি পুনৰ হৃদয়ত দুগুণে জুই নজ্বলাবা। তুমি মোক এৰাবলৈ পৰিত্ৰাণ কৰা ইত্যাদি। এনে কাকুতিয়ে পুত্ৰ হেৰুৱা মাতৃৰ হৃদয় কিমান বেদনাদায়ক তাক প্ৰকাশ নকৰাকৈ নাথাকে।

কৃষ্ণই অনেক দুষ্ট, দৈত্য, দানৱৰ বধ কৰি শেষত মথুৰালৈ আহি সমাজদ্ৰোহী, জাতিদ্ৰোহী, জ্ঞাতিদ্ৰোহী আৰু পিতৃ-মাতৃদ্ৰোহী মোমায়েক কংসৰ বধ কৰি কৃষ্ণৰ পিতৃ-মাতৃক কাৰাগাৰৰ পৰা মুক্ত কৰিলে। লগতে ৰাম কৃষ্ণই অনুশোচনা কৰিলে, আমাৰ জীৱন বিফলে গ'ল। কাৰণ পুত্ৰ হৈ তোমালোকক শুশ্ৰূষা নকৰি কংসৰ ভয়ত গোকুলত লুকাই থাকিলোঁ। আমাৰ বাবেই তোমালোকক কংসই অনেক অত্যাচাৰ কৰিলে। তোমালোকৰ আগত বস্ত্ৰ থৈ, আঠুকাঢ়ি শিৰেৰে চৰণ স্পৰ্শ কৰি ক্ষমা বিচাৰিছো আমাৰ ক্ষমা কৰা পিতৃ-মাতৃ। দৈৱকী আই পুত্ৰ শোকত আকুণ্ঠিতাহৈ দগ্ধহৈ আছিল। সন্মুখতে ৰাম কৃষ্ণক পাই সকলো কথা পাহৰি পুত্ৰৰ অপৰাধ মাৰ্জনা কৰি দুয়ো হাতেৰে কোলাত সাৱটি ধৰি দুয়োকো চুম্বন কৰি আনন্দত আত্মহাৰাহৈ পৰিল। মাতৃয়ে পুত্ৰক এনেদৰে সহজে ক্ষমা কৰি দিব পৰা গুণ আৰু আদৰ্শখিনিও আমাৰ বাবে বিশেষ মন কৰিবলগীয়া। (দশম স্কন্ধ)

ৰাম-কৃষ্ণক পাই দৈৱকী পুনৰ মৃত ছয়পুত্ৰলৈ মনত পৰিল। তেওঁলোকৰ বাবে দৈৱকী হৃদয়ত শোকৰ বহ্নি ববলৈ ধৰিলে আৰু ৰাম-কৃষ্ণক মৃত পুত্ৰকেইটা আনি দিবলৈ খাটনি ধৰি প্ৰাৰ্থনা কৰিলে। ৰাম-কৃষ্ণইও মাতৃৰ মনোবাঞ্ছা পূৰণৰ বাবে সুতলৰ পৰা মৃত ছয়পুত্ৰক আনি দৈৱকীৰ আগত উপস্থিত কৰাই মাতৃ হৃদয়ৰ বেদনা উপশম কৰালে। দৈৱকীয়ে পুত্ৰ দেখা পাই পৰম ধন্যা হ'ল আৰু মায়া-মোহ সমস্ত পৰিত্যাগ কৰি দিব্য জ্ঞান লাভ কৰি ক'বলৈ ধৰিলে—

> "কৈৰ পৰা আসে জীং কাক বোলে পুত্ৰ জীউ
> মায়া মোহ একোৱে নেজানি।।"— ভাগৱত

দৈৱকী মহামতীক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে তাৰাৰ ৰচিত 'ৰুক্মিণী হৰণ নাটক' আৰু 'ৰুক্মিণী হৰণ' কাব্যত এগৰাকী পুত্ৰস্নেহত আকুলিত হোৱা প্ৰকৃত মাতৃ আৰু নীতি জ্ঞান থকা মৰমীয়াল সাদৰী বিয়নী আৰু সুযোগ্যা শাহুআই ৰূপে সন্মাজনক স্থানত উপস্থাপিত কৰিছে। কাব্যগ্ৰন্থখনত নিজ পুত্ৰ শ্ৰীকৃষ্ণক অকলশৰে ৰুক্মিণীক হৰণ কৰিবলৈ যোৱা কাৰণে বিপদৰ আশংকা কৰি বলোৰাম, সাত্যকি আদিক শ্ৰীকৃষ্ণৰ ওচৰলৈ পঠোৱা কাৰ্যই মাতৃ হৃদয়ৰ সুকোমলতা আৰু পুত্ৰস্নেহ পৰিস্ফুট হৈ উঠিছে। শশীপ্ৰভাই ৰুক্মিণীৰ দায়িত্ব দৈৱকীৰ ওপৰত অৰ্পণ কৰোতে দৈৱকীয়ে শশীপ্ৰভাক বিহানী বুলি আদৰ-সাদৰ কৰি কৈছে— "তোমাৰেসে জী জোঁৱাই তোমাৰেসে ঘৰ, তোমাৰা আপোন হুয়া আমি হৈবো পৰ" এনে মনোমোহা কথাৰে সান্ত্বনা দিয়া বাক্যই দৈৱকীক ন-বোৱাৰীৰ শাহুৰূপে প্ৰতিষ্ঠা কৰিছে।

দৈৱকীৰ সতীত্ব গুণৰ কাৰণেই তেওঁ অসাধ্য সাধন কৰিব পাৰিলে। তিনিওটা জন্মতে ভগৱান ঈশ্বৰক জন্মদি সমাজৰ হিত সাধন কৰিলে। প্ৰকৃততে দৈৱকী আছিল ঈশ্বৰ পৰায়ণা নাৰী। সেয়েহে অসাধ্য সাধন কৰি সমাজক আনন্দ দিব পাৰিছিল। ত্যাগৰ মাজতো যে সুখ পাব পাৰি সেই কথা দৈৱকীৰ পৰা সমাজে অনুপ্ৰাণিত হোৱাতো নিতান্তই বাঞ্ছনীয়।■■

**লেখক মৰিগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক আৰু সাহিত্য শাখাৰ সদস্য**

# মাধৱদেৱৰ নাটৰ স্নেহময়ী যশোদা

ড° মঞ্জু গোস্বামী

মহাপুৰুষ শঙ্কৰদেৱৰ পথ অনুসৰণ কৰি তেওঁৰ প্ৰিয় আৰু প্ৰধান শিষ্য মাধৱদেৱেও বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অৰ্থে নাট ৰচনাত হাত দিছিল। মাধৱদেৱৰ সমস্ত সাহিত্যিক জীৱন আছিল শঙ্কৰদেৱৰ আৰ্হিত গঢ় দিয়া। কিন্তু নাট্যৰীতিৰ ক্ষেত্ৰত তেওঁ সম্পূৰ্ণ এক সুকীয়া পৰিক্ৰমাৰে গতি কৰিছিল। মাধৱদেৱৰ নাটসমূহ কালক্ৰমত 'ঝুমুৰা' নামেৰেহে বেছি জনপ্ৰিয় হৈ পৰিছিল। ক্ষুদ্ৰ একোটি ঘটনাৰে নৃত্য-গীত আৰু নাৰী চৰিত্ৰৰে এই ঝুমুৰাসমূহ অসমীয়া বৈষ্ণৱ সাহিত্যৰ একোটা যেন মুকুতামণি। মহাপুৰুষ শঙ্কৰদেৱে তেওঁৰ নাটত নাৰী চৰিত্ৰত প্ৰাধান্য আৰোপ কৰাৰ দৰে মাধৱদেৱৰ নাট ঝুমুৰাৰ নাৰী চৰিত্ৰয়ো উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। মাধৱদেৱৰ নাটৰ শ্ৰেষ্ঠ নাৰী চৰিত্ৰ যশোদা। তেওঁৰ নাট-ঝুমুৰাৰ শিশুকৃষ্ণৰ চল-চাতুৰি, ঠেহ-ভেম, উদ্ভণ্ডালিৰ লগত একাত্ম হৈ পৰিছে স্নেহময়ী যশোদা। শিশু কৃষ্ণ আৰু মাতৃ যশোদাৰ স্নেহ বন্ধনত মাধৱদেৱৰ নাট্য কাহিনী সুখপাঠ্য হৈ পৰিছে।

ভাগৱত পুৰাণৰ মৰ্যাদাসম্পন্ন সুশীলা নাৰী যশোদাক ঝুমুৰাসমূহত এগৰাকী গ্ৰাম্য জীৱনৰ পৰিচিত নাৰীৰূপে চিত্ৰিত কৰা হৈছে। সেইবাবে মাধৱদেৱৰ ঝুমুৰাসমূহৰ মাতৃ যশোদা অধিক মানৱীয় গুণসম্পন্না এগৰাকী সাধাৰণ নাৰী।

ভাগৱত পুৰাণত যশোদা এগৰাকী অনিন্দ্যসুন্দৰ চৰিত্ৰ। তেওঁ এগৰাকী সৰ্বগুণসম্পন্না, শান্ত স্বভাৱযুক্ত, ৰূপৱতী, সুশীলা ধৈৰ্যশীলা নাৰী। শুকমুনিয়ে ৰজা পৰীক্ষিতৰ আগত বৰ্ণনা কৰা মতে দ্ৰোণ নামৰ বসু এজনে পত্নী ধৰাৰে সৈতে ভগৱানক আপোনভাবে পাবলৈ ইচ্ছা কৰি কঠোৰ তপস্যাত মগ্ন হৈছিল। যাতে ভক্তিৰ বলত সংসাৰৰ সকলো দুৰ্গতি নাশ হয়।[১]

তেওঁলোক দুজনৰ কঠোৰ তপস্যাৰ ফলত ব্ৰহ্মাৰ বৰত মহাযশস্বী ভগৱৎপ্ৰেমিক দ্ৰোণ আৰু ধৰাই ব্ৰজধামত নন্দ আৰু যশোদাৰূপে আৱিৰ্ভূত হয়।[২] কিন্তু মাধৱদেৱৰ যশোদাক গ্ৰাম্যজীৱনৰ পটভূমিত ৰূপ দিয়া হৈছে। শিশুকৃষ্ণৰ প্ৰতি নিঃস্বাৰ্থ মাতৃপ্ৰেমৰ জ্বলন্ত প্ৰতিমূৰ্তি যশোদা। শঙ্কৰদেৱৰ নাটৰ ৰুক্মিণী, সত্যভামা আদি নাৰীৰ দৰে যশোদাও কৃষ্ণ অনুৰক্তা। কিন্তু তেওঁৰ তেনে প্ৰেম-কৃষ্ণৰ প্ৰতি বাৎসল্য প্ৰেম, মাতৃস্নেহ মাথোন। মাক পুতেকৰ স্নেহাসিক্ত সম্বন্ধ দেখুৱাই শিশুজীৱনৰ অপূৰ্ব চিত্ৰ অংকন কৰাত মাধৱদেৱৰ সমকক্ষ বৈষ্ণৱ কবিসকলৰ ভিতৰত দ্বিতীয় এজন নাই।[৩] মাধৱদেৱৰ মনত বাৎসল্য প্ৰেমে সংসাৰৰ অইন অইন ৰসৰ ঠাই অধিকাৰ কৰি আছিল।[৪] মাধৱদেৱৰ অৰ্জুন-অঞ্জন নাটত যশোদাক এগৰাকী চিৰন্তন মাতৃৰ শাৰীত স্থান দিব পাৰি। যশোদাই দাসীসকলৰ দধি মথন কাৰ্যত অসন্তুষ্ট হৈ নিজেই দধি মথিব লৈছে। ভাগৱত পুৰাণত যশোদাৰ ৰূপ প্ৰতিফলিত হৈছে।[৫]

অৰ্জুন-ভঞ্জনতো যশোদাই এনে ৰূপেৰেই দধি মথিছে। কাষতে খেলি থকা শিশু কানাইক দেখি তেওঁৰ মাতৃ হৃদয়ত আৱেগত ভৰি পৰিছে—

"হে বাপু কৃষ্ণ, তুহো হামাৰি কোটি পুৰুষক পৰম দেৱতা, মাথাক মুকুট, শিৰৰ ভূষণ, গলাৰ সাতসৰী, কৰ্ণৰ কুণ্ডল, কৰৰ কংকন। আহে বাপু, তোহাৰি অৰুণ অধৰক বালাই লএঞা।"[৫] খেলি থকা কৃষ্ণই মাকক তন পান কৰিবলৈ আমনি কৰাত— "ওহি চণ্ড বালক পয়োধৰ নাপায়া অৱ ছোড়ব নাহি। ইহাক তন পান কৰায়ে পঠাএঞা।"[৬] বুলি যশোদাই পুত্ৰক মাতৃৰ মমতাৰে বুৰাই পেলাইছে।

*চোৰধৰা* নাটটো যশোদাৰ স্নেহময়ী ৰূপৰ অপূৰ্ব চিত্ৰ চিত্ৰিত হৈছে। গোপীৰ ঘৰত লৱনু চুৰ কৰি ধৰা পৰাত কৃষ্ণই নানা চাতুৰিৰে গোপীকে চলনা কৰে। পিছত গোপীসকলৰ পৰা অধিক লৱণু খাই কৃষ্ণই 'নানাবিধ কৌতুক নৃত্য কৰিয়ে' তেওঁলোকক আনন্দ

প্ৰদান কৰিলে। ইফালে পুৱাতে ওলাই গৈ সন্ধিয়ালৈ ঘৰলৈ ঘূৰি নহা কৃষ্ণক বিচাৰি যশোদা বিয়াকুল হৈ পৰিছে। যমুনাৰ পাৰে পাৰে পথিকসকলক কৃষ্ণৰ বাৰ্তা সুধি যশোদা বাউলী হৈছে—

"যমুনাৰ তীৰে তীৰে ফুৰে নন্দজায়া।
ভৈল তীৰে সতী পুত্ৰক নপায়া।।"[৭]

পথিকসকলক যশোদাই 'আহে পথিকজন, তোহোসৰ যদি হামাৰ বালক পেখল তব হামাক সত্বৰে কহু" বুলি প্ৰশ্ন সুধিছে। পথিকক তেওঁ কৃষ্ণৰ ৰূপৰ বৰ্ণনাও দিছে— "হামাৰি বালক ঐচন ৰূপ, ভণ্টা-খেড়ি খেলাইতে শ্ৰম জলে বদন পংকজ শোভা কৰইছে। কুবলয় দল জিনিয়ে শ্যাম শৰীৰ প্ৰকাশ কৰইছে।"[৮] কিন্তু তেনে কোনো বালকক পথিকে নেদেখা শুনি যশোদা শোকত কান্দি-কাটি মূৰ্ছিত হৈ মাটিত বাগৰি পৰিছে। "নীল পদুম পাহিৰ দৰে সুন্দৰ যাৰ শৰীৰত মুকুতাৰ দৰে ঘামৰ টোপাল শোভা পাইছে।" তেনে ৰূপৰ মাণিক পুতুলী কৃষ্ণক বিচাৰি যশোদা বাউলী হৈছে। যশোদাৰ তেনে অৱস্থাত গোৱালী এজনীয়ে কন্দাৰ কাৰণ সোধাত নিজকে অভাগিনী বুলি যশোদাই ধিক্কাৰো দিছে— "হে মাই গোৱাৰী, হামু অভাগিনীত কি পুছহ? হামু অনেক পুণ্য কৰিয়ে দেৱতাক বৰে কৃষ্ণক পুত্ৰ পাৱলো, সে প্ৰাণ পুত্ৰ কৃষ্ণ খেড়ি খেড়াইতে বিহানে বজাৱল, বিয়াল ভৈ গৈল, এখনো নাৱল। সে প্ৰাণ পুত্ৰক বিচাৰি হামাৰ প্ৰাণ কৈছে ৰহব?"[৯] ইয়াতে উল্লেখ কৰিব পাৰি যে সাধাৰণতে গাঁৱৰ পৰিৱেশত পুতেকক বিচাৰি নাপালে মাতৃসকলে প্ৰথমতে ওচৰতে থকা নৈ পুখুৰীত অনুসন্ধান কৰে, কিজানিবা কিবা অঘটন ঘটিছে। যমুনাৰ পাৰে পাৰে কৃষ্ণৰ অন্বেষণত ঘূৰি ফুৰা যশোদাৰ মাজেৰে মাতৃ মনস্তত্ব মাধৱদেৱে অতি চিত্তাকৰ্ষক ৰূপত ফুটাই তুলিছে। শেষত যেনিবা তেওঁ কৃষ্ণৰ সম্ভেদ পাইছে আৰু পুত্ৰক পাই— "কৃষ্ণক কোলে কয়ে গলে বান্ধি বদন চুম্বন কয়ে পৰম আনন্দ পাৱল।" কৃষ্ণয়ো মাকৰ লেৰেলো সাদৰ পাই মাকক— "গোপীক সব বৃতান্ত কহল।"

কৃষ্ণৰ গোচৰত গোৱাৰীসকলক পাৰ্যমানে ককৰ্থনা কৰিছে— "আহে চাণ্ডী গোৱাৰী সৱ। দাসীক দাসী তোহো সবে হামাৰ ওহি বালক শ্ৰীকৃষ্ণক চোৰ বুলিয়ে কলংক কৰছি। ছিঃ তোৰাসৱক মুখে ছাৰ পড়োক।"[১০] এগৰাকী সাধাৰণ গাঁৱলীয়া তিৰোতাৰ দৰে সন্তানৰ অপযশত যশোদাও মুখৰা হৈ গোৱালীসকলক '*ঠেংগনা দিয়ে*' খেদি পঠাইছে। আকৌ, পুত্ৰৰ গাৰ ধুলা জোকাৰি, দুগাল চুমাৰে ওপচাই, ঘৰলৈ আনি শীতল পানীৰে গা ধুৱাই, খুৱাই-বুৱাই অলংকাৰ-বস্ত্ৰ পিন্ধাই চেনেহৰ পুত্ৰক এগৰাকী সৰল অভিভাৱকৰ সুৰেৰে বুজাইছে— "হে বাপু কৃষ্ণ, ওহি বান্দীসৱক থানে আৰব নাহি আৱৰি।"[১১] কৃষ্ণৰ চন্দ্ৰৰ দৰে সুকোমল মুখখনিলৈ চাই যশোদাই যেন পৰম শান্তি লাভ কৰিছে। মাতৃস্নেহৰ প্ৰবল সোঁতত সন্তানৰ প্ৰতি লোকৰ অপযশ ক'ৰবালৈ উটি-ভাঁহি গ'ল।[১২]

মাধৱদেৱৰ *পিম্পৰা গুচোৱা* ঝুমুৰাখনিৰো যশোদা মাতৃস্নেহৰ সাৰ্থক প্ৰতিমূৰ্তি। এইখনি ঝুমুৰাতো কৃষ্ণৰ উদ্ভণ্ডালিৰ কথা গোপীনীসকলেক যশোদাক গোচৰ দিয়াত যশোদা অতীষ্ঠ হৈ পৰিছে। নিজ পুত্ৰ যিমানেই দুষ্ট নহওক তেওঁৰ বিৰুদ্ধে গোচৰ শুনিলে মাতৃহৃদয় শংকিত হৈ পৰে। মাক হ'লেওনো পুত্ৰৰ অপযশ কিমান সহিব? যশোদাই কৃষ্ণক সতৰ্ক কৰি দিছে— "তুহু গোৱালক পাড়া কতিহু যাৱব নাহি। তোহাৰি অপযশ হামু কত সহব?"[১৩] যশোদাই আকৌ কৈছে যে কৃষ্ণই যদি আৰু কেতিয়াবা গোৱালৰ পাৰালৈ যায় তেতিয়া গাঁত সাঁচ বহি যোৱাকৈ মৰিয়াব—

"আৰ যদি যাৱ তুমি গোৱালীৰ বাড়ি।
তেমতো মাৰিবো যেন গাৱে থাকে খাড়ি।।"[১৪]

কঠোৰ পুত্ৰ শাসিকা যশোদা নিজৰ মান-মৰ্যাদাৰ প্ৰতিও সচেতন। কাৰণ তেওঁ গকুলৰ ৰজা নন্দৰ ৰাজৰাণী। শিশু কৃষ্ণক তেনে মান-মৰ্যাদাৰ কথা সোঁৱৰাই দিছে তেওঁ এনেদৰে— "তোহাৰ বাপ নন্দসৰ গোকুলক ৰাজা, হামু তাহেৰ পতনী। হামাৰ উদৰে জনম তুহু ঐচন দুৰ্জন ভেলি? হামাক গৃহে দধি নাহি, দুধ নাহি, লৱনু নাহি, সন্দেহ নাহি, কোন বস্তু নাহি তোমাক হামু খাইতে নাহি দেসি?"[১৫] যশোদাৰ কটু বাক্যত কানায়ে দুখে-বেজাৰে কংসৰ নগৰী মধুপুৰলৈ যোৱাটোকে ঠিক কৰিলে। এই ভয়াবহ সকীয়নিয়ে আজলী যশোদাক কাতৰ কৰিলে। কৃষ্ণৰ বদন চুম্বন কৰি পুনৰ তেওঁ স্বৰ্গীয় আনন্দত মগ্ন হ'ল।[১৫] যশোদাৰ চৰিত্ৰত স্নেহ, মমতা, মান-মৰ্যাদা তথা দাম্ভিকতা এনেদৰেই প্ৰস্ফুটিত হৈছে।

*ভূমি লেটোৱা* ঝুমুৰাখনিৰ যশোদা এগৰাকী আজলী

নাৰী। কৃষ্ণই ভাণ্ডৰ সকলো লৰণু খাই শেষ কৰি মাক অহা দেখি কোনোবাই লৰণু শেষ কৰা বুলি আৰু বাঁহীটোও চোৰে নিয়া বুলি মাটিত বাগৰি কান্দিবলৈ ধৰে। মাকেও পুত্ৰৰ অৱস্থাত আকুল হৈ পৰিল। গতিকে কৃষ্ণৰ আমনিত হৰিৰ পূজাৰ বাবে থোৱা লৰণুখিনি খাবলৈ তেওঁক শান্ত কৰাইছে। পুতেকৰ চতুৰালিত যশোদাই সকলো দোষ নিজেই গাত পাতি লৈছে— “তোহাৰি বানৰে সকল লৱনু খাৱল. তুহু হামাত ৰোষ কৰিয়ে মাটি লোটি কৈচন ক্ৰন্দন কৰস?”[১৭] যশোদাৰ পুত্ৰ স্নেহৰ এয়া জ্বলন্ত উদাহৰণ। সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে— “যশোদাই পুতেকৰ চতুৰালি বুজিব নোৱাৰি পোহনীয়া বান্দৰে তেওঁলোকৰ অনুপস্থিতিত লৱনু খাই শেষ কৰা বুলি কোৱা কথাতে বিশ্বাস কৰিছে আৰু পুতেকক সান্ত্বনা দান আৰু পুতৌ কৰিবলৈ গৈ নিজেই দৰ্শকৰ পুতৌৰ পাত্ৰী হৈছে।”[১৮]

*ভূষণ হৰণ* ঝুমুৰাখনিৰো যশোদা মাতৃ- স্নেহৰ মমতাৰে পূৰ্ণ সাদৰী নাৰী। যশোদাৰ মাৰৰ ভয়ত কদম গছৰ তলত শুই থকা কৃষ্ণৰ গাৰ অলংকাৰ চোৰে নিয়াৰ আশংকাত ৰাধাই খুলি লুকুৱাই থয় আৰু পিছত যশোদাক অৰ্পণ কৰে। কিন্তু কৃষ্ণৰ চতুৰালিত ওলোটাই ৰাধাই হে চুৰুণী আখ্যা পায়। পুত্ৰ স্নেহত অন্ধ যশোদাই কৃষ্ণৰ কথাত পতিয়ন গৈ ৰাধাক হে ‘দাসীৰ দাসী ঢাণ্ডি গোৱালী, হামাৰ প্ৰাণপুত্ৰ শ্ৰীকৃষ্ণক ঐচন কলংক দেৱত? ... তোহাৰি ঘৰেৰ কোন হানি কয়ল, তন্নিমিত্তে কৃষ্ণ অপযশ বোলত?”[১৯] বুলি গালি পাৰি খেদি পঠায়। কৃষ্ণৰ স্নেহত যশোদাই গাৰ ধূলা ঝাৰি কৃষ্ণক আঁকোৱালি লৈ পৰম আনন্দ লভে।

পুত্ৰৰ প্ৰতি থকা অপত্য স্নেহে যশোদাক এগৰাকী কঠোৰ পুত্ৰ শাসিকা ৰূপেও নাটত প্ৰতিফলিত কৰিছে। *অৰ্জুন ভঞ্জন*ত মথনিদণ্ড ভাঙি, লৰণু পাত্ৰ ভাঙি, নিজে খাই বান্দৰকো খুৱাই যেতিয়া লৰণু সিঁচৰতি কৰি পেলাইছে তেতিয়া যশোদাই খণ্ডত হাতত এচাৰি লৈ কৃষ্ণক মাৰিবলৈ উদ্যত হৈছে। কিন্তু স্থূলাংগী যশোদাই দুষ্ট পুত্ৰৰ পিছে পিছে বৰ বেগেৰে দৌৰাৰ পৰিৱৰ্তে মন্থৰ গতিৰে দৌৰিব পাৰিছিল। তেওঁৰ গতিৰ লগে লগে বান্ধি থোৱা চুলিকোঁচা আউলি বাউলি হৈ পৰিছিল। খোপাৰ ফুল সৰি পৰিছিল আৰু এনেদৰে কষ্ট কৰি যশোদাই কৃষ্ণক গৈ ধৰিব পাৰিছিল। ভাগৱত পুৰাণত যশোদাৰ এনে ৰূপ অতি সুন্দৰভাৱে বৰ্ণনা কৰা হৈছে।[২০]

মাকৰ অৱস্থা দেখি কৃষ্ণই ধৰা দিয়াত যশোদাৰ পুত্ৰস্নেহ জাগি উঠিছে, তেওঁ হাতৰ এচাৰি ডাল পেলাই দি পুত্ৰক ৰচীৰে বন্ধাৰ কথা ভাবিছে। অৱশেষত বান্ধিছেও। কাৰণ সাধাৰণ আজলী মাতৃ যশোদাৰ নিজ পুত্ৰৰ প্ৰতি ঈশ্বৰত্বৰ জ্ঞান অকণো নাছিল।[২১] কিন্তু ৰোহিনীকে আদি কৰি গোপীনীসকলে কৃষ্ণক ৰচীৰে উৰুলত বন্ধা কাৰ্যত বাধা দিয়াত যশোদাৰ খং দুগুণেহে চৰিছে। নিজৰ সন্তানক শাসন কৰাটো মাতৃৰ একচেতিয়া অধিকাৰ। যশোদায়ো তেনেদৰেই ভাবিছে।[২২] সেয়ে গোপীনীসকলক তেওঁ সাৱধান বাণীও শুনাইছে।—

“আহে গোৱালীসৱ, ওহি কৃষ্ণক বন্ধন কতিহো ছোড়বি নাহি। যোহি বন্ধন ছোড়ে ইহাক গতি তাহেক কৰব।”[২৩]

নন্দৰাণী যশোদা এগৰাকী সুযোগ্যা গৃহিনীও। ৰাজৰাণী হ’লেও ঘৰুৱা কাম-কাজ চম্ভালি ল’ব পৰা এগৰাকী দায়িত্বশীলা সচেতন নাৰী। অৰ্জুন ভঞ্জন নাটত নিজৰ ঘৰতে কাম কৰা দাসীসকলৰ দথি মথনত সন্তুষ্ট নহৈ তেওঁ নিজেই দধি মথিবলৈ লৈছে বেছি লৰণু পোৱাৰ আশাত—

“একদা গৃহদাসীষু যশোদা নন্দগেহিনী।
কৰ্মান্তৰ নিযুক্তাসু নিৰ্মমন্থ স্বয়ং দধি।।”
— ভাগৱত পুৰাণ, ১০/৯/১

যশোদাৰ কামৰ মাজেৰে মাধৱদেৱে দেখুৱাব খুজিছে ভক্তসকলে জীৱন আৰু জীৱিকা-নিৰ্বাহৰ বাবে মন-প্ৰাণ সমৰ্পণ কৰি কাম কৰে। তেনে এজনী সাধিকা গাঁৱলীয়া মুখৰা তিৰোতাৰ দৰেও প্ৰতিপন্ন হৈ উঠিছে। সেয়ে ভাগৱত পুৰাণৰ সুশীলা যশোদা নাটত এগৰাকী মানৱীয় গুণসম্পন্না আমাৰ সমাজৰ চিৰ পৰিচিত নাৰী। অৰ্জুন ভঞ্জনত চেনেহৰ পুত্ৰক উৰুলৰ সৈতে বন্ধা কাৰ্যত নন্দ ৰজাৰ লগত যি কলহৰ চিত্ৰ দাঙি ধৰা হৈছে তাত যশোদাই এগৰাকী কলহপ্ৰিয়া, স্বাভিমানী নাৰী হিচাপে দেখা দিছে।

মূল ভাগৱতত নন্দই তেওঁৰ প্ৰিয়পুত্ৰই উৰলৰ সৈতে অৰ্জুন গছজোপাত লাগি ধৰি টানিব খোজা দেখি হাঁহি হাঁহি তেওঁৰ (কৃষ্ণৰ) বান্ধ খুলি দি কোলাত তুলি

লৈছে।[২৪]

কিন্তু নাটত নন্দই কৃষ্ণক তেনেদৰে বন্ধা দেখি যশোদাক 'ৰাক্ষসতো ধিক' বুলি গালি শপনি পাৰিছে। কিন্তু তাৰ প্ৰত্যুত্তৰত নন্দৰাণীয়ে যিখিনি কথা কৈছে সিয়ে চৰিত্ৰটিক প্ৰগল্‌ভা নাৰীৰ ৰূপত চিত্ৰিত কৰিছে। ৰাজৰাণীৰ মৰ্যাদাত কৈ ঘৰৰ গৃহিনী আৰু পুত্ৰৰ শাসকৰূপে সকলো অধিকাৰ যশোদাৰ। নন্দ আৰু যশোদাৰ মাজত হোৱা গৃহকন্দলৰ কটাকটিত যি ধৰণৰ ভাষা আৰু প্ৰকাশভঙ্গী ব্যৱহাৰ কৰা হৈছে সেয়া শুনিলে বা পঢ়িলে এনে লাগে যেন কেইবা শতিকাৰ পূৰ্বেই মাধৱদেৱে বাস্তৱধৰ্মী, সামাজিক নাটকৰ বিষয়ে ভৱিষ্যৎবাণী কৰিছিল।[২৫] নন্দৰাজক তেওঁ স্পষ্টভাৱে কৈছে—

"তুহু গৃহেৰ কোন অধিকাৰ. ইহাৰ ভাল মন্দ কি জানহ। হামু গৃহেৰ গৃহিনী, সব অধিকাৰ হামাৰ।

এনে উক্তিৰ দ্বাৰা ভাগৱতৰ মধুৰ ভাষিনী, সুশীলা যশোদাৰ দৰে তেওঁ নাটখনিত আধ্যাত্মিক চৰিত্ৰ হৈ থকা নাই। যশোদা এগৰাকী মুখৰা, কলহপ্ৰিয়া, বহুবল্কিতা, দোষযুক্ত, কঠোৰ পুত্ৰ শাসিকা আনহাতে পুত্ৰৰ মৰমত বিগলিত হৈ পৰা এগৰাকী স্নেহশীলা মাতৃ।[২৬]

আনহাতে যশোদা আছিল কৃষ্ণৰ একান্ত অনুৰক্তা। কৃষ্ণ ভক্তা। কৃষ্ণৰ প্ৰতি তেওঁৰ অনুৰাগ এজন সাধকৰ ভক্তিৰ দৰে গভীৰ।[২৭] সেয়ে স্বয়ং ভগৱানে গৰখীয়া ৰূপে যশোদাৰ ঘৰত জন্ম লৈছিল আৰু তেনে জগতৰ ঈশ্বৰ কৃষ্ণক যশোদাই সাধাৰণ শিশুৰ দৰেই জ্ঞান কৰিছিল।

চিৰ কৌমাৰ্যব্ৰতী মাধৱদেৱ আছিল নাৰী চৰিত্ৰৰ প্ৰতি সচেতন। যশোদা চৰিত্ৰৰ অপূৰ্ব চিত্ৰনে মাধৱদেৱৰ নাৰী সম্পৰ্কীয় সুগভীৰ মননশীলতা স্পষ্ট ৰূপত দাঙি ধৰিছে। শিশু কৃষ্ণ আৰু মাতৃ যশোদাৰ মাজেৰে ভগৱান আৰু ভক্তৰ সমন্বয় সাধন কৰি মাধৱদেৱে বৈষ্ণৱ ধৰ্মৰ স্বৰূপ প্ৰকাশ কৰিছে। আধুনিক নাট্যকাৰসকলৰ দৰে নাৰীৰ স্বাধীনতাৰ প্ৰতি সচেতন মাধৱদেৱে তেওঁৰ নাট-ঝুমুৰাসমূহত যশোদাক এগৰাকী গৰ্বিতা ৰাজৰাণী, সুগৃহিনী, গোৱালীসকলকৰ চেনেহৰ সখা, গাঁৱলীয়া এগৰাকী মুখৰা তিৰোতা, কঠোৰ পুত্ৰ শাসিকা, কৃষ্ণ অনুৰক্তা কিন্তু তাতোকৈয়ে অধিক পুত্ৰ স্নেহশীলা— চিৰন্তন মাতৃৰ ৰূপত প্ৰতিষ্ঠা কৰিছে। অসমীয়া নাৰী এগৰাকীৰ চিন্তা-চেতনা, গুণা-গুণ, আদৰ্শ যশোদাৰ চৰিত্ৰত বিদ্যমান।[২৮] মাধৱদেৱৰ নাট-ঝুমুৰাত সেয়ে যশোদা এটি সফল চৰিত্ৰ হিচাপে পৰিগণিত হৈছে।■■

**পাদটীকা ঃ**

১. হৰিপ্ৰসাদ হাজৰিকা (সম্পা.) শ্ৰীমদ্ভাগৱত, পৃ. ৮২৯
২. সত্যেন্দ্ৰ নাথ শৰ্মা ঃ অসমীয়া নাট্য সাহিত্য, পৃ. ৮৩
৩. বাণীকান্ত কাকতি ঃ পুৰণি অসমীয়া সাহিত্য, পৃ. ৬৫
৪. বিৰিঞ্চি কুমাৰ বৰুৱা (সম্পা.) অঙ্কীয়া নাট (অৰ্জুন-ভঞ্জন) পৃ. ১৯৬
৫. উক্ত গ্ৰন্থ, পৃ. ১৯৭
৬. উক্ত গ্ৰন্থ, (চোৰধৰা) পৃ. ২২৯
৭. বিৰিঞ্চি কুমাৰ বৰুৱা (সম্পা.)
৮. উক্ত গ্ৰন্থ (চোৰধৰা), পৃ. ২২৯
৯. উক্ত গ্ৰন্থ (চোৰধৰা), পৃ. ২৩১
১০. উক্ত গ্ৰন্থ (চোৰধৰা), পৃ. ২৩১
১১. বাণীকান্ত কাকতি ঃ পুৰণি অসমীয়া সাহিত্য, পৃ. ৬৬
১২. বিৰিঞ্চি কুমাৰ বৰুৱা (সম্পা.) অঙ্কীয়া নাট (পিম্পৰা গুচোৱা) পৃ. ২১৫
১৩. উক্ত গ্ৰন্থ, পৃ. ২১৬.
১৪. উক্ত গ্ৰন্থ (পিম্পৰা গুচোৱা) পৃ. ২১৬
১৫. কৰবী ডেকা হাজৰিকা ঃ মাধৱদেৱ ঃ সাহিত্য কলা আৰু দৰ্শন, পৃ. ৮৭
১৬. বিৰিঞ্চি কুমাৰ বৰুৱা (সম্পা.) অঙ্কীয়া নাট (ভূমি লেটোৱা) পৃ. ১৯১
১৭. সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া নাট্য সাহিত্য, পৃ. ৭৯
১৮. প্ৰা. উক্ত গ্ৰন্থ (ভূষণ হেৰোৱা), পৃ. ২৪৫
১৯. সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া নাট্য সাহিত্য, পৃ. ২০৪
২০. বিৰিঞ্চি কুমাৰ বৰুৱা (সম্পা.) অঙ্কীয়া নাট (অৰ্জুন-ভঞ্জন)
২১. অজিৎ শইকীয়া (সম্পা.) ছুশ বছৰৰ অসমীয়া নাটক, পৃ. ২০৪
২২. উক্ত গ্ৰন্থ (অৰ্জুন-ভঞ্জন), পৃ. ২১১ (পৰম্পৰা আৰু পৰিৱৰ্তন), পৃ. ৪২
২৩. ৰামচন্দ্ৰ ডেকা ঃ মাধৱদেৱ ঃ জীৱন আৰু কৃতি, পৃ. ১২৪
২৪. কৰবী ডেকা হাজৰিকা ঃ মাধৱদেৱ ঃ সাহিত্য কলা আৰু দৰ্শন, পৃ. ৮২
২৫. বসন্ত কুমাৰ ভট্টাচাৰ্য ঃ মধ্যযুগৰ সাহিত্য, পৃ. ৬৩

লেখিকা আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা

# গীতগোৰিন্দৰ ৰাধা

**নীলাক্ষী দেৱী**

জয়দেৱৰ বিৰচিত 'গীতগোৰিন্দ' নামৰ শৃঙ্গাৰ ৰসাত্মক গীতিকাব্যৰ নায়িকা হৈছে ৰাধা। ৰাধাশ্ৰয়ী ভাৰতীয় সাহিত্য সমূহৰ ভিতৰত 'গীতগোৰিন্দ' আৰু ব্ৰহ্মবৈৱৰ্ত্তপুৰাণৰ স্থান সৰ্বোচ্চ। এই দুই মহৎ গ্ৰন্থত ৰাধা আৰু কৃষ্ণৰ প্ৰেমলীলা অকুণ্ঠভাৱে প্ৰকাশ কৰা হৈছে। শ্ৰীকৃষ্ণৰ ঐশ্বৰিক চৰিত আৰু পুৰুষত্বক কেন্দ্ৰ কৰি প্ৰাচীন ভাৰতীয় সাহিত্যত অসংখ্য গ্ৰন্থ লিখা হৈছিল, কিন্তু সেই সকলোবোৰ লিখকে শ্ৰীকৃষ্ণ দয়িতা ৰাধা বিনোদিনীৰ প্ৰতি সমানে শ্ৰদ্ধা দেখুৱা নাই। সৰহ সংখ্যক বৈষ্ণৱ গ্ৰন্থতে ৰাধাৰ চৰিত্ৰক কোনো সমাদৰ কৰা নাই। আনকি শ্ৰীকৃষ্ণৰ চৰিত্ৰৰ অনুপম বিচিত্ৰ বৰ্ণনাবহুল পুৰাণসূৰ্য ভাগৱততো ৰাধাৰ চৰিত্ৰ আৰু ব্যক্তিত্বৰ কোনো আভাস নাই। ভাৰতীয় বৈষ্ণৱ সাহিত্য ঘাইকৈ ভক্তিধৰ্মৰ ওপৰত প্ৰতিষ্ঠা হোৱা ৰচনাসমূহত ৰাধাৰ স্থান নাই। ভক্তিৰসক প্ৰধান ভাৱে লোৱা বৈষ্ণৱ সাহিত্যত শৃঙ্গাৰ ৰসাত্মক ৰাধা-কৃষ্ণৰ ছবি আঁকিবলৈ বিচৰা নাছিল। যিসকল লেখকে ৰাধাৰ চৰিত্ৰ অঙ্কন কৰিছিল, তেওঁলোকে ৰাধাৰ অনঙ্গৰঙ্গিনী ব্যক্তিত্বৰ ছবি অঙ্কন নকৰি কৃষ্ণভক্তিৰ সুশীতলা কৃষ্ণচৰণাশ্ৰিতা ৰাধাৰ ছবিহে আঁকিছিল।

কবি জয়দেৱ কিন্তু ব্যতিক্ৰম। তেওঁ 'গীতগোৰিন্দ' কাব্যত ৰাধাৰ প্ৰণয়েশ্বৰী সুলভ ব্যক্তিত্ব আৰু সৌকুমাৰ্য ফুটাই তুলিছে। তেওঁৰ ৰাধা অনন্যা। অপৰিসীম ৰূপ-লাৱণ্যৰ অধিকাৰিণী। মুগ্ধ, প্ৰগল্ভা আৰু অভিমানী। শৃঙ্গাৰ ৰসৰ সুমধুৰ প্ৰকাশ হৈছে এই কাব্যত। পূৰ্বৰাগজনিত বিপ্ৰলম্ভ, মান, অনুশোচনা, গুণ, সংস্মৰণ, সম্ভোগ আদি শৃঙ্গাৰ ৰসৰ বিভিন্ন উপাদান সমূহ ইয়াত মনোৰমভাৱে চিত্ৰিত হৈছে। শ্ৰীকৃষ্ণ-ৰাধাৰ প্ৰেমচৰ্চাৰ উপযোগীকৈ এক নৈসৰ্গিক পৰিৱেশো কাব্যখনৰ মাজত তৈয়াৰ কৰি লোৱা হৈছে।

জয়দেৱে তেওঁৰ কাব্য 'গীতবোৰিন্দ'ত বিৰহকাতৰা অভিমানী ৰাধাৰ ৰূপটো ফুটাই তুলিছে।

বসন্তকালৰ কোনো এদিন সুকুমাৰ তনুৰ অধিকাৰিণী ৰাধাই প্ৰণয় বিহ্বল হৈ বৃন্দাবনৰ পথে পথে কৃষ্ণক বিচাৰি ফুৰোঁতে তেওঁৰ সহচৰী এগৰাকীয়ে খবৰ দিলে যে— তেওঁৰ প্ৰাণৰো প্ৰাণ শ্ৰীকৃষ্ণই অন্য তৰুণীৰ লগত বিহাৰ কৰি আছে। সহচৰীয়ে ৰাধাক নি শ্ৰীকৃষ্ণৰ সেই গোপন প্ৰেমলীলা দেখুৱাইও দিলেগৈ। ৰাধাই দেখা পালে পীন পয়োধৰৰ ভৰত মন্থৰ গতিৰ এক গোপবধূৱে আৱেগবিহ্বল হৈ বনমালীক আকোঁৱালি লৈ পঞ্চম সুৰত গীত গাইছে। আন এগৰাকীয়ে আকৌ শ্ৰীকৃষ্ণৰ মুখকমল চকু নপচৰাকৈ চাই ৰ-লাগিছে আৰু তেওঁৰ চকুৰ সপ্ৰেম দৃষ্টিত গোপবধুৰ অন্তৰৰ শতদল পাহি মেল খাইছে।[১]

বিৰহ বিধুৰা ৰাধাৰ এই দৃশ্য সহ্য নহ'ল। তেওঁৰ প্ৰাণৰ দয়িত আজি অন্য ৰমণীৰ ক্ৰীড়াসহচৰ। সখীক তেওঁ নিৱেদন কৰিলে যাতে তেওঁৰ বিৰহবিধুৰ অৱস্থাৰ কথা শ্ৰীকৃষ্ণক জনায়। আনহাতে সুদীৰ্ঘকাল গোপবধুসকলৰ সঙ্গত থাকি শ্ৰীকৃষ্ণৰো ৰাধালৈ মনত পৰিল। তেওঁৰ মনতো ব্যাকুলতা জন্মিল। ৰাধাৰ অন্বেষণত তেওঁ ৰত হ'ল। কিন্তু অনেক বিচাৰি বিচাৰিও ৰাধাক নাপাই তেওঁ যমুনাৰ তীৰত বিষাদ-মলিন অন্তৰেৰে বহি পৰিল। এনে সময়তে সখী এগৰাকী আহি ৰাধাৰ খবৰ দিলেহি। ৰাধাৰ বিৰহ কাতৰ অৱস্থা শুনি তেওঁ মনত দুখ পালে আৰু সখীক অনুৰোধ কৰিলে যে ৰাধাক তেওঁৰ কাষলৈ লৈ যোৱা হয়। সখী উভটি আহি ৰাধাক জনালে যে কৃষ্ণ তেওঁৰ অপেক্ষাত যমুনাৰ তীৰত বিৰহত অপেক্ষা কৰি আছে।[২] সখীৰ মুখে শ্ৰীকৃষ্ণৰ বিৰহ অৱস্থাৰ কথা শুনিও ৰাধাৰ মন নুকুমলিল। অভিমানত অন্তৰ কান্দি উঠিলেও তেওঁ নগ'ল। সখীসকলে উপায়হীন হৈ শ্ৰীকৃষ্ণৰ ওচৰলৈ ঘূৰি গৈ কৃষ্ণক জনালে যে সেই মৃগাক্ষী আহিব নোৱাৰিলে, গতিকে শ্ৰীকৃষ্ণই ৰাধাৰ কাষলৈ আগবাঢ়ি যোৱা বিধেয়। অন্তৰত অভিমান পুহি থাকিলেও ৰাধাই আশা কৰিছিল তেওঁৰ নয়নমণি শ্ৰীকৃষ্ণ

তেওঁৰ ওচৰলৈ দৌৰি যাব। ৰাতি গভীৰ হৈ আহিল। মুৰৰ ওপৰত শাৰদীয় কিৰণমালা। ৰাধাৰ ভাৰ, শ্ৰীকৃষ্ণ এই আহে। কিন্তু নাহিল। ৰাধাৰ দৃঢ় ধাৰণা হ'ল সেই বহুবল্লভে অন্য নাৰীৰ লগত ৰাত্ৰি যাপন কৰিছে। ৰাধাৰ মনোবেদনা দুগুণে বাঢ়িল। হঠাৎ পুৱতি নিশা শ্ৰীকৃষ্ণ আহি ওলাল। মুখত অনুনয়, ক্ষমা প্ৰাৰ্থনা, দেহত অন্য নাৰীৰ লগত সম্ভোগ লিপ্ত হৈ অহাৰ চিন। ৰাধাই অভিমানভৰা অন্তৰেৰে কৃষ্ণক মৃদু ভৰ্ৎসনা কৰিলে আৰু চকুৰ আগৰ পৰা আঁতৰি যাবলৈ ক'লে। লাজ পাই শ্ৰীকৃষ্ণ আঁতৰিল সঁচা, কিন্তু ৰাধাৰ সন্তাপ দুগুণে বাঢ়িল। সখীসকল নিৰুপায় হ'ল—আগত পাই যাক ভৰ্ৎসনা কৰে, চকুৰ আঁতৰ হ'লে তেওঁৰ কাৰণেই ব্যাকুল। তেওঁলোক গৈ পুনৰ শ্ৰীকৃষ্ণৰ কাষ পালেগৈ আৰু ৰাধাৰ অনুতাপৰ কথা কৈ পুনৰ মাতিলে।

ৰাধাৰ মুখলৈ চাই শ্ৰীকৃষ্ণৰ মনতো ভাবান্তৰ হ'ল আৰু সানুনয়ে নিবেদন কৰিলে।[৩] নিজৰ দোষ স্বীকাৰ কৰি সেই দোষৰ বাবে ৰাধাৰ পৰা শাস্তিও বিচাৰিছে। তেওঁ ৰাধাৰ ওচৰত সম্পূৰ্ণ আত্মনিবেদন কৰিলে। ৰাধাৰ মান সম্পূৰ্ণ নিৰসন হ'ল। তেওঁৰ মুখত হাঁহি বিৰিঙিল। তেওঁলোকৰ এই আন্তৰিক বুজাপৰাৰ আভাস পাই সখীসকলে তেওঁলোকৰ মিলনৰ ব্যৱস্থা কৰি দিলে। কুঞ্জবনৰ প্ৰমোদ কাননত ৰাধা আৰু শ্ৰীকৃষ্ণৰ মিলন হ'ল।

গীতগোৱিন্দক ধৰ্মীয় কাব্য বুলি কোৱা টান। দৰাচলতে ই এখন প্ৰণয় কাব্যহে। শৃঙ্গাৰ ৰসৰ নিপুণতা লাভ কৰিবলৈ হ'লে গীতগোৱিন্দ পঢ়া উচিব বুলি কবি জয়দেৱে নিজেই কৈ গৈছে। গতিকে শৃঙ্গাৰ ৰসৰ মানদণ্ডৰেহে গীতগোৱিন্দ বিচাৰ কৰা উচিত। শৃঙ্গাৰ ৰসেই হ'ল প্ৰকৃত জীৱন ৰস। কবিতাৰ কাৰণেও ই উৎকৃষ্ট উপাদান। কবি জয়দেৱে এই কথা ভালদৰে বুজিছিল, সেইবাবেই ৰাধাৰ চৰিত্ৰৰ মাজেদি অনুৰাগ, পূৰ্বৰাগ, অভিমান, বিৰহ, মিলন আদি নানা শৃঙ্গাৰাশ্ৰিত উপাদান ব্যক্ত হৈছে।

ৰাধা-কৃষ্ণৰ প্ৰেম পৰকীয়া প্ৰেম। নায়িকা হিচাবে ৰাধাও পৰকীয়া নায়িকা। বাস্তৱ জীৱনত তেওঁ আয়ন গোপৰ পত্নী। আয়ন পত্নী হ'লেও ৰাধাই কৃষ্ণৰ উদ্দেশ্যেই মন-প্ৰাণ, জীৱন-যৌৱন সকলোকে সমৰ্পণ কৰিছিল। কৃষ্ণৰ প্ৰতি থকা তেওঁৰ অসামান্য প্ৰেমৰ বাবে তেওঁ সমৰ্থা নায়িকাৰ মৰ্যাদা পাইছে। তেওঁ শৃঙ্গাৰ কলা-কুশলী আৰু অপৰূপ দেহ-সৌন্দৰ্যৰ অধিকাৰিণী। শ্ৰীকৃষ্ণই তেওঁৰ ৰূপ-লাৱণ্যৰ প্ৰশংসা কৰি কৈছে—"ৰাধাৰ সৃষ্টি মদালসা, বচন চন্দ্ৰৰ সমান, গতিভঙ্গী মনোহাৰী, উৰুৰ সৌন্দৰ্যৰে ৰম্ভাকো চেৰ পেলাব পৰা, ৰতিক্ৰিয়া-কলাপূৰ্ণ আৰু ভ্ৰুযুগলত চিত্ৰত অঁকাৰ দৰে ধুনীয়া, পৃথিৱীত থাকিও ৰাধাই যেন স্বৰ্গীয় যৌৱনৰ আভাসহে দিছে।"[৪]

তাত্ত্বিক দৃষ্টিত ৰাধা হ'ল পৰমব্ৰহ্মৰ হ্লাদিনী শক্তি। বিষ্ণুৰ পত্নী শ্ৰীলক্ষ্মী দেৱীয়েই আহি বৃষভানু গোপৰ জীয়াৰী ৰাধা হৈ জন্ম লয়হি আৰু সেইবাবেই তেওঁ কৃষ্ণৰ একান্ত অনুৰক্তা। তেওঁৰ কৃষ্ণপ্ৰেম আদৰ্শ আৰু সেয়েই সচ্চিদানন্দ ব্ৰহ্মৰ লগত তেওঁ প্ৰত্যক্ষ মিলন লাভ কৰিছে।■■

**পাদটীকা ঃ**

১। পীনপয়োধৰ ভাৰভাৰেণ হৰিং পৰিৰভ্য সৰাসম্।
গোপবধুৰণু গায়তি কাচিদুদঞ্চিতত পঞ্চমৰাগম্।।
কাপি বিলাসবিলোলবিলোচনখেলনজনিতমনোজম্।
ধায়তি মুগ্ধবধূৰাধিকাং মধুসূদনবদনসৰোজম্।।
—গীতগোৱিন্দম-১।৩।৪১,৪২

২। ৰতিসুখমাৰে গতমভিমসাৰে মদনমনোহৰবেশম্।
নকুৰুনিৰ্তাগ্ননিগমনবিলম্বন অনুসৰ তৎ হৃদয়েশম্।।
ধীৰসমীৰে যমুনাতীৰে বসতি বনমালী।
নামসমেতং কৃতসঙ্কেতং বাদয়তে মৃদু ৰেণুম্।।
—প্ৰাগুক্ত গ্ৰন্থ, ৫।১১।৮, ৯

৩। ত্বমসি মম ভূষণং ত্বমসি মম জীৱনম্
ত্বমসি মম ভৱজলধিৰত্নম্।
ভৱতু ভৱতীহ ময়ি সতত মনুৰোধিনী
তত্ৰ মম হৃদয়মতিযত্নম্।। —প্ৰাগুক্ত গ্ৰন্থ, ১০।১৯।৪

৪। দৃশোতব মদালসে বদনমিন্দুসন্দীপনম্।
গতিৰ্জনমনোমোহা বিজিত ৰম্ভমুৰুদ্বয়ম্।
ৰতিস্তৱ কলাৱতী ৰুচিৰচিত্ৰলেখেভ্ৰৱা।
বহো বিবুধ যৌৱনং বহসি তন্বি পৃথ্বীগতা।।
— প্ৰাগুক্ত গ্ৰন্থ, ১০।১৯।১৫।

**লেখিকা প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অতিথি অধ্যাপিকা**

# নিঃসঙ্গিনী মনস্বিনী নাৰী কুন্তী

ড° শিপ্ৰা পাইক

মহাভাৰতৰ নাৰী চৰিত্ৰৰ এক অন্যতমা চৰিত্ৰ কুন্তী। ব্যাসদেৱৰ মহাভাৰত যিদৰে বিশিষ্ট পুৰুষ শ্ৰীকৃষ্ণৰ আখ্যান সম্বলিত ঠিক তেনেদৰেই বহু বিশিষ্টা নাৰীৰ জীৱন সংগ্ৰামৰ কাহিনীও ইয়াত বিৰাজিত।

মহাভাৰতৰ সকলো নাৰী চৰিত্ৰ যদি আমি বিশ্লেষণ কৰোঁ তেতিয়া আমাৰ মনত কুন্তীৰ চৰিত্ৰটো এক নিঃসঙ্গ মনস্বিনী নাৰী হিচাপে প্ৰতিফলিত হয়।

কুন্তীৰ চৰিত্ৰটো হ'ল জটিল, বৰ্ণময় আৰু বৈচিত্ৰ্যপূৰ্ণ। কুন্তীৰ জন্ম হ'ল এক ৰজাৰ ঘৰত, কিন্তু জন্মৰ পিছতেই শৈশৱকালতেই পিতা শূৰসেন নিজ প্ৰতিজ্ঞা ৰক্ষাৰ বাবে নিকট-আত্মীয় ৰজা কুন্তীভোজৰ ওচৰত কুন্তীক দান কৰিলে। খিল হৰিবংশ কথনত[১] এই কাহিনীৰ উল্লেখ আছে এনেদৰে—

শূৰসেন আছিল যাদৱবংশৰ এজন শ্ৰেষ্ঠ নৃপতি আৰু শ্ৰীকৃষ্ণৰ ককাদেউতা, তেখেতৰ সৰ্বগুণসম্পন্না ৰূপৱতী 'পৃথা' নামৰ এজনী ছোৱালী আছিল। কিন্তু শূৰসেন তেখেতৰ বন্ধু তথা নিকট আত্মীয় কুন্তীভোজৰ কোনো সন্তানাদি নথকাৰ বাবে কুন্তীভোজক নিজৰ অগ্ৰজা কন্যাক দান কৰিব বুলি প্ৰতিজ্ঞা কৰিছিল। কোনো হৈছে— "অদাত্তু কুন্তিভোজায় সখা সখ্যে মহাত্মনে।" আকৌ উল্লেখ আছে— 'অগ্ৰজাতেতি তাং কন্যাং শূৰোঽনুগ্ৰহ কাঙক্ষয়া। অদদৎ কুন্তিভোজায়....।" প্ৰতিজ্ঞা অনুসৰি ৰজা কুন্তীভোজেও 'পৃথা'ক দত্তকৰূপে গ্ৰহণ কৰে আৰু ৰজা কুন্তীভোজৰ ওচৰত পালিত হোৱা বাবে পালক দেউতাকৰ নাম অনুসৰি 'পৃথা' তেতিয়াৰ পৰা 'কুন্তী' নামেৰে পৰিচিতি লাভ কৰে। তাত কুন্তীয়ে ৰাজসুখ হয়তো বা পাইছিল কিন্তু সংসাৰৰ যাৱতীয় দায়িত্ব এখেতৰ ওপৰত ন্যস্ত আছিল। ঠিক তেনেকৈ চৈধ্য বছৰীয়া কুন্তীৰ ওপৰত দায়িত্ব পৰিল ভয়ংকৰ তপস্বী দুৰ্বাসাৰ আতিথ্য সৎকাৰৰ। অতিথি সেৱাত সন্তুষ্ট হৈ দুৰ্বাসাই কুন্তীক 'অভিকৰ্ষণ মন্ত্ৰ' দান কৰিলে কিয়নো ধ্যান যোগে দুৰ্বাসাই জানিছিল মানৱ সন্তানৰ জন্ম দিয়াটো কুন্তীৰ বাবে সম্ভৱ নহয় অৰ্থাৎ কুন্তীৰ মাতৃত্বৰ কাৰণে দৈৱপুৰুষক আহ্বান জনাব লাগিব আৰু দৈৱপুৰুষসকল কুন্তীৰ জীৱনত ক্ষণিকৰ অতিথিৰূপে আৱিৰ্ভূত হ'ব। এফালে কুন্তী মনৰ কৌতুহল দমন কৰিব নোৱাৰি দুৰ্বাসা প্ৰদত্ত 'অভিকৰ্ষণ মন্ত্ৰ' প্ৰয়োগ কৰি সূৰ্যদেৱৰ ধ্যানত মগ্ন হ'ল।[২] সূৰ্যৰ আৱিৰ্ভাৱ ব্যৰ্থ নহ'ল। জন্ম হ'ল ৰক্ষা কবচ আৰু কুণ্ডলধাৰী কৰ্ণৰ। কিন্তু লোকলাজ আৰু পিতৃসম্ভ্ৰম ৰক্ষাৰ কথা ভাবি জন্মদাতা পুৰুষৰ (সূৰ্যদেৱৰ) আদেশতেই কুন্তীয়ে তেওঁৰ প্ৰথম সন্তানক পানীত উটি যাবলৈ দিলে। অশ্বনদীৰ পানীত উটাই দিয়াৰ সময়ত কুন্তীৰ জননীসুলভ প্ৰাৰ্থনা— "পিতা ত্বাং পাতু সৰ্বত্ৰ তপনস্তপতাং বৰঃ" অৰ্থাৎ তোমাৰসেই তেজস্বী পিতাই তোমাক যেন সৰ্বত্ৰ ৰক্ষা কৰে। কিন্তু কালৰ প্ৰবাহত এই পুত্ৰৰ কাৰণে তেওঁৰ মনৰ গভীৰ ক্ষতটো কেতিয়াও পূৰণ নহ'ল। প্ৰসঙ্গতঃ উল্লেখ্য— আধুনিক মনৰ ধাৰণা কৰ্ণৰ জন্মৰহস্যত কুন্তীৰ দোষ আছিল নেকি?

ইয়াৰ উত্তৰ বেদব্যাস আৰু কুন্তীৰ কথোপকথনৰ পৰাই জানিব পাৰো। কুৰুক্ষেত্ৰ যুদ্ধৰ পিছত কুন্তী যেতিয়া বেদব্যাসৰ আশ্ৰমত উপস্থিত হ'ল তেতিয়া কুন্তীয়ে তেওঁৰ অতীত জীৱনৰ কৰ্ণজন্ম আৰু তেওঁৰ পৰিত্যাগ এই দুয়ো মৰ্মবিদাৰক কাহিনী জনাই ক'লে— "ওৰেটো জীৱন মই এই অন্তৰ্দাহ নীৰৱে বহন কৰিছোঁ।"[৪]

কুন্তীৰ কথা শুনি বেদব্যাসে ক'লে— "ইয়াত তোমাৰ কোনো অপৰাধ হোৱা নাই। দেৱগণ অনিমা প্ৰভৃতি ঐশ্বৰ্য গুণসম্পন্ন। সেই গুণৰ প্ৰভাৱত দেৱগণ আনৰ শৰীৰত প্ৰবিষ্ট হ'ব পাৰে। দেৱতাসকল সংকল্প,

বাক্য, দৃষ্টি, স্পৰ্শ আৰু সমাগম— এই পাঁচ প্ৰকাৰ ক্ৰিয়াৰ দ্বাৰা পুত্ৰ উৎপন্ন কৰিব পাৰে। দেৱধৰ্মৰ দ্বাৰা মনুষ্যধৰ্ম দূষিত নহয়— কুন্তী, তুমি এই কথা জানা। তোমাৰ মানসিক চিন্তা দূৰ হওক। কোৱাও আছে—

অপৰাধশ্চ তে নাস্তি কন্যাভাবং গতাহ্যসি।
দেবাশ্চৈশ্বৰ্য্যবন্তো বৈ শৰীৰান্যাবিশন্তি বৈ।।
সন্তি দেৱনিকায়াশ্চ সঙ্কল্পাজ্জনয়ন্তি যে।
বাচা দৃষ্টা তথা স্পৰ্শাৎ সংঘৰ্ষেণেতি পঞ্চধা।।
মনুষ্যধৰ্মো দৈৱেন ধৰ্মেন হি ন দুষ্যতি।
ইতি কুন্তী বিজানীহি ব্যেতু তে মানস জ্বৰঃ।।
— আশ্ৰমবাসিক পৰ্ব, ৩০/২১—২৩

বেদব্যাসে আৰু ক'লে তোমাৰ জীৱনত যি ঘটিছে সেইটো তোমাৰ ভাগ্যত আছিল কাৰণেই ঘটিছে। এই প্ৰসঙ্গতে উল্লেখ কৰিব পাৰি যে, কৰ্ণৰ জন্মকথা মহাভাৰতৰ য'তে-ত'তে পোৱা গ'লেও প্ৰথম উল্লেখ কিন্তু পোৱা যায় মহাভাৰতৰ আদি পৰ্বত 'সংক্ষিপ্ত ক্ষত্ৰিয়বংশবৰ্ণনত' (আদি- ৬৩)

সময় যোৱাৰ লগে লগে সেই শিশুটি ডাঙৰ হ'বলৈ ধৰিলে আৰু এদিন কুন্তীক সংগ্ৰামত আহ্বান জনালে। প্ৰথম সন্তানৰ মিলন সুখ তেওঁৰ ভাগ্যত নাছিল। জনসমাজত কৰ্ণ যে তেওঁৰেই পুত্ৰ, এই কথা জনাওঁতে কুন্তীৰ বহুত বিলম্ব হৈ গ'ল। কিয়নো কুন্তী যেতিয়া অশ্বনদীত এই কণমানি শিশু কৰ্ণক উটাই দিছিল তেতিয়া সূত অধিৰথে তেওঁক নদীৰ পৰা সংগ্ৰহ কৰি পত্নী ৰাধাৰ ওচৰলৈ লৈ আনিছিল আৰু তেওঁলোকৰ নিজৰ সন্তানৰদৰে লালি-পালি কৰ্ণক সযতনে ডাঙৰ-দীঘল কৰি তুলিছিল। সেই কাৰণে কৰ্ণ সমাজত সূতপুত্ৰ হিচাপেই পৰিচিত।

কিন্তু যেতিয়া কুৰুক্ষেত্ৰ যুদ্ধ সমাসন্ন, কৰ্ণ কুন্তীৰ জ্যেষ্ঠপুত্ৰ হৈও যুদ্ধত পাণ্ডৱপক্ষত নহয়, কৌৰৱ পক্ষতহে যোগদান কৰিব বুলি মনস্থ কৰিছিল তেতিয়া, কুন্তীয়ে এদিন কৰ্ণ সূৰ্যাৰ্ঘ দিয়াৰ সময়ত তেওঁৰ ওচৰ চাপি ক'লে যে কৰ্ণই সূতপুত্ৰ নহয়, তেওঁৰেই প্ৰথম সন্তান আৰু স্বয়ং সূৰ্যদেৱ তেওঁৰ পিতৃ— এই কথাও অৱগত কৰালে আৰু অনুৰোধ কৰিলে কৰ্ণ যেন কুৰুক্ষেত্ৰ যুদ্ধত পাণ্ডৱপক্ষতেই যোগদান কৰে। উত্তৰত অভিমানী কৰ্ণ মাতৃৰ পৰিচয় দিওঁতে বিলম্ব আৰু ইমান দিন মাতৃৰ পৰা তেওঁক দূৰত ৰখা, সূতপুত্ৰ হোৱা বাবে তেওঁৰ অপমান ইত্যাদি ইত্যাদি নানা কাৰণত ক্ষোভ প্ৰকাশ কৰিলে। কিন্তু যিহেতু কৰ্ণ এজন দাতা, কোনো ব্যক্তিক বিমুখ নকৰে সেইহেতু কুন্তীৰ উদ্দেশ্য অৱগত হোৱাৰ পিছত কুন্তীক কথা দিলে অৰ্জুন বাদে বাকী চাৰি পাণ্ডৱৰ লগত তেওঁ যুদ্ধ নকৰে। যুদ্ধত অৰ্জুন অথবা তেওঁৰ নিজৰ কোনোবা এজনৰ মৃত্যু হ'লেও কুন্তীক পঞ্চপুত্ৰৰ জননী বুলিহে সকলোৱে জানিব কিয়নো কৰ্ণক লৈ কুন্তীৰ ষষ্ঠপুত্ৰ। অৰ্জুন অথবা কৰ্ণ এজন পুত্ৰৰ বিয়োগ হ'লেও কুন্তীৰ লগত পঞ্চপুত্ৰই থাকিব। এই প্ৰসঙ্গত ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'কৰ্ণ-কুন্তী সংবাদ'[৬] এই কাহিনীৰ পৰা মাতা কুন্তীৰ বিলাপ সন্দৰ্ভত দুটা পংক্তি উদ্ধৃতি দিয়া হ'ল—

"ত্যাগ করেছিনু তোরে
সেই অভিশাপে পঞ্চপুত্র বক্ষে ক'রে
তবু মোর চিত্ত পুত্রহীন— তবু হায়,
তোরি লাগি বিশ্বমাঝে বাহু মোর ধায়,
খুঁজিয়া বেড়া? তোরে।"

কালক্ৰমত কুন্তীৰ বিবাহ হ'ল মহাপৰাক্ৰমশালী পাণ্ডুৰ সৈতে। তাতেও বিপৰ্যয়। কোনো এক মুনিৰ শাপত অভিশপ্ত হ'ল ৰজা পাণ্ডু।[৭] ফলত পাণ্ডুৰ পত্নী সৈতে মিলন তথা সম্ভোগ সুখ সম্ভৱ নাছিল। যিদৰে পূৰ্বতে চৈধ্য বছৰীয়া কুন্তীৰ ওপৰত ৰজা কুন্তীভোজে দুৰ্বাসাৰ আতিথ্যৰ দায়িত্ব দিছিল। এইবাৰ আকৌ পাণ্ডুৱে কুন্তীৰ ওপৰত পাণ্ডুৰ বংশ ধৰি ৰখাৰ দায়িত্ব জাপি দিলে। আকৌ কুন্তীয়ে 'অভিকৰ্ষণ মন্ত্ৰ' প্ৰয়োগ কৰিলে আৰু তেনেকৈ ক্ষণমিলনৰ ফলত ধৰ্মদেৱৰ দ্বাৰা যুধিষ্ঠিৰ, পৱনদেৱৰ দ্বাৰা ভীমসেন আৰু দেৱৰাজ ইন্দ্ৰৰ দ্বাৰা অৰ্জুনৰ জন্ম হ'ল। পিছত স্বামীৰ বিশেষ অনুৰোধত কুন্তীয়ে সপত্নী মাদ্ৰীকো 'অভিকৰ্ষণ মন্ত্ৰ'টো শিকাই দিলে আৰু যথাকালত সেই মন্ত্ৰৰ প্ৰয়োগত অশ্বিনী কুমাৰদ্বয় দিলে আৰু যথাকালত সেই মন্ত্ৰৰ প্ৰয়োগত অশ্বিনীকুমাৰদ্বয়ৰ ঔৰসত মাদ্ৰীৰ গৰ্ভত নকুল-সহদেৱৰ জন্ম হয়। কোৱা হৈছে অভিকৰ্ষণ মন্ত্ৰ প্ৰয়োগকালত মাদ্ৰী একেলগে অশ্বিনীকুমাৰদ্বয়ক স্মৰণ কৰিছিল। ভালদৰেই দিন অতিবাহিত কৰি আছিল ৰজা পাণ্ডু। কিন্তু পিছত দেখা গ'ল অভিশপ্ত পাণ্ডু অভিশাপৰ কথা পাহৰি কনিষ্ঠা ৰাণী মাদ্ৰীৰ লগত মিলন সুখত লিপ্ত হ'ল আৰু

পৰিণামত তেওঁৰ মৃত্যু হ'ল। বিধাতাৰ লিখন খণ্ডাব কোনে? তেতিয়া সমাজত সহমৰণ প্ৰথা প্ৰচলিত আছিল। মাদ্ৰী পাণ্ডুৰ মৃত্যুৰ কাৰণে নিজকে দোষী ভাবি পাণ্ডুৰ লগত সহমৰণত গ'ল। দুঃখ শোকত জৰ্জৰিত কুন্তীৰ দায়িত্ব আৰু বাঢ়িল। এতিয়া এখেতৰ ওপৰত দায়িত্ব পৰিল পঞ্চপাণ্ডৱৰ ৰক্ষণাবেক্ষণৰ।

পাণ্ডুৰ মৃত্যুৰ পিছত ঋষি-মুনিসকলৰ লগত আলোচনা কৰি পঞ্চপাণ্ডৱৰ সৈতে স্বামীৰ ৰাজ্যত থকাটোয়ে তেওঁ মনস্থ কৰিলে। কিন্তু পাণ্ডুৰ অগ্ৰজ ধৃতৰাষ্ট্ৰৰ পুত্ৰসকল পাণ্ডৱসকলক সহ্য কৰিব নোৱাৰিলে। ফলতে নানা অজুহাতত দুয়োপক্ষত মনোমালিন্যৰ সৃষ্টি হ'ল। অহৰ্নিশে কুন্তীক পুত্ৰসকলৰ গুপ্তহত্যাৰ ভয়ত কণ্টকিত হৈ থাকিব লগা হ'ল। কৌৰৱসকল জতুগৃহত কুন্তীসহ পঞ্চপাণ্ডৱক দাহ কৰি নিশ্চিহ্ন কৰি দিয়াৰ ষড়যন্ত্ৰ সফল নহ'ল। পঞ্চপাণ্ডৱ মাতৃসহ বাচিব সক্ষম হ'ল। তেখেতসকলৰ ৰাজ্য হ'ল ইন্দ্ৰপ্ৰস্থ। কিন্তু ৰাজমাতা কুন্তীৰ দুঃখৰ দিনৰ অন্ত নপৰিল। আকৌ এবাৰ কৌৰৱৰ শঠতাৰ বলি হ'ল পাণ্ডৱসকল। ধাৰ্তৰাষ্ট্ৰসকল পাশাখেলত পৰাজিত কৰি পঞ্চপাণ্ডৱক বনবাসত প্ৰেৰণ কৰিলে। কুন্তীৰ চকুৰ আগত দ্ৰৌপদী লাঞ্ছিতা হ'ল। বিদুৰৰ অন্তঃপুৰত কুন্তী দ্ৰৌপদীসহ পাণ্ডৱসকল আশ্ৰয় গ্ৰহণ কৰিলে। বনবাস, অজ্ঞাতবাস সকলো শেষ হ'ল কিন্তু তথাপি পুত্ৰসকল ৰাজ্যলাভ কৰিব অসমৰ্থ হ'ল। তেতিয়া সন্ধিপ্ৰস্তাৱকাৰী কৃষ্ণক কুন্তীয়ে বিদুলাৰ কাহিনী শুনালে। বিদুলাৰ কাহিনী ইয়াতে অৱতাৰণাৰ তাৎপৰ্য হ'ল— তেজস্বিনী নাৰী বিদুলা যেনেদৰে নিজপুত্ৰ সঞ্জয়ক যুদ্ধ কৰি হৃতৰাজ্য উদ্ধাৰৰ বাবে উদ্বুদ্ধ কৰিছিল ঠিক তেনেদৰেই কুন্তীও পাণ্ডৱগণক ক্ষত্ৰিয়ৰ দৰে আচৰণ কৰাৰ উপদেশ দিছিল আৰু যুদ্ধৰ বাবে অনুপ্ৰাণিত কৰিছিল। অৱশেষত যুদ্ধত পঞ্চপুত্ৰ বিজয়ী হ'ল।

ইয়াৰ পিছত সকলোকে বিস্মিত কৰি কুন্তী ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীৰ লগত বনবাসৰ বাবে প্ৰস্থান কৰিলে।

কুন্তী আছিল এক নিৰ্বিৰোধী অথচ এক ব্যক্তিত্বময়ী মাতা। মহাভাৰতৰ শেষৰ ফালে ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীৰ লগত চিৰদিনৰ বাবে স্বেচ্ছানিৰ্বাসনৰ সিদ্ধান্ত তেওঁক এক আত্মীয় বিয়োগ হেতু দুঃখী মাতৃ হিচাপে অঙ্কন কৰা হৈছে। আকৌ আমি দেখিবলৈ পাওঁ কুন্তী চৰিত্ৰৰ মাজত আদিম সাম্যবাদী সমাজৰ এক স্বাধীন নাৰী চৰিত্ৰ।

কুন্তীয়ে ভাবিছিল, যুদ্ধশেষত পাণ্ডৱসকল ক্ষমতাত অধিষ্ঠিত হ'লে নাৰী লাঞ্ছনাৰ অৱসান হ'ব। কিন্তু নহয়, সেইবোৰ একোৱেই হোৱা নাই। কুন্তীৰ মনলৈ আহিল বিভিন্ন প্ৰশ্ন— যুদ্ধান্তে পাণ্ডৱসকল কিয় বিষাদগ্ৰস্ত? কিয় তেওঁলোকৰ ৰাজ্যভাৰ লোৱাৰ ইচ্ছা নাই? পুত্ৰহাৰা দ্ৰৌপদীক তেওঁ কি বুলি সান্ত্বনা দিব? পুত্ৰহাৰা গান্ধাৰীৰ পৰা পুত্ৰৱতী তেওঁৰ (কুন্তীৰ) শোক কিমান কম বা বেছি? কিয় কৰ্ণৰ মৃতদেহ কুন্তীৰ অৱৰুদ্ধ ক্ৰন্দনৰ বাধা ভাঙি দিলে? কুন্তীৰ বিলাপৰ পৰা আমি গম পাওঁ— যুদ্ধৰ শেষত, পঞ্চপুত্ৰ আছে ঠিকেই কিন্তু তথাপিও কুন্তী পুত্ৰশোকাহত। কুন্তীৰ মনত এই ধৰণৰ অগণিত প্ৰশ্নৰ দোমোজাত সোমাই পৰিল। সম্পত্তিলোলুপ সমাজ কোনকালতেই মানুহক কোনো ধৰণৰ স্বাধীনতাই নিদিয়ে— এই কথা স্পষ্ট হ'ল। সেইহেতু কুন্তীয়ে এক বিষাদ সাগৰত নিমজ্জিত হৈ এয়া ঘৃণ্য সমাজক পৰিত্যাগ কৰাৰ সিদ্ধান্ত ল'লে। ফলতে শেষ বয়সত ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীৰ লগত অৰণ্যত স্বেচ্ছানিৰ্বাসনৰ সিদ্ধান্ত লৈ কুন্তীয়ে প্ৰকৃতপক্ষত পুৰুষতান্ত্ৰিক অৰ্থলোভী নাৰীপীড়ক সমাজকেই পৰিত্যাগ কৰিলে আৰু তেওঁ এক ভিন্ন সমাজৰ অন্বেষণত ব্ৰতী হ'ল। ৰাজভোগত অনাহা আৰু অৰণ্যজীৱনক আঁকোৱালি লোৱা আচলতে অৰ্থলোভী সমাজৰ বিৰুদ্ধে কুন্তীৰ এক বলিষ্ঠ যন্ত্ৰণাদগ্ধ প্ৰতিবাদ। ইয়াৰ উপৰি সমাজৰ প্ৰচলিত নীতি-নিয়মক অৱজ্ঞা কৰি অৰণ্যগমন নিঃসঙ্গতা, একাকীত্ব আৰু বিকল্প সমাজ সৃষ্টিৰ ইঙ্গিতহে বহন কৰে।

শ্ৰদ্ধেয়া ইৰাৱতী কাৰ্ভেই কুন্তী প্ৰসঙ্গত এনেদৰে বক্তব্য ৰাখিলে—

"…. কিন্তু কুন্তী বোধকৰো জন্মগ্ৰহণ কৰিছিল অনন্ত দুখ-যাতনা সহ্য কৰাৰ কাৰণে। তেওঁৰ জীৱনৰ প্ৰতিটো পুৰুষেই তেওঁক দুঃখ দিছিল।"[৮]

ভাগ্যৰ এনেদৰে বিপৰ্যয়ৰ কাৰণে কুন্তীও সকলো দোষ তেওঁৰ জন্মদাতা পিতৃ শূৰসেনকহে দিলে[৯]— "পিতৰস্ত্বেব গৰ্হেয়ং নাত্মানং ন সুয়োধনম্।" পিতাৰ কাৰণেই তেওঁ গোটেই জীৱনটো দুঃখ ভুগিব লগা হ'ল। আনকি দুৰ্যোধনকো তেওঁ ইমান দোষ দিয়া নাই।

বাল্যকালত যেতিয়া খেল-ধেমালিৰ বয়স তেতিয়া নিজ প্ৰতিশ্ৰুতি ৰক্ষাৰ বাবে বন্ধু তথা নিকটাত্মীয় নিঃসন্তান ৰজা কুন্তীভোজক পিতা দত্তক হিচাপে তেওঁক দান কৰিলে। উল্লেখ্য যে, শূৰসেনৰ প্ৰথম পুত্ৰ আছিল কৃষ্ণপিতা বসুদেৱ আৰু প্ৰথমা কন্যা আছিল পৃথা বা কুন্তী। প্ৰতিশ্ৰুতি মতে অগ্ৰজা কন্যাক নিঃসন্তান ৰজা কুন্তীভোজৰ ওচৰত দান কৰিব লাগে। ইয়াতে কুন্তীৰ ক্ষোভ দেখিবলৈ পাওঁ— "ধনং বৃত্তৈৰিবাৰ্পিতা।' অৰ্থাৎ পিতা যেন তেওঁক এটা টকাৰ থলি হিচাপে দান কৰিলে। তেওঁৰ দুখৰ দিন তেতিয়াৰ পৰাই আৰম্ভণি হ'ল। তেওঁ আৰু ক'লে—

"বৃত্তৈৰ্বদান্যত্বেন খ্যাতৈৰ্ধনং যথা অক্লেশেন অৰ্প্যতে তদ্‌বৎ যেনাহম্ অৰ্পিতা।" ইয়াৰ দ্বাৰা কুন্তীয়ে ক'লে— দাতা হিচাপে খ্যাতি পোৱাৰ কাৰণে ধনী ব্যক্তি যেনেদৰে অক্লেশত ধন দান কৰে, মোৰ পিতাও ঠিক তেনেকৈ অক্লেশত বন্ধুৰ ওচৰত মোক দত্তক হিচাপে দান কৰিলে— ইয়াৰ দ্বাৰা সেইকালৰ পুৰুষ শাসিত সমাজৰ এক প্ৰধান প্ৰতিভূক, যদুবংশীয় পিতৃতান্ত্ৰিকতাৰ প্ৰতীক নিজৰ দেউতাক নিন্দা কৰোঁতে কুণ্ঠিত হোৱা নাই। এইখিনি কথা কুন্তী নিজৰ ভতিজাক কৃষ্ণৰ ওচৰত তেওঁৰ দুঃখ ব্যক্ত কৰি কৰাইছিল। তেওঁ আৰু ক'লে— পিতৃগৃহ আৰু শহুৰগৃহ দুয়োপক্ষই তেওঁক যথেষ্ট বঞ্চনা কৰিছে। তেতিয়া কৃষ্ণৰ ওচৰত কুন্তীয়ে ক'লে— "অত্যন্ত দুঃখিতা কৃষ্ণ কিং জীৱিত ফলং মম" অৰ্থাৎ অত্যন্ত দুঃখিতা মই, মোৰ জীয়াই থাকিনো কি লাভ? জীৱনত ইমানখিনি জটিলতা থকা সত্ত্বেও নিজক এটা স্থিৰ লক্ষ্যত উপনীত কৰাৰ কাৰণে যি ব্যক্তিত্ব, যি ৰুচি আৰু আত্মসচেতনতাৰ প্ৰয়োজন সেই গুণবিলাকৰ এটা মূৰ্ত প্ৰতিৰূপ আছিল কুন্তী। সেইটো কাৰণতে বোধকৰো তেওঁ প্ৰাতঃস্মৰণীয়া।

শেষত আমি দেখা পাওঁ বনবাসত থকা কালীন হঠাৎ তপোবনৰ জুইত কুন্তীৰ মৃত্যু ঘটিল। অগ্নিদেৱে এই চিৰমনস্বিনী নাৰীক নিঃসঙ্গতাৰ পৰা চিৰদিনৰ বাবে মুক্তি দিলে।■■

**সহায়ক গ্ৰন্থ ঃ**


১. কাশীদাসী মহাভাৰত ঃ শ্ৰীবেণীমাধৱ শীল সম্পাদিত, অক্ষয় লাইব্ৰেৰী, কলিকাতা, ২০০৪
২. কৃষ্ণা কুন্তী এবং কৌন্তেয় ঃ নৃসিংহ প্ৰসাদ ভাদুড়ী, ২০০৪, আনন্দ পাবলিশাৰ্স প্ৰাইভেট লিমিটেড, কলিকাতা।
৩. মহাভাৰতেৰ নাৰী ঃ ধীৰেশ চন্দ্ৰ ভট্টাচাৰ্য, জানুৱাৰী, ২০১০, কলিকাতা,
৪. মহাভাৰতেৰ কথা ঃ বুদ্ধদেৱ বসু, এম.মি. সৰকাৰ আণ্ড সন্স প্ৰাঃ লিঃ, কলিকতা, ১৯৭৪
৫. মহাভাৰতেৰ নৰনাৰী ঃ শঙ্কৰ শীল, প্ৰতিভাস, কলিকাতা, জানুৱাৰী, ২০০৮
৬. ৰবীন্দ্ৰ ৰচনাৱলী (পঞ্চম খণ্ড) ঃ বিশ্বভাৰতী, কলিকাতা, পৌষ ১৪০০।
৭. Mahabharata by C. RajaGopalachari, Bhavan's Book University, Mumbai, 2009
৮. Irawati Karve, Yuganta : The End of An Epoch, Hyderabad, 1991, Pp. 42–43
৯. Mahabharatam : Udyog Pravan- 16, Biswabani Prakashani, Kolkata



**লেখিকা সহকাৰী অধ্যাপিকা**
**সংস্কৃত বিভাগ, আৰ্যবিদ্যাপীঠ মহাবিদ্যালয়**

### মহাভাৰতৰ আধাৰত

# অম্বা ঃ বিদ্ৰোহৰ এক অনিৰ্বাপিত স্ফুলিঙ্গ

ড° সোণালী বুঢ়াগোহাঁই

এগৰাকী ৰাজকুমাৰী যি প্ৰেমক পাথেয় কৰি বৈবাহিক জীৱনৰ পাতনি মেলিব খুজিছিল, ৰাজপৰিয়ালৰ সদস্যা হৈও যি ৰাজনীতিৰ পাকচক্ৰ একো বুজি পোৱা নাছিল তেওঁ এদিন হৈ পৰিল বিদ্ৰোহৰ এক স্ফুলিংগ। এজন ৰাজকুমাৰৰ চিৰকুমাৰ হোৱাৰ অদূৰদৰ্শী প্ৰতিজ্ঞাৰ পৰিণামত সৃষ্টি হোৱা খেলিমেলি আৰু তেওঁ আনৰ বাবে কন্যা অপহৰণৰ দৰে অপ্ৰয়োজনীয় কৰ্মৰ ফলত ভূলুণ্ঠিত হৈছিল ৰাজকুমাৰীৰ ব্যক্তি স্বাধীনতা, অপমানিত হৈছিল তেওঁৰ নাৰীসত্বা। কিন্তু দোষীক শাস্তি দিবলৈ কোনো সক্ষম নহ'ল— কাৰণ তেওঁ আছিল মহাশক্তিশালী যোদ্ধা। এনেবোৰ ঘটনা পৰিঘটনাই ৰাজকুমাৰীৰ কুসুম কোমল মন শিলৰ দৰে কঠিন কৰি তুলিলে, য'ত অংকুৰিত হ'ল প্ৰতিশোধৰ বীজ। যিহেতু স্ত্ৰীধৰ্ম পালনৰ পৰা তেওঁক বঞ্চিত কৰাজন দেৱৰো অজেয়— সেয়েহে তেওঁৰ বিনাশ ৰাজকুমাৰীয়ে নিজৰ দ্বাৰাই কৰিবলৈ স্থিৰ কৰিলে— প্ৰয়োজন হ'লে ইয়াৰ বাবে পুনৰ্জন্ম লোৱাৰ ভীষণ সংকল্প গ্ৰহণ কৰিলে।

এই ৰাজকুমাৰী আছিল কাশীৰাজৰ কন্যা। কাশী এখন সৰু ৰাজ্য। কাশীধিপতিৰ তিনিকন্যা অম্বা, অম্বিকা আৰু অম্বালিকাৰ বিবাহৰ সময় উপস্থিত হোৱাত তেওঁ স্বয়ম্বৰৰ আয়োজন কৰিলে— যাতে তেওঁৰ কন্যাসকলে নিজৰ মনোমত পতি বৰণ কৰিব পাৰে। দেশ-বিদেশৰ ৰজা, যুৱৰাজ আদিলৈ নিমন্ত্ৰণ গ'ল। জেষ্ঠা কন্যা অম্বাৰ প্ৰণয়প্ৰাৰ্থী আছিল শাল্বৰাজ। অম্বাও তেওঁৰ প্ৰতি অনুৰক্তা। অম্বা আৰু শাল্বৰাজৰ মন আনন্দৰে ভৰি উঠিল। অধীৰ আগ্ৰহেৰে দুয়ো স্বয়ম্বৰৰ দিনটোলৈ অপেক্ষা কৰিলে।

যথা সময়ত বাৰাণসী নগৰত উলহ-মালহেৰে স্বয়ম্বৰ সভা আৰম্ভ হ'ল। হাতত বৰমালা লৈ তিনি কন্যা সভাত প্ৰৱেশ কৰিলে। নিয়ম অনুসৰি পাণিপ্ৰাৰ্থীসকলৰ পৰিচয় দিয়া হ'ল। কন্যাসকলৰ ৰূপ-লাৱণ্যত প্ৰতিজন প্ৰাৰ্থীয়ে আশা কৰিলে তেওঁৰে শিৰত বৰমালা অৰ্পিত হওক। কিন্তু তেনে সময়তে সভাগৃহত আচম্বিতে উপস্থিত হ'ল হস্তিনাপুৰৰ ৰাজকুমাৰ, গংগাপুত্ৰ ভীষ্ম। ব্ৰহ্মচৰ্য ব্ৰতত চিৰদিন থাকিব বুলি কৰা প্ৰতিজ্ঞাৰ বাবে তেওঁক নিমন্ত্ৰণ কৰা নাছিল। তেওঁৰ আগমনত সকলো আচৰিত হ'ল। তাতোকৈ আচৰিত হ'ল ইয়াৰ পিছৰ কাৰ্য-ক্ৰমণিকাত। ভীষ্মই তিনিও কন্যাক হাতত ধৰি নিজৰ ৰথত উঠাই ক'লে— "মই এই কন্যাসকলক মোৰ বল-পৰাক্ৰমেৰে হৰণ কৰিছো। উপস্থিত কাৰোবাৰ শক্তি আছে যদি প্ৰতিহত কৰক।"

ভীষ্মৰ প্ৰত্যাহ্বানত অপমানিত ৰজাসকলে শাল্বৰাজৰ নেতৃত্বত তেওঁক আক্ৰমণ কৰিলে। কিন্তু গংগাপুত্ৰৰ আগত তেওঁলোকৰ প্ৰতিৰোধ তৃণকুটাৰ দৰে উটি গ'ল আৰু তেওঁ অনায়াসে স্বয়ম্বৰস্থলীৰ পৰা ৰাজকুমাৰীসকলক লৈ হস্তিনাপুৰলৈ প্ৰত্যাৱৰ্তন কৰিলে। মাতৃ সত্যৱতীৰ হাতত কন্যা তিনিওকে তেওঁ অৰ্পণ কৰিলে— ভাতৃ বিচিত্ৰবীৰ্যৰ বিবাহৰ বাবে। সেই সময়তে অম্বাই শাল্বৰাজ আৰু তেওঁৰ মাজৰ প্ৰণয়ৰ কথা ব্যক্ত কৰিলে। শাল্বৰাজক মনৰ মাজতে পতি বৰণ কৰাৰ পিছত তেওঁ বিচিত্ৰবীৰ্যৰ পত্নী হোৱাটো অনুচিত হ'ব বুলিও দোহাৰিলে। ভীষ্ম তেওঁৰ প্ৰতি সহানুভূতিশীল হ'ল। এই কথা হৰণৰ পূৰ্বেই কিয় নক'লে বুলি তেওঁ প্ৰশ্ন কৰিলে। প্ৰকৃততে ভীষ্মৰ আচম্বিতে সভাত প্ৰৱেশ কন্যাহৰণ, যুদ্ধৰ বাবে আহ্বান আদিয়ে অম্বাক এই কথা ব্যক্ত কৰিবলৈ সমূলি অৱকাশ দিয়া নাছিল। ভীষ্মৰ সংহাৰকাৰী ৰূপে তেওঁলোকক ভীতিগ্ৰস্তা কৰি তুলিছিল। যি নহওক, ভীষ্মই এই কথা পুৰোহিত আৰু মন্ত্ৰীসকলক জনাই, উপযুক্ত ৰক্ষণাবেক্ষণৰ মাজত জ্যেষ্ঠা কাশীকন্যা অম্বাক শাল্বৰাজৰ কাষলৈ পঠাই দিলে।

অম্বা উৎফুল্লিতা হ'ল। শাল্বৰাজ আৰু তেওঁৰ মিলনত আহি পৰা বাধাৰ প্ৰাচীৰ আঁতৰি গ'ল। মধুৰ মিলনৰ কল্পনাত বিভোৰ হৈ তেওঁ শাল্বৰাজৰ ওচৰ পালেগৈ। কিন্তু পূৰ্বৰ প্ৰেমিকে এতিয়া কোনো আগ্ৰহ নেদেখুৱাই, অম্বাক দ্বিচাৰিণী বুলিহে অভিহিত কৰিলে। প্ৰকৃততে স্বয়ম্বৰত শাল্বৰাজে ভীষ্মক বাধা দিছিল, কিন্তু ভীষ্মই তেওঁক যুদ্ধত পৰাজিত কৰি, প্ৰাণসংহাৰ নকৰি মুক্তি দিয়াত প্ৰিয়তমাৰ সন্মুখত তেওঁৰ পুৰুষত্বত বাৰুকৈয়ে আঘাট লাগিছিল। শাল্বৰাজে ক'লে—"হে সুন্দৰী! তুমি ভীষ্মৰ দ্বাৰা গৃহীতা। তেওঁক আমি বাধা দিওঁতে তোমাক প্ৰসন্ন দেখিছিলো। আনৰ দ্বাৰা গৃহীতা ৰমণীক মই কেনেকৈ পত্নী কৰিম? যিহেতু তোমাক ভীষ্মই হাতত ধৰি হৰণ কৰিছে তুমি তেওঁৰ কাষলৈ বা আন য'লৈকে মন যায় যাব পাৰা। কদাপি তুমি মোৰ ভাৰ্যা হ'ব নোৱাৰিবা।

সোণালী সপোন ৰচি থকা অম্বাৰ হৃদয় শাল্বৰাজৰ কথাই ভাঙি চুৰমাৰ কৰিলে। তেওঁ প্ৰতিবাদ কৰিলে—"হে ৰাজন! ভীষ্মৰ দ্বাৰা অধিকৃত হওঁতে মই ৰোদনহে কৰিছিলো— প্ৰসন্ন হোৱাৰ প্ৰশ্নই নুঠে। আপোনাৰ প্ৰতি অনুৰক্তা বুলি কোৱাত গংগাপুত্ৰই সন্মানসহকাৰে মোক আপোনাৰ ওচৰলৈ পঠাই দিছে। তেওঁ নিজৰ ভাতৃ বিচিত্ৰবীৰ্যৰ বাবেহে আমাক হৰণ কৰিছিল। মোৰ ভগ্নী দুগৰাকীৰ ইতিমধ্যে বিচিত্ৰবীৰ্যৰ লগত বিবাহ সম্পন্ন হৈছে। মই আপোনাৰ বাদে কোনো পুৰুষকে কামনা কৰা নাই।"

অম্বাৰ মিনতি বচনে শাল্বৰাজৰ মন সলনি কৰিব নোৱাৰিলে। বৰং ভীষ্মৰ ৰোষত পৰাৰ ভয়ত অম্বাক শীঘ্ৰে তেওঁৰ নগৰৰপৰা আঁতৰি যাবলৈহে আদেশ দিলে। অম্বাই দিক্-বিদিক শূন্য দেখিলে। তেওঁলোকৰ মতামত নোসোধাকৈ এজন অনিমন্ত্ৰিত পুৰুষে তেওঁলোকক উত্তম বস্তু হেন জ্ঞান কৰি অপহৰণ কৰি মাতৃৰ হাতত অৰ্পণ কৰিলে ভাতৃৰ কন্যা হিচাবে। সেই সময়ত কোমল বয়সীয়া হ'লেও ভাতৃৰো ইচ্ছা-অনিচ্ছাৰ কথা বিবেচনা কৰা নাই। অবলা নাৰী এজনীৰ ভীষ্মক প্ৰতিৰোধ কৰাৰ ক্ষমতা নাই বুলি জানিও শাল্বৰাজে তেওঁৰ চৰিত্ৰ হনন কৰি প্ৰত্যাখান কৰিলে। শাল্বৰাজৰ প্ৰতি থকা অবিচলিত প্ৰেমৰ বাবেই যে তেওঁ বিচিত্ৰবীৰ্যৰ লগত বিবাহত বহিবলৈ অপাৰগ বুলি ভীষ্মক জনাবলৈ সক্ষম হ'ল— সেই কথা শাল্বৰাজে অলপো বুজিবলৈ চেষ্টা নকৰিলে। পূৰ্বৰ প্ৰণয়ভাৱ তেওঁৰ মনৰপৰা কৰ্পূৰৰ দৰে উৰি গ'ল। অম্বাৰ নাৰীসত্বা দ্বিতীয়বাৰৰ বাবে অপমানিত হ'ল।

বিষণ্ণ মনেৰে অম্বা নগৰৰ বাহিৰ হৈ তপস্বীৰে ভৰা এখন আশ্ৰমতে ৰাতিটোৰ বাবে আশ্ৰয় ল'লে। মনৰ মাজত ধুমুহা চলিল। বিবাহ হৈ স্ত্ৰীধৰ্ম পালন কৰি নাৰী জীৱনৰ সাৰ্থকতা লাভ কৰিবলৈ কোন যুৱতীয়ে নিবিচাৰে? কিন্তু তেওঁৰ এই ইকূল-সিকূল দুয়োকূল হেৰোৱা অৱস্থাৰ বাবে কোন দায়ী? তেওঁ বল-বিক্ৰম পণ ৰাখি স্বয়ম্বৰ আয়োজন কৰা পিতৃ, অপহৰণকাৰী গংগাপুত্ৰ ভীষ্ম আৰু আনৰ দ্বাৰা গৃহীতা বুলি প্ৰত্যাখ্যান কৰা শাল্বৰাজক ধিক্কাৰ দিলে। আনকি অপহৰণৰ সময়তে মুখ খুলি নিজৰ প্ৰণয়ীজনৰ কথা ভীষ্মক ক'ব নোৱাৰা বাবে নিজকেও মনৰ মাজত সমালোচনা কৰিলে। মনৰ মাজত বহু চিন্তা-চৰ্চাৰ পিছত তেওঁৰ জীৱনটো এইদৰে ধ্বংস হোৱাৰ মূল কাৰণ ভীষ্মৰ অবিবেচক অপহৰণকে বুলি স্থিৰ কৰিলে। ভীষ্মই ইয়াৰ বাবে শাস্তি পোৱা উচিত। কিন্তু কোনে তেওঁক সমূচিত দণ্ড দিব পাৰিব? ৰাজকাৰেঙৰ সুখৰ জীৱনে অম্বাক আমুৱালে। তেওঁ তপস্যা কৰিয়েই বাকীছোৱা জীৱন কটাবলৈ স্থিৰ কৰিলে। আশ্ৰমৰ তপস্বীসকলে অম্বাৰ কাহিনী সহানুভূতিৰে শুনিলে যদিও তপস্বীনী হ'ব খোজা কাৰ্যক উদ্গনি নিদি পিতৃগৃহলৈ উভতি নিৰাপদ আশ্ৰয়ত থাকিবলৈহে উপদেশ দিলে। এনে সময়তে অম্বাৰ মাতামহ, ৰাজৰ্ষি হোত্ৰবাহন আশ্ৰমলৈ আহিল। অকাৰণত নাতিনীয়ে এনে কষ্ট পোৱা বাবে তেওঁ দুখ প্ৰকাশ কৰি, ইয়াৰ পৰিত্ৰাণৰ উপায় চিন্তা কৰিবলৈ ধৰিলে। জমদগ্নি পুত্ৰ পৰশুৰাম আছিল তেওঁৰ পৰম মিত্ৰ। তেওঁৰেই অম্বাৰ দুখ দূৰ কৰিব পাৰিব বুলি ভাবিলে। কাৰণ, পৰশুৰামৰ ওচৰতে গংগাপুত্ৰই অস্ত্ৰশিক্ষা লৈছিল। গুৰুৰ বচন তেওঁ নিশ্চয় পালন কৰিব। সৌভাগ্যক্ৰমে পিছদিনা আশ্ৰমলৈ পৰশুৰামৰ আগমন ঘটিল। অম্বাৰ সকলো বিপৰ্যয়ৰ কথা হোত্ৰবাহনে মিত্ৰক বিৰৰি ক'লে। অম্বাইও তেওঁৰ শৰণাপন্ন হৈ তেওঁৰ প্ৰতি হোৱা অন্যায়ৰ বিচাৰ কৰিবলৈ মিনতি জনালে।

সকলোবোৰ বৃত্তান্ত শুনি পৰশুৰামে এনে এটা ব্যৱস্থা কৰিব খুজিলে যাতে শাল্বৰাজে অম্বাক গ্ৰহণ কৰিব পাৰে। কাৰণ তেওঁকেই অম্বাই মনেৰে পতিৰূপত কল্পনা কৰিছিল। একৈশবাৰ পৃথিৱী পৰিভ্ৰমণ কৰি ক্ষত্ৰিয়ৰ বিনাশ যজ্ঞ সম্পন্ন কৰা পৰশুৰামৰ আদেশ অমান্য কৰবলৈ শাল্বৰাজ নিশ্চয় মূৰ্খ নহয়। কিন্তু অম্বাই শাল্বৰাজৰ দুচকুত তেওঁৰ প্ৰতি ফুটি উঠা অবিশ্বাস প্ৰত্যক্ষ কৰাৰ পিছত পুনৰ তেওঁক বিবাহ কৰি নাৰীধৰ্ম পালন কৰিবলৈ ইচ্ছুক নহ'ল। কাৰণ বিবাহৰ মূল ভেটিয়েই হৈছে পতি-পত্নীৰ মাজৰ অটুত বিশ্বাস। অম্বাই ইয়াৰ পৰিৱৰ্তে তেওঁক স্ত্ৰীধৰ্ম পালনৰ পৰা বঞ্চিত কৰা বাবে ভীষ্মক বিনাশ কৰিবলৈহে পৰশুৰামক বাৰে বাৰে মিনতি জনালে।

শৰণাগতাক আশ্বাস দি পৰশুৰামে নিজ শিষ্য ভীষ্মলৈ বাৰ্তা পঠালে—"তেওঁৰ অবিবেচক কৰ্মৰ দ্বাৰা কাশীকন্যাৰ অন্যায় হৈছে। হয় তেওঁ অম্বাক গ্ৰহণ কৰক, নহয় নিজগুৰুৰ লগত যুদ্ধত অৱতীৰ্ণ হওঁক।" চিৰকুমাৰ ব্ৰত লোৱা ভীষ্মৰ বাবে গুৰুৰ লগত যুদ্ধ কৰাৰ বাদে গত্যন্তৰ নাছিল। দুয়োৰে মাজত ভীষণ যুদ্ধ আৰম্ভ হ'ল। বিচিত্ৰ অস্ত্ৰৰ ব্যৱহাৰ হ'ল। দেৱলোক, নৰলোক আতংকিত হ'ল। পৰম শক্তিশালী অস্ত্ৰৰ প্ৰয়োগ কৰা স্বত্বেও কোনোজন বিজয়ী হ'ব নোৱাৰিলে। শিষ্যক পৰাজিত কৰিব নোৱাৰি ক্ৰোধান্বিত পৰশুৰামে ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰিবলৈ উদ্যত হ'ল। সৃষ্টি ধ্বংসৰ উপক্ৰম হোৱাত দেৱৰ্ষি নাৰদ, গংগা দেৱী আৰু দেৱতাসকলে অস্ত্ৰ সম্বৰণ কৰিবলৈ অনুৰোধ জনালে। সকলোৰে অনুৰোধক তেওঁ সন্মান জনাই অস্ত্ৰ সম্বৰণ কৰিলে। ভীষ্মইও গুৰুৰ চৰণত প্ৰণাম জনালে।

পৰশুৰামে অম্বাক ক'লে—"বৎস্যা! মই অসীম পুৰুষাৰ্থৰে যুদ্ধ কৰিও ভীষ্মক পৰাস্ত কৰিব নোৱাৰিলো। তেওঁৰ শৰণাপন্ন হোৱাৰ বাদে তোমাৰ অন্য পথ মই দেখা নাই, অথবা তুমি নিজ ইচ্ছা অনুসৰি কাম কৰা।"

অম্বাই বুজিলে— ভীষ্মক পৰাজিত কৰিব পৰা বীৰ ত্ৰিলোকত নাই। কিন্তু নিজৰ সংকল্পৰ পৰা তেওঁ বিচলিত নহ'ল। যিহেতু ভীষ্ম দেৱৰো অজেয়— তেওঁৰ বিনাশৰ বাবে অম্বাই নিজে যত্নপৰ হ'ব। অম্বাই পিতৃগৃহলৈ গৈ সকলো কথা বিৱৰি ক'লে। পুত্ৰীৰ মনৰ দৃঢ়তা দেখি তেওঁলোকৰ কুলদেৱতা শিৱক আৰাধনা কৰিবলৈ উপদেশ দিলে। (অষ্টাদশ পৰ্ব, অসমীয়া মহাভাৰত, পৃঃ ৩০-৩১)

যমুনা নদীৰ তীৰত কাশীকন্যাই কঠোৰ তপস্যা আৰম্ভ কৰিলে। কেতিয়াবা নিৰাহাৰে, কেতিয়াবা এদিনত এখিলা গছৰ পাত অথবা কোনো সময়ত কেৱল বতাহ সেৱন কৰি তেওঁ মহাদেৱক আৰাধনা কৰিলে। লাহে লাহে তেওঁৰ চুলিত জট বান্ধিল, শৰীৰ শীৰ্ণ হৈ পৰিল। এদিন দুদিনকৈ বাৰ বছৰ পাৰ হৈ গ'ল। ইয়াৰ পিছত অম্বাই সিদ্ধ আৰু চাৰণসকলৰ দ্বাৰা পৰিৱেষ্টিত হৈ বৎস্য দেশলৈ গ'ল আৰু ইয়াৰ প্ৰতিখন তপোবনত তপস্যা অব্যাহত ৰাখিলে। এই তপস্যাৰ কথা জানিব পাৰি গংগাদেৱীয়ে পুত্ৰৰ বাবে শংকিত হৈ অম্বাক তপস্যাৰ পৰা বিৰত কৰিবলৈ চেষ্টা কৰিলে। পিছে তেওঁ সফল নহ'ল। তেওঁ অম্বাক অভিশাপ দিলে—

"যদি ভীষ্ম বধৰ বাবেই তুমি ব্ৰত ধাৰণ কৰি শৰীৰ ত্যাগ কৰা, তেন্তে তুমি কুটিল গামিনী নদীৰূপ লাভ কৰিবা। কেৱল বৰ্ষাকালতহে জলেৰে পূৰ্ণ হোৱা এই নদীত ঘঁৰিয়াল আদিয়ে বাস কৰিব। সেই নদীৰ পাৰত কোনো তীৰ্থ নাথাকিব।"

তপস্যাৰ প্ৰভাৱত অম্বাৰ শৰীৰৰ অৰ্ধভাগৰ পৰা বৎস্য দেশত অম্বা নামেৰে এক অখ্যাত নদী আৰু আন অংশৰ পৰা এগৰাকী কন্যা হ'ল। এই জন্মতো তেওঁ তপস্যা ত্যাগ নকৰিলে। লাহে লাহে তেওঁৰ নিজৰ স্ত্ৰীৰূপৰ প্ৰতিও বিৰক্তি জন্মিবলৈ ধৰিলে। অৱশেষত মহাদেৱ তেওঁৰ প্ৰতি প্ৰসন্ন হ'ল। দৰ্শন দি অম্বাক ইপ্সিত বৰ প্ৰদান কৰিলে। অম্বাই মহেশ্বৰক প্ৰশ্ন কৰিলে—

"হে দেৱাদিদেৱ! আপুনি মোক ভীষ্ম বধৰ বৰ দিলে। কিন্তু এগৰাকী নাৰী হৈ মই কেনেকৈ মহাশক্তিশালী, দেৱতাৰো অজেয় বীৰজনক নিধন কৰিম?" মহাদেৱে ক'লে—"অম্বা! মোৰ বৰ নিষ্ফল নহয়। তুমি পাঞ্চালদেশৰ ৰজা দ্ৰুপদৰ ঘৰত কন্যাৰূপে জন্ম গ্ৰহণ কৰিবা। কিন্তু সময়ত তুমি পুৰুষলৈ পৰিৱৰ্তিত হ'বা। অস্ত্ৰ চালনাত নিপুণতা লাভ কৰাৰ উপৰিও বিচিত্ৰ প্ৰকাৰেৰে যুদ্ধ কৰিবলৈ সক্ষম যোদ্ধা হিচাবে সন্মানিত হ'বা। পূৰ্বজন্মৰ সকলো কথাই তোমাৰ মনত থাকিব। এইদৰে তুমি ইপ্সিত বৰ কাৰ্যকৰী কৰিবা।"

আনন্দিত হৈ অম্বাই যমুনাৰ তীৰত চিতা নিৰ্মাণ কৰি তপস্বীসকলক সাক্ষী ৰাখি ভীষ্মবধৰ সংকল্প মনত ৰাখি ক্ৰোধদীপ্ত হৃদয়েৰে অগ্নিত প্ৰৱেশ কৰিলে। পাঞ্চাল দেশৰ ৰজা দ্ৰুপদ নিঃসন্তান আছিল। পুত্ৰলাভৰ বাবে তেওঁ মহাদেৱক তপস্যা কৰি আছিল। শিৱই তেওঁক বৰ দিলে যে— "তোমাৰ এক কন্যা সন্তান হ'ব। কিন্তু এই কন্যা পিছত পুৰুষলৈ পৰিৱৰ্তিত হৈ বীৰ যোদ্ধা হ'ব।"

দ্ৰুপদ ৰজাৰ মহিষীয়ে সময়ত এগৰাকী কন্যাৰ জন্ম দিলে। শিৱৰ বৰত বিশ্বাস ৰাখি ৰজা-ৰাণী দুয়ো সন্তানটি পুত্ৰ বুলিহে সমাজত প্ৰচাৰ কৰিলে। সন্তানৰ নাম ৰাখিলে শিখণ্ডী। লাহে লাহে তেওঁ ডাঙৰ হৈ আহিল। যৌৱনপ্ৰাপ্ত হ'ল। শিৱৰ বৰদানত ভৰষা ৰাখি তেওঁলোকে শিখণ্ডী কন্যা হোৱা স্বত্বেও পুত্ৰ জ্ঞান কৰি তেওঁৰ বাবে কন্যাৰ সন্ধান কৰিলে। দৰ্শান ৰাজ্যৰ অধিপতি হিৰণ্যবৰ্মাৰ কন্যাক তেওঁলোকে শিখণ্ডীৰ বাবে বিবাহ কৰি আনিলে। নাৰীভাৱ ত্যাগ কৰি পুৰুষৰ দৰে বিচৰণ কৰি ফুৰিলেও শিখণ্ডীৰ প্ৰকৃত ৰূপ দৰ্শান ৰাজকুমাৰীৰ চকুৰপৰা সাৰি নগ'ল। তেওঁৰ লগত অহা ধাত্ৰীগৰাকীক এই কথা ক'লে। টেঙৰ ধাত্ৰীগৰাকীয়ে অতি গোপনে হিৰণ্যবৰ্মালৈ এই বাৰ্তা পঠাই দিলে। দ্ৰুপদৰ এনে প্ৰৱঞ্চনাত তেওঁ অপমানিত হ'ল। তেওঁ শক্তিশালী আৰু দুৰ্জেয় বীৰ আছিল। তদুপৰি তেওঁৰ আছিল এক বিশাল সৈন্যবাহিনী। দ্ৰুপদলৈ দূত পঠাই তেওঁ যুদ্ধৰ আহ্বান জনালে। তেওঁৰ মিত্ৰ ৰজাসকলকো এই প্ৰতাৰণাৰকথা অৱগত কৰি যুদ্ধত তেওঁৰ পক্ষ লবলৈ সন্মত কৰালে। শঙ্কৰৰ বৰমতে কাম নোহোৱাত দ্ৰুপত ৰজা বিপদত পৰিল। অৱশ্যে তেওঁ মন্ত্ৰীবৰ্গক সকলো কথা খুলি কৈ যুদ্ধ নোহোৱাকৈ সমস্যাটো সমাধান কৰাত গুৰুত্ব দিলে। পিতৃ-মাতৃক দুঃখিত দেখি শিখণ্ডী অতি লজ্জিত হ'ল। সকলোবোৰ তেওঁৰ কাৰণেই হ'ল বুলি শোকান্বিত হৈ তেওঁ প্ৰাণত্যাগ কৰাৰ মানসেৰে গোপনে গৃহত্যাগ কৰি গভীৰ অৰণ্যত প্ৰৱেশ কৰিলে। অৰণ্যৰ মাজত এটি মহল দেখি তাতে তেওঁ বাস কৰিবলৈ ল'লে। সেই অৰণ্য আৰু মহলৰ অধিকাৰী আছিল স্থূনাকৰ্ণ নামৰ এজন শক্তিশালী যক্ষৰ। দেহত্যাগ কৰিবৰ মনেৰে শিখণ্ডীয়ে উপবাস কৰি কৰি শৰীৰ শীৰ্ণ কৰি পেলালে। তেওঁৰ এনে অৱস্থা দেখি দৰ্শন দি যক্ষই কি কাৰণেনো এইদৰে উপবাস কৰিব খুজিছে জানিব খুজিলে। লগতে ইয়াকো ক'লে যে তেওঁলোক কুবেৰৰ সেৱক, তেওঁৰ বৰদানৰ সামৰ্থ আছে। শিখণ্ডীৰ ইচ্ছা ব্যক্ত কৰিলে অদেয় বস্তুকো দান কৰিবলৈকো তেওঁ কথা দিলে। যক্ষৰ আশ্বাস পাই শিখণ্ডীয়ে সকলো বৃত্তান্ত বৰ্ণনা কৰি ক'লে যে তেওঁৰ বাবেই পাঞ্চাল ৰাজ্য হিৰণ্যবৰ্মাই আক্ৰমণ কৰিব খুজিছে। যক্ষই শিখণ্ডীৰ সমস্যাটো সাময়িকভাৱে হলেও সামাধান কৰিবলৈ চিন্তা কৰি ক'লে—

"হে দ্ৰুপদ নন্দিনী! কিছুদিনৰ বাবে মই তোমাক মোৰ পুৰুষত্ব প্ৰদান কৰিম। সেই সময়ত তোমাৰ স্ত্ৰীচিহ্ন মই ধাৰণ কৰিম। তোমালোকৰ ৰাজ্যৰ সমস্যা দূৰ হোৱাৰ পিছত তুমি ইয়ালৈ আহি মোক পুৰুষত্ব ঘূৰাই দিবাহি।" শিখণ্ডী সন্মত হ'ল। যুদ্ধ বন্ধ কৰি হিৰণ্যবৰ্মা উভতি গ'লেই তেওঁ উভতি আহিব বুলি কথা দিলে। এইদৰে পুৰুষলৈ পৰিৱৰ্তিত হৈ শিখণ্ডী ৰাজ্যলৈ ঘূৰি গৈ পিতাকক এই সুখবৰ দিলে। শংকৰৰ বৰ প্ৰতিফলিত হোৱাত দ্ৰুপদ আনন্দিত হ'ল। তেওঁ ততালিকে দৰ্শান ৰাজ্যলৈ খবৰ পঠালে যে তেওঁৰ সন্তান শিখণ্ডী এজন পুৰুষ। প্ৰয়োজনবোধ কৰিলে তেওঁলোকৰ কোনোবা বিশ্বাসভাজন লোকৰ দ্বাৰা ৰাজকুমাৰক পৰীক্ষা কৰি সন্দেহ দূৰ কৰিব পাৰে। হিৰণ্যবৰ্মা বিমোৰত পৰিল। অৱশেষত সত্যাসত্য নিৰূপণ কৰিবলৈ তেওঁ কেইগৰাকীমান সুন্দৰী যুৱতীক নিৰ্দেশ দিলে। তেওঁলোকৰ পৰীক্ষাত শিখণ্ডী নিঃসন্দেহে উত্তীৰ্ণ হ'ল। দৰ্শানৰাজ সন্তুষ্ট হ'ল— নিজৰ জীয়েককে তেওঁ এনে খেলিমেলি সৃষ্টি কৰা বাবে তিৰস্কাৰ কৰিলে। দুয়ো ৰজাৰ মাজৰ মনোমালিন্য দূৰ হৈ গ'ল। কিছুদিন পাঞ্চাল ৰাজ্যৰ আতিথ্য গ্ৰহণ কৰি অসংখ্য ধন, হাতী, ঘোঁৰা দাস-দাসী জামাতাক উপহাৰ দি তেওঁ নিজ দেশলৈ ঘূৰি গ'ল।

সকলো সংকট দূৰ হোৱাৰ পিছত শিখণ্ডীয়ে নিজ প্ৰতিজ্ঞামতে বনলৈ যাত্ৰা কৰিলে। কিন্তু ইয়াৰ আগতেই বনত এক ঘটনা হ'ল। যক্ষসকলৰ অধিপতি কুৱেৰ এদিন সেই বনলৈ আহিল। স্থুণাকৰ্ণৰ মহলত প্ৰৱেশ কৰি তেওঁ যক্ষসকলৰ মান মৰ্যাদা বিসৰ্জন দি মানৱীৰ লগত পুৰুষত্বৰ আদান-প্ৰদানৰ কথা জানিব পাৰি অতিশয়

ক্ৰোধান্বিত হ'ল। এনে অকাৰ্যৰ বাবে তেওঁ চিৰদিনৰ বাবে স্ত্ৰীচিহ্ন ধাৰণ কৰিবলৈ স্থূণাকৰ্ণক শাপ দিলে। বাকী যক্ষসকলৰ প্ৰাৰ্থনাত কিছু সদয় হৈ শাপৰ কিছু লাঘৱ কৰিলে। এইমতে শিখণ্ডী আৰু স্থূণাকৰ্ণ যিকোনো এজনৰ মৃত্যুত আনজনে পূৰ্বৰ ৰূপ ঘূৰাই পাব।

বিধিৰ বিধান দুয়ো মানি ল'লে। অৱশ্যে ইয়াৰ দ্বাৰা শিখণ্ডীয়েই অধিক লাভবান হ'ল। ইয়াৰ পিছত উপযুক্ত অস্ত্ৰ শিক্ষাৰ বাবে তেওঁ দ্ৰোণচাৰ্যৰ শিষ্য হ'ল। বিভিন্ন অস্ত্ৰবিদ্যাৰ শিক্ষা লৈ ৰাজকুমাৰ নিপূণ যোদ্ধাত পৰিণত হ'ল। জাতিস্মৰ শিখণ্ডীয়ে পূৰ্বজন্মৰ অম্বাৰ সংকল্পৰ কথা পাহৰা নাছিল।

ব্যক্তি স্বাধীনতাক সন্মান জনাই আয়োজন কৰা স্বয়ম্বৰৰ পৰা ভীষ্মই কন্যাসকলক নিজৰ ভাতৃৰ বিবাহৰ বাবে অপহৰণ কৰিলে। এই কাৰ্যৰ নিন্দা হোৱা উচিত আছিল যদিও তেওঁৰ শক্তিৰ আগত সমাজৰ সকলো নীৰৱ হৈ থাকিল। কিন্তু ইয়াৰ সুদূৰপ্ৰসাৰী ছায়াই ভীষ্মক ওৰে জীৱন অনুসৰণ কৰি থাকিল। অম্বাই যিদিনাৰ পৰা ভীষ্ম নিধনৰ সংকল্প ল'লে সেই দিনাৰপৰাই ভীষ্মই গুপ্তচৰ নিয়োগ কৰি তেওঁৰ প্ৰতিটো পদক্ষেপৰ সম্ভেদ লৈছিল। অম্বাৰ কোনো কথা তেওঁৰ অজ্ঞাত হৈ নৰ'ল। শিখণ্ডীয়েই যে অম্বাৰ পুনঃজন্ম সেই কথাও উপযুক্ত চোৰাংচোৱাৰপৰা তেওঁ জানিছিল। তেওঁ স্ত্ৰী অথবা স্ত্ৰীৰপৰা পুৰুষলৈ পৰিৱৰ্তিত হোৱা ব্যক্তিৰ বিৰুদ্ধে অস্ত্ৰ নধৰে বুলি প্ৰতিজ্ঞাবদ্ধ। সেয়ে কোনো ৰণত শিখণ্ডীৰূপী অম্বাই তেওঁক আক্ৰমণ কৰিলেও ভীষ্মই অস্ত্ৰ কদাপি ব্যৱহাৰ কৰিব নোৱাৰে। পিতৃৰদ্বাৰা ইচ্ছামৃত্যুৰ বৰ পোৱা শান্তনুনন্দন ভীষ্মই তেওঁৰ মৃত্যুৰ কাৰণ হ'ব পৰা যোদ্ধাজন অনুমান কৰাত ভুল হোৱা নাছিল। নিজৰ শক্তিৰ ওপৰত কৰা অহংকাৰৰ বাবেই হাতত বৰমালা লৈ পতিবৰণ কৰিবলৈ আগবাঢ়ি অহা এগৰাকী নাৰী বিনাদোষত বৈবাহিক সুখৰপৰা বঞ্চিত হ'ল। হস্তিনাপুৰৰ ৰজা হিচাবে ভাৰত ভূমিত বিচিত্ৰবীৰ্যৰ বাবে নিশ্চয় সুপাত্ৰীৰ অভাৱ নাছিল। কোমল বয়সীয়া হ'লেও তেওঁ নিজেই কোনো স্বয়ম্বৰত উপস্থিত থাকি পত্নী লাভ কৰাত বাধা নাছিল। সেই সময়ত ৰাজ্যত এনে কোনো পৰিস্থিতিৰ উদয় হোৱা নাছিল যাৰ বাবে চিৰকুমাৰ হৈও ভীষ্মই অনিমন্ত্ৰিত ভাৱে সভাত উপস্থিত হৈ স্বয়ম্বৰী কন্যাৰ ব্যক্তিসত্বাক তিলমানো গুৰুত্ব নেদেখুৱাই ভাতৃৰ বাবে বলেৰে কন্যা সংগ্ৰহ কৰিব লগা হ'ল। তেওঁলোকক বস্তুহেন জ্ঞান কৰি সত্যৱতীৰ হাতত অৰ্পণ কৰা হৈছিল। শাস্ত্ৰজ্ঞ ভীষ্মই বিবাহ যে দুটি শৰীৰৰ মিলনৰ পূৰ্বে দুটা প্ৰাণৰ মিলনৰ প্ৰস্তুতি সেই কথা জানিও কিয় উপেক্ষা কৰিলে বুজা নাযায়। ইয়াৰ পৰিণতিতে অম্বা হৈ পৰিল চিৰবিদ্ৰোহিনী। বাৰাণসী নগৰীৰ স্বয়ম্বৰ সভাৰ পৰা আৰম্ভ হোৱা এই দীঘল পৰিক্ৰমাৰ অন্ত পৰিছিল কুৰুক্ষেত্ৰত য'ত শিখণ্ডীক সন্মুখত লৈ অৰ্জুনে ভীষ্মক আক্ৰমণ কৰিলে। শিখণ্ডীক দেখি গংগা পুত্ৰই অস্ত্ৰ ত্যাগ কৰিছিল যদিও শিখণ্ডী আৰু অৰ্জুনৰ ধনুৰ পৰা নিক্ষেপ হোৱা অগনন শৰে তেওঁক থকা-সৰকা কৰি শৰশয্যাৰ সৃষ্টি কৰিছিল। সেই মহাৰণত মহাযোদ্ধা গংগাপুত্ৰৰ নিধন সম্ভৱ কৰি অম্বাই জগতক দেখুৱাই গ'ল নাৰীৰ ব্যক্তিত্ব অৱমাননা সুস্থ চিন্তাৰ পৰিচায়ক হ'ব নোৱাৰে, বৰং সি হ'বগৈ পাৰে কাৰোবাৰ ধ্বংসৰ আগ জাননী।■■

*বিঃ দ্ৰঃ— মহাভাৰতত বৰ্ণিত বহু কাহিনী বিভিন্ন যুগৰ বিভিন্ন কবিৰ হাতত পৰিৱৰ্তিত হৈছে। আমাৰ আলোচনাৰ নায়িকা অম্বা তথা শিখণ্ডীৰ বিষয়েও ভিন্ন লিখকৰ ভিন্ন কাহিনী। আনহে নালাগে, অম্বা আৰু শিখণ্ডীৰ জন্মবৃত্তান্ত ৰামসৰস্বতী প্ৰণীত অসমীয়া মহাভাৰতত বহু পৃথককৈ উপস্থাপিত হৈছে। এই আলোচনা ঘাইকৈ মূল সংস্কৃত মহাভাৰতৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ে কৰা অনুবাদৰ আধাৰত কৰা হৈছে।*

১। মহাভাৰত বিৰাট পৰ্ব আৰু উদ্যোগ পৰ্ব (ড০ বিৰিঞ্চি কুমাৰ বৰুৱা সম্পাদিত), ১৯৭৬
২। অষ্টাদশ পৰ্ব অসমীয়া মহাভাৰত, ৰামসৰস্বতী (হৰিনাৰায়ণ দত্তবৰুৱা সম্পাদিত), ১৯৫৫।
৩। মহাভাৰত ঃ বিশ্বাস আৰু বিস্ময়, চন্দ্ৰপ্ৰসাদ শইকীয়া, ২০০৭।

**লেখিকা প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ**
**উদ্ভিদ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপিকা**

# চন্দৰী আই

**ৰুবী বৰা**

চন্দৰী আই হৈছে মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱৰ ঘৰুৱা কাম বনকৰা এগৰাকী দাসী। তেওঁ গুৰুজনাৰ কাপোৰ-কানি ধোৱাকে আদি কৰি ধান ৰ'দত শুকুৱাই ঢেঁকীদি চাউল-পাত উলিয়াই দিয়া আদি ঘৰুৱা কামবোৰ কৰিব লাগিছিল। চন্দৰী কেৱল এগৰাকী ঘৰত কামবন কৰা মানুহেই নাছিল, ইয়াৰ বিপৰীতে তেওঁ আছিল শাস্ত্ৰৰ গভীৰ জ্ঞান থকা এগৰাকী বিদুষী নাৰী। ঘৰুৱা কামবনবোৰৰ মাজতেই গুৰুজনাৰ শাস্ত্ৰ ব্যাখ্যা, ভকতসকলৰ শাস্ত্ৰৰ আলোচনা-বিলোচনা তেওঁ কাণ পাতি একান্তমনেৰে শুনিছিল। এনেদৰে ভকতৰ সঙ্গত থাকি চন্দৰী আই গৰাকীয়ে শাস্ত্ৰৰ জ্ঞান আয়ত্ব কৰিছিল।

চন্দৰী এগৰাকী দাসী হ'লেও তেওঁৰ শাস্ত্ৰ জ্ঞান কিমান গভীৰ আছিল সেইবিষয়ে কেবাটাও তাৎপৰ্যপূৰ্ণ কাহিনী পোৱা যায়। কোনো এদিন দুজনমান ব্ৰাহ্মণ পণ্ডিতে শঙ্কৰদেৱক গীতাশাস্ত্ৰৰ শ্লোক সুধিবৰ বাবে আহিছিল। চন্দৰী আয়ে সেইসময়ত ধনুখনা নামৰ বিল এখনৰ পাৰতে গুৰুজনাৰ কাপোৰ-কানি ধুই আছিল। তেওঁলোকৰ কথা-বতৰাৰ পৰা চন্দৰীয়ে গম পালে যে তেওঁলোকে গীতাৰ অৰ্থবুজিবৰ বাবে গুৰুজনৰ ওচৰলৈ আহিছে। চন্দৰীয়ে উপযাচিয়েই ব্ৰাহ্মণ পণ্ডিতকেইজনক গীতাৰ সাৰমৰ্ম কৈ দিলে। চন্দৰীয়ে ক'লে যে- " ভগৱন্ত প্ৰসাদে মিলয় কৃষ্ণৰ কৃপাতে তেৰে গুচয় সংসাৰ বন্ধ এহিমানে গীতাৰ নিৰ্ণয়।"

চন্দৰীয়ে কোৱা গীতাশাস্ত্ৰৰ কথাখিনিৰ অৰ্থ হ'ল — এই বিশ্বব্ৰহ্মাণ্ডত প্ৰধানকৈ চাৰিশ্ৰেণীৰ প্ৰাণী আছে। সেইচাৰিবিধ হ'ল- উৰণ, বুৰণ, গজন, ভ্ৰমণ। চৰাই-চিৰিকতি আদি উৰিব পৰা প্ৰাণীসমূহ উৰণৰ ভিতৰত পৰে। পানীত থকা মাছ-কাছ আদি বুৰণৰ ভিতৰত পৰে। গজনৰ ভিতৰত গছ-গছনি উদ্ভিদজাতীয় জীৱসমূহ। মানুহ, জীৱজন্তু আদি ঘূৰি-ফূৰা প্ৰাণীসমূহ ভ্ৰমণৰ অন্তৰ্গত।

এই চাৰিবিধ জীৱ মায়াবী জীৱ হিচাবে পৃথিৱীলৈ অহা-যোৱা কৰি থাকে অৰ্থাৎ এবাৰ জন্ম লয়। শ্ৰীকৃষ্ণই গীতাত কৈছে যে প্ৰাণী সমূহৰ মূল শক্তি হ'ল আত্মা আৰু পৰমাত্মা। এই আত্মা অবিনাশী। জীৱবোৰৰ শৰীৰহে নাশ হয়। দেহৰ লগত থকা আত্মা কেতিয়াও বিনাশ নহয়। নিজ কৰ্মফল অনুসৰি আত্মাই বেলেগ বেলেগ জীৱদেহত প্ৰৱেশ কৰি পৃথিৱীলৈ অহা-যোৱা কৰিব লগীয়া হয়। জগতলৈ বাৰে বাৰে আহিবলগীয়া হোৱাত জীৱসমূহে দুখকষ্ট ভোগ কৰিব লাগে। এক কথাত ক'বলৈ গ'লে জীৱসমূহে জন্মলৈ জগতলৈ অহামানেই যান্ত্ৰণা। ইয়াৰ বিপৰীতে সংসাৰলৈ আহিব নলগীয়া অৱস্থা এটাও মানুহে সৃষ্টি কৰিব পাৰে। কিন্তু এই পথ সহজ নহয়।

চন্দৰী আইৰ কথাখিনিৰ অৰ্থ হ'ল যদি ভগৱানে কৃপা কৰে, দয়া কৰে, যদি তেওঁৰ ইচ্ছা হয়, তেনেহলে পৰমাত্মাৰ লগত বিলীন কৰি জগতলৈ অহা-যোৱা বন্ধ কৰিব পাৰে। এই অৱস্থাটোৱেই জীৱৰ মুক্তি। তেতিয়া আৰু জীৱৰ লটিঘটি নহয়। চন্দৰীয়ে কোৱা - "কৃষ্ণৰ কৃপাতে তেৰে গুছয় সংসাৰ বন্ধ।" কথাটোৰ অৰ্থ এইটোৱেই। *শ্ৰীমদ্ভগৱদ্‌গীতাৰ* দ্বিতীয় অধ্যায়ত এনেবোৰ কথাকেই ভগৱান কৃষ্ণই মানৱজাতিক উদ্দেশ্য কৰি অৰ্জুনৰ আগত কৈছে।

চন্দৰী আইৰ শাস্ত্ৰ জ্ঞানৰ গভীৰতা সম্পৰ্কে আৰু এটা কাহিনী আছে। মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱে ছখন নাট লিখাৰ পূৰ্বে "চিহ্নযাত্ৰা" নামৰ এখন নাটলিখি ভাওনা পাতিবলৈ সাতখন বৈকুণ্ঠৰ চিত্ৰ তুলাপাতত অঙ্কণ কৰিছিল। বৈকুণ্ঠত কল্পতৰু গছজোপা ক'ত দিব অৰ্থাৎ কোনঠাইত অঙ্কণ কৰিব, তত ধৰিবই নোৱাৰিছিল। সেইসময়ত চন্দৰীআয়ে তেওঁৰ ওচৰতে চোতালত ধান মেলি ধান লৰাইছিল। গুৰুজনে কল্পতৰু বৃক্ষজোপা দিবলৈ স্থান-বিচাৰি নোপোৱা কথাটো চন্দৰীয়ে লক্ষ্য কৰি আছিল। চন্দৰীয়ে গুৰুজনাক উদ্দেশ্য কৰি লাহেকৈ মাত লগালে- "ডেকাগিৰী ! সেইখিনিতে নিদিয়া কিয়? শ্ৰীমন্দিৰৰ কাষত আৰু সপ্তম দুৱাৰৰ আগত।" শঙ্কৰদেৱে তেহে চন্দৰী আইৰ নিৰ্দ্দেশমতে কল্পতৰু বৃক্ষজোপা নিৰ্দ্দিষ্টস্থানত অঙ্কণ কৰিলে।

এইকথাৰ পৰা অনুমান কৰিব পাৰি যে প্ৰাচীন কালত নাৰীসকলৰ আনুষ্ঠানিক শিক্ষা নাথাকিলেও বহু নাৰীয়ে ঘৰতে থাকিয়েই শাস্ত্ৰ-জ্ঞান অৰ্জন কৰিছিল। ইয়াৰ জলন্তপ্ৰমান এগৰাকী সাধাৰণ অথচ বৌদ্ধিকদিশত নিজকে আগবঢ়াই নিবখোজা চন্দৰী আই। বৈকুণ্ঠত থকা 'কল্পতৰুবৃক্ষ' জোপাৰ মহিমা আৰু শক্তিঅপাৰ। হিন্দুধৰ্মৰ শাস্ত্ৰসমূহত এই কল্পতৰুবৃক্ষৰ বিষয়ে ভালদৰে ব্যাখ্যা কৰা হৈছে। চন্দৰী আয়ে সেই কল্পতৰুবৃক্ষৰ মহিমা জানিছিল আৰু সেইবাবেই গুৰুজনাক তেওঁৰ চিত্ৰত স্থাননিৰ্ণয় কৰিছিল। সঁচা অৰ্থত চন্দৰী আই এগৰাকী জ্ঞান পুষ্টা আৰু প্ৰত্যুতপন্নমতিতা মহীয়সী নাৰী। ('গুৰুচৰিত'ৰ আধাৰত)■■

**লেখিকা নগাঁৱৰ দক্ষিণপাট ছোৱালী হাইস্কুলৰ প্ৰাঃ প্ৰধান শিক্ষয়িত্ৰী, নগাঁও জিলাৰ শিশু-আইমাতৃ কল্যাণ শাখাৰ প্ৰাঃ সম্পাদিকা।**

আইন

# বৈদিক যুগত নাৰীৰ অধিকাৰ ঃ এক অৱলোকন

ড° ৰীণিমা বুজৰৰুৱা

এখন সমাজৰ সভ্যতা আৰু সংস্কৃতিৰ অগ্ৰগতিৰ মান প্ৰকৃততে সেই সমাজত বসবাস কৰা নাৰীসকলে কি স্থানত অৱস্থান কৰিছে তাৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰণ কৰা হয়। যিসমূহ সমাজ জ্ঞান-বিজ্ঞান, শিল্প-সংস্কৃতি, ধৰ্ম-দৰ্শন আদিত আগবঢ়া সেই সমাজৰ নাৰীসকলে এই ক্ষেত্ৰসমূহত এক অবিস্মৰণীয় ভূমিকা গ্ৰহণ কৰাটো সততে পৰিলক্ষিত হয়। গতিকে নাৰীৰ শিক্ষা-দীক্ষা আৰু সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক মৰ্যাদাৰ পৰ্যবেক্ষণৰ জৰিয়তে সমাজখনৰ উচ্চ বা নিম্নগামী মান সম্পৰ্কে এক সম্যক ধাৰণা লাভ কৰিব পাৰি।

পিতৃপ্ৰধান সমাজ এখনত পুৰুষৰ প্ৰাধান্যই সকলো দিশতে প্ৰত্যেক্ষ কৰা যায়। ভাৰতবৰ্ষত নাৰীসকলক যুগে যুগে বহুতো ক্ষেত্ৰত বঞ্চিত কৰি অহা হৈছে। এনেকি বৰ্তমান সময়তো নাৰীয়ে নিজৰ প্ৰাপ্য সমঅধিকাৰৰ বাবে মাত মাতি থকাটো পৰিলক্ষিত হয়।

কিন্তু এই কথা অৱশ্য স্বীকাৰ্য যে প্ৰাচীন বৈদিক সমাজত নাৰীসকলে এক উচ্চ স্থান লাভ কৰিছিল। সেই সময়ত বিভিন্ন ক্ষেত্ৰত নাৰীসকলে পুৰুষৰ সমানেই আগবাঢ়ি যাবলৈ সক্ষম হৈছিল। কেৱল গৃহকাৰ্যতেই নাৰীসকলে আৱদ্ধ হৈ নাথাকি বিভিন্ন গঠনমূলক কাৰ্যত নিজকে নিয়োজিত কৰাৰ বাবে সুবিধা লাভ কৰিছিল। কিন্তু অৱশ্যে পৰৱৰ্তী সময়ত নাৰীৰ এই অধিকাৰ বহু হ্ৰাস পাইছিল আৰু সমাজত তেওঁলোকৰ স্থান নিম্নগামী হৈছিল। প্ৰাচীন বৈদিক সমাজতনো নাৰীসকলে কেনেধৰণৰ অধিকাৰ লাভ কৰিছিল সেই সম্পৰ্কে ইয়াত এক পৰ্যালোচনা আগবঢ়োৱা হ'ল।

**শিক্ষাৰ অধিকাৰ ঃ** স্ত্ৰীশিক্ষাৰ ক্ষেত্ৰত প্ৰাচীন বৈদিক সমাজত যথেষ্ট গুৰুত্ব আগবঢ়োৱা হৈছিল। জীৱনৰ প্ৰথম স্তৰত তেওঁলোকক শিক্ষা গ্ৰহণৰ সুবিধা প্ৰদান কৰা হৈছিল। সেই সময়ত শিক্ষা সমাপ্ত হোৱাৰ পিছতহে কন্যাৰ বিবাহসম্পন্ন কৰা হৈছিল।[১] গাৰ্হস্থ্য জীৱনত কৃতকাৰ্যতা লাভ কৰাৰ বাবে উপযুক্ত শিক্ষাৰে শিক্ষিত হোৱাটো নিতান্ত প্ৰয়োজনীয় বুলি গণ্য কৰা হৈছিল। মানৱ জীৱনটো সু-পৰিচালিত হোৱাত শিক্ষাই যে বিশেষ প্ৰভাৱ বিস্তাৰ কৰে এই বিষয়ে বৈদিক যুগৰ লোকসকলে ভালদৰে অৱগত আছিল।

এইটো এটা অত্যন্ত তাৎপৰ্যপূৰ্ণ বিষয় যে ঋগ্বেদত মন্ত্ৰদ্ৰষ্টা ঋষিৰূপে কেইবাগৰাকী স্ত্ৰীৰ নাম উল্লেখিত হৈছে। তাৰ ভিতৰত অপালা, বাক্, লোপামুদ্ৰা আদি উল্লেখযোগ্য।[২] পৰমজ্ঞান লাভৰ বাবে স্ত্ৰীসকল কিমান আগ্ৰহী আছিল তাৰ এক সুন্দৰ প্ৰমাণ পোৱা যায় বৃহদাৰণ্যক উপনিষদত। ঋষি যজ্ঞবল্ক্যৰ পত্নী মৈত্ৰেয়ী আছিল অমৃতত্বৰ জ্ঞান লাভৰ বাবে অতিশয় আগ্ৰহী। তেওঁৰ বাবে পাৰ্থিৱ সম্পদৰ কোনো মূল্যই নাছিল। সেই উপনিষদতেই গাৰ্গী নামৰ আন এক বিদুষী স্ত্ৰীৰ কথা পোৱা যায়, যিয়ে নিজকে এগৰাকী যুক্তিবাদী দাৰ্শনিক ৰূপত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল।

আশ্বলায়ন গৃহ্যসূত্ৰত এনে কেইগৰাকীমান বিদুষী স্ত্ৰীৰ নাম উল্লেখ কৰা হৈছে যিসকলৰ প্ৰতি ব্ৰহ্মযজ্ঞসমূহত শ্ৰদ্ধা নিৱেদন কৰা হৈছিল। তেওঁলোক হৈছে সুলভা, গাৰ্গী, ৰাচক্নৱী, বড়বা, প্ৰাতীথেয়ী, মৈত্ৰেয়ী আদি।[৩] ঐতৰেয় ব্ৰাহ্মণত উল্লেখ আছে যে সেই সময়ত ধৰ্মীয় অনুষ্ঠানসমূহ কাৰ্যকৰী কৰাৰ সময়ত যদি কেতিয়াবা কোনো বিষয় লৈ সন্দেহৰ সৃষ্টি হয় তেন্তে বিদুষী

স্ত্ৰীসকলে সন্দেহ নিৰাময়ৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰিছিল।[৪] ইয়াৰ উপৰিও যাজ্ঞিক কাৰ্যসমূহতো স্ত্ৰীসকলক সেই সময়ত পুৰুষৰ সমানে অংশগ্ৰহণ কৰাৰ বাবে সুবিধা প্ৰদান কৰা হৈছিল। সেই কথাইও সেই সময়ত মহিলাসকল যে উপযুক্তভাৱে শিক্ষিত আছিল সেই কথাকেই সূচায়।

গতিকে বৈদিক যুগত যে স্ত্ৰীসকলে বাধাহীনভাৱে শিক্ষা লাভ কৰিছিল সেই কথাৰ পূৰ্ণ প্ৰতিচ্ছবি পৰিলক্ষিত হয়। অৱশ্যে পৰৱৰ্তী পৰ্যায়ত এই অধিকাৰৰপৰা নাৰীসকলক বঞ্চিত কৰি তেওঁলোকৰ বৌদ্ধিক উন্নয়নৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে বাধা প্ৰদান কৰা হৈছিল।

**ধৰ্মীয় অধিকাৰ ঃ** বৈদিক যুগত স্ত্ৰীসকলে পুৰুষৰ সমানেই ধৰ্মীয় অধিকাৰ ভোগ কৰিছিল। সেই সময়ত পত্নী অবিহনে কোনো পুৰুষকেই সম্পূৰ্ণ বুলিগণ্য কৰা নহৈছিল।[৫] পত্নীৰ অবৰ্তমানত প্ৰদান কৰা হবি দেৱতাসকলে গ্ৰহণ কৰিছিল।[৬] গতিকে প্ৰকৃততে যজ্ঞ কৰ্ম পত্নী অবিহনে অসমপূৰ্ণ আছিল। যজ্ঞৰ যাৱতীয় কাৰ্যসমূহ সম্পাদনৰ ক্ষেত্ৰত পত্নীগৰাকীয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।[৭] পতি-পত্নীয়ে একেলগে গাৰ্হপত্যাগ্নিৰ যত্ন ল'ব লাগিছিল। ইয়াৰ উপৰি সামগান গোৱাৰ বাবেও সেই সময়ত পত্নীগৰাকীক নিযুক্ত কৰা হৈছিল।

কোনো কোনো ক্ষেত্ৰত দেখা গৈছিল যে স্ত্ৰীসকলে অকলেই যজ্ঞ কাৰ্য সম্পন্ন কৰিছিল। এইক্ষেত্ৰত বিবাহ সম্পন্ন নোহোৱা স্ত্ৰীসকলো ব্যতিক্ৰম নাছিল। এই বিষয়ে ঋগ্বেদত এগৰাকী কন্যাৰ বিষয়ে উল্লেখ কৰি কোৱা হৈছে যে তেওঁ ইন্দ্ৰৰ উদ্দেশ্যে যজ্ঞত আহুতি প্ৰদান কৰিছিল।[৮] আকৌ উল্লেখ আছে যে বিশ্ববাৰাই দোকমোকালিতে উঠি অকলেই যজ্ঞ সম্পন্ন কৰে।[৯] ইয়াৰ উপৰি দূৰ স্থানত অৱস্থান কৰা স্বামীৰ পত্নীগৰাকীয়ে অকলে যজ্ঞ কাৰ্য সম্পন্ন কৰাৰ বাবে সমৰ্থ হ'ব পাৰিছিল।[১০]

বৈদিক যুগত যে কন্যাসকলৰো উপনয়ন সম্পন্ন কৰা হৈছিল সেই বিষয়েও জানিব পৰা যায়।[১১] ইয়াৰ উপৰি উপনিষদত পোৱা যায় যে সেই সময়ত কিছুমান ধৰ্মীয় সভা অনুষ্ঠিত কৰা হৈছিল আৰু তাত জ্ঞানী লোকসকলৰ লগতে বিদুষী স্ত্ৰীসকলেও মত বিনিময় কৰিছিল। বৃহদাৰণ্যক উপনিষদত পোৱা যায় যে মিথিলাৰ ৰজা জনকে এনে এক সভা অনুষ্ঠিত কৰিছিল যিখন সভাত বিদুষী নাৰী গাৰ্গীয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।[১২]

**সামাজিক অধিকাৰ ঃ** পৰৱৰ্তী যুগতকৈ বৈদিক যুগৰ সমাজ ইমান আগবঢ়া আছিল যে সেই সময়ত বাল্যবিবাহৰ প্ৰচলন সীমিত আছিল। সেই সময়ত শিক্ষা লাভ কৰাৰ পিছতহে কন্যাসকলক বিবাহৰ বাবে উপযুক্ত হৈ উঠা বুলি বিবেচনা কৰা হৈছিল. গতিকে শাৰীৰিক আৰু বৌদ্ধিকভাৱে পূৰ্ণতা লাভ কৰাৰ পাছতহে কন্যাৰ বিবাহ সম্পন্ন কৰা হৈছিল। এইক্ষেত্ৰত সূৰ্যদেৱতাৰ কন্যা সূৰ্যাৰ বিবাহৰ নিদৰ্শন উল্লেখযোগ্য।[১৩]

বহু সময়ত দেখা গৈছিল যে কন্যাসকলে নিজৰ পচন্দ অনুসৰি তেওঁলোকৰ পতি নিৰ্বাচন কৰিব পাৰিছিল। সুন্দৰী স্ত্ৰীয়ে তেওঁলোকৰ পতি নিজে নিৰ্বাচন কৰি লোৱাৰ কথা ঋগ্বেদৰ দশম মণ্ডলত পোৱা যায়।[১৪]

বৈদিক সমাজত পৰ্দা প্ৰথাৰ প্ৰচলন নথকাতো নিশ্চিত আছিল। কাৰণ বিবাহ সম্পন্ন হৈ যোৱাৰ পিছত সমবেত অতিথিৰ সমুখত নৱবিবাহিতা কন্যাক দৰ্শন কৰোৱা মন্ত্ৰ বেদত পোৱা যায়।[১৫] ইয়াৰ উপৰি সমাজত ৰাজহুৱাভাৱে সমবেত হোৱা স্থানত স্ত্ৰীৰ উপস্থিতি আছিল এক স্বাভাৱিক ৰীতি। এইটো সমাজত সম্পূৰ্ণ স্বীকৃত আছিল।[১৬] আকৌ যদি কেতিয়াবা কোনো এটা সুন্দৰ বস্তুৰ বৰ্ণনা লগা হয় তেতিয়া বৈদিক কবিসকলে এগৰাকী সুন্দৰভাৱে পৰিহিতা কোনো ৰাজহুৱা অনুষ্ঠানলৈ গমনৰতা স্ত্ৰীৰ লগত তুলনা কৰি দেখুৱায়।[১৭] সভা-সমিতিত স্ত্ৰীৰ অংশগ্ৰহণৰ বিষয়ে এটি সুন্দৰ বৰ্ণনাই উল্লেখ আছে। এইক্ষেত্ৰত ঘিৰ পাত্ৰত সুমুৱাই দিয়াৰ পিছত উলিয়াই আনি সেই দ্ৰব্য যাজ্ঞিক অগ্নিত প্ৰদান কৰিবলৈ আগবঢ়াই দিয়া হেতাখনক প্ৰথমে গৃহত আৱদ্ধ হৈ থকা আৰু পিছত সভাত অংশ ল'বলৈ ৰাজহুৱা স্থানলৈ ওলাই অহা এগৰাকী স্ত্ৰীৰ লগত তুলনা কৰা হৈছে।[১৮]

গতিকে এইসমূহ কথাই ইয়াকেই প্ৰমাণ কৰি দেখুৱায় যে বৈদিক যুগত স্ত্ৰীসকলে সমাজত যথেষ্ট স্বাধীনতা লাভ কৰিছিল।

**ৰাজনৈতিক অধিকাৰ ঃ** বৈদিক যুগত স্ত্ৰীসকলে শত্ৰুৰ আক্ৰমণৰ প্ৰতিৰোধ কৰাত নিয়োজিত হোৱাৰ

বিষয়ে জানিব পৰা যায়। ৰাণী বিশ্‌পলাই ভৰি এখন যুদ্ধত হেৰুৱাৰ বিষয়ে ঋগ্বেদত উল্লেখ আছে। আকৌ ঋষি মুঘালৰ পত্নী মুঘালিনীয়ে তেওঁৰ স্বামীৰ ধনু-শৰ হাতত তুলি লৈ দুৰ্বৃত্তৰ লগত যুদ্ধ কৰি হেৰোৱা সম্পদ উদ্ধাৰ কৰিছিল। স্ত্ৰীসকলে সেই সময়ত সম্পূৰ্ণৰূপে সজ্জিতা হৈ যুদ্ধক্ষেত্ৰলৈ গৈছিল। তেওঁলোকক সামৰিক প্ৰশিক্ষণ দিয়া হৈছিল যাৰ সহায়ত তেওঁলোকে সেনা আৰু যোদ্ধাৰ ভূমিকাত অৱতীৰ্ণ হ'ব পাৰিছিল।[১৯]

দেৱী সৰস্বতীক বৃত্ৰঘ্নী বুলি অভিহিত কৰাৰ মূলতেই হৈছে এইযে তেওঁ বৃত্ৰ নামৰ সুৰৰ নিধন কাৰ্যত ইন্দ্ৰক সহায়তা আগবঢ়াইছিল।[২০] ইয়াৰ উপৰি দেৱী সূক্ত মতে জনগণৰ মঙ্গলৰ বাবে দেৱীয়ে সংগ্ৰাম কৰিছিল।[২১] যুদ্ধৰতা এই দেৱীসকলৰ বৰ্ণনা হয়তো সেই সময়ত বাস্তৱক্ষেত্ৰত থকা আৰু সংগ্ৰামত নিয়োজিত স্ত্ৰীসকলৰ দ্বাৰাই প্ৰভাৱিত হৈছিল।

গতিকে সেই সময়ত বৈদিক সমাজত ৰাজনৈতিক ক্ষেত্ৰত স্ত্ৰীসকলে পুৰুষতকৈ কোনো গুণেই কম অধিকাৰ ভোগ কৰা নাছিল।

**সম্পত্তি অধিকাৰ ঃ** প্ৰাচীন কালত সম্পত্তিৰ ক্ষেত্ৰত স্ত্ৰীসকলৰ অধিকাৰ অতি সীমিত আছিল। পিতৃৰ সম্পত্তি পুত্ৰইহে লাভ কৰিছিল। সম্পত্তিৰ অধিকাৰ স্ত্ৰীসকলৰ নাই বুলি পৰৱৰ্তী সময়ত স্পষ্টৰূপত ঘোষণা কৰা হৈছিল।

অৱশ্যে যদিও সম্পত্তিৰ পূৰ্ণ অধিকাৰ স্ত্ৰীসকলে পোৱা নাছিল কিছুমান বিশেষ অৱস্থাত তেওঁলোকে এই সুযোগ লাভ কৰিছিল, পুত্ৰহীন পিতৃৰ কন্যা এগৰাকীয়ে পিতৃৰ সম্পত্তিৰ অধিকাৰী হোৱাৰ বিষয়ে ঋগ্বেদত উল্লেখ আছে।[২২] বহু সময়ত দেখা গৈছিল যে পুত্ৰহীন পিতৃসকলে তোলনীয়া পুত্ৰ গ্ৰহণ কৰাটোত উৎসাহ প্ৰদৰ্শন কৰা নাছিল। এইক্ষেত্ৰত এইটো নিশ্চিত যে তেওঁলোকে অপৰিচিত গৰাকী হোৱাটো বেছি ভাল বুলি বিবেচনা কৰিছিল। ইয়াৰ উপৰি যিসকল স্ত্ৰীৰ বিবাহ সম্পন্ন হোৱা নাছিল তেওঁলোকেও পিতৃৰ সম্পত্তি দাবী কৰিব পাৰিছিল।[২৪]

বিবাহিতা কন্যাক ভ্ৰাতৃসকলে সম্পত্তিৰ অধিকাৰ দিয়াটো উচিত নহয় বুলি ঋগ্বেদে ঘোষণা কৰিছে আৰু ইয়াৰ কাৰণ হিচাপে কোৱা হৈছে যে সেইগৰাকী কন্যাই অইন এক পৰিয়ালৰ গৃহলৈ গমন কৰে বাবে এই অধিকাৰ তেওঁৰ প্ৰাপ্য নহয়।[২৪] যিসকল স্ত্ৰীৰ স্বামী মৃত তেওঁলোকৰ ক্ষেত্ৰতো সম্পত্তিৰ অধিকাৰ স্বীকৃত হোৱা নাছিল। তৈত্তিৰীয় সংহিতা আৰু শতপথ ব্ৰাহ্মণে এই কথাৰ স্পষ্ট উল্লেখ কৰিছে।[২৬]

যদিও সম্পত্তিৰ ক্ষেত্ৰত বৈদিক যুগত নাৰীৰ অধিকাৰ কিছু সীমিত আছিল তথাপি যি দুই এটা ক্ষেত্ৰত নাৰীসকলে সেই অধিকাৰ ভোগ কৰিছিল সেইটোৱেই উন্নত বৈদিক সমাজৰ নিদৰ্শন বুলিব লাগিব। তদুপৰি সেই সময়ত প্ৰচলিত যৌথ পৰিয়াল ব্যৱস্থা আৰু লগতে সেই পৰিয়ালসমূহ আজিৰ সমাজৰ দৰে জটিলতাৰে পূৰ্ণ নোহোৱাৰ বাবেও হয়তো পৃঠকভাৱে নাৰীৰ বাবে সম্পত্তিৰ অধিকাৰ প্ৰদানৰ বিষয়টো গভীৰভাবে চিন্তা কৰিব লগা হোৱা নাছিল। আধুনিক ভাৰতবৰ্ষতো বিংশ শতাব্দীতহে নাৰীয়ে সম্পত্তিৰ অধিকাৰ পাবলৈ সক্ষম হৈছে আৰু বাস্তৱ ক্ষেত্ৰত সেয়া ভালদৰে প্ৰতিষ্ঠা হ'বলৈ হয়তো আৰু কিছু দশকৰ প্ৰয়োজন হ'ব।

পুৰুষাতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীৰ স্থান নিম্নমানৰ হোৱাটো সততে পৰিলক্ষিত হয়। সাধাৰণতে তেওঁলোকক অৱজ্ঞাৰ দৃষ্টিৰে চোৱা হয় আৰু সম-অধিকাৰৰপৰা বঞ্চিত কৰা হয়। এইক্ষেত্ৰত বৈদিক সমাজ যথেষ্ট উন্নত আছিল বুলি বিবেচনা কৰিব লাগিব য'ত নাৰীসকলে তেওঁলোকৰ স্বাধীনতা বহুখিনি ভোগ কৰিব পাৰিছিল। বৈদিক যুগৰ উন্নত সমাজ ব্যৱস্থাই সেই সময়ৰ মানুহৰ উচ্চ চিন্তাধাৰাৰ পৰিচয় দিয়ে। পৰৱৰ্তী সময়ত সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন আৰু মানুহৰ মানসিকতাৰ অৱক্ষয় ঘটাৰ ফলত নাৰীসকলে তেওঁলোকৰ অধিকাৰসমূহ ভোগ কৰাত অত্যন্ত বাধাৰ সন্মুখীন হ'ব লগা হৈছিল। বৰ্তমান একবিংশ শতিকাতো নাৰীয়ে নিজৰ প্ৰাপ্য অধিকাৰৰ বাবে সংগ্ৰাম কৰিব লগা হৈছে। গতিকে হাজাৰ বছৰ পুৰণি বৈদিক সমাজৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ যদি নাৰীসকলৰ উন্নয়নৰ বাবে সম্পূৰ্ণ প্ৰচেষ্টা চলোৱা হয় তেন্তে আধুনিক সময়ত ভাৰতবৰ্ষত যে বাস্তৱতেই সমতাৰ ভিত্তিত এখন সমাজ প্ৰতিষ্ঠা হ'ব সেয়া নিশ্চিত।■■

**পাদটীকা ঃ**

১. ‘ব্ৰহ্মচৰ্যেণ কন্যা যুৱানং ৱিন্দতে পতিম্।’ —অথৰ্ববেদ, ১১/৫/১৮
২. ঋগ্বেদ, ৮.৯১.১-৭, ১০.১২৫, ১.১৭৯.১-৬
৩. আশ্বলায়ন গৃহ্যসূত্ৰ, ৩.৪.৪.
৪. ঐতৰেয় ব্ৰাহ্মণ, ৫. ২৯
৫. ঐতৰেয় ব্ৰাহ্মণ, ১. ২৫
৬. ‘অযজ্ঞীয়ো ৰৈষ যোঽপত্নীকঃ’। শতপথ ব্ৰাহ্মণ, ৫.১.৬.১০.
৭. শতপথ ব্ৰাহ্মণ, ৬.৫, ৩, ১
৮. ঋগ্বেদ, ৮, ৯১.১
৯. ঋগ্বেদ, ৫.২৮.১
১০. আলটেকাৰ, এ.এচ্, দি পজিশ্যন অৱ হিন্দু চিভিলাইজেশ্যন, মতিলাল বেনাৰসী দাস, ১৯৫৬, পৃ. ১৯৮
১১. পুৰাকল্পে তু নাৰীনাং মৌঞ্জীবন্ধনমিষ্যতে, উক্ত গ্ৰন্থত উদ্ধৃত, পৃ.২০০
১২. বৃহদাৰণ্যকোপনিষদ, ৩৬, ৩.৮
১৩. ঋগ্বেদ, ১০.৮৫.৯
১৪. ঋগ্বেদ, ১০. ২৭. ১২
১৫. সুমঙ্গলীৰিয়ং বধূৰিমাং সমেত পশ্যত, ঋগ্বেদ, ১০.৮৫.৩৩
১৬. অথৰ্ববেদ, ২.৩৬.১
১৭. ঋগ্বেদ, ৪.৫৮.৭, ১০.১৬৮.২
১৮. মিম্যক্ষ যেষু সুধিতা ঘৃতাচী হিৰণ্যনিৰ্ণিগুপৰা ন ঋষ্টিঃ। গুহা চৰংতী মনুষো ন ঘোষা সভাৱতী বিদথ্যেৱ সং বাক্।।

— ঋগ্বেদ, ১.১৬৭.৩

১৯. প্ৰোফেচৰ ইন্দ্ৰ, দি ষ্টেটাচ্ অৱ ইউমেন ইন এনচিয়েণ্ট ইণ্ডিয়া, মতিলাল বেনাৰসী দাস, বেনাৰস, ১৯৫৫, পৃ. ১৫৩, ১৫৪,
২০. উক্ত গ্ৰন্থ, পৃ. ১৫৩
২১. ঋগ্বেদ, ১১.১২৫.৬
২২. ঋগ্বেদ, ১. ১২৪.৭
২৩. ন হি গ্ৰভায়াৰণঃ সুশেৱোঽন্যোদৰ্য্যো মনসা মন্তবা উ। — ঋগ্বেদ, ৭.৪.৮
২৪. ঋগ্বেদ, ২.১৭.৭
২৫. ঋগ্বেদ, ৩.৩১.২
২৬. তৈত্তিৰীয় সংহিতা, ৬.৫.৮.২
শতপথ ব্ৰাহ্মণ, ৪.৪.২.১৩

**লেখিকা কটন মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ**
**সহযোগী অধ্যাপিকা**

---

# স্ত্ৰীধন

বিবাহত অগ্নিৰ সন্মুখত কন্যাক দিয়া ধন, শহুৰৰ ঘৰৰ পৰা দিয়া ধন, স্বামীয়ে দিয়া ধন, ভাতৃয়ে দিয়া ধন, পিতৃয়ে দিয়া ধন আৰু মাতৃয়ে দিয়া ধন এই ছয় প্ৰকাৰ ধনক ‘স্ত্ৰীধন’ বোলা হয় ।

স্ত্ৰীধন স্ত্ৰীৰ সন্তানসকলৰ। সন্তানৰ অভাৱ হ’লে সেই ধন স্বামীৰ। যদিহে স্ত্ৰী গৰাকীৰ ব্ৰাহ্ম, দৈৱত, আৰ্ষ আৰু প্ৰজাপত্য এই চাৰিপ্ৰকাৰৰ যিকোনো এটাত বিবাহ হয়। বাকী আন চাৰিপ্ৰকাৰ বিবাহত (আসুৰ, গান্ধৰ্ৱ, ৰাক্ষস আৰু পৈশাচ) স্ত্ৰীধন পিতৃ গৃহলৈ যায়।

— নাৰদস্মৃতি - ৪।৮-৯

# শিক্ষাৰ অধিকাৰ আইন আৰু আমাৰ শিশুসকল

উৎপলা বৰা

সংবিধানৰ ৮৬ তম্ সংশোধনীৰ জৰিয়তে প্ৰাথমিক শিক্ষকক মৌলিক অধিকাৰৰূপে স্বীকৃতি দিয়াৰ লগে লগে দেশৰ সকলো শ্ৰেণীৰ শিশুৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা লাভৰ পথ মুকলি হ'ল। শিক্ষাক শিশুৰ মৌলিক অধিকাৰৰূপে স্বীকৃতি দিয়াৰ উদ্দেশ্যে ২০০২ চনত সংসদত বিধেয়ক গৃহীত কৰা হয়। কিন্তু বিভিন্ন কাৰণত এই বিধেয়কখন ইমান বছৰে কাৰ্যকৰী হোৱা নাছিল যদিও ২০১০ চনৰ ১ এপ্ৰিলৰ পৰা সমগ্ৰ দেশতে এই আইন বলবৎ কৰা হয়। এই অধিকাৰ কাৰ্যকৰী হোৱাৰ লগে লগে শতিকাজোৰা এই প্ৰচেষ্টা কিছু পৰিমাণ হলেও সাফল্যৰ দিশত অগ্ৰসৰ হয়। এই প্ৰচেষ্টাৰ জৰিয়তে পূৰ্বৰ তুলনাত শিক্ষাৰ প্ৰসাৰ যথেষ্ট হৈছে যদিও দেশৰ সকলো শ্ৰেণীৰ নাগৰিকক এই প্ৰক্ৰিয়াৰে শিক্ষিত কৰি তোলাটোও সম্ভৱ নহয়। বিগত কেবাদশক ধৰি শিক্ষাৰ প্ৰসাৰৰ উদ্দেশ্যে চেষ্টা চলাই অহা হৈছে যদিও আংশিকভাৱেহে সাফল্য লাভ কৰা হৈছে। ইয়াৰোপৰি প্ৰতিবছৰে শিক্ষালাভৰ ব্যয় বৃদ্ধি পোৱাত দৰিদ্ৰ শ্ৰেণীৰ লোকে এনে ব্যয় বহন কৰিব নোৱাৰা হৈ আহিছে। ফলস্বৰূপে স্কুলীয়া শিক্ষা আধৰুৱাকৈ এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও বৃদ্ধি পাই আহিছে। আনহাতে একাংশ শিশুৱে ইচ্ছাকৃত ভাৱে বিদ্যালয়লৈ যোৱাৰপৰা বিৰত থাকে আৰু অভিভাৱক সকলেও এই ক্ষেত্ৰত বিশেষ সতৰ্কতা অৱলম্বন কৰা দেখা নাযায়। শিক্ষাৰ অধিকাৰ মৌলিক হৈ পৰাৰ লগে লগে এনেবোৰ সমস্যা দূৰ কৰিব পৰা যাব বুলি আশা কৰা হৈছে। ইয়াৰোপৰি এই আইনৰ জৰিয়তে শিক্ষাৰ গুণগত মান উন্নত কৰিব পৰা যায়।

২০১০ চনৰ ১ এপ্ৰিল তাৰিখৰ পৰা সমগ্ৰ দেশজুৰি বলবৎ হোৱা শিশুসকলৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ অৰ্থনৈতিকভাৱে দুৰ্বল পৰিয়ালৰ শিশুসকলৰ কাৰণে প্ৰথম শ্ৰেণীত নামভৰ্তিকৰণৰ বাবে ২৫ শতাংশ আসন সংৰক্ষিত থাকিব। এই আইনমতে প্ৰাথমিক শিক্ষা পৰ্যায়ত কোনো শিশুকে একেটা শ্ৰেণীতে ৰাখি থ'ব নোৱাৰিব আৰু বিদ্যালয়ৰ পৰা উলিয়াই দিব নোৱাৰিব আৰু শিশুসকলৰ বাবে বৰ্ড বা পৰিষদৰ পৰীক্ষা উত্তীৰ্ণ হোৱাৰ প্ৰয়োজন নহ'ব। যোৱা বছৰ অৰ্থাৎ ২০০৯ চনৰ আগষ্ট মাহত আমাৰ দেশত উভয় সংসদত গৃহীত হোৱা শিশুসকলৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইনখনে আমাৰ দেশৰ প্ৰত্যেকটো শিশুৰ শিক্ষাৰ স্বাৰ্থত যে অপৰিহাৰ্য আমূল পৰিৱৰ্তন আনিব তাত সন্দেহ নাই।

অৱশ্যে স্বাধীনতাৰ পাছত বিগত ছয় দশকত দেশৰ শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট পৰিৱৰ্তন সাধিত হৈছে। প্ৰাথমিকৰ পৰা উচ্চ প্ৰাথমিক শাখালৈ উন্নীত হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও বৃদ্ধি পাইছে। তথাপিও প্ৰতি বছৰে দেশত বিভিন্ন কাৰণত লাখ লাখ শিশুৱে প্ৰাথমিক শিক্ষা আধৰুৱাকৈ এৰিব লগা হয়। শিক্ষা আধৰুৱাকৈ এৰি এইসকল শিশুৰ অধিকাংশই শ্ৰমিকৰূপে কোনো নিয়োগকৰ্তাৰ অধীনত, কোনো হোটেল-ৰেষ্টোৰাত, কাৰখানাত, দোকানত, খেতি পথাৰত বা আন ঠাইত কাম কৰিবলৈ লয়। অন্যান্য শ্ৰেণীৰ আন বহু সংখ্যক শিশুৱেও শিক্ষাৰ পৰা বঞ্চিত হৈ আহিছে। এনে লাখ লাখ শিশুৰ শিক্ষাৰ অধিকাৰ এই আইনে সুনিশ্চিত কৰিব বুলি আশা কৰা হৈছে।

শিক্ষাৰ অধিকাৰ আইন কাৰ্যকৰী হোৱাকৈ কিছুমান আন্তঃগাঁথনিৰ উন্নয়ন নিশ্চিত কৰিব লাগিব।

(১) সকলো শ্ৰেণীৰ শিশুৰ বাবে বিদ্যালয় বা অন্যান্য সা-সুবিধা আছে যদিও শিক্ষা লাভৰ পৰা বঞ্চিত এইসকল শিশুৱে বিদ্যালয়লৈ যোৱাৰ কোনো নিশ্চয়তা

নাই।

(২) অভিভাৱক বা আন কাৰোবাৰ হেঁচাত বিদ্যালয়ত নাম ভৰ্তি কৰিলেও তেওঁলোকে শিক্ষা সম্পূৰ্ণ কৰাৰ কোনো নিশ্চয়তা নাই।

(৩) শিক্ষাৰ অধিকাৰ আইনৰ নামত যাতে কোনো ভেকোভাওনা নহয়, তাৰ প্ৰতিও চৰকাৰে লক্ষ্য ৰখা উচিত।

(৪) শিক্ষাৰ অধিকাৰ আইনৰ অধীনত শিশুসকলক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদানৰ লগতে শিক্ষাৰ গুণগত মানৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে।

**লবলগীয়া সাৱধানতা ঃ** যি শিক্ষা নিম্নমানৰ তেনে শিক্ষা গ্ৰহণ কৰিবলৈ স্বাভাৱিকতে শিশুসকল অমান্তি হয়। ইয়াৰ অৰ্থ হ'ব শিক্ষাৰ অধিকাৰৰ পৰা শিশুসকল বঞ্চিত হোৱা। সেই কাৰণে শিশুসকলক শিক্ষা গ্ৰহণৰ প্ৰতি আকৰ্ষিত হ'বলৈ কিছুমান পদ্ধতি অৱলম্বন কৰিব লাগিব।

(১) পৰম্পৰাগত পদ্ধতিৰ পৰা পৃথক হ'ব লাগিব।

(২) শিশুসকলৰ মনৰ পৰা সংশয় দূৰ কৰাৰ লগতে শিক্ষা পদ্ধতি আমোদজনক হোৱা উচিত।

(৩) শিশুসকলৰ মানসিক উৎকৰ্ষ সাধনৰ সকলো উপাদান— পাঠ্যপুথি, শিক্ষণ সামগ্ৰীৰ সকলো সুবিধা লাভ কৰিলেহে শিশুসকল শিক্ষা লাভৰ প্ৰতি আকৰ্ষিত হ'ব।

(৪) শিক্ষা প্ৰদান আৰু শিক্ষা গ্ৰহণ পদ্ধতি বোজাসদৃশ হ'ব নালাগিব আৰু ইয়াক ছাত্ৰ-ছাত্ৰীৰ অনুকূল কৰি তুলিবলৈ পাঠ্যক্ৰমৰ যথেষ্ট সংশোধন ঘটাব লাগিব।

(৫) শিক্ষাদানৰ সময়ত শিক্ষকসকলেও এই কথা মনত ৰাখিব লাগিব যে তেওঁলোকে শিশু শিক্ষাৰ অধিকাৰ আইনকহে কাৰ্যকৰী ৰূপ দিবলৈ লৈছে আৰু এই কথা শিক্ষকসকলে নিশ্চিত কৰিব লাগিব যে কোনো কাৰণতে শিশুসকলৰখ এই অধিকাৰ ভঙ্গ কৰা নহয়।

(৬) পৰীক্ষাৰ মূল্যায়ণ পদ্ধতিৰ এনেদৰে সালসলনি কৰিব লাগিব যাতে শিশুসকলে বিদ্যালয় আৰু ব্যক্তিগত টিউছনক লৈ ব্যস্ত থাকি নিজৰ শৈশৱ পাহৰি যাব লগা নহয়।

(৭) বিদ্যালয়ত শিশুক শাস্তি প্ৰদান, বহিষ্কাৰ বা আৱদ্ধ কৰি থোৱা আদি ব্যৱস্থা নাইকিয়া কৰিব লাগিব।

(৮) শিশুশ্ৰমিক নাইকিয়া কৰি বিভিন্ন কাৰখানা, হোটেল, ৰেষ্টোৰা, দোকান, খেতিপথাৰ আদিত কাম কৰা শিশুক শিক্ষাৰ অধিকাৰ আইনৰ অধীনলৈ আনিবলৈ চেষ্টা কৰিব লাগে। তেতিয়াই শিশু শ্ৰমিক নাথাকিব। এনে শিক্ষাৰ অধিকাৰ আইন কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত চৰকাৰৰ যথেষ্ট ভূমিকা থাকিলেও বিভিন্ন সংগঠন, স্বেচ্ছাসেৱী ব্যৱস্থা আদিয়েও আগবাঢ়ি আহিব লাগিব। এই সকলোৰে সহযোগত শিক্ষাৰ অধিকাৰ আইন কাৰ্যকৰী কৰিব পাৰিলে ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য পূৰণ হোৱাৰ লগতে শিক্ষাৰ পৰা বঞ্চিত শিশুসকলো উপকৃত হ'ব।

তাৰোপৰি আজিৰ শিশুৱে যে দেশখনৰ কাইলৈৰ নাগৰিক আৰু এই ক্ষেত্ৰত ৰাষ্ট্ৰখনৰ যে কিছু গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলগীয়া আছে তাক 'উচ্চতম ন্যায়লয় আইন সেৱা সমিতি বনাম ভাৰত চৰকাৰ (AIR-1989-SC-1278) গোচৰটোত বৰ্ণনা কৰা হৈছে আৰু এনেদৰে ভাৰতবৰ্ষৰ ন্যায়পালিকাই শিশুসকলৰ স্বাৰ্থত আৰু তেওঁলোকৰ আইনগত তথা সাংবিধানিক অধিকাৰসমূহ সুৰক্ষিত কৰিবলৈ এনে ধৰণৰ কিছুমান ৰায়দান কৰি আহিছে। সেয়ে অদূৰ ভৱিষ্যতেও দেশৰ আইন আৰু সাংবিধানিক ব্যৱস্থাৰ লগতে সমাজৰ সকলো পক্ষই যদি শিশুসকলৰ স্বাৰ্থত তথা শিশুসকলৰ অধিকাৰসমূহ খৰ্ব নকৰাকৈ তাক পাৰ্যমানে সুৰক্ষিত কৰাৰ যত্ন কৰে তেনেহলে আজিৰ এই দেৱতুল্য নিষ্পাপ শিশুসকলেই যে আমাৰ দেশৰ একোজন সুনাগৰিক হিচাবে নিজকে প্ৰতিষ্ঠিত কৰি দেশক উন্নতিৰ পথত আগুৱাই নিবলৈ সক্ষম হয়, লগতে দেশৰ বাবে সুখ্যাতি অৰ্জন কৰিব পাৰে, সেয়াই সকলোৰে কাম্য। উল্লেখযোগ্য যে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই নিজাকৈ বিদ্যালয় স্থাপন কৰি তাৰ জৰিয়তে বিদ্যায়তনিক আৰু আধ্যাত্মিক দুয়ো প্ৰকাৰৰ শিক্ষাদান কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।■■

**লেখিকা নগাঁও বাৰ এচ'চিয়েচনৰ অধিবক্তা**

# তথ্য জনাৰ অধিকাৰ

**মুকুট শইকীয়া**

ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পাছতে ভাৰতবৰ্ষৰ নিজৰ সংবিধান প্ৰস্তুত কৰি বলবৎ কৰা হয়। এখন দেশৰ সংবিধান হ'ল এনে এক নথিপত্ৰ য'ত দেশখনৰ সাংগঠনিক তথা চলন-কৰণৰ মূল আভাস সংক্ষিপ্তভাৱে সন্নিৱিষ্ট থাকে। সংবিধানৰ বিধান অনুসৰিয়ে দেশখনৰ শাসন ব্যৱস্থা, জনসাধাৰণৰ অধিকাৰ আৰু এই অধিকাৰ সাব্যস্ত কৰাৰ পদ্ধতি আৰু উপযুক্ত স্থান আদি নিৰ্দ্ধাৰিত হয়। গতিকে জনসাধাৰণৰ প্ৰতিজন ব্যক্তি দেশখনৰ উন্নতি, কৰ্মসূচী তথা বিভিন্ন ক্ষেত্ৰৰ তথ্য জনাৰ প্ৰয়োজন আৰু অধিকাৰ থাকে। ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ১৯-ৰ দফা ১-ৰ উপদফা (ক) (Article 19(i) (a)-ত দিয়া বাক্ স্বাধীনতাৰ ভিতৰত তথ্য জনাৰ অধিকাৰ এবিধ মৌলিক অধিকাৰ।

তথ্য জনাৰ অধিকাৰ সাব্যস্ত কৰাৰ উদ্দেশ্যে ২০০২ চনত সংসদে তথ্যৰ স্বাধীনতা অধিনিয়ম ২০02 (Freedom of Information Act.,2002) প্ৰস্তুত কৰে। এই আইনৰ জৰিয়তে জনসাধাৰণে তেওঁলোকৰ প্ৰাপ্য অধিকাৰ কাৰ্যতঃ লাভ কৰিবৰ বাবে উপযুক্ত ভাৱে কাৰ্যকৰী নোহোৱাত ২০০5 চনত তথ্য জনাৰ অধিকাৰ অধিনিয়ম,২০০৫ (Right to Information Act.,2005) প্ৰস্তুত হয়। 'তথ্যৰ স্বাধীনতা অধিনিয়ম,২০০২' বাতিল কৰি এই অধিনিয়মখনৰ জৰিয়তে তথ্য জনাৰ অধিকাৰৰ গুৰুত্ব অনুসৰি অধিক অৰ্থপূৰ্ণ তথা ফলপ্ৰসু কৰি তোলাৰ চেষ্টা কৰা হয়। ৰাষ্ট্ৰীয় উপদেষ্টা পৰিষদ আৰু অন্যান্য সকলৰ পৰামৰ্শ অনুসৰি কেন্দ্ৰীয় চৰকাৰে তথ্যসমূহ লাভ কৰাটো নিশ্চত কৰাৰ উদ্দেশ্যে পূৰ্বৰ তথ্যৰ স্বাধীনতা অধিনিয়মখনৰ বহুখিনি সাল-সলনি ঘটাই 'তথ্য জনাৰ অধিকাৰ অধিনিয়ম,২০০৫' (Right to Information Act.,2005) প্ৰস্তুত কৰে।

**তথ্য জনাৰ অধিকাৰ মানে কি?** তথ্য জনাৰ অধিকাৰ বুলিলে ৰাজহুৱা কৰ্ত্তৃপক্ষৰ অধীনত বা নিয়ন্ত্ৰণত থকা তথ্যসমূহ লাভ কৰাৰ অধিকাৰকে বুজায়। ইয়াৰ ভিতৰত কাৰ্যব্যৱস্থা, নথি-পত্ৰ পৰীক্ষা কৰা, এনে নথি-পত্ৰৰ টোকা বা প্ৰমাণিত নকল লাভ কৰা, যিকোনো সামগ্ৰীৰ প্ৰমাণিক নমুনা সংগ্ৰহ বা টেপ ৰেকৰ্ডাৰ, ডিস্ক, ফ্ল'পি দৃশ্য-শ্ৰাব্য কেছেট বা আন কোনো ইলেক্ট্ৰনিক মাধ্যমত বা কম্পিউটাৰ বা তেনে সঁজুলিত থকা তথ্য ছপা কৰি উলিওৱা নকল আদিৰ জৰিয়তে তথ্য লাভ কৰিব পৰা অধিকাৰকে বুজায়।

তথ্য জনাৰ অধিকাৰ অধিনিয়ম হ'ল ২০০৫-ত তথ্য থকা 'Information'-ৰ অৰ্থ হ'ল যিকোনো মাধ্যমত থকা বা যিকোনো ধৰণে থকা বিষয়বস্তু, ইয়াৰ ভিতৰত লিখিত বৃত্তান্ত, নথি-পত্ৰ ইলেক্ট্ৰনিক ডাক্ (E-mail), মতামত, পৰামৰ্শ, সংবাদ, নিৰ্দেশনা, আদেশ, কাৰ্যালয়ৰ মুখ্য বিষয়াৰ টিপ্পনী, কিতাপ, চুক্তি, প্ৰতিবেদন, কাকত, নমুনা, আদৰ্শ, ইলেক্ট্ৰনিক মাধ্যমত সংৰক্ষিত বিশেষ তথ্য আৰু ব্যক্তিগত তথ্য, যিবিলাক লোক তথ্য বিষয়াই আন কোনো বৰ্তি থকা আইনৰ অধীনত লাভ কৰে, ইত্যাদি।

এই আইনৰ ধাৰা ২-ৰ দফা (ঞ)-ত তথ্য জনাৰ অধিকাৰ মানে ৰাজহুৱা কৰ্ত্তৃপক্ষৰ তলত উল্লেখিত বিষয়সমূহৰ তথ্য লাভ কৰাকে বুজাইছে। ৰাজহুৱা কৰ্ত্তৃপক্ষৰ অধীনত বা নিয়ন্ত্ৰণত থকা বিষয়সমূহৰ ভিতৰত (১) কাৰ্যকলাপ, নথি-পত্ৰ, লিখিত বৃত্তান্ত আদিৰ পৰিদৰ্শন, (২) নথি-পত্ৰ বা লিখিত বৃত্তান্তৰ টোকা গ্ৰহণ, প্ৰয়োজনীয় অংশ গ্ৰহণ কৰা বা প্ৰমাণিত প্ৰতিলিপি লাভ কৰা, (৩) কোনো বিষয়বস্তুৰ প্ৰমাণিত নমুনা সংগ্ৰহ, (৪) ডিচকেট, ফ্ল'পি, টেপৰেকৰ্ডিং, আলোকচিত্ৰৰ কেছেট বা

ইলেক্ট্ৰনিক মাধ্যম বা গাণনিক যন্ত্ৰ (কম্পিউটাৰ) বা আন কোনা সঁজুলিত সংৰক্ষিত তথ্য ছপা কৰি সংগ্ৰহ কৰিব পৰা অধিকাৰকে বুজায়।

এই আইনখনত চৰকাৰী কৰ্তৃপক্ষ বুলিলে যিকোনো কৰ্তৃপক্ষ, গোট বা স্বতন্ত্ৰভাৱে তলত উল্লিখিত ধৰণে অনুষ্ঠান প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰা হয়, তেনেহলে ইয়াক চৰকাৰী কৰ্তৃপক্ষ বুলি ধৰা হ'ব।

এই প্ৰতিষ্ঠানসমূহ যদি—

(১) সংবিধানৰ দ্বাৰা বা সংবিধানৰ অধীনত গঠিত হয়।

(২) সংসদৰ দ্বাৰা অনুমোদিত আইনৰ দ্বাৰা গঠিত হয়।

(৩) কোনো বিধানসভাৰ দ্বাৰা প্ৰৱৰ্তিত আইনৰ দ্বাৰা গঠিত হয়, বা

(৪) উপযুক্ত চৰকাৰৰ দ্বাৰা জাননী জাৰি কৰি বা নিৰ্দেশ আদিৰ জৰিয়তে গঠন কৰিলে।

সেই অনুষ্ঠানসমূহ চৰকাৰী কৰ্তৃপক্ষ। চৰকাৰৰ দ্বাৰা গঠন কৰা, নিয়ন্ত্ৰণ কৰা বা আৰ্থিক সাহায্য দিয়া অনুষ্ঠানসমূহ চৰকাৰী কৰ্তৃপক্ষৰ অন্তৰ্ভুক্ত। বেচৰকাৰী অনুষ্ঠানসমূহ চৰকাৰৰ অৰ্থসাহায্যপ্ৰাপ্ত হ'লে বা চৰকাৰে পুঁজিৰ যোগান ধৰিলে ইয়ো চৰকাৰী কৰ্তৃপক্ষ হ'ব। এই আইনৰ দৃষ্টিত অৰ্থাৎ চৰকাৰী বিভাগসমূহৰ উপৰি চৰকাৰৰ দ্বাৰা পোনপটীয়া বা অন্য ধৰণে পুঁজিৰ যোগান ধৰা বা নিয়ন্ত্ৰণ কৰা সকলো অনুষ্ঠান-প্ৰতিষ্ঠান বা সংস্থাই চৰকাৰী কৰ্তৃপক্ষ। এই চৰকাৰী অনুষ্ঠানসমূহৰ পৰা তথ্য লাভ কৰিব পৰা অধিকাৰকে তথ্য জনাৰ অধিকাৰ বুলি কোৱা হৈছে। এই আইনৰ জৰিয়তে কেন্দ্ৰীয়, ৰাজ্যিক অথবা স্থানীয় কৰ্তৃপক্ষসমূহৰ তথ্য লাভ কৰিব পৰা যায়।

**তথ্যসমূহ কোনে যোগান ধৰিব ঃ**

তথ্য জনাৰ অধিকাৰ অধিনিয়ম,২০০৫-ৰ মূল উদ্দেশ্য হ'ল নাগৰিকসকলে তথ্যসমূহ লাভ কৰিব পৰাকৈ সহজ ব্যৱস্থাৰ জৰিয়তে কাৰ্যত ৰূপায়ণ কৰি প্ৰকৃতাৰ্থত গণতন্ত্ৰ প্ৰতিষ্ঠা কৰা। সেয়েহে প্ৰতিটো প্ৰশাসনিক গোট বা কাৰ্যালয়ত প্ৰত্যেক ৰাজহুৱা কৰ্তৃপক্ষই একোজনকৈ লোকতথ্য বিষয়া আৰু প্ৰতি মহকুমা পৰ্যায়ত প্ৰত্যেক ৰাজহুৱা কৰ্তৃপক্ষই একোজনকৈ সহকাৰী 'লোকতথ্য বিষয়া' নিয়োগ কৰিব।

তথ্য জানিব বিচৰা ব্যক্তিসকলে 'লোক তথ্য বিষয়া'ৰ ওচৰত আবেদন কৰি তথ্য লাভ কৰিব পাৰিব। লোক তথ্য বিষয়াৰ হৈ সহকাৰী লোক তথ্য বিষয়াই আবেদন গ্ৰহণ কৰিব পাৰে। লোক তথ্য বিষয়া গৰাকীয়ে আবেদনকাৰীৰ লগত প্ৰয়োজনীয় যোগাযোগ কৰিব পাৰে আৰু আবেদনকাৰীয়ে তথ্য লাভ কৰাৰ বাবে প্ৰয়োজনীয় সকলো সহযোগিতা আগবঢ়াব লাগে।

তথ্য জনাৰ অধিকাৰ অধিনিয়ম,২০০৫ (Right To Information Act.,2005)-ৰ ধাৰা ৫-ত লোক তথ্য বিষয়া আৰু সহকাৰী লোক তথ্য বিষয়াই আবেদনকাৰীয়ে বিচৰা তথ্য স্পষ্টভাৱে বুজি পোৱাত অসুবিধা হ'লে তথ্য বিষয়া গৰাকীয়ে আবেদনকাৰীৰ লগত যোগাযোগ কৰি স্পষ্টভাৱে উল্লেখ কৰাত সহায় কৰিব।

আবেদনকাৰীয়ে বিচৰা তথ্যসমূহ আবেদন কৰাৰ ৩০ দিনৰ ভিতৰত কেন্দ্ৰীয়/ৰাজ্যিক লোক তথ্য বিষয়াগৰাকীয়ে যোগান ধৰিব লাগে। অৱশ্যে আবেদন যদিসহকাৰী লোকতথ্য বিষয়াই গ্ৰহণ কৰে তেন্তে এই সময়ৰ লগত পাঁচদিন যোগ দিব লাগে।

এই অধিনিয়মৰ জৰিয়তে নিৰ্ধাৰিত ৩০ দিনৰ ভিতৰত তথ্য যোগান ধৰাটো বাধ্যতামূলক। নিৰ্ধাৰিত সময়ৰ ভিতৰত তথ্য যোগান নধৰিলে বা এই অধিনিয়মত উল্লেখিত বিষয়ত আবেদনকাৰীৰ লগত যোগাযোগ নকৰিলে লোকতথ্য বিষয়া গৰাকীৰ উৰ্দ্ধ্ব বিষয়াৰ ওচৰত আপীল কৰিব পাৰি। লোকতথ্য বিষয়া গৰাকীৰ সিদ্ধান্তত অসন্তুষ্ট হ'লেও আবেদনকাৰীয়ে আপীল কৰিব পাৰে। ইয়াৰোপৰি আন কোনো কাৰণত যদি আবেদনকাৰীয়ে তথ্য বিচাৰি আবেদন কৰিব নোৱাৰে বা তথ্য লাভ কৰাত ব্যৰ্থ হয় বা এই অধিনিয়মৰ কাৰ্যতঃ ৰূপায়ণত ব্যৰ্থ হয়, তেন্তে তথ্য আয়োগৰ ওচৰত আপীল কৰিব পাৰে।

কেন্দ্ৰীয়/ৰাজ্যিক তথ্য আয়োগ গঠন কৰি 'তথ্য জনাৰ অধিকাৰ অধিনিয়ম,২০০৫' (Right To Information Act,2005)-ৰ জৰিয়তে তথ্য লাভ কৰিবলৈ ব্যৰ্থ হোৱা ব্যক্তিসকলে অভিযোগ তথা আপীল কৰিব পৰা এক ক্ষমতাসম্পন্ন অনুষ্ঠানৰ জন্ম দিছে। তথ্য লাভৰ বেলিকা যদি—

(ক) কোনো ব্যক্তিয়ে তেওঁৰ অত্যাৰশ্যকীয় তথ্য বিচাৰি কেন্দ্ৰীয়/ৰাজ্যিক তথ্য বিষয়াৰ ওচৰত আবেদন কৰিবলৈ ব্যৰ্থ হয়, তেনে কোনো তথ্য বিষয়া নিয়োগ নকৰাৰ কালত বা যদি কেন্দ্ৰীয়/ৰাজ্যিক তথ্য বিষয়া বা তেওঁলোকতকৈ উচ্চ পৰ্যায়ৰ বিষয়াৰ বাবে পঠাব বিচৰা আপীল আবেদন বা কেন্দ্ৰীয়/ৰাজ্যিক তথ্য আয়োগৰ আবেদন সহকাৰী কেন্দ্ৰীয়/ৰাজ্যিক লোক তথ্য বিষয়াই গ্ৰহণ কৰিবলৈ অনিচ্ছুক হয়।

(খ) কৰ্ত্তৃপক্ষই এই আইনৰ অধীনত বিচৰা তথ্য দিবলৈ অস্বীকাৰ কৰিলে।

(গ) নিৰ্ধাৰিত সময়ৰ ভিতৰত কোনো আৱশ্যকীয় তথ্যৰ বাবে দিয়া আবেদনৰ প্ৰতি গুৰুত্ব নিদিলে।

(ঘ) তথ্য বিচৰা ব্যক্তিজনে দিব লগা মাছুল অত্যধিক হ'লে।

(ঙ) আবেদনকাৰীয়ে ভবাৰ থল থাকে যে তেওঁক যোগান ধৰা তথ্যসমূহ আধৰুৱা, ভুৱা বা মিছা তথ্য সমূহ আধৰুৱা, ভুৱা বা মিছা তথ্য, বা

(চ) এই আইনৰ অধীনত বিচৰা তথ্যৰ বা লাভ কৰা তথ্যৰ আনকোনো অজুহাত থাকিলে।

তথ্য বিচাৰি আবেদন কৰা আবেদনকাৰীয়ে কেন্দ্ৰীয় কৰ্ত্তৃপক্ষৰ ক্ষেত্ৰত কেন্দ্ৰীয় তথ্য আয়োগ আৰু চৰকাৰী কৰ্ত্তৃপক্ষৰ ক্ষেত্ৰত চৰকাৰী তথ্য আয়োগৰ ওচৰত পোনপটীয়াকৈ অভিযোগ কৰিব পাৰে।

যেতিয়া কেন্দ্ৰীয়/ৰাজ্যিক তথ্য আয়োগে এনে অভিযোগ সমূহত উপুক্ত যুক্তি থকা বুলি ভাবে, তেনেহলে উপযুক্ত অনুসন্ধান কৰিব পাৰে। এনে অনুসন্ধান কৰোঁতে আয়োগে দেৱানী কাৰ্যবিধি আইনৰ পদ্ধতি প্ৰয়োগ কৰিব পাৰে।

সাধাৰণ জনসাধাৰণৰ তথ্য জনাৰ অধিকাৰৰ প্ৰতি সজাগতা শেহতীয়াকৈহে বৃদ্ধি পাইছে। তথ্য জনাৰ অধিকাৰ আইন চমুকৈ RTI-ৰ জৰিয়তে চৰকাৰৰ বিভিন্ন বিভাগৰ প্ৰয়োজনীয় তথ্য লাভ কৰিব পৰা যায়। এনেদৰে তথ্য জনাৰ অধিকাৰ প্ৰদানৰ ফলত চৰকাৰী কৰ্ত্তৃপক্ষসমূহৰ বিভিন্ন স্তৰত হ'ব পৰা শোষণ তথা চৰকাৰী সম্পদৰ অপ-ব্যৱহাৰ ৰোধ কৰিব পৰা যায়।

সময়ে সময়ে তথ্য জনাৰ ফলত সংবিধানে বিভিন্ন ক্ষেত্ৰত প্ৰদান কৰা অধিকাৰসমূহ উপভোগ তথা প্ৰয়োগ কৰি দেশৰ উন্নতি সাধনত সকলো লোকেই অৰিহণা যোগাব পাৰে। পূৰ্বৰ দৰে গোপনীয়তা ৰক্ষাৰ দোহাই দি বিভিন্ন স্তৰৰ বিষয়া কৰ্মচাৰী তথা আমোলাসকলে জনসাধাৰণক বৰ্তমানে অন্ধকাৰত ৰাখিব নোৱাৰে। এই আইনৰ অদীনত জনসাধাৰণে প্ৰয়োজনীয় তথ্য লাভ কৰিব পাৰে আৰু প্ৰয়োজন অনুযায়ী উপযুক্ত অজুহাতত উপযুক্ত কৰ্ত্তৃপক্ষৰ ওচৰত লাভ কৰা তথ্যৰ ভিত্তিত আৰ্জি দিব পাৰে। ফলত উপযুক্ত সময়ত অভিযোগ আদিৰ জৰিয়তে ৰাজহুৱা সম্পত্তি আৰু ক্ষমতাৰ অপ-ব্যৱহাৰ ৰোধ কৰাৰ উপৰি শোষণ আদি বন্ধ কৰাত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিব পাৰে।

তথ্য জনাৰ অধিকাৰ অধিনিয়ম-২০০৫ (RTI Act.,2005) জম্মু আৰু কাশ্মীৰক বাদ দি সমগ্ৰ ভাৰতবৰ্ষতে প্ৰযোজ্য। এই আইনৰ ধাৰা-৩-ত উল্লেখিত বিধিৰ আধাৰত সকলো নাগৰিকৰে তথ্য জনাৰ অধিকাৰ থাকিব বুলি কোৱা হৈছে। অৰ্থাৎ তথ্য জনাৰ অধিকাৰ আইন কেৱল ভাৰতীয় নাগৰিকৰ বাবেহে উপলব্ধ, ভাৰতীয় নাগৰিক সকলৰ বাহিৰে ভাৰতত বাস কৰা আন লোকসকল বা ভাৰতলৈ অহা আন দেশৰ লোক বা আন দেশৰ নাগৰিকে এই আইনৰ অধীনত তথ্য লাভ কৰাৰ সুবিধা নাপাব।■■

**লেখক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা**

স্বাস্থ্য

# পাৰিপাৰ্শ্বিক বিজ্ঞান আৰু স্বাস্থ্য বিজ্ঞানৰ দৃষ্টিত শ্ৰীমন্ত শঙ্কৰদেৱ

ড° পৰশমণি দাস

অকল্পনীয় প্ৰতিভাৰ অধিকাৰী শ্ৰীমন্ত শঙ্কৰদেৱে অসমৰ জাতীয় জীৱনলৈ এনে অসামান্য বৰঙণি আগবঢ়াই থৈ গৈছে যে তেৰাক বাদ দি অসমৰ সাহিত্য-সংস্কৃতিৰ কথা কল্পনা কৰিবই নোৱাৰি। তেনে কাৰণতে শঙ্কৰদেৱে প্ৰদান কৰি যোৱা সাংস্কৃতিক সমলবোৰৰ সামগ্ৰিক গ্ৰহণযোগ্যতা আৰু সুদূৰপ্ৰসাৰী প্ৰভাৱৰ কাৰণ আৰু উৎস সম্পৰ্কে বিচাৰ কৰি চোৱাৰ প্ৰয়োজন আছে। লক্ষ্যণীয় যে শঙ্কৰদেৱৰ চিন্তা, দৰ্শন, সৃষ্টি, কৰ্ম, আদৰ্শ সকলোতে সত্যানুসন্ধানৰ প্ৰতি তেৰাৰ চৰম আকুতি, নিৰলস প্ৰয়াস আৰু ব্যাকুল বাসনা অনুভৱ কৰিব পাৰি। অন্যহাতে, বিজ্ঞানৰ লক্ষ্য আৰু উদ্দেশ্যও হ'ল — সত্যৰ অনুসন্ধান আৰু মানুহৰ বা জীৱৰ কল্যাণ সাধন। তেনে অৰ্থতে শঙ্কৰদেৱৰ দৰ্শন, সৃষ্টি আৰু কাৰ্যাৱলীৰ বিভিন্ন ক্ষেত্ৰত বৈজ্ঞানিক দৃষ্টিভংগীৰ পৰিচয় পাব পাৰি। এই লেখাটিত আমি পাৰিপাৰ্শ্বিক বিজ্ঞান (Environmental Science) আৰু স্বাস্থ্য বিজ্ঞানৰ (Health Science) দৃষ্টিৰে শ্ৰীমন্ত শংকৰদেৱক বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰিম। কিন্তু ইয়াৰ পূৰ্বে বিজ্ঞান আৰু বিজ্ঞান-মনস্কতাৰ স্বৰূপ সম্পৰ্কে দু-আষাৰ কোৱাৰ প্ৰয়োজন আছে।

বিজ্ঞানৰ অৰ্থ হ'ল — বিশেষ জ্ঞান বা শৃংখলাবদ্ধ জ্ঞান। পৰীক্ষা, পৰ্যৱেক্ষণ, বিশ্লেষণ, অধ্যয়ন আৰু যুক্তিৰ দ্বাৰা সত্যক প্ৰতিষ্ঠা কৰিব খোজা জ্ঞানেই হৈছে বিজ্ঞান। এইখিনিতে মন কৰিবলগীয়া যে বিজ্ঞানে সত্য বুলি দাঙি ধৰা কথাটো চৰম সত্য নহ'বও পাৰে। আচলতে বিজ্ঞানে সত্যৰ সন্ধান কৰে। সত্য সন্ধানৰ বাটেৰে আগবাঢ়ি যাওঁতে আৱিষ্কাৰ হৈ গৈ থাকে নতুন নতুন সত্যৰ। যিসকল ব্যক্তিৰ সত্য সন্ধানৰ বাসনা বা ক্ষমতা আছে তেওঁলোকেই হ'ল বৈজ্ঞানিক মানসিকতাৰ অধিকাৰী লোক। অন্য অৰ্থত, চকুৰ সমুখত দেখা প্ৰতিটো কথাকে নতুন দৃষ্টিভংগীৰে চালি-জাৰি চাব পৰাকৈ যদি কাৰোবাৰ এটি যুক্তিবাদী মুকলি মন আছে, তেনেহ'লে তেওঁক বিজ্ঞান-মনস্কতাৰ অধিকাৰী বা বৈজ্ঞানিক চিন্তাধাৰাৰ অধিকাৰী ব্যক্তি বুলি ক'ব পৰা যাব।[১] শ্ৰীমন্ত শঙ্কৰদেৱৰ চিন্তা, আদৰ্শ আৰু কৰ্মৰ ভালেমান দিশ আছে যিবোৰৰ মাজেদি তেওঁৰ বিজ্ঞান মানসিকতাৰ প্ৰকাশ ঘটিছে। পাৰিপাৰ্শ্বিক বিজ্ঞান আৰু স্বাস্থ্য বিজ্ঞানৰ সহায়তো আমি শ্ৰীমন্ত শঙ্কৰদেৱৰ বিজ্ঞান-মনস্কতাৰ দিশটোৰ পৰিচয় পাব পাৰোঁ।

**পাৰিপাৰ্শ্বিক বিজ্ঞান আৰু শ্ৰীমন্ত শঙ্কৰদেৱ ঃ** পাৰিপাৰ্শ্বিক বিজ্ঞানে আমাৰ চৌপাশে থকা জৈৱ পদাৰ্থ আৰু অজৈৱ বা জড় পদাৰ্থক সামৰি লয়। জৈৱ পদাৰ্থক আনহাতে দুভাগত ভগাব পাৰি — প্ৰাণীজগত আৰু উদ্ভিদজগত।[২] ইয়াক তলত দিয়া ধৰণে দেখুৱাব পাৰি ঃ

- পাৰিপাৰ্শ্বিক বিজ্ঞান
  - জৈৱ পদাৰ্থ
    - প্ৰাণী জগত
    - উদ্ভিদ জগত
  - অজৈৱ পদাৰ্থ

সাম্প্ৰতিক বিশ্বত পাৰিপাৰ্শ্বিক বিজ্ঞান এটি বহুল-চৰ্চিত বিষয়। বিজ্ঞানৰ এই শাখাটোৰ গুৰুত্ব ইমানেই বেছি যে শিক্ষাবিদসকলে এতিয়া বুনিয়াদী শিক্ষাৰ পৰাই পাৰিপাৰ্শ্বিক বিজ্ঞান বিষয়টো পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিছে। সেইদৰে, স্নাতক পাঠ্যক্ৰমৰ কলা শাখাতো এই বিষয়টো বাধ্যতামূলক বিষয় হিচাপে শিকাবলৈ আৰম্ভ কৰা হৈছে। খুব চমুকৈ ক'বলৈ হ'লে, এই বিশ্বৰ সকলোবোৰ জৈৱ পদাৰ্থ আৰু অজৈৱ পদাৰ্থৰ মাজত থকা সম্পৰ্কৰ অধ্যয়নেই পাৰিপাৰ্শ্বিক বিজ্ঞানৰ মূল বিষয়বস্তু। আধুনিক বিজ্ঞানীসকলে প্ৰমাণ কৰি দেখুৱাইছে যে এই পৃথিৱীৰ আটাইবোৰ জৈৱ পদাৰ্থ আৰু অজৈৱ পদাৰ্থৰ মাজত এৰাবনোৰৰা সম্পৰ্ক আছে। এনেকৈও ক'ব পাৰি যে এটা

পদাৰ্থৰ স্থিতিৰ লগত আন এটা পদাৰ্থৰ স্থিতিৰ ওতপ্ৰোত সম্পৰ্ক আছে। উদাহৰণস্বৰূপে, পৃথিৱীত মানুহ বাচি থাকিবলৈ হ'লে অন্য জীৱ-জন্তু আৰু গছ-গছনিও বাচি থাকিব লাগিব। একেদৰে নদ-নদী, পাহাৰ-পৰ্বত আদিও সংৰক্ষিত আৰু সুৰক্ষিত হ'ব লাগিব। কিন্তু সাম্প্ৰতিক বিশ্বত ইয়াৰ ওলোটা ছবি এখনহে দেখিবলৈ পোৱা যায়। বৰ্তমানৰ পৃথিৱীৰ এটা গুৰুতৰ সমস্যা হৈছে জৈৱ-বৈচিত্ৰ্যৰ হানি। সুসভ্য আৰু বুদ্ধিত বৃহস্পতি বুলি নিজকে জাহিৰ কৰি ফুৰা মানুহ জাতিয়ে এফালৰ পৰা ধ্বংস কৰি গৈছে পৃথিৱীৰ প্ৰাণীকুল আৰু উদ্ভিদ জগত। এচাম স্বাৰ্থপৰ মানুহৰ বাবেই পৃথিৱীৰ পৰা বহুতো মূল্যবান জীৱ-জন্তু আৰু গছ-গছনিৰ ইতিমধ্যে বিলুপ্তি ঘটিছে; আন বহুতো জীৱ বিলুপ্তিৰ পথলৈ আগবাঢ়িছে। প্ৰকৃতিৰ ওপৰত চলা মানুহৰ এই নিৰ্মম ধ্বংসযজ্ঞ পৃথিৱীৰ সমগ্ৰ প্ৰাণীকুলৰ বিলুপ্তিৰ অন্যতম কাৰণ হ'ব পাৰে বুলি বিজ্ঞানীসকলে এতিয়া কঠোৰভাৱে সকীয়নি দিছে। পাৰিপাৰ্শ্বিকৰ এনে অৱক্ষয়ৰ প্ৰসংগত পাৰিপাৰ্শ্বিক সম্পৰ্কত শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰ্শন বিশেষভাৱে গুৰুত্বপূৰ্ণ। মন কৰিবলগীয়া যে শঙ্কৰদেৱৰ ৰচনাৰ ভালেমান ঠাইত পৃথিৱীৰ তথা সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ জীৱকুল আৰু জড় পদাৰ্থৰ প্ৰতি তেৰাৰ অসীম মমতা প্ৰকাশ পাইছে। প্ৰকৃততে, প্ৰকৃতিৰ বুকুত থকা নদ-নদী, সাগৰ-মহাসাগৰ, হাবি-বননি, জীৱ-জন্তু, পশু-পক্ষী, পাহাৰ-পৰ্বত আদিৰ অতুলনীয় ৰূপ, প্ৰচুৰ শক্তি আৰু বিপুল সম্ভাৱনাৰ পৰাই শঙ্কৰদেৱে তেৰাৰ শিল্প-সাহিত্যৰ বেছিভাগ বিষয় নিৰ্বাচন কৰিছিল। আকৌ, শঙ্কৰদেৱৰ সিংহভাগ ৰচনাৰ যোগেদি প্ৰকৃতিৰ এই অমূল্য উপাদানবোৰৰে মাহাত্ম্য প্ৰকাশ পাইছে। শঙ্কৰদেৱে অনুভৱ কৰিছিল যে মানুহ আৰু প্ৰকৃতিৰ উপাদানবোৰৰ মাজত এক জৈৱিক যোগাযোগ (biotic communication) আৰু আন্তৰিক সম্পৰ্ক (inter-relationship) আছে। প্ৰকৃতিৰ উপাদান মানে জীৱ-জন্তু, চৰাই-চিৰিকটি, নদী, সাগৰ, বননি, পাহাৰ ইত্যাদিৰ কথা বুজোৱা হৈছে। মানুহৰ স্থিতি, সুখ-স্বাচ্ছন্দ্য আৰু সকলো ধৰণৰ অনুভূতিৰ বাবে মানুহক সদায়েই প্ৰকৃতিৰ প্ৰয়োজন আছে। প্ৰকৃতিক এৰি মানুহে কেতিয়াও চলিব নোৱাৰে। শঙ্কৰদেৱে অন্তঃকৰণেৰে বিশ্বাস কৰিছিল যে মানুহ আৰু প্ৰকৃতিৰ মাজত সমতা ৰক্ষা হ'লে পাৰিপাৰ্শ্বিক সমতা নিজে নিজে ৰক্ষা হ'ব। শঙ্কৰদেৱৰ ৰচনাৰ যোগেদি এই ভাৱবোৰ এনেদৰে প্ৰকাশ পাইছে—

চাৰু সৰোবৰ নিৰ্মল জল।
সুগন্ধি পদ্ম শোভে উতপল।।
আছে ৰাজহংস সমূহে ৰঞ্জি।
লীলায়ে মৃণাল ভুঞ্জে উভঞ্জি।।[৩]
গৰু গোপিকা পশু বৃক্ষ বন।
নাহি জন্মান্তৰে কিছু সাধন।।
এহি জন্মে মাত্ৰ কৰি ভকতি।
পাইলেক সকলে মোহোৰ গতি।।[৪]
ভ্ৰমৰ ৰাজে গাৱে হৰি-গীত।
যতেক পক্ষী তাতে দেয় চিত্ত।।
নকৰে আৰাৱ থাকে নিচুকে।
কৃষ্ণৰ চৰিত্ৰ শুনে উৎসুকে।।[৫]
নদী নদ অশেষ বিশেষ সৰোবৰ।
স্ফটিক নিৰ্মল জল দেখি মনোহৰ।।
বিদ্যাধৰীসৱে তাতে নামি কৰে স্নান।
পখালে শৰীৰ বৰে সুগন্ধিত ঘ্ৰাণ।।
ছয় ঋতু এক কালে বসন্ত উদয়।
ভ্ৰমৰে গুঞ্জৰে কুলি পঞ্চম পূৰয়।।
বহয় মলয়া বায়ু আমোদিত মন।
নৃত্য-গীত কৰে তৈতে অপেশ্বৰাগণ।।[৬]

প্ৰকৃতিৰ বিভিন্ন ৰূপ, বৈচিত্ৰ্য আৰু উপযোগিতাই শঙ্কৰদেৱক ইমানেই আকৃষ্ট কৰিছিল যে ধৰ্মৰ তাত্ত্বিক দিশ সম্পৰ্কে বুজাবলৈও শঙ্কৰদেৱে প্ৰকৃতিৰ উপাদানসমূহক উদাহৰণ হিচাপে গ্ৰহণ কৰিছিল। পৃথিৱীৰ জীৱসমূহৰ অথিৰতা সম্পৰ্কে বুজাবলৈ শঙ্কৰদেৱে লিখিছে—

বিজুলী চমক যেন জীৱন অথিৰ।
পদ্মৰ পত্ৰৰ যেন জল নুহি থিৰ।।[৭]

একেদৰে হৰিনামৰ মহিমা বুজাবলৈ শঙ্কৰদেৱে তৰু-তৃণৰ পৰা উৎপাদিত ঔষধৰ প্ৰসংগ এনেদৰে উপস্থাপন কৰিছে ঃ

প্ৰমাদত থাকি যিটো হৰি বোলে
সিও সৱ দুখ তৰে।
যেন মহৌষধি নজানি ভুঞ্জিলে
তাৰো গৰ্ভৰোগ হৰে।।[৮]
নামৰ মহিমা নজানি ঋষিয়ে
আন প্ৰায়শ্চিত্ত বিহে।
মৃতসঞ্জীৱনী নজানিয়া বৈদ্যে

আন ঔষধক দিয়ে।।[৯]

(অজামিল উপাখ্যান, কীৰ্তন-ঘোষা)

ঈশ্বৰৰ ৰূপ বৰ্ণনা কৰিবলৈ গৈ শঙ্কৰদেৱে প্ৰকৃতিৰ অতি মনোমোহা উপাদানবোৰক এইদৰে ব্যৱহাৰ কৰিছেঃ

পদ্ম-পত্ৰ-সম আয়ত লোচন
ভ্ৰূৱযুগে কৰে কান্তি।
নাসা তিল-ফুল অধৰ ৰাতুল
দশন মুকুতা-পান্তি।।[১০]

গছ-গছনিৰ প্ৰতি শঙ্কৰদেৱৰ বিশেষ দুৰ্বলতা থকাৰ কথা তাৰাৰ বিভিন্ন ৰচনাৰ জৰিয়তে বুজিব পাৰি। কীৰ্তন-ঘোষাৰ 'হৰমোহন অধ্যায়ত শঙ্কৰদেৱে অসমৰ হাবি-বননিত পোৱা বিবিধ গছ-লতিকাৰ জৰিয়তে দিব্য উপবনৰ বৰ্ণনা এনেদৰে দিছেঃ

পাছে ত্ৰিনয়ন দিব্য উপবন
দেখিলন্ত বিদ্যমান।
ফল ফুল ধৰি জকমক কৰি
আছে যত বৃক্ষমান।।
শিৰীষ সেউতী তমাল মালতী
লৱংগ বাগী গুলাল।
কৰবীৰ বক কাঞ্চন চম্পক
ফুল ভৰে ভাংগে ডাল।।
প্ৰতি গাছে গাছে ভিণ্ডা বান্ধি আছে
সুৱৰ্ণ-মাণিকে খচি।।[১৪]

অনুপম প্ৰকৃতিৰ সকলোবোৰ উপাদানৰে গুৰুত্ব বুজাবলৈ শঙ্কৰদেৱে উপাদানসমূহত ঈশ্বৰত্ব আৰোপ কৰিছিল। পৃথিৱীৰ জৈৱ উপাদান, অৰ্থাৎ প্ৰাণী আৰু গছ-গছনিক ঈশ্বৰৰ অংশস্বৰূপ বুলি শঙ্কৰদেৱে এনেদৰে প্ৰকাশ কৰিছেঃ

তুমি পশু-পক্ষী সুৰাসুৰ তৰু-তৃণ।
অজ্ঞানত মূঢ়জনে দেখে ভিন ভিন।।[১৫]
সমস্ত ভূতৰে তুমি আছা হৃদয়ত।
তত্ব নপাই তোমাক বিচাৰে বাহিৰত।।[১৬]

(শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, কীৰ্তন-ঘোষা)[১৭]

তোমাৰেসে অংশ আমি যত জীৱজাক।[১৮]
যত লতা তৰু-তৃণ
কাহাকো নেদেখে ভিন্ন
হৰিৰ শৰীৰ বুলি মানে।[১৯]

বিশ্বব্ৰহ্মাণ্ডৰ সকলো অজৈৱ বা জড় পদাৰ্থকো ঈশ্বৰৰ অংশ বুলি স্বীকৃতি দি শঙ্কৰদেৱে এইবোৰক মান্যতা দান কৰিছেঃ

বিষ্ণুময় দেখে যিটো সমস্ত জগতে।
জীৱন্তে মুকুত হোৱে অচিৰ কালতে।।[২০]
যত জীৱ জংগম কীট পতংগম
অগ নগ জগ তেৰি কায়া।[২১]
বাহিৰে ভিতৰে জানা ইটো জগতৰ।
পৰিপূৰ্ণ ৰূপে মই পৰম ঈশ্বৰ।।[২২]

ওপৰৰ উদাহৰণবোৰৰ দ্বাৰা পৰিৱেশ বা প্ৰকৃতিৰ সম্পৰ্কত শ্ৰীমন্ত শঙ্কৰদেৱৰ দৃষ্টিভংগী স্পষ্টভাৱে বুজিব পাৰি। শঙ্কৰদেৱে প্ৰকৃতিৰ প্ৰতিটো উপাদানৰ ওপৰতে গুৰুত্ব আৰোপ কৰিছিল। প্ৰাকৃতিক উপাদানবোৰ যে মানৱ জীৱনৰ লগত অংগাংগী সেই কথা শঙ্কৰদেৱে বুজি উঠিছিল। শঙ্কৰদেৱৰ মতে এই বিশ্বব্ৰহ্মাণ্ডৰ সকলো জৈৱ আৰু জড় পদাৰ্থ ঈশ্বৰৰ অংশ; গতিকে এই আটাইবোৰ উপাদানেই পৱিত্ৰ। কোনো কাৰণতে প্ৰকৃতিক বিনাশ কৰিব নালাগে। প্ৰকৃতিৰ প্ৰতিটো পদাৰ্থৰ মাজতে কৃষ্ণৰ বা ঈশ্বৰৰ ৰূপ, মাহাত্ম্য, মহত্ত্ব আৰু গুৰুত্ব বিচাৰি পোৱা শঙ্কৰদেৱে প্ৰকাৰান্তৰে মানুহক প্ৰকৃতিৰ প্ৰতিটো উপাদানৰ প্ৰতি কৃতজ্ঞ, মৰমীয়াল আৰু শ্ৰদ্ধাশীল হ'বলৈ শিকাইছে। মানুহ আৰু প্ৰকৃতিৰ মাজত থকা জৈৱিক যোগাযোগ (Biotic communication) সম্পৰ্কত শঙ্কৰদেৱৰ অনুভৱ, ঈশ্বৰত্ব আৰোপৰ দ্বাৰা হ'লেও জৈৱ আৰু জড় জগতক শঙ্কৰদেৱে প্ৰদান কৰা মান্যতা আৰু গুৰুত্বই শঙ্কৰদেৱৰ বিজ্ঞান-মনস্কতাৰ পৰিচয় দাঙি ধৰে।

**স্বাস্থ্য-বিজ্ঞান আৰু শ্ৰীমন্ত শঙ্কৰদেৱ ঃ** স্বাস্থ্যৰ সাধনাক জীৱনৰ সাধনাৰ নামান্তৰ বুলি কোৱা হয়। মন কৰিব পাৰি যে একোটা জাতিৰ উত্থান-পতনৰ লগত সেই জাতিটোৰ মানুহৰ স্বাস্থ্য-সাধনাৰ ওতপ্ৰোত সম্পৰ্ক থাকে। পৃথিৱীৰ সুসভ্য জাতিসমূহে যে স্বাস্থ্য-সাধনাৰ ওপৰত বিশেষ গুৰুত্ব দান কৰিছিল তাৰ ঐতিহাসিক প্ৰমাণ পোৱা গৈছে। গ্ৰীকসকলে অতি পুৰণি কালতে 'সুস্থ দেহত সুস্থ মন' বুলি এক বৈপ্লৱিক ধাৰণাৰ জন্ম দিছিল। প্ৰাচীন ভাৰতীয় ঋষি-মুনিসকলেও যোগাসন, প্ৰাণায়াম, সাত্ত্বিক আহাৰ গ্ৰহণ আদি বিজ্ঞানসন্মত স্বাস্থ্য-নীতি উদ্ভাৱন আৰু অনুসৰণ কৰি ভাৰতীয় সভ্যতা-সংস্কৃতিত প্ৰাণৰ সঞ্চাৰ কৰিছিল। লক্ষ্যণীয়

বিষয় এয়ে যে প্ৰাচীন স্বাস্থ্য-বিশাৰদসকলে স্বাস্থ্যৰ যি ধাৰণাৰ জন্ম দিছিল তাৰ লগত আধুনিক স্বাস্থ্য-বিজ্ঞানীসকলে দিয়া স্বাস্থ্যৰ সংজ্ঞাৰ সম্পূৰ্ণ মিল পৰিলক্ষিত হয়। ১৯৪৮ চনৰ ৭ এপ্ৰিলত বিশ্ব স্বাস্থ্য সংস্থাই (WHO) স্বাস্থ্যৰ সংজ্ঞা এনেদৰে নিৰূপণ কৰিছিল — "Health is a state of complete physical, mental and social well-being and not merely the absence of disease or infirmity"; অৰ্থাৎ — "স্বাস্থ্য মানে কেৱল ৰোগ বা শাৰীৰিক দুৰ্বলতাৰ অনুপস্থিতিকে নুবুজায়; স্বাস্থ্য হ'ল সম্পূৰ্ণ দৈহিক, মানসিক আৰু সামাজিক কল্যাণ।" এই সংজ্ঞাটোত ব্যৱহাৰ হোৱা দৈহিক, মানসিক আৰু সামাজিক শব্দ তিনিটাৰ লগত 'আধ্যাত্মিক' শব্দটোৱো যোগ দিয়াৰ কথা বৰ্তমান আলোচিত হ'বলৈ ধৰিছে। বিশেষকৈ ভাৰতবৰ্ষই এই ক্ষেত্ৰত যোৱা শতিকাৰ আশী দশকৰ পৰা জোৰ দিয়া দেখা গৈছে। স্বাস্থ্যৰ লগত এই চাৰিওটা দিশ সামৰি ল'লে স্বাস্থ্যৰ ধাৰণাটোক আমি তলত দিয়া ধৰণে বুজাব পাৰো ঃ[23]




ভাৰতীয় পৰম্পৰাৰ মাজেৰে লালিত-পালিত হোৱা শ্ৰীমন্ত শঙ্কৰদেৱ যুৱাৱস্থাৰ পৰা বৈকুণ্ঠী হোৱা পৰ্যন্ত স্বাস্থ্য-সচেতন আছিল বুলি প্ৰমাণ পোৱা গৈছে। শঙ্কৰদেৱৰ সুদীৰ্ঘ এশ ঊনৈশ বছৰীয়া নিৰোগী জীৱন-কালে পোনপটীয়াকৈ প্ৰমাণ কৰে যে তেওঁৰাই এক কঠোৰ স্বাস্থ্য-নীতি মানি চলিছিল। চৰিত পুথিসমূহে কয় যে নতুন চাউলৰ অন্ন গ্ৰহণ কৰা কাৰণে মাত্ৰ এদিনহে শঙ্কৰদেৱৰ পেট চলিছিল।[24] আজিৰ দিনত এয়া ভাবিব নোৱৰা কথা। শঙ্কৰদেৱৰ এই সুস্বাস্থ্যৰ বিজ্ঞানসন্মত ভিত্তি সম্পৰ্কত গৱেষণা কৰাৰ প্ৰয়োজন আছে। শঙ্কৰদেৱে নিজে কি কি দিশত স্বাস্থ্য-নীতি অনুসৰণ কৰিছিল আৰু ক'ত ক'ত ইয়াৰ প্ৰয়োগ কৰিছিল সেই বিষয়ে তলত চমুকৈ উল্লেখ কৰা হ'ব।

(১) চক্ৰপাণি বৈৰাগী, ভূষণ দ্বিজ, ৰামানন্দ দ্বিজ, দৈত্যাৰি ঠাকুৰ আদি চৰিতাকাৰসকলৰ বৰ্ণনাৰ পৰা প্ৰমাণ হয় যে শ্ৰীমন্ত শঙ্কৰদেৱে মহেন্দ্ৰ কন্দলিৰ পাঠশালাৰ পৰা প্ৰত্যাৱৰ্তন কৰাৰ পিছত, অৰ্থাৎ যুৱাৱস্থাত যোগ বিদ্যাৰ অনুশীলন কৰিছিল।[25] তাৰাই হঠযোগ আৰু ৰাজযোগ উভয়ৰে অনুশীলন কৰিছিল। এই দুয়োবিধ যোগতে আসন আৰু প্ৰাণায়মৰ অশেষ গুৰুত্ব আছে। গভীৰ যোগ-সাধনাৰ ফলত শঙ্কৰদেৱ সিদ্ধযোগীসকলৰ পৰ্যায় পাইছিলগৈ, কিয়নো সিদ্ধযোগীসকলৰ জীৱনত ফুটি উঠা বিশেষ বৈশিষ্ট্যসমূহ শঙ্কৰদেৱৰ ক্ষেত্ৰতো দেখা গৈছিল। উদাহৰণস্বৰূপে, শঙ্কৰদেৱে প্ৰাণায়ম কৰি বায়ু ৰোধ কৰিবলৈ সমৰ্থ হৈছিল। তেওঁৰাই শ্বাস-গ্ৰহণ কৰি কুম্ভক কৰোঁতে তেওঁৰ দেহৰ পেশীবোৰ স্ফীত হৈ বাহুত বান্ধি লোৱা পাটসূতাৰ ৰচীবোৰ ছিঙি গৈছিল। কেতিয়াবা শঙ্কৰদেৱে বাওঁহাতৰ বুঢ়া আঙুলিৰ ওপৰত ভৰ দি সমগ্ৰ শৰীৰটো শূন্যতে দাঙি ধৰিছিল। শঙ্কৰদেৱে পানীত বুৰ মাৰিলেও দেহটো পানীত তিতা নাছিল। উল্লেখ্য যে সিদ্ধযোগীসকলৰ দেহ ইমান মসৃণ হয় যে তেওঁলোক পানীৰ তলত থাকিলেও তেওঁলোকৰ দেহ পানীত নিতিতে। ইয়াৰোপৰি, হাতেৰে শিঙত ধৰি প্ৰকাণ্ড ষাড়গৰু মাটিত বগৰাই দিয়া, ভৰ বাৰিষা ব্ৰহ্মপুত্ৰ নদী সাঁতুৰি ইপাৰ-সিপাৰ হোৱা আদি ঘটনাইও শঙ্কৰদেৱৰ প্ৰচণ্ড দৈহিক শক্তিৰ প্ৰমাণ দাঙি ধৰে। চৰিতকাৰসকলে লিখিছে যে শ্ৰীমন্ত শঙ্কৰদেৱে ভাগৱত শাস্ত্ৰখন পোৱাৰ পিছত যোগ অনুশীলন বাদ দিয়ে। ইয়াৰ অৰ্থ এইটোও হ'ব পাৰে যে যোগসিদ্ধ হোৱা পিছত শঙ্কৰদেৱৰ বাবে যোগ অনুশীলনৰ প্ৰয়োজনীয়তা নোহোৱা হৈছিল। যোগ-সাধনাই যে শঙ্কৰদেৱৰ স্বাস্থ্যত তেওঁ বৈকুণ্ঠী হোৱা পৰ্যন্ত প্ৰভাৱ বিস্তাৰ কৰিছিল তাৰ প্ৰধান প্ৰমাণ হ'ল — তেওঁৰাই সুদীৰ্ঘ ১১৯ বছৰীয়া নিৰোগী আৰু কৰ্মক্ষম জীৱন লাভ কৰিছিল।

যোগ-সাধনা কিমান বিজ্ঞানসন্মত তাৰ ব্যাখ্যাৰ প্ৰয়োজন নাই। আধুনিক চিকিৎসা বিজ্ঞানীসকলেও এতিয়া ৰোগীসকলক এলোপেথিক চিকিৎসাৰ সমান্তৰালকৈ যোগ-সাধনা কৰিবলৈ পৰামৰ্শ দিয়ে। শ্ৰীমন্ত শঙ্কৰদেৱৰ যোগ-সাধনাই তেওঁৰ বিজ্ঞান-মনস্কতাৰ দিশটো উন্মোচন কৰে।

(২) চৰিত পুথিবোৰত উল্লেখ আছে যে শ্ৰীমন্ত শঙ্কৰদেৱে বাহিৰে-ভিতৰে সদায় শুদ্ধ আচাৰ-নীতি অনুসৰণ কৰিছিল। আহাৰৰ ক্ষেত্ৰতো শঙ্কৰদেৱৰ চিন্তা বিজ্ঞানসন্মত আছিল। তেওঁৰাই কেতিয়াও অশুচি আৰু অশুদ্ধ

দ্ৰব্য গ্ৰহণ নকৰিছিল। ভোজনৰ ক্ষেত্ৰতো শঙ্কৰদেৱে সদায় নীতি-সদাচাৰ মানি চলিছিল আৰু নিজৰ শিষ্যসকলকো মানিবলৈ উপদেশ দিছিল।[২৬]

শঙ্কৰদেৱ নিৰামিষভোজী আছিল নে আমিষভোজী আছিল সেই বিষয়ে চৰিত পুথিসমূহত স্পষ্টভাৱে উল্লেখ নাই। তেনে কাৰণতে এচাম লোকে 'শঙ্কৰদেৱ আমিষভোজীও হ'ব পাৰে' বুলি মন্তব্য কৰা দেখা যায়। কিন্তু আমি ভাবো শঙ্কৰদেৱ নিৰামিষভোজীহে আছিল। শঙ্কৰদেৱৰ একাংশ ৰচনাই এই কথা প্ৰমাণ কৰে। তাৰাই লিখিছে ঃ

নচাৰে কৰ্ম্মীক কাম লোভ মোহ দম্ভ ভাৱ
অনুদিনে বাঢ়ন্তেসে যায়।
অনেক প্ৰাণীৰ বধ লৈয়া ঘোৰ হিংসা কৰ্ম
কৰে তাক উৎসাহ বঢ়াই।।[২৭]
যত জীৱ জংগম কীট পতংগম।
অগ নগ জগ তেৰি কায়া[২১] (বৰগীত)
সকল প্ৰাণীক দেখিবেক আত্মসম।[১৭]
তোমাৰেসে অংশ আমি যত জীৱ যাক।[১৮]
নিৰন্তৰে পশুৰ লৱাইলা তুমি প্ৰাণ।
নাহি মন্দ কৰ্ম আৰু ইহাৰ সমান।[২৮]
নামাৰিবে পশুক এৰিবে মাংস আশা
দেৱকো উদ্দেশ্যি পশু নকৰিবে হিংসা।[২৯]

শঙ্কৰদেৱৰ এই লেখাবোৰৰ পৰা স্পষ্ট হয় যে শঙ্কৰদেৱে বিশ্বব্ৰহ্মাণ্ডৰ সকলো জৈৱ আৰু জড় পদাৰ্থকে ঈশ্বৰৰ অংশ বুলি মানিছিল আৰু প্ৰাণী বধ কৰা কাৰ্যক 'ঘোৰ হিংসা কৰ্ম' আৰু 'মন্দ কৰ্ম' বুলি অভিহিত কৰিছিল। তদুপৰি তেৰাই সকলোকে 'মাংসৰ আশা' পৰিত্যাগ কৰিবলৈও উপদেশ দিছিল। তেনে অৰ্থত, আহাৰৰ বাবে শঙ্কৰদেৱে জীৱ হত্যা কৰা কথাটো ভাৱিবই নোৱাৰি। জীৱৰ সম্পৰ্কত শঙ্কৰদেৱৰ এই ধাৰণৰ পৰা স্পষ্টভাৱে সিদ্ধান্ত দিব পাৰি যে শঙ্কৰদেৱ প্ৰকৃততে নিৰামিষভোজীহে আছিল।

শেহতীয়া বৈজ্ঞানিক গৱেষণাই প্ৰমাণ কৰিছে যে সাধাৰণতে নিৰামিষভোজীসকলেহে সুদীৰ্ঘ কাল জীয়াই থাকিব পাৰে। নিৰামিষভোজন আমাৰ স্বাস্থ্যৰ বাবে কিমান উপকাৰী সেই বিষয়ে 'আমেৰিকান জাৰ্নেল অৱ ক্লিনিকেল নিউট্ৰিছন' নামৰ গৱেষণা পত্ৰিকাখনৰ এটি বাৰ্তাৰ উদ্ধৃতি দিব খুজিছোঁ। এই পত্ৰিকাখনত অলপতে প্ৰকাশ পাইছে যে নিৰামিষভোজীসকলৰ তুলনাত আমিষভোজীসকলৰ কৰ্কট ৰোগ হোৱাৰ সম্ভাৱনা যথেষ্ট বেছি। বিজ্ঞানীসকলে বিভিন্ন বয়সৰ প্ৰায় ৫২,৭০০ গৰাকী মহিলা-পুৰুষৰ স্বাস্থ্য, জীৱন-প্ৰণালী আৰু খাদ্যাভাসৰ ওপৰত গৱেষণা কৰিছিল। শংকৰদেৱে অনুসৰণ কৰা স্বাস্থ্যনীতি বা খাদ্যাভ্যাসৰ বৈজ্ঞানিক ভিত্তি বুজিবলৈ ইয়াতকৈ ভাল উদাহৰণৰ প্ৰয়োজন নাই।

(৩) শঙ্কৰদেৱৰ জীৱনৰ ঘটনাসমূহ বিশ্লেষণ কৰিলে ওলাই পৰে যে জীৱনৰ প্ৰাৰম্ভৰ পৰাই নৈৰাশ্যই গ্ৰাস কৰিব পৰা অলেখ ঘটনা শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱনত ঘটিছিল। সাত বছৰ বয়সতে ঘাট-মাউৰা হৈছিল শঙ্কৰদেৱ। পৃথিৱীখনৰ সৈতে লাহে লাহে পৰিচিত হৈ উঠা সাত বছৰীয়া শিশু এটিৰ বাবে পিতৃ-মাতৃৰ বিয়োগ কিমান মৰ্মান্তিক সেয়া সহজেই অনুমেয়। একৈশ বছৰ বয়সত শঙ্কৰদেৱ বিবাহপাশত আৱদ্ধ হয়। বিবাহৰ তিনি বা চাৰি বছৰৰ পিছত পত্নী সূৰ্যৱতীৰ মনু (হৰিপ্ৰিয়া) নামৰ কন্যা সন্তান এটিৰ জন্ম হয়। সন্তানটিৰ জন্মৰ ন মাহৰ পিছতেই পত্নী সূৰ্যৱতী স্বৰ্গগামী হয়। শঙ্কৰদেৱৰ জী মনুৰ স্বামী হৰিক আহোম ৰজাই পৰৱৰ্তী সময়ত শিৰচ্ছেদ কৰে আৰু শঙ্কৰদেৱে প্ৰত্যক্ষ কৰিবলগা হয় জীয়েকৰ বৈধব্য-যন্ত্ৰণা। সেইদৰে, গোটেই জীৱন জুৰি শঙ্কৰদেৱে যি সাংস্কৃতিক অভিযান চলাইছিল তাতো তেওঁ সমাজৰ বিভিন্ন অপশক্তিৰ দ্বাৰা প্ৰচণ্ড বাধাৰ মুখামুখি হৈছিল। শঙ্কৰদেৱৰ সময়ত গোটেই অসম জুৰি বিৰাজ কৰিছিল চৰম ৰাজনৈতিক-সামাজিক অস্থিৰতা, পতন হৈছিল মূল্যবোধৰ। কছাৰী আৰু আহোম সৈন্যৰ হাতত বহুবাৰ শঙ্কৰদেৱ অপদস্থ হৈছিল। দুষ্টশক্তিৰ পৰা পৰিত্ৰাণ পাবলৈ শঙ্কৰদেৱ ইখন ঠাইৰ পৰা সিখন ঠাইলৈ আঁতৰি যাব লগা হৈছিল। সেই সময়ৰ ব্ৰাহ্মণ পণ্ডিতসকলে শঙ্কৰদেৱৰ ইমানেই বিৰোধিতা কৰিছিল যে ১৫২৫ খ্ৰীঃত শঙ্কৰদেৱে পদকীয়া হিচাপে দিহিঙীয়া ৰজাৰ ৰাজসভাত উপস্থিত হ'ব লগা হয়।

লক্ষ্যণীয় যে এটাৰ পিছত আন এটা পাৰিবাৰিক মৰ্মন্তুদ সংঘটন, এচাম মানুহৰ অত্যাচাৰ আৰু প্ৰচণ্ড বাধাৰ পিছতো শঙ্কৰদেৱে জীৱনৰ মূল লক্ষ্য আৰু উদ্দেশ্যৰ পৰা কেতিয়াও আঁতৰি অহা নাছিল; বৰং তাৰাই লাভ কৰিছিল অভাৱনীয় সাফল্য। শঙ্কৰদেৱৰ এই সফলতাৰ অন্যতম প্ৰধান কাৰণ হ'ল — তেৰা প্ৰবল আশাবাদী মনৰ অধিকাৰী

আছিল। আধুনিক যুগৰ বিজ্ঞানীসকলে স্বীকাৰ কৰিছে যে গভীৰ আশাবাদে মানুহৰ সাফল্যত ধনাত্মক অৰিহণা যোগোৱাৰ লগতে স্বাস্থ্যৰ ওপৰতো ইতিবাচক প্ৰভাৱ পেলায়। তেওঁলোকৰ মতে কেৱল আশাবাদী লোকসকলেহে প্ৰকৃত অৰ্থত জীৱনত সফলতা লাভ কৰে আৰু নিয়ম সংযমৰ মাজেৰে দীৰ্ঘকাল জীয়াই থাকিব পাৰে। শঙ্কৰদেৱৰ জীৱনৰ সফলতা আৰু এশ উনৈশ বছৰীয়া নিৰোগী জীৱনৰ ওপৰত তেওঁৰ আশাবাদী মনৰ স্পষ্ট আৰু পোনপটীয়া প্ৰভাৱ পৰিছিল।

(৪) শঙ্কৰদেৱ জনস্বাস্থ্যৰ প্ৰতিও অতি সচেতন আছিল। তেওঁৰ চিন্তা আৰু কাৰ্যৰ বিভিন্ন ক্ষেত্ৰত ইয়াৰ প্ৰমাণ পাব পাৰি। উদাহৰণস্বৰূপে, শঙ্কৰী সংস্কৃতিৰ নিয়ম অনুসৰি ভগৱানৰ ওচৰত যি প্ৰসাদ-নৈৱেদ্য অৰ্পণ কৰা হয় তাৰ এক শক্তিশালী বৈজ্ঞানিক ভিত্তি আছে।[৩০] এই প্ৰসাদ মুগমাহ (ফলা বা গোটা), বুটমাহ, আৰৈ চাউল, নাৰিকল, আদা, নিমখ আদি একেলগে মিহলাই প্ৰস্তুত কৰা হয়। তদুপৰি কোনো কোনো ক্ষেত্ৰত কল, কুঁহিয়াৰ, আপেল, মধুৰীআম আদি ফলো প্ৰসাদত যোগ কৰা হয়। প্ৰসাদৰ উপাদানসমূহৰ আনুপাতিক হিচাপ এইদৰে নিৰ্ণয় কৰা হৈছে — মুগ ঃ বুট =৪ ঃ ১, মুগ ঃ আদা = ১০ ঃ ১, মুগ ঃ নাৰিকল = ৬ ঃ ১, মুগ ঃ আৰৈ চাউল = ২০ ঃ ১। এই প্ৰসাদৰ প্ৰতি কিলোগ্ৰামত ১০ গ্ৰামকৈ নিমখ সানিলেহে ই প্ৰসাদৰ যোগ্য হয় বুলি স্বীকাৰ কৰা হয়। প্ৰসাদৰ এই উপকৰণবোৰৰ খাদ্যমূল্য (Food value) অতি গুৰুত্বপূৰ্ণ। উদাহৰণ স্বৰূপে; মুগমাহ হৈছে — মল সংগ্ৰাহক, কফ-পিত্তনাশক, চকুৰ বাবে হিতকৰ, জ্বৰনাশক ইত্যাদি। প্ৰসাদত থকা মাহে কোষ্ঠকাঠিন্য দূৰ কৰে। বুটমাহৰো অশেষ গুণ আছে। বুটমাহ হৈছে — তেজবৰ্ধক, বাত নিবাৰক, পিত্ত-শৌচনাশক, ৰজঃদোষনাশক। বুটে স্বাস্থ্য আৰু সৌন্দৰ্য ৰক্ষা কৰে। অত্যধিক পৰিশ্ৰম কৰা লোক, গৰ্ভৱতী আৰু স্তনদায়ী মাতৃৰ বাবে বুট এবিধ সুষম আহাৰ। বুটত থকা এটিলো এছিড, ভিটামিন এ, ভিটামিন ডি আৰু ভিটামিন ই, লেচিথিন আদি ৰাসায়নিক দ্ৰব্যই গা জ্বলা-পোৱা কৰা, প্ৰস্ৰাৱ জ্বলা-পোৱা কৰা আদি ৰোগ নিবাময় কৰে। সেইদৰে, আৰৈ চাউলে অম্লৰোধকৰ কাম কৰে আৰু ভাইৰাছ নাশ কৰে। ইয়াত অতি কম পৰিমাণে থকা ফ্লুৰাইডে সংক্ৰামক ৰোগ আৰু হাড়ৰ ৰোগ ৰোধ কৰে। প্ৰসাদত ব্যৱহাৰ কৰা নাৰিকল হ'ল — বলবৰ্ধক, পুষ্টিকাৰক, শীতবীৰ্য গুণকাৰী আৰু পিত্তনাশক। সেইদৰে আদা হৈছে — বাতনাশক, কফনাশক, ৰুচিকাৰক, কণ্ঠশোধনকাৰক ইত্যাদি। পকা কলৰো গুণ অশেষ। কল হৈছে — অগ্নিমান্দ্যকাৰক, শুক্ৰবৰ্ধক, বলকাৰক, ৰুচিকাৰক ইত্যাদি। তদুপৰি কল তৃষ্ণা, ক্ৰিমি, ৰক্ত আৰু পিত্তৰ শান্তিকাৰক। শঙ্কৰদেৱে প্ৰসাদত ব্যৱহাৰ কৰা এই উপকৰণসমূহৰ খাদ্যমূল্যই প্ৰমাণ কৰে — প্ৰসাদ কিমান স্বাস্থ্যসন্মত আৰু প্ৰসাদৰ ব্যৱহাৰ কিমান বিজ্ঞানসন্মত।

(৫) নামঘৰত শ্ৰীমন্ত শঙ্কৰদেৱে যি পাৰিপাৰ্শ্বিক পৰিৱেশৰ সৃষ্টি কৰিছিল সিও তেওঁৰ জনস্বাস্থ্য-সচেতনতাৰ আন এক উদাহৰণ। সত্ৰ-নামঘৰবোৰত সাধাৰণতে কেতবোৰ বিশেষ গছ ৰোপণ কৰা হয়। এই গছসমূহ হ'ল — বিভিন্ন জাতীয় ফুল, তুলসী, নিম, বেল, আমলখি, বকুল, কলগছ, নাৰিকল ইত্যাদি। এই আটাইবোৰ গছেই ঔষধি গুণসম্পন্ন আৰু পৰিৱেশ-কল্যাণকাৰী।

(৬) শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মত শ্ৰৱণ আৰু কীৰ্তনৰ যোগেদি ঈশ্বৰক আৰাধনা কৰা হয়। যিসকল ভক্তই আন্তৰিকতাৰে শ্ৰৱণ আৰু কীৰ্তন কৰে তেওঁলোকে প্ৰায় ৭৫ শতাংশ যোগ আৰু ধ্যানৰ ফলাফল লাভ কৰে বুলি কোৱা হৈছে।[৩১] শ্ৰৱণ আৰু কীৰ্তনৰ যোগেদি মানুহৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক বিকাশ সাধন হয়।

(৭) দেখা গৈছে যে শঙ্কৰদেৱে উদ্ভাৱন কৰা শঙ্কৰী নৃত্যৰ কেবাটাও ভংগীৰ লগত যোগাসনৰ ভংগীৰ ওতপ্ৰোত সম্পৰ্ক আছে। উদাহৰণস্বৰূপে, মাটি আখৰাৰ নানান ভংগীৰ লগত যোগাসনৰ মিল আছে। মাটি আখৰাৰ 'উধালন'ৰ সম্পৰ্ক আছে 'শীৰ্ষাসন'ৰ লগত, 'কাছবান্ধ'ৰ সম্পৰ্ক আছে 'পদ্মাসন'ৰ লগত, ইত্যাদি।[৩২] শঙ্কৰদেৱ নিজেই সিদ্ধযোগী আছিল বুলি ওপৰত উল্লেখ কৰা হৈছে। তেওঁ যোগাসনৰ উপকাৰিতাৰ বিষয়ে ভালদৰে অৱগত আছিল বাবেই যোগাসনৰ কেতবোৰ অতি ফলদায়ক ভংগী তেওঁই সত্ৰীয়া নৃত্যতো অন্তৰ্ভুক্ত কৰিছিল বুলি অনুমান কৰিব পাৰি।

(৮) ঈশ্বৰ-বিশ্বাসক ভিত্তি কৰি বৰ্তমান যুগৰ কিছুমান সমালোচকে ঈশ্বৰ-বিশ্বাসীসকলক অবৈজ্ঞানিক বুলি আখ্যা দিয়ে। তেনে অৰ্থতে তেওঁলোকে ধৰ্ম প্ৰচাৰ কৰা মহাপুৰুষসকলকো বিজ্ঞান-মনস্কতাৰ অধিকাৰী নহয় বুলি ক'ব খোজে। কথা হ'ল — আস্তিকসকলেও দেখুৱাই দিব

নোৱাৰে — ভগৱান কেনেকুৱা, অথবা নাস্তিকসকলেও ক'ব নোৱাৰে — বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ অন্তৰালৰ ৰহস্য কি? গতিকে এই ক্ষেত্ৰত আমাৰ বিচাৰ্য বিষয় হ'ল — 'ঈশ্বৰ-বিশ্বাস মানৱ জীৱনৰ বাবে ক্ষতিকাৰক নেকি?' — তাৰ বিশ্লেষণ কৰি চোৱাটো। শেহতীয়া বৈজ্ঞানিক গৱেষণাই ঈশ্বৰ-বিশ্বাসৰ সম্পৰ্কত কি কয় এতিয়া শুনক। কানাডাৰ টৰণ্টো বিশ্ববিদ্যালয়ৰ মানসিক ৰোগ বিভাগৰ অধ্যাপক মাইকেল ইঞ্জলিচটৰ দ্বাৰা অলপতে সম্পন্ন হোৱা এক অধ্যয়নত প্ৰকাশ পাইছে যে ভগৱানৰ প্ৰতি বিশ্বাসে মানুহৰ উদ্বিগ্নতা দূৰ কৰে আৰু মানুহক মানসিক চাপৰ পৰা মুক্ত কৰি ৰাখে।[৩৩] ইঞ্জলিচটৰ ব্যাখ্যা অনুসৰি চাপপূৰ্ণ পৰিস্থিতিত ভগৱান বিশ্বাসী আৰু ভগৱান বিশ্বাস নকৰাসকলৰ মগজুৰ আচৰণ ভিন্ন হয়। তেওঁৰ মতে ঈশ্বৰ-বিশ্বাসে মানুহৰ মগজুক যথেষ্ট শান্ত কৰি ৰাখে। একেদৰে, ঈশ্বৰ বিশ্বাসৰ ফলাফলৰ সম্পৰ্কে আন দুগৰাকীমান বিজ্ঞানীৰ মন্তব্যৰ উদ্ধৃতিও দিব খুজিছোঁ। ডাঃ এ. এ. ব্ৰিলে কৈছে — "সঁচাকৈয়ে যিজন ধৰ্মপৰায়ণ তেওঁৰ মনোৰোগ নহয়।" আধুনিক মনস্তত্বৰ জনক উইলিয়াম জেমচ্ আৰু তেওঁৰ বন্ধু প্ৰফেচাৰ টমাচ ডেভিচনে লেখিছে — ঈশ্বৰক বাদ দি চলাটো অসম্ভৱ।[৩৪] ঈশ্বৰ-বিশ্বাসৰ এই বৈজ্ঞানিক ফলাফলক ভিত্তি কৰি শঙ্কৰদেৱ বিজ্ঞান-মনস্কতাৰ অধিকাৰী আছিল বুলিয়েই ক'ব লাগিব।

শঙ্কৰদেৱৰ চিন্তা, দৰ্শন, সৃষ্টি, কৰ্ম, আদৰ্শ আদিৰ পৰা অলেখ উদাহৰণ দিব পাৰি য'ত তাৰাৰ বিজ্ঞান-মনস্কতাৰ পোহৰ দেখিবলৈ পোৱা যায়। শঙ্কৰদেৱ যে প্ৰকৃত অৰ্থত এগৰাকী বিজ্ঞান-মনস্কতাৰ অধিকাৰী মহাপুৰুষ আছিল সেই কথা পাৰিপাৰ্শ্বিক বিজ্ঞানসম্পৰ্কীয় আৰু স্বাস্থ্য-বিজ্ঞানসম্পৰ্কীয় এই আলোচনাৰ পৰা সহজতে বুজিব পাৰি।■■

**তথ্যসূত্ৰ ঃ**


১। বৈজ্ঞানিক মন আৰু বৈজ্ঞানিক চিন্তা, ড° দীনেশ চন্দ্ৰ গোস্বামী, ষ্টুডেণ্টচ্ ষ্টৰচ্, পৃষ্ঠা ঃ ৯-১৭
২। Pradeep's New Course Chemistry, Dhuwan, Kheterpal, Kapil; Pradeep's publication, Pages : 14/2-14/5.
৩। কীৰ্তন-ঘোষা আৰু নামঘোষা, সম্পাদনা ঃ সূৰ্যকান্ত হাজৰিকা, বাণী মন্দিৰ, প্ৰথম প্ৰকাশ, ২০০৩; পৃষ্ঠা ঃ ৩৬-৩৭।
৪। উক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ৩৪।
৫। উক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ৬২।
৬। উক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ১২৩।
৭। উক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ১৩০।
৮। উক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ৪৮।
৯। উক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ৫৫।
১০। উক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ৪৫।
১১। বৰগীত, সম্পাদনা ঃ বাপচন্দ্ৰ মহন্ত, ষ্টুডেণ্টচ ষ্টৰচ্, প্ৰথম প্ৰকাশ ঃ ১৯৯২, পৃষ্ঠা ঃ ৭০।
১২। উক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ৭৫।
১৩। উক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ৯১।
১৪। কীৰ্তন-ঘোষা আৰু নামঘোষা, পৃষ্ঠা ঃ ১৩৬।
১৫। উক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ১৩৩।
১৬। উক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ১৩৩।
১৭। উক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ৪৬৬-৪৬৭।
১৮। উক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ৪২৩।
১৯। শ্ৰীমদ্‌ভাগৱত, বৰুৱা এজেন্সী, ১৯৯০, নিমি-নৱসিদ্ধ সংবাদ, একাদশ স্কন্ধ, পৃষ্ঠা ঃ ৫৯৬।
২০। কীৰ্তন-ঘোষা, পৃষ্ঠা ঃ ৪৬৭।
২১। বৰগীত, সম্পাদনা ঃ বাপচন্দ্ৰ মহন্ত, পৃষ্ঠা ঃ ৫১।
২২। শ্ৰীমদ্‌ভাগৱত, দশম স্কন্ধ।
২৩। সাতসৰী, প্ৰথম বছৰ, ঊনবিংশ সংখ্যা, ১-১৫ মে, ২০০৬, পৃষ্ঠা ঃ ৩।
২৪। ফুৰো হুয়া আমি আনন্দিত, হেম ভাই, শান্তি সাধনা আশ্ৰম, প্ৰথম প্ৰকাশ, ১৯৯৯, পৃষ্ঠা ঃ ৭৫।
২৫। পূৰ্ণাংগ কথা গুৰু ৰচিত, ড° সঞ্জীৱ কুমাৰ বৰকাকতী, বাণী মন্দিৰ, প্ৰথম প্ৰকাশ, ২০০৭ চন, পৃষ্ঠা ঃ ৩০-৩৪।
২৬। পূৰ্ণাংগ কথা গুৰু ৰচিত, পৃষ্ঠা ঃ ৫২১-৫২৬।
২৭। শ্ৰীমদ্‌ভাগৱত, দ্বাদশ স্কন্ধ, নিমি-নৱসিদ্ধ সংবাদ।
২৮। উক্ত গ্ৰন্থ, দ্বাদশ স্কন্ধ নিমি-নৱসিদ্ধ সংবাদ।
২৯। উক্ত গ্ৰন্থ, দ্বাদশ স্কন্ধ নিমি-নৱসিদ্ধ সংবাদ।
৩০। 'প্ৰসাদৰ গুণ আৰু বিষক্ৰিয়া', মাধৱ চন্দ্ৰ নাথ, অসমবাণী, ২৬ আগষ্ট, ২০১১, পৃষ্ঠা ঃ ১৩।
৩১। Madhupur : Satra Institution and Culture, Chief Editor : Dr. P. Rajbonshi, P. 24.
৩২। Madhupur : Satra Institution and Culture, Chief Editor : Dr. P. Rajbonshi, P. 68.
৩৩। অসমীয়া প্ৰতিদিন, ৬ মাৰ্চ, ২০০৯, পৃষ্ঠা ঃ ৫।
৩৪। নিৰুদ্বেগ সুন্দৰ জীৱন, ডেল কাৰ্নেগী, ষ্টুডেণ্টচ্ ষ্টৰচ্, পৃষ্ঠা ঃ ১২০-১২১।



**লেখক প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক**

# হাৰ্ট এটেক (Heart Attack)

ডাঃ নগেন্দ্ৰ নাথ ডেকা

হাৰ্টৰ অসুখ বুলিলে সাধাৰণতে হাৰ্ট এটেকৰ কথাটোহে মনলৈ আহে, অহাটোও স্বাভাৱিক। যিহেতু ই মৃত্যুদূত হিচাবেই সকলোৰে পৰিচিত। কিন্তু হাৰ্টৰ অসুখৰ এই ভয়াবহ দিশটোৰ বাহিৰেও আলোচনাত নহাকৈ থাকে হৃদপিণ্ডৰ বিভিন্ন অংশৰ বেমাৰবোৰ, লগতে দেহৰ অন্য বেমাৰবোৰো, যিবোৰে হাৰ্টৰ ওপৰত প্ৰভাৱ পেলায়। এই সকলোবিলাক বেমাৰৰে থূলমূল আভাস, তাৰ উৎপত্তিৰ কাৰণ আদিৰ বিষয়ে জানিব পাৰিলে তাৰ প্ৰতিৰোধৰ ব্যৱস্থা ল'ব পৰা যায়। প্ৰতিৰোধৰ ব্যৱস্থাবিলাকক প্ৰাথমিক প্ৰতিৰোধ (অৰ্থাৎ বেমাৰটোৰ আৰম্ভণি নহ'বৰ বাবে) লোৱা ব্যৱস্থাসমূহক বুজোৱা হয়। বিশেষভাৱে প্ৰতিৰোধ কৰিব পৰা হাৰ্টৰ অসুখবোৰৰ ভিতৰত ৰুমেটিক আৰু কৰণাৰী ধমনীৰ বেমাৰ প্ৰধানকৈ উল্লেখযোগ্য। তাৰোপৰি সংক্ৰমণৰ প্ৰতিৰোধ, সঠিক জীৱনশৈলী, প্ৰদূষণ নিয়ন্ত্ৰণ, ঔষধৰ উপযুক্ত ব্যৱহাৰ আৰু মাদকদ্ৰব্য বৰ্জনৰ জৰিয়তে হাৰ্টৰ অন্য ৰোগবোৰ যেনে— জন্মগতভাৱে আহিব পৰা ৰোগ আদি বহুলাংশে ৰোধ কৰি ৰাখিব পৰা যায়। জীৱনশৈলীৰ বিধিসমূহ বুজি লৈ তাক পালন কৰি চলিলে হাৰ্টৰ অসুখ ৰোধত আৰু আক্ৰান্ত সকলৰ আৰোগ্যত সহায়ক হ'ব।

হাৰ্ট এটেক (Heart Attack) সৰ্বাধিক চৰ্চিত হাৰ্টৰ অসুখ। ৰোগীৰ লক্ষণৰ ওপৰত, বয়স, পূৰ্বৰ স্বাস্থ্যৰ ওপৰত এই বজ্ৰপাতৰূপী বেমাৰটো কেনেকৈ আহি পৰে কোৱা টান। তাৰোপৰি বহুলাংশ ৰোগীৰ বুকুৰ বিষৰ কাৰণে হাৰ্টৰ এটেকৰ সন্দেহত নিতৌ নানা পৰীক্ষা নিৰীক্ষা আৰু চিকিৎসকৰখ ওচৰলৈ ঘূৰি ফুৰা পৰিলক্ষিত হয়।

**হাৰ্ট এটেক কি ?** হৃদমাংসপেশীৰ অক্সিজেনযুক্ত তেজৰ অভাৱত বিকল (নেক্ৰচিম্) হোৱাটোকে হাৰ্ট এটেক বোলা হয়। চিকিৎসাৰ সুবিধাৰ্থে ইয়াত তিনিটা ভাগত ক্ৰমে—

(১) ইচিজি-ত এছটি (ST) অংশ উৰ্দ্ধগামী,

(২) এছটি (ST) অংশ উৰ্দ্ধগামী নোহোৱা,

(৩) আনছটেবল এনজাইনা (Unstable Angina)ত ভাগ কৰা হয়।

**লক্ষণ ঃ** বুকুৰ যি উৰোষ্ঠিৰ (Sternum) পিছপিনে কিছু অংশ জুৰি হেঁচা মাৰি ধৰা, ঘহিপিহি ভাঙি নিয়া বিষ, ত্ৰিশ মিনিটতকৈ বেছি থাকিলে আৰু জিৰণি ল'লেও উপশম নহয়। এই বিষ ডিঙি, থুতৰি আৰু বাওঁ বাহুলৈ বিয়পি যায়। ইয়াৰ লগতে থাকিব পাৰে উশাহৰ কষ্ট, ওকালনি বমি, ঘামি যোৱা আৰু মূৰ্চ্ছা যোৱাৰ দৰে অৱস্থা হয়। ছালখন শেঁতা আৰু ঘামযুক্ত ৰোগী অস্থিৰ হৈ পৰে। বিষ হঠাৎ আৰম্ভ হৈ কেইমিনিট মানৰ বাবে সৰ্বোচ্চ হয়। অৱশ্যে বিষ অনুভৱ নকৰিও অস্বস্তিও অনুভূত হ'ব পাৰে। কেতিয়াবা পেটৰ ওপৰৰ মাজভাগত পোৱণিৰ দৰে হয়। বিশেষকৈ মহিলা, বহুমূত্ৰ ৰোগীৰ খুচি দিয়াৰ দৰে ঠাই সলাই বিষ হ'ব পাৰে। বয়স্কসকলৰ অন্য লক্ষণ যেনে— সৰ্বশৰীৰ দুৰ্বলতা, মানসিক অৱস্থাৰ পৰিৱৰ্তন, অচেতন হ'ব ধৰাৰ অনুভূতি, উশাহৰ কষ্ট আদিয়েই লক্ষণ হ'ব পাৰে।

যিবিলাক আঙুলিৰে দেখুৱাব পৰাকৈ নিৰ্দিষ্ট ঠাইতহে বিষ হয়, উশাহ ললে বেছি হয়, অৱস্থান সলনি কৰি ল'লে বাঢ়ে আৰু হেঁচুকিলে তীব্ৰতৰ হয়। সেইবিলাক হাৰ্ট এটেকৰ বাবে হোৱা বিষ নহয়। সেইটো নিৰ্ভৰ কৰে মৰহি যোৱা হাৰ্টৰ অংশৰ পৰিমাণ আৰু তাৰ অৱস্থিতিৰ ওপৰত।

হাৰ্ট এটেকৰ মূল কাৰণটো হ'ল ৰক্ত পৰিবাহী সিৰাবোৰত সৃষ্টি হোৱা বাধা। এই বাধাবোৰৰ বাবে হৃৎপিণ্ড আৰু মগজুলৈ তেজৰ প্ৰৱাহ ব্যাহত হয়। মানুহৰ দেহৰ ৰক্তবাহী সিৰাবোৰত সৃষ্টি হোৱা বাধাৰ মূল

কাৰণটো হ'ল সিৰাবোৰৰ ভিতৰফালে সৃষ্টি হোৱা মেদৰ প্ৰলেপ। সিৰাবোৰৰ ভিতৰফালে মেদ সৃষ্টি হ'লে সিৰাবোৰ ঠেক হৈ যায়। ফলস্বৰূপে ইয়াৰ ৰক্ত পৰিবাহী ক্ষমতা হ্ৰাস পায়। ই সিৰাবোৰৰ নমনীয়তাও হ্ৰাস কৰে। চিকিৎসা বিজ্ঞানত ইয়াক এথেৰ'স্কেৰছিছ বোলা হয়। এনে হলে ৰক্ত সিৰাবোৰৰ ভিতৰেৰে ৰক্তপ্ৰৱাহ সম্পূৰ্ণ বন্ধ হৈ যাব পাৰে। ৰক্ত প্ৰৱাহৰ অবিহনে মগজু আৰু হৃদপিণ্ডৰ মাংসপেশীবোৰৰ সম্পূৰ্ণভাৱে নষ্ট হ'ব পাৰে।

**ৰক্তসিৰাত মেদ কিয় জমা হয় ঃ** ৰক্তসিৰাত মেদ জমা হোৱাৰ তিনিটা প্ৰধান কাৰণ হ'ল— (ক) ধূমপাণ কৰা আৰু ধপাত জাতীয় সামগ্ৰী সেৱন কৰা।

(খ) অস্বাস্থ্যসন্মত আহাৰ খোৱা।

(গ) শাৰীৰিক শ্ৰমৰ অভাৱ।

শৰীৰৰ ৰক্তবাহী সিৰাবোৰত মেদ জমা হোৱাৰ প্ৰাৰম্ভিক সময়ছোৱাক 'ফেটিষ্ট্ৰেকছ' বোলা হয়। দহবছৰীয়া শিশুৰ দেহটো এই উপসৰ্গ দেখিবলৈ পোৱা যায়। বয়স বঢ়াৰ লগে লগে ই মানুহৰ স্বাস্থ্যত নেতিবাচক প্ৰভাৱ পেলায়।

**হাৰ্ট এটেকৰ উপসৰ্গ কি আৰু হাৰ্ট এটেকৰ সময়ত আমি কি কৰা উচিত ঃ** প্ৰায়বোৰ হাৰ্ট এটেক হঠাতে ঘটা আৰু তীব্ৰ। অৱশ্যে কেতিয়াবা হাৰ্ট এটেক লাহে লাহেও আহিব পাৰে। তেতিয়াও ৰোগীয়ে মৃদু বিষ অনুভৱ কৰে। অৱশ্যে ৰোগীসকলে সেই বিষৰ কাৰণটো কি সেয়া নাজানে। সেইবাবে তেওঁলোকে দীৰ্ঘ সময়ৰ বাবে চিকিৎসা নোলোৱাকৈ থাকি যায়। হঠাতে অহা তীব্ৰ হাৰ্ট এটেকৰ ফলত ৰোগীৰ লগে লগে মৃত্যুও হ'ব পাৰে।

**তীব্ৰ হাৰ্ট এটেক ঃ** তীব্ৰ ধৰণৰ হাৰ্ট এটেকক মায়'কাৰ্ডিয়েল ইনফাৰ্কশ্বন বোলা হয়। সাধাৰণতে ইয়াৰ ফলত বুকুত তীব্ৰ বিষ অনুভৱ হয়। ই কেইমিনিট মানৰ মূৰে মূৰে আহি থাকে। ইয়াৰ ফলত ৰোগীয়ে তীব্ৰ উচ্চ ৰক্তচাপ, বিষ আৰু শাৰীৰিক অসুস্থতা অনুভৱ কৰিব পাৰে। লাহে লাহে এনে বিষয় শৰীৰৰ আন অঙ্গলৈকেও বিয়পিব পাৰে। ৰোগীয়ে উশাহ লোৱাত কষ্ট পোৱা, বমিৰ ভাৱ হোৱা, মূৰ্চ্চা যোৱা, ৰক্তাল্পতাত ভোগা আদি বিভিন্ন উপসৰ্গতো ভুগিব পাৰে। অৱশ্যে ডায়েবেটিছ ৰোগত দীৰ্ঘদিন ধৰি ভূগি অহা ৰোগীয়ে বুকুৰ বিষ অনুভৱ নকৰিবও পাৰে। কাৰণ ডায়েবেটিছ ৰোগীৰ স্নায়ুবোৰ আগতেই ক্ষতিগ্ৰস্ত হয়।

**হাৰ্ট এটেক হ'লে কি কৰিব ঃ** হাট এটেক হোৱা শতকৰা চল্লিশভাগ ৰোগীয়ে চিকিৎসালয় পোৱাৰ আগতে মৃত্যুবৰণ কৰে। সেইবাবে এনে ৰোগীক ততালিকে চিকিৎসা দিব পাৰিব লাগে। এনে ৰোগীৰ বাবে প্ৰতিটো মুহূৰ্তই মূল্যবান। ৰোগীক ততালিকে প্ৰয়োজনীয় চিকিৎসা আগবঢ়াব লাগে। ৰক্তবাহী সিৰাৰ বাধা আঁতৰাই ৰক্ত প্ৰবাহক স্বাভাৱিক কৰিব পৰা যায়। অৱশ্যে হাৰ্ট এটেক হোৱাৰ এঘণ্টাৰ ভিতৰত চিকিৎসা আগবঢ়ালেহে ৰোগীয়ে সুফল লাভ কৰে। দ্ৰুত চিকিৎসাৰে হৃৎপিণ্ডৰ সাম্ভাব্য ক্ষতিক হ্ৰাস কৰিব পাৰি। সেইবাবে হাৰ্ট এটেক হ'লে ৰোগীক ততালিকে ওচৰৰ চিকিৎসালয়লৈ এম্বুলেন্সযোগে লৈ যাব লাগে। ওচৰত চিকিৎসালয় নাথাকিলে ওচৰৰ চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত।

**এনজিনা ঃ** ৰক্তবাহী সিৰা বাধাবোৰ যদি আংশিক হয় আৰু তেজৰ চলাচল সম্পূৰ্ণ বন্ধ নহৈ আংশিক হৈ থাকিলে ৰোগীয়ে তীব্ৰ বুকুৰ বিষ অনুভৱ কৰিব পাৰে। এনে বিষ বহু সময় ধৰি থাকিব পাৰে। শাৰীৰিক পৰিশ্ৰমৰ বাবে এনে হলে অলপ জিৰণি ল'লে বিষ কমি যায়। মানুহ বেছি আবেগিক হলে, মানসিক চাপৰ মাজত থাকিলে বা খুব বেছি গৰম বা ঠাণ্ডা অনুভৱ কৰিলেও এনে বুকুৰ বিষ হ'ব পাৰে। এই বিষ বুকুৰ পৰা গৈ হাত, ডিঙি, পেট আৰু পিঠি পাবগৈ পাৰে। এই অৱস্থাটোকে এনজিনা বোলে। এনজিনাত ভোগা লোকে পিছলৈ তীব্ৰ হাৰ্ট এটেকত ভুগিব পাৰে। সেইবাবে বুকুত হোৱা বিষবোৰ সহজভাৱে ল'ব নালাগে। বুকুৰ বিষ অস্বাভাৱিক আৰু দীঘলীয়া হ'লে আৰু ইয়াৰ লগত উশাহ-নিশাহত কষ্ট পোৱা আৰু হৃৎপিণ্ডৰ স্পন্দন বাঢ়িলে ৰোগীয়ে ততালিকে বিশ্ৰাম গ্ৰহণ কৰিব লাগে। এনেকুৱা অৱস্থাত ৰোগীয়ে চিকিৎসকে দিয়া পৰামৰ্শ অনুসৰি ঔষধ গ্ৰহণ কৰিব লাগে। বিষ উপশমৰ বাবে ৰোগীয়ে বিভিন্ন দৰৱ ব্যৱহাৰ কৰিব পাৰে। বিশ্ৰাম আৰু ঔষধ গ্ৰহণ কৰাৰ পাছতো বিষ অনুভৱ কৰি থাকিলে সময় নষ্ট নকৰি চিকিৎসালয়ত ভৰ্তি হোৱা উচিত।

**হাৰ্ট এটেকৰ চিকিৎসা ঃ** হাৰ্ট এটেকৰ চিকিৎসা সময় আৰু ঠাই বিশেষে ভিন্ন হ'ব পাৰে। হাৰ্ট এটেকৰ

তীব্ৰতা অনুসৰি ইয়াৰ চিকিৎসা বেলেগ বেলেগ হয়। হাৰ্ট এটেকৰ বাবে চিকিৎসালয়ত জৰুৰীকালীন কক্ষত ভৰ্তি হ'লে চিকিৎসকে প্ৰাৰম্ভিক অৱস্থাত 'থ্ৰম্বলাইটিক' ঔষধ ব্যৱহাৰ কৰে। ই ৰক্তবাহী সিৰাৰ বাধাসমূহ আঁতৰোৱাত সহায় কৰে। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ৰোগীক বিভিন্ন ধৰণৰ পৰীক্ষা নিৰীক্ষা কৰা হয়। যেনে— ৰক্ত পৰীক্ষা, ইলেক্ট্ৰকাৰডিঅ'গ্ৰাম আৰু কৰনেৰি আৰ্টেৰিঅ'গ্ৰাম। ইয়াৰ পাছত চিকিৎসকে হৃৎপিণ্ডটোক স্বাভাৱিক অৱস্থালৈ আনিবলৈ বিভিন্ন ঔষধ আগবঢ়াব পাৰে। পৰৱৰ্তী পদক্ষেপ হিচাপে চিকিৎসকে পুনৰ হাৰ্ট এটেক নহ'বলৈ ৰোগীক জীৱনশৈলী পৰিৱৰ্তন কৰাৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়াব পাৰে। ৰোগীয়ে চিকিৎসকৰ সকলোবোৰ পৰামৰ্শ ভালদৰে মানি চলা উচিত। ৰোগীৰ অৱস্থা অনুসৰি কেতিয়াবা এনজিঅ'প্লাষ্টি বা কৰনেৰি আৰ্টেৰি বাইপাছ অস্ত্ৰোপচাৰৰ সহায় ল'ব লগা হ'ব পাৰে। অৱশ্যে ৰোগীৰ শাৰীৰিক অৱস্থা অনুসৰি চিকিৎসকে বিভিন্ন চিকিৎসা পদ্ধতিৰ আশ্ৰয় লয়।

**ঘৰলৈ ওভতাৰ পাছত ঃ** ঘৰলৈ ওভতাৰ পাছত ৰোগীক কাৰ্ডিয়াক ৰিহেবিলিটেশ্বনত ৰখা হয়। ই হ'ল চিকিৎসা বিজ্ঞানৰ আধাৰত কিছুমান নীতি-নিৰ্দেশনা। হাৰ্ট এটেক আৰু এনজিনাত ভোগা ৰোগীয়ে দৈনন্দিন জীৱনত এইবোৰ মানি চলিলে পৰৱৰ্তী সময়ত হাৰ্ট এটেকৰ সম্ভাৱনা নাথাকে। এই নীতি-নিৰ্দেশনাবোৰ হ'ল—

- চিকিৎসকৰ পৰামৰ্শ মতে শাৰীৰিক ব্যায়াম কৰা।
- নিয়মীয়াকৈ ঔষধ সেৱন কৰা।
- জীৱনশৈলীৰ পৰিৱৰ্তন ঘটোৱা— যেনে ধূমপান ত্যাগ কৰা।
- স্বাস্থ্য সম্বন্ধীয় আশংকাবোৰৰ পৰা হাত সাৰি থাকিবলৈ স্বাস্থ্য সম্বন্ধে সচেতন হোৱা।
- শৰীৰৰ ক্ষমতা বৃদ্ধি কৰি স্বনিৰ্ভৰশীল হোৱা আৰু জীৱন ধাৰণৰ মান উন্নত কৰা।
- জীৱিকালৈ উভতি যোৱা।

**হৃদৰোগ আৰু ভিটামিন ঃ** ভিটামিন এ, চি আৰু ই গ্ৰহণ কৰিলে হাৰ্ট এটেক নহয় বুলি থকা ধাৰণাটোৰ কোনো ভিত্তি নাই। স্বাস্থ্যসন্মত আহাৰ গ্ৰহণ কৰাটোহে আচল কথা।

**এটেকৰ পাছত হৃৎপিণ্ড স্বাভাৱিক হ'ব পাৰেনে?** এই কথা নিৰ্ভৰ কৰে এটেকটোৱে হৃৎপিণ্ডৰ মাংসপেশীক কিমান বেছি ক্ষতি কৰিছে তাৰ ওপৰত। হৃদৰোগৰ উপসৰ্গবোৰ দেখা দিয়াৰ লগে লগে চিকিৎসা গ্ৰহণ কৰিলে হৃৎপিণ্ড স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিব পাৰে। সেয়ে যথাসময়ত চিকিৎসা গ্ৰহণ কৰাটো অত্যন্ত জৰুৰী।

**পুনৰ হাৰ্ট এটেক নহবলৈ কি কৰা উচিত ঃ** এবাৰ হাৰ্ট এটেক হোৱা ৰোগীৰ পুনৰ হাৰ্ট এটেক হোৱাৰ যথেষ্ট সম্ভাৱনা থাকে। হাৰ্ট এটেকৰ পুনৰাবৃত্তি ঘটিলে হৃৎপিণ্ড সম্পূৰ্ণৰূপে বিকল হৈ যাব পাৰে। সেয়ে পুনৰ যাতে এনে ঘটনা নঘটে তাৰ বাবে চিকিৎসকৰ পৰামৰ্শমতে নিজৰ গতানুগতিক জীৱনশৈলীৰ পৰিৱৰ্তন কৰিব লাগে। সাধাৰণতে ৰোগীয়ে দীৰ্ঘ সময়ৰ বাবে ঔষধ সেৱন কৰিব লগীয়া হয়।

**হাৰ্ট এটেক আৰু ষ্ট্ৰক প্ৰতিৰোধ ঃ** হাৰ্ট এটেক হোৱা ৰোগীৰ দুই-তৃতীয়াংশৰে চিকিৎসালয় পোৱাৰ পূৰ্বেই মৃত্যু হয়। আধুনিক চিকিৎসা লাভ কৰা এনে ৰোগীৰ যাঠি শতাংশই মৃত্যু বৰণ কৰে অথবা জীৱনলৈ শাৰীৰিকভাৱে বাধাগ্ৰস্ত হয়। সেয়ে হৃদৰোগৰ উপসৰ্গ সমূহৰ বিষয়ে সকলোৰে প্ৰাথমিক জ্ঞান থকা উচিত। এই ৰোগৰ বাবে চিকিৎসাতকৈ প্ৰতিৰোধহে অধিক আৱশ্যকীয়। কিছু সাৱধানতা অৱলম্বন কৰিলে যিকোনো মানুহেই হৃদৰোগৰ পৰা নিলগত থাকিব পাৰে। কিছুমান অভ্যাসে হৃদৰোগৰ পৰা নিলগত থাকিব পাৰে। কিছুমান অভ্যাসে হৃদৰোগৰ সম্ভাৱনা বৃদ্ধি কৰে। যেনে— ধূমপান আৰু ধপাত সেৱন, স্বাস্থ্যৰ পৰিপন্থী খাদ্য গ্ৰহণ, শাৰীৰিক শ্ৰমহীনতা।

অস্বাস্থ্যসন্নত জীনশৈলীয়ে তিনিবিধ ৰোগক আমন্ত্ৰিত কৰে। এই ৰোগ কেইটা হ'ল— উচ্চৰক্তচাপ, ডায়েবেটিছ আৰু মেদবহুলতা।

**অস্বাস্থ্যসন্মত জীৱনশৈলী ঃ**

**ধূমপান ঃ** ধূমপানে আমাৰ হাওঁফাওঁ, ৰক্তবাহী সিৰা আৰু হৃৎপিণ্ডৰ ক্ষতি কৰে। হৃৎপিণ্ড আৰু মগজু সুচাৰুৰূপে চলিবলৈ যিমান অক্সিজেনৰ প্ৰয়োজন, ধূমপান কৰাসকলে সিমানখিনি অক্সিজেনৰ পৰা বঞ্চিত হয়। ফলস্বৰূপে এই অঙ্গ দুটাই ভালদৰে কাম কৰিব নোৱাৰে।

ধূমপানৰ ফলত হৃদৰোগৰ উপৰি কেঞ্চাৰ আৰু হাওঁফাওঁৰ আন ৰোগো হ'ব পাৰে। গৰ্ভাৱস্থাত কৰা ধূমপানে মাতৃৰ লগতে গৰ্ভস্থ শিশুটোৰো ক্ষতি কৰে।

**অস্বাস্থ্যসন্মত খাদ্য ঃ** অস্বাস্থ্যসন্মত খাদ্য হ'ল অতি বেছি পৰিমাণে খাদ্য খোৱা, অতি বেছি তেলযুক্ত, চেনি আৰু নিমখযুক্ত আহাৰ গ্ৰহণ, যথেষ্ট পৰিমাণে ফলমূল আৰু শাক-পাচলি নোখোৱা।

আপুনি যদি অতিভোজন কৰে আৰু সেই অনুপাতে শাৰীৰিক পৰিশ্ৰম নকৰে, তেন্তে আপোনাৰ দেহৰ ওজন বৃদ্ধি পাব। আনহাতে বৰ্তমানৰ ফাষ্ট ফুডবিলাকত খুব বেছি তেল, চেনি আৰু নিমখ থাকে। এই খাদ্যবোৰ শৰীৰৰ বাবে খুবেই অপকাৰী।

**শাৰীৰিক শ্ৰমৰ অভাৱ ঃ** শাৰীৰিক শ্ৰমৰ অভাৱত মানুহৰ ৰক্তচাপ, ব্লাডছুগাৰ আৰু মেদ বৃদ্ধি হয়।

**হাৰ্ট এটেকৰ মুখ্য কাৰণ ঃ** তিনিটা উপাদানে হাৰ্ট এটেকৰ সম্ভাৱনা বঢ়ায়। সেয়া হ'ল— উচ্চ ৰক্তচাপ, ডায়েবেটিছ আৰু মেদবহুলতা। তদুপৰি আন কিছুমান কাৰণেও হৃদৰোগ বৃদ্ধিত অৰিহণা যোগাব পাৰে। যেনে— মানসিক ছাপ, নিসংগতা, উত্তেজনা ইত্যাদি। আনহাতে কেতবোৰ ঔষধ দীৰ্ঘদিন জুৰি সেৱন কৰাৰ ফলতো হৃদৰোগ হ'ব পাৰে। বিশেষকৈ হৰম'ন জাতীয় ঔষধ এই ক্ষেত্ৰত উল্লেখযোগ্য।

**হাৰ্ট এটেকৰ পৰা কিদৰে হাত সাৰিব ঃ** পোন প্ৰথমেই নিজৰ আৰু পৰিয়ালৰ গতানুগতিক জীৱনশৈলীৰ পৰিৱৰ্তন কৰিব লাগিব। বিশেষকৈ ধূমপান বৰ্জন কৰি আপুনি জীৱনশৈলী পৰিৱৰ্তনৰ শুভাৰম্ভ কৰিব পাৰে।

- নিজে ধূমপানৰ পৰা বিৰত থাকি আনকো বিৰত থাকিবলৈ অনুপ্ৰাণিত কৰক।
- দিনটোৰ ভিতৰত অতিকমেও ত্ৰিশমিনিট সময় শাৰীৰিক শ্ৰম কৰক। ইয়াৰ বাবে খোজকঢ়া, বাগিচাত কাম কৰা, ঘৰুৱা কাম-কাজ আদিয়েই যথেষ্ট।
- দিনে কমেও পাঁচবাৰ ফলমূল আৰু সেউজীয়া শাক-পাচলি খাব। আহাৰত চেনি, নিমখ আৰু তেলৰ মাত্ৰা কমাওক।
- সপ্তাহত এবাৰকৈ নিজৰ ওজন, ৰক্তচাপ আৰু ব্লাডছুগাৰ পৰীক্ষা কৰক।

**খাদ্যাভাসৰ পৰিৱৰ্তন ঃ** আন আহাৰৰ সলনি বেছিকৈ ফলমূল আৰু শাক-পাচলি খাওক। ফলমূল আৰু শাক-পাচলিত এনে বহুতো পদাৰ্থ থাকে। যিবোৰ ৰক্তবাহী সিৰা, হৃৎপিণ্ড আৰু মগজুৰ কোষসমূহক শক্তিশালী কৰে। তদুপৰি সপ্তাহত এবাৰকৈ মাছ খোৱা উচিত। মাছত অ'মেগা-৩ নামৰ এবিধ ফেটি এচিড থাকে। ই হৃৎপিণ্ডক শক্তিশালী কৰাত সহায় কৰে আৰু তেজ গোট মৰাত বাধা দিয়ে।

**মেদ কমাওক ঃ** মেদ হ'ল শক্তিৰ উৎস। শৰীৰত উৎপন্ন হোৱা মেদসমূহ শাৰীৰিক শ্ৰমৰ দ্বাৰা খৰচ নকৰিলে ই জমা হবচল আৰম্ভ কৰে। তেতিয়া শৰীৰৰ ওজন বাঢ়িবলৈ লয়। যিয়ে হৃদৰোগৰ সম্ভাৱনা বৃদ্ধি কৰে। শৰীৰত মেদৰ পৰিমাণ নিয়ন্ত্ৰণ কৰিবৰ বাবে বাটাৰ, ঘি, ক্ৰীম, চীজ, নাৰিকলতেল, তেলত ডুবাই ভজা বস্তু, মাংস, চকলেট আদি খোৱাৰ পৰা বিৰত থাকিব লাগে। মেদ বৃদ্ধিকাৰক উপৰিউক্ত বস্তুবোৰৰ সলনি ছানফ্লাৱাৰ তেল, বাদাম, কাজুবাদাম, ৰঙালাও, মাছৰ তেল, ছয়াবিন আদি গ্ৰহণ কৰিব লাগে। তদুপৰি ৰান্ধোতে কম তেল ব্যৱহাৰ কৰিব লাগে। সিজোৱা বস্তু বা সেকি খোৱাৰ অভ্যাস কৰিব লাগে। শৰীৰৰ মেদ কমাবলৈ হ'লে নিজকে শাৰীৰিকভাৱে সক্ৰিয় হৈ থকাটো অত্যন্ত প্ৰয়োজনীয়। মনলৈ এলাহ ভাৱ আহিলে মেদবহুলতাৰ পৰা ৰক্ষা পোৱাটো কঠিন হ'ব। এজন পুৰুষৰ কঁকালৰ জোখ ১০২ ছেঃমিঃৰ অধিক হ'লে তেওঁলোকক চেণ্ট্ৰেল অবেছিটিত ভোগা বুলি ধৰা হয়। ইয়াতকৈও অধিক জোখৰ কঁকালৰ গৰাকীয়ে সহজতে হৃদৰোগৰ চিকাৰ হয়। শৰীৰৰ মেদ কমাবলৈ নিয়মীয়াকৈ ব্যায়াম কৰিব লাগে। নিয়মীয়া ব্যায়ামৰ দ্বাৰা মেদ কমোৱাৰ উপৰিও ৰক্তচাপ, ব্লাডছুগাৰ আৰু তেজৰ চৰ্বিও কমাব পাৰি। তদুপৰি ই আমাৰ দেহযন্ত্ৰক শক্তিশালী কৰাৰ উপৰি মনটোকো প্ৰফুল্লিত কৰি ৰাখে।

শৰীৰক সক্ৰিয় কৰি ৰাখিবলৈ কিছুমান সৰুসুৰা কামৰ দ্বাৰা আমি শাৰীৰিক সক্ৰিয়তা বঢ়াব পাৰো। যেনে— লিফটৰ সলনি চিৰি বগোৱা, কম দূৰত্বত গাড়ীৰ সলনি খোজকাঢ়ি যোৱা, টেলিভিছনৰ সন্মুখত অযথা বেছি সময় বহি নথকা ইত্যাদি। প্ৰতিদিনে ত্ৰিশ মিনিট সময় শাৰীৰিক শ্ৰম কৰিলেই যথেষ্ট। এই ত্ৰিশ মিনিট সময় একেলেথাৰিয়ে শ্ৰম কৰিব লাগিব বুলিও

কোনো কথা নাই। দিনটোৰ বিভিন্ন সময়ত নানা ধৰণৰ কামত নিজকে ত্ৰিশ মিনিট সময় ব্যস্ত ৰাখিলেই হ'ল। অৱশ্যে স্বাস্থ্য সম্বন্ধীয় অসুবিধা থাকিলে এই ক্ষেত্ৰত চিকিৎসকৰ পৰামৰ্শ ল'ব লাগে। শাৰীৰিক শ্ৰম কৰি নিজকে ভাল লাগিলে এই সময়টো আৰু বঢ়াই ল'ব পাৰে। মন কৰিবলগীয়া যে কেইদিনমান অতিমাত্ৰা শ্ৰম কৰি পুনৰ জিৰণি ল'লে স্বাস্থ্যৰ অৱনতিহে হ'ব পাৰে।

**হাৰ্ট এটেকৰ ক্ষেত্ৰত মহিলা সকলৰ বিশেষত্ব—**

১) মহিলাসকলৰ ৰজঃসন্ধিৰ পাছত অৰ্থাৎ ইষ্ট্ৰ'জেন নামৰ হৰমোনবিধৰ নিঃসৰণ কম হোৱাৰ পাছতে হাৰ্ট এটেকৰ সম্ভাৱনা আৰু প্ৰৱলতা বাঢ়িবলৈ ধৰে। কিন্তু বহুমূত্ৰ ৰোগ থাকিলে, মহিলা গৰাকীৰ ৰজঃসন্ধিৰ আগতেই এই প্ৰতিৰক্ষা কবচ নোহোৱা হয়। বহুমূত্ৰই হাৰ্ট এটেকৰ সম্ভাৱনা ৩-৭ গুণ আৰু বিফলতাৰ সম্ভাৱনা ৮ গুণ বঢ়ায়।

২) পৰীক্ষাৰ ক্ষেত্ৰটো এনজিঅ'গ্ৰাফী পৰীক্ষাৰ ক্ষেত্ৰত ধমনীৰ ভিতৰফালে থকা ৰুদ্ধতা কমকৈ ধৰা পৰে।

৩) লক্ষণৰ ক্ষেত্ৰত— ডিঙিৰ হনু আৰু ওপৰ পিঠিত বিষ, উশাহ চুটি হোৱা, খোচা-বিন্ধা তথা বমি, বদহজম, আভোক, মূৰ ঘূৰণি, বুকুৰ ধপধপনি, বুকুৰ বিষ আৰু ভাগৰ লগা বেছিকৈ দেখা দিব পাৰে। এইবিলাক ব্যতিক্ৰমী লক্ষণৰ বাবে ৰোগ নিৰ্ণয়ত বিলম্ব হয় আৰু সেই হেতু থম্বলাইচিছ প্ৰয়োগ, এঞ্জিঅ'প্লাষ্টি আৰু বাইপাচ কৰাৰ সুবিধা কমি যোৱাটো স্বাভাৱিকতে দেখা যায়।

৪) আক্ৰান্ত মহিলাসকল বেছি বয়সীয়া, মেদবহুল হোৱাৰ লগতে আৰ্থিকভাৱে অনগ্ৰসৰ আৰু মানসিক অসন্তুলিত হোৱা দেখা যায়। সেয়ে হাৰ্ট এটেকৰ পৰিণতিত বেছি শোচনীয় হোৱা দেখা যায়।

৫) মহিলৰ অসুস্থিৰ হৃদশূল বেছি হয় আৰু ইনফাৰকচন হোৱা সকলৰ কিউওৱেভ থকা আৰু এচ টি কম উৰ্দ্ধগামী হোৱা দেখা যায় আৰু প্লেক ফাটি নগৈ ক্ষয় হোৱা দেখা যায়।

৬) মহিলাসকলৰ হাৰ্ট এটেকৰ সম্ভাৱনাৰ ক্ষেত্ৰত কম এইচ ডি এল আৰু উচ্চ ট্ৰাইগ্লিচাৰইডৰ গুৰুত্ব বেছি।

৭) পেটৰ ব্যাস, উচ্চ ৰক্তচাপ আৰু ধপাতে পুৰুষতকৈ মহিলাক বেছি ক্ষতিগ্ৰস্ত কৰে।■■

**লেখক প্ৰাক্তন মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ জৰিয়তে ২০০৫ চনৰ পৰা সপ্তাহত এদিনকৈ ৰোগীক বিনামূলীয়াকৈ চিকিৎসা আৰু ঔষধ বিতৰণ কৰি আহিছে। বৰ্তমান সঙ্ঘৰ চিকিৎসা সেৱাৰ সভাপতি**

---

# মগজুৰ বীট

বীটৰ ৰসত প্ৰাকৃতিক নাইট্ৰেটৰ পৰিমাণ বহুত বেছি। ই মগজুলৈ তেজ সঞ্চৰণত সহায় কৰে। ৬৭ বছৰৰ পৰা ৮১ বছৰীয়া লোকৰ মাজত চলোৱা পৰীক্ষাৰ শেষত এদল বিশেষজ্ঞই এই সিদ্ধান্তলৈ আহিছে যে নিয়মীয়াকৈ বীটৰ ৰস সেৱন কৰিলে মগজুলৈ ৰক্তচলন বৃদ্ধি পায়। আনহাতে পৰ্যবেক্ষনটোত যিসকলক বীটৰ ৰস খাবলৈ দিয়া হোৱা নাছিল, তেওঁলোকে স্মৃতিভ্ৰংশৰ নিচিনা অন্যান্য মগজুৰ ৰোগত আক্ৰান্ত হ'বলৈ ধৰিছিল। নাইট্ৰিক অক্সাইড নামৰ জাৰ্ণেলৰ ২০১০ চনৰ নবেম্বৰ সংখ্যাত এই তথ্য প্ৰকাশ পাইছে।

# কঁকালৰ বিষৰ বনৌষধ

**ভেষজ ৰত্ন গুণাৰাম খনিকৰ**

কঁকাল হ'ল মাংসপেশী, হাড় আৰু স্থিতিস্থাপক কলাতন্ত্ৰৰ এক যৌগিক গাঁঠনি, যাক শৰীৰৰ জীৱন হাড় বা লাইফব'ন নামেৰে জনা যায়। মেৰুদণ্ডডাল ২৪৭ জোখৰ আঙঠিৰ দৰে আকৃতিৰ হাড়েৰে এটাৰ ওপৰত আনটোকৈ সজোৱা থাকে। এই হাড়কেইডালৰ তলত থকা ত্ৰিকোণাকৃতিৰ হাড়ডালক 'ছেক্ৰোম' বোলে। ছেক্ৰামৰ একেবাৰে তলৰ অংশ যিটোক নেজৰ দৰে দেখি তাক 'কফিক্স' বোলে। এই অংশটো সৰু সৰু বহু হাড়েৰে গঠিত। মেৰুদণ্ড হাড়ৰ প্ৰতিটো যোৰাত বগা কলাতন্ত্ৰ একোডালৰ ঘূৰণীয়া আকৃতিৰ থাল এখন থাকে। এই থাল বা কাঁহী আকৃতিৰ বস্তুখিনিয়ে এখন তুলিৰ দৰে কাম কৰে। এই থালবিলাকৰ অবিহনে যোৰাবিলাক লৰচৰ কৰা অসম্ভৱ।

ওপৰৰ হাড় দুডালৰ এডালক 'আটলাছ' আৰু আনডালক 'এক্জিছ' বোলা হয়। এই দুডালে মূৰটো তলমূৰা, ওপৰমূৰা আৰু ইফালে সিপালে লৰচৰ কৰাত সহায় কৰে। মেৰুদণ্ডৰ প্ৰধান কাম দুটা— এটা হ'ল জঁকাৰ ৰাজহড়ডাল ধৰি ৰখাত সহায় কৰা আৰু আনটো হ'ল স্নায়ুৰজ্জুক সকলো ফালৰপৰা ৰক্ষা কৰা।

কেতিয়াবা এই থাল বা কাঁহীবিলাক ফাটি যায়। তেতিয়া ইয়াক পিছলা কাঁহী বুলি কয়। তুলিৰ দৰে এই কাঁহীবিলাক অদৃশ্য হৈ পৰাৰ পিছৰ অৱস্থাটোক ডিজেনেৰেটেড ডিক্স বোলা হয়। পিছলা থালৰ অসুবিধাখিনি হ'ল— ই স্নায়ুত এনেদৰে প্ৰতিক্ৰিয়া কৰে যে তপিনা আৰু ভৰিলৈকে বিষ নামিব পাৰে। যদি এই কাঁহী পিছলাটো ডিঙিৰ ওচৰত হয়, তেন্তে বাহুত বিষ হয়।

**কঁকালৰ বিষৰ কাৰণ ঃ**

- মাংসপেশীৰ উত্তেজনা,
- যোৰাবিলাক ঠিক নোহোৱা,
- মেৰুদণ্ড পোনকৈ নৰখা
- অপুষ্টিকৰ খাদ্য গ্ৰহণ বা দেহত কেলচিয়াম ফচফেটৰ অভাৱ,
- পৰিশ্ৰম বিমুখতা,
- দীৰ্ঘদিনীয়া বৃক্কৰ অসুখ,
- মহিলাৰ বিভিন্ন সমস্যা ইনফ্লুয়েঞ্জা আৰু গাঁঠিৰ বিষ,
- শুই থকা অৱস্থাত মেৰুদণ্ড পোনকৈ নাৰাখিলে,
- গধুৰ বস্তু দঙা, দীৰ্ঘপথ ভ্ৰমণ, ওখ জোতা পিন্ধা,
- মানসিক চিন্তা, দুৰ্বল মাংসপেশী,
- প্ৰসাৰৰ ৰোগ, মেৰুদণ্ডৰ আঙুঠিৰ ফাঁক বৃদ্ধি পোৱা,
- ইউৰিক এচিদ বেছি হোৱা,
- ৰাজহাড়ৰ মজ্জা হ্ৰাস পোৱা।

**লক্ষণ ঃ** সাধাৰণতে কঁকালৰ বিষত মেৰুদণ্ডৰ মধ্য অংশত বা তলৰ অংশত বিষ হয়। ই লাহে লাহে তপিনালৈকে বিয়পে। দীৰ্ঘদিনীয়া কঁকালৰ বিষ থকা ৰোগীয়ে লৰচৰ কৰিব নোৱাৰে আৰু বিছনাতে শুই থাকিব লগা অৱস্থা হয়। চাৰ্ভিকেল বা লাম্বাৰ স্পণ্ডেলাইটিছ ৰোগত আক্ৰান্ত হোৱা শতকৰা প্ৰায় ৯০ জনৰে কঁকালৰ বিষ হয়। ইণ্টাৰভাৰটিব্ৰেল ডিক্স আৰু ভাড়টিব্ৰেল হাড় কোমল হয় আৰু প্ৰকৃত আকাৰ হেৰুৱায়। যাৰ ফলত মেৰুদণ্ডৰ স্থিতাৱস্থা নাইকিয়া হয়।

**প্ৰতিৰোধক ব্যৱস্থা ঃ** কঁকালত বিষৰ পৰা ৰক্ষা পাবলৈ হ'লে মেৰুদণ্ড বেঁকা কৰি বহিব, শুব, খোজকাঢ়িব বা খেলা-ধূলা আদি কেতিয়াও কৰিব নালাগে। লক্ষ্য কৰিব মেৰুদণ্ডই যাতে শৰীৰৰ অধিক বোজা বহন কৰিব লগা নহয়। বেছি গধুৰ বস্তু দঙা-মেলা কৰাৰ পৰা বিৰত থাকিব লাগে। অতি খলা-বমা ৰাস্তাত চাইকেল, মটৰ চাইকেল বা অন্য যানবাহনত বহু সময় ধৰি যাতায়ত

কৰা উচিত নহয়। একেৰাহে বহুত সময় ধৰি বহি থাকিব নালাগে, কেলচিয়াম আৰু ফছফৰাছযুক্ত বস্তু যথেষ্ট পৰিমাণে খাব লাগে। নিয়মীয়াকৈ শাৰীৰিক ব্যায়াম কৰিব লাগে। প্ৰতিদিনে বিশুদ্ধ ঠাণ্ডা পানী কমেও তিনি লিটাৰকৈ খাব লাগে। একেবাৰে কোমল বিছনাত শুব নালাগে। খাদ্যপ্ৰাণ 'গ' জাতীয় বস্তু যথেষ্ট পৰিমাণে খাব লাগে। এই ক্ষেত্ৰত আমলখি উৎকৃষ্ট।

**বনৌষধি চিকিৎসা ঃ**

■ প্ৰস্ৰাৱৰ দোষত কঁকালৰ বিষ হ'লে পাতেগজাৰ পাঁচখন পাত পৰিস্কাৰকৈ ধুই দিনে এবাৰকৈ চোবাই খাব লাগে। এনেদৰে একেৰাহে এমাহমান খাব লাগে।

■ ৰাজহাড়ৰ মজ্জা কমি গ'লে পূৰঠ অৰ্জুন গছৰ ছালৰ দুচামুচ গুড়া দুগিলাচ গাখীৰত উতলাই দিনে দুবাৰকৈ একেৰাহে তিনিমাহমান খালেই ৰোগীয়ে আৰোগ্য লাভ কৰে।

■ ইউৰিক এচিড বৃদ্ধিৰ কাৰণে কঁকালৰ বিষ হ'লে নহৰুৰ সৈতে ভেদাইলতা চাটনি কৰি প্ৰতিসাজ আহাৰত খাব লাগে। নিয়মীয়াকৈ এমাহ পৰ্যন্ত খাব লাগে।

■ মানসিক চিন্তা দূৰ কৰিবৰ বাবে ঘিউত ব্ৰাহ্মীশাক ভাজি খালে উপকাৰ পোৱা যায়।

■ দুই লিটাৰ পানীত পচতীয়াৰ পাত দুমুঠি সিজাই তাত দুচামুচ খোৱা নিমখ মিহলি কৰি বিষ হোৱা ঠাইত সেক দিব লাগে।

■ এডোখৰ গুড়ৰ লগত কেঁচা হালধিৰ দুচামুচ ৰস মিহলি কৰি দিলে একেৰাহে এমাহমান খাব লাগে।

■ মোচোকা খোৱাৰ বাবে কঁকালৰ বিষ হ'লে কেঁচা হালধিৰ লগত বৰালী বকোৱা বন পিহি বিষ হোৱা স্থানত লগাব লাগে।

**পথ্য ঃ**

সেউজীয়া শাক-পাচলিৰ চালাড যেনে— বিলাহী, গাজৰ, বন্ধাকবি, কোমোৰা, মূলা, ওলকবি, ফুলকবি, পালেং আৰু ফলমূল যথেষ্ট পৰিমাণে খাব লাগে। কিন্তু কল খাব নালাগে। পুৰা জলপান বা লঘু আহাৰৰ লগত গাখীৰ বা ফলমূল খাব পাৰে। ভাত খোৱাৰ পাছত ভাতৰ সৈতে সতেজ ফলৰ ৰস খাব লাগে। খাদ্যপ্ৰাণ 'গ' যুক্ত বস্তু যেনে— আমলখি, সেউজীয়া বস্তু, আঁহ জাতীয় বস্তু, কেঁচা জলকীয়া, মহানিমৰ পাত, চজিনাৰপাত, নৰসিংহৰ পাত, খৰিচা উপকাৰী। ব্ৰাহ্মী, মানিমুনি, টেঙেচি, কোমোৰা, গোমধান, মৰিচা শাক স্নায়ু সবল কৰে। মাহজাতীয় শস্য, কাঠফুলা, মাছ, মাংস আদিয়ে হাড়ৰ মজ্জা গঠন কৰিব পাৰে। নেমু আৰু আমলখিয়ে কঁকালৰ বিষ সহজে বাল কৰিব পাৰে। খাদ্যপ্ৰাণ 'ঘ' বিষত উপকাৰী। লৌহজাতীয় বস্তু যেনে— কলডিল, বেঙেনা, গুড়, খেজুৰী, নাচপতি, পনিয়ল, পচলা, বিলাহী, ফুলকবি আদি যথেষ্ট পৰিমাণে খোৱা উচিত।

নিমখ মিহলি গৰম পানীত কাপোৰ তিয়াই বিষ হোৱা ঠাইত দুঘণ্টাৰ মুৰে মুৰে সেক দিব লাগে। চাৰি-পাঁচ ফুটা নহৰু খুন্দি ৫০ গ্ৰাম সৰিয়হৰ তেলত ভাজি বা পুৰণি ঘিউত ভাজি বিষ হোৱা স্থানৰ ইফালে সিফালে মাংসেপেশীত মালিচ কৰিব লাগে। খোজকঢ়া, চাইকেল চলোৱা বা অন্যান্য ব্যায়াম কৰা ভাল।

**অপথ্য ঃ** ঠাণ্ডা লগাব নালাগে। কল খোৱা নিষেধ। দৈ অপকাৰী। চৰ্বিজাতীয় খাদ্য, মচলা আৰু ভজা বস্তু খাব নালাগে। একেৰাহে বহুসময় লেখা-পঢ়া কৰিব নালাগে।■■

**লেখক অসমৰ বিশিষ্ট আয়ুৰ্বেদ গৱেষক**

# বগাস্ৰাৱ ৰোগ আৰু হোমিঅ'পেথিক চিকিৎসা

ডাঃ নিপ কুমাৰ দত্ত

কোনো কোনো সময়ত কিছুমান মহিলাৰ গুপ্তাংগ বা জননেন্দ্ৰিয়ৰ পৰা এবিধ হালধীয়া বা গাখীৰৰ দৰে স্ৰাৱ নিৰ্গত হয়। ইংৰাজীত 'লিউকোৰিয়া' বা 'হোৱাইট ডিচাৰ্জ' বোলা এই ৰোগবিধকে আমি অসমীয়াত 'বগাস্ৰাৱ ৰোগ' বুলি কোৱা হয়। আকৌ কম বয়সীয়া অৰ্থাৎ কিশোৰীসকলৰ ক্ষেত্ৰত চৰ্দিজনিত বা কৃমিজনিত কাৰণত হোৱা দেখা যায় আৰু সেইবাবে কিশোৰীসকলৰ ক্ষেত্ৰত ইয়াক 'ইনফ্যান্টাইল লিউকোৰিয়া' বোলা হয়।

**বগাস্ৰাৱ আৰু ৰোগৰ লক্ষণ ঃ** লক্ষণ বুলিলে সাধাৰণতে দেখা যায় মহিলাৰ জননেন্দ্ৰিয়ৰ পৰা এবিধ হালধীয়া বা বগা গাখীৰৰ দৰে স্ৰাৱ ওলায়। এই স্ৰাৱ আঠাৰ দৰে হয়। য'ত মহিলাৰ কাপোৰতো দাগ লাগে। বিবাহিতা আৰু বেছি বয়স হোৱা মহিলাৰ স্ৰাৱ মাহেকীয়া হোৱাৰ আগেয়ে বা পাছত বেছি হয়। কিছুমান ৰোগীৰ সামান্য জ্বৰ থাকে। আনহাতে, এনে স্ৰাৱৰ পৰিণতিত কোনো কোনো মহিলাৰ ঘা পৰ্যন্ত হয়। এনেদৰে যৌনাঙ্গত জ্বলা-পোৰা কৰে, কঁকাল, উৰু, তলপেট, ৰাজহাড় আদিত বিষ হয়। যাৰ ফলত দেহৰ বিভিন্ন অঙ্গ প্ৰত্যঙ্গ ক্লান্ত আৰু ভাৰি হয়। কিছুমানৰ মুখ তিক্ত স্বাদৰ হৈ পৰে। কাৰোবাৰ বমি ভাব হয়, প্ৰস্ৰাৱ জ্বলা-পোৰা কৰে আৰু কমকৈ হয়। কিছুমান ৰোগীৰ দেহৰ উষ্ণতা বৃদ্ধি পালে সেই বৰ্দ্ধিত উষ্ণতা লাহে লাহে হ্ৰাস পাই আহি ৰোগী ক্ৰমান্বয়ে আৰোগ্যৰ পথলৈও আহে। আনফালে কিছুমান ৰোগীৰ ক্ষেত্ৰত এই ৰোগবিধে স্থায়ী ৰূপো লোৱা দেখা যায়। তেনেহলে মহিলাগৰাকী বেছি দুৰ্বল হয়। পাছত মূৰ ঘূৰোৱা, মাহেকীয়া অনিয়মীয়া হোৱাৰ লগতে বিভিন্ন আনুষঙ্গিক লক্ষণ ৰোগীৰ দেহত পৰিলক্ষিত হয়।

**ৰোগৰ কাৰণ ঃ**

বগাস্ৰাৱ ৰোগৰ কাৰণ বহুতো হ'ব পাৰে। তাৰ ভিতৰত প্ৰধান কাৰণ কেইটা হ'ল— (১) শৌচ খোলা নহ'লে, (২) তেজৰ গণ্ডগোল হ'লে, (৩) সহবাস বেছি হলে, (৪) স্বপ্ন দোষজনিত কাৰণত, (৫) পেটৰ বিভিন্ন ৰোগ যেনে অম্ল-অজীৰ্ণ ৰোগৰ বাবে, (৬) কোনো আঘাতজনিত কাৰণত নাইবা জৰায়ু স্থানচ্যুত হ'লে, (৭) অন্ত্ৰৰ অধিক কৃমি থাকিলে আৰু বছৰত এবাৰো কৃমিৰ ঔষধ নাখালে, (৮) যৌনাঙ্গ পৰিস্কাৰ হৈ নাথাকিলে, (৯) কোনো উত্তেজক ঔষধ সেৱনৰ বাবে আৰু (১০) দূষিত জলবায়ুৰ বাবে এই ৰোগ হ'ব পাৰে বা হোৱা দেখা যায়।

**সাৱধানতা ঃ**

সাৱধানৰ ক্ষেত্ৰত প্ৰথম কথা হ'ল— শৌচ যাতে খোলোচা হয়, তাকে লক্ষ্য কৰিব লাগে। ৰক্তহীনতা বা ৰক্ত দূষিত হৈ এনে ৰোগ হ'লে শাক-পাচলি বেছিকৈ খাব লাগে। যকৃত বা হাওঁফাওঁত কোনো ৰোগ থাকিলে উপযুক্ত চিকিৎসাৰে তাক নিৰ্মূল কৰিব লাগে। উত্তেজক দ্ৰব্য সেৱন কৰিব নালাগে, যোনিদ্বাৰত ঘা হৈছে নেকি তালৈ লক্ষ্য ৰাখিব লাগে আৰু জননেন্দ্ৰিয়ত ঘা হ'লে তেল বা ভেচলিন জাতীয় মলম লগাব লাগে।

**বগাস্ৰাৱ ৰোগত হোমিঅ' চিকিৎসা ঃ**

হোমিঅ'পেথিক চিকিৎসাত এই ৰোগৰ সম্পূৰ্ণ নিৰাময়ৰ ব্যৱস্থা আছে। এই ৰোগৰ ক্ষেত্ৰত 'অশোকাটনিক' 'মেনলাটনিক' আদি হোমিঅ' ঔষধে চিকিৎসা জগতত এক সুকীয়া স্থান পাই আহিছে। তেনেদৰে ৰোগৰ লক্ষণ অনুসৰি আন আন ঔষধ যেনে— চিপিয়া, কেভিষ্টা, লাইকোপডিয়াম, পালচেটিলা আদি ব্যৱহাৰ কৰিও এনে ৰোগৰ চিকিৎসা কৰা হয়।

গতিকে, আমি ওপৰত কোৱাৰ দৰে ৰোগীয়ে লক্ষণবোৰ দেখিলে নিঃসংকোচে কোনো অভিজ্ঞ হোমিঅ' চিকিৎসকৰ ওচৰ চাপি ৰোগৰ প্ৰকৃত বিৱৰণ জনাই চিকিৎসা ল'লে কম সময়ৰ ভিতৰতে আৰু কম খৰচতে সহজেই আৰোগ্যৰ পথলৈ আহিব পাৰে।■■

**লেখক অসমৰ বিশিষ্ট হোমিঅ'পেথিক চিকিৎসক**